বনমীয়া

উপন্যাস

নাবাবাণ

অসমীয়া উপন্যাসত
নাৰীবাদ

ড° মীৰা দেৱী

লোকায়ত প্ৰকাশন
গুৱাহাটী - ৬

ASAMIYA UPANYASAT NARIBAD - A Book on Assamese Novel with feminist analysis written by Dr. Mira Devi, and published by Lokayat Prakashan, Dispur, Guwahati-6

অসমীয়া উপন্যাসত নাৰীবাদ

ড' মীৰা দেৱী
লক্ষীপুৰ, গোৱালপাৰা (অসম)

প্ৰথম প্ৰকাশ - গ্ৰন্থমেলা ১৯৯৬ চন

প্ৰকাশক ঃ লোকায়ত প্ৰকাশন
দিশপুৰ, গুৱাহাটী - ৬

বেটুপাত ঃ ত্ৰিদিব ভট্টাচাৰ্য

মূল্য ঃ পকাবন্ধা - ৭০.০০ টকা
কেঁচাবন্ধা - ৬০.০০ টকা

মুদ্ৰণত ঃ কামৰূপ মুদ্ৰণ
দিশপুৰ, গুৱাহাটী - ৬



শৈশৱৰে পৰা নাৰীৰ অধিকাৰ
সম্পৰ্কে চিন্তা কৰিবলৈ
মোক অসীম প্ৰেৰণা যোগোৱা
মোৰ পূজনীয়া মাতৃ
শ্ৰীযুতা দিব্যপ্ৰভা দেৱীলৈ —

— মীৰা

সূচীপাত

ঃ আগকথা / ক

ঃ অৱতৰণিকা / খ

প্ৰথম অধ্যায় ঃ *নাৰীবাদ* । (পৃষ্ঠা ঃ ১-২৪)

পাশ্চাত্যত নাৰীবাদৰ উৎপত্তি আৰু বিকাশ।

দ্বিতীয় অধ্যায় ঃ *ভাৰতত নাৰীবাদৰ উৎপত্তি আৰু বিকাশ।* (পৃষ্ঠা ঃ ২৫-৫৩)

বৃটিছ প্ৰভাৱত ভাৰতত নাৰীৰ ব্যক্তিত্ব আৰু মংগলৰ বাবে সজাগতা (প্ৰাচীন ভাৰতত আদৰ্শ নাৰীৰ ধাৰণা)।

ক্ৰমশঃ ভাৰতত নাৰীবাদী দৃষ্টিভংগীৰ উন্মেষ আৰু বিকাশ (গান্ধীবাদী, সন্ত্ৰাসবাদী)

ভাৰতত বিভিন্ন নাৰীবাদী অনুষ্ঠান — সামাজিক আৰু বৌদ্ধিক

তৃতীয় অধ্যায় ঃ *অসমত নাৰী-মংগলৰ চেতনা।* (পৃষ্ঠা ঃ ৫৪-৮২)

পৰম্পৰাগত পুৰুষপ্ৰধান অসমীয়া সমাজত বৃটিছ আগমনৰ পিছত নাৰী-মংগলৰ চেতনাৰ উন্মেষ আৰু বিকাশ।

কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিৰ ইতিহাসৰ অৱলম্বনত নাৰী-মংগলৰ বিভিন্ন অনুষ্ঠান আৰু কাৰ্যাৱলীৰ আলোচনা।

ক্ৰমে ক্ৰমে নাৰীবাদী দৃষ্টিভংগীৰ উন্মেষ।

চতুৰ্থ অধ্যায় ঃ *১৯২৮ চনৰ পৰা ১৯৪০ চনলৈ নাৰী-মংগল, নাৰীমুক্তি, নাৰীসত্তা আদিৰ প্ৰকাশ আৰু বিৰোধিতা ধৰা পৰা অসমীয়া উপন্যাসৰ আলোচনা।* (পৃষ্ঠা ঃ ৮৩-১১২)

পঞ্চম অধ্যায় ঃ ১৯৪০ চনৰ পৰা ১৯৬০ চনৰ ভিতৰত প্ৰকাশিত উপন্যাসৰ আলোচনা। (পৃষ্ঠা ঃ ১১৩-১৩০)

ষষ্ঠ অধ্যায় ঃ ১৯৬০ চনৰ পৰা ১৯৮০ চনলৈ প্ৰকাশিত উপন্যাসৰ আলোচনা। (পৃষ্ঠা ঃ ১৩১-১৭৩)

সপ্তম অধ্যায় ঃ উপসংহাৰ। (পৃষ্ঠা ঃ ১৭৪-১৮২)

নাৰীবাদী দৃষ্টিভংগী অসমীয়া সমাজত কিমান দূৰ গঢ় লৈছে, উপন্যাসত প্ৰতিফলিত হোৱা নাৰীৰ চিত্ৰেৰে তাৰ বিচাৰ। অসমীয়া সমাজত নাৰীৰ স্থানৰ বিচাৰ।

ঃ গ্ৰন্থপঞ্জী (পৃষ্ঠা ঃ ১৮৩-১৮৭)

আগকথা

ড মীৰা দেৱীৰ "অসমীয়া উপন্যাসত নাৰীবাদ" নামৰ এই গ্ৰন্থখনি অসমীয়া উপন্যাসৰ অধ্যয়নত দুটি দৃষ্টি কোণৰ পৰা এটি নতুন পদক্ষেপ। অসমীয়া সাহিত্যৰ এছাৰা নিৰ্বাচিত কালৰ উপন্যাসৰ নাৰীবাদী দৃষ্টিভংগীৰে কৰা এনে পদ্ধতিমূলক আৰু পুঙ্খানুপুঙ্খ বিশ্লেষণাত্মক পূৰ্ণাংগ সমালোচনা গ্ৰন্থ আগতে অসমীয়াত প্ৰকাশ হোৱা নাছিল। অৱশ্যে এনে নাৰীবাদী দৃষ্টিভংগীৰে কৰা গোটাদিয়েক অসমীয়া উপন্যাসৰ সংশ্লেষণাত্মক সমালোচনাৰ প্ৰবন্ধ আমাৰ ইতিপূৰ্বেই কিছু ৰচিত আৰু প্ৰকাশিত হৈছে। তাৰ উপৰি নাৰীবাদৰ পৰিচয়াত্মক তাত্ত্বিক আলোচনাই যদিও আমাৰ সাহিত্যত ইতিমধ্যে ঠাই পাইছিল, ড মীৰা দেৱীয়ে সেই ধাৰণাকো ইয়াত তেওঁৰ উদ্দেশ্যৰে দাঙি ধৰিছে, লগতে সেই ধাৰণাৰে গঢ়ি উঠা ভাৰত তথা অসমৰ নাৰীবাদী সামাজিক আন্দোলনবোৰৰো পৰিচয় তেওঁৰ উপন্যাস সমালোচনাৰ পটভূমি হিচাপে এই গ্ৰন্থত তুলি ধৰা হৈছে। স্বাভাৱিকতে উপন্যাস সমালোচনাৰ এই গ্ৰন্থ অসমীয়া উপন্যাসৰ নাৰীবাদী সমালোচনাৰ গ্ৰন্থ হিচাপে যেনেকৈ নতুন, ভাৰতৰ নাৰীবাদী ভাৱধাৰা কেন্দ্ৰিক আন্দোলনবোৰৰ পৰিচয়মূলক গ্ৰন্থ হিচাপেও ই আমাৰ সাহিত্যত নতুন।

গুৰু ভাৱৰ আৰু পদ্ধতিমূলক সমালোচনাৰ এই গ্ৰন্থখনেই ড মীৰা দেৱীৰ প্ৰথম গ্ৰন্থ। কিন্তু অসমীয়া সাহিত্যত অধ্যাপিকা মীৰা দেৱী নতুন নহয়। সমাজ আৰু সাহিত্যৰ বহুতো আলোচনা-সমালোচনামূলক প্ৰবন্ধ এওঁৰ ইতিমধ্যে প্ৰকাশিত হৈছে বিভিন্ন কাকত, আলোচনী আৰু সংকলন গ্ৰন্থত। সেইবোৰে ইতিমধ্যে পাঠক আৰু সমালোচকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈও সক্ষম হৈছে।

মীৰা দেৱীয়ে সমাজ আৰু সাহিত্য বিষয়ব প্ৰবন্ধ প্ৰকাশ কৰাৰ কথা কলোঁ। দৰাচলতে এওঁৰ সাহিত্য বিষয়ক প্ৰবন্ধবোৰে সমাজমুখী হৈ সমাজ সমালোচনাৰ ৰূপ লয়। অৰ্থাৎ এওঁৰ সাহিত্য সমালোচনা সমাজকেন্দ্ৰিক। এওঁৰ সাহিত্য-চৰ্চা সমাজ সেৱাৰ বাবে উৎসৰ্গিত। স্বাভাৱিকতে এওঁৰ নাৰীবাদৰ অধ্যয়ন আৰু অনুধাবন আমাৰ সমাজত ব্যক্তি হিচাপে নাৰীৰ স্থান উন্নীত কৰণৰ বাবে উদ্দিষ্ট। নাৰীবাদ সম্পৰ্কে যদিও আমি বহুতেই আমাৰ সাহিত্যত চৰ্চা, কৰিছোঁ, মীৰা দেৱীৰ নাৰীবাদ চৰ্চা ব্যৱহাৰিক পন্থাৰে সমাজলৈকে সম্প্ৰসাৰিত। এই পিনৰ পৰা এনে চৰ্চাৰ এটা সুকীয়া মূল্য আছে। এই বাবেও শ্ৰীমতী দেৱীৰ এই গ্ৰন্থখনি সকলোৰে মনোযোগৰ বিষয় হোৱা উচিত।

মই নিশ্চিত যে "অসমীয়া উপন্যাসত নাৰীবাদ" গ্ৰন্থখনি অসমীয়া সাহিত্যৰ পাঠক-পাঠিকা, ছাত্ৰ-ছাত্ৰী, গৱেষক-গৱেষিকা — সকলোৰে বাবে বিশেষভাবে

কামত আহিব। সমাজ সম্পৰ্কে চিন্তা কৰা লোকসকল আৰু সমাজকৰ্মীসকলৰো ই সহায়ক হ'ব। বহুতো পৰিচিত অসমীয়া উপন্যাসক এই গ্ৰন্থই যেনেকৈ এটি নতুন ৰূপত পাঠকৰ আগত দাঙি ধৰিছে, অসমীয়া সমাজখনকো - বিশেষকৈ অসমীয়া নাৰী-সমাজখন ই আমাক নতুন দৃষ্টিৰে চাবলৈ শিকাইছে। স্বাভাৱিকতে কিতাপখনৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ আমাৰ সাহিত্য আৰু সমাজৰ মংগলৰ বাবেই কাম্য। নাৰী সমাজৰ বাবেও ই বহু আদৰৰ এক গ্ৰন্থ হ'বৰ যোগ্য।

গোবিন্দ প্ৰসাদ শৰ্মা

২৪ অক্টোবৰ ১৯৯৬

ইংৰাজী বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়।

অৱতৰণিকা

নাৰী আৰু পুৰুষক লৈয়েই সমাজ গঠিত। উভয়ৰে মানুহ হিচাপে সমাজত স্থান আৰু অধিকাৰ সমান হোৱা উচিত যদিও আদিম অৱস্থাৰ পৰা নাৰীৰ এই সামাজিক স্থান আৰু সমানাধিকাৰ আজিলৈকে প্ৰতিপন্ন হোৱা নাই। নাৰীৰ সমানাধিকাৰ প্ৰতিপন্ন কৰাৰ বাবে পাশ্চাত্যত যোৱা তিনিশ বছৰ মান ধৰি এক চেতনাৰ উদ্ৰেক আৰু জাগৰণ হোৱা দেখা গৈছে। সেই অনুপাতে ভাৰতত এই নাৰীবাদী (Feminist) চেতনা সিমান তীব্ৰ নহয়। বৃটিছে ভাৰতবৰ্ষৰ শাসন ব্যৱস্থা লোৱাৰ পাছত ভাৰতীয় সমাজত যেতিয়া বৃটিছ প্ৰভাৱ পৰে, তেতিয়াৰ পৰাহে নাৰীমংগল আৰু নাৰীমুক্তিৰ চেতনা ভাৰতীয় সমাজত ধৰা পৰে। ভাৰতৰ অন্যান্য প্ৰদেশতকৈ অসম বহু পিছতহে ইংৰাজৰ অধীনলৈ যায়। বৃটিছে অসম দেশ লোৱাৰ পিছত— পাশ্চাত্যৰ চিন্তাৰ স্ৰোত যেতিযা অসমতো প্ৰৱেশ কৰে, তেতিয়া নাৰীৰ সমান অধিকাৰ আৰু সামাজিক স্থান আদি সম্পৰ্কে অসমতো এক চেতনা লাহে লাহে জাগ্ৰত হ'বলৈ আৰম্ভ কৰিলে। কিন্তু অসম বৃটিছৰ অধীনলৈ যেনেকৈ পিছত আহিছিল, এই নাৰীবাদী চেতনাও অসমলৈ কিছু পলমকৈ আহে। এই চেতনাৰ স্বৰূপ কেনে আছিল? এই চেতনাৰ ফলত নাৰীৰ স্থান আৰু অধিকাৰৰ ৰূপ কেনে হ'ল? এইবোৰ আলোচনা অসমীয়া সাহিত্যত এতিয়াও পদ্ধতিমূলকভাৱে হোৱা নাই। সেয়ে ইয়াৰ এটা পদ্ধতিমূলক আলোচনাৰ বাবে আমি উপন্যাস সাহিত্যকে বাচি লৈছোঁ। কাৰণ সাহিত্যৰ বিভিন্ন দিশ চুটিগল্প, কবিতা, নাটক আদিতকৈ উপন্যাসত ঔপন্যাসিকে মানৱ জীৱনৰ তথা সমাজৰ প্ৰতিচ্ছবি বিস্তৃত ৰূপত দাঙি ধৰিবলৈ বেছিকৈ সুবিধা পায়।

ঊনবিংশ শতিকাত জৰ্জ বাৰ্ণাৰ্ড শ্ব, ইব্‌চেন্ আদিয়ে যেনেকৈ একোটা আদৰ্শ আগত ৰাখি তেওঁলোকৰ নাট্যৰাজিত মুক্তিকামী নাৰী চৰিত্ৰ সৃষ্টি কৰিছিল, বা বিংশ শতাব্দীৰ ভাৰ্জিনিয়া উল্‌ফ্ আদিৰ দৰে লেখিকাই লেখনিৰ মাজেদি নাৰীৰ মানৱীয় অধিকাৰ যেনেকৈ প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছিল, অসমীয়া উপন্যাসত তেনেকৈ তেনে আদৰ্শৰ নাৰীচৰিত্ৰ সৃষ্টি কৰিব পৰা হৈছেনে? যদি পৰা নাই; কিয় পৰা নাই, সেই সম্পৰ্কেও নাৰীবাদী দৃষ্টিভংগীৰে বিচাৰ কৰিবলৈ ইয়াত যত্ন কৰিছোঁ।

অসমীয়া সাহিত্যত উপন্যাসৰ উন্মেষ ঊনবিংশ শতিকাতে হ'লেও বিংশ শতিকাৰ পৰাহে ইয়াৰ বিকাশ আৰম্ভ হৈছে। শিল্পবাণিজ্যৰ ক্ষেত্ৰত ঊনবিংশ শতাব্দীৰ অসম তেনেই পিছ পৰা আছিল। পাশ্চাত্য শিক্ষা সেই শতাব্দীতে এই প্ৰদেশতো বলবৎ হ'লেও সমাজত কি শিল্প-বাণিজ্যৰ, কি পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ তেতিয়াও যথেষ্ট নহয়। তেনে অৱস্থাত উপন্যাস ৰচনাৰ সামাজিক পৰিবেশ অসমত তেতিয়াও

সৃষ্টি হোৱা নাছিল। পাশ্চাত্য শিক্ষা বিস্তাৰৰ লগে লগে আৰু শিল্প বাণিজ্যৰ প্ৰসাৰৰ লগে লগে কেবাখনো নতুন নতুন চহৰ-নগৰ প্ৰদেশখনত গঢ়ি উঠাৰ ফলত ক্ৰমে এচাম নতুন শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হ'ল। আধুনিক বাস্তৱবাদী চিন্তাৰ এইচাম লোকৰ মাজৰ পৰাই ওলাই আহিল উপন্যাস ৰচনা কৰিবলৈ এটা শ্ৰেণী। ঊনবিংশ শতাব্দীৰ শেষভাগৰ পৰা এইয়া বিংশ শতাব্দীৰ শেহৰ পিনলৈ অসমীয়া উপন্যাসৰ প্ৰকাশ আৰু বিকাশ উলাই কৰিব পৰা বিধৰ নহয়।

কিন্তু অসমীয়া উপন্যাস সাহিত্যৰ প্ৰণালীবদ্ধ আলোচনা গ্ৰন্থ আজিও সীমিত। ১৯৬৫ চনত ড সত্যেন্দ্ৰ নাথ শৰ্মাৰ '*অসমীয়া উপন্যাসৰ ভূমিকা*' প্ৰকাশ হোৱাৰ পিছত ১৯৭৬ চনত '*অসমীয়া উপন্যাসৰ গতিধাৰা*' প্ৰকাশিত হয়। এই দুখন গ্ৰন্থত উপন্যাসৰ ধাৰাবাহিক আলোচনাৰ লগতে উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰো বিশ্লেষণ কৰা হৈছে। কিন্তু নাৰী চৰিত্ৰৰ এই আলোচনা পৰম্পৰাগত নৈতিকতাৰ ভিত্তিত প্ৰতিষ্ঠিত। ড প্ৰফুল্ল কটকীৰো '*স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা*' (১৯৭৯) সেই একে পৰ্যায়ৰেই আলোচনা। আনহাতে ১৯৮৩ চনত প্ৰকাশিত ড গোবিন্দ প্ৰসাদ শৰ্মাৰ '*বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ ঔপন্যাসিক*' গ্ৰন্থত আগৰ সমালোচনাসমূহৰ নৈতিকতাৰ বিচাৰৰ বিপৰীতে সামাজিক আৰু পাৰিবাৰিক দৃষ্টিকোণৰ পৰা নাৰী চৰিত্ৰসমূহৰ বিশ্লেষণ কৰাৰ প্ৰযাস দেখা যায়। উক্ত গ্ৰন্থসমূহে আমাৰ গৱেষণা কৰ্মত যথেষ্ট সহায় আগবঢ়াইছে। কিন্তু অসমীয়া উপন্যাস নাৰীবাদী ধাৰণাৰে বিচাৰ কৰাৰ প্ৰয়াস দেখা যায প্ৰথমতে ড গোবিন্দ প্ৰসাদ শৰ্মাৰেই 'ফেমিনিজম ইন্ দা এছামিজ্ নভেল্ (Feminism in the Assamese Novel)' প্ৰবন্ধটিত। এই প্ৰবন্ধটোৰ দ্বাৰা ১৯৮৯ চনত অসমীয়া সাহিত্যত নাৰীবাদী আলোচনাৰ বাট মুকলি হয়। ইয়াৰ পিছতে ১৯৯০ চনত ড. শৰ্মাই 'দণ্ডিনাথ কলিতাৰ 'সাধনা'ৰ এটি আলোচনা, স্বাধীনতা আৰু নাৰীমুক্তি' নামৰ প্ৰবন্ধত ১৯২৮ চনত প্ৰকাশিত 'সাধনা' উপন্যাসৰ নাৰীবাদী চেতনা সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ পটভূমিত বিচাৰ কৰি আমাৰ উপন্যাস তথা সাহিত্যৰ আলোচনাৰ এই নতুন দিশটি আৰু বেছি স্পষ্ট কৰে। আচলতে উক্ত প্ৰবন্ধ দুটাই আমাৰ গৱেষণা কৰ্মত যথেষ্ট বৰঙণি যোগাইছে।

নাৰী আন্দোলন আৰু নাৰীৰ পুৰুষৰ সৈতে সমানাধিকাৰৰ দৃষ্টিভংগী আগত ৰাখি আমি অসমীয়া উপন্যাসত প্ৰতিফলিত হোৱা নাৰী চৰিত্ৰবোৰ তেওঁলোকৰ সামাজিক আৰু পাৰিবাৰিক পটভূমিৰ পৰিপ্ৰেক্ষিতত আলোচনা কৰিবলৈ যত্ন কৰিছোঁ। আমাৰ গৱেষণাৰ মুখ্য উদ্দেশ্যসমূহ হ'ল ঃ

(ক) পাশ্চাত্যৰ নাৰীবাদী চেতনাৰ আধাৰত ভাৰত আৰু অসমত নাৰীবাদৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

(খ) অসমীয়া উপন্যাসত এই নাৰীমংগল - নাৰীমুক্তিৰ ধাৰণা নাৰীবাদ বিৰোধী শাশ্বত নাৰীৰ ধাৰণাৰ বিপৰীতে কেনে ধৰণে উপস্থাপিত হৈছে — তাক নাৰীবাদৰ

আদৰ্শেৰে ফঁহিয়াই চোৱা।

(গ) অসমীয়া উপন্যাসত ধৰা পৰা মতে অসমীয়া সমাজত নাৰীমুক্তি নাৰীমংগলৰ ধাৰণাটো কেনে ধৰণে বিকশিত হৈছে তাৰ বিচাৰ কৰা।

আমি আমাৰ গৱেষণা - গ্ৰন্থক সাতটা খণ্ডত ভাগ কৰিছোঁ। প্ৰথম অধ্যায়ত নাৰীবাদৰ তত্ত্ব আৰু পাশ্চাত্যত ইয়াৰ বিকাশ সম্পৰ্কে আলোচনা কৰা হৈছে। ইংৰাজী ফেমিনিজম্ (Feminism) শব্দটোৰ প্ৰতিশব্দ হিচাপে 'নাৰীবাদ' শব্দটো অসমীয়াত ব্যৱহাৰ কৰা হৈছে। আজিলৈকে নাৰীবাদৰ তত্ত্ব সম্পৰ্কে কোনো গ্ৰন্থ অসমীয়া সাহিত্যত ওলোৱা নাই। এই ক্ষেত্ৰত ড গোবিন্দ প্ৰসাদ শৰ্মাৰ 'নাৰীবাদ : কি আৰু কেনেকৈ' নামৰ প্ৰবন্ধটোৱেই অসমীয়াত উল্লেখযোগ্য ৰচনা।' ইয়ে আমাৰ গৱেষণা- গ্ৰন্থৰ প্ৰথম অধ্যায়ত 'নাৰীবাদ' বিষয়ক অধ্যয়নৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছে। জন চাৰ্ভেই (John Charvet) তেওঁৰ 'ফেমিনিজম্ (১৯৮২) (Feminism) গ্ৰন্থত নাৰীবাদী ধাৰণাক ত্ৰিধাৰাত বিভক্ত কৰি আলোচনা কৰাৰ দৰে আমিও ব্যক্তিবাদী নাৰীবাদ (Individualist Feminism), সমাজবাদী নাৰীবাদ (Socialist Feminism) আৰু মৌল বা চৰমপন্থী নাৰীবাদ (Radical Feminism) এই ত্ৰিধাৰাত তত্ত্বৰ দিশটো আলোচনা কৰিছোঁ।

দ্বিতীয় অধ্যায়ৰ প্ৰথম উপভাগত বৃটিছৰ ভাৰতবৰ্ষলৈ আগমন আৰু ভাৰতত পাশ্চাত্য শিক্ষা বিস্তাৰৰ ফলত হোৱা বংগৰ নৱজাগৰণ সম্পৰ্কে আলোচনা কৰা হৈছে। প্ৰাচীন ভাৰতত 'মনুসংহিতা'ই নাৰীক এই নিম্নখাপৰ প্ৰাণী বুলি যি ধাৰণাৰ সৃষ্টি কৰিছিল আৰু এই ধাৰণাৰ বহমান স্ৰোতটোক আধুনিক শিক্ষাৰে শিক্ষিত আধুনিক ভাৰতৰ প্ৰতিনিধি ৰামমোহন - বিদ্যাসাগৰে কেনেদৰে ব্যাহত কৰি নাৰীমুক্তিৰ ধাৰণাটো ভাৰতীয় পৰম্পৰাগত সমাজখনলৈ প্ৰথমতে বোৱাই আনিছিল — সেই কথা যুক্তিসহকাৰে দাঙি ধৰিবলৈ যত্ন কৰা হৈছে। দ্বিতীয় উপভাগত ভাৰতবৰ্ষৰ জাতীয় আন্দোলনৰ পটভূমিত পৰম্পৰাগত ঘৰুৱা বন্ধনৰ পৰা ভাৰতীয় নাৰীয়ে কেনেকৈ ওলাই আহি জাতীয় আন্দোলনত অংশগ্ৰহণ কৰিছিল— সেই সম্পৰ্কে আলোচনা কৰিছোঁ। তৃতীয় উপভাগত ভাৰতবৰ্ষত নাৰীমংগল-নীৰমুক্তিৰ আদৰ্শত গঢ়ি উঠা বিভিন্ন নাৰী সংগঠনসমূহৰ কাৰ্যাবলীৰ বিৱৰণৰ লগে লগে ১৯৭৫ চন মানৰ পৰাই ভাৰতবৰ্ষত গঢ়ি উঠা স্বশাসিত (Autonomus) আৰু পেশাগত (Professional) ভিত্তিত গঢ়ি উঠা নাৰী সংগঠনসমূহৰ বিষয়ে আলোচনা কৰি ভাৰতবৰ্ষত নাৰীবাদৰ উৎপত্তি আৰু বিকাশৰ ৰূপটোৰ এটা তথ্যভিত্তিক চিত্ৰ দাঙি ধৰিবলৈ যত্ন কৰা হৈছে।

ভাৰতবৰ্ষত নাৰীমুক্তিৰ চেতনাৰ বিকাশ সম্পৰ্কে আলোচনা কৰাৰ পিছত তৃতীয় অধ্যায়ৰ প্ৰথম উপভাগত পৰম্পৰাগত পুৰুষপ্ৰধান অসমীয়া সমাজত বৃটিছ আগমনৰ পিছত উদ্ৰেক হোৱা নাৰীমুক্তিৰ চেতনাৰ বিষয়ে আলোচনা কৰা হৈছে। ভাৰতীয় সমাজৰ অংশ হিচাপে অসমীয়া সমাজত মনু, ডাক আৰু কোৰাণ

চৰিফৰ প্ৰভাৱে নাৰীক কেনেকৈ পুৰুষৰ অধীন কৰি ৰাখিছে – সেই সম্পৰ্কে আলোচনা কৰি বৃটিছ আগমনৰ পিছত পাশ্চাত্য শিক্ষাৰে শিক্ষিত বংগৰ ৰামমোহন বিদ্যাসাগৰৰ দৰে অসমীয়া প্ৰগতিশীল মধ্যবিত্ত সমাজৰ প্ৰতিনিধি আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিয়ে কেনেকৈ নাৰী-মংগলৰ চেতনাটো অসমলৈ বোৱাই আনিলে, সেই সম্পৰ্কে এটি আলোচনা কৰা হৈছে। দ্বিতীয় ভাগত কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিৰ ইতিহাসৰ অৱলম্বনত নাৰীমুক্তিৰ দাবীত অসমীয়া নাৰীয়ে কিমান দূৰ অগ্ৰসৰ হ'ব পাৰিছে, তাৰে আলোচনা কৰা হৈছে।

ইয়াৰ পিছত চতুৰ্থ অধ্যায়ত ১৯২৮ চনৰ পৰা ১৯৪০ চনলৈ প্ৰকাশিত উপন্যাসৰ আলোচনা, পঞ্চম অধ্যায়ত ১৯৪০ চনৰ পৰা ১৯৬০ চনলৈ প্ৰকাশিত উপন্যাসৰ আলোচনা, ষষ্ঠ অধ্যায়ত ১৯৬০ চনৰ পৰা ১৯৮০ চনলৈ প্ৰকাশিত মুঠ বচা-বচা যোল্লখন উপন্যাস উপন্যাসিকাৰ আলোচনা আগবঢ়োৱা হৈছে। এই উপন্যাসসমূহত আগৰ অধ্যায়সমূহত আলোচিত নাৰী মংগল, নাৰীমুক্তিৰ চেতনা প্ৰকাশ পাইছে নে নাৰী সম্পৰ্কে পৰম্পৰাগত চেতনাহে প্ৰকাশ পাইছে, তাৰ আলোচনাও কৰা হৈছে। গৱেষণা গ্ৰন্থৰ সপ্তম অধ্যায়ত (উপসংহাৰ) আমাৰ আলোচিত উপন্যাসসমূহৰ মূল্যায়ন কৰি উপন্যাসৰ কাহিনীভাগ আৰু নাৰী চৰিত্ৰসমূহ কিমান দূৰ নাৰীবাদী তাৰেই বিচাৰ কৰা হৈছে। ইয়াৰ লগে লগে অসমীয়া সমাজত নাৰীমুক্তিৰ ধাৰণাটো কি প্ৰকৃতিৰ উপন্যাসত প্ৰতিফলিত হোৱা নাৰীৰ চিত্ৰেৰে তাকো আমি বিচাৰ কৰিবলৈ চেষ্টা কৰিছোঁ।

আমাৰ গৱেষণা কৰ্মত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সংগতি থকা গ্ৰন্থ প্ৰবন্ধসমূহৰ শ্ৰেণীবিভক্ত তালিকা আমি গৱেষণা গ্ৰন্থৰ শেষত বৰ্ণানুক্ৰমিক ৰূপত সন্নিবিষ্ট কৰিছোঁ। গ্ৰন্থপঞ্জীৰ প্ৰথমতে নাৰীবাদ সমাজ অধ্যয়ন আৰু সমশ্ৰেণীৰ সাহিত্য বিষয়ক গ্ৰন্থসমূহ ইংৰাজী, অসমীয়া আৰু বাংলা তিনিটা উপভাগত বিভক্ত কৰি সজোৱা হৈছে। দ্বিতীয়খণ্ডত নাৰীবাদ আৰু সমাজ অধ্যয়ন বিষয়ক প্ৰবন্ধসমূহৰ তালিকা আৰু অসমত নাৰী আন্দোলন গঢ়ি তোলা বিভিন্ন নাৰী সংগঠনৰ কাৰ্যসূচী, মুখপত্ৰসমূহ (ইংৰাজী আৰু অসমীয়া) গ্ৰন্থপঞ্জীৰ দ্বিতীয় খণ্ডত দিয়া হৈছে। শেষত আমাৰ আলোচিত উপন্যাস উপন্যাসিকাসমূহৰ তালিকা গ্ৰন্থপঞ্জীৰ শেষ খণ্ডত দিয়া হৈছে।

ইংৰাজী গ্ৰন্থৰ ক্ষেত্ৰত আৰু ইংৰাজী, বাংলা উদ্ধৃতিৰ ক্ষেত্ৰত কেইটামান নিয়ম মানি চলা হৈছে ঃ

(ক) মূল ইংৰাজী গ্ৰন্থৰ নাম প্ৰথমতে অসমীয়া লিপিত দি মূল গ্ৰন্থখনৰ নামটো পুনৰ গ্ৰন্থৰ উদ্ধৃতিৰ অনুবাদ/ভাবানুবাদ গৱেষণা গ্ৰন্থৰ ভিতৰত ঠাই দি মূল গ্ৰন্থৰ উদ্ধৃতি পাদটীকাত প্ৰয়োজন অনুসৰি সন্নিবিষ্ট কৰা হৈছে।

(গ) ইংৰাজী আৰু অসমীয়া গ্ৰন্থৰ প্ৰথম প্ৰকাশ কাল বুজাবলৈ গ্ৰন্থখনৰ নামৰ

পিছতে বন্ধনীৰ ভিতৰত প্ৰকাশ কালটো দিয়া হৈছে। শেষৰ চনটোৱে বুজাইছে ব্যৱহৃত সংস্কৰণৰ প্ৰকাশ কাল।

(ঘ) ধ্বনিগত উচ্চাৰণৰ ভিত্তিত লিপান্তৰ কৰাৰ বাবে ডেনিয়েল্ জোন্‌ছৰ (Daniel Jones), 'ইংলিছ প্ৰনাউন্‌চিং ডিক্সনৰি'ৰ (English Pronouncing Dictionary) সহায় লোবাৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ দ্বাৰা প্ৰস্তুত কৰা *'অসমীয়া ভাষাৰ আখৰ – জোঁটনি আৰু লিপান্তৰ পদ্ধতি'* নামৰ গ্ৰন্থ ব্যৱহাৰ কৰা হৈছে।

অসমীয়া ভাষাত মান্যাৰ্থ আৰু তুচ্ছাৰ্থত ব্যৱহৃত হোৱা দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সৰ্ব্বনাম 'তই', 'তুমি', 'আপুনি', 'সি', 'তেওঁ', 'তেখেত', 'এখেত' আদি ৰূপৰ ভিন্নতাৰ বাবে আমি অসুবিধাৰ সন্মুখীন হওঁ। আমি আমাৰ আলোচনাৰ মান্যাৰ্থ জনৰ ক্ষেত্ৰতো 'তেখেত'ৰ ঠাইত 'তেওঁ', 'এওঁ' আদি ৰূপ ব্যৱহাৰ কৰিছোঁ। কাৰণ আমি যেতিয়া 'তেখেত', 'এখেত'ৰ ঠাইত 'তেওঁ', 'এওঁ' ব্যৱহাৰ কৰিছোঁ, তেতিয়া 'তেওঁ', 'এওঁ' এজন ব্যক্তি বিশেষ হৈ নাথাকি – আমাৰ আলোচনাৰ মাজত সোমাই পৰা লেখক সমালোচকসকল নৈৰ্ব্যক্তিক ৰূপৰ আলোচনাৰ বিষয় হিচাপেহে দেখা দিছে। এই ক্ষেত্ৰত আমি আলোচনাৰ ধাৰাবাহিকতা ৰক্ষাৰ বাবে 'শ্ৰী', 'ডক্টৰ' আদি উপাধিও ব্যৱহাৰ কৰা নাই। কিন্তু যেতিয়া আমাৰ মাননীয় লেখক লেখিকাসকল ব্যক্তি হিচাপে আমাৰ ব্যক্তিগত বক্তব্যৰ ভিতৰলৈ আনিছোঁ তেতিয়া 'তেখেত', 'এখেত' আদি সৰ্ব্বনাম ব্যৱহাৰ কৰাৰ লগে লগে 'শ্ৰী', 'ডক্টৰ' আদি উপাধিও ব্যৱহাৰ কৰা হৈছে।

নাৰীবাদী ধ্যান ধাৰণাৰ প্ৰতি মোক প্ৰথম সজাগ কৰি এই বিষয়ৰ পদ্ধতিমূলক আলোচনাৰ বাবে উৎসাহিত কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড গোবিন্দ প্ৰসাদ শৰ্মাৰ ওচৰত মই চিৰকৃতজ্ঞ। তেখেতৰ তত্ত্বাবধানতে ১৯৯৩ চনত 'অসমীয়া উপন্যাসত নাৰীৰ স্থান' নামৰ মোৰ গৱেষণা গ্ৰন্থখনৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে মোক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। মোৰ এই গৱেষণা গ্ৰন্থখনৰে নামটো কিঞ্চিৎ সলনি কৰি 'অসমীয়া উপন্যাসত নাৰীবাদ' নামকৰণেৰে পুথিৰ আকাৰত ছপাবলৈ ড' শৰ্মাদেৱেই মোক পৰামৰ্শ দিয়ে। পুথিখনৰ অন্তৰঙ্গ বিভাগত কোনো পৰিবৰ্ত্তন কৰা হোৱা নাই। পূৰ্বৰ সাতোটা অধ্যায় একেদৰেই ৰখা হৈছে। মাত্ৰ মোৰ অনুৰোধ মৰ্মে ড' শৰ্মাদেৱে আগকথা খিনি লিখি দি পুথিখনৰ সৌষ্ঠৱ বৃদ্ধি কৰাত তেখেতৰ ওচৰত মই আজীৱন ঋণী হৈ ৰলোঁ। তেখেতৰ পত্নী ড' অঞ্জলী শৰ্মাৰ অনুপ্ৰেৰণাও মই কেতিয়াও পাৰিব নোৱাৰিম।

মোৰ গৱেষণা কৰ্মত ড হীৰেন গোহাই, ড' চন্দ্ৰ শৰ্মা, ড' বাণীপ্ৰসন্ন মিশ্ৰ প্ৰমুখ্যে ব্যক্তিসকলৰ অনুপ্ৰেৰণা আৰু নলবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক মোৰ শিক্ষাগুৰু শ্ৰীযুত শশী শৰ্মাদেৱৰ লগত হোৱা ব্যক্তিগত আলোচনাৰ পৰাও যথেষ্ঠ উপকৃত হৈছিলো।

গৱেষণাৰ কামত প্ৰয়োজন হোৱা ভালেমান গ্ৰন্থ গুৱাহাটী বিশ্ববিদ্যালয়, ধুবুৰী, নলবাৰী, গোৱালপাৰা জিলা পুথিভঁৰাল আদিৰ পৰা সংগ্ৰহ কৰিছিলো। তদুপৰি উক্ত পুথিভঁৰাল সমূহত অধ্যায়ণ কৰাৰ সুবিধাও লাভ কৰিছিলো। তাৰ বাবে উক্ত গ্ৰন্থগাৰিক সকলৰ শলাগ ললোঁ।

নাৰীৰ অধিকাৰ সম্পৰ্কে সচেতন আৰু বিধবা বিবাহৰ সমৰ্থক মোৰ পিতৃ ঁমাধব শৰ্মাদেৱে প্ৰতিষ্ঠা কৰা 'গন্ধিয়া মহিলা সমিতি'ৰ (১৯৪৭) (পিচলৈ অসম প্ৰাদেশিক মহিলা সমিতিৰ লগত যুক্ত) সম্পাদিকা মোৰ মাতৃ শ্ৰীযুতা দিব্যাপ্ৰভা দেৱীৰ লগত শৈশৱৰে পৰা নলবাৰী অঞ্চলত ঘূৰি ফুৰি বিভিন্ন অভিজ্ঞতা লাভ কৰিছিলো। পদ্মশ্ৰী নলিনী বালা দেৱী, বুদ্ধেশ্বৰী হাজৰিকা ইন্দু প্ৰভাবৰুৱাণী প্ৰমুখ্যে মহিলা সমিতিৰ নেত্ৰীসকলৰ নিকত সান্নিধ্যলৈও আহিছিলোঁ তেতিয়াই। এওঁলোকৰ জীৱন আৰু কাৰ্যাবলীৰে অনুপ্ৰাণিত হোৱা আৰু মোৰ গৱেষণ আৰু কামত সদায় প্ৰেৰণা যোগাই অহা মোৰ মাৰ ওচৰত মই কৃতজ্ঞ হৈ ৰলোঁ।

সকলো প্ৰকাৰৰ সাংসাৰিক অসুবিধাৰ মাজতো মোক যিজনে অহৰহ সহায় কৰিলে-সেইজনা মোৰ জীৱন সংগী শ্ৰী অৰুণ কুমাৰ শৰ্মাৰ ওচৰত মই আজীৱন ঋণী হৈ ৰলোঁ। গ্ৰন্থখন ছপাই উলিয়াই দিবলৈ আগবাঢ়ি অহা বাবে বন্ধুবৰ চন্দ্ৰ নীল শৰ্মাক মই কেতিয়াও পাহৰিব নোৱাৰিম।

শেষত, মোৰ এই কামত আগবাঢ়ি যাবলৈ যিসকল বন্ধু আৰু শুভাকাংক্ষীয়ে মোক সহায় আৰু প্ৰেৰণা যোগালে তেখেত সকললৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মীৰা দেৱী,
লক্ষীপুৰ মহাবিদ্যালয় (গোৱালপাৰা)

টীকা

১। Gobinda Prasad Sarma, Feminism in The Assamese Novel' in Preeti Barua (ed), *Commemorative Volume Golden Jubilee Handique Girls' College, 1939 - 1989, Golden Jubilee Celebration Committee, Gauhati, 1989*

২। গোবিন্দ প্ৰসাদ শৰ্মা, 'দণ্ডিনাথ কলিতাৰ "সাধনা"ৰ এটি আলোচনা, স্বাধীনতা আৰু নাৰীমুক্তি', "সূত্ৰধাৰ", সম্পাদক, হোমেন বৰগোহাঞি, দ্বিতীয় বছৰ, একবিংশ সংখ্যা, গুৱাহাটী, ১৯৯০

৩। গোবিন্দ প্ৰসাদ শৰ্মা, 'নাৰীবাদ : কি আৰু কেনেকৈ', "সূত্ৰধাৰ", সম্পাদক, হোমেন বৰগোহাঞি, তৃতীয় বছৰ, দশম সংখ্যা, গুৱাহাটী, ১৯৯০

৪। লণ্ডনৰ নাৰীবাদী চিন্তাবিদ জন্ চাৰ্ভেই (Jhon Charvet) তেখেতৰ ফেমিনিজম্ (Feminism, J. M. Dent & Sons, London, 1982) গ্ৰন্থত ৰাজনৈতিক সূত্ৰসমূহৰ ভিত্তিত নাৰীবাদী চিন্তাধাৰাৰ বিকাশৰ বিষয়ে আলোচনা কৰিছে। তেখেতে উক্ত গ্ৰন্থখনৰ নাৰীবাদী ধাৰণাক ক্ৰমে ব্যক্তিবাদী নাৰীবাদ (Individualist Feminism), সমাজবাদী নাৰীবাদ (Socialist Feminism) আৰু মৌল বা চৰমপন্থী নাৰীবাদ (Radical Feminism) এই তিনি ভাগত বিভক্ত কৰি যোৱা ২০০ বছৰৰ নাৰীবাদৰ বিশ্লেষণৰ জৰিয়তে বিভিন্ন সমাজ ব্যৱস্থাত নাৰী-পুৰুষৰ সমতা আৰু মুক্তিৰ ধাৰণাটো উন্মোচন কৰিছে।

প্ৰথম অধ্যায়

নাৰীবাদ

পাশ্চাত্যত নাৰীবাদৰ উৎপত্তি আৰু বিকাশ

ইংৰাজী 'ফেমিনিজম্' শব্দৰ প্ৰতিশব্দ হিচাপে অসমীযাত 'নাৰীবাদ' শব্দটো প্ৰয়োগ কৰা হৈছে। অক্সফাড্ ডিক্‌শ্যন্‌ৰিৰ মতে 'ফেমিনিজম্' শব্দটো প্ৰথমতে ১৮৫০ চনত ইংৰাজী ভাষাত ব্যৱহাৰ কৰিছিল যদিও এই শব্দটো ইযাৰ বৰ্তমান অৰ্থত ব্যবহাৰ হয ১৮৯০ খৃঃৰ পৰাহে। 'ফেমিনিজম্' গ্ৰন্থৰ গ্ৰন্থকাৰ জন্ চাৰ্ভেৰ মতে—নাৰীৰ পুৰুষৰ সেতে সমতাৰ ধাৰণা বা ভাৱেই নাৰীবাদ।"[১] নাৰীবাদীসকলে ভাৱে যে পুৰুষৰ সমানে নাৰীৰ শক্তি সামৰ্থ্য আছে আৰু উভযে মুক্ত প্ৰাণী। নাৰী-পুৰুষ উভযৰে স্বতন্ত্ৰ সত্তা আছে। গতিকে নাৰীও প্ৰথমতে মানুহহে। লিংগৰ ভিত্তিত নাৰী-পুৰুষৰ মূল্যাযণ কৰাটো অনুচিত। এই মৌলিক সমতাৰ ধাৰণাই নাৰীবাদীসকলে নাৰীৰ অধিকাৰ পুৰুষৰ সমান বুলি দাবী কৰাৰ গুৰি। মেৰী উলষ্টোনক্ৰাফ্টৰ (Mary Wollstonecraft) 'এ ভিণ্ডিকেশান্ অব্ দা ৰাইটচ্ অব্ ৱমেন' (১৭৯২) (A Vindication of the Rights of Woman), জে এচ্ মিলৰ (J.S. Mill) 'দা চাবজেক্‌শ্যন্ অব উইমিন' (১৮৬৯) (The Subjection of Women), চিমোন্ দি বিউভোৱাৰ 'দা চেকেণ্ড চেক্স' (১৯৪৯) (The Second Sex) আদি নাৰীবাদ বিষয়ক গ্ৰন্থৰ প্ৰকাশ আৰু প্ৰচাৰৰ ফলত পাশ্চাত্যত নাৰীবাদী চিন্তাই বিকাশ লাভ কৰে।

নাৰীবাদী চিন্তাৰ বিৰুদ্ধপন্থীসকলে ভাৱে যে নাৰী জন্মগত ভাৱে অবলা, দুৰ্বলা। পুৰুষৰ অবিহনে নাৰীৰ কোনো শক্তি-সামৰ্থ্য আৰু মূল্যও নাই। ভগৱানে যেন নাৰীক পুৰুষৰ ভোগৰ সামগ্ৰী হিচাপেহে সৃষ্টি কৰিছে। নাৰীৰ অস্তিত্ব পুৰুষৰ ওপৰত নিৰ্ভৰশীল। নাৰীয়ে পৰিচয় দিব লাগে কোনো পুৰুষৰ মাক, ঘৈণীয়েক আৰু জীয়েক হিচাপে। পুৰুষজনৰ সামাজিক অৱস্থান আৰু সামাজিক মৰ্যাদাৰ মানদণ্ডৰ দ্বাৰাই তেওঁৰ মাক, ঘৈণীয়েক আৰু জীয়েকৰো সামাজিক অৱস্থান বা সামাজিক মৰ্যাদা স্বীকৃত হয়।

আন এচামে আকৌ নাৰী আৰু পুৰুষক সমানাধিকাৰ দিব নিবিচাৰে; মাত্ৰ পুৰুষৰ ইচ্ছাৰ ভিতৰতে নাৰীক কিছু মৰ্যাদা দিব খোজে। এওঁলোকে ঘৰখনৰ ভিতৰত নাৰীৰ কিছু স্বাধীনতা মানি ল'লেও, নাইবা নাৰীক ত্যাগৰ প্ৰতিমূৰ্তি হিচাপে থিয় কৰালেও, ঘৰখনৰ বাহিৰৰ সামাজিক, ৰাজনৈতিক জীৱনত পুৰুষৰ

সমানে নাৰীৰো অংশগ্ৰহণ কৰাৰ যে অধিকাৰ আছে, তাক স্বীকাৰ কৰিব নোখোজে। স্বামী বা সন্তান সন্ততিৰ বাবে নাৰীয়ে কৰা কৰ্তব্যখিনিক পবিত্ৰ কৰ্তব্য হিচাপে তুলি ধৰি এওঁলোকে বন্ধনৰ শিকলিডাল লোৰ পৰিবৰ্তে সোণৰ হোৱাটোহে কামনা কৰে।

নাৰীবাদীসকলৰ মতে নাৰীৰ সমানাধিকাৰ সাব্যস্ত কৰিব খোজা মানেই নাৰী আৰু পুৰুষৰ মাজত মানসিক আৰু শাৰীৰিকভাৱে কোনো প্ৰভেদ মানি নোলোৱা। নাৰী আৰু পুৰুষ উভয়েই মানবীয় গুণসম্পন্ন ব্যক্তি। সেয়ে প্ৰত্যেকৰে নিজস্ব অস্তিত্ব আৰু স্বাধীন সত্তা আছে।

সপ্তদশ, অষ্টাদশ শতিকাৰ ইউৰোপত উন্মোচিত হোৱা এই নাৰীবাদী চিন্তাই বিভিন্ন স্তৰৰ মাজেদি বিকশিত হৈ আজি বৰ্তমানে সমগ্ৰ বিশ্বত এক আলোড়ণৰ সৃষ্টি কৰিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰ, গ্ৰেট বৃটেইন, ফ্ৰান্স আদি উন্নত দেশসমূহত ই এটা সবল আন্দোলন হিচাপে ধৰা দিছে।

নাৰীবাদৰ ধাৰণাটো প্ৰথমতে সৃষ্টি হয় দুজন পুৰুষ দাৰ্শনিক জন লকৰ (John Locke) আৰু কণ্ডৰচেৰ (Condorcet) ৰচনাত। ইংলণ্ডত জন্ম গ্ৰহণ কৰা দাৰ্শনিক জন্ লকৰ 'চেকেণ্ড ট্ৰিটিজ অৱ গৱৰ্ণমেণ্ট' ([illegible]) (Second Treatise of Government) প্ৰকাশ হোৱাৰ লগে লগে নাৰী পুৰুষৰ সমান মৰ্যাদাৰ প্ৰশ্নটো উত্থাপিত হয় আৰু ই ব্যক্তিবাদী নাৰীবাদী চিন্তাধাৰাৰ উদ্ৰেক কৰে

ব্যক্তিবাদী নাৰীবাদ

ব্যক্তিবাদী নাৰীবাদৰ মতে সামাজিক-ৰাজনৈতিক ক্ষেত্ৰত সকলো ব্যক্তিৰে সমান অধিকাৰ আছে। সামাজিক ক্ষেত্ৰত সকলো ব্যক্তিয়ে নিজস্ব অধিকাৰ প্ৰতিষ্ঠা কৰিব পৰা উচিত। সামাজিক অধিকাৰৰ ধৰণ সম্পৰ্কে বহুতে বহু ধৰণে আলোচনা কৰিলেও ব্যক্তিস্বাধীনতা সম্পৰ্কে এই মত গ্ৰাহ্য যে ব্যক্তিয়ে নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সাধাৰণতে কাৰো বাধা থকা অনুচিত। সকলো ব্যক্তিৰে নিজৰ জীৱন সম্পৰ্কে দায়িত্ব আছে; আৰু প্ৰতিজন ব্যক্তিয়ে নিজৰ দায়িত্বৰ প্ৰতি সচেতন হৈ আইনসন্মতভাৱে নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিব লাগিব।

ল'কে দেখুৱাই গৈছে যে ব্যক্তিৰ অধিকাৰ ব্যক্তিয়ে প্ৰকৃতিৰাজ্যত অৱধাৰিতভাৱে ভোগ কৰে। ল'কে সামাজিক সংগঠন আৰু ৰাষ্ট্ৰযন্ত্ৰক অস্বীকাৰ কৰিছে। তেওঁৰ মতে প্ৰকৃতি ৰাজ্য প্ৰকৃতিৰ নিয়মমতেই চলে। গতিকে প্ৰকৃতিৰ নিয়মমতে প্ৰকৃতি ৰাজ্যৰ অধিবাসী প্ৰতিজন ব্যক্তিৰে নিজৰ ইচ্ছা অনুযায়ী ঘৰত বা সমাজত অধিকাৰ প্ৰতিষ্ঠা কৰাৰ যুক্তি আছে; ইয়াত অন্যই হস্তক্ষেপ কৰিব নালাগে। প্ৰকৃতিৰ আইন হৈছে যুক্তিসিদ্ধ আৰু সেই আইনক মানি লোৱা ব্যক্তি

হৈছে বিচাৰবুদ্ধি সম্পন্ন। এই যুক্তিসিদ্ধ আইন পালন কৰাৰ মাধ্যমেদি জীৱ পৰিবৰ্তিত হয় স্বয়ংসম্পূৰ্ণ স্বাধীনসত্তালৈ। এই সূত্ৰৰ ওপৰতেই নিৰ্ভৰ কৰি লকে পুৰুষ স্ত্ৰীৰ বিবাহ সম্পৰ্কে কৈছে যে বিবাহ হৈছে দুটা স্বাধীনসত্তাৰ মাজত হোৱা এটা চুক্তি। কিন্তু লকে পৰিয়ালত স্বামীৰ বাবে উচ্চ আসন নিৰ্দ্ধাৰণ কৰিছে। কাৰণ তেওঁৰ মতে পুৰুষ হৈছে যুগ্ম জীৱনৰ অধিক কৰ্মক্ষম ব্যক্তি।

লকৰ বিবাহ সম্পৰ্কে এই মতবাদে সপ্তদশ শতিকাত ইংলণ্ডত খোকাৰণিৰ সৃষ্টি কৰিছিল। কাৰণ নাৰীক 'স্বাধীনসত্তা' বুলি স্বীকৃতি দিয়াৰ ফলত নাৰীৰ স্থান সমাজত পুৰুষৰ লগত সমান বুলি মানি লোৱা হৈছিল। কিন্তু লকে বিবাহ নৰ নাৰীৰ ভিতৰত হোৱা এটা চুক্তি বুলি ক'লেও বা নাৰীক স্বাধীনসত্তা বুলি স্বীকৃতি দিলেও স্বামীৰ প্ৰতি নীতিগতভাৱে যে নাৰী অনুগত হ'ব লাগিব আৰু তাৰ ফলতহে যে স্বামী স্ত্ৰীৰ মাজত স্নেহৰ সম্পৰ্ক অটুট থাকিব। এই পৰম্পৰাগত চিন্তাৰ পৰা তেওঁ আঁতৰি আহিব পৰা নাছিল। লকৰ মতে স্বামীৰ প্ৰতি নাৰীৰ আনুগত্যৰ কাৰণ হৈছে প্ৰকৃতিগত এইক্ষেত্ৰত নাৰীৰ ব্যক্তিসত্তাৰ ধাৰণাক বিসৰ্জন দিয়া হৈছে। যদি প্ৰকৃতিগত কাৰণতে নাৰীয়ে স্বামীৰ ওচৰত দাসত্ব স্বীকাৰ কৰিবলগীয়া হয় তেতিয়া নাৰী ব্যক্তি হিচাপে মুক্ত আৰু পুৰুষৰ সমান এই ধাৰণাৰ কোনো মূল্য নাথাকে।

কিন্তু লকে নিজাকৈ নাৰীৰ অধিকাৰৰ ক্ষেত্ৰত কোনো গ্ৰন্থ ৰচনা কৰা নাছিল। ব্যক্তিস্বাতন্ত্ৰ্যবাদৰ যি ধাৰণা লকে পোষণ কৰিছিল — এই আদৰ্শগত ভিত্তিৰ ওপৰতেই প্ৰায় এশ বছৰ পিছত ফ্ৰান্সৰ দাৰ্শনিক কণ্ডৰ্চেটে 'এডমিশান অৱ উইমেন টু ফুল চিটিজেনশ্বিপ' (১৭৯০) (Admission of women to Full Citizenship) নামৰ নাৰীবাদ সম্পৰ্কীয় গ্ৰন্থ ৰচনা কৰি উলিয়ায়।

কণ্ডৰ্চেৰ পিছতে নাৰীবাদৰ প্ৰবক্তা হৈছে ৰুচো (Rousseau)। ৰুচোৱে ব্যক্তিৰ ওপৰত ব্যক্তিৰ নিৰ্ভৰশীলতাক অস্বীকাৰ কৰিছিল আৰু ব্যক্তিসত্তাৰ পূৰ্ণ স্বাধীনতা বিচাৰিছিল। তেওঁৰ মতে মানৱীয় আত্মাক বিকশিত কৰাৰ বাবে পূৰ্ণ স্বাধীনতাৰ প্ৰয়োজন। অসমতাই স্বাধীনতাক ধ্বংস কৰে। ৰুচোৰ মতে সমাজত ব্যক্তিৰ অসমতাৰ প্ৰকৃত কাৰণ হ'ল অৰ্থনৈতিক অসমতা।

ৰুচোৱে নাৰী আৰু পুৰুষৰ সমতাৰ ওপৰত কোনো বক্তব্য দাঙি নধৰিলেও নাৰীক পুৰুষৰ ওপৰত নিৰ্ভৰশীলা কৰি গঢ়ি তোলাৰ মনোভাৱপোষণ কৰিছিল। তেওঁৰ মতে পুৰুষৰ নিজস্ব মূল্য নিজৰ ব্যক্তিত্বৰ মাজতে লুকাই আছে। কিন্তু তেওঁ নাৰীৰ মূল্য নিৰ্দ্ধাৰিণ কৰিছে পুৰুষৰ লগত হোৱা সম্পৰ্কৰ মাধ্যমেদিহে। তেওঁৰ মতে নাৰীক এনে শিক্ষাৰে শিক্ষিতা কৰা উচিত যাতে নাৰীয়ে পুৰুষৰ মনত আনন্দ দিব পাৰে। ৰুচো 'বন্ধুত্বমূলক' বিবাহৰ পক্ষপাতী আছিল আৰু নাৰী যাতে পুৰুষৰ উপযুক্ত সংগিনী হ'ব পাৰে তাৰ বাবে নাৰী-শিক্ষাৰ ওপৰত

গুৰুত্ব দিছিল। কাৰণ উপযুক্ত শিক্ষাৰে শিক্ষিত হ'লেহে নাৰীয়ে স্বামীৰ লগত বৌদ্ধিক আলোচনাৰ কৌশল আয়ত্ত কৰি স্বামীক আনন্দ দিব পাৰে।[৫]

ৰুচোৰ মতে প্ৰকৃতি ৰাজ্যত নাৰী আৰু পুৰুষৰ কোনো প্ৰভেদ নাই - তথাপি জৈৱিক জীৱনত নাৰীয়ে পুৰুষক সন্তুষ্ট কৰাৰ ক্ষেত্ৰতেই নাৰীৰ মূল্য নিৰ্দ্ধাৰণ হয়।[৬] সেয়ে নাৰীয়ে নিজৰ সততা ৰক্ষা কৰি ঘৰৰ ভিতৰত নিজকে আৱদ্ধ কৰি পুৰুষৰ দাসত্ব সহ্য কৰিব পৰাকৈ শিক্ষা ল'ব লাগিব। কাৰণ নাৰী 'প্ৰকৃতিগতভাৱে' মুক্ত বা পুৰুষৰ সমকক্ষ হোৱাৰ যোগ্য নহয়। মুঠতে ৰুচোৱে সুখী দাম্পত্য জীৱনৰ বাবে নাৰী আৰু পুৰুষৰ মাজত যি প্ৰভেদ সৃষ্টি কৰিলে সিয়ে ভৱিষ্যতলৈ নাৰীৰ দাসত্বক নিশ্চিত ৰূপদান কৰিলে।

১৭৯০ চনলৈ যিসকলে ব্যক্তিবাদী ৰাজনৈতিক চিন্তাধাৰাৰ পটভূমিত নাৰী স্বাধীনতা সম্পৰ্কত মত প্ৰকাশ কৰিছিল তেওঁলোক পুৰুষহে আছিল। ইয়াৰ দুবছৰ পিছতহে, ইংৰাজ কবি শেলীৰ শাহুৱেক, যবাচী বস্তুবাদী দাৰ্শনিক গডউইনৰ ((Godwin) পত্নী মেৰী উলষ্টোনক্ৰাফটে (১৭৫৯ ১৭৯৭) নাৰীবাদ বিষয়ক গ্ৰন্থ 'এ ভিণ্ডিকেশান অব দা ৰাইটচ অব্ ৱ'মেন' ৰচনা কৰি উলিয়ায়।

লণ্ডনত জন্ম গ্ৰহণ কৰা মেৰী উলষ্টোনক্ৰাফটে এখন স্কুল পৰিচালনা কৰিছিল আৰু লকৰ চিন্তাধাৰাৰ দ্বাৰা উদ্বুদ্ধ এটা চক্ৰৰ দ্বাৰা তেওঁ প্ৰভাৱান্বিত হৈছিল এই সংগঠনটোৱে নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ সুকীয়া মতবাদ গ্ৰহণ কৰিছিল। এওঁলোক মধ্যবিত্ত গণতন্ত্ৰী আছিল আৰু ব্যক্তিবাদী ৰাজনৈতিক চিন্তাধাৰা গ্ৰহণ কৰিছিল। এই চিন্তাধাৰাৰ দ্বাৰা উদ্বুদ্ধ হৈয়েই উলষ্টোনক্ৰাফটে উক্ত গ্ৰন্থৰ আগতে 'এ ভিণ্ডিকেশান অব দা ৰাইটচ অব মেন (১৭৯০) (A Vindication of the Rights of Man) নামৰ গ্ৰন্থও ৰচনা কৰে।

উলষ্টোনক্ৰাফটৰ মতে নাৰী প্ৰথমতে যৌনসত্তা (Sexual being) নহয় – মানৱসত্তাহে (Human being)। গতিকে যিহেতু নাৰী মানৱসত্তা, সেয়েহে পুৰুষৰ দৰেই নাৰীও যুক্তিবাদী (rational) মানৱীয় জীৱ।[৭] উলষ্টোনক্ৰাফটে নাৰী আৰু পুৰুষৰ মাজত কোনো পাৰ্থক্য বিচাৰি পোৱা নাই। নাৰীয়ে নিজস্ব শক্তিৰ ওপৰত ভিত্তি কৰি জীৱন অতিবাহিত কৰিব পাৰে। পুৰুষে যেনেকৈ নিজস্ব বিচাৰ বুদ্ধিৰে প্ৰকৃতিদত্ত অধিকাৰ ভোগ কৰিব পাৰে – ঠিক তেনেকৈ নাৰীয়েও বিচাৰবুদ্ধিসম্পন্ন জীৱ হিচাপে নিজস্ব অধিকাৰ প্ৰতিষ্ঠা কৰাত কোনো বাধা থাকিব নোৱাৰে। কিন্তু ঘৰুৱা সীমাবদ্ধ কাম-কাজৰ মাজত আৱদ্ধ থাকিলে নাৰীৰ জীৱনৰ পূৰ্ণ বিকাশ কেতিয়াও সম্ভৱ নহয়। উলষ্টোনক্ৰাফটৰ মতে তেওঁৰ সমসাময়িক কালত নাৰী উপযুক্ত শিক্ষাৰে শিক্ষিত নোহোৱাৰ বাবে নাৰীয়ে পুৰুষৰ সমানে অধিকাৰ ভোগ কৰাৰ পৰা বঞ্চিত হৈছিল। প্ৰকৃত শিক্ষাৰ অভাৱৰ বাবেই প্ৰচলিত মতান্ধতাৰ মাজত নাৰী নিমজ্জিত হৈ থাকে আৰু সমাজেও তাৰ সুযোগ লৈ নাৰীক পুৰুষৰ

যৌনক্ষুধা নিবাৰণৰ এটা যন্ত্ৰ বুলিহে জ্ঞান কৰে। নাৰীৰ যেন পবিত্ৰ কৰ্তব্য হৈছে – সহিষ্ণুতা আৰু দৈহিক সৌন্দৰ্যৰ দ্বাৰা পুৰুষৰ ভোগৰ বস্তু হৈ থকা। পুৰুষৰ মনে সজা ধাৰণা যে, নাৰী পুৰুষৰ ওপৰত নিৰ্ভৰশীল এক আবেগিক প্ৰাণী। ইয়াৰ বিপৰীতে উলষ্টোনক্ৰাফ্টে মত পোষণ কৰিছে যে উপযুক্ত শিক্ষা আৰু পৰিবেশৰ পৰিবৰ্তনে নাৰীৰ চৰিত্ৰৰ উন্নতি ঘটাব পাৰে। সেযে তেওঁ নাৰী আৰু পুৰুষৰ বাবে বেলেগ বেলেগ স্কুল বা শিক্ষাপদ্ধতি বিচৰা নাই। নাৰীয়ে উপযুক্ত শিক্ষাৰ দ্বাৰা মানসিক শক্তি আহৰণ কৰি পুৰুষৰ সৈতে প্ৰতিযোগিতা কৰিবলৈ বৌদ্ধিক শক্তি আয়ত্ত কৰিব লাগিব। উলষ্টোনক্ৰাফ্টে নাৰীমুক্তিৰ চৰ্ত হিচাপে নাৰীশিক্ষাৰ ওপৰত গুৰুত্ব দি কৈছে যে নাৰীৰ বাবে শিক্ষা এনেভাৱে সংস্কাৰ কৰা উচিত - যি শিক্ষাই পুৰুষৰ দৰে নাৰীকো চিকিৎসা, ধাত্ৰীবিদ্যা অথবা ব্যবসায়ৰ দৰে সকলো ক্ষেত্ৰৰ বাবেই উপযুক্ত কৰি গঢ়ি তোলে। এইখিনিতে তেওঁ নাৰীমুক্তিৰ কিছুমান চৰ্ত বান্ধি দিছে : প্ৰথমতে, নাৰীয়ে সম্পত্তিৰ অধিকাৰ পাব লাগিব দ্বিতীয়তে, উপযুক্ত শিক্ষাৰে শিক্ষিতা হৈ যেতিয়া নাৰীয়ে চাকৰিত নিয়োগৰ মাধ্যমেদি উপাৰ্জন কৰিবলৈ সমৰ্থ হ'ব, তেতিয়াহে বিবাহত আবদ্ধ হোৱা উচিত হ'ব। কিয়নো তেতিয়া নাৰীয়ে অৰ্থনৈতিকভাৱে পুৰুষৰ ওপৰত নিৰ্ভৰশীলা হ'ব নালাগে। তৃতীয়তে, পৰিয়ালৰ অৰ্থনৈতিক দায়-দায়িত্ব যেতিয়া পুৰুষ আৰু নাৰী উভয়েই ভাৰ পাতি ল'বলৈ সক্ষম হ'ব, তেতিয়া বিবাহিত জীৱনত কেনোৱে কাৰো অধীন হৈ থাকিব নালাগিব আৰু নাৰীয়ে পত্নী আৰু মাতৃ হিচাপে নিজৰ দায়িত্ব পালন কৰিও মুক্ত নাৰীৰ অধিকাৰ প্ৰতিষ্ঠা কৰিব পাৰিব।" মুঠতে উলষ্টোনক্ৰাফটৰ বাবে আদৰ্শ নাৰী হৈছে – শিক্ষিতা, স্বাধীনচিন্তায়া এক আনন্দময়ী স্বয়ংসম্পূৰ্ণা নাৰী - যাৰ আছে স্বামীৰ প্ৰতি গভীৰ শ্ৰদ্ধা। মুক্তপ্ৰাণা নাৰীয়ে নিজকে দুৰ্বলা বুলি ভাবি পবিত্ৰ দেবদূতী হৈ থাকিব নিবিচাৰে, বৰং এই নাৰী হয় স্বামীৰ বিশ্বস্ত বন্ধু আৰু সন্তানৰ প্ৰকৃত মাতৃ।

নাৰী যে অকল যৌনসত্তাই নহয় - নাৰীও যে মানৱীয় প্ৰাণী আৰু তেওঁৰো ব্যক্তিস্বাধীনতা আছে – এই ধাৰণা সপ্তদশ শতিকাৰ শেষভাগৰ পৰা অষ্টাদশ শতিকাৰ শেষ ভাগলৈ ওপৰোক্ত গ্ৰন্থসমূহত প্ৰকাশ হোৱাৰ পাছত পাশ্চাত্যত এক আলোড়ণৰ সৃষ্টি হয়। উনবিংশ শতিকাৰ মাজভাগৰ পৰা ইউৰোপ আৰু আমেৰিকাত নাৰীৰ সামাজিক আৰু ৰাজনৈতিক অধিকাৰৰ বাবে আইন প্ৰণয়ণৰ দাবীত নাৰীসকল সংগঠিত হ'বলৈ আৰম্ভ কৰে। ইয়াৰ ফলস্বৰূপেই ১৮৪৮ খৃঃত আমেৰিকাৰ চেনেকা ফল্চত নাৰীৰ অধিকাৰৰ দাবীত এখন অভিবৰ্তন অনুষ্ঠিত হয় (Declaration of Sentiment formulated by the Women's Rights Convention)।[১৩] এই অভিবৰ্তনত মত প্ৰকাশ কৰা হয় যে মানৱজাতিৰ ইতিহাস হৈছে – পুৰুষে নাৰীৰ ওপৰত কৰা অন্যায়-অত্যাচাৰৰ ইতিহাস। নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ পৰা নাৰী তেতিয়ালৈ বঞ্চিত হৈ আছে আৰু পুৰুষে তৈয়াৰ

কৰা আইনক নাৰীয়ে মানি ল'বলৈ বাধ্য হৈ আহিছে। বিবাহৰ লগে লগে নাৰী সম্পত্তিৰ অধিকাৰৰ পৰা, আনকি নিজস্বভাৱে অৰ্জন কৰা মজুৰিৰ পৰাও বঞ্চিত হ'বলগীয়া হয়। বিবাহিতা নাৰীয়ে স্বামীৰ বশ্যতা স্বীকাৰ কৰিবলগীয়া হয় আৰু কিবা কাৰণত বিবাহ বিচ্ছেদ হ'লে, আইনমতে সন্তানৰ অভিভাৱকত্ব পুৰুষেহে লাভ কৰাত, নাৰী মানসিক সুখ-শান্তিৰ পৰাও বঞ্চিত হৈ পৰে। নাৰীৰ উচ্চ শিক্ষাৰ কোনো সুবিধা নথকাত পুৰুষে লাভজনক সকলো প্ৰকাৰৰ নিয়োগৰ সুবিধা লাভ কৰে। নাৰী আৰু পুৰুষৰ বাবে সুকীয়া সুকীয়া নৈতিকতাৰ কথা প্ৰচাৰ কৰি নাৰীৰ নিজস্ব শক্তিক ধ্বংস কৰা হৈছে আৰু নাৰীৰ আত্মসন্মান লাঘৱ কৰি পুৰুষৰ অধীন কৰি ৰখা হৈছে।' এই অভিবৰ্তনে নাৰীসমস্যাসমূহ এইদৰে দাঙি ধৰাৰ ফলত সমগ্ৰ পাশ্চাত্য জগতত নাৰীমুক্তি আন্দোলনৰ গতিবেগ দিনে দিনে বৃদ্ধি হ'বলৈ আৰম্ভ কৰে।

ইংলণ্ডত জন্মগ্ৰহণ কৰা নাৰীবাদৰ প্ৰৱক্তা মাৰ্গাৰেট ফুলাৰে (১৮১০-১৮৫০) (Margaret Fuller) ১৮৪০ চনত লিখা তেওঁৰ নাৰীবাদ সম্পৰ্কীয় গ্ৰন্থ 'উইমিন্ ইন দা নাইণ্টীন্থ চেঞ্চুৰি' (Women in the Nineteenth Century) ১৮৪৫ চনত প্ৰকাশ কৰি উলিয়ায়।

অতীন্দ্ৰিয়তাবাদী (Transcendentalist) দৰ্শনৰ অনুগামী ফুলাৰৰ মতে স্বাধীনতা নাৰীৰ মৌলিক অধিকাৰ। তেওঁৰ মতে নাৰীৰ বৌদ্ধিক আৰু মানসিক উন্নতিৰ প্ৰয়োজন। আত্মসন্মান আৰু স্বাবলম্বিতাই হৈছে নাৰী স্বাধীনতাৰ মূল চৰ্ত। যিহেতু সৃষ্টিকৰ্তা ভগৱানেই হৈছে জীৱ জগতৰ মূল চালিকা শক্তি গতিকে জীৱ হিচাপে মানুহমাত্ৰেই ভগৱানৰ অধীন। মানুহ কেতিয়াও মানুহৰ অধীন হ'ব নোৱাৰে। গতিকে নাৰীও কেৱল সৃষ্টিকৰ্তাৰহে অধীন, আন কাৰো অধীন নহয়।'

ফুলাৰে ল'কৰ ব্যক্তিবাদী চিন্তাধাৰাৰ পৰাহে অনুপ্ৰাণিত হৈছিল, যি চিন্তাধাৰাক আকৌ কাণ্টে (Kant) বিকশিত কৰিছিল। ল'কৰ মতে ব্যক্তিয়ে কোনো ব্যক্তিৰ ওপৰত নিৰ্ভৰ নকৰাকৈ নিজৰ ব্যক্তিসত্তাক বিকশিত কৰাৰ পূৰ্ণ অধিকাৰ আছে। কোনো ব্যক্তিয়ে আন ব্যক্তিৰ অধিকাৰত হস্তক্ষেপ কৰাৰ অধিকাৰ নাই। আনহাতে ব্যক্তিৰ স্বাধীনতা নিৰ্ভৰ কৰে আন ব্যক্তিৰ অধিকাৰৰ ভিত্তিত। গতিকে ব্যক্তিয়ে এটা নিৰ্দিষ্ট পৰিধিৰ ভিতৰত নিজৰ ব্যক্তিগত অধিকাৰ সাব্যস্ত কৰিব লাগিব — যাতে নিজৰ স্বাধীনতা সাব্যস্ত কৰিবলৈ যাওঁতে আনৰ ব্যক্তিগত স্বাধীনতাৰ ওপৰত হস্তক্ষেপ কৰিবলগীয়া নহয়। যিহেতু ব্যক্তি বিচাৰবুদ্ধিশীল প্ৰাণী - সেয়ে আত্মসংযমৰ মাধ্যমেদি যুক্তিবাদৰ ওপৰত ভিত্তি কৰি নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিব লাগিব। কাণ্টৰ মতে ব্যক্তিৰ মাজৰ বৈপৰিত্যই হৈছে তেওঁৰ চিন্তাধাৰাৰ মূল বিষয়। সেয়ে পবিত্ৰ নৈতিকতাসম্পন্ন প্ৰাণী হিচাপে ব্যক্তিয়ে নিজক প্ৰতিষ্ঠা কৰাৰ বাবে যুক্তিবাদক গ্ৰহণ কৰিব লাগিব। কাৰণ ব্যক্তিয়েই হৈছে একমাত্ৰ পবিত্ৰ যুক্তিবাদী জীৱ।

ফুলাৰে কান্টৰ চিন্তাধাৰা গ্ৰহণ কৰি আমেৰিকা,ফৰাচী বিপ্লৱৰ স্বাধীনতা আৰু সমতাৰ দাবী নাৰী সমাজলৈ লৈ গৈছিল। ফুলাৰে মত প্ৰকাশ কৰিছিল যে নাৰীয়েও পুৰুষৰ দৰে সামাজিক ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণ কৰাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ আৰু চাকৰিৰ যোগেদি আত্মনিৰ্ভৰশীল হোৱাৰ অধিকাৰ পোৱা উচিত।[১] যিহেতু নাৰীৰ প্ৰকৃতিও পুৰুষৰ দৰেই। নাৰী আৰু পুৰুষ দুয়ো দুটা স্বাধীন সত্তাৰ গৰাকী। স্বাধীন সত্তা হিচাপে পুৰুষে যদি এই অধিকাৰসমূহ ভোগ কৰিব পাৰে – নাৰীয়ে নোপোৱাৰ কোনো যুক্তি নাই।

উলষ্টোনক্ৰাফটৰ দৰে ফুলাৰেও নাৰীৰ পত্নীত্ব আৰু মাতৃত্বক সন্মান জনাইছিল। কিন্তু ফুলাৰৰ মতে পত্নী আৰু মাতৃত্বৰ দোহাই দি নাৰীক ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ কৰি ৰখাটো উচিত নহয়। কাৰণ নাৰী অকল পত্নী আৰু মাতৃয়েই নহয় – পুৰুষৰ দৰে নাৰীৰো নিজস্ব [illegible] আছে অধিকাৰ আছে। নাৰীক অকল পত্নী আৰু মাতৃ বুলি স্বীকৃতি দিলেই নহ'ব, পতি পত্নীৰ মাজত সমতাৰ ভাব সৃষ্টি হ'ব লাগিব। ঘৰখন বন্ধুত্বৰ মাজেদি ইজনে সিজনৰ প্ৰতি গভীৰ বুজাপৰাত উপনীত হ'ব লাগিব আৰু এক বন্ধুত্বপূৰ্ণ জীৱন যাপন কৰিব লাগিব। তেতিয়াহে নাৰীৰ ব্যক্তিত্বৰ বিকাশ হোৱাটো সম্ভৱ।

ফুলাৰৰ মতে নাৰী অকল যৌন প্ৰাণীয়েই নহয়, নাৰী হিচাপে নিজৰ ভাগ্য নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতাও নাৰীৰ আছে। নাৰীক মুক্তভাৱে বিকশিত হ'বলৈ দিলে পুৰুষৰ বিপদ হ'ব বুলি ভয় খোৱাৰ কোনো কাৰণ নাই। কাৰণ স্বাধীনতা পালেই নাৰী পুৰুষ হৈ যাব বুলি ভবাটো অমূলক। চন্দ্ৰৰ নিজস্ব সৌন্দৰ্য থকাৰ দৰে নাৰীৰো নিজস্ব সৌন্দৰ্য আছে। নাৰীৰ এনে ব্যক্তিত্ব আছে যে নাৰী বিদ্যুতৰ দৰে গতিশীল, কাৰ্যত দূৰদৰ্শী আৰু ইচ্ছাত ঐশ্বৰিক। নাৰী আৰু পুৰুষ উভয়ৰেই একেটা মানৱীয় আত্মা। যদিহে ইয়াৰ এটা অংশত আঘাত কৰা হয়, সামগ্ৰিকভাৱে ই আঘাতপ্ৰাপ্ত হ'ব। আনহাতে এই মানৱীয় আত্মাৰ সামগ্ৰিক বিকাশ হ'লে দুয়োটা অংশৰে বিকাশ নিশ্চিত। একেটা মানৱীয় আত্মাই দুফাল হৈ সৃষ্টি হৈছে – নাৰী আৰু পুৰুষৰ। মানৱজাতিৰ ইতিহাসত পুৰুষে আজি বেছি আগুৱাই যাবলৈ সুযোগ পাইছে। কিন্তু বৰ্তমানে নাৰীবাদী চিন্তাধাৰাৰ উন্মেষৰ লগে লগে নাৰীৰ বিকাশৰ দ্বাৰো উন্মোচিত হৈছে। ফুলাৰে কয় যে নাৰী আৰু পুৰুষ উভয়ে মানৱতা গঢ়ি তোলাৰ বাবে একেই পূজাৰ পূজাৰী। সেয়ে নাৰী - পুৰুষ উভয়ে উভয়ৰ পৰিপূৰক বুলি গণ্য কৰিব লাগিব আৰু গোটেই মানৱতাক লৈ গঠিত হোৱা একেই পূজাৰ পূজাৰী হিচাপে নিজকে প্ৰস্তুত কৰিব লাগিব।

ঊনবিংশ শতিকাৰ মাজভাগৰ আন এজন ব্যক্তিবাদী-নাৰীবাদী দাৰ্শনিক হ'ল – জন্ ষ্টুৱাৰ্ট মিল্ (১৮০৬-১৮৭৩) (John Stuart Mill)। মিল্ ইউটিলিটাৰিয়ান্ (Utilitarian) বা উপযোগবাদী দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। এই দৰ্শনৰ ভিত্তিতে তেওঁ নাৰী-পুৰুষৰ সম্পৰ্ক বিশ্লেষণ কৰিছিল। "উপযোগবাদী দৰ্শনৰ ধাৰণাত

আছে ঃ দুখ-যাতনাৰ নিবাৰণেই সুখ আৰু সুখেই সৎ। সেইদৰে আনন্দৰ অভাবেই দুখ আৰু দুখেই অসৎ। সমাজখন চালিত হ'ব লাগে গৰিষ্ঠতম সংখ্যাৰ লোকৰ শ্ৰেষ্ঠ সুখ সম্ভোগেৰে।"[১৭] এই দৃষ্টিভংগীৰে তেওঁ নাৰী-পুৰুষৰ সম্পৰ্ক বিশ্লেষণ কৰি দেখিছিল যে সমাজৰ অৰ্ধাংশ নাৰী পুৰুষৰ দ্বাৰা শোষিতা হৈ এক দুৰ্বহ জীৱন কটাবলগীয়া হোৱা বাবে সমাজত সৰ্বাত্মক সুখবোধ সৃষ্টি হ'ব পৰা নাই। সেয়ে সমাজত এটা সৰ্বাত্মক সুখবোধ প্ৰতিষ্ঠা কৰাৰ বাবেই তেওঁ নাৰীমুক্তিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল। তেওঁৰ পত্নী হেৰিয়েট্ টেইলৰো (Harriet Taylor) আছিল নাৰীবাদী আন্দোলনৰ প্ৰবক্তা। হেৰিয়েট্ টেইলৰে 'ওৱেষ্টমিনষ্টাৰ ৰিভিউ' (Westminster Review) নামৰ আলোচনীত তেওঁৰ নাৰীবাদ সম্পৰ্কীয় প্ৰবন্ধ 'দা এনফ্ৰেনচাইজমেন্ট অব উইমেন' (The Enfranchisement of Women) প্ৰকাশ কৰি নাৰীৰ বাবে ভোটাধিকাৰৰ দাবী কৰে।[১৮] এই প্ৰবন্ধ প্ৰকাশ কৰাৰ পিছত মিলৰ লগত হেৰিয়েট টেইলৰৰ বিয়া হয় যদিও অলপ দিনৰ ভিতৰতে টেইলৰৰ মৃত্যু হয়। পত্নীৰ মৃত্যুৰ পিছত মিলে ব্যক্তিবাদী নাৰীবাদ বিষয়ক মৌলিক গ্ৰন্থ 'দা চাবজেক্‌শান অব উইমেন' প্ৰকাশ কৰি উলিওৱাৰ লগে লগে ব্যক্তিবাদী নাৰীবাদী চিন্তাধাৰাৰ বিকাশ ঘটে। মিলৰ এই গ্ৰন্থ নাৰী পুৰুষৰ সমান অধিকাৰ বিষয়ক এটা আগশাৰীৰ প্ৰচেষ্টা। মিলে উলষ্টোন্‌ক্ৰাফটৰ দৰে শিল্পত বা চাকৰিত পুৰুষৰ দৰে নাৰীক যোগদান দিবলৈ উপযুক্ত কৰি গঢ়ি তোলাৰ বাবে বিস্তৃত শিক্ষানীতিৰ কথা কৈছিল। তেওঁ বিশ্বাস কৰিছিল, নাৰীয়ে শিক্ষিতা হৈ উপযুক্তভাৱে নিজকে গঢ়ি তুলি দেশৰ ৰাজনীতিত অংশগ্ৰহণ কৰিব পাৰিব। কিন্তু তেওঁ এইটোও কৈছে যে নাৰীয়ে পুৰুষৰ দৰে চাকৰিত যোগদান দিলেও নাৰীৰ পবিত্ৰ সামাজিক কৰ্তব্য মাতৃত্ব আৰু ঘৰুৱা কাম-কাজৰ দায়িত্বৰ কথা পাহৰি যাব নালাগিব।[১৯]

মিলৰ মতে নাৰী-পুৰুষৰ সম্পৰ্কৰ মাজত বিৰোধ থকা বাবে মানৱজাতিৰ উন্নতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছে। গতিকে তেওঁৰ মতে নাৰী আৰু পুৰুষৰ সম্পৰ্ক সমতাৰ ভিত্তিত প্ৰতিষ্ঠিত হ'ব লাগিব। এই অসমতাৰ মনোভাৱ মানৱীয় বুৰঞ্জীৰ 'বল যাৰ মুলুক তাৰ' এই নিয়মৰ মাজতে নিহিত আছে। আদিম যুগত ই বলপূৰ্বক ব্যৱস্থাৰ মাজতে আৰম্ভ হৈছিল। কিন্তু বৰ্তমানৰ ব্যক্তিস্বাধীনতাৰ যুগতো নাৰীয়ে হৃত অধিকাৰ ঘূৰাই পোৱা নাই।[২০] সেয়ে নাৰীয়ে অধিকাৰসমূহ আদায় কৰাৰ বাবে নাৰীবাদী আন্দোলন গঢ়ি তুলিব লাগিব আৰু নাৰী-পুৰুষৰ সমতাৰ ভিত্তিত এখন সমাজ প্ৰতিষ্ঠা কৰিব লাগিব। মিলে এই ক্ষেত্ৰত স্পষ্ট কৰি দিছে যে নাৰীয়ে সমতা লাভ কৰিলেও পৰম্পৰাগত পত্নী আৰু মাতৃৰ দায়িত্ব পালন কৰি যাব লাগিব।[২১]

মিলৰ মতে নাৰী-পুৰুষৰ দাম্পত্য জীৱনৰ উন্নতি ঘটাব লাগিব আৰু বিবাহিত দম্পতীক আইনতঃ সমতা প্ৰদান কৰিব লাগিব। সমতাই হৈছে বিবাহিত জীৱনৰ সুখৰ মূল উৎস। ইয়াৰ অবিহনে মানৱজীৱন হৈ পৰে অনৈতিকতাপূৰ্ণ। মিলৰ

মতে অসমতাৰ ভিত্তিত গঢ়ি উঠা পৰিয়াল স্বেচ্ছাচাৰৰ অনুষ্ঠানৰ বাহিৰে আন একো নহয়।[২২] সেয়ে যিসকলে নাৰীক স্থিতাৱস্থাতে দমাই ৰাখিব বিচাৰে, সেইসকলৰ বাবে আইন প্ৰণয়ণ কৰি নাৰীক সমতা প্ৰদান কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য। বৰ্তমানৰ সামাজিক অৱস্থাৰ বাবেই নাৰী আৰু পুৰুষৰ মাজত অসমতা থকা বুলি মিলে মত পোষণ কৰিছে। নাৰী-পুৰুষৰ মাজত সমতা প্ৰতিষ্ঠাৰ বাবে নাৰীক সম্পত্তিৰ অধিকাৰ আৰু উপাৰ্জনৰ অধিকাৰ দিয়া উচিত।[২৩] নাৰীয়ে উপাৰ্জনত অংশ গ্ৰহণ কৰিব নোৱাৰাৰ বাবেই অৰ্থনৈতিকভাৱে পুৰুষৰ দাসত্ব স্বীকাৰ কৰিবলগীয়া হয়। মিলে এইখিনিতে উল্লেখ কৰিছে যে নাৰী-পুৰুষৰ সমানাধিকাৰ যিসকলে নিবিচাৰে সেইসকলে প্ৰচাৰ কৰে যে নাৰী চাকৰিৰ বাবে উপযুক্তা নহয়। তেতিয়া হ'লে বৰ্তমান যুগৰ প্ৰতিযোগিতাত নাৰী পিছ পৰি ৰ'বলৈ বাধ্য হ'ব। পুৰুষৰ জীৱনত নাৰীৰ স্থানৰ কোনো পৰিৱৰ্তন নহ'ব, নাৰী হৈ থাকিব পুৰুষৰ পদানত।

মিলে উল্লেখ কৰিছে যে স্বাধীন সত্তা হিচাপে পুৰুষৰ দৰে নাৰীয়েও ভোটাধিকাৰ পোৱা উচিত। ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ হ'লে নাৰীয়ে শিক্ষা লাভ কৰা প্ৰয়োজন। অতীতত নাৰীয়ে আনকি দেশৰ শাসনকৰ্তা নিৰ্বাচনৰ ক্ষেত্ৰতো অংশগ্ৰহণ কৰিছিল। সেয়ে শিক্ষা লাভ কৰি নাৰীয়ে ৰাজহুৱা কাম-কাজত অংশগ্ৰহণ কৰিবলৈ আগুৱাই আহিব লাগিব।[২৪]

মিলৰ মতে বৰ্তমান সমাজত শাশ্বত নাৰীৰ যি প্ৰচলিত ধাৰণা - সেই ধাৰণা পুৰুষে নিজৰ স্বাৰ্থতে সৃষ্টি কৰিছে। কাৰণ নাৰীৰ জীৱনৰ পৰিপূৰ্ণ ৰূপটো কেতিয়াও পুৰুষক সন্তুষ্টি দিয়া, সন্তান উৎপাদন আৰু লালন-পালন কৰা, এজনী সহনশীলা, অৱলা নাৰী হিচাপে ঘৰুৱা কাম-কাজৰ মাজতে নিজকে আবদ্ধ ৰখা আদিৰ ভিতৰতে সীমাবদ্ধ নহয়। যুগ যুগ ধৰি পুৰুষে নাৰীৰ এইবোৰ পবিত্ৰ কৰ্তব্য বুলি প্ৰচাৰ কৰাৰ ফলত নাৰীয়ে নিজৰ শক্তি-সামৰ্থ্যৰ কথা পাহৰি গৈছে। কিন্তু নাৰীৰ মাজত অৱদমিত হৈ থকা সুপ্ত প্ৰতিভাসমূহ যদি জাগ্ৰত কৰা হয় তেতিয়া হ'লে নাৰী আৰু পুৰুষ যে একেই মানৱসত্তা, এইটো প্ৰতিপন্ন হ'ব। মিলৰ এই মতবাদে সমাজত নাৰীবাদৰ ধাৰণাক বেছি সুস্পষ্ট কৰি তুলি ধৰিছিল। সেয়ে মিলে কৈছে যে প্ৰচলিত বিবাহ প্ৰথাতেই নাৰীৰ দাসত্বৰ উপাদানসমূহ নিহিত আছে। এই দাসত্ব প্ৰথাই কেতিয়াও সৰ্বাত্মক সুখৰ ধাৰণা সৃষ্টি কৰিব নোৱাৰে।[২৫]

এইদৰে ব্যক্তিবাদী নাৰীবাদীসকলে নাৰীৰ সামাজিক আৰু ৰাজনৈতিক অধিকাৰ পুৰুষ-প্ৰধান সমাজত প্ৰতিষ্ঠা কৰাৰ বাবে আন্দোলন গঢ়ি তুলিছিল। ঊনবিংশ শতিকাত নাৰীয়ে শিক্ষা গ্ৰহণ কৰাৰ বাবে স্কুল আৰু বিশ্ববিদ্যালয়ত সুযোগ লাভ কৰে আৰু চাকৰিত যোগদান দিবলৈ আগবাঢ়ি যায়। ইউৰোপ, আমেৰিকা আদি উন্নত দেশত বিবাহ-বিচ্ছেদৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ আদি লাভ কৰাৰ

ফলত নাৰীয়ে ভালেখিনি সুবিধা লাভ কৰে। কিন্তু নাৰীৰ ৰাজনৈতিক অধিকাৰক তেতিয়াও বাধা প্ৰদান কৰা হৈছিল। বিশেষকৈ প্ৰথম বিশ্বযুদ্ধৰ পাছতহে নাৰীয়ে পশ্চিমীয়া দেশসমূহৰ বেছিভাগতে ভোটাধিকাৰ লাভ কৰিবলৈ সমৰ্থ হয়। ঊনবিংশ শতিকা বা তাৰ আগতে পশ্চিমীয়া দেশসমূহতো নাৰীৰ অৱস্থা বৰ দুখ লগা আছিল। উদাহৰণ স্বৰূপে — আমেৰিকাত নাৰীয়ে তেতিয়াও ভোটাধিকাৰৰ সুযোগ পোৱা নাছিল। বিবাহ বিচ্ছেদৰো কোনো অধিকাৰ নাৰীয়ে তেতিয়া লাভ কৰা নাছিল। এনে অৱস্থাত বৃটেইনৰ নাৰীসকলৰ দৰে যুক্তৰাষ্ট্ৰ আৰু পশ্চিমীয়া দেশসমূহৰ নাৰীয়েও ৰাজনৈতিক জীৱনত অংশগ্ৰহণ কৰাৰ বাবে আৰু ভোটাধিকাৰৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হৈছিল।

১৯২০ চনলৈ নাৰীয়ে বিভিন্ন ক্ষেত্ৰত কিছুমান অধিকাৰ লাভ কৰিছিল যদিও পত্নী আৰু মাতৃৰ দায়িত্ব পালন কৰিবলগীয়া হোৱাত অৱধাৰিতভাৱে নাৰীৰ অধিকাৰ সীমিত হৈ পৰিছিল। বিবাহিতা নাৰীয়ে চাকৰি জীৱনৰ কৰ্তব্যতকৈ নিজৰ ঘৰখনৰ সন্তান সন্ততি, স্বামী আৰু ঘৰৰ অন্যান্য কৰ্তব্য পালনক অগ্ৰস্থান দিবলগীয়া হৈছিল। সেয়ে বহুতো নাৰীয়ে নিয়োগৰ সুবিধা লাভ কৰিও সেই সুবিধা গ্ৰহণ কৰাত ব্যৰ্থ হৈছিল। এনে কাৰণতেই সেই সময়ৰ কিছুমান নাৰীবাদৰ প্ৰবক্তাই মত প্ৰকাশ কৰিছিল যে পৰিয়ালৰ ধৰণ কৰণ বা ঘৰুৱা বন্ধনে নাৰীক এনেদৰে গ্ৰাস কৰিছে যে সমানাধিকাৰ আইনত কাৰ্যকৰী হ'লেও সামগ্ৰিকভাৱে নাৰীৰ অৱস্থানৰ কোনো উন্নতি নহ'ল। ফ্ৰাইডেনে (Friedan) তেওঁৰ গ্ৰন্থ 'দা ফেমিনিন্ মিষ্টিক্'ত (১৯৬৫) (The Feminine Mystique) উল্লেখ কৰিছে যে নাৰীয়ে যিহেতু পত্নী আৰু মাতৃ হিচাপে দায়িত্ব পালন কৰিবলৈ বাধ্য, সেই ক্ষেত্ৰত নাৰী-স্বাধীনতাৰ প্ৰথম চৰ্ত হিচাপে শিশুসকলৰ লালন-পালনৰ দায়িত্ব ৰাষ্ট্ৰই গ্ৰহণ কৰি এই দায়িত্বৰ পৰা নাৰীক অব্যাহতি দিয়া উচিত। শিশুসকলৰ বাবে তেওঁ কিছুমান 'শিশুসদন' (Nursery) প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ কৰিছে। ফ্ৰাইডেনে কয় যে নাৰীয়ে ঘৰ-সংসাৰৰ কাম কৰি পুনৰ সামাজিক কৰ্তব্য পালন কৰাটো সহজ নহয়। নাৰীয়ে প্ৰকৃত শিক্ষা লাভ কৰি গৃহিণীৰ ভূমিকা বাদ দিব লাগিব - কিয়নো ইয়ে নাৰীৰ মানসিক বিকাশত বাধাৰ সৃষ্টি কৰে। সেইবুলি ফ্ৰাইডেনে ঘৰ-সংসাৰ বাদ দিয়াৰ কথা কোৱা নাই। তেওঁৰ মতে ঘৰুৱা কাম হ'ব গৌণ আৰু সামাজিক কাম হ'ব মুখ্য। নাৰীয়ে তেতিয়া পত্নী আৰু মাতৃ হিচাপে থাকিও পুৰুষসদৃশ জীৱনৰ বিভিন্ন দিশ বিকশাই তুলিবলৈ সমৰ্থ হ'ব।[২৭]

সমাজবাদী নাৰীবাদ

ব্যক্তিবাদী নাৰীবাদী চিন্তাচৰ্চা মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিপত্তিৰ লগে লগে

ইউৰোপ-আমেৰিকা আদি দেশত গঢ় লৈ উঠিছিল। কিন্তু সমাজবাদী দৰ্শনৰ আবিৰ্ভাৱৰ লগে লগে নাৰীবাদী চিন্তাধাৰাৰ মাজত এক বিৰোধে দেখা দিয়ে। সমাজবাদী দৰ্শনৰ সহায়ত এক শ্ৰেণীৰ চিন্তাবিদে দেখিলে যে ধনতান্ত্ৰিক সমাজত ব্যক্তিগত সম্পত্তিৰ মালিকানা, অৰ্থনৈতিক শোষণ ব্যৱস্থা অব্যাহত হৈ থকাৰ বাবে নাৰীৰ পূৰ্ণ স্বাধীনতা সম্ভৱপৰ নহয়। ব্যক্তিবাদী নাৰীবাদীসকলৰ সম্পূৰ্ণ বিপৰীতে সমাজবাদী নাৰীবাদীসকলে ভাবে যে সমাজতন্ত্ৰত যিহেতু ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন হ'ব আৰু ই ৰাষ্ট্ৰীয় মালিকানাৰ তললৈ যাব, তেনেস্থলত তেতিয়া সন্তানৰ দায়িত্বও ৰাষ্ট্ৰৰ হাতলৈ যোৱাত নাৰীয়ে ব্যক্তিগত দায়িত্বত সন্তান লালন-পালন কৰাৰ পৰা অব্যাহতি পাব। নাৰীয়ে সমাজতন্ত্ৰত ঘৰুবা কাম-কাজৰ মাজত নিজকে আবদ্ধ কৰি ৰখাৰ কোনো প্ৰশ্নই নুঠে। সমাজবাদী নাৰীবাদীসকলৰ মতে ব্যক্তিগত সম্পত্তিৰ বিকাশৰ লগে লগে পুৰুষপ্ৰধান সমাজৰ সৃষ্টি হয় - আৰু নাৰী হৈ পৰে পুৰুষৰ দাস।

ব্যক্তিবাদী নাৰীবাদী সকলৰ দৰে সমাজবাদী নাৰীবাদী সকলে নাৰীৰ এই দুখজনক অৱস্থাৰ বাবে পুৰুষক দায়ী কৰা নাই। এওঁলোকৰ মতে ব্যক্তিগত সম্পত্তিয়েই ইয়াৰ মূল কাৰণ। ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধনৰ ফলত নাৰী যেনেকৈ মুক্ত হ'ব, ঠিক তেনেকৈ সমাজৰ সংখ্যাগৰিষ্ঠ পুৰুষো অৰ্থনৈতিক দুৰৱস্থাৰ পৰা মুক্ত হ'ব। সেয়ে এওঁলোকৰ মতে নাৰী আন্দোলন পুৰুষৰ আন্দোলনৰ পৰা কোনো এটা বিচ্ছিন্ন আন্দোলন নহয়।

সমাজবাদী নাৰীবাদৰ পূৰ্বসূৰী প্ৰবক্তা উইলিয়ম্ থম্চনে (১৭৮৫-১৮৩৩) (William Thompson) কয় যে পৰিয়ালৰ সুখ-সমৃদ্ধি তেতিয়াই বিৰাজ কৰিব যেতিয়া নাৰী আৰু পুৰুষৰ মাজত সমতাৰ সৃষ্টি হ'ব। সমতাৰ মূল চৰ্ত হৈছে স্বাধীনতা। কিন্তু নাৰীয়ে পুৰুষৰ দৰে অধিকাৰ লাভ কৰাটো সম্ভৱ ভৱিষ্যতৰ 'সমবায় ভিত্তিক' সমাজতহে। থম্চনৰ মতে নাৰীয়ে তেওঁলোকৰ অৱস্থা উন্নত কৰাৰ কাৰণে ভৱিষ্যতৰ সমতাৰ বাবে ঘৰুৱা দাসত্বৰ পৰা নিজকে মুক্ত কৰি প্ৰতিযোগিতামূলক সমাজত সামাজিক-ৰাজনৈতিক অধিকাৰৰ বাবে দাবী তুলিব লাগিব।[৮] তেওঁৰ মতে ভৱিষ্যতৰ সমবায় ভিত্তিক সমাজেহে নাৰী-পুৰুষৰ 'সৰ্বাত্মক সুখ'ৰ আশ্বাস দিব পাৰে। কাৰণ এই সমাজত ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন হ'ব, নাৰীয়ে স্বামীৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব নালাগিব। ৰাষ্ট্ৰই সন্তানৰ লালন-পালন আৰু শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিব। নাৰী হৈ পৰিব সামাজিক ধাত্ৰী আৰু শিক্ষয়িত্ৰী। কিন্তু থম্চনে এইটো কোৱা নাই যে জন্মৰ পিছতেই সন্তানৰ চোৱা-মিলাৰ ভাৰ সমাজে গ্ৰহণ কৰিব। তেওঁ কৈছে যে জন্মৰ পিছৰ মাতৃৰ কৰ্তব্যখিনি সামাজিক কৰ্তব্য হিচাপে পৰিগণিত হ'ব। অৰ্থাৎ পৰিয়ালত মাতৃৰ কৰ্তব্য সামাজিক কৰ্তব্য ৰূপে পৰিগণিত হ'ব।[৯]

সমবায় ভিত্তিক সমাজত সামাজিক সম্পত্তিৰ অংশীদাৰ নাৰী পুৰুষ উভয়েই

হোৱাৰ বাবে নাৰীৰ ওপৰত পুৰুষৰ কোনো আধিপত্য নাথাকিব। সন্তানৰ জন্ম, লালন-পালন আৰু শিক্ষাৰ দায়িত্বও সমাজে গ্ৰহণ কৰাত ব্যক্তিবাদী সমাজত নাৰীৰ উপাৰ্জনৰ ওপৰত পুৰুষৰ অধিকাৰ থকাৰ দৰে - এই সমাজত দাম্পত্য জীৱনত নাৰীৰ ওপৰত পুৰুষৰ কোনো আধিপত্য নাথাকিব। পূৰ্ণ সমতাৰ ভিত্তিত নাৰী-পুৰুষে দাম্পত্য জীৱনত শৰীৰ আৰু মনত এক উচ্চ স্তৰৰ আনন্দ লাভ কৰিবলৈ সক্ষম হ'ব।[৯]

এইদৰে থমচন আদি চিন্তাবিদে সমাজবাদী নাৰীবাদৰ যি ধাৰাটো আৰম্ভ কৰে - সেই ধাৰাটো বিকশিত কৰি তোলে ঊনবিংশ শতিকাৰ চিন্তাবিদ কাৰ্ল্ মাৰ্ক্সে (১৮১৮ ১৮৮৩) (Karl Marx) আৰু এংগেলচে (১৮২০ ১৮৯৫) (Engels)।

কাৰ্ল্ মাৰ্ক্স্ হৈছে সৰ্বপ্ৰথম সমাজতন্ত্ৰৰ আৰু বৰ্তমান যুগৰ শ্ৰমিক আন্দোলনৰ মুখ্য পথ প্ৰদৰ্শক। পুঁজিবাদৰ বিকাশৰ যুগতে কাৰ্ল মাৰ্ক্সৰ জন্ম। মানৱ জাতিৰ ইতিহাসৰ ব্যাখ্যা কৰি কাৰ্ল্ মাৰ্ক্সে যুক্তিৰে মানৱ সমাজৰ আদিম অৱস্থাৰ পৰা পুঁজিবাদী অৱস্থালৈ সমস্ত প্ৰক্ৰিয়াসমূহ বিশ্লেষণ কৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত থকা দ্বন্দ্বসমূহ দেখুৱাই দিয়ে। তেওঁ মানৱ জাতিৰ ইতিহাস শ্ৰেণীসংগ্ৰামৰ ইতিহাস বুলি দৃঢ়ভাৱে মত পোষণ কৰিছে।[১০]

মাৰ্ক্সে পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ বিকাশসমূহ বিশ্লেষণ কৰি সমাজত নাৰীৰ স্থান নিৰূপণ কৰিবলৈ গৈ কৈছে যে ধনতান্ত্ৰিক ব্যৱস্থাত পৰিয়ালৰ প্ৰতিষ্ঠাৰ মূল ভিত্তি হৈছে ব্যক্তিগত সম্পত্তি। সেয়ে মাৰ্ক্সৰ মতে ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধনৰ লগে লগে বৰ্তমানৰ পৰিয়ালত নাৰী-পুৰুষৰ সম্পৰ্কৰ পৰিবৰ্তন অৱশ্যম্ভাবী।[১২] তেওঁৰ মতে ধনতান্ত্ৰিক ব্যৱস্থাত মানুহৰ সৈতে মানুহৰ সম্পৰ্ক নগদ টকাৰ সম্পৰ্কৰ বাহিৰে আন একো নহয়।[১৩] গতিকে পৰিয়ালৰ ব্যক্তিৰ সম্পৰ্কও আৰ্থিক সম্পৰ্কৰ মাজত আবদ্ধ।

কাৰ্ল্ মাৰ্ক্সে নাৰীস্বাধীনতা সম্পৰ্কে সুকীয়া আলোচনা নকৰিলেও তেওঁৰ ৰচনাত ইংগিত দিছে যে ব্যক্তিগত সম্পত্তিৰ বিলোপৰ লগে লগে নাৰীয়ে হৃত অধিকাৰ ঘূৰাই পোৱাটো সম্ভৱ।[১৪]

গতিকে মাৰ্ক্সৰ মতে ব্যক্তিসত্তা সামাজিক সত্তাৰ অংগ। সামাজিক সত্তাই ব্যক্তিসত্তাক নিয়ন্ত্ৰিত কৰে। ব্যক্তিগত চিন্তা-চৰ্চা, ধ্যান-ধাৰণা সামাজিক ধ্যান-ধাৰণাৰ পৰিণতি মাত্ৰ। গতিকে সামাজিক সত্তাক বাদ দি ব্যক্তি সত্তাৰ সম্পৰ্কৰ পৰিবৰ্তন কৰাটো এটা বিমূৰ্ত্ত ধাৰণা। সমাজবাদত সামাজিক সত্তাৰ অৰ্থনৈতিক সম্পৰ্কৰ পুনৰ বিন্যাসৰ লগে লগে ব্যক্তিৰ অৰ্থনৈতিক সম্পৰ্কৰো পৰিবৰ্তন ঘটিব। তেতিয়া নাৰীৰ ওপৰত সমাজৰ পৰম্পৰাগত আধিপত্যৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে।

নাৰীৰ অধিকাৰ সম্পৰ্কে এংগেল্চে খুব কম কথাই আলোচনা কৰিছে। মাৰ্ক্সৰ সহকৰ্মী এংগেল্চে মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদ (Historical Materialism) তত্ত্বৰ বিকাশ ঘটাই আদিম সাম্যবাদী সমাজব্যৱস্থাৰ পৰা বৰ্তমানলৈ সমাজত নাৰীৰ

স্থান নিৰূপণ কৰিছে তেওঁৰ 'ওৰিজিন্ অৱ্ দা ফেমিলি, প্ৰাইভেট্ প্ৰপার্টি এণ্ড্ দা ষ্টেইট্' (১৮৮৪) (Origin of the Family, Private Property and the State) গ্ৰন্থত। মার্কিন নৃতত্ত্ববিদ লুৱিচ্ মৰ্গানৰ (Lewels Morgan) 'এন্‌চিয়েন্ট ছচায়েটি' (১৮৭৭) (Ancient Society) নামৰ প্ৰাচীন মানৱ সমাজৰ ওপৰত কৰা গৱেষণামূলক গ্ৰন্থৰ ওপৰত ভিত্তি কৰি এংগেল্‌চে তেওঁৰ উক্ত গ্ৰন্থত উৎপাদিকা শক্তিৰ বিকাশৰ লগে লগে মানৱ সমাজৰ ক্ৰমবিকাশ আৰু তাৰেই ভিত্তিত পৰিয়ালৰ ক্ৰমবিকাশ আলোচনা কৰিছে।

এংগেল্‌চে আদিম অৱস্থাৰে উভতি গৈ আদিম অবস্থাত পৰিয়ালত নাৰীৰ স্থান কেনে আছিল সেই সম্পৰ্কে আলোচনা কৰিবলৈ গৈ কৈছে যে প্ৰাচীন যুগত নাৰী - পুৰুষৰ মাজত শ্ৰমৰ কোনো বিভাজন নাছিল। যৌন মিলন আছিল এটা স্বাভাৱিক প্ৰক্ৰিয়া। সন্তান-সন্ততি আছিল এটা দলৰ সমূহীয়া সম্পত্তি। পৰিয়াল আৰু বিবাহ সেই সময়ত আছিল অবান্তৰ। বন্যযুগৰ দ্বিতীয় স্তৰত অস্ত্ৰ শস্ত্ৰৰ বিকাশ ঘটাত নাৰী-পুৰুষৰ মাজত চলি থকা অবাধ যৌন সম্পৰ্কৰ মাজত কিছুমান নতুন বাধা আহি দেখা দিয়ে। বন্যযুগৰ শেষ স্তৰত সমূহীয়াভাৱে বিয়া কৰোঁৱা পদ্ধতি চলিবলৈ ধৰিলে। কিন্তু দলটোৰ স্থায়ী অধিবাসী আছিল নাৰীসকল। সম্পত্তি আৰু সমাজ জীৱনত নাৰীৰ আধিপত্য আছিল। কিন্তু এনেধৰণৰ যৌন সম্পৰ্কৰ মাজত পিছলৈ কিছু অসুবিধা আহি পৰা বাবেই এজনী নাৰীয়ে এজন পুৰুষৰ লগত কিছুদিনৰ বাবে সহবাস কৰাৰ পদ্ধতিৰ আৰম্ভ হয়। পিছলৈ একৰক্ত সম্পৰ্কৰ মাজত বিবাহ নিষিদ্ধ হৈ পৰা বাবে অৱস্থাৰ দ্ৰুত পৰিবৰ্তন হ'বলৈ আৰম্ভ কৰিলে। তথাপি এই বন্য যুগত নাৰীৰ ওপৰত পুৰুষৰ কোনো আধিপত্য নাছিল। এংগেল্‌চৰ মতে একৰক্ত বিবাহৰ বিচ্ছেদ সাধনৰ ফলত সমাজত বিবাহৰ ক্ষেত্ৰত এজন পুৰুষৰ লগত এজনী নাৰীৰ বিয়া হোৱা পদ্ধতি প্ৰচলন হয়।

উৎপাদনৰ সা-সঁজুলিবোৰ যিমানেই বিকশিত হ'ল— সমাজত পুৰুষৰ প্ৰভুত্বও সিমানেই বাঢ়িল। এংগেল্‌চৰ মতে দাস সমাজব্যৱস্থা সৃষ্টি হোৱাৰ লগে লগে মাতৃপ্ৰধান পৰিয়াল ধ্বংসৰ মুখত পতিত হ'ল। এই মাতৃ-অধিকাৰৰ উচ্ছেদ হৈছে স্ত্ৰী জাতিৰ এক বিশ্ব ঐতিহাসিক পৰাজয়। নাৰী হৈ পৰিল পুৰুষৰ পদানত, শৃঙ্খলিত; পুৰুষৰ লালসাৰ সামগ্ৰী আৰু সন্তান সৃষ্টিৰ যন্ত্ৰ মাত্ৰ।[৩৫]

এংগেল্‌চে দেখুৱাই দিছে যে পুৰুষৰ এই অধিপত্যই হ'ল — পিতৃতান্ত্ৰিক পৰিয়ালৰ উদীয়মান এটা মধ্যৱৰ্তী ৰূপ। এই ধৰণৰ পৰিয়ালত বহুপত্নী প্ৰথাৰ বিলুপ্তি ঘটিল আৰু একনিষ্ঠ বিবাহ প্ৰথা গঢ়ি উঠিল। একনিষ্ঠ বিবাহ অনুসৰি এজনী নাৰীয়ে মাত্ৰ এজন পুৰুষৰ লগতহে বিবাহ পাশত আবদ্ধ হ'ব পাৰে। আনফালে বিবাহৰ ক্ষেত্ৰত পুৰুষৰ বাবে অবাধ স্বাধীনতাক সমাজে স্বীকৃতি দিলে।[৩৬] এইদৰেই লাহে লাহে নাৰীৰ সামাজিক অধিকাৰৰ বিলুপ্তি ঘটিল। নাৰী পুৰুষৰ কাৰণে উত্তৰাধিকাৰী জন্ম দিয়া এটা যন্ত্ৰ বিশেষত, অৰ্থাৎ পুৰুষৰ ব্যক্তিগত

সম্পত্তিত পৰিণত হ'ল। পুৰুষে অবাধ যৌন-স্বাধীনতা লাভ কৰিলে। এংগেল্‌চে প্ৰকাশ কৰিছে যে এই একবিবাহৰ ফলত নাৰী পুৰুষৰ ব্যক্তিগত সম্পত্তি হৈ পৰাত নাৰী পুৰুষৰ দ্বাৰা অৱহেলিতাও হৈ পৰিল। ইয়াৰ ফলতে দাম্পত্য জীৱনত যৌন ব্যভিচাৰে দেখা দিলে। পুৰুষৰ দৃষ্টিত 'পবিত্ৰ' একবিবাহ প্ৰথা প্ৰহসনত পৰিণত হ'ল। সমাজত ব্যভিচাৰ নিষিদ্ধ, কঠোৰভাৱে দণ্ডিত, তথাপি অদম্য। সন্তানৰ পিতৃত্ব এটা নৈতিক বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত হ'ল। এংগেল্‌চৰ মতে সমাজত নাৰী আৰু পুৰুষৰ মাজত এই যি বিৰোধৰ সৃষ্টি হ'ল এই বিৰোধ শ্ৰেণী বিভক্ত সমাজত কেতিয়াও সমাধান হ'ব নোৱাৰে। ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধনে নাৰীৰ বৰ্তমান স্থিতিৰ পৰিৱৰ্তন ঘটাব। তেতিয়া ব্যক্তিগত গৃহস্থালি হৈ পৰিব 'সামাজিক শিল্প'। শিশুৰ লালন পালন আৰু দায়িত্ব ৰাষ্ট্ৰই গ্ৰহণ কৰাৰ ফলত নাৰীয়ে সামাজিক ক্ষেত্ৰত অংশ গ্ৰহণৰ সুযোগ লাভ কৰিব।' গতিকে এংগেল্‌চৰ মতে মাৰ্ক্সবাদী সমাজবাদতহে নাৰীমুক্তি সম্ভৱপৰ। মাৰ্ক্সবাদী সমাজবাদত সমাজৰ সংখ্যাগৰিষ্ঠ পুৰুষ যেনেকৈ ধনতান্ত্ৰিক শোষণৰ পৰা মুক্ত হ'ব - ঠিক তেনেকৈ নাৰীয়েও ব্যক্তিগত স্বাধীনতা পুৰুষৰ দৰে লাভ কৰিব।

আন এজন সমাজবাদী নাৰীবাদী চিন্তাবিদ অগাষ্ট বেবেলে (১৮৪ - ১৯১৩) (August Bebel) নাৰীৰ সামাজিক অৱস্থা অতীতত কেনে আছিল বৰ্তমানে কেনে আৰু ভৱিষ্যতে কেনে হ'ব সেই সম্পৰ্কে তেওঁৰ গ্ৰন্থ 'ৱমেন ইন দ্য পাষ্ট, প্ৰেজেণ্ট এণ্ড ফিউচাৰ' (Woman in the Past Present and Future) নামৰ গ্ৰন্থত দাঙি ধৰিছে। তেওঁৰ মতে যুগ যুগ ধৰি নাৰীয়ে পুৰুষৰ দাসত্ব স্বীকাৰ কৰাৰ ফলত এইটো নাৰীৰ অভ্যাসত পৰিণত হৈছে। পুৰুষ আৰু নাৰী উভয়ে এই দাসত্বক স্বাভাৱিকভাৱে মানি লোৱাৰ বাবে নাৰীৰ সমানাধিকাৰৰ প্ৰশ্নটো সমাজত এক অবাস্তৱ প্ৰশ্ন হিচাপে দেখা দিয়ে। আনহাতে নাৰী ঘৰৰ চাৰিবেৰৰ ভিতৰত আবদ্ধ হৈ থকা বাবে পুৰুষ আৰু নাৰীৰ শাৰীৰিক আৰু মানসিক শক্তিৰ ভিন্নতাই দেখা দিয়ে আৰু ই যৌন জীৱনৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। তেওঁৰ মতে আদিম যুগত নাৰী শাৰীৰিক আৰু মানসিক শক্তিত পুৰুষৰ সমানেই আছিল যদিও পৰৱৰ্তী যুগত নাৰীয়ে সন্তান জন্মৰ সময়ত বা শিশুক লালন-পালন কৰাৰ ক্ষেত্ৰত পুৰুষৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হ'ল।[৩৯] বিবাহক নাৰীয়ে নিৰাপত্তাৰ এটা উপায় হিচাপে গ্ৰহণ কৰাৰ ফলত নাৰী পুৰুষৰ ব্যক্তিগত সম্পত্তি হৈ পৰিল।

ইউৰোপৰ দেশসমূহত বিবাহ বিচ্ছেদৰ হাৰ দিনে দিনে বৃদ্ধি হোৱাটো পৰ্যবেক্ষণ কৰি বেবেলে মত প্ৰকাশ কৰিছে যে ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত ব্যক্তিগত সম্পত্তিৰ ওপৰত প্ৰতিষ্ঠিত বিবাহৰ নৈতিক মানদণ্ড কেতিয়াও উন্নত হ'ব নোৱাৰে। এংগেল্‌চৰ দৰে বেবেলেও কৈছে যে প্ৰেমৰ ভিত্তিত এই বিবাহ প্ৰতিষ্ঠিত নহয়। ধনতান্ত্ৰিক সমাজত বিবাহৰ দ্বাৰা নাৰীৰ দাসত্ব প্ৰথাক আইনগত ৰূপ দিয়া হয়।

তেওঁৰ মতে স্বাধীন প্ৰেমৰ ভিত্তিত বিবাহ কেৱল সমাজতান্ত্ৰিক ব্যৱস্থাতহে সম্ভৱ।"

এংগেল্‌চৰ দৰে বেবেলেও কৈছে যে নাৰী অৰ্থনৈতিকভাৱে পুৰুষৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে দাম্পত্য জীৱন যদি প্ৰেমবিবৰ্জিত, নিস্পৃহ হৈ পৰে তথাপিও বিবাহ বিচ্ছেদ কৰাটো সম্ভৱ নহয়। আনহাতে উচ্চ শ্ৰেণীৰ মাজত বিবাহ বিচ্ছেদ হোৱাৰ কাৰণ হ'ল — ধনৰ প্ৰাচুৰ্য, কৰ্মহীনতা, ব্যভিচাৰ, অশ্লীল গান-বাজনা ইত্যাদিৰ দ্বাৰা হোৱা নৈতিক অধঃপতন।"

যন্ত্ৰ শিল্পৰ উন্নতিৰ লগে লগে নাৰীয়ে বৰ্তমান সামাজিক অৱস্থাৰ প্ৰতি সচেতন হৈ অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ বিচাৰি কৰ্মজগতত প্ৰৱেশ কৰিছে। বিশেষকৈ শ্ৰমিক শ্ৰেণীৰ মাজৰ পৰাই নাৰীসকল আগবাঢ়ি আহিছে — কাৰখানাত কাম কৰিবলৈ। কিন্তু নাৰীয়ে পুৰুষৰ সমানে শ্ৰমৰ মূল্য পোৱাৰ পৰা বহু ক্ষেত্ৰতে বঞ্চিত হৈ আহিছে। বেবেলৰ মতে যেতিয়ালৈ সমাজত ব্যক্তিগত মালিকানা থাকে, তেতিয়ালৈকে নাৰীয়ে পুৰুষৰ সমান সুবিধা লাভ কৰাটো সম্ভৱ নহ'ব।

সমাজবাদত নাৰীয়ে সমাজত কেনেধৰণৰ সুবিধা পাব সেই সম্পৰ্কে ক'বলৈ গৈ বেবেলে কৈছে যে সমাজবাদত নাৰীয়ে অৰ্থনৈতিক মুক্তি লাভ কৰিব। শিক্ষাৰ ক্ষেত্ৰতো নাৰীয়ে পুৰুষৰ সমানে অধিকাৰ ভোগ কৰি শাৰীৰিক আৰু মানসিক বিকাশৰ সুযোগ লাভ কৰিব। নিজৰ যোগ্যতা, ৰুচি আৰু ইচ্ছা অনুযায়ী কাম বাচি লোৱাৰ সুবিধা নাৰীয়ে লাভ কৰিব। সামাজিক শ্ৰমত অংশগ্ৰহণ কৰি নাৰী মাতৃ হৈয়ো শিক্ষাবিদ, নাৰ্চ, আদি হ'ব পাৰিব। কলা-বিজ্ঞানৰ সাধনাতো নাৰীয়ে নিজক যুক্ত কৰিবলৈ সুযোগ লাভ কৰিব। সমাজবাদত নাৰী পুৰুষৰ মিলনৰ প্ৰশ্নটো হৈ পৰিব ব্যক্তিগত - এই ক্ষেত্ৰত কোনেও হস্তক্ষেপ কৰিব নোৱাৰিব। নাৰী পুৰুষৰ দাস হ'ব নালাগিব আৰু পুৰুষেও নাৰীক ইচ্ছা অনুযায়ী গ্ৰহণ বা বৰ্জন কৰিব নোৱাৰিব।[৪৩]

মাৰ্ক্স, এংগেল্‌চ, বেবেল্ আদিৰ সমাজবাদী ধাৰণাৰ বাহিৰেও ঊনবিংশ শতিকাত ডাৰ্‌উইনৰ (Darwin) বৈজ্ঞানিক মতবাদক ভিত্তি হিচাপে লৈ চাৰ্লট্টি পাৰ্‌কিন্‌চ্ গিল্‌মেনে (১৮৬০-১৯৩৫) (Charlotte Perkins Gilman) তেওঁৰ নাৰীবাদ সম্পৰ্কীয় গ্ৰন্থ 'উইমিন এণ্ড ইক'ন'মিক্‌চ্ (১৮৯৮) (Women and Economics) প্ৰকাশ কৰি উলিয়ায়।[৪৪] গিল্‌মেনৰ মতে ব্যক্তি হৈছে পৰিবেশৰ দাস আৰু অৰ্থনৈতিক অৱস্থা হৈছে এই সামাজিক পৰিবেশৰে উপাদান মাত্ৰ। নাৰীয়ে সামাজিক শ্ৰমত যোগদান কৰি উপাৰ্জন কৰিলেও তাৰ মালিক হৈ পৰে পুৰুষ; সেয়ে উৎপাদনত অংশগ্ৰহণ কৰিও নাৰী পুৰুষৰ ওপৰত নিৰ্ভৰশীলা হ'ব লগা হয়।[৪৫] আনহাতে নাৰীক যিহেতু ঘৰুৱা কাম-কাজৰ বাবে আৰু মাতৃত্বৰ বাবে কোনো মূল্য দিয়া নহয় - সেয়ে পত্নী আৰু মাতৃ হিচাপে নাৰীয়ে পুৰুষৰ ওপৰত অৰ্থনৈতিকভাৱে নিৰ্ভৰশীল হ'বলৈ বাধ্য হৈ পৰে।[৪৬]

গিল্‌মেনে কৈছে যে জন্মগতভাৱে এটা নাৰীসুলভ কোমল মনোভাব লাভ

কৰা বাবে নাৰীয়ে পুৰুষৰ দাসত্ব স্বীকাৰ কৰি লয়। যেবেলে কোৱাৰ দৰে, যুগ যুগ ধৰি নাৰীয়ে পুৰুষৰ দাসত্ব স্বীকাৰ কৰি অহাৰ বাবে - এইটো প্ৰায় অভ্যাসত পৰিণত হয়। নাৰী হৈ পৰে যেন এটা যৌন প্ৰাণী মাত্ৰ। পুৰুষে ঘৰৰ বাহিৰত কাৰখানাত শক্তি খটোৱাৰ সুযোগ পোৱাৰ বাবে অত্যধিক যৌন শক্তি অযৌন শক্তিলৈ ৰূপান্তৰ কৰাৰ সুযোগ পায়। কিন্তু নাৰীয়ে পত্নী আৰু মাতৃ হিচাপে পৰম্পৰাগত কৰ্তব্যৰ মাজত আবদ্ধ হৈ পৰাৰ বাবে এই সুযোগ নাপায়। সেয়ে নাৰী হৈ পৰে এক প্ৰেমাৱেগসম্পন্ন দুৰ্বল জীৱ। গিল্‌মেনৰ মতে এইখিনি পাৰ্থক্যৰ বাহিৰে নাৰী আৰু পুৰুষ হৈছে একে মানৱীয় জীৱ।[৭]

গিল্‌মেনৰ মতে একবিবাহ প্ৰথাই হৈছে উন্নত সমাজ ব্যৱস্থাৰ ফল। যেতিয়াই নাৰীয়ে পুৰুষৰ দৰে সমানে অৰ্থনৈতিক স্বাধীনতা পাব - তেতিয়াই সমতাৰ ভেটিত একবিবাহ প্ৰথা প্ৰতিষ্ঠিত হ'ব।

ঘৰুৱা কাম কাজৰ মাজতেই মাত্ৰ নাৰীক আবদ্ধ কৰি ৰখাটো উচিত নহয়। ঘৰুৱা কামকাজ আন উপযুক্ত মানুহৰ দ্বাৰাও সম্পন্ন কৰিব পাৰি। ৰন্ধা-বঢ়াৰ বাবে 'সামাজিক ৰান্ধনিঘৰ', শিশুৰ বাবে নাৰ্চাৰি বা শিশুসদন আদিৰ ব্যৱস্থা কৰি ঘৰুৱা কাম-কাজ আৰু শিশুৰ লালন-পালনৰ দায়িত্বৰ পৰা নাৰীক ৰেহাই দিব লাগিব। এনে কৰিলে শিশুৱে স্বতঃস্ফূৰ্তভাৱে মানসিক বিকাশৰ সুযোগ লাভ কৰি নৈতিক আৰু সামাজিকভাৱে বিকাশপ্ৰাপ্ত হ'ব।[৮] গিল্‌মেনৰ মতে এনে ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ মাধ্যমেদিহে নাৰীমুক্তি সম্ভৱপৰ। মুঠতে তেওঁ ব্যক্তিগত বিষয়সমূহক সামাজিক ৰূপদান দিয়াৰ পক্ষপাতী আছিল।

সমাজবাদী নাৰীবাদী আলেক্‌জেণ্ড্ৰা ক'লন্টাইয়ে (১৮৭২-১৯৫২) (Alexandra Kollontai) যদিও এংগেল্‌চ-বেবেলৰ দৃষ্টিভংগীৰে নাৰীমুক্তিৰ পোষকতা কৰিছিল, তথাপি তেওঁ তাৰ মাজতে কিছু ভিন্ন মত পোষণ কৰিছিল। তেওঁ আছিল ৰুচিয়াৰ এজনী ফেক্টৰী শ্ৰমিক। ৰুচিয়াৰ বলচেভিক পাৰ্টিৰ এজনী সভ্যা হিচাপে তেওঁ ১৯১৭ চনৰ বিপ্লৱতো যোগদান কৰিছিল। নাৰীমুক্তিৰ প্ৰশ্নটো যে সমাজবাদী আন্দোলনৰ লগত যুক্ত - এই চিন্তাধাৰাৰ লগত তেওঁৰ কোনো বিৰোধ নাছিল যদিও তেওঁ ভাবিছিল যে কমিউনিষ্ট পাৰ্টিৰ ভিতৰতে নাৰীৰ বাবে এটা নিজস্ব শাখা থকাৰ দৰকাৰ - যাতে নাৰীয়ে নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে নিজস্বভাৱে সিদ্ধান্ত ল'ব পাৰে আৰু আন্দোলনত যোগদান কৰিব পাৰে।[৯] তেওঁ নাৰীৰ বাবে কমিউনিষ্ট পাৰ্টিৰ ভিতৰতে সুকীয়া শাখা গঠন কৰাৰ উদ্দেশ্য সম্পৰ্কে কৈছে যে নাৰী অকল শ্ৰমিকেই নহয় - এজনী মাতৃও। গতিকে শ্ৰমিক আন্দোলনৰ লগত নাৰী আন্দোলনক একাকাৰ কৰাৰ কোনো যুক্তি তেওঁ বিচাৰি পোৱা নাই।[১০] ক'লন্টাইৰ এই মতবাদক সেই সময়ৰ কমিউনিষ্ট পাৰ্টিৰ পুৰুষ সদস্যসকলে সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল।

ক'লন্টাইৰ মতে নাৰীৰ দাসত্বৰ অন্ত পেলোৱাৰ বাবে সামাজিক কৰ্মত নাৰীক

অংশগ্ৰহণ কৰিবলৈ সুযোগ দিয়াৰ লগে লগে সন্তান জন্ম আৰু লালন-পালন কৰাৰ ক্ষেত্ৰত কিছুমান বিশেষ সুযোগ-সুবিধা দিব লাগিব। নাৰীৰ বাবে 'প্ৰসূতি ঘৰ' নিৰ্মাণ কৰিব লাগিব - য'ত শিশুক উপযুক্ত ধাত্ৰীয়ে লালন-পালন কৰাৰ দায়িত্ব ল'ব। সন্তান ডাঙৰ হৈ অহাৰ লগে লগে সন্তানৰ দায়িত্ব গ্ৰহণ কৰিব 'শিশুসদন' সমূহে। মাতৃয়ে যিকোনো সময়তে নিজৰ সন্তানক শিশুসদনত দেখা কৰাৰ সম্পূৰ্ণ সুযোগ থাকিব। এই ব্যৱস্থাৰ ফলত সন্তান জন্ম দিয়া আৰু লালন-পালন কৰাৰ ক্ষেত্ৰত নাৰীয়ে ৰেহাই পাব আৰু মাতৃৰ বাবে সন্তান জন্ম দিয়াটো সুখকৰ হ'ব। তেওঁ আকৌ কৈছে যে 'ৰাজহুৱা ৰান্ধনিঘৰ' আৰু 'ৰেষ্টুৰেন্ট'ৰ ব্যৱস্থা কৰি নাৰীক বিৰক্তিকৰ ঘৰুৱা কাম-কাজৰ পৰা ৰেহাই দি সামাজিক কাম-কাজত অংশগ্ৰহণ কৰাৰ সম্পূৰ্ণ সুবিধা দিয়া উচিত।[৫০]

এংগেল্‌চৰ দৰে ক'লন্টাইয়েও প্ৰেম এটা ব্যক্তিগত বিষয় বুলি কৈছে। কিন্তু যৌন সম্পৰ্কীয় মতবাদৰ ক্ষেত্ৰত তেওঁ এংগেল্‌চ-বেবেলৰ মতবাদৰ পৰা ফালৰি কাটি গৈ কৈছে যে যৌন আকৰ্ষণ সম্পূৰ্ণ দৈহিক, ইয়াৰ লগত প্ৰেমৰ কোনো সম্পৰ্ক নাই। তেওঁৰ মতে নাৰীয়ে ইচ্ছা কৰিলে শাৰীৰিক ক্ষুধাৰ পৰিতৃপ্তি সাধন কৰাৰ বাবে সঘনাই যৌন সংগীৰ পৰিবৰ্তন কৰিব পাৰে।[৫১] এই মতবাদৰ বাবেই তেওঁ লেনিন আৰু কমিউনিষ্ট পাৰ্টিৰ আন নেতাসকলৰ সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল।

মৌল নাৰীবাদ

দ্বিতীয় মহাযুদ্ধৰ পিছত বিশেষকৈ ষাঠি আৰু সত্তৰৰ দশকত নাৰীবাদী চিন্তাধাৰাই নতুন গতিবেগ লাভ কৰে। পুৰণি ব্যক্তিবাদী আৰু সমাজবাদী মতবাদক এওঁলোকে সমালোচনা কৰিছে আৰু নাৰীমুক্তিৰ চৰম মতবাদ গ্ৰহণ কৰিছে।

পুৰণি ব্যক্তিবাদী নাৰীবাদীসকলৰ লগত মৌল নাৰীবাদীসকলৰ মতামতৰ পাৰ্থক্য হৈছে — নাৰীৰ প্ৰকৃতি সম্পৰ্কত। ব্যক্তিবাদী নাৰীবাদীসকলে পুৰুষৰ দৰে নাৰীকো মানৱীয় গুণসম্পন্ন বুলি মানি লৈয়ো নাৰীৰ পৰম্পৰাগত দায়িত্ব পত্নীত্ব আৰু মাতৃত্বক স্বীকাৰ কৰি লৈছে। সমাজবাদী নাৰীবাদীসকলে নাৰীৰ পত্নীত্ব আৰু মাতৃত্বক মানি লৈ সন্তান লালন-পালন আৰু ঘৰুৱা কাজ-কৰ্মক সামাজিক ৰূপদান দিয়াৰ বাবে মত প্ৰকাশ কৰিছে। কিন্তু মৌল নাৰীবাদীসকলে নাৰীৰ যৌন প্ৰকৃতিক অস্বীকাৰ কৰি কয় যে নাৰী আৰু পুৰুষৰ যৌন প্ৰকৃতিৰ কোনো পাৰ্থক্য নাই।[৫৩] যিহেতু নাৰী আৰু পুৰুষ মানৱীয় গুণসম্পন্ন প্ৰাণী, সেয়ে নাৰী আৰু পুৰুষ মিলি হৈছে — মানৱ প্ৰকৃতি। সমাজত প্ৰচলিত ধৰ্মীয় আৰু সামাজিক প্ৰথাৰ বিবাহে নাৰীক পুৰুষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰায়। বিবাহে নাৰীৰ দাসত্বৰ বন্ধন আনি দিয়ে। সেয়ে মৌল নাৰীবাদীসকলে নাৰীৰ

স্বাধীনতা ৰক্ষাৰ বাবে বিবাহ, স্বামী, সন্তান-সন্ততিক পৰিহাৰ কৰিবলৈও কুণ্ঠাবোধ নকৰে।

মৌল নাৰীবাদীসকলৰ মতে যৌনবাদৰ আদৰ্শগত ভিত্তি হৈছে পুৰুষ সংস্কৃতি।[৫৪] সেয়ে নাৰীয়ে বিবাহৰ জৰিয়তে পুৰুষৰ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হৈ পৰে। নাৰী হৈ পৰে সন্তান উৎপাদন আৰু ঘৰুৱা কাম-কাজ কৰা দাসী। গতিকে যুগ যুগ ধৰি নাৰীয়ে পুৰুষ সংস্কৃতিৰ দ্বাৰা পৰিচালিত হৈ যি দুৰ্বল নাৰীসুলভ মনোভাবৰ বশৱৰ্তী হৈ পৰিছে — তাক ত্যাগ কৰিব লাগিব আৰু ৰাজহুৱা নইবা ব্যক্তিগত জীৱনত নাৰী আৰু পুৰুষৰ সমান অধিকাৰ সাব্যস্ত কৰিব লাগিব।

মৌল নাৰীবাদী চিন্তাধাৰাৰ বিকাশৰ প্ৰায় দুই দশক আগতে বুদ্ধিজীৱী মহিলা চিমোন ডি বিউভোৱাৰ (১৯০৮ ১৯৮৬) 'দ্য চেকেণ্ড চেক্স' গ্ৰন্থত মৌল নাৰীবাদী চিন্তাধাৰা প্ৰকাশ পায়। এই গ্ৰন্থত ব্যক্তিবাদী আৰু সমাজবাদী নাৰীবাদৰ চিন্তাধাৰাক একেলগ কৰি আগবঢ়োৱা বিউভোৱাই মত প্ৰকাশ কৰিছে যে নাৰী আৰু পুৰুষৰ যোন প্ৰকৃতিৰ কোনো পাৰ্থক্য নাই নাৰী আৰু পুৰুষ দুয়ো সমানে মুক্ত আৰু সৃষ্টিশীল জীৱ। স্বয়ংসম্পূৰ্ণ জীৱ হিচাপে নাৰী আৰু পুৰুষৰ সমান অধিকাৰ আছে। এই ধাৰণাৰ ওপৰত ভিত্তি কৰি বিউভোৱাই নাৰীৰ অধিকাৰ সম্পৰ্কে মতামত দাঙি ধৰিছে।

বিউভোৱাৰ মতে অতীতৰে পৰা নাৰীয়ে নিজক মুক্ত কৰাৰ সংগ্ৰামত অৱতীৰ্ণ হৈ আহিছে। কিন্তু এই যুদ্ধসমূহত পুৰুষৰেই জয় হ'ল, নাৰীয়ে নিজৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ হেৰুৱালে। ঊনবিংশ শতিকা নাইবা বিংশ শতিকাতো বিউভোৱাৰ মতে নাৰী মুক্ত হ'ব পৰা নাই। বৰ্তমানে নাৰী আন্দোলনৰ ফলত নাৰীয়ে যিখিনি অধিকাৰ লাভ কৰিবলৈ সমৰ্থ হৈছে - সেইখিনি মাত্ৰ পুৰুষৰ অনুগ্ৰহতহে সম্ভৱ হৈছে। কাৰণ নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ একমাত্ৰ কাৰণ হ'ল – নাৰীৰ ঐতিহাসিক আৰু জৈৱিক প্ৰকৃতি। এই জৈৱিক প্ৰকৃতিৰ বাবেই নাৰীয়ে সন্তান জন্ম দিবলগীয়া হোৱাত নিজৰ ব্যক্তিসত্তাক বিসৰ্জন দি পুৰুষৰ ওচৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য হয়। কিন্তু জৈৱিক প্ৰকৃতিৰ বাবে পুৰুষে নিজৰ অস্তিত্বক বিপন্ন কৰিবলগীয়া নহয়।[৫৫] পেৰিচৰ অস্তিত্ববাদী বুদ্ধিজীৱী জ্যাঁ পল্ ছাৰ্ত্ৰেৰ (Jean-Paul-Sartre) অস্তিত্ববাদী (Existentialist) দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হৈ তেওঁ কৈছে যে নাৰীয়ে নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ বাবে নাৰী নিজেই দায়ী। গতিকে স্বাধীনতাৰ বাবে নাৰীয়ে নিজস্ব পথ গ্ৰহণ কৰিব লাগিব।

মাৰ্ক্সবাদী মতবাদকো তেওঁ সমালোচনা কৰি কৈছে যে ব্যক্তিগত মালিকানাই নাৰী শোষণৰ একমাত্ৰ কাৰণ হ'ব নোৱাৰে। এইটো সত্য যে নাৰী ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হোৱা বাবে শ্ৰমৰ লগত সম্পৰ্ক হেৰুৱালে আৰু পুৰুষ সম্পত্তিৰ অধিকাৰী হৈ পৰিল। ইয়াৰ ফলতে নাৰীয়ে নিজৰ অধিকাৰ হেৰুৱাব লগা হ'ল। স্বাভাৱিকতে মানুহে বিচাৰে বহিঃপৃথিৱীৰ ওপৰত নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ।

তেওঁৰ মতে মানৱতাৰ এই প্ৰভুত্ব বিস্তাৰ কৰা চেতনাৰ পৰাই নাৰী শোষিত হৈছে।[৮]

আনহাতে নাৰীক মাত্ৰ এজনী শ্ৰমিক বুলিযেই ক'ব নোৱাৰি; উৎপাদনৰ লগতে নাৰীৰ পুনৰ-উৎপাদনৰ শক্তি অতি গুৰুত্বপূৰ্ণ। সেযে নাৰীৰ মাতৃত্ব সামাজিক কৰ্ম বুলি ভবাটো অসম্ভৱ। বিউভোৱাৰ মতে নাৰীৰ মাতৃত্ব--প্ৰকৃতিৰ অৱধাৰিত নিয়মৰ ফল। ইয়াক সামাজিক কাৰ্যলৈ ৰূপান্তৰিত কৰিব নোৱাৰি, যদিও ই মানৱৰ আযত্তৰ ভিতৰত। তেওঁৰ মতে মাতৃত্বৰ প্ৰশ্নটো নাৰী-অধিকাৰৰ লগত অংগাংগীভাৱে যুক্ত।

আধুনিক যন্ত্ৰপাতিৰ বিকাশ হোৱাৰ লগে লগে পিতৃপ্ৰধান সমাজত থাকিও নাৰী ফেক্টৰীৰ লগত যুক্ত হৈ পৰা কাৰণে নাৰীৰ মানবায মৰ্যাদা বাঢ়িছে। এই ক্ষেত্ৰত বিউভোৱাহ সমাজবাদী চিন্তাচৰ্চাৰ ফলীযা হৈছে। কিযনো অৰ্থনৈতিক স্বাধানতা অবিহনে নাৰীস্বাধীনতা অৰ্থহীন। যেতিযা অৰ্থনৈতিক স্বাধীনতা শ্ৰমিক শ্ৰেণীৰ হাতলৈ যাব তেতিযাই শ্ৰমজীৱী নাৰীযে অধিকাৰসমূহৰ পমূল্য ভোগ কৰিব পাৰিব। কিন্তু বিউভোবাই এইটোও কৈছে যে উচ্চ শ্ৰেণী আৰু মজলীযা শ্ৰেণীৰ নাৰীযে এই অধিকাৰৰ পৰা বঞ্চিত হ'ব।[৫]

ইতিহাসে ঢুকি পোৱা দিনৰে পৰা নাৰী সন্তান উৎপাদন কাৰ্যত এনেদৰে জড়িত হৈ পৰিছে যে তেওঁলোকৰ বহিৰ্জগতত প্ৰৱেশ প্ৰায অসম্ভৱ হৈ পৰিছে। তেওঁৰ মতে বৰ্তমানে গৰ্ভনিৰোধক ব্যৱস্থাৰ আবিস্কাৰৰ লগে লগে আৰু গৰ্ভপাত আইনসংগত হোবাৰ বাবে নাৰীযে গৰ্ভধাৰণৰ পৰা নিস্তাৰ লাভ কৰিবলৈ সুবিধা পাইছে।[১১] বিউভোৱাৰ মতে মাতৃত্বৰ বোজাৰ পৰা নাৰীযে মুক্তি পোৱাত অৰ্থনীতিত অংশ গ্ৰহণ কৰি আত্মনিৰ্ভৰশীল হোৱাৰ পূৰ্ণ সুবিধাই দেখা দিছে। বিউভোৱাৰ মতে পুৰুষতকৈ নাৰীৰ বিবাহৰ বোজা বেছি। নাৰী পূৰ্ণ প্ৰশিক্ষণপ্ৰাপ্ত নোহোৱাত আৰু নিজস্ব বৃত্তি নথকাত পুৰুষৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হয়। পুৰুষক সন্তোষ দিয়াটো নাৰীয়ে পবিত্ৰ কৰ্তব্য বুলি ভাৱে আৰু পুৰুষেও সেইটো বিচাৰে।

মাতৃত্ব নাৰীৰ অতীন্দ্ৰিয় কাৰ্য নহয়। মাতৃত্বই নাৰীক তেওঁৰ জীৱনত মুকুট পিন্ধায় - বিউভোৱাৰ মতে এই কথাষাৰৰ কোনো সত্যতা নাই। কাৰণ বিউভোৱাৰ মতে বৰ্তমানৰ নাৰী হৈছে অসুখী, অসন্তুষ্টা। এইটো অতি বিপদজনক সত্য যে সন্তানে নাৰীৰ দাসত্বক স্থায়ী কৰে আৰু মাতৃক জৈৱিকভাৱে আৰু সামাজিকভাৱে অসন্তুষ্টা কৰি তোলে। বিউভোৱাৰ মতে বৰ্তমান শতিকাত মাতৃত্ব "মানৱৰ ইচ্ছাকৃত নিয়ন্ত্ৰণলৈ" [৩০] আহিছে। তেওঁৰ মতে মাতৃত্ব তেতিয়াহে সুখকৰ হ'ব - যেতিয়া নাৰী ইচ্ছাকৃতভাৱে মাতৃ হ'ব খোজে, আৰু সন্তান লালন-পালন কৰাৰ ক্ষেত্ৰত সুযোগ-সুবিধা লাভ কৰে।[৩১]

বিউভোৱাই স্বাধীন নাৰী সম্পৰ্কে ক'বলৈ গৈ কৈছে যে — অৰ্থনৈতিক

স্বাধীনতা অবিহনে নাৰীৰ স্বাধীনতা মূল্যহীন। উপযুক্ত অৰ্থনৈতিক প্ৰতিষ্ঠা অবিহনে নাৰীস্বাধীনতাৰ কোনো অৰ্থ নাই। দ্বিতীয়তে, ভোটাধিকাৰ আৰু চাকৰিয়েই নাৰীস্বাধীনতাৰ বাবে যথেষ্ট নহয় - সামাজিক—অৰ্থনৈতিক ক্ষেত্ৰতো নাৰী মুক্ত হ'ব লাগিব। আনহাতে সামাজিক শ্ৰমো যথেষ্ট নহয়। কিয়নো চাকৰিজীৱী নাৰীয়েও পৰম্পৰাগত ঘৰুৱা কাম-কাজৰ পৰা অব্যাহতি নাপায়। সেয়ে নাৰীয়ে আদৰ্শ নাৰীত্ব সম্পৰ্কে সচেতন হ'ব লাগিব। পুৰুষৰ লগত বিচ্ছেদ সাধন নোহোৱাকৈ নাৰীয়ে কেতিয়াও যৌন প্ৰকৃতিক পৰিত্যাগ কৰিব নোৱাৰে। গতিকে তেওঁৰ মতে নাৰীস্বাধীনতাৰ বাবে প্ৰয়োজন এই প্ৰমূল্যসমূহৰ পৰিবৰ্তন সাধন কৰা।[৬]

বিউভোৱাই কৈছে যে ৰুচিয়াৰ বিপ্লৱে নাৰী আৰু পুৰুষৰ সমান কৰ্ম আৰু সমান সুবিধা, বিবাহৰ ক্ষেত্ৰত মুক্ত বুজাপৰা, ইচ্ছাকৃত মাতৃত্ব, গৰ্ভপাতৰ সুযোগ, শিশুৰ দায়িত্ব ৰাষ্ট্ৰৰ হাতলৈ নিয়া আদি সুবিধা আনি দিলেও নাৰী আৰু পুৰুষৰ মাজত পাৰ্থক্য থাকি গৈছে। তেওঁৰ মতে নাৰীক জৈবিক প্ৰকৃতি মাতৃত্বই দুৰ্বল কৰি তোলে। নাৰীৰ জৈবিক আৰু মানৱিক প্ৰকৃতিৰ মাজত যি বিৰোধ দেখা যায় - পুৰুষৰ সেয়া নাই। এই কথা স্বীকাৰ কৰি তেওঁ এই স্ববিৰোধী সিদ্ধান্তলৈ আহিছে যে নাৰীৰ এই যৌন প্ৰকৃতি পৰিবৰ্তন কৰাটো সম্ভৱ। সেয়ে বিউভোৱাই নাৰীমুক্তিৰ বাবে পৰম্পৰাগত বিবাহ আৰু পৰিয়ালৰ পৰা নাৰীৰ মুক্তি বিচাৰিছে।

"অস্তিত্ববাদী দৰ্শনৰ মানুহৰ নিৰংকুশ স্বাধীনতাৰ ধাৰণাৰ পৰা এক প্ৰকাৰৰ মৌল নাৰীবাদৰ যেনেকৈ জন্ম হ'ল, তেনেকৈ নব্য বাওঁপন্থী (New left) দৰ্শনৰ পৰাও ইপিনে মৌল নাৰীবাদৰেই সূচনা হ'ল।"[৮] মাৰ্ক্সীয় দৰ্শনৰ নৈৰাজ্যবাদী ধাৰণাৰ পৰাই এই দৰ্শনৰ উৎপত্তি। জাৰ্মান মাক্সবাদী চিন্তাবিদ হাৰ্বাৰ্ট মাৰ্কিউজ্ (Herbert Marcuse) আৰু অষ্ট্ৰিয়ান মাৰ্ক্সবাদী চিন্তাবিদ ভিল্‌হেল্‌ম্ ৰিখ্ (Wilhelm Reich) আদি চিন্তাবিদে ফ্ৰয়েদীয় মনস্তত্ত্বৰ আলোকত এক নব্য মাৰ্ক্সবাদী দৰ্শনৰ ভিত্তিত আন্দোলন গঢ়ি তোলে। এই আন্দোলনকে নব্য বাওঁপন্থী আন্দোলন বুলি কোৱা হয়।

মাৰ্ক্সে ব্যক্তিসত্তা সামাজিক সত্তাৰে এটা অংগ বুলি ধৰি লৈ কৈছে যে যিখন সমাজত ব্যক্তিয়ে তেওঁৰ কাম-কাজৰ সামাজিক পৰিণতি সম্পৰ্কে সচেতন হ'ব, সেইখন সমাজত তেওঁৰ ওপৰত কোনো আনুষ্ঠানিক বাধা-নিষেধৰ প্ৰয়োজন নহ'ব। মাৰ্ক্সৰ এই নৈৰাজ্যবাদী ধাৰণাৰ পৰাই এইটো ওলাই পৰে যে ব্যক্তি যিহেতু সচেতন, গতিকে ব্যক্তিৰ স্বাধীনতা ব্যক্তিৰ নিজস্ব দায়িত্বৰ ওপৰত প্ৰতিষ্ঠিত। কোনো ব্যক্তিয়ে কোনো ব্যক্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। এনেধৰণৰ চিন্তধাৰাৰ পৰাই নব্য বাওঁপন্থী ধাৰণাৰ সৃষ্টি হয় বুলিব পাৰি। নাৰীয়ে নিজৰ অধিকাৰ সম্পৰ্কে সচেতন হোৱা উচিত আৰু যিবিলাকে নাৰীৰ পূৰ্ণ বিকাশত বাধাৰ সৃষ্টি কৰিছে, সেইবোৰ নাকচ কৰি স্বদায়িত্বৰে পূৰ্ণ স্বাধীনতা ভোগ কৰা উচিত। এই চিন্তাধাৰা গ্ৰহণ কৰিয়েই নব্য বাওঁপন্থী আন্দোলনৰ সমৰ্থক আমেৰিকাৰ

মৌল নাৰীবাদী মহিলা জাৰ্মেইন্ গ্ৰীয়াৰে (জন্ম ১৯৩৯) (Germaine Greer) 'দ্য ফিমেইল্ ইউনাক্, (১৯৭০) (The Female Eunuch) নামৰ গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থত গ্ৰীয়াৰে কৈছে যে নাৰীক যুগ যুগ ধৰি পৰাশ্ৰয়ী যৌনসত্তা হিচাপে পৰম্পৰাগত সমাজত পুৰুষে দমাই ৰখাৰ বাবে নাৰীৰ অন্তৰৰ পৰা স্বাধীনতাৰ ধাৰণাৰ বিলোপ ঘটিছে। নাৰীৰ যে এটা স্বাধীন সত্তা আছে – সেই কথা নাৰীয়ে পাহৰি গৈছে। সেয়ে তেওঁ স্বামী-স্ত্ৰী ভিত্তিক বিবাহ প্ৰথা উঠাই দিয়াৰ কথা কৈছে – যাতে নাৰীয়ে আত্মনিৰ্ভৰশীল হ'ব পাৰে।[৬৮] মুঠতে শাশ্বত নাৰীৰ ধাৰণাক তেওঁ অস্বীকাৰ কৰিছে। ৰিখ্ আৰু মাৰ্কিউচে ভবাৰ দৰে গ্ৰীয়াৰেও কৈছে যে স্বামী-স্ত্ৰী ভিত্তিক পৰিয়ালত ল'ৰা-ছোৱালীৰ স্বাভাৱিক মানসিক বিকাশ হোৱাটো সম্ভৱ নহয়। কাৰণ এনে পৰিয়ালত ল'ৰা-ছোৱালীৰ পিতৃ-মাতৃৰ ব্যক্তিত্বৰে প্ৰভাৱিত হৈ পৰাৰ ফলত নিজস্বৰূপত বিকাশপ্ৰাপ্ত হ'ব নোৱাৰে। গ্ৰীয়াৰৰ মতে যদি এনেধৰণৰ পৰিযাল প্ৰথাৰ বিলোপ সাধন কৰা হয়, তেতিয়াহ'লে নাৰীয়ে ইচ্ছা কৰিলে যিকোনো পুৰুষৰ লগতে থাকিব পাৰিব। সন্তানৰ দায়িত্ব ৰাষ্ট্ৰই গ্ৰহণ কৰাৰ ফলত পিতৃ-মাতৃৰ ব্যক্তিত্বৰ প্ৰভাৱৰ পৰাও তেনেস্থলত ল'ৰা-ছোৱালী মুক্ত হৈ আপোন ব্যক্তিত্বৰে বিকশিত কৰাৰ সুযোগ লাভ কৰিব পাৰিব। ঠিক সেইদৰে নাৰীযেও প্ৰেমহীন দাম্পত্যজীবনৰ পৰা মুক্ত হৈ নিজৰ প্ৰতিভা বিকাশৰ সম্পূৰ্ণ সুযোগ লাভ কৰিব।

গ্ৰীয়াৰে নাৰীক এটি শ্ৰেণী হিচাপে চিনাক্তকৰণ কৰিছে। নাৰী যে শ্ৰেণী হিচাপে শোষিতা – এই মৌল নাৰীবাদী চিন্তা তেওঁ দাঙি ধৰিছে। আন এজন নাৰীবাদী চিন্তাবিদ মিলেটে (Millett) তেওঁৰ "চেক্সুৱেল পলিটিকচ্" (Sexual Politics) গ্ৰন্থত পুৰুষে যে যুগ যুগ ধৰি শাসক শ্ৰেণীৰ ভূমিকা গ্ৰহণ কৰি নাৰীক শোষণ কৰিছে — তাকেই স্পষ্টভাৱে দাঙি ধৰিছে।[৬৯] তেওঁৰ মতে পুৰুষে জন্মসূত্ৰে নাৰী সমাজক শোষণ কৰে। সেয়ে এই সমাজখনক কোৱা হয় পিতৃতান্ত্ৰিক সমাজ। এই সমাজৰ এক অংশ পুৰুষে আন অংশ নাৰীৰ অধিকাৰ নিয়ন্ত্ৰিত কৰে। তেওঁৰ মতে পিতৃতান্ত্ৰিকতাৰ দুটা ৰূপ ঃ (১) পুৰুষে নাৰীক দমন কৰি ৰাখে। (২) বয়সত বেছি পুৰুষে বয়সত কম পুৰুষক দমাই ৰাখে।

পিতৃতান্ত্ৰিক সমাজত পিতৃয়ে সৰ্বশক্তিমান হিচাপে সমাজ আৰু পৰিয়ালত স্থান লাভ কৰে। পিতৃয়েই হৈছে পৰিয়ালৰ সৰ্বেসৰ্বা। পৰিয়ালৰ সকলো সিদ্ধান্ত পিতৃৰ ওপৰতে নিৰ্ভৰ কৰে। নাৰী এটা গৌণ শক্তিলৈ পৰ্যবসিত হয়। পিতৃয়ে পৰিয়ালৰ সন্তানৰ ওপৰত নিৰ্দ্দেশনা দিয়ে, পৰিয়ালৰ ভিতৰতে কামৰ বিভাজন কৰে, বৈবাহিক সম্বন্ধ নিৰ্দ্ধাৰণ কৰে; আৰু এই ক্ষেত্ৰত ৰাষ্ট্ৰযন্ত্ৰই পিতৃক সহায় কৰে।[৭০] মিলেটৰ মতে বৰ্তমানৰ পিতৃতান্ত্ৰিক সমাজত নাৰীয়ে কিছু আইনগত অধিকাৰ লাভ কৰিলেও অৰ্থনৈতিকভাৱে নাৰী পৰাধীন। কাৰণ – প্ৰথমতে, নাৰীক ঘৰুৱা কাম-কাজৰ বাবে কোনো পাৰিশ্ৰমিক দিয়া নহয়; দ্বিতীয়তে, নাৰীৰ

নিয়োগৰ ক্ষেত্ৰত বাধা-নিষেধ আৰোপ কৰা হয়।[৬৭] মিলেটে উল্লেখ কৰিছে যে ভাৰতবৰ্ষ আৰু পশ্চিমৰ আন সভ্য দেশসমূহত মিলিটাৰি, শিল্প, প্ৰযুক্তিগত, বৈজ্ঞানিক, ৰাজনৈতিক আৰু শাসন সম্পৰ্কীয় নিয়োগসমূহৰ ক্ষেত্ৰত পুৰুষে প্ৰাধান্য বিস্তাৰ কৰি আছে। পুৰুষে সমাজখনক দমন কৰি আছে আৰু পুৰুষ সংস্কৃতিৰ ওচৰত নাৰীয়ে নতি স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। নাৰীয়ে ঘৰুৱা কাম-কাজ আৰু সন্তানৰ লালন-পালন কৰাত নিজকে ব্যস্ত ৰাখিবলৈ বাধ্য হৈছে, আনফালে পুৰুষে নিজকে উন্নত কৰিবলৈ সুযোগ লাভ কৰিছে।[৬৮] সেয়ে মৌল নাৰীবাদী দৃষ্টিত পিতৃতান্ত্ৰিকতা "পুৰুষৰ শাসন"ৰ বাহিৰে আন একো নহয়।[৬৯]

যৌনবাদেই যুগ যুগ ধৰি নাৰীক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ মূল কাৰণ বুলি মৌল নাৰীবাদীসকলে উল্লেখ কৰিছে। যৌনবাদৰ আদৰ্শগত ভিত্তি হৈছে পুৰুষ সংস্কৃতি যিয়ে নাৰীৰ হীনতাবোধ জন্মায়। এই পুৰুষ সংস্কৃতি প্ৰতিফলিত হয় কৰ্মক্ষেত্ৰ, পৰিয়াল, ধৰ্ম আদি সামাজিক অনুষ্ঠানসমূহত আনকি শিক্ষা, আইন, বিবাহ আদিতো পুৰুষ সংস্কৃতিয়ে প্ৰভাব বিস্তাৰ কৰে। সেয়ে চৰমপন্থী বা মৌল নাৰীবাদীসকলে এই ধাৰণা পোষণ কৰে যে যেতিয়ালৈকে এনেকুৱা পুৰণি ধাৰণা আৰু সামাজিক অনুষ্ঠানসমূহৰ ৰূপান্তৰ সাধন কৰা নহয় - তেতিয়ালৈকে নাৰীমুক্তি সম্ভৱ নহয়।

মৌল নাৰবাবাদাসকলে নাৰামুক্তিৰ বাবে ৰাজনৈতিক কাৰ্যক্ৰমণিকা নিৰ্দ্ধাৰণ কৰি কৈছে যে যিহেতু নাৰী শোষিত শ্ৰেণী, গতিকে মূল শোষক পুৰুষৰ লগত সহযোগিতা কৰি নাৰীয়ে লক্ষ্যত উপনীত হ'ব নোৱাৰিব। নাৰী সমস্যা যিহেতু ৰাজনৈতিক, গতিকে ৰাজনৈতিকভাৱে সংগ্ৰামৰ মাধ্যমেৰে সমাধান কৰিব লাগিব মৌল নাৰীবাদীসকলে পুৰুষক মূল শত্ৰু হিচাপে চিহ্নিত কৰি যুদ্ধত অৱতীৰ্ণ হৈছে। এওঁলোকৰ মতে নাৰীক এনেভাৱে সচেতন কৰিব লাগিব যাতে নাৰীয়ে এটা বিপ্লৱী কৰ্মৰ বাবে নিজকে প্ৰস্তুত কৰি ল'ব পাৰে।[৭১] এওঁলোকে নাৰী আন্দোলনৰ পৰা পুৰুষক বাহিৰত ৰাখিব বিচাৰে - কাৰণ পুৰুষ হৈছে নাৰীৰ শত্ৰু। নাৰী শোষিত শ্ৰেণী আৰু পুৰুষ শোষক শ্ৰেণী।[৭২]

এইদৰে পুৰুষক শ্ৰেণী শত্ৰুৰূপে চিহ্নিত কৰি একশ্ৰেণী মৌল নাৰীবাদীয়ে পুৰুষৰ সংগ একান্তভাৱে বৰ্জনীয় বুলি অভিমত দিয়ে। এওঁলোকৰ মতে নাৰীয়ে মুক্তিৰ বাবে শোষক পুৰুষৰ সংগ সম্পূৰ্ণৰূপে পৰিত্যাগ কৰা উচিত। এওঁলোকে বিবাহক "আইনসন্মত বলাৎকাৰ"[৭৩] বুলি কৈ ঘৰুৱা দাসত্বৰ পৰা মুক্ত হোৱাৰ বাবে একমাত্ৰ নাৰীৰ সংগতেই জীৱন কটোৱাৰ পক্ষপাতী। এওঁলোকে এসময়ত ইমান বেছি পুৰুষ বিদ্বেষী হৈ পৰিছিল যে - নাৰীৰ প্ৰধান শত্ৰু পুৰুষক নিঃশেষ কৰাৰ পৰিকল্পনা পৰ্যন্ত কৰিছিল। উদাহৰণস্বৰূপে, ১৯৬৮ চনত নিউইয়ৰ্কৰ মৌল নাৰীবাদী ভালেৰি চোলানাচে (Valerie Solanas) এণ্ডি ৱাৰ্হোল্ (Andy Warhol) নামৰ এজন পুৰুষক গুলীয়াই হত্যা কৰাৰ বাবে তিনিবছৰ কাৰাদণ্ড

বৰণ কৰিবলগীয়া হৈছিল। তেওঁলোকেই পুৰুষ বিদ্বেষী সংগঠন এচ্. চি. ইউ. এম্ (Society for Cutting up Man) নামৰ সংগঠনটি গঢ়ি তুলিছিল।[১৪] এই মৌল নাৰীবাদীসকলৰ মনত এক পুৰুষ-আতংকৰ (Male Phobia) সৃষ্টি হৈছিল। আন এটা সংগঠন ডব্লিউ. আই. টি. বি. এইচ.ৰ (Women's International Terrorist Conspiracy from Hell) শ্লোগান আছিল, 'পুৰুষৰ পৰা সাৱধান।'[১৫]

পুৰুষক শত্ৰু হিচাপে চিহ্নিত কৰি পুৰুষৰ সংগৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি এখন একক নাৰীসমাজত সুখেৰে থকাৰ পৰিকল্পনা কৰা আৰু একশ্ৰেণীৰ নাৰীবাদী আছে। এই শ্ৰেণীৰ নাৰীবাদীক লেজ্‌বিয়ান্ (Lesbian) বুলি কোৱা হয়। 'লেজ্‌বিয়ানিজম্' সম্পৰ্কে গোবিন্দ প্ৰসাদ শৰ্মাই লেখিছে ঃ

> *মৌল নাৰীবাদীসকলৰ পুৰুষ বৰ্জনৰ পক্ষপাতী গোটটিয়ে নিজৰ অস্তিত্ব মৌল নাৰীবাদীসকলৰ পৰা পৃথক কৰিবলৈ নিজৰ বাবে নাম বাছি লৈছে লেজ্‌বিয়ান্। প্ৰাচীন মহিলা কবি চেফোৰ সেই পুৰুষ বৰ্জিত আশ্ৰমৰ জীৱন পদ্ধতিয়েই এওঁলোকৰো আদৰ্শ বুলি দেখুৱাবলৈকেই চেফোৰ বাসস্থান লেজবচৰ পৰাই এওঁলোকে উলিয়াই লৈছে লেজ্‌বিয়ান্ শব্দটি। এনেকৈয়েই এওঁলোকৰ দৰ্শনৰো নাম হৈছেগৈ লেজ্‌বিয়ানিজম্। অসমীয়াত আমি লেজ্‌বিযানৰ প্ৰতিশব্দ সমলিংগিনী আৰু লেজ্‌বিয়ানিজম্‌ৰ প্ৰতিশব্দ সমলিংগিনীবাদ কৰি লৈছোঁহক।*[১৬]

অসমীয়া সমাজত নাৰীৰ স্থান কেনে, তাৰ বিচাৰ কৰিবলৈ অসমীয়া উপন্যাস সম্পৰ্কে পৰৱৰ্তী অধ্যায়বোৰত অধ্যয়ন কৰোঁতে, এই প্ৰবন্ধত নাৰীবাদৰ যি চেতনা দাঙি ধৰা হৈছে — সেই চেতনাকেই আধাৰ হিচাপে লোৱা হ'ব।

টীকা

১। গোবিন্দ প্ৰসাদ শৰ্মা, 'নাৰীবাদ ঃ কি আৰু কেনেকৈ', "সূত্ৰধাৰ" সম্পাদক, হোমেন বৰগোহাঞি, দ্বিতীয় বছৰ, দশম সংখ্যা, গুৱাহাটী, ১৯৯০, পৃ. ১৭
২। John Charvet, Feminism, J.M. Dent & Sons, London, 1982, পৃ. ৮
৩। একেগ্ৰন্থ, পৃ. ১১
৪। Rekha Pandey, *Women From Subjection to Liberation*, Mittal Publication, Delhi, 1989, পৃ. ১৬
৫। John Charvet, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৩
৬। একেগ্ৰন্থ, পৃ. ১৩
৭। Rekha Pandey, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৬
৮। John Charvet, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৫
৯। একেগ্ৰন্থ, পৃ. ২০
১০। একেগ্ৰন্থ, পৃ. ২১
১১। একেগ্ৰন্থ, পৃ. ২২
১২। একেগ্ৰন্থ, পৃ. ২৪
১৩। একেগ্ৰন্থ, পৃ. ২৭
১৪। একেগ্ৰন্থ, পৃ. পৃ. ২৭-২৮
১৫। একেগ্ৰন্থ, পৃ. ২৮
১৬। একেগ্ৰন্থ, পৃ. ২৯

১৭। গোবিন্দ প্ৰসাদ শৰ্মা, পূৰ্বোক্ত প্ৰবন্ধ, পৃ. ১৯
১৮। Charvet, পূৰ্বোক্ত গ্ৰন্থ, পৃ ৩৪
১৯। R.A Wadia, *The Ethics of Feminism : A Study of the Revolt of Women*, Asian Publication Service, New Delhi, 1977, পৃ পৃ ২৮-২৯
২০। পূৰ্বোক্ত গ্ৰন্থ পৃ. ৩৪
২১। একেগ্ৰন্থ, পৃ. ৩৫
২২। একেগ্ৰন্থ, পৃ ৩৬
২৩। একেগ্ৰন্থ, পৃ ৩৮
২৪। একেগ্ৰন্থ, পৃ ৩৮
২৫। একেগ্ৰন্থ, পৃ. ৪০
২৬। Rekha Pandey, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬৫
২৭। Charvet, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৪৭
২৮। একেগ্ৰন্থ, পৃ ৫২
২৯। একেগ্ৰন্থ, পৃ. পৃ. ৫৩-৫৪
৩০। একেগ্ৰন্থ, পৃ ৫৩
৩১। মাৰ্ক্স এংগেল্‌চ, কমিউনিষ্ট পাৰ্টিৰ ইস্তেহাৰ (১৮৪৮), ১৮৮৮ চনৰ এংগেল্‌চ সম্পাদিত ইংৰাজী সংস্কৰণৰ বঙালী অনুবাদ, মস্কো, প্ৰকাশ কাল নাই, পৃ ৩২
৩২। একেগ্ৰন্থ, পৃ ৫২
৩৩। একেগ্ৰন্থ পৃ. ৩০
৩৪। একেগ্ৰন্থ পৃ ৫৩
৩৫। F Engels, *The Origin of the Family, Private Property & the State*. (1884), In the Light of the Researches of the Lewis H. Morgan (1848), Progress Publishers, Moscow, 1977, পৃ. ৫৭
৩৬। একেগ্ৰন্থ পৃ. ৩০
৩৭। একেগ্ৰন্থ পৃ. ৬৭
৩৮। একেগ্ৰন্থ পৃ. ৭৬
৩৯। অ'গাষ্ট বেবেল, *নাৰী অতীত, বৰ্তমান ও ভবিষ্যতে* (Woman in the Past, Present and Future), প্ৰথম প্ৰকাশ (?), বঙালী অনুবাদ, কনক মুখোপাধ্যায়, ন্যাশনাল্ বুক এজেন্সী, কলিকতা, ১৯৮৩, পৃ. ১২
৪০। একেগ্ৰন্থ, পৃ.পৃ. ৫৪-৫৫
৪১। একেগ্ৰন্থ, পৃ. ৬৫
৪২। একেগ্ৰন্থ, পৃষ্ঠা ১১১ৰ পৰা ১১৬ পৃষ্ঠালৈ বেবেলে এই বক্তব্য দাঙি ধৰিছে।
৪৩। একেগ্ৰন্থ, পৃ. ২২১
৪৪। Charvet, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৮৩
৪৫। একেগ্ৰন্থ, পৃ. ৮৪
৪৬। একেগ্ৰন্থ, পৃ. ৮৪
৪৭। একেগ্ৰন্থ, পৃ. ৮৫
৪৮। একেগ্ৰন্থ, পৃ ৯০
৪৯। একেগ্ৰন্থ, পৃ. ৯২
৫০। একেগ্ৰন্থ, পৃ. ৯২
৫১। একেগ্ৰন্থ, পৃ. ৯৩
৫২। একেগ্ৰন্থ, পৃ ৯৪
৫৩। একেগ্ৰন্থ, পৃ. ৯৮
৫৪। Rekha Pandey, পূৰ্বোক্ত গ্ৰন্থ, পৃ. পৃ ৬৭-৬৮
৫৫। Simone De Beauvoir, *The Second Sex*, (1949), Pan Books, Cavage Place, London, 1988, পৃ পৃ. ১৬-২০
৫৬। একেগ্ৰন্থ, পৃ পৃ ৮৬ ৮৭
৫৭। একেগ্ৰন্থ, পৃ পৃ ৮৯-৯০
৫৮। একেগ্ৰন্থ, পৃ ১৪১
৫৯। একেগ্ৰন্থ, পৃ. ৫১০
৬০। একেগ্ৰন্থ, পৃ ৫০১
৬১। Charvet, পূৰ্বোক্ত গ্ৰন্থ, পৃ ১০৭
৬২। Simone de Beauvoir, পূৰ্বোক্ত গ্ৰন্থ, পৃ. পৃ. ৬৮৯-৬৯১
৬৩। গোবিন্দ প্ৰসাদ শৰ্মা, পূৰ্বোক্ত প্ৰবন্ধ, পৃ. ২১
৬৪। Charvet, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১১৬
৬৫। একেগ্ৰন্থ, পৃ. ১২০
৬৬। Rekha Pandey, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৯৯
৬৭। Charvet, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১২৩
৬৮। পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২০৩
৬৯। একেগ্ৰন্থ, পৃ. ২০১
৭০। একেগ্ৰন্থ, পৃ. পৃ. ১৯৪-১৯৫
৭১। একেগ্ৰন্থ, পৃ. ১৯৫
৭২। একেগ্ৰন্থ, পৃ. ৬৯
৭৩। একেগ্ৰন্থ, পৃ. ১৯৬
৭৪। একেগ্ৰন্থ, পৃ. ১৯৬
৭৫। একেগ্ৰন্থ, পৃ. ১৮৭
৭৬। গোবিন্দ প্ৰসাদ শৰ্মা, পূৰ্বোক্ত প্ৰবন্ধ, পৃ. ২১

দ্বিতীয় অধ্যায়

ভাৰতত নাৰীবাদৰ উৎপত্তি আৰু বিকাশ

বৃটিছ্ প্ৰভাৱত ভাৰতত নাৰীৰ ব্যক্তিত্ব আৰু মংগলৰ বাবে সজাগতা (প্ৰাচীন ভাৰতত আদৰ্শ নাৰীৰ ধাৰণা) ঃ

বৃটিছ্ প্ৰভাৱত ভাৰতত নাৰীৰ ব্যক্তিত্ব আৰু মংগলৰ বাবে সজাগতা - এই প্ৰসংগত আলোচনা কৰিবলৈ যাওঁতে আমি ইতিহাসৰ কিছু পিছলৈ উভতি যাবলগীয়া হয়। আমি ভাৰতবৰ্ষৰ ইতিহাসৰ সেই স্মৰণীয় ১৭৫৭ চনৰ পলাশী যুদ্ধলৈ উভতি যাওঁহক।

পলাশী যুদ্ধৰ এশ বছৰ পিছত ভাৰতবৰ্ষত অকল বৃটিছে যে সাম্ৰাজ্য বিস্তাৰহে কৰিছিল এনে নহয়; সামাজিক আৰু ধৰ্মীয় দিশতো বহুতো পৰিবৰ্তন সাধন কৰিছিল। ১৭৬৫ চনতে ইষ্ট্ ইণ্ডিয়া কোম্পানীয়ে অযোধ্যাৰ নবাব চুজা উদ্‌দৌলাৰ পৰা দেৱানী লাভ কৰে। ইয়াৰ ফলত ইংৰাজ কোম্পানীটিয়ে বিহাৰ আৰু উৰিষ্যাৰ দেৱানী লাভ কৰি খাজনা আদায় কৰিবলৈ আৰু খৰচ কৰিবলৈও সুবিধা পাইছিল। কালক্ৰমত পলাশী যুদ্ধৰ এশ বছৰ পিছত বৃটিছে ভালকৈ খোপনি পুতি লয়। বিশেষকৈ পৰস্পৰৰ মাজত আঁৰিয়াআঁৰি, অনৈক্য আৰু বিশ্বাসঘাতকতাই ভাৰতীয় সকলৰ পৰাধীনতাৰ মূল কাৰণ। সেই সময়ত ভাৰতবৰ্ষ এক বুলি আৰু একেটা জাতি বা একেখন ৰাষ্ট্ৰৰ ধাৰণাৰ অভাৱ আছিল, সেইবাবেই ভাৰতবৰ্ষৰ স্বাধীনতা বা ইয়াৰ বাবে সংগ্ৰাম কৰাৰ চেতনাও আছিল অস্পষ্ট।[১]

ইষ্ট্ ইণ্ডিয়া কোম্পানীৰ শাসন প্ৰতিষ্ঠিত হোৱাত অষ্টাদশ শতাব্দীৰ শেষভাগৰ পৰাই কলিকতা চহৰ ক্ৰমে বাণিজ্য আৰু শিল্প-সংস্কৃতিৰ কেন্দ্ৰ হৈ পৰে। এই চহৰত স্থাপিত হয় কলিকতা মাদ্ৰাচা, হিন্দু কলেজ, সংস্কৃত কলেজ আদি। শিক্ষাৰ বাবে দুটি সাম্প্ৰদায়িক প্ৰতিষ্ঠান সৃষ্টি হোৱাৰ ফলত ভাৰতীয় হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত প্ৰাচীন সংস্কৃত আৰু মধ্যযুগীয় ইছ্লামিক জ্ঞান চৰ্চাৰ সুযোগ মিলে।

এহাতে ইষ্ট্ ইণ্ডিয়া কোম্পানীৰ নীতি আৰু আনহাতে অনাবৃষ্টিৰ বাবে ১৭৬৯-১৭৭০ খ্ৰীঃত ভাৰতবৰ্ষত দুৰ্ভিক্ষই দেখা দিয়ে। কোম্পানীয়ে এই অৱস্থাতো জোৰকৈ ৰাজহ আদায় কৰিবলৈ যোৱাত জনসাধাৰণৰ অৱস্থা বেয়াৰ ফাললৈ ঢাল খায়। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ প্ৰতিকাৰৰ বাবে বৃটিছে কিছুমান সংস্কাৰ

সাধন কৰিবলগীয়া হয়। প্ৰথম সংস্কাৰক লৰ্ড্ কৰ্ণৱালিছে "ভূমি ৰাজহ সংস্কাৰ" (Land Revenue Reform) আৰু 'চিৰস্থায়ী বন্দৰস্ত'ৰ (Permanent Settlement)ৰ দ্বাৰা বংগদেশ আৰু বিহাৰৰ ৰাজহৰ পৰিমাণটো স্থায়ীকৈ নিৰ্দ্ধাৰিত কৰি লৈছিল। দ্বিতীয় সংস্কাৰক লৰ্ড্ উইলিয়ম্ বেন্টিংকে স্বামীৰ মৃত্যুত হিন্দু পত্নীয়ে স্বামীৰ লগত একেখন চিতাতে আত্মজাহ দিয়াৰ দৰে নিষ্ঠুৰ 'সতীদাহ প্ৰথা' বিলোপ কৰে।

১৮২৯ চনত কলিকতাত আলেক্জেণ্ডাৰ ডাফ চাহাবে খ্ৰীষ্টান কলেজ স্থাপন কৰাৰ লগে লগে আৰু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইংৰাজী ভাষাক ৰাষ্ট্ৰীয় ভাষা বুলি স্বীকৃতি দিয়াত বংগ, মাদ্ৰাজ, বোম্বাই আদিৰ উঠি অহা ডেকাসকলে এই ভাষা শিকাৰ আগ্ৰহ কৰে বিশেষকৈ কোম্পানীত চাকৰি পোৱাৰ আশাত।

এইদৰে পলাশীৰ যুদ্ধৰ এশ বছৰ পিছত ভাৰতবৰ্ষত নানা পৰিবৰ্তনে দেখা দিয়ে। কলিকতা, মাদ্ৰাজ আৰু বোম্বাইত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা অন্যতম সুফল বুলি ক'ব পাৰি।

অষ্টাদশ শতিকাৰ শেষ ভাগত ইংলণ্ডৰ শিল্প বিপ্লৱৰ ফলত তাত নতুন নতুন কল কাৰখানাৰ সৃষ্টি হয়। এই কল কাৰখানাৰ কেঁচামালৰ বাবে আৰু তাত উৎপাদিত সামগ্ৰীৰ বজাৰৰ বাবে তেওঁলোকৰ প্ৰয়োজন হয় উপনিৱেশৰ। ভাৰত আছিল এনেকুৱা এখন উপনিৱেশ। যানবাহন, ৰেলপথ, টেলিগ্ৰাফ,স্কুল, কলেজ আদি তেওঁলোকৰ সুবিধাৰ বাবেই ভাৰতত তেওঁলোকে নিৰ্মাণ বা প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ লগে লগে পাশ্চাত্য শিক্ষা সংস্কৃতিৰ সুপ্ৰভাৱো আমাৰ দেশৰ জনসাধাৰণৰ ওপৰত পৰাটো সম্ভৱ হৈ উঠে। ফলত যুগ-যুগান্তৰৰ পৰা চলি অহা আমাৰ মধ্যযুগীয় সামন্ততান্ত্ৰিক ৰীতি-নীতিৰ ওপৰত আঘাত পৰে। চিন্তাচৰ্চাৰ সলনি হয় আৰু আমাৰ দেশত সৃষ্টি হয় এক নৱজাগৰণৰ (Renaissance)। কাৰ্ল্ মাৰ্ক্সে ভাৰতৰ ইংৰাজ শাসনক সমালোচনাৰ দৃষ্টিভংগীৰে চাই কৈছে যে ভাৰতত ইংৰাজৰ দুটি ভূমিকা আছে - এটা ধ্বংসমূলক আৰু আনটো নৱজাগৰণ অনাৰ — প্ৰাচীন এচীয় সমাজৰ ধ্বংস আৰু এচিয়াত পাশ্চাত্য সমাজব্যৱস্থা গঢ়ি তোলাৰ বাস্তৱ ভিত্তিৰ স্থাপনা।[২]

বৃটিছ শাসনৰ সুপ্ৰতিষ্ঠাই ভাৰতীয় মানুহক দুখ-দুৰ্গতিত পেলালেও তেওঁলোকক ৰাজনৈতিক একতা আৰু পাশ্চাত্যৰ সভ্যতা আৰু গণতন্ত্ৰৰ প্ৰতি আকৰ্ষিত কৰিলে। জাতীয় নৱজাগৰণৰ মাজেদি হিন্দু সংস্কৃতিৰ পুনঃ প্ৰতিষ্ঠাৰ বাবেও হিন্দুসকল উৎসাহিত হৈছিল, যিদৰে আকৰ্ষিত হৈছিল মুছলমানসকলো নিজৰ ধৰ্ম-সংস্কৃতি পুনৰুদ্ধাৰৰ বাবে। ভাৰতীয় শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোহে অৱশ্যে ইয়াত বেছিকৈ সোমাই পৰিছিল। অৰ্থনৈতিক আৰু শাসন সম্পৰ্কীয় বিভিন্ন কাৰণত কলিকতা, বোম্বাই আৰু মাদ্ৰাজত ইংৰাজসকলে অষ্টাদশ শতাব্দীৰ আদি ভাগতেই খোপনি পুতিলেও, ঊনবিংশ শতিকালৈ বহুতো ভাৰতীয়ই ইংৰাজী শিক্ষাক শিক্ষা-সংস্কৃতিৰ বাহক বুলি মানি ল'ব পৰা নাছিল। ৰাজা ৰামমোহন ৰায়ৰ দৰে

উদাৰপন্থীৰ চেষ্টাৰ ফলতেই সনাতন হিন্দুসকলেও সময়ত এই শিক্ষা তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবেও মংগলজনক বুলি গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিল।

১৮১৭ চনৰ ২০ জানুৱাৰীত 'হিন্দু কলেজ' স্থাপন হৈছিল। পিছত ইয়েই প্ৰেচিডেন্সী কলেজলৈ ৰূপান্তৰিত হয়।

ইংৰাজী শিক্ষাৰ প্ৰভাৱতেই পাশ্চাত্যৰ উদাৰতাবাদী আৰু বৈজ্ঞানিক ভাবধাৰা ভাৰতত সোমাই পৰে। এই ভাবধাৰাৰ ফলতেই ভাৰতীয়সকলৰ যুগ-যুগান্তৰৰ সংস্কাৰৰ পৰিবৰ্তন ঘটিল; অন্ধবিশ্বাসৰ ঠাইত যুক্তিবাদে প্ৰতিষ্ঠা লাভ কৰিলে।

ঊনবিংশ আৰু বিংশ শতিকাত বিশেষকৈ বৃটিছ প্ৰভাৱত ভাৰতীয় নাৰীৰ ব্যক্তিত্ব আৰু মংগলৰ বাবে যি সজাগতাৰ সৃষ্টি হৈছিল, তাৰ মূলতে আছিল কিছুমান পাশ্চাত্যৰ উদাৰনৈতিক আদৰ্শ আহৰণ কৰা ভাৰতীয় সমাজ সংস্কাৰক, ৰাজনীতিজ্ঞ আৰু জনদিয়েক সহৃদয় বৃটিছ শাসক। তেওঁলোকে ভাৰতীয় মহিলাৰ সামাজিক অৱস্থানৰ কথা ভালকৈ উপলব্ধি কৰিছিল। ঊনবিংশ শতাব্দীত ভাৰতীয় মহিলাৰ ব্যক্তিসত্তা মানৱীয় সত্তা বুলিয়েই বহুতৰ ধাৰণা নাছিল। যিয়েই নহওক গোড়া আৰু ৰক্ষণশীলতাৰ বুকুৰ পৰা ভাৰতীয় নাৰীক উদাৰতা আৰু প্ৰগতিৰ পথলৈ অহাত সহায় কৰিছিল উপৰোক্ত লোকসকলে।

ভাৰতীয় নাৰীৰ মাজত নাৰী-মংগলৰ সজাগতা সৃষ্টিৰ বাবে প্ৰথমতে পুৰুষসকলেই চেষ্টা কৰিছিল। নাৰী জাগৰণৰ মূলমন্ত্ৰ ভাৰতবৰ্ষৰ বুকুত প্ৰথমে উচ্চাৰণ কৰিলে আধুনিকতাৰ "প্ৰমেথিউচ" ৰাজা ৰামমোহন ৰায়ে। ১৮১৪ চনত তেওঁ কলিকতাত 'আত্মীয় সভা' নামে এটা সংগঠন গঢ়ি তোলে। এই সভাৰ ১৮১৯ চনৰ মে' মাহৰ অধিৱেশনত বাল্য-বিবাহ প্ৰথা, বহুবিবাহ প্ৰথা আৰু সতীদাহ প্ৰথাৰ বিৰোধিতা কৰা হৈছিল।[৩]

১৮২৮ চনত ৰামমোহন ৰায়ৰ প্ৰচেষ্টাতে "ব্ৰাহ্ম সমাজ" স্থাপিত হয়। এওঁলোকৰ প্ৰচেষ্টাতে ১৮২৯ চনৰ ৪ ডিচেম্বৰৰ দিনা লৰ্ড উইলিয়াম্ বেন্টিংকে 'সহমৰণ' বা 'সতীদাহ প্ৰথা' আইনৰ দ্বাৰা নিষিদ্ধ কৰে। অৱশ্যে সৌৱা ১৯৮৭ চনৰ ৪ চেপ্তেম্বৰৰ দিনাও ৰূপ কানোৱাৰৰ 'সতী' যোৱাৰ উদাহৰণে আজি বিংশ শতিকাৰ শেষাৰ্দ্ধতো বাধ্যবাধকতাৰে যে পত্নীক মৃত স্বামীৰ শৱদেহৰ লগত একে চিতাতে পুৰি মাৰি 'সতী' বনোৱা প্ৰথা চলি আছে, তাৰেই ইংগিত দিয়ে। ইয়াৰ পৰা ভাৰতীয় নাৰীৰ আজিও সমাজত স্থান কেনেকুৱা সেই কথাৰ আভাস পাব পাৰি।

ব্ৰাহ্ম সমাজৰ পক্ষৰ পৰা নাৰীও মানুহৰ দৰে যাতে সমাজত জীয়াই থাকিব পাৰে তাৰ বাবে বহুবিবাহ প্ৰথাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলা হৈছিল। নাৰীৰ সম্পত্তিৰ অধিকাৰৰ বাবেও এওঁলোকে চেষ্টা কৰিছিল। নাৰী-মংগলৰ চিন্তাই আছিল এওঁলোকৰ লক্ষ্য। দেবেন্দ্ৰনাথ ঠাকুৰ আৰু কেশৱ চন্দ্ৰ সেন ইয়াৰ অগ্ৰণী সভ্য আছিল।

ব্ৰাহ্ম সমাজৰ দৰে শতাব্দীটোৰ শেষৰ ফালে গুজৰাটৰ দয়ানন্দ সৰস্বতীয়ে

১৮৭৫ চনত 'আৰ্য সমাজ' নামৰ এটা অৰাজনৈতিক সংস্কাৰবাদী সংগঠন গঢ়ি তোলে। ইয়ে সেই সময়ৰ সংস্কাৰ আন্দোলনত যথেষ্ট বৰঙণি যোগায়। এওঁ বেদৰ ভিত্তিত জাতিভেদ প্ৰথাৰ বিৰোধিতা কৰিছিল।

নাৰী-মংগলৰ চেতনা এনেদৰেই ক্ৰমান্বয়ে গঢ লৈ উঠিছিল। বৃটিছ পণ্ডিত, মিছনেৰীসকল আৰু আমোলাসকলৰ দৃষ্টিতো ভাৰতীয় নাৰী আৰু ইউৰোপীয় নাৰীৰ মাজত পাৰ্থক্য ধৰা পৰিছিল। ভাৰতীয় নাৰীৰ জীৱনযাত্ৰা আছিল বৰ কঠোৰ আৰু শাস্তিমূলক। ঘাইকৈ হিন্দু সমাজত চলি থকা বাল্য বিবাহ, ভাৰতীয় বিধবা নাৰীৰ জীবনযাত্ৰা আৰু নিৰক্ষৰতাই তেওঁলোকক বিব্ৰত কৰি তুলিছিল। নাৰীৰ স্বাধীনতা বুলিবৰ একোৱেই নাছিল। ধৰ্মীয় বা বিবাহাদি উৎসৱতহে যোগদান কৰাৰ মাত্ৰ তেওঁলোকে সুবিধা পাইছিল, তাৰো আকৌ অসমৰ সত্ৰানুষ্ঠানৰ দৰে দুই-এক অনুষ্ঠানত নাৰীৰ প্ৰবেশ আজিও নিষেধ।

ভাৰতীয় নাৰীৰ যি ৰূপ ধৰ্মীয় শাস্ত্ৰসমূহে দাঙি ধৰিছে – বিশেষকৈ মনুৰ দৃষ্টিত ভাৰতীয় নাৰীৰ যি ৰূপ – সি অতি দুখ লগা। শাস্ত্ৰকাৰ মনুৱে ভাৰতৰ নৈতিক আৰু সামাজিক নিয়মসমূহ বান্ধি দিছে। এজনী নাৰীৰ জীৱনৰ স্বাধীনতা কিমান তাক 'মনু সংহিতা'ৰ ৫ম অধ্যায়ৰ শেষত ১৪৭ৰ পৰা ১৬৬ সংখ্যক শ্লোকলৈ বিভিন্ন স্তৰত নিৰ্দেশ দিছে ঃ "নাৰী শিশুকালত পিতৃৰ, যৌৱনত পতিৰ আৰু পতিৰ মৃত্যুৰ পিছত পুত্ৰৰ অধীনত থাকিব কিন্তু তেওঁ কেতিয়াও স্বাধীন হৈ থাকিব নোৱাৰে।' 'পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্যা' - সন্তান জন্ম দিবৰ বাবে নাৰী অৰ্থাৎ নাৰী সন্তান উৎপাদনৰ যন্ত্ৰ মাত্ৰ। নাৰীৰ কোনো নিজস্ব সত্তা নাই। মনুৱে নাৰীৰ দেহিক আৰু মানসিক আচৰণৰো বিকৃত ৰূপ দিছে ঃ "নাৰীয়ে ৰূপৰ বিচাৰ নকৰে, বয়সৰো বিচাৰ নকৰে, পুৰুষ মাত্ৰেই ৰূপেই হওক বা কুৰূপেই হওক সম্ভোগ কৰিবলৈ এওঁলোক লালায়িত।"[৬] এনেবোৰ নাৰী সম্পৰ্কীয় মতামত আজিৰ নাৰীবাদীসকলে নিশ্চয় মানি ল'ব নোৱাৰে। স্ত্ৰীৰ কৰ্তব্য সম্পৰ্কে মনুৱে নিৰ্দেশ কৰিছে এইদৰে ঃ "স্ত্ৰীয়ে সদায় আনন্দমনে অতি দক্ষতাৰে গৃহকৰ্ম কৰিব, বস্তু-বাহানি চাফ্-চিকুণ কৰি ৰাখিব আৰু মিতব্যয়ী হৈ চলিব। পিতৃ অথবা ভাতৃয়ে যাক সম্প্ৰদান কৰিছে সেই পতিক নাৰীয়ে আমৰণ সেৱা কৰা উচিত আৰু মৃত্যুৰ পিছতো তেওঁক উলংঘা কৰা অনুচিত।[৭]

নাৰীক নানা ভীতি-প্ৰদৰ্শনেৰে শাস্ত্ৰৰ দোহাই দি দাসী কৰি ৰখাৰ প্ৰৱণতা আজিও আছে। ঘৰখনৰ সকলোকে খুৱাই-বুৱাই সন্তুষ্ট কৰি অৱশেষত বহুতো নাৰীৰে হয়তো খাবলৈ নাথাকে নাইবা পৰিয়ালৰ সকলোৰে পৰিত্যক্ত বস্তুখিনিহে খোৱাৰ ফলত নাৰীৰ খোৱাৰ তৃপ্তিও নাথাকে; ফলত নাৰী ৰোগাক্ৰান্ত হৈ পৰে। স্বামীৰ ওচৰত নাৰীৰ স্থান কেনে হোৱা উচিত, তাকো মনুৱে কৈছে ঃ

> *সদাচাৰহীন, পৰস্ত্ৰীৰ প্ৰতি অনুৰক্ত, বিদ্যাদিগুণবিযুক্ত হ'লেও পতিক সাধ্বী ভাৰ্যাই দেৱতাৰ দৰে মানিব লাগিব; আনহাতে পতিৰ প্ৰতি*

বিদ্বেষভাব পোষণ কৰিলে এবছৰৰ অন্তত স্ত্ৰীৰ সকলো গহনা কাঢ়ি লৈ স্বামীয়ে (?) ত্যাগ কৰা উচিত। জুৱাৰী, মদপী আৰু ৰোগজীৰ্ণ পতিক যিজনী পত্নীয়ে অবজ্ঞা কৰে, তেওঁক বসন-ভূষণ আদিৰ পৰা বঞ্চিত কৰি তিনি মাহৰ বাবে ত্যাগ কৰাৰ বিধান দিয়া হৈছে।৮৮

মনুৰ সময়ত কন্যা সন্তানৰ কোনো মূল্য নাছিল। সেইবাবেই 'মনু সংহিতা'ত "বিয়াৰ এঘাৰ বছৰ হৈ যোৱাৰ পিছতো সন্তান নহ'লে বা কেৱল কন্যাৰ জন্ম দিলে স্ত্ৰীক ত্যাগ কৰি পুনৰ্বিবাহ কৰিবলৈ উপদেশ দিয়া হৈছে।" এনেধৰণে কন্যা সন্তান জন্ম দিয়া এক অপৰাধ বুলিয়েই গণ্য কৰা হৈছিল। সেইবাবে মনুৰ বিধানতো আনকি সন্তানহীন বা কন্যা জন্ম একেটা পৰ্যায়তে ৰাখি নাৰীক স্বামীয়ে ত্যাগ কৰা উচিত বুলি কোৱা কথা এচামৰ মাজত আজিও চলি আছে। আজিৰ যুগতো দেখা গৈছে, ডাক্তৰৰ হতুৱাই গৰ্ভৱতী নাৰীক পৰীক্ষা কৰাই ভ্ৰূণতে ল'ৰা নে ছোৱালী জন্ম হ'ব তাৰ উমান লৈ এচামে কন্যা সন্তান জন্ম হোৱাৰ আগতেই ডাক্তৰৰ সহায়ত ভ্ৰূণ নষ্ট কৰি পেলায়। ই আজিৰ সমাজত নাৰীৰ প্ৰতি কৰা অন্যায়-অবিচাৰৰ বাহিৰে আন একো নহয়।

বিধবা নাৰীৰ জীৱনো আছিল অতি দুখলগা। স্বামীৰ মৃত্যুত নাৰীয়ে ফল-মূল খাই জীৱন ধাৰণ কৰিব, পৰপুৰুষৰ নাম উচ্চাৰণ কৰাটোও মহাপাপ। মনুৱে কৈছে, "ক্ষান্তা নিয়তা ব্ৰহ্মচাৰিণী" — অৰ্থাৎ ক্লেশসহিষ্ণু, নিয়মচাৰিণী আৰু মাছ-মাংস, মৈথুনাদি বৰ্জনৰূপ ব্ৰহ্মচৰ্য ব্ৰত পালনৰতা।"

মনু সংহিতাৰ যি নীতি নিয়ম, তাতকৈ আগৰ বেদৰ দিনত কিন্তু নাৰীস্বাধীনতা সীমিত নাছিল। ঋক্, যজুঃ সাম আৰু অথৰ্ব এই চাৰিবেদক একেলগে সংহিতাও বোলা হয়। বেদ আৰু সংহিতাৰ যুগৰ চাৰি জাতি ব্ৰাহ্মণ, ক্ষত্ৰিয় বৈশ্য আৰু শূদ্ৰ। এই চাৰি জাতিৰ ভিতৰত উচ্চ তিনিবৰ্ণৰ ছোৱালীৰো ল'ৰাৰ দৰে তেতিয়া উপনয়ন কৰা হৈছিল আৰু ছোৱালীয়ে উপনয়নৰ পিছত বিয়াৰ আগলৈকে বেদাদি শাস্ত্ৰ অধ্যয়ন কৰিছিল। যমস্মৃতিত কৈছে, "প্ৰাচীন কালত উপনয়ন, বেদসমূহৰ অধ্যাপনা আৰু গায়ত্ৰী মন্ত্ৰোচ্চাৰণ ছোৱালীৰ কাৰণে অভীষ্ট আছিল।"

কিন্তু ইয়াৰ পিছত নাৰীক লাহে লাহে শাস্ত্ৰৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হয়। কৃষিপ্ৰধান আৰ্য জাতিৰ পিতৃ গৃহত ছোৱালীৰ প্ৰধান কৰ্ম আছিল গো-দোহন। সেয়েহে ছোৱালীক দুহিতা বুলিও কোৱা হৈছিল। বেদৰ দিনত বাল্য বিবাহৰ **প্ৰচলন নাছিল।[১২] ল'ৰা-ছোৱালীৰ মুক্ত বিচৰণতো সমাজে বাধা দিয়া নাছিল। নাৰীয়ে স্বইচ্ছাই স্বামী বাছি লোৱাৰ অধিকাৰ আছিল। 'স্বয়ম্বৰ সভা'ই এই কথাৰে ইংগিত দিয়ে।**

বেদৰ যুগত ককায়েকৰ মৃত্যুৰ পিছত বিধবা বৌৱেকক দেৱৰেকে বিয়া কৰোৱাৰ প্ৰথা প্ৰচলিত আছিল। অথৰ্ববেদে বিধবা বিবাহৰ কথাও উল্লেখ কৰিছে।[১৩] 'সতীদাহ' প্ৰথা সেই সময়ত নাছিল। সমাজত নাৰীৰ স্থান আছিল

উচ্চ। 'ঋগ্বেদৰ অষ্টম মণ্ডলৰ ১২৫ তম সূক্তৰ দ্ৰষ্টী অম্ভৃণকন্যা বাক্, দশম মণ্ডলৰ ২৯ তম সূক্ত আৰু ৪০ তম সূক্তৰ দ্ৰষ্টী কক্ষীবৎ কন্যা ঘোষা, এনেকৈ আমি আৰু অন্যান্য মন্ত্ৰদ্ৰষ্টী ঋষি, যথা, বিশ্ববাৰা, ৰোমশা লোপামুদ্ৰা ইত্যাদি বহুতৰে নাম পাওঁ।" নাৰীয়ে স্বাধীনভাৱে যজ্ঞ কৰাৰ উল্লেখো ঋগ্বেদত আছে।

আচাৰ্য, আচাৰ্যাণী আৰু ছাত্ৰাশালা আদি শব্দৰ প্ৰযোগে বৈদিক যুগত স্ত্ৰী-শিক্ষাৰ যে প্ৰচলন আছিল তাৰ ইংগিত দিয়ে। মৈত্ৰেয়ী আৰু গাৰ্গী আদি উচ্চ শিক্ষিতা দাৰ্শনিক আছিল। 'খেল' নামৰ ৰজাৰ পত্নী বিশ্‌পলাই যুদ্ধক্ষেত্ৰত চৰণ হেৰুওৱা আৰু দেৱ চিকিৎসক অশ্বিদ্বয় আহি তেওঁক লৌহ চৰণ পিন্ধাই পুনৰ যুদ্ধ কৰিবৰ বাবে সক্ষম কৰি তোলাৰ কাহিনী ঋক্‌বেদত পোৱা যায়। এই ক্ষেত্ৰত ঋগ্বেদত উল্লিখিত বীৰনাৰী মূদগলানীৰ নামো উল্লেখযোগ্য।[১০]

ৰামমোহন ৰায়ৰ 'আত্মীয় সভা'ই প্ৰথমে বাল্য বিবাহ, বিধৱা বিবাহ, বহুবিবাহ আদিৰ বিষয়ে আলোচনা কৰি আন্দোলন গঢ়ি তুলিলেও আৰু ইংৰাজ শাসকসকলে ইয়াৰ যৌক্তিকতা মানি ল'লেও এই বিষয়ত কোনো কাৰ্যকৰী আইনগত ব্যৱস্থা গ্ৰহণ কৰা নাছিল। বিদ্যাসাগৰে বিধৱা বিবাহৰ সম্পৰ্কত জনমত গঠন কৰাৰ বাবে ১৮৫৫ চনত 'বিধৱা বিবাহ প্ৰচলিত হওয়া উচিত কি না' নামৰ গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থত বিদ্যাসাগৰে বিধৱা বিবাহৰ ন্যায্যতা প্ৰতিপন্ন কৰিবলৈ গৈ কৈছে যে বিধৱা বিবাহ যদি হিন্দু শাস্ত্ৰসন্মত নহয়, তেতিয়া হ'লে ইয়াক গ্ৰহণ কৰাৰ বাবে কোনো ধৰ্মপৰায়ণ ব্যক্তি আগুৱাই নাহিব। কিন্তু যিহেতু পৰাশৰ সংহিতাক সকলোৱে মানি লৈছে গতিকে পৰাশৰ সংহিতাৰ ধৰ্মৰ নিৰ্দেশো মানি ল'ব লাগিব। তেওঁ পৰাশৰ সংহিতাৰ উদ্ধৃতি দি বিধৱা বিবাহ যে ধৰ্মসন্মত তাকেই প্ৰতিপন্ন কৰিছে। কাৰণ পৰাশৰৰ মতে স্বামী নিৰুদ্দেশ হ'লে, মৃত্যু হ'লে, ক্লীৱ হ'লে, সংসাৰ ধৰ্ম পৰিত্যাগ কৰিলে, নাইবা পতিত হ'লে, নাৰীয়ে পুনৰ বিবাহ কৰা উচিত।

এইদৰে বিদ্যাসাগৰে পৰাশৰৰ মন্তব্যৰ আধাৰত ধৰ্মীয় যুক্তিৰে বিধৱা বিবাহৰ প্ৰযোজনীয়তা প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছিল। বিদ্যাসাগৰে বিধৱা বিবাহ প্ৰথা প্ৰচলন নোহোৱাৰ বাবে সমাজত যে ভ্ৰূণহত্যা আদি পাপ-ব্যভিচাৰে দেখা দিছে আৰু বিধৱা বিবাহ প্ৰচলন হ'লে যে সমাজৰ পৰা এই ব্যভিচাৰৰ অৱসান হ'ব তাকো যুক্তিৰে দাঙি ধৰিছিল।[১১]

বিদ্যাসাগৰৰ প্ৰচেষ্টাতে বিধৱা বিবাহ সম্পৰ্কত ভাৰতবৰ্ষত এটা সজাগতাৰ সৃষ্টি হয়। ১৮৫৬ চনৰ ২৬ জুলাইত হিন্দুসকলৰ মাজত বিধৱা বিবাহ বৈধতাৰ আইন গৃহীত হয়। এই আইন গৃহীত হোৱাৰ লগে লগে ইয়াক কাৰ্যত পৰিণত কৰাৰ বাবে বিদ্যাসাগৰৰ এজন কনিষ্ঠ সহপাঠী বিপত্নীক হোৱাত তেওঁৰ লগত কালিমতী দেৱী নামৰ এজনী দহ বছৰীয়া বিধৱা ছোৱালীৰ পুনৰ্বিবাহ সম্পন্ন কৰা হয়। এই কামত কিছুসংখ্যক গোড়া পণ্ডিতৰ পৰাও সমৰ্থন লাভ কৰা গৈছিল।[১২]

বিদ্যাসাগৰৰ পুত্ৰ নাৰায়ণেও ভৱসুন্দৰী নামৰ এজনী বিধৱাক বিয়া কৰাইছিল।[10]

প্ৰায় ৬ষ্ঠ শতাব্দীৰ পৰাই ব্ৰাহ্মণ আৰু তেওঁলোকৰ শাস্ত্ৰই নাৰীক বিধবা হোৱাৰ পিছত এক কঠোৰ বৈধব্য জীৱন যাপন কৰিবলৈ বাধ্য কৰাইছিল।[2] কিন্তু যিবিলাক ৰাজ্যত ব্ৰাহ্মণ্য ধৰ্মৰ কোনো প্ৰভাৱ নাছিল, সেইবিলাক ঠাইত বিধৱাৰ বিয়া হোৱাত সমাজে কোনো বাধা প্ৰদান কৰা নাছিল। বিদ্যাসাগৰে ভাৰতবৰ্ষৰ উচ্চ হিন্দুৰ মাজত নাৰীৰ এই সমস্যাৰ বিৰুদ্ধে এটা সবল আন্দোলন গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল।

বিদ্যাসাগৰে 'বহুবিবাহ' প্ৰথাৰ বিৰুদ্ধেও আন্দোলন গঢ়ি তুলিছিল। বাল্য বিবাহ প্ৰথা আৰু বিধৱা বিবাহৰ প্ৰশ্নটো মাত্ৰ দেখা দিছিল সমাজৰ সম্ভ্ৰান্ত ব্ৰাহ্মণ আৰু কায়স্থ সমাজৰ মাজতহে। কৃষিজীৱী নাৰী আৰু নিম্নবৰ্গৰ মাজত নাৰীৰ ভালেখিনি অধিকাৰ আছিল। তেওঁলোকৰ মাজত বাল্য বিবাহ প্ৰথা আৰু ব্ৰাহ্মণ্য ধৰ্মৰ নিয়মসমূহ কঠোৰভাৱে পালন কৰা হোৱা নাছিল। খুব কমসংখ্যক নিম্নবৰ্গৰ মাজতহে তেওঁলোকক উচ্চবৰ্ণ বুলি দেখুওৱাৰ মানসিকতাৰ বাবে ব্ৰাহ্মণ্য ধৰ্মৰ এই নিয়মসমূহ পালন কৰা দেখা গৈছিল। ঊনবিংশ শতাব্দীত গড়ে ৮ বছৰৰ পৰা ন বছৰৰ ভিতৰত ছোৱালীক বিয়া দিয়া হৈছিল; অৱশ্যে কিছু সম্প্ৰদায় আৰু প্ৰদেশত ইয়াৰ কিছু তাৰতম্য দেখা গৈছিল।[11] ছোৱালী পুষ্পিতা হোৱাৰ আগতে বিয়া দিয়াটো এটা সামাজিক প্ৰথা হিচাপে দেখা দিছিল। কেবাজনো সমাজ সংস্কাৰক আৰু ৰাজনৈতিক নেতাই খুব কম বয়সীয়া ছোৱালী বিয়া কৰাবলগীয়া হৈছিল। ৰামকৃষ্ণ পৰমহংসই ৬ বছৰীয়া, এম. জি. ৰাণাড়েই ৮ বছৰীয়া আৰু ডি. কে. কাৰ্বেই ন বছৰীয়া ছোৱালী বিয়া কৰাইছিল। মহাত্মা গান্ধীয়ে ৭ বছৰীয়া ছোৱালী ১৩ বছৰ বয়সত বিয়া কৰাবলগীয়া হৈছিল।[12] এই সমস্যাৰ বিৰুদ্ধে প্ৰাক্-স্বাধীন যুগত কেইজনমান সমাজ সংস্কাৰক আগুৱাই আহিছিল। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে ১৮৫০ চনত 'বাল্য বিবাহের দোষ' গ্ৰন্থ ৰচনা কৰি নাৰীৰ এই দুৰৱস্থাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিছিল।

বাল্য বিবাহ ৰোধ কৰাৰ বাবে প্ৰাক্-স্বাধীন যুগত এটা সজাগতাৰ সৃষ্টি হোৱাৰ ফলতে ১৯২৯ চনত হৰিবিলাস চৰ্দ্দাই বিয়াৰ বয়স ১৪ বছৰ কৰি এখন বিল উত্থাপন কৰে।[13] এই বিল গৃহীত হোৱাৰ পিছত গোটেই ভাৰতবৰ্ষতে নাৰীসকলৰ মাজত এক সজাগতাৰ সৃষ্টি হয়।

পাশ্চাত্য সংস্কৃতিৰ অৱধাৰিত ফলস্বৰূপে ঊনবিংশ শতিকাৰ দ্বিতীয় দশকতে হিন্দু সম্প্ৰদায়ৰ জনদিয়েক সমাজ সংস্কাৰকে স্ত্ৰী-শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰি স্ত্ৰী-শিক্ষাৰ প্ৰতি আকৃষ্ট হৈছিল। শোভাবজাৰৰ ৰজা ৰাধাকান্ত দেৱে কলিকতা আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ নাৰীসকলৰ শিক্ষাৰ বাবে 'নাৰী সমাজ' (ফিমেল ছ'চাইটি) নামৰ সংগঠন গঢ়ি তোলে।[14] ইয়াৰ প্ৰায় ২০ বছৰৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শিক্ষা কমিটীৰ সভাপতি, তেতিয়াৰ গৱৰ্ণৰ জেনেৰেলৰ কাউন্সিলৰ

আইন বিষয়ক সদস্য জে ডব্লিউ বেথুনৰ প্ৰচেষ্টাত ১৮৪৯ চনৰ ৭ মে'ৰ দিনা কলিকতা ফিমেল স্কুল স্থাপিত হয়। এই কাৰ্যত আগভাগ লৈছিল ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে।[১৫] সমাজ সংস্কাৰক মহৰ্ষি কাৰ্বে বিধৱাসকলৰ শিক্ষাগত মান উন্নত কৰাৰ বাবে আন ১৫ জন সহকৰ্মীৰে সৈতে লগলাগি ১৮৯৬ চনত অনাথ বালিকাশ্ৰম খোলে। এনেধৰণৰ প্ৰচেষ্টাৰ বাবে নাৰী সমাজৰ মাজত এক জাগৰণৰ সৃষ্টি হৈছিল, আৰু কেইবাগৰাকীও অবিবাহিতা ছোৱালীয়ে শিক্ষাগ্ৰহণ কৰিবলৈ আগুৱাই আহিছিল।[১] ইংলণ্ড আৰু আমেৰিকাৰ খ্ৰীষ্টান মিশ্যনাৰীসকলৰ সমৰ্থনত পণ্ডিতা ৰামাবাঈ ১৮৮৯ চনত বোম্বাইত আৰু ১৮৯২ চনত পুণাত 'সাৰদা সদন' স্থাপন কৰি স্ত্ৰী শিক্ষাৰ বাবে যত্ন কৰে। কিন্তু এই শিক্ষা খ্ৰীষ্টান ধৰ্মৰ লগত যুক্ত হৈ পৰাৰ বাবে বহুতো গোড়া হিন্দুৱে সমৰ্থন কৰা নাছিল।[১] ১১১২ ১৯১৩ চনত শুভলক্ষ্মী সুব্ৰমনিয়ামে উচ্চ হিন্দু বিধবাসকলৰ শিক্ষাৰ বাবে মাদ্ৰাজত এখন 'বিধবা গৃহ' (Widows' Home) স্থাপন কৰে আৰু ইয়ে উচ্চ হিন্দু বিধবাসকললৈ শিক্ষাগ্ৰহণ কৰাৰ ক্ষেত্ৰত সুযোগ আনি দিয়ে।

১৮৬৬ চনত শিক্ষাবিদ, সমাজসেৱী মিচ মেৰী কাৰ্পেন্টাৰ নাৰী-শিক্ষা প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি কলিকতালৈ আহে। বিদ্যাসাগৰ আৰু কেশৱ চন্দ্ৰ সেনে তেওঁক সাহায্য কৰে। তেওঁ নাৰী শিক্ষিকাৰ অভাৱ পূৰণ কৰাৰ বাবে ১৮৬৯ চনত এখন প্ৰশিক্ষণ বিদ্যালয় খোলে। কিন্তু গোড়া হিন্দুসকলৰ সমৰ্থন নোপোৱাৰ বাবে শেষত ১৮৭২ চনত এই আঁচনি পৰিত্যাগ কৰিবলগীয়া হয়।

তথাপিও ক'ব পাৰি যে নাৰী শিক্ষাৰ বাবে গোটেই ভাৰতবৰ্ষত এটা সজাগতাৰ সৃষ্টি হোৱাৰ বাবেই ১৮৫৪চনত নাৰী শিক্ষাক চৰকাৰীভাৱে স্বীকৃতি দিয়ে। মিশ্যনাৰীসকলে নাৰী-শিক্ষাৰ প্ৰতি যি প্ৰচেষ্টা চলাইছিল-সেই ক্ষেত্ৰত উচ্চ হিন্দুৰ সমৰ্থন লাভ কৰিব পৰা হোৱা নাছিল। ঊনবিংশ শতিকাত ভাৰতীয় সমাজ সংস্কাৰকসকল পশ্চিমীয়া শিক্ষা সংস্কৃতিৰে উদ্বুদ্ধ হৈছিল আৰু পশ্চিমীয়া শিক্ষাৰ দ্বাৰা নাৰী শিক্ষিতা হোৱাটো তেওঁলোকে কামনা কৰিছিল।[১১] ভাৰতীয় জাতীয় আন্দোলনৰ অগ্ৰৱৰ্তী নেতাসকলে আৰু সমাজ সংস্কাৰকসকলে তেওঁলোকৰ পত্নী, ভগ্নী বা কন্যা সকলক স্বাধীনভাৱে ৰাজনীতিত অংশগ্ৰহণ কৰাৰ সুবিধা দিছিল; ভৱিষ্যতৰ বাটত এওঁলোকেই নাৰীমুক্তিৰ অন্বেষণ কৰিছিল। ভাৰতীয় সমাজত এওঁলোকে মৰ্যাদা লাভ কৰিছিল আৰু নতুন নাৰীৰ প্ৰতীক হিচাপে থিয় দিছিল।

এই ধৰণেই আমি বৃটিছ প্ৰভাৱত সৃষ্টি হোৱা নাৰীৰ ব্যক্তিত্ব আৰু সজাগতাৰ ৰূপ দেখিবলৈ পাওঁ। ইয়াৰ পিছত ক্ৰমান্বয়ে ভাৰতীয় জাতীয় আন্দোলনৰ পৰ্যায় আহি পৰে। এই ক্ষেত্ৰত আমি এইটো কৰ লাগিব যে বৃটিছ প্ৰভাৱত ভাৰতীয় নাৰীৰ বিভিন্ন সমস্যা আৰু মানৱীয় অধিকাৰ সাব্যস্ত কৰাৰ বাবে যি সংস্কাৰকামী আন্দোলন সংগঠিত হৈছিল, নাৰীৰ মানদণ্ড সমাজত উন্নত কৰাৰ প্ৰয়াসেৰে

নাৰীমুক্তিৰ এই প্ৰগতিশীল সোঁতটো বোৱাই আনিছিল - পুৰুষসকলেই।

ক্ৰমশঃ ভাৰতত নাৰীবাদী দৃষ্টিভংগীৰ উন্মেষ আৰু বিকাশ (গান্ধীবাদী, সন্ত্ৰাসবাদী) ঃ

ক্ৰমশঃ ভাৰতবৰ্ষত নাৰীবাদী চিন্তাধাৰাৰ উন্মেষ হ'বলৈ আৰম্ভ কৰে জাতীয়তাবাদী আন্দোলৰ ছত্ৰছায়াত। আমি আগতে উল্লেখ কৰি আহিছোঁ যে ভাৰতবৰ্ষত প্ৰথমে পুৰুষসকলেই নাৰী সমাজৰ মাজত চলি অহা অন্যায়-অবিচাৰ আৰু সামাজিক সমস্যাৰ প্ৰতি নজৰ ৰাখি নাৰী সমাজৰ সুখ-স্বাচ্ছন্দ্য আৰু মানৱীয় মৰ্যাদাৰ হকে আন্দোলন কৰিছিল। এওঁলোকৰ প্ৰভাৱতে ওলাই আহিছিল পণ্ডিতা ৰামাবাঈ, কমলাদেৱী চট্টোপাধ্যায় প্ৰমুখ্যে মহিলাসকল।

এইখিনিতে এটা কথা উল্লেখযোগ্য যে যি কংগ্ৰেছে ভাৰতবৰ্ষত প্ৰবল জাতীয় আন্দোলন গঢ়ি তুলি বৃটিছক ভাৰতবৰ্ষ ত্যাগ কৰিবলৈ বাধ্য কৰিছিল, সেই কংগ্ৰেছ ১৮৮৫ চনৰ ২৭ ডিচেম্বৰৰ জন্মৰ লগ্নৰে পৰা বৃটিছ বিৰোধী নাছিল। ১৮৮৩ চনতে বৃটিছ চিভিল চাৰ্ভিছৰ অৱসৰপ্ৰাপ্ত বিষয়া মিঃ অক্টোভিয়াম্ হিউম্ আছিল ইয়াৰ প্ৰতিষ্ঠাতা আৰু লণ্ডনৰ বেৰিষ্টাৰ উমেশ চন্দ্ৰ বেনাৰ্জী আছিল ইয়াৰ প্ৰথম সভাপতি। হিউমে ভাৰতবৰ্ষত উন্মেষ হোৱা প্ৰচণ্ড বৃটিছ বিৰোধী শক্তিক সংস্কাৰবাদী পথেৰে পৰিচালিত কৰাৰ বাবে ভাৰতবৰ্ষত জাতীয় কংগ্ৰেছ গঠন কৰিছিল। হিউমে নিশ্চিতভাৱে অনুধাৱন কৰিছিল যে এই কাৰ্য কংগ্ৰেছৰ বাহিৰে আন কোনেও কৰিব নোৱাৰে।[১৮]

জাতীয় কংগ্ৰেছ সম্পৰ্কে ভাৰতৰ জাতীয় আন্দোলৰ নেতা জৱাহৰলাল নেহৰুৱে জীয়েক ইন্দিৰালৈ লিখা চিঠিত উল্লেখ কৰিছে এইদৰেঃ

জাতীয় "কংগ্ৰেছ" প্ৰথমতে স্থাপিত হওঁতে ই অতি ধীৰপন্থী আৰু সাৱধানী সংস্থা আছিল, বৃটিছৰ প্ৰতি আনুগত্য ই স্বীকাৰ কৰিছিল আৰু অতি নম্ৰভাৱে কেইটামান সৰু-সুৰা সংস্কাৰৰ কাৰণে বৃটিছক আবেদন কৰিছিল। ই বেছি ধনী মধ্যবিত্তবিলাকৰ প্ৰতিনিধিত্ব কৰিছিল, আন কি, বেছি দুখীয়া মধ্যবিত্তৰ শ্ৰেণী কেইটাও ইয়াত নাছিল। খেতিয়ক আৰু বনুৱাবিলাকৰ ইয়াৰ লগত কোনো সম্পৰ্ক নাছিল। ই ঘাইকৈ ইংৰাজী শিক্ষা পোৱা শ্ৰেণীকেইটাৰ মুখপাত্ৰ আছিল আৰু ইয়াৰ কাৰ্য-কলাপবিলাক আমাৰ মাহী আইৰ ভাষা ইংৰাজীত চলোৱা হৈছিল। ইয়াৰ দাবীবিলাক আছিল জমিদাৰৰ দাবী, ভাৰতীয় পুঁজিপতিৰ দাবী আৰু শিক্ষিত নিবনুৱাবিলাকৰ চৰকাৰী চাকৰি বিচাৰি কৰা দাবী। জনসাধাৰণৰ হাড়ভঙা দাৰিদ্ৰ্য(?) নাইবা তেওঁলোকৰ

প্ৰয়োজনবিলাকলৈ অতি কমকৈ মন কৰা হৈছিল।৩৩

সি যি কি নহওক, ১৯০৫ চনলৈ সুদীৰ্ঘ বিশ বছৰকাল কংগ্ৰেছে জনসাধাৰণৰ ওচৰ চাপিব পৰা নাছিল। ১৯০৫ চনত এচাম নতুন বিপ্লৱী জাতীযতাবাদী নেতাই কংগ্ৰেছৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন বিচৰাত ভাৰতীয় জাতীয়তাবাদে পূৰ্ণতা লাভ কৰে। ভাৰতীয জাতীযতাবাদৰ নতুন নেতা হিচাপে আত্মপ্ৰকাশ কৰিলে বালগংগাধৰ তিলকে আৰু তেওঁৰ দুই সহযোগী পঞ্জাৱৰ লালা লাজপট ৰায আৰু বংগৰ বিপিন চন্দ্ৰ পালে।[৩৪]

কংগ্ৰেছৰ দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ লগে লগে ভাৰতবৰ্ষত জাতীয আন্দোলনৰ নতুন পৰ্যায আৰম্ভ হয। ভাৰতবৰ্ষৰ এই জাতীয আন্দোলনৰে অংগ হৈছে ভাৰতবৰ্ষৰ নাৰী আন্দোলন। ১৯৩০চনত মহাত্মা গান্ধীযে 'ভাৰতীয নাৰীৰ প্ৰতি' এইদৰে আহ্বান দিছিল ঃ

> *এই অহিংস অসহযোগ আন্দোলনত তেওঁলোকে পুৰুষতকৈ বেছি কাৰ্য কৰিব লাগিব। তিৰোতাক অবলা বোলাটো এটা সন্মান হানিকৰ কথা। তিৰোতাক অবলা বুলি পুৰুষে অন্যায কৰিছে। শক্তিৰ অৰ্থ যদি পশুশক্তি হয তেন্তে সঁচাকৈয়ে তিৰোতা পুৰুষতকৈ পশুশক্তিত হীন কিন্তু শক্তিৰ অৰ্থনৈতিক(?) শক্তি হ'লে তিৰোতা পুৰুষতকৈ বহুগুণে শ্ৰেষ্ঠ। তিৰোতাৰ বোধজ্ঞান পুৰুষতকৈ বেছি নহয জানো? তিৰোতা পুৰুষতকৈ বেছি আত্মত্যাগী, বেছি ধৈৰ্যশীলা আৰু সাহসী নহয জানো? তিৰোতা অবিহনে পুৰুষসকল ক'ৰবাত থাকিলেহেঁতেন। অহিংস নীতিৰে জীযাই থাকিব খুজিলে আমাৰ ভৱিষ্যৎ তিৰোতাৰ হাতত।৩৫*

ভাৰতীয জাতীয আন্দোলনৰ গুৰি ধৰোঁতা মহাত্মা গান্ধীৰ আহ্বানতেই আধুনিক ভাৰতৰ যিসকল মহিলা ওলাই আহিল, সেই সকলৰ ভিতৰত প্ৰথম বিপ্লৱী মহিলা সৰোজিনী নাইডুৰ নাম আমি ইয়াত ল'ব লাগিব। এক যুগান্তকাৰী ভাব আৰু প্ৰেৰণাৰে উদ্দীপ্তা হৈ ভাৰতবৰ্ষৰ সত্যাগ্ৰহ আন্দোলনত যোগদান কৰিবলৈ এওঁলোক ওলাই আহিছিল। মহাত্মাই ভাবিছিল যে ভাৰতৰ মহিলাসকলে মাদকদ্ৰব্যৰ বিৰুদ্ধে আৰু বিদেশী কাপোৰ বৰ্জনৰ বাবে শক্তিশালী আন্দোলন গঢ়ি তুলিবলৈ পুৰুষতকৈ বেছি সমৰ্থ হ'ব।[৩৬] স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাই মহাত্মাই তেওঁৰ সপোনৰ ভাৰত সম্পৰ্কে কৈছিল এইদৰেঃ

> ***মই এনে এখন ভাৰতৰ কাৰণে কাম কৰিম, য'ত অতি দৰিদ্ৰজনেও অনুভৱ কৰে যে এইখন তেওঁলোকৰ দেশ, যাক আমি গঢ়ি তোলাত তেওঁলোকৰ কাৰ্যকৰী মাত মাতিবৰ হক আছে। এইখন এনে এখন ভাৰত য'ত মানুহৰ মাজত কোনো উচ্চ-নীচ শ্ৰেণী থাকিব নোৱাৰিব, এনে এখন ভাৰত য'ত সকলো সম্প্ৰদায়ে সম্পূৰ্ণ মিলাপ্ৰীতিৰে বাস***

কৰিব .... এনে এখন ভাৰতত অস্পৃশ্যতাৰ অভিশাপৰ বাবে ঠাই নাই.....নাৰীয়ে পুৰুষৰ সমানে অধিকাৰ ভোগ কৰিব।..... এইখনেই হ'ল মোৰ সপোনৰ ভাৰত।৩৭

বিভিন্ন নাৰীবাদী প্ৰবক্তাসকলে কোৱাৰ দৰে মহাত্মা গান্ধীয়ে নাৰী - পুৰুষৰ সমতাৰ কথাটো স্বীকাৰ কৰি লৈছিল। তেওঁ কৈছিল ঃ

মূলতে পুৰুষ আৰু তিৰোতা একে কাৰণে তেওঁলোকৰ সমস্যাও আচলতে একেই হ'ব লাগে বুলি মই ভাবোঁ। উভয়ৰে আত্মা একে- দুয়োজনে জীৱনযাপন কৰে — দুয়োজনৰ ভাব অনুভূতিও একে। এজন আনজনৰ পৰিপূৰক। এজনে অ .জনৰ সক্ৰিয় সহায় নাপালে জীয়াই থাকিব নোৱাৰে।

কিবা কাৰণত অতীত যুগৰে পৰা পুৰুষে তিৰোতাৰ ওপৰত আধিপত্য বিস্তাৰ কৰি আহিছে। সেই কাৰণে তিৰোতাসকলৰ এটা নীচাত্মিকা মনোভাৱ হৈছে। তিৰোতা পুৰুষতকৈ হেয় বোলা পুৰুষৰ স্বাৰ্থজড়িত শিক্ষাক তিৰোতাই বিশ্বাস কৰি লৈছে। কিন্তু সন্ত পুৰুষসকলে তিৰোতাৰ পুৰুষেৰে সৈতে সমান মৰ্যাদা স্বীকাৰ কৰিছে।৩৮

অৱশ্যে গান্ধীয়ে ঘৰগৃহস্থালী আৰু মাতৃত্বক নাৰীৰ প্ৰধান কৰ্তব্য হিচাপে মানি লৈহে 'বাহিৰত আংশিকভাৱে সহায়কাৰী কৰ্মী' হিচাপে আগুৱাই আহিবলৈ নাৰীক আহ্বান জনাইছিল। নাৰীৰ মুক্তি আৰু স্বাধীনতাৰ স্বত্বক তেওঁ মানি লৈছিল। তেওঁ কৈছিল ঃ

নাৰী হ'ল পুৰুষৰ সঙ্গিণী- পুৰুষৰ সমানেই তেওঁলোকৰ মেধা-বুদ্ধি আছে। পুৰুষৰ কাৰ্যৰ সৰু-সুৰা কথালৈকে অংশগ্ৰহণ কৰিবৰ বাবে তিৰোতাৰ স্বত্ব আছে। পুৰুষৰ দৰে তিৰোতাৰো মুক্তি আৰু স্বাধীনতাৰ স্বত্ব আছে। নিজৰ কৰ্মক্ষেত্ৰত পুৰুষ যেনেকৈ সৰ্বেসৰ্বা, তিৰোতাও নিজৰ কাৰ্যক্ষেত্ৰত সকলোতকৈ ওপৰত।৪০

জাতীয় আন্দোলনৰ নেতাসকলে নাৰীসকলক আন্দোলনত যোগদান দিবলৈ আহ্বান কৰাৰ ফলত বহুসংখ্যক নাৰীয়ে সত্যাগ্ৰহত যোগদান কৰি পুৰুষৰ সৈতে তেওঁলোকৰ সমান অধিকাৰ প্ৰতিষ্ঠা কৰিছিল। গান্ধীৰ নেতৃত্বত পৰিচালিত আন্দোলনত যোগদান কৰা মহিলা নেত্ৰীসকল আছিল যথাক্ৰমে সৰোজিনী নাইডু, কস্তুৰবা গান্ধী, এনি বেচান্ত, বি. আম্মা, মনিবেন পেটেল, ৰাজকুমাৰী অমৃত কঁউৰ, বাসন্তী দেৱী, উৰ্মিলা দাস, কমলাদেৱী চট্টোপাধ্যায়, সৰলা দেৱী চৌধুৰাণী আদি।

হায়দৰাবাদৰ নিজাম কলেজৰ প্ৰতিষ্ঠাপক অঘোৰ নাথ চট্টোপাধ্যায়ৰ কন্যা, ডাঃ গোবিন্দ ৰাজালু নাইডুৰ পত্নী, কবি সৰোজিনীয়ে ১৯১৫ চনত মহাত্মাৰ সাক্ষাৎ লাভ কৰে আৰু তেতিয়াৰ পৰাই কংগ্ৰেছ সংগঠনৰ সক্ৰিয় সদস্য হিচাপে কাম কৰে।

১৯১৭ চনৰ ডিচেম্বৰ মাহত কলিকতা মহানগৰীত বহা কংগ্ৰেছৰ ৩২ তম অধিৱেশনত সভানেত্ৰী আছিল এনি বেচান্ত। ৰাজদ্ৰোহত বন্দী হৈ থকা এনিয়ে মুক্তি লাভ কৰি কংগ্ৰেছৰ সভানেত্ৰী হয়। বাল গংগাধৰ তিলকৰ দৰে এনি বেচান্তেও পুৰুষ নোহোৱাকৈ মহিলাৰ দ্বাৰা 'হ'ম-ৰুল-লীগ (Home-Rule-League) নামৰ এটা অনুষ্ঠান গঠন কৰি স্বৰাজ আন্দোলন শক্তিশালী কৰি তোলে। প্ৰথম মহাসমৰৰ পৰাই এনি বেচান্তৰ দ্বাৰা অনুপ্ৰাণিতা হৈ মহিলাই সভা-সমাৱেশত অংশগ্ৰহণ কৰিলেও ১৯১৯ চনতহে প্ৰথমবাৰৰ বাবে ৰাজনৈতিক সত্যাগ্ৰহত মহিলাই অংশগ্ৰহণ কৰিছিল। কস্তুৰীবাঈ আৰু কমলাদেৱী চট্টোপাধ্যায়ে ৰাজপথত পুস্তিকা বিক্ৰী কৰিছিল। পঞ্জাবত সৰলাদেৱী চৌধুৰাণীয়ে ৰাজনৈতিক আদৰ্শৰে মহিলাক সংগঠিত কৰিছিল। সেই সময়ত মহিলাৰ মাজত একাগ্ৰতা আৰু ৰাজনৈতিক চেতনা তীব্ৰ হৈ পৰিছিল। ১৯২২ চনৰ কংগ্ৰেছৰ অধিৱেশনত ৩৫০ জন প্ৰতিনিধিৰ ১৬ জনী আছিল মহিলা।[৮]

গান্ধীবাদী মহিলাসকলে গান্ধীৰ গঠনমূলক কাৰ্যসূচীত (Constructive programme) অংশগ্ৰহণ কৰিছিল। খাদী প্ৰচলনৰ বাবে গাঁবলীয়া শিল্প, মদ নিবাৰণী আৰু অস্পৃশ্যতা বৰ্জন আদি কামত মহিলাসকলে অংশগ্ৰহণ কৰি সফল হ'ব পাৰিছিল।

১৯২১ চনৰ কংগ্ৰেছৰ অধিৱেশনত মহাত্মা গান্ধীয়ে কৈছিল যে স্বৰাজ পাবলৈ হ'লে খাদী এটা আৱশ্যকীয় অংগ হ'ব লাগিব। সেয়ে মহাত্মা গান্ধী আৰু তেওঁৰ অনুগামীসকলে যঁতৰত সূতা কাটিছিল। মহাত্মাৰ পত্নী কস্তুৰবা যদিও নিৰক্ষৰ আছিল, তেওঁ হেনো দিনে ৪০০ ৰ পৰা ৫০০ঘেৰ (১ ঘেৰ = ৪ ফুট) সূতা কাটিছিল। "লেখা-পঢ়া কামত বা ওখ ৰাজনীতিত তেওঁ বাপুক সহায় কৰিব নোৱাৰে হয়, কিন্তু বাপুৱে বিচৰা মতে যঁতবত সূতা কাটি, খাদীৰ প্ৰচাৰ কৰি অন্ততঃ তেওঁ তেওঁৰ স্বামীৰ কামত কিছু সহায় নিশ্চয় কৰিব পাৰে। যঁতৰৰ সূতাতে দেশৰ স্বৰাজ ওলমি থকা বুলি জানো বাপুৱে কোৱা নাছিল?"[১১]

পঞ্জাবত ৰবীন্দ্ৰনাথৰ ভতিজাজী, উকিল ৰামভুজ চৌধাৰীৰ পত্নী সৰলাদেৱী চৌধুৰাণীয়ে খাদী প্ৰচলন সফল কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল আৰু নিজেও খাদী শাৰী পৰিধান কৰিছিল। বল্লভভাই পেটেলৰ কন্যা মনিবেন পেটেলে স্বদেশী আন্দোলনত গুজৰাটৰ মহিলাক সংগঠিত কৰিছিল। এওঁৰ সহযোগী আছিল বাসন্তী দেৱী (চিত্তৰঞ্জন দাসৰ পত্নী) আৰু উৰ্মিলা দাস (এওঁৰ ভনী) আদি অন্য মহিলা কৰ্মীসকল।[১৩]

১৯৩০ চনৰ লোন আইন অমান্য আন্দোলনৰ নেত্ৰী আছিল সৰোজিনী নাইডু। প্ৰথমতে মহাত্মা গান্ধীয়ে ডাণ্ডিযাত্ৰাত মহিলাই শাৰীৰিক কষ্ট সহ্য কৰিব নোৱাৰিব বুলি ভাবি মহিলাক আন্দোলন কৰাৰ পৰা বিৰত ৰাখিব খুজিছিল। মহাত্মাৰ এনে সিদ্ধান্তত সৰোজিনী নাইডু, কমলাদেৱী চট্টোপাধ্যায়, দুৰ্গাবাঈ

দেশমুখ আদিয়ে অসন্তুষ্টি প্ৰকাশ কৰে আৰু নাৰীক এই আন্দোলনত যুক্ত কৰাৰ বাবে অনুৰোধ কৰে। যাহ'ক, লোণ আইন অন্যান্য আন্দোলনত শেষলৈ সৰোজিনী নাইডুৱে যোগদান কৰি এক ক্ৰান্তিকাৰী ভূমিকা গ্ৰহণ কৰে।

ভাৰতীয় মহিলাই বিভিন্ন প্ৰকাৰে জাতীয় আন্দোলনত অংশ গ্ৰহণ কৰি আন্দোলনৰ বাট খৰতকীয়া কৰাত সহায় কৰিছিল। জাতীয়তাবাদী আন্দোলনত মহিলাৰ অংশ গ্ৰহণ দিনে দিনে বৃদ্ধি পাইছিল। মহিলাসকলে কি ভাবে আন্দোলনত নামি পৰিছিল, তাৰ এটা বিৱৰণ তলত তুলি দিয়া হ'ল ঃ

> *ভাৰতৰ সকলো ডাঙৰ নগৰবোৰত নিম্নমধ্য বিত্ত শ্ৰেণীৰ মাজত এক উদ্দীপনাৰ সোঁত বৈ গ'ল। ইয়াৰ চিন পোৱা গৈছিল আইন অমান্য আন্দোলনত মহিলাসকলৰ প্ৰৱেশৰ ক্ষেত্ৰত।..... বহুতো মহিলাই আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰিলে। সেই কালত ৰক্ষণশীল বুলি খ্যাত দিল্লী নগৰীতেই ১৬০০ মহিলাক ৰাজনৈতিক কাৰ্যকলাপৰ কাৰণে কাৰাদণ্ড দিয়া হৈছিল। বোম্বাইত মধ্যবিত্ত সম্প্ৰদায়ৰ মহিলাসকলে দলে দলে আহি জাতীয় আন্দোলনত অংশগ্ৰহণ কৰিছিল। আনকি বৃটিছ পৰ্যবেক্ষকসকলেও লিখিলে যে আইন অমান্য আন্দোলনে যদি একোকে সাধিবও পৰা নাই, তেনেহ'লেও ই ভাৰতীয় নাৰীসকলৰ সামাজিক মুক্তিৰ ক্ষেত্ৰত অতি মহান বৰঙণি আগবঢ়ালে।৪৪*

ৰাজেন্দ্ৰ প্ৰসাদে 'গঠনমূলক কাৰ্যসূচী' (১৯২৪) (Constructive Programme) নামৰ ক্ষুদ্ৰ গ্ৰন্থখনত মহিলাৰ কৰ্তব্য সম্পৰ্কে কিছু পৰামৰ্শ দাঙি ধৰিছিল। এই গ্ৰন্থত তেওঁ নাৰীসমাজক স্ত্ৰী-শিক্ষা, চিকিৎসা আৰু ধাত্ৰী বিদ্যা আদি সম্পৰ্কীয় কাম-কাজত অংশগ্ৰহণ কৰাৰ বাবে পৰামৰ্শ দিছিল। তেওঁ কৈছিল যে দেশৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত পুৰুষৰ সমানে নাৰীয়ে আগবাঢ়ি গ'লেও, বাল্য-বিবাহ, বহুবিবাহ, পৰ্দা প্ৰথা আদি আইনগতভাৱে নিষিদ্ধ হ'লেও এইবোৰ কাৰ্যত পৰিণত নোহোৱাত নাৰীয়ে নিজস্ব অধিকাৰ প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈ আছে। সেয়ে তেওঁ নাৰীসমাজক এই কুপ্ৰথা সমূহৰ বিৰুদ্ধে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল।[৪৫]

ওপৰত উল্লিখিত মহিলাসকল আছিল গান্ধীবাদী। এওঁলোকে মহাত্মা গান্ধীৰ সত্যাগ্ৰহ আন্দোলন আৰু গঠনমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। কিন্তু ভাৰতবৰ্ষত ঊনবিংশ শতিকাৰ শেষলৈকে কংগ্ৰেছৰ নেতাসকলৰ উদাৰনৈতিক দৃষ্টিভংগী আৰু বৃটিছ ৰাজত্বৰ প্ৰতি থকা মোহগ্ৰস্ততাৰ বাবে কংগ্ৰেছৰ কৰ্মীসকলৰ মাজত অসন্তুষ্টি মনোভাৱৰ সৃষ্টি হয়। বিশিষ্ট উদাৰপন্থী নেতা গোপাল কৃষ্ণ গোখলে, দাদাভাই নৌৰজী আদিয়ে ভাৰতবৰ্ষৰ অৰ্থনৈতিক দুৰৱস্থাৰ বাবে বৃটিছকে দোষী কৰিছিল। এই সম্পৰ্কত নৌৰজীয়ে লিখা 'প'ভাৰ্টি এণ্ড্ দ্য আন-বৃটিছ্ ৰুল্ ইন্ ইণ্ডিয়া (Poverty and the un-British Rule in India) নামৰ

গ্ৰন্থখনে কংগ্ৰেছৰ নতুন নেতাসকলকো অনুপ্ৰাণিত কৰিছিল। এই নতুন নেতাসকলেই আছিল বালগংগাধৰ তিলক, লালা লাজপৎ ৰায়, বিপিন চন্দ্ৰ পাল আৰু অৰবিন্দ ঘোষ ইত্যাদি। বৃটিছৰ লগত অসহযোগিতাৰ মনোভাৱেৰে আন্দোলন কৰি ভাৰতবৰ্ষৰ স্বাধীনতা বিচৰা এই চাম জাতীয় নেতাক বোলা হৈছিল চৰমপন্থী (Extremist)। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ পুৰণি নেতৃত্বই আখ্যা পাইছিল নৰমপন্থী (Moderate)।[৭৬]

আনহাতে আকৌ ১৯০৫ চনত বংগ ভংগ আন্দোলনক লৈ গোটেই ভাৰতবৰ্ষত যি জোকাৰণিৰ সৃষ্টি হৈছিল, তাৰ সমান্তৰালভাৱেই বংগত এক সন্ত্ৰাসবাদী (Terrorist) আন্দোলনেও গা-কৰি উঠিছিল। এওঁলোকৰ লক্ষ্যও কংগ্ৰেছ চৰমপন্থীসকলৰ দৰে পূৰ্ণ স্বাধীনতা লাভ কৰাটোৱেই আছিল যদিও আন্দোলনৰ পদ্ধতিৰ ক্ষেত্ৰত কিছু পাৰ্থক্য আছিল। প্ৰবল হিংসাত্মক প্ৰতিৰোধৰ দ্বাৰা এওঁলোকে মাতৃভূমিৰ স্বাধীনতা বিচাৰিছিল। "এওঁলোকে আয়াৰলেণ্ডৰ বিপ্লৱী আৰু ৰুচিয়াৰ নিৰীশ্বৰবাদীসকলৰ পদাঙ্ক অনুসৰণ কৰিছিল আৰু ভাৰতবিৰোধী মনোবৃত্তি বা অত্যাচাৰৰ কাৰণে অপ্ৰিয়ভাজন হোৱা গাইগুটীয়া চৰকাৰী বিষয়াক হত্যা কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল শাসকসকলৰ অন্তৰত ত্ৰাসৰ সৃষ্টি কৰি ৰাইজৰ ৰাজনৈতিক চেতনা জগাই শেহান্তৰত বৃটিছসকলক ভাৰতবৰ্ষৰ পৰা খেদি পঠোৱা।"[৪৭] এই সন্ত্ৰাসবাদী আন্দোলনো ভাৰতবৰ্ষৰ মহাত্মা গান্ধীৰ জাতীয় মুক্তি আন্দোলনৰে এটা প্ৰশাখা বুলি ক'ব পাৰি। গান্ধী আৰু তেওঁৰ সমসাময়িক চৰমপন্থী নেতা তিলকেও পূৰ্ণ স্বৰাজ বিচাৰিছিল। গতিকে উদ্দেশ্য আৰু লক্ষ্যৰ দিশৰ পৰা এই শক্তিসমূহৰ মাজত কোনো ভিন্নতা নাই, মাত্ৰ আন্দোলনৰ পদ্ধতিৰ ক্ষেত্ৰতহে পাৰ্থক্য দেখা যায়।[৪৮]

১৯২০ চন মানৰ পৰা সন্ত্ৰাসবাদী আন্দোলনত মহিলা সোমাই পৰিলেও ১৯৩০ চন মানতহে মহিলাৰ সংখ্যা বৃদ্ধি হয়। ১৯৩০ চনৰ আগতে চৰকাৰে মহিলাক অৱৰুদ্ধ কৰিবলৈ বা ফাঁচি দিবলৈ ইতঃস্ততবোধ কৰিলেও কংগ্ৰেছৰ চৰমপন্থী আৰু নৰমপন্থী দুই দিশতে নাৰীৰ ব্যাপক অংশ গ্ৰহণে বৃটিছক সচেতন কৰি তোলে।[৪৯]

মহাত্মা গান্ধীয়ে আন্দোলনৰ সকলো দিশতে মহিলাক যুক্ত কৰিব নোখোজাৰ দৰে সন্ত্ৰাসবাদী পুৰুষসকলেও মহিলাৰ যোগদান খুব বেছি কামনা কৰা নাছিল। মুখ্য কাৰণটো এই যে মহিলাক তেওঁলোকৰ দলভুক্ত কৰিলে পুৰুষৰ সমানে মহিলায়ো সকলো দায়িত্ব পালন কৰিব লাগিব। গান্ধীৰ গঠনমূলক কাৰ্যসূচীত আশ্ৰমসমূহৰ গঠনৰ মাজেদি বিভিন্ন সেৱামূলক কামত নাৰীক যুক্ত কৰাটো সম্ভৱ হৈছিল। কিন্তু সন্ত্ৰাসবাদীসকলৰ তেনে কোনো কাৰ্যসূচী নাছিল।[৫০] সেয়ে হ'লেও সকলো বাধা-নিষেধ আওকাণ কৰি ভাৰতবৰ্ষৰ মহিলাসকলেও সন্ত্ৰাসবাদী কাৰ্যসূচীত নিজকে যুক্ত কৰি নাৰীৰ সংগ্ৰামী ইতিহাস সৃষ্টি কৰিছিল। কল্পনা দত্ত, বীণা দাস,

কমলা দাসগুপ্তা, প্ৰীতিলতা ওৱেদ্দাৰ, শান্তি ঘোষ, সুনীতি চৌধুৰী আদিয়ে তাৰ নিদৰ্শন দি থৈ গ'ল।[৫১]

ভাৰতবৰ্ষৰ জাতীয়তাবাদী আন্দোলনৰ নেতা মহাত্মাই পৰম্পৰাগত ধ্যান-ধাৰণাৰে সীতা, সাৱিত্ৰী, দ্ৰৌপদী, দময়ন্তী আদিক আদৰ্শ নাৰীৰূপে দেখুওৱাৰ দৰে অৰবিন্দ ঘোষ আৰু স্বামী বিবেকানন্দই ভাৰতীয় শাক্ত ধৰ্মৰ দেৱী 'কালী'ক শক্তিৰ উৎস হিচাপে দেখুৱাইছিল। ভাৰতৰ সন্ত্ৰাসবাদী দলটোৱে 'কালী' শক্তিৰ প্ৰেৰণাত উদ্বুদ্ধ হৈ সন্ত্ৰাসৰ মাজেদি জন্মভূমিৰ মুক্তিৰ বাবে আগুৱাই গৈছিল। বঙ্কিমচন্দ্ৰৰ 'আনন্দমঠ' আছিল সন্ত্ৰাসবাদী বিপ্লৱীসকলৰ দৰ্শন।

সন্ত্ৰাসবাদী আন্দোলনৰ নাৰীসকলৰ ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত যোগদানে এইটো প্ৰতিপন্ন কৰিলে যে যি কোনো কঠোৰ ৰাজনৈতিক আন্দোলনত নাৰীয়েও নিজক খাপ খুৱাই ল'ব পাৰে। নাৰীয়ে সশস্ত্ৰ বিপ্লৱত অংশগ্ৰহণ কৰি প্ৰমাণ কৰি দেখুৱালে যে নাৰীৰো নিজস্ব শক্তি আৰু সামৰ্থ্য আছে। জাতীয় মুক্তিৰ ক্ষেত্ৰত তেওঁলোকৰ গভীৰ আত্মবিশ্বাস আছিল আৰু চৰকাৰী বিষয়াক হত্যা কৰাৰ বাবে অতি কষ্টকৰ বে-আইনী ৰাজনৈতিক কাৰ্যক্ৰমণিকা চলাই যাবলগীয়া হৈছিল। পৰম্পৰাগত ধ্যান-ধাৰণা দলিয়াই পেলাই সন্ত্ৰাসবাদী নাৰী বিপ্লৱীসকলে মুক্তভাৱে পুৰুষৰ লগত সম্পৰ্ক স্থাপন কৰিছিল।

জাতীয় আন্দোলনৰ অহিংস আৰু সহিংস এই দুই দিশতে নাৰীয়ে নেতৃত্ব দিবলৈ সমৰ্থ হৈছিল। এই ক্ষেত্ৰত উদাৰপন্থী আৰু প্ৰগতিবাদী পুৰুষসকলে সমাজত নাৰীৰ স্থান উন্নত কৰাৰ কথা মানি লোৱাত নাৰীয়ে ৰাজহুৱা জীৱন আৰু ৰাজনীতিত অংশ গ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰিছিল। কিন্তু নাৰীৰ অধিকাৰ সম্পৰ্কত আলোচনা সেই সময়ত অনাৱশ্যকীয় বুলি বাদ দিয়া হৈছিল।[৫৩] নাৰীক সমাজৰ পৰম্পৰাগত পৰিধিৰ মাজত আবদ্ধ ৰাখিয়েই পুৰুষে নাৰীক ৰাজনৈতিক জীৱনৰ সঙ্গী বুলি মানি লৈছিল। এই আন্দোলনে নাৰীৰ শক্তি-সামৰ্থ্য থকা বুলি স্বীকাৰ কৰি ল'লেও সমাজ আৰু পৰিয়ালৰ ক্ষেত্ৰত নাৰীৰ স্থানৰ কোনো পৰিৱৰ্তন নহ'ল।[৫৬]

মহাত্মা গান্ধী পৰম্পৰাগত হিন্দু দৰ্শনত বিশ্বাসী আছিল বাবে স্বাধীনতা আন্দোলনৰ কৰ্মীসকলক ব্ৰহ্মচৰ্য পালন কৰিবলৈ পৰামৰ্শ দিছিল। তেওঁৰ মতে ব্ৰহ্মচৰ্য ব্ৰতৰ মাজেদিহে ব্যক্তি পূৰ্ণ শক্তিপ্ৰাপ্ত হয়। সেয়ে গান্ধীৰ মতবাদত বিশ্বাসী মনিবেন পেটেল, মৃদুলা সাৰাভাই আৰু সুশীলা নায়াৰে অবিবাহিতা হৈয়েই আছিল।[৫৫] গান্ধীয়ে কৈছিল ঃ

> ***পৰস্পৰৰ ভোগলিপ্সাই এটা গুৰুত্বপূৰ্ণ ভূমিকা লৈ তিৰোতাক অৰ্হতাহীন কৰি তুলিছে বুলি বেছিকৈ নক'লেও হ'ব। নাৰীয়ে পুৰুষক আপোন কলা-কৌশলেৰে অজানিতভাৱে বহুত ধৰণেৰে বন্দী কৰি থৈছে আৰু পুৰুষেও 'মই বৰ' ভাব লৈ সমানে অজানিতভাৱে***

*তিৰোতাক পুৰুষতকৈ ওপৰলৈ উঠাত বাধা প্ৰদান কৰিবলৈ চেষ্টা কৰিছে। ..... এই সমস্যা সমাধান কৰিবলৈ ভাৰতমাতাৰ জ্ঞানলব্ধি জীয়ৰীসকলক আহ্বান কৰা হৈছে। তেওঁলোকে পশ্চিমৰ ধৰণ-কৰণ অনুকৰণ কৰিব নালাগে। ....আমাৰ সংস্কৃতিৰ উত্তম কথাবোৰ সংৰক্ষণ কৰিবলৈ আৰু আমাৰ অধঃপতনমূলক নীচ কথাবোৰ নিঃসংকোচে আঁতৰ কৰিবৰ কাৰণে শক্তিশালী, সংযমী, পবিত্ৰ আৰু ধীৰ-স্থিৰ কৰ্মী থাকিব লাগিব। এই কাম সীতা, সাবিত্ৰী, দময়ন্তীৰ লেখীয়া নাৰীৰ কাম।*৫৬

গতিকে নাৰী সম্পৰ্কে গান্ধীৰ দৃষ্টিভংগী আছিল — ভাৰতীয় ধৰ্মীয় দৃষ্টিভংগী। ইয়াৰ প্ৰভাৱ স্বাধীনতা আন্দোলনত পৰিছিল। পশ্চিমীয়া নাৰীবাদী আন্দোলনৰ প্ৰভাৱে যাতে ভাৰতীয নাৰীক চুব নোৱাৰে, তাৰ বাবে গান্ধীয়ে সাৱধানেৰে পদক্ষেপ গ্ৰহণ কৰিছিল।

ভাৰতৰ জাতীয়তাবাদী আন্দোলনত নাৰীৰ ব্যাপক অংশগ্ৰহণৰ ফলত সমাজত নাৰীৰ এটা বিপ্লৱী ভাবমূৰ্তিৰ সৃষ্টি হৈছিল। কংগ্ৰেছত নাৰী কৰ্মীৰ সংখ্যা কম হ'লেও মুক্তিৰ পথত পুৰুষসকলৰ লগত কোনো বিৰোধ উপস্থিত হোৱা নাছিল। কংগ্ৰেছৰ সভাত আৰু ৰাজহুৱা শোভাযাত্ৰাত পুৰুষসকলৰ সমানে নাৰীকো মৰ্যাদা দিয়া হৈছিল। সেই সময়ত নাৰীৰ সামৰ্থ্য সম্পৰ্কে কোনো প্ৰশ্ন উত্থাপন হোৱা নাছিল। নাৰীৰ ৰাজনীতিত অংশগ্ৰহণৰ অবাধ সুবিধা থকাৰ বাবে পুৰুষৰ লগত কোনো সংঘাত উপস্থিত হোৱা নাছিল, সেয়ে পাশ্চাত্যৰ দৰে কোনো নাৰীবাদী আন্দোলনো গঢ়ি উঠা সম্ভৱ হোৱা নাছিল। অৱশ্যে সমাজত নাৰীৰ স্থান আৰু সামাজিক বুনিয়াদ সম্পৰ্কে ধাৰণা এটা লোৱাৰ চেষ্টা সেই সময়ত চলিলেও - তীব্ৰতা লাভ কৰিব পৰা নাছিল। গান্ধীবাদী ৰাজনীতিত অংশগ্ৰহণ কৰাৰ ফলত অতি কমসংখ্যক নাৰীয়ে সামাজিক প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু সামগ্ৰিকভাৱে সমাজত নাৰীৰ স্থানৰ কোনো পৰিবৰ্তন নহ'ল।৫৭ ৰান্ধনিঘৰৰ দায়িত্বক বৰ্বৰতাৰ নিদৰ্শন বুলি কৈ এই দাসত্বৰ বন্ধনৰ পৰা নাৰী ওলাই আহিবৰ হ'ল বুলি কোৱা গান্ধীজীৰ আহ্বান বাস্তৱত পৰিণত নহ'ল। জাতীয় আন্দোলনৰ পিছত নাৰী আকৌ ৰান্ধনিঘৰলৈ গুচি যাবলৈ বাধ্য হ'ল।

ভাৰতৰ বিভিন্ন নাৰীবাদী অনুষ্ঠান — সামাজিক আৰু বৌদ্ধিক ঃ

আগতে উল্লেখ কৰা হৈছে যে বৃটিছ প্ৰভাৱত নাৰীৰ ব্যক্তিত্ব আৰু মংগলৰ বাবে সজাগতাৰ সৃষ্টি হোৱাৰ ক্ষেত্ৰত পুৰুষেই আগভাগ লৈছিল। বাল্য বিবাহ, বহুবিবাহ, পৰ্দা প্ৰথা, সতীদাহ প্ৰথা আদি সামাজিক কুসংস্কাৰ আৰু হিন্দুধৰ্মৰ গোড়ামিৰ বাবে পাশ্চাত্য প্ৰভাৱত সমাজ সংস্কাৰ কৰাৰ যি প্ৰৱণতা দেখা গৈছিল,

তাৰ ফলতে সৃষ্টি হৈছিল-ব্ৰাহ্মসমাজ, প্ৰাৰ্থনা সমাজ, আৰ্যসমাজ আদি। ক্ৰমশঃ স্বাধীনতা আন্দোলনত নাৰীৰ ব্যাপক অংশগ্ৰহণে নাৰীৰ ব্যক্তিত্ব আৰু সামাজিক মৰ্যাদা সম্পৰ্কে সচেতনতাৰ সৃষ্টি কৰিলে। ইয়াৰ ফলতে নাৰী সংগঠন গঢ়ি তোলাৰ প্ৰয়োজনো নাৰী সমাজৰ সমুখত দেখা দিলেহি।

১৮৯৬ চনত মহৰ্ষি কাৰ্বে বিধৱাৰ শিক্ষাৰ বাবে 'বালিকাশ্ৰম ' খোলে। পণ্ডিতা ৰামাবাঈয়ে স্ত্ৰী- শিক্ষা আৰু দুৰ্গত মহিলাসকলৰ বাবে ১৮৮৯চনত ব'শ্বেত 'সাৰদা সদন' প্ৰতিষ্ঠা কৰি ১৯০৫ চনত তাক 'মুক্তি সদন ', 'কৃপা সদন' আৰু 'সাৰদা সদন ' এই তিনি ভাগত কৰি লৈছিল। 'সাৰদা সদন' বিধৱাসকলৰ বাবে 'মুক্তি সদন' খ্ৰীষ্টান ছোৱালীসকলৰ বাবে আৰু 'কৃপা সদন' পতিতাসকলৰ বাবে।[৫৮] স্ত্ৰী- শিক্ষাৰ উদ্দেশ্য আগত ৰাখি ১৮১৯ চনত বেপ্টিষ্ট মিছনৰ উদ্যোগত 'ফিমেল্ জুভেনাইল্ চোচাইটি (Female Juvenile Society), ১৮২৪ চনত 'লেডিজ্ চোচাইটি ফৰ নেটিভ্ ফিমেল্ এডুকেশ্যন' (Ladies Society for Native Female Education), ১৮৪৯ চনত 'বেথুন বালিকা বিদ্যালয়' স্থাপিত হয়। কিন্তু এই সংগঠনসমূহে সামগ্ৰিকভাৱে ভাৰতীয় নাৰীক চুব পৰা নাছিল। ১৯১৭ চনত 'উইমিনচ্ ইণ্ডিয়ান্ এছোচিয়েশ্যন্'(Women's Indian Association) আৰু ১৯২৭ চনত 'নিখিল ভাৰত মহিলা সন্মিলন'(All India Women's Conference) গঠিত হয়। [৫৯] এই দুটা সংগঠনে গোটেই ভাৰতবৰ্ষতে তেওঁলোকৰ শাখাসমূহ গঠন কৰিবলৈ সমৰ্থ হয় আৰু এটা সৰ্বভাৰতীয় ৰূপ পৰিগ্ৰহণ কৰে। স্ত্ৰী-শিক্ষা, নাৰীৰ সামাজিক মৰ্যাদা, সামাজিক সংস্কাৰ আৰু ভোটাধিকাৰৰ বাবে এই দুটা সংগঠনে আন্দোলন গঢ়ি তোলে।

উইমিনচ্ ইণ্ডিয়ান্ এছোচিয়েশ্যনে ভাৰত ভিত্তিত তেওঁলোকৰ সংগঠন গঢ়ি তুলিবলৈ যত্ন কৰে। ১৯২১ চনত এই সংগঠনৰ ৪৮ টা শাখা গঠন কৰা হয় আৰু ২,৭০০ সভ্যা ভৰ্তি এই সংগঠনে কৰিবলৈ সমৰ্থ হয়। এই সংগঠনৰ প্ৰতিষ্ঠাপিকা সদস্যা আছিল ক্ৰমে বেচান্ট্, মাৰ্গাৰেট্ কাজিনছ্ আৰু ড'ৰথী জিনাৰাজাদাস। এওঁলোকে ভাৰতীয় মহিলাক শিক্ষিতা কৰিবলৈ আৰু তেওঁলোকক নিজৰ সামাজিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কে সচেতন কৰিবলৈ যত্ন কৰিছিল।[৬০] মাৰ্গাৰেট্ কাজিন্‌ছে ভাৰতীয় মহিলাসকলক মেল-মিটিঙে ওলাই আহিবলৈ আহ্বান জনাইছিল। এওঁৰ লগত যোগ দিয়া ভাৰতীয় মহিলাকসকল আছিল ক্ৰমে সৰোজিনী নাইডু, ডঃ মাথুলক্ষ্মী ৰেড্ডী, কমলাদেৱী চট্টোপাধ্যায় আৰু লেডী সদাশিৱ আয়াৰ।[৬১]

উইমিনচ্ ইণ্ডিয়ান্ এছোচিয়েশ্যনৰ জন্মদাত্ৰী আৰু সংগঠিকাসকল আছিল বৃটিছ মহিলাহে। এই ধৰণৰ নাৰী সংগঠন পশ্চিমীয়া দেশ গ্ৰেট্ বৃটেইনত আগেয়ে সংগঠিত হোৱা বাবে পশ্চিমৰ ভোটাধিকাৰ আন্দোলনৰ প্ৰভাৱ উইমিনচ্ ইণ্ডিয়ান এছোচিয়েশ্যনৰ ওপৰত পৰিছিল আৰু তেওঁলোকে প্ৰেৰণা লাভ কৰিছিল।[৬২]

১৯১৭ চনত এই সংগঠনে ৰাষ্ট্ৰৰ সচিব ই. এচ, মন্টেগুলৈ দিয়া এটা ভাষণত কৈছিল যে ভাৰতৰ মহিলাসকলে অন্যান্য দেশৰ মহিলাৰ দৰে ভোটাধিকাৰ পোৱা উচিত। ভাৰতীয় মহিলাই এই ভোটাধিকাৰ আন্দোলনৰ বাবে পুৰুষৰ পৰা বহু ক্ষেত্ৰত সহায়হে পাইছিল। ইংলণ্ডৰ উইমিনচ্ কলেজত অনুষ্ঠিত এক বক্তৃতাত ৰামেশ্বৰী নেহৰুৱে পশ্চিমৰ আৰু ভাৰতৰ নাৰী আন্দোলনৰ পাৰ্থক্য দাঙি ধৰিছিল আৰু কৈছিল যে ভাৰতীয় মহিলাৰ ভোটাধিকাৰ আন্দোলন ধৰ্মীয় গোড়ামি, অজ্ঞতা আৰু প্ৰতিক্ৰিয়াৰ বিৰুদ্ধেহে,– ই পুৰুষৰ বিৰুদ্ধে নহয়।[৬৩]

উইমিন্চ্ ইণ্ডিয়ান এছোচিয়েশ্যনে বৃটেইনৰ লগত নিয়মিত যোগাযোগ ৰাখিবলৈ সক্ষম হৈছিল। ড'ৰথী জিনাৰাজাদাসাই এই সংগঠনৰ প্ৰতি সমৰ্থন আদায় কৰিবলৈ বৃটেইনত এটা কমিটী গঠন কৰিছিল। ৰামেশ্বৰী নেহৰু আৰু ধনবন্তী ৰামাৰাও আদিয়ে জনসমৰ্থন পাবলৈ বুলি উইমিনচ্ ফ্ৰিডম্ লীগ্ (Women's Freedom Leage), দ্যা ইন্টাৰনেশ্যনেল্ এলায়েন্স অব্ উইমিন্ (The International Alliance of Women) আৰু উইমিন্চ্ ইন্ষ্টিটিউটত (Women's Institute) বক্তৃতা দিছিল।[৬৪]

১৯১৭ চনত এই সংগঠনৰ সমুখত প্ৰথম প্ৰত্যাহ্বান আহি পৰে। মন্টেগু সংস্কাৰত নাৰী সম্পৰ্কীয় কোনো সংস্কাৰ নথকাত মাৰ্গাৰেট্ কাজিন্ছ্এ এটি প্ৰতিনিধি দল লগত লৈ নাৰীৰ ভোটাধিকাৰ আৰু শিক্ষাৰ সুবিধাৰ্থে মন্টেগুক লগ ধৰে। সেৱা সদন, মহিলা সেৱা সমাজ, ভাৰতীয় মহিলা বিশ্ববিদ্যালয়, হোম্-ৰুল্-লীগৰ মহিলা শাখাৰ পৰাও প্ৰতিনিধিয়ে উক্ত প্ৰতিনিধি দলৰ লগত যোগদান কৰিছিল। এই প্ৰতিনিধি দলৰ ১৪ জনীৰ ভিতৰত সৰোজিনী নাইডু অন্যতম।[৬৫]

ভোটাধিকাৰৰ দাবী এটা ন্যায়সংগত আৰু জৰুৰী দাবী হিচাবে মহিলা সমাজৰ মাজত দেখা দিছিল। ৰাজনৈতিক সমতাই নাৰীৰ পশ্চাদপদতা আৰু শোষণৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিব বুলি পশ্চিমীয়া নাৰীসকলৰ দৰে ভাৰতীয় নাৰীসকলেও ভাবিছিল। এই নাৰী সংগঠনে মত পোষণ কৰিছিল যে ভোটাধিকাৰৰ দ্বাৰা সমাজৰ অৰ্থনৈতিক বুনিয়াদৰ কোনো পৰিবৰ্তন নহ'লেও নাৰীৰ সমানাধিকাৰ প্ৰতিষ্ঠা হ'ব।[৬৫]

১৯২৭ চনত জন্মগ্ৰহণ কৰা নিখিল ভাৰত মহিলা সন্মিলনে উদাৰনৈতিক নাৰীবাদী দৃষ্টিভংগী গ্ৰহণ কৰিছিল। এই সংগঠনৰ আদৰ্শৰ মাজত স্ববিৰোধ দেখা যায়। এফালে তেওঁলোকে হিন্দু পুনৰুত্থানবাদী দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হৈ সমাজ সংস্কাৰমূলক আন্দোলন গঢ়ি তুলিছিল আৰু আনফালে পশ্চিমৰ নাৰীবাদী আন্দোলনৰ প্ৰতি এক উদাৰ মনোভাব পোষণ কৰিছিল। মাৰ্গাৰেট্ কাজিন্ছে পশ্চিমীয়া শিক্ষাপ্ৰাপ্ত ভাৰতীয় মহিলাসকলক লৈ এই আন্দোলন গঢ়ি তুলিছিল। প্ৰথম দুটা দশকত নাৰীৰ ভোটাধিকাৰ, প্ৰাদেশিক আৰু কেন্দ্ৰীয় আইন সভাত নাৰীৰ প্ৰতিনিধিত্বৰ বাবে এই সংগঠনে দাবী কৰিছিল। এওঁলোকে স্ত্ৰী-শিক্ষাৰ

বাবে আৰু নাৰীক দাসত্বৰ শিকলিৰে বান্ধি ৰখা সামাজিক কুসংস্কাৰৰ বিৰুদ্ধে আৰু হিন্দু আইনত মহিলাৰ সমানাধিকাৰৰ বাবে প্ৰচাৰকাৰ্য চলাইছিল। কিন্তু চল্লিছৰ দশকৰ পিছত সংগঠনটোৰ ৰক্ষণশীল নৰমপন্থী গোটটোৱে নাৰীৰ আইনগত অধিকাৰৰ দাবীটোৱে সামাজিক আৰু পাৰিবাৰিক ক্ষেত্ৰত ক্ষতি কৰিব বুলি ভাবি ইয়াৰ বিৰোধিতা কৰিছিল।[৬৭]

নিখিল ভাৰত মহিলা সন্মিলনৰ শিক্ষিতা সদস্যাসকল উচ্চ মধ্যবিত্ত আৰু নিম্নমধ্যবিত্ত শ্ৰেণীৰ পৰা অহা বাবে ঘৰৰ বাহিৰত স্বামীৰ কাম-কাজতো অংশগ্ৰহণ কৰিছিল। ঘৰুৱা বজাৰ-সমাৰ কৰা, ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে যত্ন লোৱা আদি কামৰ লগে লগে পৰম্পৰাগত নাৰীৰ কৰ্তব্য ৰন্ধা-বঢ়া, ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰা আদি কামো কৰিবলগীয়া হৈছিল। কিন্তু ঘৰুৱা যিকোনো গুৰুত্বপূৰ্ণ সিদ্ধান্তত এওঁলোকৰ কোনো ভূমিকা নাছিল। এওঁলোকৰ প্ৰত্যেক কামতে স্বামীৰ অনুমতি আছিল অত্যন্ত প্ৰয়োজনীয়। এই সংগঠনৰ চাৰিভাগৰ এক অংশ কৰ্মী নাৰীৰ সম্পত্তিৰ অধিকাৰৰ বিৰোধী আছিল। তেওঁলোক যৌতুক প্ৰথাৰো বিৰোধী নাছিল। তিনিভাগৰ এক অংশ কৰ্মীৰ বাল্য বিবাহৰ প্ৰতিও সমৰ্থন আছিল আৰু চাৰিভাগৰ তিনি অংশ কৰ্মীয়ে বিশ্বাস কৰিছিল যে মাক-বাপেকেহে জীয়েকৰ বিয়া পতাৰ গৰাকী। এটা নিৰ্দ্দিষ্ট পৰ্যায়লৈহে তেওঁলোকে নাৰীৰ শিক্ষা বিচাৰিছিল। নেত্ৰীসকলৰ দৰে সাধাৰণ সভ্যাসকলেও পৰম্পৰাগত পত্নীত্ব আৰু মাতৃত্বক মানি লৈছিল।[৬৮]

১৯৩০ চনলৈ নিখিল ভাৰত মহিলা সন্মিলনৰ উদ্দেশ্য আছিল স্ত্ৰী-শিক্ষা আৰু নাৰীৰ ৰাজনৈতিক আৰু আইনগত অধিকাৰ ৰক্ষাৰ বাবে আন্দোলন কৰা। ১৯৪৮ চনত এই সংগঠনৰ উদ্দেশ্যৰ পৰিবৰ্তন ঘটাই 'নাৰীৰ অধিকাৰ সম্পৰ্কে চেতনাৰ বিকাশ সাধন' কৰাত গুৰুত্ব দিয়ে। ১৯৫১ চনৰ পৰা এই সংগঠনে ভাৰতীয় সংবিধানৰ ভিত্তিত সমাজক প্ৰতিষ্ঠা কৰাৰ বাবে সামাজিক ন্যায় বিচাৰ আৰু সমতাৰ ভিত্তিত কাম কৰি যাবলৈ সিদ্ধান্ত কৰে। সন্মিলনে ভাৰতীয় সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰৰ ভিত্তিত নাৰী আৰু শিশুৰ বাবে কল্যাণমূলক আঁচনি গ্ৰহণ কৰে।[৬৯] কেন্দ্ৰীয় চৰকাৰ, বিশেষকৈ কেন্দ্ৰীয় সমাজ কল্যাণ পৰিষদৰ দ্বাৰা অনুমোদিত আঁচনিসমূহ ৰূপায়ণৰ বাবে আগবাঢ়ি আহে। কিন্তু সময়ে সময়ে প্ৰয়োজনীয় আৰ্থিক মঞ্জুৰী অবিহনে সন্মিলনৰ শাখাসমূহৰ কাম-কাজ মন্থৰ হৈ পৰা দেখা যায়। এই সংগঠনৰ সাংস্কৃতিক আৰু শিক্ষাগত আঁচনিসমূহত পৰম্পৰাগত মূল্যবোধ আৰু ধৰ্মীয় বিশ্বাস প্ৰতিফলিত হোৱা দেখা যায়। পৰিয়াল আৰু সমাজত নাৰীৰ স্থান উন্নত কৰাৰ বাবে আন্দোলন কৰাৰ অবিহনে ধৰ্মীয় সভাসমূহত নাৰী সভ্যাসকলক বিশ্বাসী আৰু মনোগ্ৰাহী স্ত্ৰী হ'বলৈ এই সংগঠনে আহ্বান জনায়। তেওঁলোকৰ মতে বিধৱা বিবাহৰ কোনো প্ৰশ্ন উঠিব নোৱাৰে। নাৰীক সীতা, সাবিত্ৰী, দময়ন্তীৰ আদৰ্শ গ্ৰহণ কৰি স্বামীৰ অনুগতা হ'বলৈহে এই

অনুষ্ঠানে আহ্বান জনায়।[১০]

নিখিল ভাৰত মহিলা সন্মিলনৰ বেছিভাগ কৰ্মীয়েই উচ্চপদস্থ চৰকাৰী কৰ্মচাৰীসকলৰ স্ত্ৰী বা আত্মীয় হোৱা বাবে চৰকাৰৰ লগত বিৰোধিতা নকৰি এই সন্মিলনে নাৰী সমাজৰ মাজত শিক্ষামূলক আৰু সমাজ কল্যাণমূলক কাম কৰিছিল।[১১] এওঁলোকৰ আন্দোলনৰ ফলস্বৰূপেই The Legal Practitioners (Women) Amendment Act (1923), Indian Succession Act (1925), Child Marriage Restraint Act (1929) আদি প্ৰগতিশীল আইন পাছ হয়। ১৯২৮ চনত এই সংগঠনে এখন মহাবিদ্যালয় খোলাৰ বাবে 'অল্ ইণ্ডিয়া উইমিনচ্ এডুকেশ্যন্ ফাণ্ড্ (All India Women's Education Fund) নামৰ এটা পুঁজি সংগ্ৰহৰ অনুষ্ঠান মুকলি কৰি দিল্লীত 'লেডী আৰ্উইন্ কলেজ' (Lady Irwin College) প্ৰতিষ্ঠা কৰে।

এই সন্মিলনৰ বহুবছৰলৈকে অমৃত কউৰ সম্পাদিকা আছিল। সৰোজিনী নাইডু, বিজয়লক্ষ্মী পণ্ডিত, হংস মেহতা, ডঃ মাথুলক্ষ্মী ৰেড্ডী, লেডী আব্দুল কাদিৰ, লেডী ৰমনভাই নীলকণ্ঠ, মিচেচ্ পি কে. ৰয় আদি স্বাধীনতা আন্দোলনৰ নেত্ৰী, সমাজ সংস্কাৰিকা; আনকি সাতজনী মহাৰাণীও ইয়াৰ সদস্যা আছিল।[১২]

হিন্দু মহিলাতকৈ মুছলমান মহিলাসকলে তেওঁলোকৰ ৰক্ষণশীলতাৰ বাবে অৱশ্যে দেৰিকৈহে এই সংগঠনলৈ আহিছিল আৰু নিৰ্বাচনতো অংশগ্ৰহণ কৰিছিল। বেগম হামিদ আলী, মাছুমা বেগম আদি কেইজনীমান মহিলাই অৱশ্যে আগৰে পৰাই এই সংগঠনৰ কাম-কাজ চলাই নিছিল।

দ্বিতীয় মহাযুদ্ধৰ পৰিপ্ৰেক্ষিতত চোভিয়েট কমিউনিষ্ট পাৰ্টিৰ সৌজন্যত ১৯৩০ চনত বিশ্ব গণতান্ত্ৰিক নাৰী ফেডাৰেশ্যন্ (Women's International Democratic Federation) ফেচীবাদৰ বিৰুদ্ধে গঢ়ি উঠে। অনুৰূপভাৱে ফেচীবাদৰ বিৰুদ্ধে আত্মৰক্ষামূলক সংগঠন ভাৰতবৰ্ষতো মহিলাসকলৰ মাজত গঢ়ি উঠে।

১৯৪১ চনত ৰেঙ্গুনত জাপানী বোমাবৰ্ষণ হোৱাৰ পিছতে মাদ্ৰাজ, শ্ৰীলংকা, চট্টগ্ৰাম, কলিকতা আদিত যেতিয়া বোমাবৰ্ষণ হ'বলৈ ধৰিলে, তেতিয়া হিটলাৰৰ ফেচীবাদৰ বিৰুদ্ধে মহিলাসকলৰ যিবিলাক সংগঠন গঢ়ি উঠিছিল, তাৰ ভিতৰত বংগৰ 'মহিলা আত্মৰক্ষা সমিতি'ৰ (Women Self-defence Committee) নাম উল্লেখযোগ্য। ১৯৪২ চনৰ এপ্ৰিল মাহত সকলো স্তৰৰ মহিলাক লৈ কমিউনিষ্ট পাৰ্টিৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত 'মহিলা আত্মৰক্ষা সমিতি'ৰ সাংগঠনিক কমিটি গঠন হয়। এই সমিতিৰ সভানেত্ৰী আছিল জ্যোতিৰ্ময়ী গাংগুলী আৰু সম্পাদিকা এলা ৰীড্। পিছত নেলী সেনগুপ্তা, ৰাণী মহলানবীশ, মোহিনী দেৱী, লাৱণ্যলতা চন্দ আদি কংগ্ৰেছী নেত্ৰীসকল, আনকি সৰোজিনী নাইডুৱে এই সমিতিৰ পৃষ্ঠপোষকতা কৰিছিল। মুছলিম লীগৰ নেত্ৰী মিচেচ্ মোমিন্ সাহাজাদী বেগম, সাবেদা খাতুন আৰু হিন্দু মহাসভাৰ মহিলা প্ৰতিনিধিয়েও এই সমিতিত

যোগদান দিছিল।[৭৩]

মহিলা আত্মৰক্ষা সমিতিয়ে বোমাবিধ্বস্ত এলেকাবিলাকত উদ্ধাৰ আৰু ৰিলিফৰ কাম কৰা, খাদ্যৰ বাবে আন্দোলন, কংগ্ৰেছৰ নেতাসকলৰ মুক্তিৰ বাবে আন্দোলন আৰু জনমত গঠন কৰা, শিশুৰক্ষাৰ বাবে আন্দোলন, নিৰাশ্ৰয় আৰু দুঃস্থসকলৰ সমাজ জীৱনত পুনৰ্বাসনৰ আন্দোলন কৰা, কুটীৰ শিল্প গঢ়ি তোলা, পতিতা ব্যৱস্থা নিবাৰণৰ বাবে আইন সভাত উত্থাপিত প্ৰস্তাৱৰ সমৰ্থনত আন্দোলন কৰা আৰু হিন্দু মহিলাৰ স্বত্বাধিকাৰৰ বিষয়ে ৰাও কমিটীৰ সমৰ্থনত আন্দোলন গঢ়ি তোলা আদি কাৰ্যসূচী গ্ৰহণ কৰিছিল।

শ্ৰমজীৱী শ্ৰেণীৰ মহিলাক লৈয়েই মহিলা আত্মৰক্ষা সমিতি গঢ়ি উঠিছিল। ১৯৪৯ চনৰ ২৭ এপ্ৰিলত অনশনৰত ৰাজনৈতিক বন্দীসকলৰ দাবীৰ সমৰ্থনত কলিকতাৰ মহিলা শোভাযাত্ৰীসকলৰ ওপৰত চলোৱা পুলিচৰ গুলীত লতিকা সেন, প্ৰতিমা গাংগুলী, অমিয়া দত্ত, গীতা চৰকাৰ ছহিদ হয়। ইতিমধ্যে মহিলা আত্মৰক্ষা সমিতি বে-আইনী ঘোষণা কৰাত বহুতো মহিলা কৰ্মীৰ ওপৰত নিৰ্যাতন হোৱাৰ ফলত অহল্যা, বাতাসী, উত্তমা, সূৰ্যমণি, পাচুবালা, মুক্তকেশী, দাসীবালা, পুষ্পবালা, চণ্ডিবালা, মনোৰমা, সুধাবালা, যশোদাময়ী আদি প্ৰায় ২৫জনী মহিলা কৰ্মী ছহিদ হয়।[৭৫]

এনে পৰিস্থিতিতে ১৯৫৩-১৯৫৪ চনত এটা সৰ্বভাৰতীয় নাৰী সংগঠন গঢ়ি তোলাৰ প্ৰচেষ্টা আৰম্ভ হয়। ১৯৫৩ চনৰ ৫ জুনৰ পৰা ১২ জুনলৈ অনুষ্ঠিত হ'বলগীয়া বিশ্ব গণতান্ত্ৰিক নাৰী ফেডাৰেশ্যনৰ ক'পেনহেগেন সন্মিলনলৈ ভাৰতবৰ্ষই নিমন্ত্ৰণ পোৱাত আৰু নিখিল ভাৰত মহিলা সন্মিলনে যোগদান কৰিবলৈ কোনো আগ্ৰহ প্ৰকাশ নকৰাত, কিছু ব্যক্তি আৰু সৰু-বৰ কিছু সংগঠনে ইয়াৰ সুযোগ গ্ৰহণ কৰে। বিশ্ব সন্মিলনৰ প্ৰতি সঁহাৰি জনাই ১৯৫৩ চনৰ মে' মাহত দিল্লীত এটা প্ৰস্তুতি কমিটি গঠন কৰে। ইয়াৰে ২৫ জন নিৰ্বাচিত প্ৰতিনিধিৰ ভিতৰত আছিল কেবাজনীও পাৰ্লিয়ামেন্টৰ সদস্যা, অধ্যাপিকা, ৩ জনী বিদ্যালয়ৰ অধ্যক্ষা, ৫ জনী মাধ্যমিক শিক্ষয়িত্ৰী, ২ জনী শ্ৰমিক নেত্ৰী আৰু ইয়াৰ বাহিৰেও সমাজকৰ্মী, ছাত্ৰী আৰু গৃহিণী আছিল। প্ৰতিনিধি দলক নেতৃত্ব দিছিল ড° এগ্নি মেচকাৰনেয়ে। সন্মিলনত শ্ৰীমতী হজৰতজীয়ে নাৰী অধিকাৰৰ ওপৰত ৰিপোৰ্ট দাখিল কৰে।[৭৬]

সন্মিলনৰ পৰা প্ৰতিনিধিসকল ঘূৰি আহি সৰ্বভাৰতীয় ভিত্তিত এটা নাৰী সংগঠন গঠন কৰি কাম-কাজ চলাই নিয়াৰ বাবে জাতীয় সমন্বয় কমিটি (National Co-ordination Committee) গঠন কৰে। এওঁলোকৰ উদ্দেশ্য আছিল নাৰী সমাজৰ মাজত জনমত সৃষ্টি কৰা, যাতে আৰ্থ-সামাজিক পৰিবৰ্তনৰ মাধ্যমেদি নাৰীৰ অধিকাৰ সুনিশ্চিত কৰিব পাৰি। ১৯৫৪ চনৰ জুন মাহত অনুষ্ঠিত হোৱা জাতীয় সমন্বয় কমিটিৰ অধিৱেশনত 'ভাৰতীয় জাতীয় নাৰী ফেডাৰেশ্যন' (National Federation of Indian Women) গঠন হয়।[৭৭] এই

সংগঠনৰ মূল উদ্দেশ্য হ'ল - কাৰখানা আৰু খনিৰ পৰা নাৰী শ্ৰমিকৰ কৰ্মচ্যুতিৰ বিৰোধিতা কৰা; শিল্পৰ যি শাখাবোৰত নাৰীক নিয়োগ কৰা সম্ভৱ, তাত অধিকসংখ্যক নাৰীক নিয়োগ কৰাৰ বাবে দাবী তোলা; প্ৰসূতিকালীন আইন সকলো শ্ৰেণীৰ শ্ৰমজীৱী নাৰীৰ ক্ষেত্ৰত প্ৰয়োগ কৰোৱা, চহৰ আৰু গাঁৱত সাময়িক কৰ্মত নিযুক্ত নাৰীসকলৰ ক্ষেত্ৰতো এই আইন বলবৎ কৰোৱা; নাৰী শ্ৰমিকসকলৰ সন্তানসকলৰ বাবে এই সংস্থাসমূহে 'ক্ৰেইছ' আৰু 'নাৰ্চাৰী' স্কুল স্থাপন কৰোৱা; অত্যাৱশ্যকীয় পণ্যৰ মূল্য হ্ৰাস, নিৰ্দ্দিষ্ট দামত খাদ্য সৰবৰাহ কৰাৰ বাবে দোকান স্থাপন; বিভিন্ন ঠাইত হোষ্টেল স্থাপন; শ্ৰম আৰু কৰ্মসংস্থান মন্ত্ৰকৰ অধীনত মহিলাৰ বাবে এক বিশেষ পৰামৰ্শদাতা কমিটি গঠন ইত্যাদি।[৭৮] এই সংগঠনৰ প্ৰথম সভানেত্ৰী আছিল শিক্ষাবিদ পুষ্পময়ী বসু আৰু যুগ্ম সম্পাদিকা আছিল ক্ৰমে জ্ঞান চাঁদ আৰু হাজৰা বেগম।[৭৯]

ভাৰতীয় জাতীয় নাৰী ফেডাৰেশ্যনে পাশ্চাত্যৰ এক শ্ৰেণীৰ নাৰীবাদীয়ে কোৱাৰ দৰে পুৰুষকে নাৰীৰে শত্ৰু বুলি ক'ব নোখোজে। তেওঁলোকৰ মতে পুৰুষ আৰু নাৰী একেই উদ্দেশ্যত মিলিত হৈ পৰিয়াললৈ সুখ আৰু মৰ্যাদা নমাই আনিব লাগিব, য'ত নাৰীয়ে পুৰুষৰ সমানে স্থান লাভ কৰিবলৈ সক্ষম হ'ব।

এই সংগঠনে বিশেষকৈ শ্ৰমিক নাৰীসকলৰ মাজত তেওঁলোকৰ সংগঠন দৃঢ় কৰাৰ বাবে মনোযোগ দিছিল, যাতে শ্ৰমিক নাৰীসকলৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত বৰঙণি যোগাব পাৰে। ফেডাৰেশ্যনে খাদ্য সংকট দূৰীকৰণৰ বাবে, খাদ্য উৎপাদন আৰু বিতৰণৰ সুনিৰ্দিষ্ট পৰিকল্পনা গ্ৰহণ কৰাৰ বাবে দাবী জনাই ১৯৭৭ চনৰ জুলাই মাহত ২২ টা নাৰী সংগঠন আৰু চটকল, সূতাকল আদি নাৰী সংগঠনসমূহক লৈ আন্দোলন গঢ়ি তুলিছিল।[৮০] সেইদৰে নিযুক্তিৰ বাবে শতকৰা ৫ টা পদ নাৰীসকলৰ বাবে সংৰক্ষণৰ দাবীও কৰিছিল।[৮১]

১৯৭০ চনত নাৰী ফেডাৰেশ্যনৰ সপ্তম সন্মিলনত কাৰ্যসূচীৰ পৰিসৰ কিছু বৃদ্ধি কৰে। এই সন্মিলনত প্ৰস্তাৱযোগে পুৰুষ আৰু নাৰীৰ সমান অধিকাৰ বিষয়ক আইন প্ৰণয়ণৰ বাবে আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনায়।[৮২] ১৯৭৩ চনৰ ডিচেম্বৰ মাহত ফেডাৰেশ্যনৰ অষ্টম সন্মিলন কলিকতাত অনুষ্ঠিত হয়। সন্মিলনত গৃহীত প্ৰস্তাৱযোগে ঘোষণা কৰা হয় যে দেশৰ ৰাজনীতিৰ পৰা নাৰী কেতিয়াও বাহিৰত থাকিব নোৱাৰে। এই সন্মিলনত নাৰীৰ অধিকাৰৰ দাবীত, উন্নত কৰ্ম পৰিবেশ, শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত মৌলিক সংস্কাৰ সাধনৰ দাবীত নাৰী আৰু পুৰুষৰ বাবে সংগ্ৰাম গঢ়ি তোলাৰ লগতে নব্য ঔপনিবেশবাদৰ নীতিৰ বিপৰীতে জাতীয় অৰ্থনীতি শক্তিশালী কৰাৰ বাবে আৰু শান্তিৰ বাবে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে।[৮৩] ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহত অন্ধ্ৰপ্ৰদেশৰ গুণ্টুৰত অনুষ্ঠিত হোৱা ফেডাৰেশ্যনৰ একাদশ সন্মিলনত বৰ্তমানো প্ৰচলিত যৌতুকৰ দৰে ঘৃণনীয় সামন্ততান্ত্ৰিক ৰীতি-নীতিৰ বিৰুদ্ধে প্ৰস্তাৱ গ্ৰহণ কৰে। সন্মিলনে মত প্ৰকাশ কৰে

যে যৌতুক নিবাৰণৰ বাবে অকল আইনেই যথেষ্ট নহয়- ইয়াৰ বাবে জনসাধাৰণক সচেতন কৰি বাস্তৱ দৃষ্টান্ত দেখুৱাব লাগিব।[৮৪] ১৯৮৮ চনৰ ডিচেম্বৰ মাহত মহাৰাষ্ট্ৰত অনুষ্ঠিত হোৱা ফেডাৰেশ্যনৰ সন্মিলনত সতী আৰু ধৰ্মৰ নামত ৪ চেপ্টেম্বৰত ৰাজস্থানৰ দেওৰালা গাঁৱত ৰূপ কানোৱাৰ নামৰ এগৰাকী ১৮ বছৰীয়া বোৱাৰীক জঘন্য আৰু বৰ্বৰতাৰে কৰা হত্যা অতি নিন্দনীয় বুলি সন্মিলনে অভিহিত কৰে।[৮৫]

ষাঠিৰ দশকৰ পিছৰ পৰা বিশ্ব কমিউনিষ্ট শিৱিৰৰ মাজত অনৈক্যই দেখা দিয়াৰ ফলত বিশ্ব গণতান্ত্ৰিক নাৰী ফেডাৰেশ্যনৰ মাজত ভাঙোনে দেখা দিয়ে। ইয়াৰ শাখা হিচাপে ভাৰতীয় জাতীয় নাৰী ফেডাৰেশ্যনৰ ওপৰতো তাৰ প্ৰভাৱ পৰে। ইয়াৰ পিছৰ সময়ছোৱাত ভাৰতত এই সংগঠনৰ শাসকশ্ৰেণীৰ লগত সহযোগিতাৰ মনোভাৱ সৃষ্টি হোৱাত আন্দোলন আৰু সংগঠনৰ মাজত সীমাবদ্ধতাই দেখা দিয়ে।

১৯৭০ চনত পশ্চিমবংগত দ্বিতীয় যুক্তফ্ৰন্ট ভাগি যোৱাৰ ফলত পশ্চিমবংগ মহিলা সমিতি আৰু পশ্চিমবংগ গণতান্ত্ৰিক মহিলা সমিতি নামে সোঁ আৰু বাওঁ দুই কমিউনিষ্ট পাৰ্টিৰ দুটা মহিলা সংগঠন সৃষ্টি হয়। ১৯৮১ চনত তামিলনাডুৰ মাদ্ৰাজত অনুষ্ঠিত হোৱা সন্মিলনত এটা সৰ্বভাৰতীয় নাৰী সংগঠনৰ জন্ম হয়। এই সংগঠনটোৰ নাম হ'ল 'নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি' (All India Democratic Women's Association)[৮৬] এই সংগঠনটোৱে দৃঢ়ভাৱে কয় যে সমাজৰ আমূল বৈপ্লৱিক পৰিৱৰ্তন অবিহনে শোষিত নাৰীৰ পূৰ্ণ মুক্তি সম্ভৱ নহয়। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) ৰ মহিলা শাখা হিচাপে এই সংগঠনে কাম-কাজ চলাই আছে।

১৯৭৫ চনত নাৰীমুক্তিকামী গোটাদিয়েক সংগঠনে ভাৰতবৰ্ষত আত্মপ্ৰকাশ কৰে। বহুতো বাওঁপন্থী পাৰ্টিয়ে শ্ৰমজীৱী লোকৰ বাবে, জাতিভেদ সাম্প্ৰদায়িকতা আৰু শোষণৰ বিৰুদ্ধে মাত মাতিলেও নাৰীৰ স্বকীয়া সমস্যাৰ প্ৰতি কোনো আগ্ৰহী নোহোৱাৰ বাবে মহিলা কৰ্মীয়ে দলৰ ভিতৰতে নাৰী কৰ্মীৰ প্ৰতি দেখুওৱা বৈষম্যমূলক দৃষ্টিভংগীৰ কথা মুকলিভাৱে প্ৰকাশ কৰে। আনকি ব্যক্তিগত আৰু ৰাজনৈতিক ক্ষেত্ৰতো পিতৃতান্ত্ৰিক মনোভাৱৰ কথা তেওঁলোকে প্ৰকাশ কৰে। সেয়ে কিছু সচেতন নাৰীয়ে বিক্ষুব্ধ হৈ স্বাধীনভাৱে নাৰী সংগঠন গঢ়ি তোলাৰ বাবে আগবাঢ়ি আহে। পুৰুষৰ কোনো সহায় নোহোৱাকৈ গঢ়ি উঠা এনেকুৱা নাৰী সংগঠনসমূহক 'স্বশাসিত নাৰী দল' (Autonomous Women's Group) বুলি ক'ব পাৰি।[৮৭] এই সংগঠনৰ সভ্যাসকলে ব্যক্তিগতভাৱে যিকোনো ৰাজনৈতিক পাৰ্টিৰ সভ্যা হ'ব পাৰে, আনকি পুৰুষেও সহায় কৰিব পাৰে, কিন্তু আন্দোলন সম্পৰ্কে সকলো সিদ্ধান্ত কৰাৰ গৰাকী মাত্ৰ নাৰীহে- তাত পুৰুষৰ কোনো অধিকাৰ নাই। স্বশাসিত নাৰীবাদী সংগঠনৰ মুখ্য বৈশিষ্ট্য হ'লঃ নাৰীয়ে নিজস্বভাৱে সংগঠন আৰু

আন্দোলন পৰিচালনা কৰিব, নাৰীৰ দাসত্ব, শোষণ আৰু অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰিব আৰু কোনো সিদ্ধান্তৰ ক্ষেত্ৰত ৰাজনৈতিক দলৰ প্ৰভাৱ নাথাকিব।[৮৮]

আন্তৰ্জাতিক নাৰী সন্মিলন ১৯৭৫ চনত পুণাত অনুষ্ঠিত হয়। এই বছৰতে ত্ৰিবান্দ্ৰমত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ উদ্যোগত অনুষ্ঠিত হোৱা আলোচনাচক্ৰত ভাৰতৰ কমিউনিষ্ট পাৰ্টি(মাৰ্ক্সবাদী) আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ বাহিৰে আন সকলো প্ৰতিনিধিয়ে স্বশাসিত নাৰী সংগঠন গঢ়ি তোলাৰ আৱশ্যকতাৰ কথা স্বীকাৰ কৰে। ১৯৭৪ চনত বিহাৰৰ ছাত্ৰ আন্দোলনৰ সময়ত শিক্ষিতা ছাত্ৰীসকলেও আন্দোলনত জঁপিয়াই পৰিছিল। আন্দোলন শেষ হোৱাৰ পিছত এই ছাত্ৰীসকলেই স্বাধীনভাৱে নাৰী সমস্যাৰ কথা চিন্তা কৰিবলৈ আৰম্ভ কৰে। বিজ্ঞাপনত নাৰীক উলংগ হিচাপে দেখুওৱা আৰু যৌতুক প্ৰথাৰ বিৰুদ্ধে প্ৰচাৰ কাযত এওঁলোক লিপ্ত হয়। 'মহিলা সংঘৰ্ষ বাহিনীয়ে (Mahila Sangharsh Vahini) পাটনাত এই ক্ষেত্ৰত আগভাগ লয়।' দিল্লীত সচেতন নাৰীসকলে ১৯৭১ চনত যৌতুকৰ বিৰুদ্ধে আৰু বোৱাৰী হত্যাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলে। এই সংগঠনে শোষিত ট্ৰাইবেল নাৰীসকলৰ মাজত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছিল। ট্ৰাইবেল নাৰীসকলৰ ওপৰত চলোৱা অৰ্থনৈতিক শোষণ, মদৰ কু-প্ৰভাৱ, শাৰীৰিক অত্যাচাৰ আদিৰ বিৰুদ্ধে এওঁলোকে সংগ্ৰাম গঢ়ি তুলিছিল। সেই সময়তে বোম্বাই আৰু পুণাত স্বশাসিত নাৰী সংগঠন 'স্ত্ৰী মুক্তি সংগঠন' (Stree Mukti Sangathan) গঢ়ি উঠে। মধ্যবিত্ত শ্ৰেণীৰ নাৰীমুক্তি সম্পৰ্কে সচেতন নাৰীসকল এই সংগঠনৰ সভ্যা আছিল। এওঁলোকৰ আন্দোলনৰ মাজেদি চৰমপন্থী নাৰীবাদী চিন্তাধাৰাৰ প্ৰকাশ ঘটিছিল।

দিল্লীত 'মহিলা দক্ষতা সমিতি'(Mahila Daxata Samiti) 'সমতা মঞ্চ' (Samta Manch) আৰু 'স্ত্ৰী সংঘৰ্ষ সমিতি' (Stree Sangharsh Samiti) গঢ়ি উঠে। বোম্বাইত 'স্ত্ৰী মুক্তি সংগঠন', 'সমাজবাদী নাৰী দল' (Socialist Women's Group) আদি সংগঠন গঢ়ি উঠে। 'পুৰোগামী সংগঠন (পুণা)' (Purogami Sangathana) (Pune), 'স্ত্ৰী শক্তি সংগঠন (হায়দৰাবাদ)' (Stree shakti Sangathana) (Hyderabad) আৰু 'পিন্নউৰিমাই ল্যাকুম্ (মাদ্ৰাজ)', (Pennurimai Lyyakum) (Madras) আদি স্বশাসিত নাৰী সংগঠনো প্ৰাক্ জৰুৰীকালীন অৱস্থাত আত্মপ্ৰকাশ কৰিছিল।[৯০]

১৯৭৮ চনত সমাজবাদী নাৰী সংগঠনৰ উদ্যোগত ব'ম্বেত এখন আলোচনা সভা অনুষ্ঠিত হয় আৰু তিনিদিন ব্যাপী হোৱা আলোচনাৰ পিছত এখন সমন্বয়ৰক্ষী সমিতি গঠন কৰি ইংৰাজী আৰু হিন্দীত ক্ৰমে 'ফেমিনিষ্ট নেট্‌ৱৰ্ক' (Feminist Network) আৰু 'স্ত্ৰী সংঘৰ্ষ' (Stree Sangharsh) নামৰ কাকত প্ৰকাশ কৰাৰ আৰু হিন্দী, ইংৰাজী ভাষাত 'মানুষী' (Manushi) নামৰ এখন আলোচনী প্ৰকাশ কৰাৰ সিদ্ধান্ত কৰা হয়।[৯১]

এইদৰে স্বশাসিত নাৰীবাদী সংগঠনসমূহৰ প্ৰভাৱ দিনে দিনে ভাৰতবৰ্ষৰ নাৰী সমাজৰ মাজত বৃদ্ধি হোৱাটো এটা লক্ষণীয় বিষয়। এই নাৰীবাদী সংগঠনসমূহে নাটক, গান, প্ৰদৰ্শনী, কাকত, আলোচনীৰ জৰিয়তে তেওঁলোকৰ আদৰ্শসমূহ সমাজৰ মাজত দাঙি ধৰে। বৰ্তমানে ভাৰতবৰ্ষত নাৰী সমস্যা সম্পৰ্কে নাৰীয়ে স্বাধীনভাৱে বিচাৰ-বিশ্লেষণ আৰু সংগ্ৰাম গঢ়ি তোলাৰ বাবে কাকত-আলোচনী আদিও বৃদ্ধি পাইছে। 'মানুষী' আৰু 'সাহেলী' (Saheli) ইংৰাজী আৰু হিন্দী ভাষাত দিল্লীৰ পৰা প্ৰকাশ হয়। কলিকতাৰ পৰা ক্ৰমে 'সচেতনা' (Sachetana) 'সবলা' (Sabala), 'অহল্যা' (Ahalya) আৰু 'মিত্ৰেয়ী' (Mitreyi) আদি বঙলা ভাষাত, পাটনাৰ পৰা 'অপ্‌নি আজাদী কে লিয়ে' (Apni Azadi ke liye), বাংগালোৰৰ পৰা ইংৰাজী ভাষাত 'সংঘৰ্ষ' (Sangharsh) তেলেগু ভাষাত 'সমতা' (Samata), তামিল ভাষাত 'উইমিন্‌চ্ ভইচ্' (Women's Voice), গুজৰাটৰ পৰা 'অনসূয়া' (Anasuya), নাৰীমুক্তি' (Nari Mukti) আৰু 'উইমিনচ্ চেন্টাৰ' (Women's Centre), বোম্বাইৰ পৰা ইংৰাজীত 'নিউজ্ লেটাৰ' (News Letter) আদি আলোচনী প্ৰকাশ হোৱাত নাৰীমুক্তি সম্পৰ্কে ভাৰতবৰ্ষৰ নাৰীসকলে স্বাধীনভাৱে চিন্তা-চৰ্চা কৰিবলৈ আগবাঢ়ি আহে।"[২] আনকি ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ ১৯৮২ চনৰ বিজয়ৱাদা কংগ্ৰেছত নাৰী শ্ৰমিকসকলৰ সুকীয়া সমস্যাৰ প্ৰতি ট্ৰেড ইউনিয়নবোৰৰ আওকণীয়া মনোভাৱৰ সমালোচনা কৰি নাৰী শ্ৰমিকসকলে যাতে ইউনিয়নৰ নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত অংশগ্ৰহণৰ সুযোগ লাভ কৰে তাৰ বাবে ইউনিয়নৰ ভিতৰতে সুকীয়া নাৰী সংগঠনৰ প্ৰয়োজনীয়তা বোধ কৰিছে।"[৩] এই স্বশাসিত নাৰীবাদী সংগঠনসমূহে বলাৎকাৰ, যৌতুকপ্ৰথা, 'এমিনো চিন্‌থেছিচ্' (Amino Synthesis) (মাতৃৰ গৰ্ভাৱস্থাতে লিংগ নিৰ্দ্ধাৰণৰ বৈজ্ঞানিক পদ্ধতি) আদিৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিছে। স্বশাসিত নাৰী সংগঠনে কাৰখানাৰ নাৰী শ্ৰমিকৰ সমস্যাৰ প্ৰতি দৃষ্টি ৰাখি শ্ৰমিক সংগঠনৰ ভিতৰতে নাৰী শ্ৰমিকৰ বাবে বিশেষ শাখা গঠন কৰিবলৈ চেষ্টা কৰিছে। কাৰখানাত কাম কৰা নাৰী এফালে শ্ৰমিক আৰু আনফালে মাতৃও। সেয়ে পুৰুষ শ্ৰমিকতকৈ নাৰী শ্ৰমিকৰ সমস্যা সুকীয়া। বোম্বাই আৰু পুণাত নাৰী সংঘৰ্ষ সমিতিয়ে নাৰী শ্ৰমিকৰ দৰমহাৰ দাবীত আৰু মহাৰাষ্ট্ৰৰ স্বশাসিত নাৰীবাদীসকলে নগৰ-চহৰৰ ঘৰে ঘৰে কাম কৰা মহিলাসকলক লৈয়ো সংগঠন গঢ়ি তোলে। এই নাৰীবাদীসকলে দেৱদাসী প্ৰথাৰ বিৰুদ্ধেও আন্দোলন সংগঠিত কৰিছে।

ভাৰতবৰ্ষত কিছুমান পেশাগত (Professional) নাৰী সংগঠনো গঢ় লৈ উঠা দেখা গৈছে। 'উইমিন্‌চ্ চাইন্টিষ্ট্ এছোচিয়েশ্যন্' (Women's Scientist Association), 'উইমিন্‌চ্ ব্ৰাঞ্চ্ অব্ অল্ ইণ্ডিয়া কন্‌ফেডাৰেশ্যন্ অব্ বেঙ্ক অফিচাৰ্ছ অৰ্গেনিজেশ্যন্' (Women's Branch of all India Confederation of Bank Officers' Organisation), 'অল ইণ্ডিয়া মেডিকে'ল উইমিন্‌চ্ এছোচিয়েশ্যন্' (All India

Medical Women's Association) আদি পেশাগত নাৰী সংগঠনসমূহে নাৰী চাকৰিয়ালসকলৰ বিভিন্ন সমস্যাৰ ভিত্তিতহে আন্দোলন গঢ়ি তুলিছে।[১৪] যৌতুক প্ৰথা, বলাৎকাৰ আদি নাৰীৰ ওপৰত যি অন্যায়-অবিচাৰ চলি আছে ইয়াৰ বিৰুদ্ধে কোনো কাৰ্যসূচী এওঁলোকৰ নাই। চাকৰিয়াল নাৰীসকলৰ চাকৰিজীৱনত দেখা দিয়া সমস্যাসমূহ, পদোন্নতি আদিৰ দাবীৰ ভিত্তিত এই সংগঠনসমূহে আন্দোলন গঢ়ি তোলে। সেয়ে এই নাৰী সংগঠনসমূহক আমি নাৰীবাদী সংগঠন বুলি ক'ব নোৱাৰোঁ।[১৫]

অসমীয়া উপন্যাসত নাৰীবাদৰ এই ভাৰতীয় বিকাশৰ কিবা চেতনা ধৰা পৰে নে নপৰে, সেয়াও আমাৰ এই অধ্যয়নৰ বিষয়।

টীকা

১। R C Mazumdar, P N Chopra *Main Currents of Indian History* Sterling Publishers New Delhi 1979, পৃ ২০৮

২। কাৰ্ল মাৰ্ক্স, এংগেলচ, 'ভাৰতে বৃটিশ শাসনের ভৱিষ্যৎ ফলাফল'(১৮৫৩) *প্ৰথম ভাৰতীয় স্বাধীনতা যুদ্ধ*১৮৫৭ ১৮৫৯ গ্ৰন্থত, বঙালী অনুবাদ, প্ৰগতি প্ৰকাশন, মস্কো, ১৯৭১ পৃ৩৩

৩। 'At the meeting in question it is said the absurdity of the prevailing rules respecting the intercourse of several castes with each other, and of the restrictions on diet etc was freely discussed, and generally addmitted the necessity of an infant widow passing her life in-state of celibacy- - the practice of polygamy and the suffering widows to burn with the Corpse of their husbands, were Condemned--" কনক মুখোপাধ্যায়, *উনবিংশ শতাব্দীর নারী প্রগতি ও রামমোহন বিদ্যাসাগর* একসাথে, কলিকতা,১৯৮০পৃ ২৭ উক্ত

৪। একেগ্ৰন্থ, পৃ ৩৭

৫। নন্দিতা ভট্টাচাৰ্য, 'মনুৰ দৃষ্টিত নাৰী' "প্ৰকাশ" আলোচনীত, সম্পাদক, চন্দ্ৰ প্ৰসাদ শইকীয়া, দ্বাদশ বছৰ, সপ্তম সংখ্যা, ১৯৮৭ পৃষ্ঠা ৩৪ অত উক্ত

৬। একেপ্ৰবন্ধ, পৃষ্ঠা ৩৩ অত উক্ত

৭। একেপ্ৰবন্ধ, পৃষ্ঠা ৩৫ অত উক্ত

৮। একেপ্ৰবন্ধ, পৃষ্ঠা ৩৭ অত উক্ত

৯। একেপ্ৰবন্ধ, পৃষ্ঠা ৩৭ অত উক্ত

১০। একেপ্ৰবন্ধ, পৃষ্ঠা ৩৬ অত উক্ত

১১। উমা চক্ৰৱৰ্তী, 'বৈদিক সাহিত্যত নাৰী', *প্ৰবন্ধ মুকুৰ* গ্ৰন্থত, সম্পাদক, শশী শৰ্মা, অভ্যৰ্থনা সমিতি, অসম সংস্কৃত পৰিষদ, নলবাৰী, ১৯৬৭, পৃষ্ঠা ৪২ অত উক্ত

১২। একেপ্ৰবন্ধ, পৃঃ ৪৩

১৩। একেপ্ৰবন্ধ, পৃঃ ৪৫

১৪। একেপ্ৰবন্ধ, পৃঃ ৪৬

১৫। একেপ্ৰবন্ধ, পৃঃ ৪৮

১৬। "......আর ভগবান পরাশর যে সমস্ত ধর্মের নিরূপণ করিয়াছেন, কলিযুগের

লোকদিগকে সেই সকল ধর্ম অবলম্বন করিয়া চলিতে হইবেক ...এক্ষণে স্থির হইল, পরাশর সংহিতা কলিযুগের ধর্মশাস্ত্র। অতঃপর এই অনুসন্ধান করা আবশ্যক, বিধবাদিগের পক্ষে পরাশর সংহিতাতে কিরূপ ধর্ম নিরূপিত হইয়াছে...... '। 'নষ্টে মৃতে প্রব্রজিতে ক্লীবে চ পতিতে পতৌ/পঞ্চস্বাপৎসু নারীনাং পতিরণ্যো বিধীয়তে.......'। স্বামী নিরুদ্দেশ হইলে, মরিলে, ক্লীব হইলে, সংসার ধর্ম পরিত্যাগ করিলে, অথবা পতিতা হইলে, স্ত্রীদিগের পুনর্বার বিবাহ করা শাস্ত্রবিহিত।" কনক মুখোপাধ্যায, পূর্বোক্ত গ্রন্থ, পৃষ্ঠা ৬০ত উক্ত

১৭। "কত শত বিধবা ব্রহ্মচর্য নির্বাহে অসমর্থ হইয়া ব্যভিচারদোষে দূষিত ও ভ্রূণহত্যা পাপে লিপ্ত হইতেছে এবং পতিকুল, পিতৃকুল, মাতৃকুল কলঙ্কিত করিতেছে। বিধবা বিবাহেব প্রথা প্রচলিত হইলে অসহ্য বৈধব্য যন্ত্রণার নিবারণ, ব্যভিচার দোষের ও ভ্রূণহত্যা পাপের পরিহার ও তিন কুলের কলঙ্ক বিমোচন হইতে পারে। যাবৎ এই শুভককারী প্রথা প্রচলিত না হইতেছে, তাবৎ ব্যভিচারদোষেব ও ভ্রূণহত্যা পাপের স্রোত, কলঙ্কেব প্রবাহ ও বৈধব্য যন্ত্রণার অনল উত্তরোত্তর হইতেই থাকিবে. ...।"

একে গ্রন্থ, পৃষ্ঠা ৬১অত উক্ত

১৮। হিৰন্ময় বন্দ্যোপাধ্যায়, *ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ*, অনুবাদক– যোগেশ দাস. সাহিত্য একাডেমি, নতুন দিল্লী,১৯৭৮, পৃ ৪৩

১৯। একেগ্ৰন্থ, পৃ, ৪৪

২০। Vijay Agnew, *Elite Women in Indian politics,* Vikas Publishing House, New Delhi, 1979, পৃঃ ২৪

২১। একেগ্ৰন্থ, পৃঃ ১৮

২২। একেগ্ৰন্থ, পৃঃ ১৯

২৩। একেগ্ৰন্থ, পৃঃ ২২

২৪। হিৰন্ময় বন্দ্যোপাধায়, পূর্বোক্ত গ্রন্থ, পৃ, ৩৩

২৫। একেগ্ৰন্থ, পৃঃ ৩৪

২৬। Vijay Agnew, পূর্বোক্ত গ্রন্থ, পৃ.২৯

২৭। একেগ্ৰন্থ, পৃঃ ২৯

২৮। একেগ্ৰন্থ, পৃঃ ২৯

২৯। একেগ্ৰন্থ, পৃঃ ৩০

৩০। একেগ্ৰন্থ, পৃঃ ৩১

৩১। একেগ্ৰন্থ, পৃঃ ৩২

৩২। "Hume organised the Indian National Congress as he observed as a "Safety-Valve for the escape of great and growing forces, generated by our action, was urgently needed, as no more efficacious Safety-Valve than our Congress movement could possibly be devised" R C Mazumdar, P N Copra' পূর্বোক্ত গ্রন্থ, পৃঃ ২৪৩

৩৩। জবাহৰলাল নেহৰু, *বিশ্ব ইতিহাসৰ জিলিঙনি* (Glimpses of world History), প্ৰথম খণ্ড, অনুবাদ, সদানন্দ চলিহা আদি, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৬৫ পৃঃ ৫৬৫

৩৪। "Nevertheless, for long twenty years, up to 1905, we observe nothing very remarkable in the programme of the Congress.. ....Thus Self-Government within the empire was the goal of the Congress till 1905. We must say, therefore, that Indian nationalism did not attain full growth until 1905 when a new generation of congress workers voiced their opinions and wanted something more than that the congress was doing so long. Bal Gangadhar Tilak was in the Vanguard of this new movement and he was followed by

Lala Lajpat Rai of the Punjab and Bipin Chandra Pal of Bengal". G. P. Sarma, Nationalism In Indo Anglian Fiction(1978) sterling Publishers,New Delhi, 1990 পৃ পৃ ২৫-২৬

৩৫। মহাত্মা গান্ধী, *নাৰী আৰু সামাজিক অবিচাৰ*, অনুবাদ, কল্পিতা দুৱৰা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৬৯, পৃঃ ২৭৫ত উক্ত

৩৬। একে গ্ৰন্থ, পৃ ২৭৬

৩৭। বিপন চন্দ্ৰ, কমলেশ ত্ৰিপাঠী আদি, *স্বাধীনতা সংগ্ৰাম* (১৯৭২), অনুবাদ, মৃগেন্দ্ৰ নাথ ৰায়চৌধুৰী, লযাৰ্চ বুকষ্টল, গুৱাহাটী, ১৯৭৪, পৃষ্ঠা ১৬৩ত উক্ত

৩৮। মহাত্মা গান্ধী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৬

৩৯। একেগ্ৰন্থ, পৃঃ ৪১-৪২

৪০। একেগ্ৰন্থ, পৃঃ ৩

৪১। Vijay Agnew, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৬

৪২। বিমল ভাগৱতী, *সামাজিক ক্ৰান্তি আৰু নাৰী*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৮,পৃ. ৯০

৪৩। পূৰ্বোক্ত গ্ৰন্থ, পৃ. পৃ ৩৭-৩৮

৪৪। বিপিন চন্দ্ৰ, কমলেশ ত্ৰিপাঠী আদি, পূৰ্বোক্ত গ্ৰন্থ,পৃঃ ২১০

৪৫। Vijay Agnew, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮১

৪৬। G.P. Sarma, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৮১-১৮২

৪৭। বিপন চন্দ্ৰ, অমলেশ ত্ৰিপাঠী আদি, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৯

৪৮। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৮২

৪৯। Vijay Agnew, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ পৃঃ ৬২-৬৩

৫০। একেগ্ৰন্থ, পৃঃ ৬৪

৫১। একেগ্ৰন্থ, পৃঃ ৬৩-৬৪

৫২। একেগ্ৰন্থ, পৃঃ ৭৭

৫৩। একেগ্ৰন্থ, পৃঃ ৭৮

৫৪। একেগ্ৰন্থ, পৃঃ ৫১

৫৫। একেগ্ৰন্থ, পৃঃ পৃঃ ৫৪-৫৫

৫৬। মহাত্মা গান্ধী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৬

৫৭। Vijay Agnew, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬১

৫৮। বিমল ভাগৱতী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ পৃঃ ৭৯-৮১

৫৯। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮২

৬০। একে গ্ৰন্থ, পৃঃ ১০৪

৬১। একে গ্ৰন্থ, পৃঃ. ১০৫

৬২। একে গ্ৰন্থ, পৃঃ ১০৫

৬৩। একে গ্ৰন্থ, পৃঃ ১০৬

৬৪। একে গ্ৰন্থ, পৃঃ পৃঃ ১০৬-১০৭

৬৫। একেগ্ৰন্থ, পৃঃ ১০৮

৬৬। একেগ্ৰন্থ, পৃঃ ১১৬

৬৭। Kalpana shah, 'The Role of Established Organisations--A Case Study of All India Women's Conference' (Akhil Hind Mahila Parished- AHMP), (Paper Presented at a Seminer Organized by Research Center for Women's Studies S.N.D.T University, Bombay), in *A Decade of Women's Movement in India*, (ed), Dr Neera Desai, Himalaya Publishing House, Bombay, 1988.পৃ. পৃ ৩-৪

৬৮। একেপ্ৰবন্ধ, পৃঃ ৬

৬৯। একেপ্ৰবন্ধ, পৃঃ ৪

৭০। একেপ্ৰবন্ধ, পৃঃ ৭-৮

৭১। কনক মুখোপাধ্যায়, 'মাৰ্ক্সবাদী দৃষ্টিতে গণতান্ত্ৰিক নাৰী আন্দোলন' "মাৰ্ক্সবাদী পথ", সম্পাদক, প্ৰমোদ দাসগুপ্ত, প্ৰথম খণ্ড, চতুৰ্থ সংখ্যা, ১৯৮২ পৃঃ ১৫

৭২। Vijay Agnew, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৮

৭৩। পূৰ্বোক্ত গন্থ, পৃঃ ১৬

৭৪। একেপ্ৰবন্ধ, পৃঃ ১৬

৭৫। একেপ্ৰবন্ধ, পৃঃ ১৬

৭৬। Manju Gandhi, 'National Federation of Indian Women (NFIW): Work and Issues Taken Up During the Decade' (Paper presented at the Seminer Organized by Research Centre for Womens Studies S.N.D.T. University, Bombay), in Neera Desai (ed). পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৭

৭৭। একেপ্ৰবন্ধ, পৃঃ ৩৭

৭৮। এন্ কে কোভাল্স্কি, ওৱাই. পি ব্লিনোদা (সম্পাদিত), *এ যুগের নারী,* (বাংলা অনুবাদ) মণিষা গ্ৰন্থালয়, কলিকতা, ১৯৭৫-প্‌ পৃ.২৩১-২৩২

৭৯। কনক মুখোপাধ্যায়, *আন্তর্জাতিক নারী আন্দোলনর ধারা,* পশ্চিমবংগ গণতান্ত্রিক মহিলা সমিতি, কলিকতা ১৯৭৭, পৃঃ ৩৭

৮০। একেপ্ৰবন্ধ, পৃঃ ২৩৩

৮১। Manuj Gandhi, পূৰ্ব্বোক্ত গন্থ, পৃঃ ৩৯

৮২। এন্ কে কোভাল্স্কি, ওৱাই পি ব্লিনোদা, পূৰ্ব্বোক্ত গন্থ, পৃঃ ২৩৪

৮৩। একেগ্ৰন্থ, পৃঃ ২৩৫

৮৪। প্ৰীতি বৰুৱা, নিৰুপমা বৰগোহাঞি আদি (সম্পাদিত), "সংঘবাৰ্তা", (সন্মিলন সংখ্যা), পঞ্চম বাৰ্ষিক সন্মিলন, অসম মহিলা সংঘ, গুৱাহাটী, ১৯৮৫ পৃঃ ৩

৮৫। প্ৰীতি বৰুৱা, নিৰুপমা বৰগোহাঞি আদি (সম্পাদিত), "সংঘবাৰ্তা", অসম মহিলা সংঘ, ষষ্ঠ সংখ্যা, ১৯৮৮, পৃঃ ১৯

৮৬। নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি, অসম ৰাজ্যিক সন্মিলনৰ সম্পাদকীয় প্ৰতিবেদন, গুৱাহাটী, ১৯৮৪, পৃঃ ৯

৮৬। Vibhuti Patal, 'Emergence and prolification of Autonomous Women's Group(1974-1984)', (Paper Presented at a Seminar Organized by Research Centre for Women's Studies S N.D, T University, Bombay) in Neera Desai (ed), পূৰ্বোক্ত গন্থ, পৃঃ ১১৮

৮৮। একেপ্ৰবন্ধ, পৃঃ ১১৮

৮৯। একেপ্ৰবন্ধ, পৃঃ ১২০

৯০। একেপ্ৰবন্ধ, পৃঃ ১২২

৯১। একেপ্ৰবন্ধ, পৃঃ ১২২

৯২। একেপ্ৰবন্ধ, পৃঃ পৃঃ ১২৪-১২৫

৯৩। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ বিজয়বাদা কংগ্ৰেছত গৃহীত ৰাজনৈতিক প্ৰস্তাৱ, ১৯৮২, প্ৰকাশক, অসম ৰাজ্যিক কমিটী, গুৱাহাটী

৯৪। Neera Desai (ed), পূৰ্বোক্ত গ্ৰন্থ, পৃ. পৃ. ১৯৫-১৯৬

তৃতীয় অধ্যায়

অসমত নাৰী-মংগলৰ চেতনা

পৰম্পৰাগত পুৰুষপ্ৰধান অসমীয়া সমাজত বৃটিছ্ আগমনৰ পিছত নাৰী-মংগলৰ চেতনাৰ উন্মেষ আৰু বিকাশ

সাম্প্ৰতিক অসমীয়া সমাজখন পুৰুষপ্ৰধান সমাজ। পুৰুষপ্ৰধান সমাজ হিচাপে স্বাভাৱিকভাৱেই এই সমাজৰ কেন্দ্ৰস্থলত নাৰী নহয়- পুৰুষহে অৱস্থিত।

মনু, ডাক, শংকৰদেৱ- মাধৱদেৱ আৰু কোৰাণ ছৰিফৰ দ্বাৰা প্ৰচাৰিত মতাৱলীয়েই অসমীয়া সমাজৰ সামাজিক দিক্ নিৰ্দ্ধাৰক হিচাপে স্বীকৃত হোৱা দেখা যায়। হিন্দু সমাজৰ মাজত মনুৰ যি প্ৰভাৱ, ডাকৰ প্ৰৱচনসমূহো সকলো ধৰ্ম আৰু শ্ৰেণীৰ মানুহৰ মাজত তেনেদৰেই জনপ্ৰিয়। আনহাতে কোৰাণ ছৰিফ মুছলমানসকলৰ সামাজিক নিয়ম নিৰ্দ্ধাৰণৰ আধাৰ গ্ৰন্থ।

শ্ৰেণীবিভক্ত সমাজ প্ৰৱৰ্তনৰ লগে লগে অন্যান্য শ্ৰমকাৰী তথা উৎপাদনকাৰী মানুহৰ লগত নাৰীৰো যে সামাজিক অৱস্থান নিম্নগামী হৈছে তাৰ বৈজ্ঞানিক বিশ্লেষণ সমাজতান্ত্ৰিক পণ্ডিতসকলে কৰিছে বুলি আগতে দেখুৱাই অহা হৈছে। শ্ৰেণীবিভক্ত সমাজত নাৰীৰ মৰ্যাদা অৱনমিত হোৱা আৰু নাৰীক পুৰুষৰ অধীনত ৰখাৰ প্ৰৱণতা মনুৰ দৰে ডাকৰ বচনতো বিদ্যমান। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে 'ডাক' বুলি কোনো এজন মানুহ নাছিল আৰু ডাক শব্দৰ অৰ্থ বচনেই।[১] ডাকৰ বচনসমূহৰ বিভিন্ন সামাজিক বাধা- নিয়ম মানি অহাৰ দৰেই ইয়াৰ নাৰী সম্পৰ্কীয় বচনসমূহো আজিও পৰম্পৰাৰূপে সমাজে মানি আহিছে। ডাকৰ বচনক অসমৰ জনগণে আজিও বেদৰ বাণী বুলি কয় বা মানে। হিন্দু সমাজত মনুসংহিতাৰ যি স্থান লোক সমাজত ডাকৰ বচনৰো সেই একে স্থান। বৰং কিছুমান প্ৰৱচনৰ প্ৰভাৱত মনু সংহিতাতকৈও লোক সমাজত বেছি গভীৰ বা তীব্ৰহে।[২]

বজাৰৰ পণ্য সামগ্ৰীৰ দৰে নাৰীকো পুৰুষে লিৰিকি-বিদিৰি চাই ভাল হ'লেহে বিয়া কৰোৱাৰ ব্যৱস্থা ডাকে দিছে ঃ

উভতা লোম গাত দেখা।
গলত দেখিবা তিনি ৰেখা।।
কুৰকুটা কেশ দীঘল নাক।
এৰিবা সি কন্যাক কহিছে ডাক।
সোৰু মুখ হস্ৰ জাপি জাপি দাঁত।
পুৰুষৰ আকৃতি হোৱয় মাত।।

মেছা কঁকাল উফণ্ডা হিয়া।
সেই ছোৱালী ফালীঙ্গিক দিয়া।

দেহৰ অবয়ব লক্ষা কৰি বিধৱা বা কুলক্ষণীয়া নাৰী কেনে সেই সম্পৰ্কে ডাকে কৈছেঃ

সৰু সৰু দান্ত পাতল ওঁঠ।
সদায় কন্দল নকৰে চোট।।
ওঁঠৰ ওপৰে গোঁফৰ শাৰী।
নিশ্চয় সিটো বিধৱা নাৰী।।

নাৰীৰ স্বাধীন চিন্তা আৰু সমাজত মুকলিভাৱে বিচৰণ কৰাৰ পৰা ডাকে নাৰীক বাৰণ কৰিছে, *"ওলাই যায় নাহে সোনকালে সেই দুষ্টা স্ত্ৰী বলে সকলে।"* আকৌ কৈছে ঃ

ঘৰত ঢেঁকী পৰৰ ঘৰে যাই।
ধান বানু বুলি কথা কহই।
ডাক বুলে সেই নাৰীক এৰ।।
যিটো নাৰী ফুৰে হাটে-ঘাটে।
তাকো এৰিও কহিলো জটে।।

নাৰীৰ প্ৰতি কঠোৰতা ইমান বেছি যে নাৰীৰ বাবে হঁহা-মতাও নিষেধ, *"সদায় হাঁহি মুখত নেৰে। ডাকে বুলে তাইক নথৈবা ঘৰে।।"* আনহাতে স্বামী ভক্তিপৰায়ণা নাৰীক সতীৰ আসনত বহুওৱা হৈছে, *'আপুন পতিত সদায় মন স্বামীক ভাবয় নাৰায়ণ।"*

নাৰী সম্পৰ্কত উল্লেখ থকা ডাকৰ বচনসমূহ আলোচনা কৰি শশী শৰ্মাই লেখিছে এইদৰে ঃ

> *জীৱনৰ অভিজ্ঞতাৰ পৰা দেখা যায় যে লোক সমাজত বিশেষকৈ ন-বোৱাৰীৰ প্ৰতি ডাকৰ বচন কথিত কঠোৰ তথা অমানৱীয় আচৰণৰ আজিও অৱসান ঘটা নাই (?)। কেৱল পুৰুষেই যে নাৰীক অৱমাননা বা অত্যাচাৰ কৰে তেনে নহয়, শাহুৱেক আদি কৰি নাৰীয়েও বোৱাৰী আদি কৰি নাৰীৰ ওপৰত অমানৱীয় অত্যাচাৰ চলায়ে আছে । ইয়াৰ ফলত বহু ন·বোৱাৰীয়ে অকালতে মৃত্যুৰ কৱলত পৰিছে বা আত্মঘাতী হ'বলৈ বাধ্য হৈছে।* °

উচ্চ হিন্দু সমাজক বাদ দি অসমীয়া কৃষিজীৱী সমাজত নাৰীক যি মৰ্যাদা দিয়া হয়— এইক্ষেত্ৰত জনজাতীয় প্ৰভাৱ উলাই কৰিব নোৱাৰি। তিব্বতবৰ্মীসকলৰ নাৰী-পুৰুষে যেনেকৈ পথাৰত কাম কৰে, অনা-তিব্বতবৰ্মী অসমীয়া সমাজতো

কৃষিজীৱী পৰিয়ালত নাৰীয়ে পথাৰত ধান ৰোৱাৰ পৰা আৰম্ভ কৰি ভাত ৰন্ধালৈকে সকলো কাম কৰে। সেইদৰে বিবাহৰ ক্ষেত্ৰতো অসমীয়া সমাজত জনজাতীয় প্ৰভাৱ পৰিছে। ছোৱালীক পলুৱাই অনা, গা-ধন দি ছোৱালী অনা আদি জনজাতীয় প্ৰভাৱৰ ফল। তিব্বতবৰ্মী ভাষীৰ মাজত এনেধৰণৰ বিবাহ প্ৰথা আজিও প্ৰচলিত। যুৱতী কালত বিয়া হোৱা, বিবাহ বিচ্ছেদ, বিধৱা বিবাহ আদি প্ৰথা জনজাতীয় সমাজৰ প্ৰভাৱৰ ফলত অসমীয়া সমাজলৈ আহিছে।[৪] অষ্ট্ৰিক ভাষীসকলৰ মাজত 'গেবেৰি খাটি' (আনৰ কাম কৰি দিয়া প্ৰথা) বিয়া কৰোৱা প্ৰথা আছিল। অসমীয়া গাঁৱলীয়া নিম্নবৰ্ণৰ মাজত এনেকুৱা প্ৰভাৱ লক্ষণীয়।[৫] অসমত 'বহুবিবাহ' আৰু 'অসবৰ্ণ' বিবাহ প্ৰথা প্ৰচলন হৈছিল আহোমসকলৰ প্ৰভাৱত।[৬] সেইদৰে 'যৌতুক' প্ৰথাৰ প্ৰচলনো আহোম ৰজাসকলৰ দিনৰ পৰাই আৰম্ভ হয়।[৭]

মুছলমানসকলৰ মাজত 'কোৰাণ ছৰিফ'ৰ প্ৰভাৱ অতি প্ৰৱল। সমাজত নাৰীৰ স্থান সম্পৰ্কে কোৰাণ ছৰিফত যিবিলাক নিয়ম বান্ধি দিছে- সেই নিয়মসমূহ সমাজত পৰম্পৰাগতভাৱে অসমৰ মুছলমান সমা ত প্ৰচলিত হৈ আহিছে। মুছলমান সমাজতো নাৰী পুৰুষতকৈ হীন বুলি ভবা হয়। পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব পুৰুষে ল'ব লগা হোৱা বাবেই পুৰুষৰ ওচৰত স্ত্ৰী সদায় নত হোৱা উচিত বুলি মুছলমান সমাজৰ মাজত এটা ধৰ্মীয় চিন্তা বৰ্তি আছে। কোৰাণ ছৰিফৰ মতে নাৰীতকৈ পুৰুষ শ্ৰেষ্ঠ, যিহেতু পুৰুষে নাৰীৰ ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণ কৰে। সেয়ে যদি পুৰুষে স্ত্ৰীৰ অবাধ্যতাৰ আশংকা কৰে তেতিয়াহ'লে সেই স্ত্ৰীক বৰ্জন কৰিবলৈ আৰু প্ৰহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।[৮] কোৰাণ ছৰিফত নাৰীয়ে ব্যভিচাৰ কৰিলে আমৰণ শাস্তি দিয়াৰ কথা কোৱা হৈছে, কিন্তু পুৰুষে ব্যভিচাৰ কৰিলে 'তওবা' (অনুতাপ) কৰিলেই শাস্তি লঘু হোৱাৰ বিধান দিয়া হৈছে।[৯] ঠিক সেইদৰে মুছলমান সমাজৰ নাৰীৰ পৰ্দা প্ৰথাও ধৰ্মীয় ৰক্ষণশীলতাৰে ফল। আনফালে শংকৰ-মাধৱে প্ৰচাৰ কৰা নৱবৈষ্ণৱ ধৰ্ম এক উদাৰ ধৰ্ম হিচাপে স্বীকৃত হ'লেও আৰু ই অসমীয়া সমাজত এক জাগৰণৰ সৃষ্টি কৰিলেও, এই ধৰ্মই সমাজৰ আধা অংশ নাৰীক ধৰ্ম গ্ৰহণ আৰু প্ৰচাৰ কৰাৰ অধিকাৰৰ পৰা দূৰৈত ৰাখিলে। আজি বিংশ শতিকাতো নাৰীসকলৰ বাবে সত্ৰৰ দ্বাৰ বন্ধ হৈয়েই আছে।

অসমীয়া সামন্তবাদী সমাজখনক এনেকুৱা ৰক্ষণশীল চিন্তাধাৰাই বুৰাই ৰখাৰ বাবে নাৰী স্বাধীনতা বা স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তাও বিচৰা হোৱা নাছিল। পৰ্দাৰ মাজত নাৰীক সুমুৱাই ৰখাৰ প্ৰৱণতাই পুৰুষক অন্ধ কৰিছিল আৰু নাৰীয়েও পুৰুষ সমাজৰ এই কঠোৰ বান্ধোন অনিচ্ছা সত্ত্বেও মানি ল'বলগীয়া হৈছিল। বৃটিছ-পূৰ্ব অসমীয়া সমাজত এনে পৰম্পৰাগত চিন্তা চলি থকা বাবে নাৰীৰ ওপৰত নানা ধৰণৰ অমানুষিক অত্যাচাৰ হৈছিল। অলপ কথাতে স্ত্ৰী বৰ্জনৰ ঘটনাও ঘটিছিল। *'আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্ৰহ'* গ্ৰন্থত এনে এটা

ঘটনাৰ উল্লেখ আছে ঃ

উজনিৰ টিয়ক অঞ্চলত কেইঘৰমান গৌতম গোত্ৰৰ ব্ৰাহ্মণ আছিল। তেওঁলোক টিয়কীয়া অধ্যাপকৰ ঘৰ বুলি জনাজাত। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত এই বংশৰে এজন ব্ৰাহ্মণে পুত্ৰ যোগাই আৰু পত্নীৰ সৈতে নাৱেৰে ভটিয়াই আহিছিল। তেওঁলোকে নাৱৰ বুকুত কেবাদিনো অনাহাৰে কাল কটাবলগীয়া হয়। এদিন যোগাইৰ মাকে পানীত উটি অহা তামোল-পাণ এযোৰ পাই কাটি খালে। সেই কথাতে ব্ৰাহ্মণে ঘৈণীয়েকৰ ওপৰত খং কৰি "বিচাৰ নকৰি উটি অহা তামোল অকাল বুলি খালে, তোত বিশ্বাস নাই।" বুলি পাৰত ঘৈণীয়েকক অকলে এৰি থৈ গ'ল। গুৱাহাটী পোৱাৰ পিছতেই সেই ভদ্ৰলোকৰ মৃত্যু হোৱাত যোগাই নিঃসহায় হ'ল। যোগাইৰ মাকৰ অকলশৰে লুইতৰ পাৰৰ হাবিত কি দুৰ্দশা হ'ল তাক জনা নাযায়।"[১০]

উক্ত ঘটনা সন্দৰ্ভত যোগাইৰ মাকক পিতৃয়ে অলপ কথাতে এৰি থৈ যোৱা ঘটনাই প্ৰাচীন ৰামায়ণৰ কাহিনীলৈ মনত পেলায়। লোক সমাজত প্ৰজ ৰঞ্জক বুলি খ্যাত ৰামেও গৰ্ভৱতী সীতাক অলপ কথাতে পঞ্চৱটী বনত এৰি থৈ অহা কথাই প্ৰাচীন সমাজত নাৰীৰ প্ৰতি পুৰুষৰ চৰম বিদ্বেষ বা অৱমাননাৰ কথাই সোঁৱৰা দিয়ে। সি যি কি নহওক, এই যোগাইৰ বংশৰে আন এজন টিয়কীয়া অধ্যাপকৰ ঘৰৰ এজন লোকৰ নাম পৰশুৰাম। লক্ষীনাৰায়ণ ব্ৰহ্মচাৰীৰ আশ্ৰয়ত ডাঙৰ হোৱা পৰশুৰামৰ পুত্ৰ হলিৰাম ঢেকিয়াল ফুকন। হলিৰাম ঢেকিয়াল ফুকনৰ পুত্ৰ আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-১৮৫৯) আছিল বৃটিছৰ সময়ৰ অসমৰ প্ৰধান এক সচেতন ব্যক্তি। সেই সময়ত গুৱাহাটীত স্থাপন হোৱা ইংলিচ চেমিনাৰীত ১৮৩৭ খৃঃত আনন্দৰাম আৰু দুৰ্গাবৰ ভৰ্তি হয়। হলিৰাম ঢেকিয়াল ফুকনৰ অকাল মৃত্যুত জেনেৰেল জন্‌কিন্‌চ্ আৰু জন মেথী চাহাবে এওঁৰ পঢ়া-শুনাৰ যত্ন লয় আৰু কলিকতালৈ পঢ়িবলৈ পঠায়।

১৮৪৪ চনত গুৱাহাটীৰ ঘৰত নানা ৰকমৰ বেমেজালিয়ে দেখা দিয়াত আনন্দৰাম ঢেকিয়াল ফুকনে নাও ভাৰা কৰি কলিকতাৰ পৰা বহুতো আধুনিক ধৰণৰ চকী-মেজ আৰু ইংৰাজী, সংস্কৃত গ্ৰন্থ লৈ অসমলৈ উভতি আহে।[১১] গুৱাহাটীত আনন্দৰাম ঢেকিয়াল ফুকনেই প্ৰথমতে আধুনিক ধৰণে কৰা জীৱন নিৰ্বাহৰ আৰ্হি দেখুৱায়। এওঁৰ ঘৰৰ এটা কোঠালিত চকী-মেজ সজাই ইংৰাজৰ ধৰণ-কৰণেৰে বহা-মেলাৰ ব্যৱস্থা কৰিছিল।[১২]

এই আনন্দৰাম ঢেকিয়াল ফুকনেই আছিল স্ত্ৰী শিক্ষাৰ বাটকটীয়া। সেই সময়ত স্ত্ৰী শিক্ষাৰ কোনো সুবিধা নথকা বাবে ফুকন ডাঙৰীয়াই নিজৰ ঘৈণীয়েকক ঘৰতে নিজে লিখা-পঢ়া শিকাইছিল। এওঁৰে জীয়ৰী আছিল পদ্মাৱতী দেৱী ফুকননী। সৰুৰে পৰাই পিতৃয়ে তেওঁক উপযুক্ত শিক্ষাৰে শিক্ষিতা কৰি তুলিছিল। পদ্মাৱতী

দেৱী ফুকননীৰ লগতে বিয়া হয় নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ ল'ৰা নন্দীশ্বৰ বৰুৱাৰ। কিন্তু ইংৰাজী শিক্ষাক সমৰ্থন কৰা আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা বিয়া কৰোৱাৰ বাবে সমাজৰ নৈষ্ঠিক ব্ৰাহ্মণসকলে নন্দীশ্বৰ বৰুৱাক এঘৰীয়া কৰি ৰাখিছিল।[১৩]

বংগৰ নৱজাগৰণৰ হোতা বুলি অভিহিত কৰা ৰামমোহনে ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ 'সতীদাহ'ৰ দৰে নিষ্ঠুৰ প্ৰথা ৰদ কৰাৰ কাৰণে বৃটিছক সহায় কৰিছিল আৰু ভূগোল, জ্যোতিৰ্বিজ্ঞান বিষযক গ্ৰন্থ ৰচনা কৰিছিল। বংগৰ ৰক্ষণশীল সমাজখনক বহু সংগ্ৰামৰ মাজেৰে ৰামমোহন বিদ্যাসাগৰে উদাৰতাৰ পিনলৈ লৈ গৈছিল। বংগৰ দৰে অসমৰ সেই সময়ৰ গোড়া সমাজখনলৈ পাশ্চাত্যৰ আদব-কাযদা, চিন্তা-চৰ্চা কঢিয়াই অনাৰ ক্ষেত্ৰতো আনন্দৰাম ঢেকিয়াল ফুকনে বহু কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। আনন্দৰামে বিচাৰিছিল অসমীয়া সমাজখনৰ সংস্কাৰ সাধন। 'এন্ একাউণ্ট অব ইংলেণ্ড' (An Account of England) নামৰ প্ৰবন্ধৰ শিতানত তেওঁ অসমক নতুন ভাবেৰে, জ্ঞানেৰে দেখিবলৈ পাইছিল। তেওঁ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে এনেধৰণে :

যি সময়ত অসম হাবি গুচি ফুলবাৰী হ'ব, নৈত ডোঙ্গা গুচি জাহাজ হ'ব, ঘৰ বাঁহৰ গুচি সিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰ হেজাৰ পৰ্হাসালি, গিয়ানৰ সভা চিকিতসালই দুখিয়া দৰিদ্ৰ পৰিত্ৰানৰ আলই হব, আৰু জি কালত লোকসকলে পৰস্পৰ হিংসা নকৰি আটাইযে আটাইক ভাত্ৰিবত চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নিদি লাখ টকাকো কাতি কৰি থব, কৌটি টকা ভেটি পাইও কাৰো অন্যায় নকৰিব; বেস্যা কানি আৰু সুৰা এই দেসত লোকে ভু নোপোআ হব; সেই সমই, হে পৰম পিতা জগদিশ্বৰ সিগ্ৰে ঘটোআ।[১৪]

অদূৰ ভৱিষ্যতৰ অসমীয়া সমাজখনৰ সুস্থ আৰু সুন্দৰ প্ৰতিচ্ছবিয়ে ঢেকিয়াল ফুকনক নতুন ভাবধাৰাৰ প্ৰৱৰ্তক হিচাপে পৰিগণিত কৰা দেখা যায়। সেই সময়ত স্ত্ৰী শিক্ষাৰ প্ৰচলন নাছিল যদিও নিজৰ স্ত্ৰী কন্যাক তেওঁ ঘৰতে শিক্ষিতা কৰি তুলিবলৈ চেষ্টা কৰিছিল।

ঢেকিয়াল ফুকনৰ পিচতে হেমচন্দ্ৰ বৰুৱা (১৮৩৫-১৮৯৬) আৰু গুণাভিৰাম বৰুৱা (১৮৩৭-১৮৯৪) হৈছে আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাপক। এওঁলোকে পাশ্চাত্যৰ ধাৰণাবিলাক ইংৰাজী শিক্ষাৰ মাধ্যমেৰে লাভ কৰিছিল। ইংৰাজী শিক্ষাৰ প্ৰভাৱত বন্ধনমুক্ত জীৱনধাৰাৰ আহ্বানত পুৰণি সমাজখনৰ সকলোবোৰ কথাই তেওঁলোকে অন্ধভাৱে মানি ল'ব পৰা নাছিল। এওঁলোকে অসমীয়া সমাজখনত ধৰ্মৰ নামত চলা গোড়ামি, ব্যভিচাৰ, অন্ধবিশ্বাসৰ বিৰুদ্ধে গৈ সমাজ সংস্কাৰ কৰিব বিচাৰিছিল। গুণাভিৰাম বৰুৱাৰ 'ৰামনৱমী' (১৮৫৭) আৰু হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' (১৮৬১) গ্ৰন্থই এই ক্ষেত্ৰত এক নতুন যুগৰ

স্বাক্ষৰ বহন কৰিছে। পৰম্পৰাগত অসমীয়া সমাজখনৰ চিন্তাৰ ঠেক পৰিসৰত আবদ্ধ নহৈ কেনেকৈ সংগোপনে ইংৰাজী শিক্ষা গ্ৰহণ কৰিবলৈ ঢাপলি মেলিছিল, সেই কথা হেমচন্দ্ৰ বৰুৱাই তেওঁৰ 'আত্মজীৱন-চৰিত'ত উল্লেখ কৰিছে :

যদিও দদাইদেউৰ ইচ্ছাৰ বিৰুদ্ধে দেখা-শুনাকৈ ইংৰাজী শিকা মোৰ পক্ষে অসম্ভৱ আছিল, তথাপি গোপনে তাৰ অভ্যাস কৰা একো টান নহয়, মোৰ মনত এনে এটি ভাব হোৱাত এদিন মই ব্ৰোডি ছাহাবৰ ঘৰলৈ গৈ এখন ইংৰাজী বৰ্ণ-বিন্যাসৰ পুথি খুজিলো। তাতে তেওঁ বৰ ৰঙেৰে মোক এখন পুথি দিলে, আৰু প্ৰতি দেওবাৰে তেওঁক মোৰ শিক্ষাৰ মহলা দিবলৈ ক'লে।[১৫]

ইংৰাজী শিকিলে জাত যাব বুলি ভয় পোৱা অসমীয়া সমাজখনৰ ৰক্ষণশীল প্ৰতিনিধিসকলৰ চকুৰ টোপনি ভাঙিল। হেমচন্দ্ৰ বৰুৱাই সেই সম্পৰ্কে অতি স্পষ্টভাৱে উল্লেখ কৰিছে নিজৰ জীৱনত ঘটা এটা ঘটনাৰেঃ "এনেতে মোৰ বিদ্যাৰ যশস্যাৰ ধ্বনি শিৱসাগৰীয়া বৰুৱাৰ কাণ চুলেগৈ। তেওঁ সেই কথা দদাইদেওক নজনাই থাকিব নোৱাৰিলে। এই সম্বাদে তেওঁক পানীৰ ছাট পোৱা পকাতেলৰ দৰে জ্বলালে। আৰু মোৰ ফলি-পুথি বান্ধি লৈ ঘৰলৈ উলটি অহা আৰু ইংৰাজী শিক্ষাক বিসৰ্জন দিয়াই তাৰ ফল হ'ল।"[১৬]

নিজৰ আশাশুধীয়া চেষ্টাৰ ফলত সেই সময়ৰ ৰীতি-নীতিৰ মূৰত কুঠাৰাঘাত কৰি শেষলৈ মিছনাৰীসকলৰ যত্নতে হেমচন্দ্ৰই ইংৰাজী শিক্ষা লাভ কৰিবলৈ সমৰ্থ হৈছিল। পৰম্পৰাগত যিখন সমাজত স্ত্ৰী-শিক্ষাৰ নাম ওলালে কিবা এটা ডাঙৰ ভয়ঙ্কৰ বস্তু বুলি মানুহৰ ভয় হৈছিল, তেনে স্ত্ৰী-শিক্ষাক হেমচন্দ্ৰই আদৰণি জনাই অৰুণোদয়ত প্ৰবন্ধ লিখিছিল। পৰম্পৰাগত অসমীয়া সমাজত মানুহে ঘৰুৱা কাম-কাজত পটু হ'লেই শিক্ষা সম্পূৰ্ণ হোৱা বুলি ভাবিছিল।

বাল্যবিবাহ, বহুবিবাহ, পৰ্দা প্ৰথা আদি বিভিন্ন সামাজিক নীতি-নিয়মে অসমীয়া সমাজখনৰ ওপৰতো বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। এই সকলোবোৰে নাৰী সমাজৰ জীৱনলৈ দুখ কঢ়িয়াই আনিছিল। অৱশ্যে উচ্চ বৰ্ণ হিন্দুৰ ভিতৰতে ই সীমিত আছিল।

মংগোলীয় সংস্কৃতি আৰু জনজাতীয় প্ৰভাৱৰ বাবে অসমীয়া সমাজত আৰ্যহিন্দুসকলৰ বহুতো কুপ্ৰথা অসমীয়া সমাজত গাঢ় হোৱা নাছিল। সতীদাহ আৰু যৌতুকপ্ৰথা নাছিল বুলিলেও হয়। যৌতুক প্ৰথা পিছলৈহে অসমীয়া সমাজত সোমাই পৰে। অসমত বেশ্যাবৃত্তি নাছিল আৰু অসমৰ তিৰোতা শ্ৰম বিমুখো নাছিল। গুণাভিৰাম বৰুৱাই লিখিছিল :

অসম দেশৰ কি স্ত্ৰী কি পুৰুষ উভয়ে বিশেষকৈ স্ত্ৰীলোকক কু-ক্ৰিয়াসক্ত বুলি মানুহে অপবাদ দিয়ে। কিন্তু ভালকৈ অসম দেশৰ অৱস্থালৈ চালেই অপবাদৰ কোনো মূল্য নাই। অতি অল্পদিনৰ পৰা

নগৰত বেশ্যাবৃত্তিৰ সৃষ্টি হইছে। গ্ৰামত লোকে ইয়াক নাজানে। যদি কোনো লোকে কোনো বিৰুদ্ধাচৰণ কৰা দেখে শ্ৰমিকসকলে তাক শাসন কৰে হয় সেই বিৰুদ্ধকাৰ্য্যকে সংশোধন কৰি লবলৈ অনাচাৰীক পতিত বা অব্যৱহাৰ্য্য কৰি থয়। এইদৰে পতিতসকলেও যদি দোষ স্বীকাৰ কৰি প্ৰায়শ্চিত্ত হয় তাকো সমাজে গ্ৰহণ নকৰে।[১৭]

তেওঁ আকৌ লেখিছে, "এই দেশৰ স্ত্ৰীসকল বৰ উদ্‌যোগী আৰু পৰিশ্ৰমী। পুৰুষে সইতে প্ৰায় সমভাৱে আৰ্জ্জে আৰু গৃহকাৰ্য্যত লিপ্ত থাকে। সেই হেতুকে অন্যান্য দেশতকৈ এই দেশীয় স্ত্ৰীসকল অপেক্ষাকৃত স্বাধীন।" [১৮]

আনন্দৰাম ঢেকিয়াল ফুকনে হিন্দু বিবাহ পদ্ধতি সম্পৰ্কেও বৰ্ণনা দিছে এইদৰে ঃ

পিতা উপযুক্ত বৰকে আহ্বান কৰিয়া আনিয়া সালঙ্কৃতা কন্যা বৰকে সম্প্ৰদান কৰিলে ব্ৰাহ্মবিবাহ সিদ্ধ হয়। প্ৰথমত যজ্ঞ ও দক্ষিণা কৰিয়া অলঙ্কাৰাদি সমেত বৰকে কন্যাদান কৰিলে দৈব বিবাহ সম্পন্ন হয়। যদি কন্যাদাতা ধৰ্ম্মাৰ্থে বৰেৰ নিকট এক বৃষ ও গাবী অথবা দুই বৃষ দুই গাবী লইয়া যথাশাস্ত্ৰ কন্যাদান কৰে তবে তাহাকে আৰ্যবিবাহ বোলা হয়। কন্যাদান কৰণকালে কন্যাদাতা কন্যাসহ ধৰ্ম কৰিবা। ইতি বচন বলিয়া উপৰোক্ত নিয়মানুসাৰে কন্যাদান কৰিলে প্ৰজাপত্য বিবাহ সিদ্ধ হয়।[১৯]

ঢেকিয়াল ফুকনৰ উত্তৰসূৰী গুণাভিৰাম বৰুৱাই বিবাহ সম্পৰ্কে লেখিছে এইদৰে ঃ

অসম দেশৰ বিবাহ প্ৰণালী ভাৰতবৰ্ষৰ অন্যান্য দেশতকৈ কিঞ্চিত বিভিন্ন দেখি। ব্ৰাহ্মণ আৰু কোনো কোনো শূদ্ৰৰ মাঝত মনু প্ৰণীত ব্ৰাহ্মবিবাহ অৰ্থাৎ কুমাৰী কালতে বৰক আহ্বান কৰি কন্যাদানৰ নিয়ম প্ৰচলিত। আন জাতিৰ মাজত এই বিবাহ বৰকৈ নচলে। ...ব্ৰাহ্মণৰ মাঝতহে বিধৱা বিবাহ অপ্ৰচলিত। সাধাৰণতঃ বিধৱা বিবাহ ব্ৰাহ্মণ ভিন্ন সকলো জাতিতে প্ৰচলিত আছে। এই দেশত প্ৰাচীন গন্ধৰ্ব্ব বিবাহ সদৃশ এক প্ৰকাৰ বিবাহ পদ্ধতি হিন্দুসমাজৰ শূদ্ৰাদিৰ মাঝত প্ৰচলিত। কোনো প্ৰাপ্ত বয়স্কা কুমাৰী বা বিধৱাক তেওঁৰ পিতৃ-মাতৃ বা অন্য অভিভাৱকৰ সন্মতিৰ অনুসাৰে অলঙ্কাৰাদি পিন্ধাই যথাযোগ্যৰূপে সামাজিক লোকসকলক আহাৰ কৰোৱাই আপোন ঘৰলৈ আনে। ....কোনো কোনো সময়ত কোনো পুৰুষ আৰু স্ত্ৰীৰ একপ্ৰকাৰ সয়ম্বৰ বিবাহ হোৱাৰো নিয়ম দৃষ্ট হয়,...। এই বিষয়ত সহসা সামাজিক লোকৰ পৰা বাধা দিয়া নাযায়।[২০]

পুৰণি অসমত প্ৰচলিত বাল্যবিবাহৰ কৰুণ প্ৰতিচ্ছবি নলিনীবালা দেৱীয়ে তেওঁৰ 'এৰি অহা দিনবোৰ' (১৯৭৬) গ্ৰন্থত অতি স্পষ্ট আৰু হৃদয়স্পৰ্শী কৰি দাঙি ধৰিছে।১৯৩০ চনত বাল্য বিবাহৰ বিৰুদ্ধে ভাৰতবৰ্ষত জনমত গঢ়ি উঠা

বাবেই ভাৰতীয় কেন্দ্ৰীয় সভাত অপৰিণত বয়সৰ ছোৱালীক চৈধ্য বছৰৰ কমে বিয়া দিয়া দণ্ডণীয় অপৰাধৰ শাৰীত পেলাই 'চাৰ্দা' বিল পাছ হয়। এই বিলমতে চৈধ্য বছৰৰ কমত ছোৱালীক বিয়া দিলে দৰা কন্যাৰ অভিভাৱক আৰু পুৰোহিতক এহেজাৰ টকা জৰিমনা কৰা হ'ব, নহ'লে ফাটেক দিয়া হ'ব। এই বিল পাছ হোৱাৰ লগে লগে গোটেই ভাৰতবৰ্ষৰ লগে লগে অসমতো কি প্ৰতিক্ৰিয়া হৈছিল সেই সম্পৰ্কে নলিনী বালা দেৱীয়ে লেখিছে এইদৰে ঃ

> *এই বিলৰ প্ৰতিক্ৰিয়া হ'ল অভাৱনীয়। ব্ৰাহ্মণ আৰু কায়স্থকুল, ক্ষেত্ৰিয় বৈশ্য সকলোৰে কুমাৰী কন্যা বিয়া দিয়াৰ ভাৰতজুৰি ধুম উঠিল। কোলাৰ কেঁচুৱা কন্যাও এই বিলৰ প্ৰকোপত বাদ নপৰিল। দহ-এঘাৰ বছৰীয়া কন্যাৰতো কথাই নাই। অসমতো কুমাৰী কন্যাৰ বিয়াৰ ধুম উঠিল। অৱশ্যে অসমত কোলাৰ কেঁচুৱা কন্যাৰ বিয়াৰ বাতৰি কাণত পৰা নাই যদিও তিনি-চাৰি বছৰীয়া কন্যাক পিতৃ-মাতৃয়ে ততাতৈয়াকৈ বিয়া দিছিল। ১৯২৯ চনৰ জানুৱাৰী মাহৰ আগতেই সৰ্বভাৰতৰ হিন্দু কুমাৰী কন্যাৰ বিয়া হৈ গৈছিল।......... ব্ৰাহ্মণ আৰু কায়স্থ-কন্যা পুষ্পিতা হোৱাৰ আগতে বিয়া দিয়াৰ নীতি ৰক্ষা কৰিবলৈ পিতৃ-মাতৃসকলে বুঢ়া-থেৰা যাকে য'তে পালে বাছ-বিচাৰ নকৰি ধৰি আনি হোমৰ গুৰিত বহুৱাই কন্যাদান কৰি চৈধ্য পুৰুষ উদ্ধাৰ কৰাত লাগি গ'ল। নহ'লে যে বিয়াৰ আগতে কন্যা পুষ্পিতা হ'লে পিতৃকুল-মাতৃকুল ৰৌ ৰৌ নৰকত পৰিব।...... সেই বছৰটো ভাৰতবৰ্ষৰ স্মৰণীয় বছৰ 'কন্যা মেধ যজ্ঞ' বুলিলেও অত্যুক্তি কৰা নহয়।* [21]

বাল্য বিবাহৰ ফলত সমাজত কি এক ভয়ানক অবস্থাৰ সৃষ্টি হৈছিল তাৰ বৰ্ণনা নলিনী বালা দেৱীয়ে দিছে এইদৰে ঃ

> *সেই সময়ত মই কামাখ্যা দৰ্শন কৰিবলৈ গৈ দেখিলোঁ, অকণ অকণ ছোৱালীবোৰে মূৰত ওৰণি লৈ উমলি ফুৰিছে। পাণ্ডাক সুধিলো, "এই কণ কণ ছোৱালীবোৰে মূৰত ওৰণি লৈ ফুৰিছে কিয়?" পাণ্ডাজনে ক'লে "এইবোৰ সাৰদা বিলৰ ফল, ছোৱালীবোৰক সাৰদা বিলৰ ভয়ত বিয়া দিয়া হৈছে, এই কামাখ্যা পৰ্বতৰ ভিতৰতে এই ছোৱালীবোৰৰ বিয়া হৈছে। শহুৰ, খুৰাশহুৰ, ভাইশহুৰ, মামাশহুৰ সকলৰ আগতে ইহঁতে ওৰণি লৈ ফুৰিব লগা হৈছে।"* [22]

কিন্তু বাল্য বিবাহৰ নিচিনা কু-প্ৰথা প্ৰাচীন আৰ্য সমাজত নাছিল। মনুৰ অনুশাসন মতে "অষ্টম বৰ্ষে ভবেৎ গৌৰী দশম বৰ্ষেষু ৰোহিনী"। সেয়ে মনুৰ মতবাদ মানি লৈ অসমীয়া উচ্চ হিন্দু সমাজত ছোৱালী পুষ্পিতা হোৱাৰ আগতে বিয়া দিয়াটো পিতৃ-মাতৃ আৰু সমাজে এটা ধৰ্ম হিচাপে মানি ল'লে। বাল্য বিবাহৰ

ধাৰণাটো অসমীয়া সমাজত বদ্ধমূল হৈ পৰিল। “আজি কুৰি শতিকাৰ উন্নত সভ্য যুগতো সমাজে এই সংস্কাৰ ত্যাগ কৰিব পৰা নাই। কুসংস্কাৰত আচ্ছন্নমতি পিতৃ-মাতৃয়ে নিজৰ অবোধ শিশুকন্যাক বলিৰ পশুৰ দৰে ধৰি বান্ধি বিবাহ বন্ধনৰ বলিশাললৈ হাঁহি হাঁহি আগুৱাই দি বিপদ মুক্তিৰ শান্তিৰ নিশ্বাস পেলাইছে।[২৩] ইয়াৰ ফলতে সমাজত সৃষ্টি হয় বাল্য বিধৱাৰ। উদাহৰণস্বৰূপে, নলিনী বালা দেৱীৰ এঘাৰ বছৰ বয়সতে বিয়া হৈছিল। অতি কম দিনৰ ভিতৰতে তেওঁ বৈধব্য যন্ত্ৰণাক আঁকোৱালি ল'বলগীয়া হয়। এই বাল্য বিবাহৰ নিষ্ঠুৰতাৰ বলি হ'ব লগা হৈছিল অসমীয়া সাহিত্যজগতৰ আন এগৰাকী লেখত ল'বলগীয়া নাৰী নিৰ্মলপ্ৰভা বৰদলৈ। 'নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন-নদী' গ্ৰন্থত দিলীপ দত্তই লেখিছে ঃ

> *এই কিশোৰীক (নিৰ্মলপ্ৰভা বৰদলৈ) সমাজৰ এক নিৰ্মম নীতিৰ বশৱৰ্তী হৈয়েই এঘাৰ বছৰ বয় স নৌহওঁতেই বিয়া দিয়া হ'ল (১৩ ডিচেম্বৰ, ১৯৪৩)। তেৰ বছৰ বয়সতে তেওঁ এটি কন্যাৰ মাতৃ হ'ল। হিন্দু ধৰ্ম, দৰ্শন, হিন্দু সামাজিক বিধিৰ ভুল বুজাপৰা আৰু অপপ্ৰয়োগৰ অত্যাচাৰ নিৰ্মলপ্ৰভাৰ ওপৰত পূৰাদমে চলালে--- মত বিৰোধৰ কাৰণে দুখন ঘৰৰ মনোমানিল্য ঘটিল। তেৰ বছৰ বয়সতে কোলাত এটি শিশুকন্যা লৈ নিৰ্মলপ্ৰভা চিৰদিনৰ কাৰণেই স্বামীৰ পৰা আতৰ হ'ল। তেওঁ গাৰ্হস্থ্য জীৱনত প্ৰৱেশ কৰোঁতেই তাৰ সামৰণি পৰিল। এইটো ঘটনা ঘটে ১৯৪৫ চনত।[২৪]*

বাল্য বিবাহৰ ফলস্বৰূপে বহুতো নাৰীৰ জীৱনলৈ যি অন্ধকাৰ নামি আহিছিল এই সম্পৰ্কে বৰ্ণনা দিবলৈ গৈ প্ৰাক্ স্বাধীন যুগৰ মহিলা সমাজকৰ্মী ৰাজবালা দাসে তেওঁৰ 'তিনি কুৰি দহ বছৰৰ স্মৃতি (১৯৭১) গ্ৰন্থত যদু বৰুৱা নামৰ এজন ব্ৰাহ্মণৰ জীৱনৰ কাহিনী উপস্থাপন কৰিছে। যদু বৰুৱাৰ ৫/৬ গৰাকীমান ছোৱালী আছিল। কিন্তু তৃতীয় ছোৱালী বিয়া দিবৰ সময়ত দৰা বিচাৰি নাপাই তেওঁ বৰ চিন্তিত হৈ পৰিছিল। কিয়নো ব্ৰাহ্মণৰ ছোৱালীক পুষ্পিতা হোৱাৰ আগতে বিয়া দিব নোৱাৰিলে বিপদ। এই বিষয়ত অকল পিতৃ-মাতৃ নহয়-- সমাজো সচেতন। অৱশেষত উপযুক্ত দৰাৰ সন্ধান নাপাই যদু বৰুৱাই নিজৰ কোমল বয়সীয়া ছোৱালীজনীৰ লগত এজন আদহীয়া দৰাৰ বিয়া পাতি দিবলৈ বাধ্য হ'ল। কিন্তু দুহ -তিনি বছৰ নৌহওঁতেই জীয়েক বিধৱা হ'ল। উকা বস্ত্ৰ পৰিধান কৰি বামুণৰ বিধৱা হিচাপে কঠোৰ ব্ৰত পালন কৰিবলৈ এজনী কোমল বয়সীয়া ছোৱালী বাধ্য হৈ পৰিল।[২৫] এই ঘটনাৰ পৰা অসমীয়া সমাজৰ বাল্য বিধৱাৰ নিষ্ঠুৰ ৰূপটো ওলাই পৰে। আজি কুৰি শতিকাৰ শেষ ভাগতো কোনো কোনো সম্প্ৰদায়ৰ মাজত বাল্য বিবাহ চলি থকা দেখিবলৈ পোৱা যায়।

অসমীয়া সমাজত পৰ্দা প্ৰথা আছিল। পুৰুষৰ দৰে মুকলিভাৱে ঘূৰি ফুৰাৰ

অধিকাৰ নাৰীৰ নাছিল। নাৰী আছিল অসূৰ্য্যস্পৰ্শ্যা। পৰ্দা প্ৰথা সম্পৰ্কে নলিনী বালা দেৱীয়ে লেখিছে এইদৰে ঃ

> *ডাঠ পৰ্দাৰ আৱৰণেৰে আৱৰি থোৱা এন্ধাৰ দিন। আজিৰ দিনৰ দৰে মাইকী মানুহবোৰ মুকলিমূৰীয়া হৈ ফুৰা আছিল অতি লাজৰ কথা। বিশেষকৈ ভদ্ৰ সমাজৰ ছোৱালী দহ-এঘাৰ বছৰৰ পৰা ঘৰৰ বাজ ওলাব নোৱাৰে। বোৱাৰী-জীয়ৰীৰ পৰা সকলো ভদ্ৰমহিলা ভয়ানক পৰ্দা প্ৰথাৰ আঁৰত ঘৰৰ চকুত দিন কটাবলগীয়া হৈছিল। ইফালে সিফালে যাবলগীয়া হ'লে দুটা ডাঙৰ বৰজাপিৰ মাজত সোমাই যাব লাগে, মুখত ওৰণিৰ আঁৰ লৈ। ঘোৰাৰ বাগীত গ'লে ঘোঁৰাৰ বাগীৰ দুৱাৰ বন্ধ কৰি যাব লাগে। মাইকী মানুহ আছিল সূৰ্য্য-চন্দ্ৰই দেখা নোপোৱা। আনকি বিয়া বাৰুত নৈত পানী তুলিবলৈ যাওঁতে 'চৌধুলী' লয়।* [১৬]

এইখিনিতে নলিনীবালা দেৱীয়ে''চৌধুলী' সম্পৰ্কে বৰ্ণনা দিবলৈ গৈ কৈছে যে 'চৌধুলী' হ'ল বিয়া-বাৰুত পানী তোলাৰ বাবে আঁৰ কাপোৰ হিচাপে ব্যৱহাৰ কৰা এখন আঠুৱা। এই ডাঙৰ আঠুৱাখনৰ চাৰিওফালে চাৰিডাল বাঁহ বান্ধি দিয়া হয় আৰু তাৰ মাজত তিৰোতাসকল সোমাই পানী তুলিবলৈ যায়।[১৭]

কিন্তু অসমত এই পৰ্দা প্ৰথা উচ্চ বৰ্গৰ মাজতহে আছিল। নিম্ন শ্ৰেণীৰ মাজত পৰ্দা প্ৰথাৰ কোনো ব্যৱস্থা নাছিল আৰু তেওঁলোক বহু ক্ষেত্ৰতে মুকলি-মুৰীয়া আছিল।[১৮]

এইখনেই পুৰণি সমাজ যি সমাজত নাৰীৰ যেনেকৈ চলাফুৰাৰ অধিকাৰ নাছিল, ঠিক তেনেকৈ শিক্ষা-দীক্ষাৰো কোনো অধিকাৰ নাছিল। বেজবৰুৱাই '*মোৰ জীৱন সোঁৱৰণ*'ত লেখিছে যে তেওঁৰ বৌয়েকে স্বামীলৈ লুকাই-চুৰকৈ চিঠি লেখিবলগীয়া হৈছিল। কাৰণ তিৰোতাই আৰু ঘাইকৈ ঘৰৰ বোৱাৰীয়ে চিঠি লেখাটো সেই সময়ত অকৰণীয় অকাৰ্যৰ ভিতৰত বুলি বিবেচিত হৈছিল।[১৯]

অৰুণোদয়ত 'স্ত্ৰী-শিক্ষা' (১৮৬১) শীৰ্ষক আলোচনাত হ.চ. নামৰ জনৈক লেখকে (পূৰ্ণ নাম দিয়া নাই) স্ত্ৰী-শিক্ষাৰ দ্বাৰা সমাজৰ অন্ধ কুসংস্কাৰ, গোড়ামি আঁতৰি যাব বুলি উল্লেখ কৰিছে এইদৰে ঃ

> ***ভাৰতবৰ্ষৰ বাহিৰে সকলো দেশৰ নীতিৰ বিপৰীতে এই দেশৰ তিৰোতাবিলাকৰ ৰূপ-গুণৰ আন একো লাভ নাই; সি কেৱল ঢাকি থবৰ নিমিত্তেহে হৈছে। আমাৰ তিৰোতা জেনিলিণ্ড, বা মান্যৱতী পিকলোমিনীৰ তুল্য হ'লেও, তাই গীত গোয়া থাকোক, ঘৰৰ মাৰলীএও তাইৰ মাত শুনিব নেপায়। যদি তাই উত্তম ৰূপে নাচিবৰ যোগ্যা হয়, তেওঁ হিন্দুৰ তিৰোতাই নচাটো দেৱতাৰ বস্তু চুৰ কৰাৰ সমান। লিখাপঢ়াও অতি অলপ দিনৰ পূৰ্বলৈকে মহাপাপ বুলি গণ্য***

আছিল।[৩০]

যেতিয়ালৈকে তিৰোতাবিলাকক বিদ্যা শিকাই মুক্তাবস্থা দিয়া নে যায়, তেতিয়ালৈকে দেশৰ মঙ্গল হ'বৰ সম্ভাৱনা নাই। . ... অতএব হে আমাৰ দেশীসকল! তোমালোকে তোমালোকৰ তিৰোতাৰ সহিতে যি কুসংস্কাৰ আছে, তাক এৰি পেলাই, সিহঁতক জ্ঞান বিদ্যা শিকাই উত্তম সঙ্গী জ্ঞান কৰা; কাৰণ সিহঁত তোমালোকৰ শৰীৰৰ এফাল আৰু উত্তম বন্ধু।[৩১]

ওপৰত উল্লিখিতি 'স্ত্রী-শিক্ষা' বিষযক আলোচনাৰ পৰা এই কথা স্পষ্ট হয় যে আমাৰ সমাজত তিৰোতাৰ যে কোনো স্বাধীনতা নাছিল, অকল সিয়ে নহয়, তিৰোতাই মানুহৰ দৰেও জীয়াই থাকিব নোৱাৰিছিল। নাৰীয়ে ডাঙৰকৈ কথা কোৱা বা হঁহা আদি নিষেধ কৰা ডাক আৰু মনুৰ বিধান অসমীয়া সমাজত পৰম্পৰাগতভাৱে মানি চলা হৈছিল। পুৰণি সমাজখনৰ দৃষ্টিতো আছিল -- নাৰী বিচাৰবুদ্ধিহীন এটা জীৱ মাত্ৰ। সেই সময়ৰ এচাম প্ৰগতিৰ পৰিপন্থী লোকে স্ত্রী স্বাধীনতাক ভাল চকুৰে চাব পৰা নাছিল আৰু স্ত্রী স্বাধীনতাক উপলুঙা কৰিছিল। এনেধৰণৰ এজন ব্যক্তি আছিল – *লম্বোদৰ বৰা* (১৮৬০ ১৮৯২)। তেওঁ স্ত্রী স্বাধীনতাৰ বিৰোধী আছিল আৰু পৰম্পৰাগত সামন্তবাদী চিন্তাৰ প্ৰতিভূ আছিল। তেওঁ 'সদানন্দৰ নতুন অভিধান' নামৰ ব্যংগ ৰচনাত 'সংস্কাৰ', 'স্ত্রী-শিক্ষা', 'স্ত্রী স্বাধীনতা'ৰ ব্যংগ কৰিছে। তেওঁ লেখিছে ঃ

হে মহিলাগণ! যি জাতিৰ তিৰোতাই মুখত এখন কুৎসিত ঢাকনি দি ৰাখে, সেই জাতিৰ কি উন্নতি আছে? তোমালোকে ওৰণি নেপেলালে ভাৰত উদ্ধাৰ কেনেকৈ হয়। . "অতএব জাগ জাগ গো ভগিনী মুখ হইতে আজি গুছুৱা ওৰণি।" ই এটা ৰিফৰ্ম বা সমাজ সংস্কাৰৰ উজ্জ্বল দৃষ্টান্ত।[৩২]

'স্ত্রী-শিক্ষা' সম্পৰ্কে উপলুঙা কৰিছে এইদৰে ঃ

'স্ত্রী শিক্ষা' চিঠি লিখিবলৈ শিকা। নাটক নভেলৰ (উপন্যাসৰ) পৰা মূৰ নদঙ্গা, বোৱা-কটা, ৰন্ধা বঢ়া আদি গৃহস্থালীৰ কাম পাহৰা, শৰীৰ দুৰ্বল অকামিলা আৰু হাড় ছাল শেষ কৰা, মন চঞ্চল, অসৎ আৰু কঠিন কৰা, দৰা এঙ্গাবলৈ শিকা, তিৰোতাৰ উচিত কামবোৰ পাহৰা, তিৰোতাক মতা কৰা, ফুলক বজ্ৰ কৰা, সৰোবৰক মৰুভূমি কৰা।[৩৩]

আকৌ 'স্ত্রী স্বাধীনতা'ক উপলুঙা কৰি তেওঁ এইদৰে লেখিছে ঃ

'স্ত্রী স্বাধীনতা' – তিৰোতাই কেইতা স্বামী এৰা বা স্বামী গ্ৰহণ নকৰা, অকলে অকলে ফুলনিত বতাহ ল'বলৈ যোৱা, শিক্ষিত বন্ধুক দেখা কৰা, পুৰুষে গৃহস্থালী চপোৱা, শাহ শহুৰক ঘৰৰ পৰা খেদোৱা বা খাবলৈ নিদিয়া, গিৰিয়েকৰ দ্বাৰাই ৰন্ধা বঢ়া আদি সকলো কাম চলোৱা, তিৰোতাক মুকলি কৰা বা পুৰুষ হাতীৰ ওপৰত মাউত

পতা। মুনিহৰ পিঠিত ভৰ দি হস্তীত আৰোহণ কৰা।[৩৪]

লম্বোদৰ বৰাৰ নিচিনা কিছুমান প্ৰাচীনপন্থী লোকে স্ত্ৰী স্বাধীনতা বা স্ত্ৰী-শিক্ষাৰ বিৰোধিতা কৰিলেও হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ দৃষ্টিভংগী আছিল মানৱীয় আৰু আধুনিক। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ঠন ধৰি উঠা সমাজখনৰ ওপৰত এওঁলোক দুজনৰ চিন্তাধাৰাই নৱজাগৰণৰ সৃষ্টি কৰিছিল। এওঁলোকে পূৰ্বসূৰীসকলৰ দৰে মাত্ৰ অতীতৰ জয়গানেই গোৱা নাছিল - লগে লগে সমালোচনাত্মক দৃষ্টিভংগীৰে অসমীয়া সমাজখন বিশ্লেষণ কৰিবলৈ আগবাঢ়ি গৈছিল। এওঁলোকৰ দৃষ্টিত পুৰণিটোৱে আচল সত্য নহয়। পুৰণি ৰক্ষণশীল চিন্তাধাৰা দলিয়াই পেলাই এক উদাৰ দৃষ্টিভংগী এওঁলোকে গ্ৰহণ কৰিছিল।

হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই মূলতঃ বিধবা বিবাহৰ সপক্ষে আৰু অসমীয়া সমাজত ধৰ্মৰ নামত চলা ব্যভিচাৰৰ বিৰুদ্ধে সমাজ সংস্কাৰমূলক দৃষ্টিভংগী গ্ৰহণ কৰিছিল। তেওঁলোকে এই প্ৰগতিশীল আদৰ্শ মূৰ পাতি লৈ তাক কাৰ্যকৰী কৰাত অহোপুৰুষাৰ্থ কৰিছিল। ইংৰাজী শিক্ষা গ্ৰহণ কৰিলে জাত যোৱাৰ যি প্ৰচণ্ড ভয় অসমীয়া সমাজখনত আছিল, তেওঁলোকে এই পুৰণি চিন্তাধাৰাৰ পৰা নিজকে মুক্ত কৰিবলৈ সমৰ্থ হৈছিল। বংগৰ নৱজাগৰণৰ প্ৰভাৱেও তেওঁলোকক বেছি সজীৱ কৰি তুলিবলৈ সমৰ্থ হৈছিল।

হেমচন্দ্ৰ বৰুৱাৰ পত্নীৰ অকাল মৃত্যুৰ পিছত তেওঁ পুনৰ বিবাহ নকৰালে। তেওঁৰ যুক্তি হ'ল এই যে যদি নাৰীয়ে স্বামীৰ মৃত্যুৰ পিছত বিয়াত বহিব নোৱাৰে, তেতিয়াহ'লে স্ত্ৰীৰ মৃত্যুতো স্বামীয়ে বিয়া কৰোৱাৰ কোনো নৈতিক অধিকাৰ নাই ঃ

> *মই ভাবি চালো, মোৰ ভাৰ্য্যাৰ মৃত্যু নহৈ মোৰ মৃত্যু হোৱা হ'লে তেওঁৰ কি অবস্থা হ'লহেঁতেন। তেওঁ মৰিছে, তথাপি মোৰ ইচ্ছা হ'লেই মই এটা কিয় তিনিটা বা অধিক বিয়া কৰাব পাৰোঁ; কিন্তু বিধবা হোৱাৰ পাছত পুনৰ বিয়াৰ নাম লোৱা মাত্ৰেই তেওঁৰ জাতি গ'লহেঁতেন, সমাজে বৰ্জিলেহেঁতেন আৰু তেওঁ জীয়ন্ততে মৰা যেন হৈ থাকিলহেঁতেন। ই কেনে অসম্ভৱ! কেনে অযুগুত!!! এতেকে পুনৰায় বিয়া কৰা মোৰ উচিত নহয়।*[৩৫]

তেওঁ আকৌ লেখিছে ঃ

> *শাস্ত্ৰ নেলাগে যুক্তিলৈ চালেই বিধবা বিয়াত যে কোনো দোষ নাই তাক বুজিব পাৰি, ...। এতিয়া চাওঁহকচোন মতা-তিৰোতা দুটা সমান জীৱ, ভোক, পিয়াহ, টোপনি, বোধ, ইচ্ছা, অঙ্গ-প্ৰত্যঙ্গ, জন্ম, মৰণ দুইৰো সমান। তথাপি এটাৰ যি স্বত্ব আছে, আনটোৰ সি নাই বোলা কথাটো কিমান অন্যায়, ইয়াক যাৰ অলপমান জ্ঞান আছে, সিও বুজিব পাৰে। ঈশ্বৰৰ বা স্বভাৱৰ নিয়মমতে বিধবাৰ বিয়া নিষিদ্ধ হোৱা*

হ'লে স্বামীৰ মৃত্যুৰ পাছত তিৰোতাৰ মনৰ পৰা সহবাসৰ বাঞ্ছা গুচি গ'লহেঁতেন, কিন্তু সকলোৱেই জানে, তেনে কেতিয়াও নহয়।[৩৬]

সেয়ে হেমচন্দ্র বৰুৱাই কৈছিল, যিহেতু স্বামী আৰু ভাৰ্যাৰ একে দেহ, একে প্ৰাণ, গতিকে দুইৰো ভিতৰত কোনো প্ৰভেদ নাই। পুৰুষে স্ত্ৰী মৰি গ'লে দ্বিতীয়বাৰ বিবাহ পাশত আবদ্ধ হৈ পৰাৰ যেনেদৰে স্বাধীনতা আছে - তেনেকৈ পুৰুষ মৰি গ'লে স্ত্ৰীৰো দৰকাৰ হ'লে বিবাহ পাশত আবদ্ধ হৈ পৰাৰ স্বাধীনতা থকা উচিত।[৩৭] হেমচন্দ্র বৰুৱাই এই যুক্তিৰ ভিত্তিত বিধৱা বিবাহৰ প্ৰচাৰ আৰু কাৰ্যকৰী ৰূপ দিয়াৰ বাবে দেশৰ ডেকাসকলক আহ্বান কৰিছে এইদৰে —

আমাৰ শিক্ষিত ডেকাসকলৰ মূৰত এটা বৰ গধুৰ বোজা আছে; সেই কথা সি বিলাকে ভাবি চোৱা উচিত। ইয়াৰ পাছত তেওঁবিলাক সমাজৰ নায়ক আৰু সাধাৰণ মতৰ স্ৰষ্টা হ'ব; তেতিয়া তেওঁলোকে যেন কুসংস্কাৰ আৰু দেশাচাৰৰ দাস হৈ নাথাকে, আৰু বিধবাৰ বিয়াৰ বাটটো বহলায়, এয়ে মোৰ আন্তৰিক ইচ্ছা আৰু প্ৰাৰ্থনা।[৩৮]

গুণাভিৰাম বৰুৱাই ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰি আত্মীয়স্বজনৰ মতৰ বিপৰীতে গৈয়ো বিধৱা বিবাহ কৰিছিল। বলৰাম ফুকনে হেনো তেওঁক এই বিয়াৰ পৰা আঁতৰাই অনাৰ চেষ্টা কৰিছিল। প্ৰতিপত্তি থাকিলেও সমাজখনক উলাই কৰিবৰ ক্ষমতা এওঁলোকৰ নাছিল। সমাজত তেতিয়াও শাস্ত্ৰ বিশ্বাসৰ ভেটি আছিল কটকটীয়া। এই কটকটীয়া সামাজিক বান্ধোনৰ মাজত থাকি গুণাভিৰাম বৰুৱাই বিধৱা বিবাহ কৰাত অসমীয়া সমাজখনৰ মাজত তোলপাৰ লাগি গৈছিল। সেয়ে এই সমাজখনত সসম্মানে আৰু নিৰ্বিৰোধে বাস কৰা তেওঁৰ সম্ভৱ নহ'ল। সেই দেখিয়েই শেষত তেওঁ প্ৰৱসুৱা হৈ শান্তি বিচাৰিবলগীয়া হৈছিল।[৩৯]

গুণাভিৰাম বৰুৱাই 'ৰাম নৱমী' (১৮৫৭) নাট লিখি সাহিত্যজগতত অকল আলোড়ন তোলাই নহয় নিজেও সেই পথৰ সন্ধানত ব্ৰতী হ'ল।

ৰাম আৰু নৱমীৰ গুপুত প্ৰণয়ৰ কাহিনীক লৈ ৰচনা কৰা 'ৰাম নৱমী' নাটৰ মূল প্ৰতিপাদ্য বিষয় হৈছে – সৰুতে বিধৱা হোৱা নৱমীৰ যৌৱন কালত প্ৰণয়ৰ হাবিয়াস।

নৱমী ফুলতে বাঁৰী হোৱা ছোৱালী। প্ৰথম যৌৱনৰ অতিথি ৰাম। সমাজৰ চকুত ই নীতিবিৰুদ্ধ। নৱমীৰ মুখেৰে নাট্যকাৰে এজনী বিধবাৰ কৰুণ অন্তৰ্দ্বন্দ্ব ফুটাই তুলিছে।

ময় কেতিয়াও কুকৰ্ম্ম কৰা নাই। জগদীশ্বৰ সাক্ষী। এই জনতে ময় প্ৰথমে বিবাহ কাৰায়া (?) জনৰ দৰে প্ৰাণ মন সমৰ্পণ কৰি দিছোঁ। তেওঁ বিনে মোৰ অন্য আৰু কোনো ভাবনা নাই। তেওঁয়েই সকলো। বিবাহৰ প্ৰধান যি তাৎপৰ্য সেইটী ইয়াত হে ঘটিল প্ৰথমটীত ন ঘটীল। মোক অসতী বুলিব। ঈশ্বৰে জানে ময় যদি পতিব্ৰতা হই

থকা নাই। ঈশ্বৰে ইয়াৰ যন্ত্ৰণা দিব। সাস্ত্ৰতো বিশেষ বিধি আছে, এনে অৱস্থাত আমাৰ স্বামী লব পাই। তথাপি যে এনে হইছে ই কোন দাৰুণ দেশাচাৰ![৪০]

নৱমীয়ে ৰামক দেহ মন সপি দিলেও ইয়াৰ পৰিণতি বিষময় হৈ পৰিল। ৰামে অন্তঃসত্ত্বা নৱমীক সমাজৰ ভয়ত প্ৰতাৰণা কৰিলে। আগন্তুক বিপদৰ সন্মুখীন হৈ নৱমীয়ে আত্মহত্যা কৰাৰ বাহিৰে আন পথ বিচাৰি নাপালে। সেয়েহে নৱমীয়ে মনৰ দুখত কৈছে, "যি দেশত এনে দেশাচাৰ তাত যেন মানুহ জন্ম নধৰে। জন্ম হলেও যেন তিৰোতা নহয়। তিৰোতা হলেও যেন বিধৱা নহয়। বিধৱা হলেও যেন প্ৰথম অৱস্থাত নহয়।"[৪১] এই বেদনা বিধৱাৰ বুকুভাঙি বৈ অহা বেদনাৰ ফল্গুধাৰা। বেদনা ৰোধ কৰিব নোৱাৰি আত্মহত্যাৰ পথ বাচি লোৱা অগণন নৱমীৰ মৃত্যু বেদনাই অসমীয়া সমাজৰ সচেতন পুৰুষসকলক বিধৱা বিবাহ প্ৰচলনৰ বাবে পৰম্পৰাগত সমাজৰ কঠোৰ নিয়মৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ উদগনি দিছিল।

পৰম্পৰাগত সমাজৰ ৰক্ষণশীলতাক কটাক্ষ কৰি *লক্ষ্মীনাথ বেজবৰুৱাই* (১৮৬৮-১৯৩৮) 'স্ত্ৰী স্বাধীনতা' শীৰ্ষক প্ৰবন্ধত কৈছে ঃ

যদি এইটোৱেই হিন্দু ধৰ্মৰ ব্যৱস্থা, তেন্তে ঘৈনীয়েক মৰিলেও গিৰিয়েক বৰলাই নকৈ ছোৱালী আনিব নোৱাৰাটো হ'লেহে এনে ব্যৱস্থাৰ সামঞ্জস্য থাকে। আজি অত কালৰে পৰা হিন্দু শাস্ত্ৰ, সমাজ আৰু ৰীতিয়ে এই ব্যৱস্থামতে আপোনালোকক চলাইছে, আৰু আপোনালোকেও তেনেকৈ চলি চলি সেই অৱস্থাত যে কিবা খুঁত আছে, সেইটোলৈ চকু নিদিয়া হৈছে। মহাত্মা গান্ধীয়ে কবৰ নিচিনা ইও এবিধ 'স্লেভ্ মেন্টেলিটী' অৰ্থাৎ দাসত্ব মনোভাৱ।[৪২]

'বৰবৰুৱা'ৰূপী লক্ষ্মীনাথ বেজবৰুৱাই নাৰীৰ ওপৰত চলা সমাজৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে মাত মাতিছিল। 'স্ত্ৰী স্বাধীনতা'ৰ ওপৰত লিখা তেওঁৰ ৰচনা কেইখন এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। বৰবৰুৱাৰূপী বেজবৰুৱাই এটা নিবন্ধত মহিলা সভা এখনত মহিলাসকলক উদ্দেশ্য কৰি কৈছে ঃ

হে মহিলাবৃন্দ! আপোনালোকে যদি সঁচাকৈয়ে স্বাধীনতা বিচাৰিছে, তেন্তে এই পুৰণি পঁচা ঘুনীয়া কেৰিমেৰিৰ পাকৰ পৰা ওলাওঁক। বিধবাই নেভাবক যে স্বামীৰ অবিহনে তেওঁৰ জীৱন বৃথা। ...... তেওঁৰ মন যায় মৰা স্বামীলৈ বেজাৰ কৰক, তাত হানি নাই; কিন্তু সেইজন পাৰ্টনাৰ বা অংশীদাৰ গ'ল বুলিয়েই তেওঁ যেন হাত সাবটি বহি থাকি লোকৰ কৃপাৰ পাত্ৰ হৈ নেথাকে। .... বিধবাই অকলৈ স্বাধীনভাবে খুটি খাবলৈ সমৰ্থ হোৱা উচিত আৰু আপোনালোকৰ সভাই মহিলাসকলক প্ৰাণপণে এই শিক্ষাহে দিয়া উচিত। বিধবাৰ পুনৰ্বাৰ বিয়া কৰোৱা — তেওঁৰ ইচ্ছাধীন কাৰ্য হওঁক।[৪৩]

বৃটিছ আগমনৰ সময়ত যি সমাজচেতনাৰ উদ্ভৱ হৈছিল সি আছিল মূলতঃ বাল্য বিবাহ আৰু বিধৱা বিবাহৰ ওপৰত। নাৰীৰ ওপৰত চলা সামাজিক অৱমাননাই আছিল ইয়াৰ ভিত্তি। বাল্য বিবাহৰ বলি হোৱা অনেক নাৰীয়ে বিবাহৰ মূল তাৎপৰ্য উপলব্ধি নকৰোঁতে বাল্য অৱস্থাতে বিধৱা হৈ পিতৃগৃহত (খুব কমেইহে স্বামী গৃহত) সামাজিক অন্যায়ৰ বলি হ'বলগীয়া হৈছিল। প্ৰায় দীৰ্ঘ দিনৰ ১৯২৯ চনত পাছ হোৱা চাৰ্দা আইনৰ প্ৰভাৱত নাৰীয়ে বাল্য বিবাহৰ কৱলৰ পৰা মুক্ত হ'বলৈ আইনতঃ সমৰ্থ হৈছিল। আনহাতে ভাৰতৰ জাতীয় মুক্তি আন্দোলনৰ প্ৰসাৰ ঘটাৰ লগে লগে আন্দোলনত নাৰীৰ অংশগ্ৰহণ বৃদ্ধি পাইছিল আৰু নাৰীয়ে সামাজিক বাধা নেওচি শিক্ষা গ্ৰহণ কৰিবলৈ আগুৱাই আহিছিল। ইয়াৰ ফলতে নাৰীৰ উচ্চ শিক্ষাৰ বাবে ১৯৩৬ চনত *'লেডী কিন কলেজ'* প্ৰতিষ্ঠা হয়।

১৯২৬ চনৰ পৰা 'অসম মহিলা সমিতি'ৰ সম্পাদিকা আছিল ক্ৰমে চন্দ্ৰপ্ৰভা শইকীয়ানী, ঘনকান্তি ফুকননী, শশীপ্ৰভা হাজৰিকা প্ৰমুখ্যে 'অসমৰ বিশিষ্টা মহিলাসকল। মহিলা সমিতিয়ে চাৰ্দা বিল কাৰ্যত পৰিণত কৰাৰ বাবে আন্দোলন গঢ়ি তুলিছিল আৰু ইয়াক প্ৰতিষ্ঠিত কৰাৰ বাবে যত্ন কৰিছিল।[৪৪] কিন্তু চাৰ্দা বিল কাৰ্যত পৰিণত কৰিবলৈ যাওঁতে মহিলা সমিতিৰ মাজতে মতপাৰ্থক্যই দেখা দিছিল। সেই সম্পৰ্কে নলিনীবালা দেৱীয়ে লেখিছে ঃ

> *সাৰদা বিলৰ সপক্ষে বিপক্ষে দুটা দলৰ সৃষ্টি হ'ল। এদলে সাৰদা বিল চলাবলৈ দৃঢ়প্ৰতিজ্ঞ, আনদলে প্ৰাচীন ৰীতি ভঙ্গ কৰাৰ তীব্ৰ বিৰোধী। .... ৰাইজৰ তৰফৰ পৰা কুমাৰ ভাস্কৰ নাট্য মন্দিৰত এখন প্ৰকাশ্য সভা আহ্বান কৰা হ'ল। .... সৰ্বসন্মতিক্ৰমে সাৰদা বিল গ্ৰহণ কৰাটোৰেই স্থিৰ হ'ল। সাৰদা বিলৰ সপক্ষে মই আৰু ঁকালিপ্ৰসাদ বৰুৱাৰ ভনীয়েক মোৰ সখী ঁকমলা দেৱী গোস্বামীয়ে ভোট দিছিলোঁ। প্ৰাচীন ৰীতি ৰক্ষাৰ সপক্ষে ঁচন্দ্ৰকান্ত শৰ্মাৰ পত্নী শ্ৰীভুৱনেশ্বৰী (?) দেৱীয়ে ভোট দিছিল। তেতিয়াৰে পৰা অসমত বয়স্থা(?) ছোৱালীৰ বিয়া প্ৰচলিত হৈ পৰিল।[৪৫]*

চাৰ্দা বিলৰ দ্বাৰা অসমীয়া সমাজ সঁচাকৈয়ে উপকৃত হ'ব, এই কথা বহুতে মানিবলৈ টান পালেও এচাম সচেতন অসমীয়া ব্যক্তিয়ে চাৰ্দা আইন অসমীয়া সমাজত যাতে মানুহে গ্ৰহণ কৰে তাৰ বাবে আবেদন কৰিছিল। নগাঁও মহিলা সমিতিৰ অধিৱেশনত দিয়া ভাষণত *জ্ঞানদাভিৰাম বৰুৱাই* (১৮৮০-১৯৫৫) কৈছিল, "আপোনালোকে চাৰ্দা আইনৰ (বিয়া সম্পৰ্কীয় নতুন আইনৰ) কথা নিশ্চয় শুনিছে। আপোনালোকৰ কি মত ক'ব নোৱাৰো। মই হ'লে কওঁ যে এই আইনৰ দ্বাৰা মঙ্গল হ'ব। অসমত এই আইনৰ বিৰুদ্ধে যোৱা মানুহ তাকৰ। কিন্তু এই আইনৰ বিৰোধী মানুহ ইয়াতো কিছু আছে।" [৪৬]

এনেধৰণে অসমীয়া সমাজখনে পৰম্পৰাৰ শিকলি ছিঙি আহিবলৈ কৰা চেষ্টা

এটা যুগৰ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছিল।

কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিৰ ইতিহাসৰ অৱলম্বনত নাৰী-মংগলৰ বিভিন্ন অনুষ্ঠান আৰু কাৰ্যাৱলীৰ আলোচনা

প্ৰাক্ স্বাধীন যুগত কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিৰ দ্বাৰা পৰিচালিত নাৰী-মংগলৰ যি বিভিন্ন অনুষ্ঠান গঢ়ি উঠিছিল, সেই অনুষ্ঠানসমূহে অসমৰ বহুতো নিষ্পেষিতা, পদদলিতা, নিৰ্যাতিতা জীয়ৰী-বোৱাৰীক নতুন জীৱনৰ সোৱাদ দিয়াৰ চেষ্টা কৰিছিল। এই অনুষ্ঠানসমূহে ৰান্ধনি ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ থকা নাৰী সমাজক বাহিৰলৈ উলিয়াই অনাৰ প্ৰয়াসো তেওঁলোকৰ ৰাজনৈতিক কাৰ্যাৱলীৰ অংগীভূত কৰি লৈছিল।

অসমৰ নাৰী জাগৰণৰ ক্ষেত্ৰত যাৰ নাম আমি প্ৰথমতে ল'ব লাগিব তেওঁ হ'ল চন্দ্ৰপ্ৰভা শইকীয়ানী। অসমত চন্দ্ৰপ্ৰভা শইকীয়ানী আছিল নাৰীবাদী আন্দোলনৰ ধ্বজা ধৰোঁতা। নাৰীৰ প্ৰতি কৰা সামাজিক অন্যায়ৰ বিৰুদ্ধে তেওঁ মাত মাতিছিল। টিহুৰ ওচৰৰ দৈশিংগৰী গাঁৱৰ কোনো এক অতি সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰা চন্দ্ৰপ্ৰভাই অশেষ পৰিশ্ৰম কৰি নিজৰ একাগ্ৰতাৰে শিক্ষা লাভ কৰিবলৈ সমৰ্থ হৈছিল। ১৯১৫ চনৰ পৰা এওঁৰ বিপ্লৱী জীৱনৰ আৰম্ভণি হয়।

কুসংস্কাৰৰ বিৰুদ্ধে তেওঁ প্ৰথমতে অভিযান আৰম্ভ কৰিছিল। দৈশিংগৰী গাঁৱৰ সত্ৰৰ কাষত থকা কীৰ্তন ঘৰটোত আৰু লোকেল বোৰ্ডৰ পকী কুঁৱাটোত উচ্চ সম্প্ৰদায়ৰ লোকৰহে অধিকাৰ আছিল। নিম্নবৰ্ণৰ তিৰোতাসকলে পানী নিবলৈ হ'লে উচ্চ বৰ্ণৰ তিৰোতাসকলে পানী তুলি দিছিল। সত্ৰাধিকাৰৰ লগত আলোচনা কৰি তেওঁ এই নিয়ম উঠাই পেলালে। ১৯১৯ চনত বৰপেটা কীৰ্তন ঘৰত নাৰীৰ প্ৰৱেশাধিকাৰৰ দাবীত তেওঁ প্ৰথমবাৰৰ বাবে আন্দোলন গঢ়ি তুলিছিল। কিন্তু এই ক্ষেত্ৰত তেওঁ কৃতকাৰ্য হ'ব নোৱাৰিলে।[৮৭] ১৯২১ চনত মহাত্মা গান্ধী অসমলৈ আহে আৰু ২০ আগষ্টৰ দিনা তেজপুৰত ভাষণ দিয়ে। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে মহাত্মা গান্ধীৰ ভাষণ শুনি বিদেশী বস্তু বৰ্জন আৰু খাদী প্ৰচাৰৰ আঁচনি হাতত লয়। স্বাধীনতা আন্দোলনৰ অংশ হিচাপে এই আঁচনি কাৰ্যকৰী কৰাৰ বাবে নাৰীসকলক সামৰি লোৱাৰ প্ৰয়োজনতেই এটা মহিলা সংগঠনৰ আৱশ্যকতা তেওঁ উপলব্ধি কৰিছিল। ১৯২৬ চনৰ আগতে নাৰীৰ বাবে কোনো সুকীয়া সংগঠন নাছিল। প্ৰতিবছৰে অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ একে মণ্ডপতে একোটাকৈ মহিলা শাখা গঠন হৈছিল। ১৯২৫ চনত নগাঁৱত বহা অসম সাহিত্য সভাৰ অধিবেশনত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে যোগ দিছিল আৰু এই সভাতে মণ্ডপৰ পৰা তেওঁৰ বক্তব্যত মহিলাসকলক পৰম্পৰাগত পৰ্দা প্ৰথাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ আহ্বান জনাইছিল। যেতিয়া তেওঁ দেখিলে যে পিঞ্জৰাত

থকা প্ৰাণীৰ দৰে বাঁহৰ চিকৰ পৰ্দাৰ আঁৰত মহিলাসকল বহি আছে, তেতিয়া তেওঁ এই প্ৰথাৰ বিৰোধিতা কৰি বক্তৃতা দিলে। "অভ্যৰ্থনা সমিতিক সুধিলে জাতিৰ আধা অংশক চিকৰ আঁৰত ৰাখি আমি সমাজৰ কল্যাণৰ বাবে কি সাহিত্য সৃষ্টি কৰিম? তাৰ পিছত আইসকলক গঞ্জণাৰ সুৰত ক'লে, "আপোনালোকৰ আত্মসন্মানে এনেদৰে পিঞ্জঁৰাৰ ভিতৰত বন্দী হৈ থাকিবলৈ লাজ পোৱা নাইনে? সিংহিনীৰ দৰে চিক ভাঙি ওলাই নাহে কিয়?" [৪৮] চন্দ্ৰপ্ৰভাৰ এই আহ্বানত হেজাৰ হেজাৰ মহিলাই চিক ভাঙি ওলাই আহিল। তেতিয়াৰ পৰাই অসমৰ এই সামন্ততান্ত্ৰিক চিকৰ পৰ্দা প্ৰথা উঠি গ'ল। অৱশ্যে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ এই কাৰ্য সেই সময়ৰ অভ্যৰ্থনা সমিতিৰ কিছু ৰক্ষণশীল সদস্যাই ভালভাৱে মানি ল'ব পৰা নাছিল। ইয়াৰ পিছদিনা পতা এখন মহিলা সভাতেই চন্দ্ৰপ্ৰভা শইকীয়ানীক মহিলা সমিতি গঠন কৰাৰ দায়িত্ব দিয়া হয়।[৪৯]

১৯২৬ চনত ধুবুৰী সাহিত্য সভাৰ অধিৱেশনৰ সভাপতি আছিল বেণুধৰ ৰাজখোৱা। তেৱেঁই চন্দ্ৰপ্ৰভা শইকীয়ানীক মহিলা সমিতি গঠন কৰিবলৈ উৎসাহিত কৰে। লক্ষীপুৰৰ জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, মহাদেৱ শৰ্মা আৰু সেই সময়ৰ পুলিচ অফিচাৰ ভুৱন চন্দ্ৰ দত্তয়ো তেওঁক মহিলা সমিতি গঠন কৰাৰ বাবে উৎসাহিত কৰে। বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত 'বিজনী' হলত বহা মহিলাৰ সভাত অসম মহিলা সমিতিয়ে সাংগঠনিক ৰূপ পৰিগ্ৰহ কৰে। সমিতিৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হয় চন্দ্ৰপ্ৰভা শইকীয়ানী।[৫০]

মহাত্মাৰ নেতৃত্বৰ অসহযোগ আন্দোলনৰ সময়ত মহিলাসকল ৰাজপথলৈ ওলাই অহাৰ সুবিধা পালেও জীয়ৰী ছোৱালীয়ে তেনেদৰে ওলাই ফুৰাটো সেই সময়ৰ কোনো অভিভাৱকে স্বইচ্ছাই অনুমোদন কৰা নাছিল। কিন্তু কিছু শিক্ষিতা সচেতন মহিলাই অশেষ কষ্ট স্বীকাৰ কৰিও আন্দোলনত যোগদান কৰিছিল। অসমৰ সেই সময়ৰ প্ৰথম মহিলা বি. এ. ৰাজবালা দাসে কলিকতাৰ পৰা পঢ়াশুনা বাদ দি আন্দোলনত যোগদান কৰাৰ বাবে লৰি আহিছিল। অসমীয়া মহিলাৰ এনে কৰ্তব্যপৰায়ণতা দেখি মহাত্মাই এজন মাৰোৱাৰীক কৈছিল, "এই ছোৱালীজনীয়ে যেনেকৈ স্বৰাজ লাভ কৰা যুঁজত সংহাৰি জনাব খুজিছে, আপোনালোকে অনুভৱ নকৰেনে এই অসহযোগ আন্দোলনত আপোনালোকৰ প্ৰত্যেকজনেই যোগদান কৰা উচিত বুলি?" [৫১]

ডিব্ৰুগড় কংগ্ৰেছ কমিটিৰ মহিলা শাখাৰ সম্পাদিকা আছিল ৰাজবালা দাস। ৰাজবালা দাসে তেওঁৰ 'তিনি কুৰি দহ বছৰৰ স্মৃতি' গ্ৰন্থত উল্লেখ কৰিছে - কেনেকৈ বহুতো বাধা-বিঘিনি অতিক্ৰম কৰি কংগ্ৰেছৰ প্ৰচাৰ কাৰ্যত ব্ৰতী হৈছিল। ডিব্ৰুগড়ৰ টেঙাখাতত মহাত্মাৰ বাণী প্ৰচাৰ কৰিবলৈ যোৱাৰ বিবৰণ তেওঁ এইদৰে দাঙি ধৰিছে ঃ

আমি পুৱাবেলাতে সেই ঠাইত উপস্থিত হৈছিলোঁ। এঘৰত সোমাই

দেখিলো ২/৩ জনীমান গাভৰু তিৰোতাই তাঁত বাতি কৰি আছিল। তেওঁলোকৰ ভিতৰত এগৰাকী বয়সীয়াল তিৰোতা আছিল । যেই মই সভ্যাভুক্ত কৰা বহীখন উলিয়াই তেওঁলোকক সভ্যা কৰিবলৈ অহা কথা ক'লো আৰু লগে লগে মহাত্মাৰ বাণীৰ বিষয়ে ক'বলৈ আৰম্ভ কৰিলো বয়সীয়াল তিৰোতাগৰাকীয়ে ক'লে, "যাৱ যদি এতিয়াই ইয়াৰ পৰা গুচি যা, নহ'লে (এখন দা দেখুৱাই ক'লে) এই দাৰেই ঘাপ মাৰি কাটি থম।"[৫২]

এনে প্ৰতিকূল অৱস্থাৰ সন্মুখীন হোৱাৰ সাহসো সেই সময়ত অসমীয়া মহিলাই অৰ্জন কৰিছিল।

১৯২৬ চনত ২৬ ডিচেম্বৰৰ পৰা ২৮ ডিচেম্বৰলৈকে পাণ্ডুত বহা কংগ্ৰেছ অধিৱেশনত বিলাতী বস্ত্ৰ বৰ্জন, খদ্দৰ প্ৰচলন, চুৰট, মদ-ভাং, কানি আদি ৰাগিয়াল বস্তু বৰ্জন, অস্পৃশ্যতা বৰ্জন, মুদ্ৰানীতিৰ বিৰুদ্ধে, নিবনুৱা সমস্যা সম্পৰ্কত আৰু সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলাৰ বাবে আহ্বান দিয়ে।[৫৩]

কংগ্ৰেছৰ এই আহ্বানৰ ফলস্বৰূপেই মদ, ভাং, চুৰট আদি প্ৰায় বন্ধ হৈ গৈছিল আৰু কানিৰ দোকানত পিকেটিং কৰা বাবে কানিৰ প্ৰচলনো বন্ধ হৈ যোৱাত অসমত সামাজিক অপৰাধৰ সংখ্যা কম হৈ গৈছিল।[৫৪]

সেই সময়ত স্বৰাজ আন্দোলনত যোগদান কৰাৰ বাবে পুৰুষসকলৰ দৰে ৰাজপথলৈ ওলাই আহিছিল অসমৰ অভিজাত ঘৰৰ মহিলাসকল। নলিনী বালা দেৱীয়ে উল্লেখ কৰিছে যে সেই সময়ত হেমন্ত কুমাৰী দেৱী, ধৰ্মদা দেৱী, গিৰিজা দেৱী, স্নেহলতা ভট্টাচাৰ্য, গণেশ্বৰী দেৱী আদি অভিজাত ঘৰৰ মহিলাই কংগ্ৰেছৰ স্বেচ্ছাসেৱিকা হিচাপে গাঁওবোৰলৈ গৈ কংগ্ৰেছৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে প্ৰচাৰ কৰি ফুৰিছিল।[৫৫]

ঊনবিংশ শতিকাৰ সংস্কাৰ আন্দোলন আৰু স্বাধীনতা আন্দোলনত নাৰীৰ সক্ৰিয় অংশগ্ৰহণে চন্দ্ৰপ্ৰভা শইকীয়ানী, ৰাজবালা দাস আদিৰ নিচিনা শিক্ষিতা আৰু সচেতন নাৰীৰ সৃষ্টি কৰিলে; আৰু এওঁলোকৰ প্ৰচেষ্টাতে ১৯২৬ চনত নাৰী-মংগলৰ দৃষ্টিভংগী আগত ৰাখি *'অসম মহিলা সমিতি'* নামৰ মহিলাৰ এটা সুকীয়া সংগঠন সৃষ্টি হৈছিল। ইয়াৰ আগতে অৱশ্যে ঠায়ে ঠায়ে স্বাধীনভাৱে কিছুমান মহিলা সংগঠন সৃষ্টি হৈছিল। ১৯২৬ চনত এই মহিলা সংগঠনসমূহ লগ লগাই ৰাজ্যিক ভিত্তিত পোনপ্ৰথমবাৰৰ বাবে মহিলা সমিতি গঠন কৰে। ডিব্ৰুগড়ত ১৯১৫ চনতে হেমপ্ৰভা দাস, ডাঃ তিলোত্তমা ৰায়চৌধুৰী আৰু অমলপ্ৰভা দাসৰ মাতৃয়ে *'ডিব্ৰুগড় মহিলা সমিতি'* নামেৰে এখন মহিলা সমিতি গঢ়ি তুলিছিল। ঠিক সেইদৰে ১৯১৭ চনত নগাঁৱত অস্থায়ীভাৱে নগাঁও বালিকা বিদ্যালয়ত শিক্ষয়িত্ৰীৰ কাম কৰি থকা অৱস্থাতে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে *'নগাঁও মহিলা সমিতি'* গঠন কৰিছিল। অসমীয়া বঙালী মহিলাসকলে মিলি তেজপুৰতো *'তেজপুৰ মহিলা*

সমিতি' গঠন কৰিছিল। এই সমিতিৰ নেতৃত্বত আছিল সৰলা দেৱী, স্বৰ্ণময়ী দেৱী, মিছেছ মনোমোহন লাহিড়ী আদি মহিলাসকল। এওঁলোকৰ পিছত কিৰণময়ী আগৰৱালা আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীয়েও এই সংগঠনৰ নেতৃত্ব লৈছিল।[৫৬]

'অসম প্ৰাদেশিক মহিলা সমিতি'ৰ প্ৰথম অধিৱেশন গোৱালপাৰাত আৰু দ্বিতীয় অধিৱেশন যোৰহাটত বহে। ১৯২৯ চনত বহা গোলাঘাট অধিৱেশনত 'বাল্য বিবাহ নিৰোধ' প্ৰস্তাৱ গৃহীত হয়। সভাৰ সভানেত্ৰী আছিল নাৰায়ণী সন্দিকৈ (ৰাধাকান্ত সন্দিকৈৰ পত্নী)। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে মহিলাসকলক নেতৃত্ব দিছিল।

স্ত্ৰী-শিক্ষাৰ প্ৰবৰ্ত্তন, পৰ্দা প্ৰথাৰ উচ্ছেদ, মাতৃ আৰু শিশু-মংগল, বয়সীয়াল মহিলাৰ শিক্ষা আঁচনি, মাদকদ্ৰব্য নিবাৰণ, বাল্য বিবাহ নিৰোধ, খাদী আৰু কুটীৰ শিল্পৰ প্ৰসাৰ, অসৱৰ্ণ বিবাহত উৎসাহ, হৰিজন সেৱা, অনাথ আৰু পৰিত্যক্তাৰ কাৰণে আশ্ৰয়গৃহ, হৰিজন আৰু নাৰীৰ মন্দিৰ প্ৰবেশ আৰু অস্পৃশ্যতা বৰ্জনৰ আঁচনিৰে অসম প্ৰাদেশিক মহিলা সমিতিয়ে কিছু ক্ষেত্ৰত কৃতকাৰ্যতা লাভ কৰিছিল। চাৰ্দা আইন কাৰ্যকৰী কৰাৰ বাবে মহিলা সমিতিয়ে যথেষ্ট চেষ্টা কৰিছিল। মহিলা সমিতিৰ কৰ্মীসকলে এনে খবৰ পালেই সেই বিয়া ভাঙি দি কন্যাপক্ষক পিছত ছোৱালীৰ বাবে উপযুক্ত দৰা বাচি দিছিল।[৫৭]

মহিলা সমিতিয়ে স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ১৯২৯ চনৰ আগলৈকে কটন কলেজত এজনী ছোৱালীও শিক্ষালাভ কৰাৰ বাবে ভৰ্তি হোৱা নাছিল। অৱশ্যে জাতীয় আন্দোলনত নাৰীৰ অংশগ্ৰহণৰ ফলত পুৰণি পৰম্পৰাগত কুসংস্কাৰৰ বান্ধ লাহে লাহে কিছু সোলোক-ঢোলোক হৈ পৰিল। ১৯২৯ চনত কটনৰ অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ কন্যা সুজিতা ৰায়ে কটন কলেজত ভৰ্তি হয়। পিছৰ বছৰত গুৰুপ্ৰসাদ বৰুৱাৰ কন্যা লিলি বৰুৱা আৰু কমলাকান্ত ভট্টাচাৰ্যৰ ছোৱালী উষা ভট্টাচাৰ্যই পঢ়িবলৈ আহে। কিন্তু সেই সময়ৰ সমাজৰ এচাম ৰক্ষণশীল ব্যক্তিয়ে ছোৱালী এইদৰে পঢ়িবলৈ অহাটো সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল। পাণবজাৰ ছোৱালী হাইস্কুলৰ বঁটা বিতৰণী সভাত সৰু সৰু ছোৱালীয়ে নাচ-গান কৰাত সমাজৰ মুৰব্বীসকল ক্ষুব্ধ হৈছিল আৰু ইয়াৰ বাবে স্কুলৰ শিক্ষয়িত্ৰী ৰাজবালা দাসে বহুতো বাধা - বিঘিনিৰ সন্মুখীন হ'বলগীয়া হৈছিল।[৫৮]

মহিলা সমিতিৰ গঠনমূলক কাৰ্যৰ প্ৰতি অসমৰ বহুতো প্ৰগতিশীল ব্যক্তিয়ে সমৰ্থন জনাইছিল আৰু উৎসাহিত কৰিছিল। জ্ঞানদাভিৰাম বৰুৱাই কামৰূপ মহিলা সমিতিৰ অধিৱেশনত মহিলাসকলক উদ্দেশ্য কৰি কৈছিল, "আপোনালোকৰ আটায়ে একোজনী ফ্লোৰেন্স নাইটিংগেল।"[৫৯]

১৯৪৭ চনত অসম প্ৰাদেশিক মহিলা সমিতিৰ সন্মিলন নগাঁৱত অনুষ্ঠিত হৈছিল। সভানেত্ৰী নলিনীবালা দেৱীয়ে জাতি গঠনৰ সময়ত মহিলাসকলৰ ওপৰত থকা দায়িত্ব, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে সকলো অসমবাসীৰ মাজত

মিলাপ্ৰীতিৰ ক্ষেত্ৰত নাৰী সমাজৰ কৰ্তব্য আৰু কুসংস্কাৰৰ পৰা মুক্ত হোৱাৰ প্ৰয়োজনীয়তা, সাহিত্য সেৱা, দুৰ্নীতি, মাদকদ্ৰব্য ব্যৱহাৰ আদি যিবোৰে জাতীয় চৰিত্ৰ কলুষিত কৰিছে, সেইবোৰে নাৰী সমাজক বৰকৈ স্পৰ্শ নকৰিলেও পুৰুষসকলৰ মাজৰ পৰা এইবোৰ যে অকল নাৰীসকলেহে গুছাব পাৰিব তাক বুজাই কৈছিল। ৰাজবালা দাসে কৈছিল যে অকল শিক্ষাৰ দ্বাৰাইহে মানুহৰ মনৰ বদ্ধমূল কুসংস্কাৰ দূৰ হোৱাটো সম্ভৱ।[৮]

এইদৰেই কংগ্ৰেছৰ অৱলম্বনত অসম প্ৰাদেশিক মহিলা সমিতিয়ে নাৰী প্ৰগতিমূলক বহুতো কাম-কাজৰ মাজত লিপ্ত হৈছিল আৰু বৰ্তমানো এই সমিতিয়ে তাঁত শিল্প, শিশুকল্যাণ, গৰ্ভৱতী নাৰীৰ পুষ্টিকৰ খাদ্য যোগান আদি আঁচনিৰ মাজেদি অসমৰ এক অংশ নাৰীৰ মাজত নিজৰ অস্তিত্ব বজাই ৰাখিছে। অসম প্ৰাদেশিক মহিলা সমিতিয়ে তেওঁলোকৰ সংবিধানত লিপিবদ্ধ কৰা লক্ষ্য আৰু উদ্দেশ্যসমূহ হ'ল — অসমৰ নাৰীসকলক শক্তিশালী আৰু কাৰ্যক্ষম কৰি গঢ়ি তোলা, দেশৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত নাৰীৰ অংশগ্ৰহণ কৰাৰ অধিকাৰৰ দাবী, নাৰীৰ সমানাধিকাৰৰ দাবী, নাৰীৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ বাবে আঁচনি দাঙি ধৰা, স্ত্ৰী-শিক্ষাৰ বাবে অভিযান চলোৱা, সামাজিক সংস্কাৰৰ বাবে চেষ্টা কৰা ইত্যাদি।[৯]

নিখিল ভাৰত মহিলা পৰিষদৰ শাখা হিচাপে অসম প্ৰাদেশিক মহিলা সমিতিৰ নাৰীমুক্তিৰ কোনো উদ্দেশ্য বা লক্ষ্য নাছিল। মহাত্মা গান্ধীয়ে কোৱাৰ দৰে পত্নী আৰু মাতৃ হিচাপে নাৰীয়ে নিজৰ কৰ্তব্য পালন কৰিও সামাজিক কাজ-কৰ্মত অংশগ্ৰহণ কৰাটোহে এওঁলোকে বিচাৰিছিল। স্ত্ৰী-শিক্ষা, নাৰীৰ ৰাজনীতিত অংশগ্ৰহণ, উন্নত জীৱন যাপনৰ দাবী আদিৰ জৰিয়তে নাৰীক বাহিৰৰ জগতখনলৈ উলিয়াই অনাৰ লগতে পত্নী আৰু মাতৃ হিচাপে কৰ্তব্য সম্পাদনৰ মাজতে নাৰীক সীমাবদ্ধ ৰখাটোৱেই হৈছে অসম প্ৰাদেশিক মহিলা সমিতিৰ লক্ষ্য।

প্ৰাক্ স্বাধীন যুগত অসম প্ৰাদেশিক মহিলা সমিতিৰ নিচিনা সংস্কাৰপন্থী নাৰী সংগঠনে উচ্চ আৰু মজলীয়া শ্ৰেণীৰ মহিলাৰ অৱস্থাৰ উন্নতি কৰাৰ ক্ষেত্ৰত কৃতকাৰ্য হৈছিল। কিন্তু স্বাধীনতাৰ পিছত শাসকশ্ৰেণীৰ মহিলা শাখালৈ ৰূপান্তৰিত হোৱাত এই সংগঠনে নিজস্ব অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হ'লেও নাৰী সমাজৰ মাজত ইয়াৰ জনপ্ৰিয়তা যথেষ্ট হ্ৰাস হোৱাটো লক্ষণীয়। বৰ্তমানে এই নাৰী সংগঠনে সমাজকল্যাণ বিভাগৰ আঁচনিসমূহ সময়ে সময়ে কাৰ্যকৰী কৰাৰ বাহিৰে আন একো পদক্ষেপ গ্ৰহণ নকৰাত এটা চৰকাৰী সংগঠনলৈ পৰ্যবসিত হোৱা দেখা গৈছে।

অসমৰ কমিউনিষ্ট পাৰ্টিৰ ইতিহাস দীঘলীয়া নহয়। ১৯৩৮ চনত সুভাষ চন্দ্ৰ বসু কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হোৱা সময়তে বিনয় চক্ৰৱৰ্তী, নীলমনি বৰঠাকুৰ, যদু শইকীয়া, ধীৰেণ দত্ত, বিষ্ণু বৰা, জগন্নাথ ভট্টাচাৰ্য, প্ৰফুল্ল গোস্বামী, গৌৰীশঙ্কৰ

ভট্টাচাৰ্য আদি ব্যক্তিক লৈ অসমত কমিউনিষ্ট পাৰ্টি গঠন হয়।[৬২]

ক্ৰমশঃ অসমৰ চুকে-কোণে কমিউনিষ্ট আদৰ্শ প্ৰচাৰ হ'বলৈ ধৰে। পূৰ্বৰ অসমৰ কমিউনিষ্ট নেতৃবৃন্দই বৰ্তমানে তেওঁলোকৰ আদৰ্শ বহু পৰিমাণে পৰিবৰ্তন কৰিলেও বা পূৰ্বৰ নেতৃবৰ্গৰ কোনো কোনো ব্যক্তিৰ মৃত্যু হ'লেও তেওঁলোকৰ অক্লান্ত পৰিশ্ৰম আৰু সংগঠন গঢ়ি তোলাৰ প্ৰচেষ্টা অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা।[৬৩]

দ্বিতীয় মহাযুদ্ধৰ পটভূমিত বিদেশী আক্ৰমণৰ পৰা দেশ আৰু সমাজ জীৱনক ৰক্ষা কৰাৰ উদ্দেশ্যে কমিউনিষ্ট আদৰ্শত বিশ্বাসী বাওঁপন্থী মহিলাসকলৰ নেতৃত্বত *'মহিলা আত্মৰক্ষা সমিতি'* অসমতো গঢ়ি উঠে। এই সমিতিয়ে কৃষকসকলৰ সংগঠন গঢ়ি তোলাৰ বাবে চেষ্টা কৰিছিল। কৃষক আন্দোলনত অংশগ্ৰহণ কৰাৰ বাবেই ইমাচাও দেৱী নামৰ এগৰাকী মহিলাই পুলিচৰ গুলীত মৃত্যুবৰণ কৰে। কাছাৰ আৰু চিলেট জিলাৰ বাহিৰেও গুৱাহাটী, ডিব্ৰুগড, লামডিং আদি ঠাইতো মহিলা আত্মৰক্ষা সমিতিৰ শাখা গঢ় লৈ উঠিছিল।

১৯৪৭ চনত 'অসম ছাত্ৰী সংঘ'ৰ *(Girl Students' Association)* শীৰ্ষস্থানীয় কৰ্মীসকলে উদ্যোগ লৈ ১৯৪৮ চনত মহিলা আত্মৰক্ষা সমিতি গঠন কৰে।[৬৪] কাছাৰ, নগাঁও, কামৰূপ আৰু চিলঙত এই সমিতিৰ সংগঠন গঢ়ি উঠিছিল। কাছাৰত মানসী ভট্টাচাৰ্য, অনুৰূপা দেৱী, সতী দেৱী, গৌৰী দত্ত, মাধুৰী ভট্টাচাৰ্য, চিলঙত অঞ্জলি দাস, সুবৰ্ণ প্ৰভা দাস, কল্যাণী দাস (মিত্ৰ) আদি সচেতন মহিলাই এই সংগঠনৰ নেতৃত্ব দিছিল। নগাঁৱৰ নলিনী শইকীয়া, সুভদ্ৰা শইকীয়া, কামৰূপৰ তুলসী ভট্টাচাৰ্য, হেনা বৰা, সুশীলা দেৱী আদি মহিলাই মহিলা আত্মৰক্ষা সমিতিৰ নেতৃত্ব দিছিল।[৬৫] দ্বিতীয় মহাযুদ্ধৰ বিৰোধিতা কৰি ফেচীবাদৰ বিৰুদ্ধে জনমত গঢ়ি তোলাই আছিল এই সংগঠনৰ উদ্দেশ্য। ১৯৪৮ চনৰ পৰা কমিউনিষ্ট পাৰ্টিৰ একাংশই ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ বিৰোধিতা কৰি সশস্ত্ৰ সংগ্ৰাম আৰম্ভ কৰে। ইয়াৰ ফলতে মহিলা আত্মৰক্ষা সমিতিৰ ১৯৪৮-১৯৪৯ চনৰ কাছাৰ জিলা সন্মিলনৰ সময়ত বেছি ভাগ সদস্যাই গ্ৰেপ্তাৰ বৰণ কৰিবলগীয়া হয়। এই সময়তে *'নাৰী মুক্তি সংঘ'*ৰ পৰা *"প্ৰগতি সংঘ'* নামত আন এটা কমিউনিষ্ট পাৰ্টি পৰিচালিত নাৰী সংগঠনৰ সৃষ্টি হৈছিল।[৬৬] এই সংগঠনৰ পক্ষৰ পৰা ১৯৫৪ চনত কলিকতাত অনুষ্ঠিত হোৱা ভাৰতীয় মহিলা ফেডাৰেশ্যনৰ সন্মিলনত অসমৰ পৰা কমলা মজুমদাৰে যোগদান কৰিছিল। ১৯৪৮ চনত এই সংগঠনে 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ৰ সহযোগী শক্তি হিচাপে ৰাজনৈতিক সংগ্ৰামত লিপ্ত হৈছিল। ফলত বহুতো কৰ্মী জেললৈ যাবলগীয়া হোৱাত সংগঠনৰ কাম-কাজ প্ৰায় বন্ধ হৈ গৈছিল।

১৯৫১ চনত মহিলা আত্মৰক্ষা সমিতিৰ বাওঁপন্থী মহিলাসকল লগ হৈ *'গণতান্ত্ৰিক নাৰী সংঘ"* নামৰ মহিলা সংগঠন এটিও গঢ়ি তোলে। এই সংগঠনৰ সভানেত্ৰী আছিল অধ্যাপিকা নীলিমা দত্ত আৰু সম্পাদিকা হেনা বৰা।[৬৭] এই

সংগঠনে কামৰূপ জিলাত সাংগঠনিক ভিত্তি দৃঢ় কৰিবলৈ সমৰ্থ হৈছিল। সংঘই মহিলাৰ মাজত কুসংস্কাৰৰ বিৰুদ্ধে, জাতিভেদৰ বিৰুদ্ধে, মহিলাৰ সমানাধিকাৰৰ বাবে, শিক্ষা বিস্তাৰৰ বাবে আৰু মহিলাৰ সম্পত্তিৰ অধিকাৰৰ বাবে কাম কৰিছিল।[৬৮]

অসমৰ বিভিন্ন জিলাত গণতান্ত্ৰিক নাৰী সংঘৰ শাখা গঢ়ি উঠাৰ লগে লগে চনত ১৯৭১ গুৱাহাটীত অসমৰ বিভিন্ন জিলাত বিচ্ছিন্ন হৈ থকা সংগঠনসমূহক লৈ এটা ৰাজ্যিক ভিত্তিত সংগঠন গঢ়ি তোলা হয়। এই সন্মিলনতে আগৰ নামটো পৰিবৰ্তন কৰি *'অসম মহিলা সংঘ'* হিচাপে নামকৰণ কৰা হয়।[৬৯] এই সংগঠনে স্ত্ৰী-পুৰুষৰ সমান অধিকাৰ আৰু পৰিপূৰ্ণ সামাজিক অধিকাৰৰ ভিত্তিত নাৰী সমাজৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰৰ বাবে কাম কৰি যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। দেশৰ অৰ্থনৈতিক সংকট আৰু সামাজিক দুৰৱস্থাত মহিলাসকলে যাতে স্বাৱলম্বী হ'ব পাৰে আৰু উপাৰ্জনৰ ক্ষেত্ৰত পুৰুষৰ সমান অধিকাৰ লাভ কৰিব পাৰে তাৰ বাবেও সংঘই লক্ষ্য আৰু উদ্দেশ্য স্থিৰ কৰে।[৭]

বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সশস্ত্ৰ সংগ্ৰামৰ পটভূমিত সৃষ্টি হোৱা 'নাৰী মুক্তি সংঘ'ৰ (পিছলৈ 'প্ৰগতি মহিলা সংঘ'ৰ) লগত যুক্ত কেইজনীমান মহিলাৰ আত্মত্যাগ অসমৰ নাৰী আন্দোলনৰ ক্ষেত্ৰত লেখত ল'বলগীয়া। নিজৰ পৰিয়ালৰ পৰা সম্পূৰ্ণকৈ বিচ্ছিন্ন হৈ শ্ৰমজীৱী মহিলাসকলৰ মাজত থাকি বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সহযোগী শক্তি হিচাপে এই মহিলা সমিতিৰ কৰ্মীসকলে কাম কৰিছিল। বেলশৰ, টিহু অঞ্চলৰ মহিলাসকলৰ নেতৃত্বত থকা কমলা বৰ্মন আৰু বিমলা সেন ডেকাৰ নাম এইখিনিতে উল্লেখযোগ্য। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতা বিষ্ণুপ্ৰসাদ ৰাভাৰ পত্নী কনকলতাই সশস্ত্ৰ সংগ্ৰামৰ কালছোৱাত বহু ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল।

অসমৰ কমিউনিষ্ট আন্দোলনত জড়িত থকা 'ৰাজনী' আৰু 'জানকী' নামৰ দুজনী মহিলাই সংগ্ৰামত নিজৰ জীৱন আহুতি দিছিল। বিষ্ণু ৰাভাই যেতিয়া শাসক চক্ৰৰ হাতৰ পৰা ৰক্ষা পাবলৈ অসমৰ পৰ্বতে-কন্দৰে, গাঁৱে-ভূঁঞে ঘূৰি ফুৰিছিল, এই অজ্ঞাতবাসৰ সময়ত বৰপেটা অঞ্চলৰ বিভিন্ন ঠাইত সাধাৰণ জনতাৰ ওপৰত পুলিচে অত্যাচাৰ চলাইছিল। এই অত্যাচাৰত বলি হৈছিল খুচুৰাৰটাৰীৰ ৰাজনী নামৰ এজনী ছোৱালী।[৭১] গুৱাহাটী নাৰেঙ্গীৰ সোঁপিনে বোন্দা পৰ্বতৰ কাষৰ বীৰকুছি, ভাতগাঁও আদি গাঁওবোৰত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ দ্বাৰা পৰিচালিত *'নাৰী মুক্তি বাহিনী'ৰ* সংগঠন গঢ়ি তুলিছিল এজনী জনজাতীয় গাভৰু জানকী তেৰণে। তেওঁ আছিল নাৰীমুক্তি বাহিনীৰ সক্ৰিয় সদস্যা।[৭২] বোন্দা পৰ্বতৰ ভিতৰৰ নিজান ঠাইত আছিল সশস্ত্ৰ বিপ্লৱীসকলৰ প্ৰশিক্ষণ শিবিৰ। কাষৰীয়া গাঁৱৰ যুৱক-যুৱতীয়ে ইয়াত প্ৰশিক্ষণ লৈছিল। কিন্তু চৰকাৰৰ চোৰাংচোৱাই ইয়াৰ সন্ধেদ পাই হঠাতে আক্ৰমণ কৰিলে আৰু জানকী তেৰণক পুলিচে গ্ৰেপ্তাৰ

কৰিলে। কৰ্মীসকলৰ খবৰ বিচাৰি জানকীৰ ওপৰত পুলিচে চলালে নিৰ্মম অত্যাচাৰ। কিন্তু জানকীয়ে জয়মতীৰ দৰে অচল-অটল নিৰ্বাক হৈ থাকিল। কোনো নেতা নাইবা মুক্তি আন্দোলনৰ কোনো সম্ভেদ নিদি দৃঢ় মনেৰে সকলো দুখ-যন্ত্ৰণা মুৰ পাতি লৈ তেওঁ মৃত্যুক আঁকোৱালি ল'লে।[৭৩]

এনেধৰণে অসমৰ কমিউনিষ্ট আন্দোলনৰ পটভূমিত বিপ্লৱী নাৰীসকলে যোগদান কৰি সমাজবাদী নাৰী আন্দোলনৰ উজ্জ্বল ঐতিহ্য ৰচনা কৰিছিল।

১৯৬২ চনৰ পৰাই ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ভিতৰত মতাদৰ্শগত বিৰোধ ঘটাত ১৯৬৪ চনত কমিউনিষ্ট পাৰ্টি দুটা শিবিৰত বিভক্ত হৈ পৰে। কমিউনিষ্ট পাৰ্টি দ্বিখণ্ডিত হোৱাৰ ফলস্বৰূপে নতুনকৈ সৃষ্টি হোৱা ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ (মাৰ্ক্সবাদী)ৰ প্ৰভাৱত কিছু সমাজবাদী নাৰীয়ে নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি নামৰ এটা নতুন নাৰী সংগঠন গঢ়ি তোলে। এই সমিতিৰ প্ৰথমখন সন্মিলন ১৯৮১ চনত মাদ্ৰাজ চহৰত অনুষ্ঠিত হৈ যায়।[৭৪] উক্ত সন্মিলনৰ পিছতে ১৯৮২ চনৰ ৩০ এপ্ৰিল তাৰিখে গুৱাহাটী চহৰত নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ কামৰূপ জিলা সাংগঠনিক কমিটি গঠন কৰে।[৭৫] এইদৰে গণতান্ত্ৰিক মহিলা সমিতিৰ সংগঠন অসমৰ বিভিন্ন জিলাত গঢ় লৈ উঠাত জিলা সংগঠনসমূহক লগ লগাই ১৯৮৪ চনত গুৱাহাটীত বহা প্ৰথম ৰাজিক সন্মিলনত *"অসম ৰাজ্যিক গণতান্ত্ৰিক মহিলা সমিতি" গঠন* কৰা হয়। এই সন্মিলনতে ৰাজ্যিক ভিত্তিত গঢ়ি উঠা সংগঠনটোৰ কাৰ্যসূচী আৰু গঠনতন্ত্ৰও গৃহীত হয়। এই সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল – পশ্চাদপদ নাৰী সমাজক দায়িত্বশীল আৰু গণতান্ত্ৰিক চেতনা সম্পন্ন কৰি গঢ়ি তোলা, সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, পাৰিবাৰিক আৰু সাংস্কৃতিক আদি সকলো ক্ষেত্ৰতে নাৰীৰ সমানাধিকাৰৰ বাবে প্ৰচেষ্টা চলোৱা; পণ-প্ৰথা, বাল্য-বিবাহ, বহু বিবাহ আদি সকলো ধৰণৰ সামাজিক অবিচাৰৰ বিৰুদ্ধে সংগ্ৰাম গঢ়ি তোলা, বিবাহ বিচ্ছেদৰ সমানাধিকাৰৰ বাবে সংগ্ৰাম চলোৱা; অস্পৃশ্যতা, ধৰ্মীয় কুসংস্কাৰ আদি কুপ্ৰভাৱৰ পৰা নাৰীক মুক্ত কৰা, শ্ৰমজীৱী মহিলাৰ নিৰাপত্তা, অধিকাৰ আৰু উপযুক্ত কৰ্ম পৰিবেশৰ দাবীত সংগ্ৰাম কৰা, নাৰীক যৌন আবেদনৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা অৱক্ষয়ী সংস্কৃতিৰ বিৰুদ্ধে প্ৰচাৰ চলোৱা ইত্যাদি।[৭৬]

কেৰেলাৰ ত্ৰিবান্দ্ৰমত ১৯৮৬ চনৰ ১৭-২০ অক্টোবৰৰ ভিতৰত অনুষ্ঠিত হোৱা নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ দ্বিতীয় সৰ্বভাৰতীয় সন্মিলনত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই সন্মিলনত বিভেদ বিচ্ছিন্নতাৰ বিৰুদ্ধে, শান্তিৰ সপক্ষে, ধনতান্ত্ৰিক সমাজত নাৰীৰ ওপৰত চলোৱা নিৰ্যাতন, পণ-প্ৰথা, ধৰ্ষণ, নাৰীৰ সম্পত্তিৰ অধিকাৰ আৰু স্বামী-স্ত্ৰীৰ যৌথ অধিকাৰ সম্পৰ্কীয় বিষয়সমূহৰ ওপৰত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই প্ৰস্তাৱসমূহৰ ভিত্তিত অসমত গণতান্ত্ৰিক মহিলা সমিতিয়ে আন্দোলন গঢ়ি তুলিবলৈ যত্ন কৰিছে যদিও আজিলৈকে

ব্যাপকভাৱে নাৰী সমাজক এই সংগঠনৰ মাজলৈ আনিব পৰা নাই। অৱশ্যে নিয়মীয়া নহ'লেও এই সমিতিৰ পক্ষৰ পৰা *'আৱাজ'* নামৰ এখন আলোচনী প্ৰকাশ হৈ আছে।

অসমৰ আন এটা বাওঁপন্থী নাৰী সংগঠন *'নাৰী মুক্তি সন্থা'* ১৯৭৯ চনত গঠন হয়। এই নাৰী সংগঠনটোৰ লগত চি. পি. আই (এম. এল)ৰ এটা উপদল যুক্ত।[৭৭] *'অৰ্ধ আকাশ'* নামৰ এখন আলোচনী মুখপত্ৰ হিচাপে এই সংগঠনটোৱে প্ৰকাশ কৰি আছে।

ক্ৰমে ক্ৰমে নাৰীবাদী দৃষ্টিভংগীৰ উন্মেষ

১৯৭৫ চন মানৰ পৰাই ভাৰতবৰ্ষত নাৰী আন্দোলনে নতুন গতিবেগ সঞ্চয় কৰিবলৈ সমৰ্থ হৈছে আৰু ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত পুৰুষৰ কোনো সহায় নোলোৱাকৈ বা ৰাজনৈতিক পাৰ্টিৰ প্ৰভাৱমুক্ত হৈ নাৰীয়ে নিজস্বভাৱে নাৰী সংগঠন গঢ়ি তুলিছে বুলি দ্বিতীয় অধ্যায়তে কৈ অহা হৈছে। এই নাৰী সংগঠনসমূহে ক্ৰমশঃ নাৰী সমাজত জনপ্ৰিয়তা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই সংগঠনসমূহক আমি স্বশাসিত নাৰী সংগঠন বুলি আগতেই অভিহিত কৰি আহিছোঁ। অসমত এইধৰণৰ নাৰী সংগঠনে ব্যাপকতা লাভ কৰিব নোৱাৰিলেও পুৰুষৰ সহায় অবিহনে নাৰীয়ে যে নিজস্ব সংগঠন আৰু আন্দোলন কৰিব পাৰে তাৰ স্বাক্ষৰ বহন কৰিছে।

১৯৭৫ চনত তেজপুৰৰ এটা লেখিকাৰ দলে *'অসম লেখিকা পৰিষদ'* নামৰ অসম ভিত্তিক সংগঠন গঢ়ি তোলে।[৭৮] লেখিকাসকলৰ নানা প্ৰকাৰৰ সমস্যা সমাধান কৰাৰ উদ্দেশ্যেই এই সংগঠন গঢ়ি তোলা হয়। এই নাৰী লেখিকাসকলে ভাবিছিল যে অসম সাহিত্য সভাৰ পুৰুষসকল প্ৰভাৱশালী হৈ পৰাত নাৰীসকলে নিজৰ প্ৰতিভা বিকাশ কৰাৰ ক্ষেত্ৰত বঞ্চিত হৈ আহিছে। সেয়ে এই নাৰী সংগঠনৰ উদ্দেশ্য হ'ল স্বাধীন সংগঠনৰ মাধ্যমেৰে নাৰীৰ সুপ্ত প্ৰতিভা বিকাশ কৰা।

অসম লেখিকা পৰিষদৰ ১৯৭৬ চনত বহা গুৱাহাটীৰ অধিৱেশনত সাংগঠনিক প্ৰশ্ন লৈ বিৰোধ হোৱাত এই সংগঠন দুভাগত বিভক্ত হৈ যায়।[৭৯] এটা অংশই *"অসম লেখিকা সমাৰোহ সমিতি"* আৰু আনটো অংশই *'অসম লেখিকা সন্থা'* নাম লয়। মূল সমস্যাটো সৃষ্টি হৈছিল সভ্যভৰ্তিক লৈ। যিসকল কৰ্মীয়ে সাহিত্যপ্ৰেমী শিক্ষিতা-অশিক্ষিতা সকলো নাৰীকে সামৰি ল'ব খুজিলে তেওঁলোকে অসম লেখিকা সমাৰোহ সমিতি গঠন কৰিলে আৰু যিসকলে মাত্ৰ লেখিকাসকলৰ মাজতে সভ্যা সীমিত ৰাখিব বিচাৰিলে তেওঁলোকে 'অসম লেখিকা সন্থা' গঠন কৰিলে। কিন্তু এই দুয়োটা নাৰী লেখিকা সংগঠন নগৰকেন্দ্ৰিক হোৱা বাবে

নগৰসমূহৰ মধ্যবিত্ত শিক্ষিতা মহিলাসকলৰ মাজতে এই সংগঠনৰ নেতৃত্ব আজিলৈকে ৰৈ আছে। দুয়োটা নাৰী সংগঠনৰ জৰিয়তে নাৰীসকলে সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰাৰ বাবে কিছু সুযোগ-সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। অসম লেখিকা সমাৰোহ সমিতিয়ে অসমৰ গাঁৱে-ভূঞে সিঁচৰতি হৈ থকা বা পাহৰণিৰ অতল গৰ্ভত লীন হৈ যাব ধৰা কেইগৰাকীমান সাহিত্যসেৱী মহিলাৰ জীৱন কাহিনী শীলা বৰঠাকুৰৰ সম্পাদনাত 'লেখিকাৰ জীৱনী' (১৯৮৭) আৰু অসম লেখিকা সন্থাই প্ৰীতি বৰুৱাৰ সম্পাদনাত 'ঘৰ জেউতিৰ'ৰ যুগৰ পৰা আশীৰ দশকলৈ প্ৰকাশিত লেখিকাৰ গল্পৰ নিৰ্ব্বচিত সংকলন 'লেখিকাৰ গল্প' (১৯৮৯) নাম দি পুথি আকাৰে প্ৰকাশ কৰি মহিলাসকল যে সাহিত্যসেৱাৰ ক্ষেত্ৰত কোনোদিনে পিছপৰা নহয় নাইবা উপযুক্ত প্ৰচাৰৰ অভাৱতহে যে নাৰী সমাজৰ প্ৰতিভা দৃষ্টিগোচৰ হোৱা নাই তাকেই প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছে।

১৯৮৮ চনত মহিলা সমাৰোহৰ সন্মিলনৰ সময়ত এটা সঁজাতী দলে বৰপেটাৰ কীৰ্তন ঘৰত মহিলাৰ প্ৰবেশাধিকাৰৰ দাবীত সত্ৰাধিকাৰৰ ওচৰত এখন স্মাৰকপত্ৰ দিবলৈ যাওঁতে এচাম ভকতনী আৰু বুজনসংখ্যক লোকে এই মহিলাৰ দলটোৰ গাৰ কাপোৰ পৰ্যন্ত টানি অপমান কৰে। এনে বৰ্বৰতাক অসমৰ নাৰী সংগঠনসমূহে নিন্দা কৰে আৰু মহিলাসকলৰ ওপৰত যুগ যুগ ধৰি চলা ধৰ্মীয় অবিচাৰৰ প্ৰতি এটা সচেতন মনোভাবৰ সৃষ্টি কৰিবলৈ সমৰ্থ হয়। ১৯৭৬ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে '*লেখিকা*' নামৰ এখন আলোচনী প্ৰকাশ কৰে।[৮০] কিন্তু দুয়োটা মহিলা সংগঠনে পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ স্থানৰ কোনো পৰিবৰ্তনৰ দৃষ্টি আগত নাৰাখি নাৰীক পত্নী আৰু মাতৃ হিচাপে পৰম্পৰাগত চিন্তাৰ মাজতে আবদ্ধ ৰখাৰ প্ৰয়াস কৰা দেখা যায়।[৮১]

১৯৭৫ চনত ডিব্ৰুগড়ত গঢ়ি উঠা ওৱাৰ্কিং উইমিনচ্ এচোচিয়েশান্ *[Working Women's Association)* নামৰ সংগঠনটোৱে শ্ৰমজীৱী নাৰীসকলৰ বাবে হোষ্টেলৰ দাবীত আন্দোলন গঢ়ি তোলে। এই সংগঠনৰ মুখপত্ৰ হিচাপে অপৰ্ণা মহন্তৰ সম্পাদনাত "*আইদেউৰ জোনাকী বাট*" নামৰ আলোচনী প্ৰকাশ পায়।[৮২] ১৯৮৪ চনৰ ৮ মাৰ্চত এই সংগঠনে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰে আৰু এই দিৱসত বিভিন্ন নাৰী সংগঠনৰ পৰা ৩০০ প্ৰতিনিধিয়ে যোগদান কৰে। আলোচনা চক্ৰত চিটি বাচত মহিলাৰ বাবে আসন সংৰক্ষণ, প্ৰাইমাৰী বিদ্যালয়সমূহ চৰকাৰীকৰণ, নাৰী শিক্ষাৰ উন্নতিৰ দাবীত, নাৰীৰ ওপৰত চলা নিৰ্যাতনৰ বিৰুদ্ধে, যৌতুক প্ৰথা, মূল্যবৃদ্ধি ৰোধৰ দাবীত প্ৰস্তাৱ গ্ৰহণ কৰে। এই সভাতে অসম ভিত্তিক এটা নাৰী সংগঠন গঢ়ি তোলাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে।[৮৩] এই সিদ্ধান্ত অনুসৰি ১৯৮৫ চনৰ নৱেম্বৰৰ ২৪, ২৫ তাৰিখে বহা যোৰহাটৰ অধিৱেশনত 'সদৌ যোৰহাট জিলা নাৰী সন্থা' *(All Jorhat Zilla Nari Santha)* নামৰ এটা সংগঠন গঢ়ি তোলা হয়।[৮৪] এই সন্মিলনত কলেজ আৰু স্কুলৰ শিক্ষয়িত্ৰী,

অংগনবাদী নাৰী শ্ৰমিক, গৃহিণী আৰু কৃষিজীৱী নাৰী উপস্থিত আছিল। সন্মিলনৰ অভ্যৰ্থনা কমিটিৰ সভাপতি আৰু সম্পাদক যদিও স্কুল আৰু কলেজৰ শিক্ষক আছিল তথাপিও ধন সংগ্ৰহ কৰাৰ ক্ষেত্ৰত নাৰী কৰ্মীসকল এখন ঠাইৰ পৰা আন এখন ঠাইলৈ চাইকেল চলাই গৈ ধন সংগ্ৰহ কৰি সন্মিলন সফল কৰিছিল।[৮৫] সদৌ যোৰহাট জিলা নাৰী সন্থাই প্ৰথমবাৰৰ বাবে কলিকতাত অনুষ্ঠিত হোৱা অল্ ইণ্ডিয়া উইমিনচ্ কনভেনচনত *(All India Women's Convention)* (আই. পি. এফৰ দ্বাৰা আয়োজিত) যোগদান কৰে।

যোৰহাট জিলা সন্মিলনৰ সময়তে অসম ভিত্তিত এটা নাৰী সংগঠন গঢ়ি তোলাৰ বাবে সাংগঠনিক কমিটি গঠন কৰা হয়।[৮৬] এই সাংগঠনিক কমিটিৰ উদ্যোগতে ১৯৮৬ চনৰ নৱেম্বৰৰ ১৪-১৫ তাৰিখে ডিব্ৰুগড়ৰ পৰা ১৫ মাইল দূৰৰ খোৱাঙত এখন অভিবৰ্তন অনুষ্ঠিত হয।[৮৭] ইয়াতো জিলা ভিত্তিত এটা কমিটি গঠন কৰা হয় – সদৌ অসম ভিত্তিত সংগঠন গঢ়ি তোলাৰ প্ৰতি দৃষ্টি ৰাখি। খোৱাঙৰ নাৰীসকলে ব্লু-ফিল্মৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিছিল।

অসম আন্দোলনৰ সময়ত 'বিদেশী নাগৰিক বহিষ্কাৰ'ৰ দাবীত অসমৰ নাৰীসকলৰ যোগদান লেখত ল'বলগীয়া। অসমৰ চুকে-কোণে হাজাৰ হাজাৰ মহিলাই এই আন্দোলনত নামি পৰিছিল আৰু ১৯৮২ চন মানৰ ভিতৰত অসমৰ বিভিন্ন ঠাইত আন্দোলনৰ কৰ্মীসকলক লৈ কিছুমান নাৰী কমিটি গঠন হৈছিল। এনে এটা পটভূমিতে '*মূলাগাভৰু সন্থা*' আৰু '*জাগ্ৰত মহিলা পৰিষদ*' নামৰ দুটা নাৰী সংগঠন গঢ়ি উঠে। কিন্তু এই দুটা নাৰী সংগঠনৰ বিদেশী বহিষ্কাৰ আন্দোলনত যোগদান কৰাৰ বাহিৰে কোনো নাৰী কল্যাণমূলক আঁচনি নাছিল।

বিশ্বত, ভাৰতত আৰু অসমত নাৰী-মংগল, নাৰীমুক্তি তথা নাৰীবাদৰ চেতনাৰ উন্মেষ আৰু বিকাশৰ আলোচনাৰ পিছত আমি এতিয়া অসমীয়া উপন্যাসত নাৰীৰ স্থান কেনে বুলি ধৰা পৰে তাৰ আলোচনালৈ আহিম। অসমীয়া ঔপন্যাসিকসকলে অসমীয়া সমাজৰ চিত্ৰ অংকন কৰোঁতে, তাত নাৰীৰ স্থান যেনেভাৱে লক্ষ্য কৰিছে, কেনে হোৱা উচিত বুলি ভাবে – ইয়েই হ'ব এতিয়া আমাৰ আলোচ্য বিষয়। পাতনিত আৰু প্ৰথম অধ্যায়ত কৈ অহা মতে এই আলোচনা আমি নাৰীবাদী চেতনাৰেই অৱশ্যে কৰিম।

টীকা

১। সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া সাহিত্যৰ ইতিবৃত্ত*, বাণী প্ৰকাশ, গুৱাহাটী, ১৯৫৯, পৃ.পৃ. ৪৭-৪৮

২। শশী শৰ্মা, 'ডাকৰ বচনত নাৰীৰ স্থান', "বীক্ষণ", নতুন সাহিত্য পৰিষদ, ৪ৰ্থ বছৰ, প্ৰথম সংখ্যা, গোলাঘাট, ১৯৮৮, পৃ. ২৪

৩। একে প্ৰবন্ধ, পৃ.পৃ. ২৬-২৭

৪। বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া ভাষা আৰু সংস্কৃতি* (১৯৫৭), লয়ার্চ বুক ষ্টল, গুৱাহাটী, ১৯৭২, পৃ. ৮৩

৫। একেগ্ৰন্থ, পৃ. ৭৮

৬। একেগ্ৰন্থ, পৃ. ৯৩

৭। একেগ্ৰন্থ, পৃ. ৯৪

৮। 'কোৰাণ চৰিফ'ত উল্লেখ কৰিছে এইদৰে ঃ পুরুষ নারীব কর্তা, কারণ আল্লাহ্ তাদের এককে অপরের উপর শ্রেষ্ঠত্ব দান করছেন, এবং এ (শ্রেষ্ঠত্ব) এ জন্য যে পুরুষ (তাদের জন্য) ধন ব্যয় করে। সুতরাং সাধ্বী নারীরা পুরুষদের অনুপস্থিতে লোক-চক্ষুর অন্তরালে অনুগতা (এবং নিজদের ইজ্জত রক্ষাকারিণী)। আল্লাহ্র হেফাজতে তারা তা হেফাজত করে। স্ত্রীদের মধ্যে যাদের অবাধ্যতার আশংকা কর তাদের শয্যা বর্জন কর এবং তাদের প্রহার কর। ৬ রুকু।। ৩৫" *কোরআন-শরিফ* (বাংলা অনুবাদ), মওলানা মোবাৰক কৰীম জওহৰ, প্ৰকাশক, আব্দুল আজিজ আল আমান, কলিকতা, ১৯৭৪, পৃ.৬৪

৯। "তোমাদের নারীদের মধ্যে যারা ব্যভিচার করে তাদের বিরুদ্ধে তোমাদের মধ্য হতে চারজনের সাক্ষী নেবে, যদি তারা সাক্ষ্য দেয়, তবে তাদের গৃহে অবরুদ্ধ করবে, যে পর্যন্ত না তাদের মৃত্যু হয় অথবা আল্লাহ্ তাদের জন্য অন্য কোন ব্যবস্থা করেন। ৩ রুকু।। ১৫" একেগ্ৰন্থ, পৃ ৬২

১০। নন্দ তালুকদাৰ (সম্পাদিত) *আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্ৰহ*, লয়ার্চ বুক ষ্টল, গুৱাহাটী, ১৯৭৭, পৃ. ৩

১১। একেগ্ৰন্থ, পৃ. ৮

১২। একেগ্ৰন্থ, পৃ.পৃ. ৮-৯

১৩। একেগ্ৰন্থ, পৃ. ১৩

১৪। একেগ্ৰন্থ, পৃ. ১৩০

১৫। হেমচন্দ্ৰ বৰুৱা, "আত্মজীৱন-চৰিত", *স্নাতকৰ কথাবন্ধ* (দ্বিতীয় খণ্ড), সম্পাদনা, মহেশ্বৰ নেওগ, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৭৪, পৃ. ৩

১৬। একেগ্ৰন্থ, পৃ. ৪

১৭। গুণাভিৰাম বৰুৱা, *অসম বুৰঞ্জী* (১৮৮৪), অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭২, পৃ.পৃ. ২০৩-২০৪

১৮। একেগ্ৰন্থ, পৃ. ২০৪

১৯। নন্দ তালুকদাৰ (সম্পাদিত), পূৰ্বোক্ত গ্ৰন্থ, পৃ. পৃ. ২১-২২

২০। গুণাভিৰাম বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২০০

২১। নলিনী বালা দেৱী, *এৰি অহা দিনবোৰ*, লয়ার্চ বুক ষ্টল, গুৱাহাটী, ১৯৭৬, পৃ ২১২

২২। একেগ্ৰন্থ, পৃ. ২১২

২৩। একেগ্ৰন্থ পৃ. ২১৩

২৪। দিলীপ দত্ত, *নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন-নদী*, শ্ৰীভূমি পাব্লিচিং কোম্পানী, কলিকতা, ১৯৮৫, পৃ ৪৬

২৫। ৰাজবালা দাস তিনি কুৰি দহ বছৰৰ স্মৃতি, প্ৰকাশিকা, ৰাজবালা দাস, গুৱাহাটী, ১৯৭১, পৃ. ৪

২৬। নলিনীবালা দেৱী, পূৰ্বোক্ত গ্ৰন্থ, পৃ ১২

২৭। একেগ্ৰন্থ, পৃ পৃ. ১২-১৩

২৮। একেগ্ৰন্থ, পৃ. ১৩

২৯। অতুল চন্দ্ৰ হাজৰিকা (সম্পাদিত), *বেজবৰুৱাৰ গ্ৰন্থাৱলী*, (প্ৰথম খণ্ড) অসম সাহিত্য সভা, গুৱাহাটী, ১৯৭০, পৃ. ২৮

৩০। বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পাদিত), *অৰুণোদইৰ ধলফাট*, অসম সাহিত্য সভা, যোৰহাট, ১৯৬৫, পৃ. ১১৯

৩১। একেগ্ৰন্থ, পৃ. ১২২

৩২। নন্দ তালুকদাৰ (সম্পাদিত), *লম্বোদৰ বৰা ৰচনাৱলী*, প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৩, পৃ. ৬২

৩৩। একেগ্ৰন্থ, পৃ. ৬২

৩৪। একেগ্ৰন্থ, পৃ. ৬২

৩৫। হেমচন্দ্ৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, পৃ. ৮

৩৬। একেপ্ৰবন্ধ, পৃ. ৮

৩৭। একেপ্ৰবন্ধ, পৃ. ৯

৩৮। একেপ্ৰবন্ধ, পৃ. ৯

৩৯। তীৰ্থনাথ শৰ্মা, '*ৰামনৱমী নাটক*', স্নাতকৰ কথাবন্ধ, সম্পাদক, মহেশ্বৰ নেওগ, ১৯৮৫, পৃ. ৩১৫-৩১৬

৪০। গুণাভিৰাম বৰুৱা, *ৰামনৱমী*,

(১৮৫৭), সম্পাদনা, প্ৰসেনজিৎ চৌধুৰী, চেতনা প্ৰকাশ, গুৱাহাটী, পৃ. ৫৯

৪১। একেগ্ৰন্থ, পৃ. ৫৯

৪২। অতুল চন্দ্ৰ হাজৰিকা (সম্পাদিত), পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৪৬৭

৪৩। একেগ্ৰন্থ, পৃ ১৪৬৮

৪৪। নলিনীবালা দেৱী, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২১৫

৪৫। একেগ্ৰন্থ, পৃ. ২১৪

৪৬। যোগেন্দ্ৰ নাৰায়ণ ভূঞা (সম্পাদিত), *জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী*, অসম সাহিত্য সভা, যোৰহাট, ১৯৮১, পৃ. ৪১৭

৪৭। পুষ্পলতা দাস, 'বিদ্ৰোহিনী চন্দ্ৰপ্ৰভা', "লোকায়ত", সম্পাদক, হোমেন বৰগোহাঞি, ৰঙালী বিহু সংখ্যা, গুৱাহাটী, ১৯৮২, পৃপৃ ২৯-৩০

৪৮। একেপ্ৰবন্ধ, পৃ. ৩১

৪৯। একেপ্ৰবন্ধ, পৃ. ৩১

৫০। একেপ্ৰবন্ধ, পৃ ৩১

৫১। ৰাজবালা দাস, পূৰ্বোক্ত গ্ৰন্থ, পৃ ৪৬

৫২। একেগ্ৰন্থ, পৃ ৩৮

৫৩। "S. Srinivas Iyengar in his presidential address dwelt upon various subject, such as, the case of the Swarajists, whom he defended stoutly, the constructive programme, khaddar work, prohibition, untouchability, labour and unemployment, the currency policy of the Government of India, Indian States, communalism and a plea for tolerance and unity," Arun Chandra Bhuyan, *et al* (ed), *Political History of Assam*, (Vol. II), Government of Assam, Dispur, Gauhati, 1978, পৃ. ১১২

৫৪। "According to the Newspaper account : "Cigarette smoking has been completely stopped, sale of ganja, opium and liquor greatly reduced, the number of criminal cases has considerably come down, spinning revived ..... " একেগ্ৰন্থ, পৃ. ৩৬ অত উক্ত

৫৫। নলিনী বালা দেৱী, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৮১

৫৬। পুষ্পলতা দাস, পূৰ্বোক্ত প্ৰবন্ধ, পৃ. ৩০

৫৭। একেপ্ৰবন্ধ, পৃ. ৩৩

৫৮। নলিনীবালা দেৱী, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৭১

৫৯। যোগেন্দ্ৰ নাৰায়ণ ভূঞা, (সম্পাদিত), পূৰ্বোক্ত গ্ৰন্থ, পৃ ৪১১

৬০। পূৰ্বোক্ত গ্ৰন্থ, পৃ ২১৭

৬১। *অসম প্ৰাদেশিক মহিলা সমিতিৰ নিয়মাৱলী*, প্ৰকাশিকা, ইন্দুপ্ৰভা বৰুৱা, গুৱাহাটী, ১৯৭১, পৃ. ১-২

৬২। বিশ্বনাথ মুখাৰ্জী, 'কমৰেড্ ধীৰেণ দত্তৰ সোঁৱৰণত', *ধীৰেণ দত্ত স্মৃতিগ্ৰন্থ*, সম্পাদক, চিদানন্দ শইকীয়া, ধীৰেণ দত্ত-স্মৃতি ৰক্ষা সমিতি, গোলাঘাট, ১৯৭৪ পৃ.পৃ. ৯১-৯২

৬৩। একেপ্ৰবন্ধ, পৃ.পৃ ৯১-৯২

৬৪। হেনা বৰা, 'অসম মহিলা সংঘৰ চমু পৰিচয়', "সংঘবাৰ্তা", অসম মহিলা সংঘ, প্ৰথম সংখ্যা, গুৱাহাটী, ১৯৮৪, পৃ. ৭

৬৫। একেপ্ৰবন্ধ, পৃ. ৭

৬৬। কমলা মজুমদাৰ, 'সমাজ পুনৰ গঠনত অসমত নাৰী আন্দোলনৰ ভূমিকা' একে আলোচনীত, পৃ. ১১

৬৭। হেনা বৰা, পূৰ্বোক্ত প্ৰবন্ধ, পৃ. ৭

৬৮। একেপ্ৰবন্ধ, পৃ. ৮

৬৯। একেপ্ৰবন্ধ, পৃ. ৮

৭০। অসম মহিলা সংঘ, গঠনতন্ত্ৰ, গুৱাহাটী, প্ৰকাশ কাল নাই, পৃ.পৃ. ১-২

৭১। তিলক দাস, *কলাগুৰু বিষ্ণু ৰাভা*, বনলতা, ডিব্ৰুগড়, ১৯৮৮, পৃ. ৮০

৭২। একেগ্ৰন্থ, পৃ. ৮২

৭৩। একেগ্ৰন্থ, পৃ. ৮২-৮৩

৭৪। *অসম ৰাজ্যিক গণতান্ত্ৰিক মহিলা সমিতিৰ কৰ্মসূচী আৰু গঠনতন্ত্ৰ*, গুৱাহাটী,

১৯৮৪, পৃ. পৃ. ১-২

৭৫। *নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ কামৰূপ জিলা প্ৰথম সন্মিলনৰ সম্পাদকীয় প্ৰতিবেদন*, ১৯৮২ (অপ্ৰকাশিত)

৭৬। পূৰ্বোক্ত কৰ্মসূচী আৰু গঠনতন্ত্ৰ, পৃ. পৃ. ৩-৪

৭৭। Aparna Mahanta, 'Emergence of New Women's Groups in Assam', Paper presented at a Seminar Organized by Research Centre for Women's Studies S.N.D.T. University, Bombay, in Neera Desai, (ed), *A Decade of Women's Movement in India*, Himalaya Publishing House, Bombay, 1988, পৃ. ১৩৬

৭৮। একেপ্ৰবন্ধ, পৃঃ ১৩১

৭৯। একেপ্ৰবন্ধ, পৃঃ ১৩১

৮০। একেপ্ৰবন্ধ, পৃঃ ১৩২

৮১। একেপ্ৰবন্ধ, পৃঃ ১৩২

৮২। একেপ্ৰবন্ধ, পৃঃ ১৩৯

৮৩। একেপ্ৰবন্ধ, পৃঃপৃঃ ১৩৯-১৪০

৮৪। একেপ্ৰবন্ধ, পৃঃ ১৪৩

৮৫। একেপ্ৰবন্ধ, পৃঃ ১৪৩

৮৬। একেপ্ৰবন্ধ, পৃঃ ১৪৩

৮৭। একেপ্ৰবন্ধ, পৃঃ ১৪৪

চতুৰ্থ অধ্যায়

১৯২৮ চনৰ পৰা ১৯৪০ চনলৈ নাৰী-মংগল, নাৰীমুক্তি, নাৰীসত্তা আদিৰ প্ৰকাশ আৰু বিৰোধিতা ধৰা পৰা অসমীয়া উপন্যাসৰ আলোচনা

১৯২৮ চনৰ পৰা ১৯৪০ চনলৈ উপন্যাসৰ বিকাশৰ যুগ। বিংশ শতাব্দীৰ দ্বিতীয় আৰু তৃতীয় দশকৰ পৰা আৰম্ভ কৰি কেইজনমান অসমীয়া সাহিত্যিকে জাতীয় আন্দোলনৰ প্ৰভাৱত সংস্কাৰকামী মনোবৃত্তিৰে উপন্যাস ৰচনা কৰিবলৈ লয়। আমি আগৰ অধ্যায়তে আলোচনা কৰিছোঁ যে ইংৰাজী শিক্ষা আৰু বংগৰ নৱজাগৰণৰ প্ৰভাৱত নাৰী-মংগল, নাৰীমুক্তি আৰু নাৰীসত্তা সম্পৰ্কে অসমীয়া সমাজত এক নতুন চিন্তাৰ উদয় হয় আৰু এই সময়ছোৱাত উপন্যাস সাহিত্যতো এই চিন্তাৰে নাৰী চৰিত্ৰ সৃষ্টিৰ প্ৰয়াস দেখা যায়। তৃতীয় দশকৰ পিছৰ পৰা ১৯৪০ চনলৈকে মহাত্মা গান্ধীৰ জাতীয় আন্দোলনৰ প্ৰভাৱ উপন্যাসসমূহত দেখা যায় বুলি উপন্যাস-সমালোচনাৰ বাটকটীয়া সত্যেন্দ্ৰ নাথ শৰ্মাই মন্তব্য কৰিছে।[১] সেয়ে এই অধ্যায়ত অসমীয়া উপন্যাসত চিত্ৰিত কৰা নাৰী চৰিত্ৰসমূহ কেনেভাৱে উপস্থাপিত হৈছে, এই চৰিত্ৰসমূহৰ যোগেদি নাৰী-মংগল, নাৰীমুক্তি আদিৰ চেতনা প্ৰকাশিত হৈছেনে ইয়াৰ বিৰোধিতা ধৰা পৰিছে — সেই সম্পৰ্কে সিদ্ধান্তলৈ অহাৰ বাবে ৰজনী কান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী'(১৯৩০), দণ্ডিনাথ কলিতাৰ 'সাধনা' (১৯২৮), দৈৱচন্দ্ৰ তালুকদাৰৰ 'অপূৰ্ণ' (১৯৩১-১৯৩২) উপন্যাস, লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' চুটি গল্প সংকলনত সন্নিৱিষ্ট 'বিদ্ৰোহিণী'ক (১৯৩০) এখনি উপন্যাসিকা হিচাপে আমাৰ আলোচনাৰ মাজলৈ আনিছোঁ।

ৰহদৈ লিগিৰী

উনবিংশ শতিকাৰ শেষ আৰু বিংশ শতাব্দীৰ পূৰ্বভাগৰ এজন বিশিষ্ট অসমীয়া ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ। সামাজিক উপন্যাস 'মিৰি জীয়ৰী' (১৮৯৫)

তেওঁৰ প্ৰথম উপন্যাস হ'লেও ইয়াৰ পিছতে ঐতিহাসিক উপন্যাসসমূহ ৰচনা কৰি উপন্যাস সাহিত্যত তেওঁ প্ৰতিষ্ঠা লাভ কৰে। 'ৰহদ�ৈ লিগিৰী'[২] তেওঁৰ ঐতিহাসিক উপন্যাস হ'লেও এই উপন্যাসত আহোম যুগৰ শেষভাগৰ সামন্তবাদী সমাজখনৰ বিৰুদ্ধে এক স্বাধীনচিতীয়া, দৃঢ়মনৰ নাৰী চৰিত্ৰ সৃষ্টিৰ প্ৰয়াস আমি দেখিবলৈ পাওঁ। এনেধৰণৰ নাৰী চৰিত্ৰ সৃষ্টিৰ প্ৰয়াস বৰদলৈৰ আন উপন্যাসত দেখিবলৈ পোৱা নাযায়। সেয়ে এই উপন্যাসখন আমি আলোচনাৰ বাবে লৈছোঁ। এই উপন্যাসৰ পিছত আমাৰ আলোচ্য উপন্যাস হ'ব দণ্ডিনাথ কলিতাৰ 'সাধনা'। যদিও 'সাধনা', 'ৰহদৈ লিগিৰী' উপন্যাসৰ আগতে ৰচনা কৰা তথাপি এই উপন্যাসৰ পটভূমি 'সাধনা'ৰ পটভূমিৰ পূৰ্বৰ আৰু ৰজনীকান্ত বৰদলৈও দণ্ডিনাথ কলিতাতকৈ আগৰ ঔপন্যাসিক হোৱা বাবে 'ৰহদৈ লিগিৰী' উপন্যাসেই আমি আগতে আলোচনা কৰিম।

ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী' উপন্যাসৰ পটভূমি হৈছে আহোম ৰাজত্বৰ শেষ আৰু ইংৰাজ ৰাজত্বৰ আৰম্ভণিৰ কালছোৱা। এই উপন্যাসত ৰহদৈ আৰু দয়াৰামৰ প্ৰেমৰ কাহিনী আৰু পৰিণতিৰ লগত আহোম ৰজা চন্দ্ৰকান্ত, লগৰীয়া সতৰাম আৰু তেওঁলোকৰ জীৱনকালৰ কেতবোৰ ৰাজনৈতিক সমস্যা প্ৰতিফলিত কৰি সাৰ্থকভাৱেই বুৰঞ্জীমূলক কাহিনীৰ ভিত্তিত এটি কাল্পনিক প্ৰেমৰ কাহিনী ঔপন্যাসিকে উপস্থাপন কৰিছে।

এই উপন্যাসত ঔপন্যাসিকে অসমৰ মাজুলী অঞ্চলৰ গাঁৱত জন্মগ্ৰহণ কৰা এজনী কৃষক ৰমণীক লৈ নাৰী সমস্যাক দাঙি ধৰিছে। শঙ্কৰদেৱৰ সময়ত মাজুলী আছিল বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰস্থল। উপন্যাসৰ নায়িকা ৰহদৈৰ জন্ম হৈছিল এটা কৃষক পৰিয়ালত। কৃষক পৰিয়ালৰ নাৰী হিচাপে সৰুৰে পৰাই তাই এটা মতা ম'হ চৰোৱাৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হৈছিল। কাহিনীৰ আৰম্ভণিতে - এইদৰে ম'হ চৰাবলৈ যাওঁতে আন এজন ম'হ চৰাবলৈ যোৱা কৃষক ডেকাৰ লগত ৰহদৈৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠে। কিন্তু কৃষক ডেকা দয়াৰামে ৰহদৈৰ নিচিনা গাভৰু হৈ আহিব ধৰা ছোৱালী ম'হৰ পিঠিত উঠি ফুৰাটো ভাল নেদেখি বুলি যেতিয়া কৈছে ,তেতিয়া ৰহদৈয়ে যুক্তি সহকাৰে উত্তৰ দিছে, "গোঁসানীয়ে যদি বাঘ আৰু সিংহত উঠি ফুৰিব পাৰে তেন্তে আমি জীয়ৰী বা দাসীসকলে হাতী, ঘোঁৰা, ম'হত উঠিলেনো কি জগৰ লাগিব পাৰে?" (পৃ. ৮) দয়াৰামে এই কথাৰ উত্তৰত ক'লে যে এনেকুৱা এজনী ছোৱালী কেতিয়াও বিয়া কৰাব নোৱাৰে। (পৃ. ৮) নাৰীয়ে পুৰুষৰ সমানে সমানে কাম কৰাত বাধা আৰোপ কৰা ঊনবিংশ শতিকাৰ বৃটিছ ৰাজত্বৰ আগভাগৰ অসমীয়া পুৰুষতান্ত্ৰিক সমাজৰ দৃষ্টিভংগী দয়াৰামৰ কথাৰ মাজেদি ওলাই পৰিছে বুলি গোবিন্দ প্ৰসাদ শৰ্মাই দেখুৱাই দিছে। তেওঁ ইয়াকো দেখুৱাইছে যে সেই সময়ৰ নাৰী ৰহদৈয়ে নাৰীৰ কাম-কাজৰ ওপৰত সামাজিক বাধ্যবাধকতাৰ যুক্তি বিচাৰি পোৱা নাই।[৩] এই ৰক্ষণশীল দৃষ্টিভংগীক উলাই কৰি

উপন্যাসৰ আৰম্ভণিতেই ৰহদৈয়ে এটা শক্তিশালী নাৰী চৰিত্ৰ হিচাপে উপন্যাসত আত্মপ্ৰকাশ কৰিছে।

অসমীয়া পুৰণি সমাজখনত বিয়াবাৰুৰ ক্ষেত্ৰতো নাৰীৰ কোনো স্বাধীনতা নাছিল। সেয়ে দয়াৰামে যেতিয়া ৰহদৈক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছিল, তেতিয়া ৰহদৈয়ে দয়াৰামক কৈছিল, "..... তোৰ দেউতাৰে যদি খোজে আৰু মোৰ আই বোপায়ে যদি দিয়ে তেন্তে তোলৈ নগৈ কি কৰিম।" (পৃ. ১৭) ইয়াৰ পৰা সেই সময়ত বিবাহৰ ক্ষেত্ৰত মাক-দেউতাকৰ সিদ্ধান্তই যে সকলো আছিল তাকেই বুজা যায় বুলি গোবিন্দ প্ৰসাদ শৰ্মাই দেখুৱাই দিছে।[৪] কিন্তু দয়াৰামৰ পৰিয়ালে দয়াৰামলৈ ৰহদৈক বিয়া কৰাই আনিবলৈ যেতিয়া আগবাঢ়িল, তেতিয়া হঠাতে সেই সময়ৰ আহোম ৰজা চন্দ্ৰকান্ত সিংহই বাধা হিচাপে থিয় দিলে। ৰাজপ্ৰাসাদলৈ দুৰ্গাপূজা চাবলৈ যোৱা ৰহদৈৰ সৌন্দৰ্যৰ ওপৰত আহোম ৰজা চন্দ্ৰকান্তৰ চকু পৰিল। সতৰামৰ সহযোগত ৰজাই ৰহদৈক লৈ গৈ 'হাতধৰী লিগিৰী' কৰিলে। সতৰামে কিছু ধন-বিত দি তাইক কিনি অনাৰ' (পৃ. ১৫) কথা ৰজাক কৈছিল। ইয়াৰ পৰাই এইটো প্ৰতিপন্ন হয় যে সেই সময়ৰ সামাজিক দৃষ্টিত নাৰী বজাৰৰ উপভোগ্য সামগ্ৰীৰ দৰে আছিল।[৫] সমাজৰ ডা-ডাঙৰীয়া, ৰজা-মহাৰজাই যেতিয়া ইচ্ছা তেতিয়াই যি কোনো নাৰীক বলপূৰ্বক ধৰি আনি ভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰাৰ স্বাধীনতা আছিল। এইটো হৈছে পৰম্পৰাগত পুৰুষপ্ৰধান সমাজৰ দৃষ্টিভংগী— য'ত নাৰীৰ কোনো স্বাধীনতা নাছিল। ঔপন্যাসিকে তেওঁৰ পূৰ্বৰ আৰু সমসাময়িক সমাজখনৰ নাৰী সম্পৰ্কে দৃষ্টিভংগী ইয়াৰ মাজেদি দাঙি ধৰিছে। নাৰীৰো যে এটা নিজস্ব সত্তা আছে, নাৰীও যে মানবীয় প্ৰাণী - এইটো পুৰুষপ্ৰধান সমাজখনে অস্বীকাৰ কৰিছিল। সতৰামে ৰজাক কোৱা কথাৰ পৰা জানিব পাৰি ঃ

> *সৎৰাম - স্বৰ্গদেৱ ঈশ্বৰ। ল'ৰালিকালত কি ডেকা কি গাভৰুৱে মাছ মাৰোঁতে, ভূই ৰোওঁতে, বিহু গাওঁতে আৰু নাচোঁতে যি প্ৰেমৰ আলাপ কৰে তাৰ মূল্য একো নাই। ভাগ্য-চকৰিয়ে কাক কেনি নিয়ে তাৰ ঠিকনা নাই। যেতিয়ালৈকে তিৰোতা পুৰুষৰ শয্যাশায়িনী নহয় তেতিয়ালৈকে সেই তিৰোতা বা গাভৰুৰ প্ৰেম সেইজনা পুৰুষলৈ স্থায়ী নহয়। ৰহদৈয়ে যি স্থলত দয়াৰামৰ তিৰোতা হৈ পোৱা নাই সেই স্থলত তাইৰ দয়াৰামলৈ প্ৰেম স্থায়ী নহয়। স্বৰ্গদেৱ ঈশ্বৰে অলপ ফুচুলিয়াই তাইক প্ৰেম-সম্ভাষণ কৰিলেই তাই স্বৰ্গদেৱক ভজিব। এবাৰ ভজিলেই পিছত তাইক স্বৰ্গদেৱে যি ভাৱে ৰাখে বোলে সেই ভাৱেই ৰব। (পৃ. ২৮)*

ৰহদৈৰ লগত দয়াৰামৰ বিয়াৰ ঠিক বন্দৱস্ত হৈ যোৱাৰ সময়তে ৰজাৰ কটকী আহিল ৰহদৈক লৈ যাবলৈ। পিতাক ৰতিকান্তই দয়াৰামলৈ বিয়া ঠিক হোৱা বুলি আপত্তি কৰিলেও ৰজাই যিহেতু জোৰ কৰি লৈ যাবলৈ কৈছে - সেয়ে ৰতিকান্তই

ৰহদৈক কটকীৰ হাতত পঠাই দিয়াৰ বাহিৰে কোনো উপায় নাথাকিল। কটকীয়ে দিয়া চাৰি কুৰি ৰূপৰ মোহৰ লৈ গৰীব কৃষক পৰিয়ালৰ একমাত্র কন্যা ৰহদৈক কটকীৰ হাতত পঠাই দিলে।

ৰাজপ্রাসাদৰ লিগিৰী হৈ থকা সময়ত ৰহদৈক ৰজাই দৈহিক সম্ভোগ কৰিব খোজাৰ বিৰুদ্ধে তীব্র প্রতিৰোধ কৰিবলগীয়া হৈছিল। আনকি সেই সময়ত ৰজাৰ ডা-ডাঙৰীয়া মন্ত্রী-সেনাপতি আদিয়েও ৰহদৈৰ দেহৰ প্রতি আকৃষ্ট হৈছিল। কিন্তু দয়াৰামৰ প্রতি থকা তাইৰ গভীৰ প্রেমৰ বাবেই অৱশেষত নিজকে এই পৰিস্থিতিত ৰক্ষা কৰিবলৈ সমর্থ হৈছিল। গাঁৱলীয়া অশিক্ষিত কম বয়সীয়া ছোৱালী হৈয়ো স্থিৰ- অচঞ্চল চিন্তাধাৰাই ৰহদৈৰ চৰিত্রটোক সুন্দৰ কৰি তুলিছে। ৰাঙলী বাহৰত ছদ্মবেশী বেজ দয়াৰামক লগ পালত আৰু সেই কথা চন্দ্রকান্তক জনোৱাত চন্দ্রকান্ত ৰজাই অৱশেষত দয়াৰাম আৰু ৰহদৈক মুক্তি দিলেও ৰাজমাওৰ চক্রান্তত দয়াৰামক নগাপাহাৰলৈ নির্বাসন দিয়া হয়। ৰহদৈয়ে ৰাজপ্রাসাদৰ ভিতৰে -বাহিৰে বহুতো সমস্যাৰ মুখামুখি হোৱাৰ পিছত ব্রহ্মপুত্র পাৰ হৈ নিজ ঘৰলৈ উভতি আহে। ইতিমধ্যে বাপেকৰ মৃত্যু হোৱাত ৰহদৈৰ ঘৰখনলৈ সংকট নামি আহে। ৰহদৈ ঘৰ পোৱাৰ পিছত গাঁৱৰ মানুহে ৰজাঘৰত লিগিৰী হৈ থকা বাবে ৰহদৈৰ জাত যোৱা বুলি ঘিণ কৰিবলৈ আৰম্ভ কৰে। ৰহদৈৰ মাকে জীয়েকক জাতত তুলিবলৈ চেষ্টা কৰিও বিফল হ'ল। অসমীয়া সমাজৰ ধর্মীয় কুসংস্কাৰৰ স্বৰূপটো ইয়াতে ঔপন্যাসিকে উদঙাই দেখুৱাইছে। হঠাতে গাঁৱত দেখা দিয়া মহামাৰীত আক্রান্ত হৈ ৰহদৈৰ মাকৰো মৃত্যু হোৱাত তাই অকলশৰীয়া হৈ পৰিল। তাইৰ এই অকলশৰীয়া অৱস্থাৰ সুযোগ ল'ব বিচাৰিলে বহুতেই। এই অৱস্থাৰ সুযোগ লৈ দৈহিক সম্ভোগ কৰাৰ বাবে আনকি দুই-এজন কেঁৱলীয়া ভকতেও তাইৰ ওচৰত প্রস্তাৱ আগবঢ়াইছিল। উপন্যাসৰ ভাষাত ঃ

> *তাইৰ ৰূপত আকৃষ্ট হৈ গাঁৱলীয়া ডেকাসকলে, আন কি সত্রৰ দুই-এগৰাকী উদাসীন ডেকা ভকতেও তাইক বাটে - ঘাটে, পথাৰে-বননিয়ে, কু-কথা ক'বলৈ কু অভিলাস পূৰ কৰিবলৈ প্রস্তাৱ কৰিবলৈ নেৰাত পৰিল। তাইৰ শান্তি নোহোৱা হ'ল তাইৰ দুখত হলে কেৱে প্রকৃতকৈ দুখী নহয়, কিন্তু তাইৰ সতীত্ব ধর্ম্ম নষ্ট কৰি তাইক কুপথলৈ নিবলৈ হলে সকলোবিলাকেই উত্রাৱল! তাইৰ হাতে পানী-দুনি এটোপা খালেও স্বজাতীয় কলিতাসকলৰ জাতি কুল নৰয়; কিন্তু সিহঁতৰ কাম প্রবৃত্তি চৰিতার্থ কৰিবৰ নিমিত্তে হলে তাই শুচি। (পৃ.৯৬)*

হঠাতে মহামাৰীত মাক আৰু ভায়েকৰ মৃত্যু হোৱাত 'গাঁৱলীয়া পাষগুইঁতৰ উত্তগুলিত ৰক্ষা নোপোৱা হৈ' (পৃ.৯৯) প্রেমিক দয়াৰামৰ পিতাক ধনীৰামৰ আশ্রয়ত থাকিও ৰহদৈ শান্তিত থাকিব নোৱাৰিলে। বদন বৰফুকনক হত্যা কৰাৰ

উপঢৌকন স্বৰূপেই ৰূপচিং চুবেদাৰলৈ ৰহদৈক দিব বুলি ৰাজমাৱে দিয়া প্ৰতিশ্ৰুতিৰ কাৰণেই ৰহদৈক ধৰি নিবলৈ পুনৰ চাউদাং মাজুলীলৈ পঠালে। ৰহদৈয়ে কোনো উপায় নাপাই গভীৰ হতাশা আৰু বেজাৰত আত্মহত্যা কৰি সতীত্ব ৰক্ষা কৰিবলৈ বুলি ব্ৰহ্মপুত্ৰ নদীত জঁাপ দিলে।

কিন্তু ৰহদৈৰ মৃত্যু নহ'ল। যোৰহাটৰ ককিলামুখ ঘাটৰ পশ্চিমৰ এখন আশ্ৰমৰ এজন সন্ন্যাসীয়ে এজনী ছোৱালীৰ দেহ পানীত উটি অহা দেখা পাই উদ্ধাৰ কৰে। শুশ্ৰূষাৰ ফলত ৰহদৈৰ চেতনা ঘূৰি আহে। সন্ন্যাসী আগমানন্দই ৰহদৈক লৈয়েই এক কঠোৰ সাধনাত সিদ্ধি লাভ কৰাত ৰহদৈক ইযাৰ বাবে কি লাগে সোধাত সন্ন্যাসী আগমানন্দৰ আগত প্ৰাৰ্থনা কৰিছে এইদৰে ঃ

> *ৰহদৈ- বাবা! মোক কৃষ্ণৰ মন্ত্ৰ দিয়ক। মোক কৃষ্ণক চিন্তিবলৈ, তেওঁৰ নাম গাবলৈ শিকাওক। আৰু ইয়াৰ লগে লগে মোৰ এই ভুৱনমোহিনী ৰূপটো - যি মোক সকলোৰে লোভৰ বস্তু কৰি মোৰ জীৱনটো দুখীযা কৰিলে - আপুনি গুচ... মোক আপোনাৰ যোগবলেৰে দেখিবলৈ এলাগী অথচ চৰিব ফুৰিব পৰা শক্তি থকা তিনিকুৰি বছৰ বযসীযা বুঢ়ী মানুহ এজনীৰ ৰূপ দিয়ক - যাতে মই শান্তিৰে কাৰো মনত মোৰ দেহটোলৈ স্পৃহা নজন্মাই সুখেৰে শান্তিৰে কৃষ্ণৰ নাম লৈ ফুৰিব পাৰোঁ, কৃষ্ণৰ নাম দহজনক বিলাবও পাৰোঁ। (পৃ ১২৫)*

ৰহদৈয়ে জীৱনৰ অভিজ্ঞতাৰ পৰা এইটো সিদ্ধান্তলৈ আহিছিল যে তাইৰ দৈহিক সৌন্দৰ্য থাকে মানে পুৰুষৰ লোলুপ দৃষ্টিৰ পৰা আঁতৰত থাকি অকলে এইখন সমাজত জীৱন নিৰ্ব্বাহ কৰাটো সম্ভৱ নহব। তাইৰ সমাজখনত নাৰীক মানৱীয় প্ৰাণী হিচাপে কোনো মূল্যই দিয়া নহয়। সেয়ে গৃহস্থী ধৰ্ম পালন কৰাৰ সকলো কল্পনা তাইৰ যেতিয়া ধুলিস্যাৎ হৈ গ'ল তেতিয়া তাই সন্ন্যাসীক ক'লে "বাবা। মই আৰু গৃহস্থী নকৰোঁ।" (পৃ. ১২৮) দয়াৰামৰ প্ৰতি থকা তাইৰ প্ৰেম কৃষ্ণ প্ৰেমলৈ উন্নীত কৰিলে। আগমানন্দই ৰহদৈৰ দেহৰ সৌন্দৰ্যৰ পৰিবৰ্ত্তন ঘটাই তিনি কুৰি বছৰীয়া বুঢ়ীলৈ পৰিবৰ্ত্তন কৰিলে। ৰহদৈৰ নাম দিলে কৃষ্ণদাসী।

কৃষ্ণদাসী লগৰ সন্ন্যাসী দুজনেৰে সৈতে নাহৰণিৰ শিৱ দৌললৈ আহি এক নতুন অভিজ্ঞতাৰ মুখামুখি হ'ল। সেই সময়ত বৈষ্ণৱ আৰু শাক্ত ধৰ্মৰ মাজত যেনেকৈ ব্যভিচাৰে ঠাই লৈছিল - ঠিক তেনেকৈ শৈৱ ধৰ্মৰ মাজতো অবাধ যৌন ব্যভিচাৰে ঠাই লৈছিল। কৃষ্ণদাসীয়ে দেখিলে যে দেৱদাসী কিছুমানে বিগ্ৰহৰ আগত নৃত্য কৰিছে আৰু সেই নৃত্য চাই উতনুৱা ডেকাবোৰে কিৰিলি পাৰি বিশৃঙ্খলাৰ সৃষ্টি কৰিছে। কৃষ্ণদাসীয়ে নাৰীবাদীসকলৰ দৰে এই দেৱদাসী প্ৰথা আৰু শৈৱধৰ্মী পুৰোহিতসকলৰ মাজত প্ৰচলিত জাত-পাতৰ বিচাৰক সমৰ্থন কৰিব পৰা নাই। সেয়ে কৃষ্ণদাসীয়ে নাহৰণিৰ ৰাইজক আহ্বান কৰিছে এইদৰে ঃ

> *আপোনালোকে সকলোৱে পূৰ্বৰ সেই পবিত্ৰ ৰীতি-নীতিবিলাকত*

ধৰক। দয়া দাক্ষিণ্য নৰৰূপী নাৰায়ণৰ সুশ্ৰূষা (?), অহিংসা,নৈষ্ঠিকতা এইবিলাকত আৰু হৰিৰ নামত আশ্ৰয় লওক। নহলে দিব্য চকুৰে দেখিছোঁ যে প্ৰবল ভূইকঁপৰ দৰে বা বৰ ধুমুহা এটাৰ দৰে এই অসমলৈ পূবফালে এটা প্ৰলয় আহিব লাগিছে। যদি আপোনালোকে আমি (ৰোৰ দৰে ধৰ্মত নধৰে দেশৰ হকে, ধৰ্ম্মৰ হকে প্ৰাণ দিবলৈ নিশিকে তেন্তে এই প্ৰলয়ত আপোনালোকে কোন কেনি কত উটি বুৰি যাব তাৰ ঠিকনা নোহোৱা হব। (পৃ.১৬৮)

অসমীয়া সমাজত নাৰীৰ যে কোনো স্বাধীনতা নাই -তাৰ কিছুমান প্ৰত্যক্ষ অভিজ্ঞতা কৃষ্ণদাসীয়ে যোৰহাট অঞ্চলৰ বৰভিঠা গাঁৱত ঘটা কিছুমান ঘটনাৰ পৰা লাভ কৰিছিল। এদিন এজন বামুণৰ ল'ৰাই সদ্য বিবাহিতা ঘৈণীয়েকক বিনাদোষত শাৰীৰিক অত্যাচাৰ কৰা দেখা পাই - কৃষ্ণদাসীয়ে বাধা প্ৰদান কৰিবলৈ বাধ্য হ'ল। কৃষ্ণদাসীয়ে ইয়াৰ কাৰণ সঠিকভাৱেই নিৰ্দ্ধাৰণ কৰিছে যে নাৰীৰ ওপৰত চলা এই অত্যাচাৰৰ বাবে হিন্দু ধৰ্মৰ প্ৰচলিত বাল্য বিবাহেই দায়ী। (পৃ.১৭০) আন এদিনাখন এজনী ছোৱালী জন্ম দি মুমূৰ্ষু অৱস্থাত পৰি থকা তিৰোতাজনীক স্বামীয়ে অকলে এৰি থৈ যোৱাৰ পৰা কৃষ্ণদাসীয়ে উপলব্ধি কৰিছে যে সমাজত পুৰুষে নাৰীক কোনো মানৱীয় প্ৰাণী হিচাপে গণ্য নকৰে। এই বিলাক ঘটনাই বৈবাহিক প্ৰথাৰ মাজেদি গঢ়ি উঠা প্ৰেমবৰ্জিত দাম্পত্য জীৱনৰ অন্তঃসাৰশূন্যতাকে প্ৰকাশ কৰিছে। কৃষ্ণদাসীয়ে এই ঘটনাসমূহ দেখি নাৰীবাদী চেতনাসম্পন্ন সিদ্ধান্তলৈ আহিছে যে পৰম্পৰাগত বিবাহত নাৰীৰ কোনো মৰ্যাদা নাথাকে। সেয়ে কৃষ্ণদাসীয়ে কৈছে, "মই মোৰ ৰূপ বদলাই সংসাৰৰ মায়া এৰি ভালকে কৰিলোঁ।" [৬] (পৃ.১৭৯)

কৃষ্ণদাসীয়ে অদূৰ ভৱিষ্যতে অসমত এটা ৰাজনৈতিক অস্থিৰতা দেখা দিব বুলি অনুমান কৰিছিল। তেওঁ কৈছিল যে এই ৰাজনৈতিক সংকটৰ সময়ত অসমীয়া মানুহ একমুঠ হ'ব লাগিব, আৰু নিজৰ ভিতৰত দলাদলি পৰিহাৰ কৰিব লাগিব। (পৃ.১৭৭)

কৃষ্ণদাসীৰ এই অনুমান সত্যত পৰিণত হৈছিল- যেতিয়া অসম দেশ মান সেনাই আক্ৰমণ কৰিছিল আৰু অসমীয়া প্ৰজা অত্যাচাৰৰ মুখামুখি হ'বলগীয়া হৈছিল। এইদৰে সম্ভাব্য বিপদৰ পৰা অসমীয়া প্ৰজাক উদ্ধাৰ কৰাৰ পথৰ সন্ধান দি কৃষ্ণদাসীয়ে দুজন সন্ন্যাসীৰ লগত পৰশুৰাম কুণ্ডত স্নান কৰি উভতি আহি কমলাবাৰী পায়। তাতেই তেওঁ উদাসীন ভকতীয়া পন্থা অবলম্বন কৰা প্ৰেমিক দয়াৰাম ওৰফে দীনবন্ধুক লগ পায়। সেই সময়ত কৃষ্ণদাসীয়ে যুদ্ধত আহত হোৱা সৈনিকসকলক সহায় কৰাৰ বাবে এটা সেৱা দল গঠন কৰাৰ প্ৰস্তাব দিলে দীনবন্ধুক; 'ৰণত আহত হোৱা সকলক শুশ্ৰূষা কৰিবলৈ ঔষধ-পত্ৰ, পথ্যাদি দিবলৈ মোক এদল ভাল কৰ্মী ডেকা লাগে। অতি কমেও তিনিশ ডেকা হ'লে

সুধিবা হব।' (পৃ.১৯৭) দীনবন্ধুৱেও আহ্বানত সঁহাৰি দিলে। সংগঠিত শুশ্ৰূষাকাৰীৰ দলটো গুৱাহাটী আহি পালে। সেই সময়তে কৃষ্ণদাসীয়ে দীনবন্ধুৰ অনুৰোধক্ৰমে সাধনাৰ বলত লাভ কৰা অলৌকিক শক্তিৰে নিজৰ পূৰ্ব ৰূপ প্ৰদৰ্শন কৰাত দীনবন্ধুৱে গাৰ্হস্থ্য জীৱনত প্ৰৱেশ কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰাত কৃষ্ণদাসীয়ে অসন্মতি প্ৰকাশ কৰিলে। সংসাৰৰ স্থূল কৰ্মকাণ্ডৰ মাজলৈ উভতি যোৱাৰ স্পৃহা কৃষ্ণদাসীৰ এতিয়া আৰু নাই। সৰ্বশেষত দীনবন্ধুৱে কৃষ্ণদাসীৰ লগত বৃন্দাবনলৈ যাবৰ বাবে ইচ্ছা প্ৰকাশ কৰাত কৃষ্ণদাসীয়ে কৈছে, "ক্ষমা কৰিব, আপোনাৰ ঢেৰ কৰ্ম্ম অসমতে আছে। দেখক এতিয়া অসম ভূমি সাগৰৰ সিপাৰৰ সুসভ্য বৃটিছ জাতিৰ হাতলৈ আহিব। অসমত শান্তি স্থাপিত হব। মান মৰাণৰ উপদ্ৰৱত অসমৰ ধৰ্ম্ম-কৰ্ম্ম সমস্ত লোপ হৈ বৈছে (?)। এই সমস্তৰে পুনৰ সংস্কাৰ লাগিব।" (পৃ.২০৭) কৃষ্ণদাসীয়ে অসমত নাথাকি পশ্চিমফালে যোৱাৰ কাৰণ সম্পৰ্কে কৈছে, "অসমত মাইকী মানুহৰ দ্বাৰাই ধৰ্ম্মৰ সংস্কাৰ হোৱাৰ নিয়মো নাই, উপায়ো নাই। মহাপ্ৰভু শঙ্কৰ, দামোদৰ, মাধৱ, হৰিদেৱ এইসকলৰ নাম-ধৰ্ম্মইহে অসমীয়া জাতিক উদ্ধাৰ কৰিব পাৰিব আৰু সেই নাম-ধৰ্ম্ম আপোনাৰ নিচিনা উৎসাহী ডেকা ভকতে সত্ৰে সত্ৰে গাঁৱে -ভূঁয়ে নাম গাই ফুৰিহে মানুহৰ মাজত বিলাব পাৰিব।" (পৃ:২০৭-২০৮) অসমীয়া সমাজত নাৰীৰ স্থানৰ প্ৰতি দৃষ্টি ৰাখি কৃষ্ণদাসীয়ে সিদ্ধান্তলৈ আহিছে এইদৰে,"- তাৰ কাৰণ অসমত এতিয়ালৈকে মাইকী মানুহে ধৰ্ম্ম বিলাই ফুৰা নাই। চাৰিসত্ৰীয়াসকল উদাসীন পুৰুষ। মাইকী মানুহ থাকিবলৈ বেলেগকৈ সত্ৰৰ বাহিৰে অসমত আশ্ৰম নাই। মোৰ কৰ্ম্ম আছে পশ্চিম জগতত"। (পৃ.২০৮) অসমীয়া সমাজত নাৰীৰ স্থান তেনেই নিম্ন হোৱা হেতুকেই কৃষ্ণদাসীয়ে কেনেকৈ তেওঁৰ অতি মৰমৰ দেশ অসম ত্যাগ কৰিবলগীয়া হ'ল- এই কথাৰ পৰা বুজা যায় বুলি গোবিন্দ প্ৰসাদ শৰ্মাই দেখুৱাইছে।[৭]

এইটো অতি দুখৰ বিষয় যে অসম দেশ, বৈষ্ণৱ ধৰ্ম আৰু জনসাধাৰণৰ প্ৰতি এক আন্তৰিক ভালপোৱা থাকিলেও কৃষ্ণদাসীয়ে অৱশেষত অসম ত্যাগ কৰিবলৈ সিদ্ধান্ত কৰিবলগীয়া হ'ল। মনু সংহিতাৰ দিনৰে পৰা, আনকি উদাৰ বৈষ্ণৱ ধৰ্মতো নাৰী নীচ খাপৰ প্ৰাণী বুলি ধাৰণা কৰাৰ ফলতে কৃষ্ণদাসীয়ে সমাজৰ এক ব্যাপক পৰিৱৰ্ত্তন বিচাৰিও সৰ্বশেষত অসম দেশ ত্যাগ কৰিবলৈ বাধ্য হ'ল।[৮]

১৯৩০ চনত ৰচিত এই উপন্যাসৰ পটভূমি যদিও আহোম যুগৰ তথাপি আজিও মানৱীয় প্ৰাণী হিচাপে সমাজত নাৰীয়ে পুৰুষৰ লগত সমান অধিকাৰ পোৱা নাই। নাৰী আজিও নিজৰ আদৰ্শ প্ৰতিষ্ঠা কৰাৰ অধিকাৰৰ পৰা বঞ্চিত। আজি বিংশ শতিকাৰ শেষতো পুৰুষ আৰু নাৰীৰ সমাধিকাৰৰ প্ৰশ্নত কোনো দৃঢ় আন্দোলন নোহোৱাত নাৰীৰ অৱস্থাৰ কোনো উন্নতি হোৱা নাই। সেয়ে নাৰীবাদী উপন্যাস হিচাপে এই উপন্যাসৰ গুৰুত্ব উলাই কৰিব পৰা বিধৰ নহয় বুলি গোবিন্দ প্ৰসাদ শৰ্মাই মত প্ৰকাশ কৰিছে।[৯]

ৰহদৈ ওৰফে কৃষ্ণদাসীৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত ঔপন্যাসিকৰ অজ্ঞাতসাৰে হ'লেও নাৰীবাদী দৃষ্টিভংগী প্ৰকাশ পাইছে। যি সমাজখনত পুৰুষক বাদ দি নাৰীক স্বয়ংসম্পূৰ্ণ যুক্তিবাদী জীৱ হিচাপে গণ্য কৰা নহয়- উনবিংশ শতিকাৰ অসমীয়া সমাজখনৰ এই পটভূমিত ঔপন্যাসিকে ৰহদৈৰ নিচিনা দৃঢ়, স্বাধীনচিতীয়া, নিজস্ব মতবাদেৰে পৰিচালিত এজনী নাৰীৰ চৰিত্ৰ সৃষ্টি কৰি অসমীয়া সমাজত নাৰীৰ স্থান নিৰূপণ কৰিছে। ৰহদৈৰ অসাধাৰণ ব্যক্তিত্ব থকা সত্বেও অসমীয়া সমাজত স্থান লাভ কৰিব নোৱাৰিলে। কাৰণ নাৰীৰ বাবে বৈষ্ণৱ সত্ৰৰ দুৱাৰ বন্ধ। বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ একমাত্ৰ অধিকাৰ পুৰুষৰহে। নাৰীৰ প্ৰতি সমাজৰ এই ৰক্ষণশীল দৃষ্টিভংগী ৰহদৈয়ে মানি ল'ব পৰা নাই। এই নাৰীবাদী চেতনাৰ প্ৰকাশ ঘটিছে ৰহদৈৰ চৰিত্ৰত। সেয়ে ৰহদৈ ওৰফে কৃষ্ণদাসীয়ে দয়াৰাম ওৰফে দীনবন্ধুক অসমত এৰি যাব খুজিছে- সমাজত এনে এটা পৰিবেশ সৃষ্টি কৰাৰ বাবে, য'ত নাৰীয়ে মানৱীয় প্ৰাণী হিচাপে পুৰুষৰ সমানে অধিকাৰ লাভ কৰিবলৈ সক্ষম হ'ব। কাৰণ পুৰুষৰ সহায় অবিহনে নাৰীয়ে নিজৰ অধিকাৰ সমাজত প্ৰতিষ্ঠা কৰিব নোৱাৰিব। সেয়ে ব্যক্তিবাদী নাৰীবাদী উপন্যাস হিচাপে 'ৰহদৈ লিগিৰী' উপন্যাসৰ আজিও গুৰুত্বপূৰ্ণ ভূমিকা ৰৈ আছে।[১০]

সাধনা

দণ্ডিনাথ কলিতাৰ 'সাধনা'[১১] এখন ৰাজনৈতিক উপন্যাস। উপন্যাসখন যদিও ১৯২৮ চনত প্ৰকাশিত হৈছে- তথাপি এই উপন্যাসৰ পটভূমি হৈছে বিংশ শতাব্দীৰ প্ৰথম দশক। ১৯০৫ চনৰ বংগভংগ আন্দোলনৰ স্বদেশী প্ৰচাৰ আৰু বিদেশী বৰ্জনৰ দ্বাৰা উপন্যাসৰ নায়ক প্ৰভাৱিত। কিন্তু ইপিনে এই উপন্যাসত স্ত্ৰী-শিক্ষা আৰু স্ত্ৰী-মংগলৰ যি আদৰ্শ দেখুওৱা হৈছে - সেই আদৰ্শ পৰৱৰ্তী গান্ধীৰ দ্বাৰা পৰিচালিত জাতীয় আন্দোলনৰহে আদৰ্শ। ঔপন্যাসিকে কলাসুলভভাৱে প্ৰথম আৰু তৃতীয় দশকৰ অসমৰ ৰাজনৈতিক ঘটনা আৰু আদৰ্শৰ সুসমন্বয় ঘটাইছে। জাতীয় আন্দোলনৰ পটভূমিত নাৰী-মংগল আৰু নাৰীমুক্তিৰ দিশটো কেনেকৈ স্পষ্ট হৈ উঠিছে তাক গোবিন্দ প্ৰসাদ শৰ্মাই দেখুৱাই থৈছে।[১২] আমি আমাৰ আলোচনাত 'সাধনা' উপন্যাসত নাৰী-মংগল, নাৰীমুক্তিৰ দিশটো কেনেদৰে ফুটি উঠিছে তাক শৰ্মাৰ প্ৰবন্ধৰ অৱলম্বনতে আলোচনা কৰিম।

উপন্যাসৰ মূল বিষয়বস্তু হ'ল আধুনিক যুগৰ চহৰকেন্দ্ৰিক সভ্যতাৰ মাজত ৰঘুমলাৰ দৰে গজি উঠা এচাম ভণ্ড প্ৰতিক্ৰিয়াশীল, কামুক মধ্যবিত্তৰ বিৰুদ্ধে জাতীয় আদৰ্শৰে সমাজ সংস্কাৰ আৰু তাত স্ত্ৰী-শিক্ষাৰ আদৰ্শ প্ৰতিষ্ঠা কৰিব

খোজা এটি নীতিবাদী চৰিত্ৰৰ মাজত সংঘাত। উপন্যাসৰ নায়ক দীনবন্ধু সমসাময়িক ৰাষ্ট্ৰীয় নেতা তথা কংগ্ৰেছ দলৰ জাতীয় আৰ্হিৰ সমাজ নিৰ্মাণৰ আদৰ্শৰে উদ্বুদ্ধ বুলি গোবিন্দ প্ৰসাদ শৰ্মাই দেখুৱাইছে।[১৩] উপন্যাসৰ কাহিনীৰ মাজত সংঘাত উপস্থিত হৈছে- দীনবন্ধুৰ "স্ত্ৰী-শিক্ষা আৰু জাতীয় আদৰ্শ" নামৰ প্ৰবন্ধ পঢ়ি স্ত্ৰী-শিক্ষা প্ৰচাৰৰ আশা বুকুত বান্ধি এই চহৰলৈ অহা প্ৰভাৱতীকলৈ। প্ৰভাৱতী শিক্ষিতা। সমাজৰ হেজাৰ হেজাৰ অশিক্ষিতা নাৰীৰ মাজত শিক্ষাৰ পোহৰ বিলোৱাই প্ৰভাৱতীৰ জীৱনৰ লক্ষ্য । সেয়ে প্ৰভাৱতীয়ে এই সৰু চহৰলৈ আহিছে- - এটা নতুন আশা লৈ। স্ত্ৰী-শিক্ষাৰ আৱশ্যকতা অনুভৱ কৰি এখন বালিকা বিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ আশা কৰোঁতেই দীনবন্ধুৰ লগত প্ৰভাৱতীৰ পৰিচয় হয়। ইমান দিনে স্ত্ৰী শিক্ষাৰ প্ৰচাৰৰ বাবে দীনবন্ধুৱে শিক্ষয়িত্ৰীৰ অন্বেষণ কৰিছিল। প্ৰভাৱতীক ওচৰতে পোৱাৰ লগে লগে দীনবন্ধুৰ স্বপ্ন যেন বাস্তৱত পৰিণত হ'ল। প্ৰভাৱতীৰ প্ৰথমখন চিঠিৰ উত্তৰত তেওঁ জাতীয় আদৰ্শত স্ত্ৰী-শিক্ষাৰ পোষকতা কৰি লেখিলেঃ

> *ইয়াত যে স্ত্ৰী শিক্ষাৰ অভাৱত বহুতো অনৰ্থ ঘটিছে, তাত কোনো সন্দেহ নাই।........যদিও স্ত্ৰী শিক্ষা বিস্তাৰৰ নিমিত্তে মোৰ একান্ত আগ্ৰহ আছে, তথাপিও বিজাতীয়-আদৰ্শত শিক্ষা দিয়াত মোৰ মত নাই। মই দেখি আহিছোঁ -তেনে আদৰ্শত শিক্ষা পোৱা ছোৱালীৰ সৰহভাগেই বিলাস-বাসনাত উটি ৰমনীৰ স্বাভাৱিক কৰ্ত্তব্যৰ সীমা পাৰ হৈ লোকালোকত প্ৰৱেশ কৰে। (পৃ.৩৬)*

এয়া দীনবন্ধুৰ জাতীয় আদৰ্শত সমাজ গঠনৰ আদৰ্শ। পাশ্চাত্য শিক্ষাৰ অন্ধ অনুকৰণৰ পৰা যে সমাজত নানা প্ৰকাৰৰ কুফলে দেখা দিছে সেই সম্পৰ্কে তেওঁ সচেষ্ট। তেওঁৰ মতে নাৰীয়ে এনে শিক্ষাৰে শিক্ষিতা হ'ব লাগিব যি শিক্ষাৰ দ্বাৰা নাৰীয়ে গাৰ্হস্থ্য জীৱনত পত্নী আৰু মাতৃ হিচাপে 'স্বাভাৱিক কৰ্তব্য' পালন কৰিব পাৰে। যি বিদেশী পাশ্চাত্য শিক্ষাই নাৰীক এই 'স্বাভাৱিক কৰ্তব্য'ৰ পৰা দূৰলৈ লৈ গৈ 'বিলাস-বাসনা'ত মত্ত কৰে তেনে শিক্ষাৰ তেওঁ ভাৰতীয় জাতীয় দৃষ্টিভংগীৰ ফালৰ পৰাই বিৰোধিতা কৰিছে। নাৰীৰ বাবে সুকীয়া শিক্ষা আৰু সুকীয়া বিদ্যালয় তেওঁ বিচৰাৰ কাৰণ এইটোৱেই।[১৪] দণ্ডিনাথ কলিতাৰ আদৰ্শ নায়ক দীনবন্ধুৱে নাৰীৰ বাবে সুকীয়া বিদ্যালয়ৰ আৱশ্যকতা উপলব্ধি কৰি, এক সংকীৰ্ণ দৃষ্টিভংগীৰ পৰিচয় দিলেও ল'ৰাতকৈ ছোৱালীৰ শিক্ষাৰ যে বেছি প্ৰয়োজন আৰু পৰিয়ালত, দেশৰ উন্নতি স্ত্ৰী-শিক্ষাৰ ওপৰতে যে নিৰ্ভৰ কৰে- তাক প্ৰভাৱতীলৈ লিখা দীনবন্ধুৰ প্ৰথম চিঠিত স্পষ্টভাৱে প্ৰকাশ কৰিছে।[১৫](পৃ.৩৭)

পাশ্চাত্য শিক্ষা-সংস্কৃতিৰ অন্ধ অনুগামী হৈ কেনেকৈ ভাৰতীয় নাৰীয়ে বিলাস-বাসনাত মত্ত হৈ নিজক পাহৰি গৈছে তাক ৰম্ভাই যেতিয়া দীনবন্ধুক লগ ধৰিবলৈ আহে— তেতিয়া ৰম্ভাৰ সাজপাৰৰ পৰা বুজা যায় ঃ

তেওঁৰ বৰণটো বগা, মুখখন গঢ়িত, চকুকেইটা চঞ্চল, ওঁঠত হাঁহি, চুলিকোছা দীঘল আৰু এফলীয়াকৈ সেওঁতাফলা। মুখৰ স্বাভাৱিক ৰং বগা হ'লেও তাৰ ওপৰত "পাউদাৰ" সানি আৰু উজ্জ্বল কৰা হৈছে। চেমিজৰ ওপৰত কঁকালত এখন বেনাৰচী শাৰী কোঁচ দি দি ঘূৰিৰ নিচিনা কৰি পিন্ধা। ওপৰ ছোৱাত এটা 'ব্লাউজ' আৰু এখন আলোৱান, ভৰিত "লেডি শ্যু" আৰু ৰেচমী মোজা। অলঙ্কাৰৰ ভিতৰত মাত্ৰ বাওঁ হাতৰ ঠাৰিত বান্ধি থোৱা এটা হাত-ঘৰি (?)। (পৃ.৩৮)

সাজপাৰৰ বৰ্ণনাত ৰম্ভা এজনী পাশ্চাত্য শিক্ষা পোৱা আধুনিকা। জাতীয় আদৰ্শগ্ৰহণ কৰা দীনবন্ধুৱে ৰম্ভাৰ এই বাহ্যিক বিলাসিতাক মানি ল'ব পৰা নাই। ৰম্ভাই যেতিয়া দীনবন্ধুৱে প্ৰতিষ্ঠা কৰিব খোজা স্কুলৰ শিক্ষয়িত্ৰী হ'ব খুজিলে তেতিয়া দীনবন্ধুৱে স্পষ্ট ভাষাৰেই ক'লে, পঢ়াশালি পাতিলেও তোমাক বোধকৰোঁ শিক্ষয়িত্ৰীৰ বাব দিব নোৱাৰিম ।" (পৃ. ৪৩) দীনবন্ধুৱে ৰম্ভাক বুজাই দিলে ঃ

—"স্কুল সম্পূৰ্ণ জাতীয় আদৰ্শত চলিব লাগিব। তাত লিখা-পঢ়াৰ বাহিৰেও অসমীয়া তিৰুতাৰ ঘৰুৱা কৰ্ত্তব্যৰ শিক্ষা ভালকৈ দিব লাগিব। সূতা কটা, তাঁত বোৱা, কাপোৰ সিয়া প্ৰভৃতি সকলো কাম সকলোৱে শিকিব লাগিব, সাজ-পাৰত নিভাঁজ অসমীয়া হ'ব লাগিব আৰু শিক্ষয়িত্ৰী এই সকলো বিষয়তে আদৰ্শ হ'ব লাগিব। কিন্তু মোৰ বিশ্বাস তুমি তেনেকৈ চলিব নোৱাৰিবা। (পৃ.৪৩)

বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে 'টাউন হলত যিখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল সেই সভাত স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তা আৰু জাতীয় শিক্ষানীতি সম্পৰ্কে উপন্যাসৰ নায়ক দীনবন্ধুৱে যি বক্তৃতা দিছিল - তাক উপস্থিত জনসাধাৰণে সমৰ্থন কৰিছিল। কিন্তু সমাজৰ একশ্ৰেণী স্বাৰ্থান্বেষী ব্যক্তিয়ে দীনবন্ধুৰ এই আঁচনিক ব্যৰ্থ কৰাৰ বাবে উঠি-পৰি লাগিল। দীনবন্ধুক কৌশলপূৰ্ণভাৱে বিদ্যালয় পৰিচালনাৰ কোনো দায়িত্ব নিদি মাত্ৰ এজন সাধাৰণ সদস্য কৰিহে ৰাখিলে। দীনবন্ধুৱে সভাত দাখিল কৰা বিদ্যালয়ৰ 'নিয়মাৱলী'ৰ খচৰা আংশিকভাৱেহে গৃহীত হ'ল। 'নিয়মাৱলী'ৰ ১০ নং ধাৰাটোৰ দ্বাৰা সেই সময়ৰ জাতীয় নেতাসকলৰ নাৰী- মংগল, নাৰী স্বাধীনতা সম্পৰ্কে ধাৰণা ফুটি উঠিছে ঃ

১০। বিদ্যালয়ত যদি শিক্ষক নাইবা বৃদ্ধা শিক্ষয়িত্ৰী নিযুক্ত হয় তেন্তে চলন-ফিৰণ সম্পৰ্কে কোনো বন্ধা-ধৰা নিয়ম নাথাকিব। বিবাহিতা যুৱতী হলে যদি স্বামীৰ লগত থাকে, অথবা অবিবাহিতা হলেও যদি মাক বাপেক নাইবা ককায়েকৰ লগত থাকে, তেন্তে বিশেষ নিয়ম নাথাকিব ; কিন্তু যদি স্বাধীনা শিক্ষয়িত্ৰী হয়, তেন্তে তলত দিয়া নিয়মৰ তলতীয়া হ'ব লাগিব। (পৃ.৬০)

নিয়মাৱলীৰ উক্ত ধাৰাটোত 'স্বাধীনা শিক্ষয়িত্ৰী'ৰ বাবে তিনিটা উপধাৰা

সংযোগ কৰা হৈছে ঃ

(ক) তৃতীয় ব্যক্তিৰ অনুপস্থিতিত কোনো মতা মানুহক অভ্যৰ্থনা কৰিব নোৱাৰিব।

(খ) বিশেষ আত্মীয় মানুহ নহলে অথবা কোনো বেমাৰে-উমাৰে আৱশ্যক নহলে, ৰাতি শিক্ষয়িত্ৰীৰ ঘৰলৈ কোনো মতা মানুহ যাব নোৱাৰিব।

(গ) লগত বিশ্বাসী সহচৰ নোহোৱাকৈ শিক্ষযিত্ৰী অকলে য'তে ত'তে ফুৰিব নোৱাৰিব। (পৃ.৬০)

নাৰীৰ অবাধ স্বাধীনতাৰ ওপৰত বাধা নিষেধ কৰা ১০ নং ধাৰাটোৰ তিনিটা উপধাৰাৰ বিৰুদ্ধে গৈ সমাজৰ স্বাৰ্থান্বেষী ব্যক্তিসকলে ইয়াক ৰদ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁলোকে ইয়াৰ বিৰুদ্ধে মতামত দিছিল অবাধ স্ত্ৰী-স্বাধীনতাৰ বাবে নহয়- ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ বাবেহে। সেয়ে এই দলটোও নাৰীবাদীসকলৰ বাবে নিশ্চয় গ্ৰহণযোগ্য নহয়।

আজিৰ দিনত আমি দীনবন্ধুৰ এনে প্ৰস্তাৱ নাৰীবাদ বিৰোধী বুলি ভাবিলেও বিংশ শতিকাৰ প্ৰথম দশক আৰু তৃতীয় দশকত নাৰী-মংগলৰ এই ধাৰণাটো নাৰীবাদ নহয় বুলি উৰাই দিব পৰা বিধৰ নহয়।[১৬] দীনবন্ধুৱে প্ৰভাৱতীলৈ লিখা চিঠিত নাৰী স্বাধীনতা সম্পৰ্কে স্পষ্টভাৱে কৈছে, "মই যদিও স্ত্ৰী-স্বাধীনতাৰ বিৰোধী নহওঁ, তথাপি বৰ্তমান সময়ত, আমাৰ দেশত অসীম স্ত্ৰী-স্বাধীনতা থকাৰ ঘোৰ বিৰোধী। দেশ-কাল, আৰু পাত্ৰ অনুযায়ী সকলো বিষয়ৰ একোটা নিৰ্দ্ধাৰিত সীমা থাকিব লাগিব।" (পৃ.৭৮) দীনবন্ধুৱে 'অসীম স্ত্ৰী-স্বাধীনতা' কথাটোৰ দ্বাৰা পাশ্চাত্যৰ নাৰীমুক্তি বা নাৰী স্বাধীনতা সম্পৰ্কে বক্তব্য দাঙি ধৰিছে। পাশ্চাত্যৰ নাৰীমুক্তিক স্বীকাৰ নকৰিও দীনবন্ধুৱে আমাৰ জাতীয় জীৱনৰ লগত খাপ খোৱাকৈ নাৰী স্বাধীনতাৰ পোষকতা কৰিছিল। ইয়াৰ কাৰণ হিচাপে তেওঁ কৈছে যে আমাৰ দেশৰ পুৰুষে তিৰোতাক সন্মান কৰিবলৈ পাহৰিছে আৰু তিৰোতাইয়ো নিজক ৰক্ষা কৰিবলৈ সমৰ্থ নহয়। (পৃ.৭৯)

দীনবন্ধুৱে লিখা 'ভাৰতীয় নাৰীৰ স্বাধীনতা' নামৰ কিতাপখন পঢ়ি পাশ্চাত্য শিক্ষাৰে শিক্ষিতা প্ৰভাৱতীয়ে এটা নিৰ্দিষ্ট সীমাৰ ভিতৰতে নাৰীক স্বাধীনতা দিব বোজা দীনবন্ধুৰ মতবাদক গ্ৰহণ কৰিব নোৱাৰিলে। প্ৰভাৱতীয়ে দীনবন্ধুলৈ লিখা চিঠিত লেখিলে ঃ

আপুনি স্ত্ৰী-স্বাধীনতাৰ সীমাটো যিমান ঠেকাই ধৰিছে সি কেতিয়াও যথেষ্ট হব নোৱাৰে। লকলোৱে(?) লগত মাক বাপেক বা ককায়েকক লৈ ফুৰিব নোৱাৰে; তেনেহলে আপোনাৰ মতে তেনে তিৰুতা ঘৰতে সোমাই থাকিব লাগিব নে কি? তাই শিক্ষালাভ কৰিবলৈ নাইবা নিলগত কাম কাজ কৰিবলৈ অনুপযুক্ত নে? যদি নহয়, তেন্তে তেনে

তিৰুতা অকলৈ নুফুৰিলে উপায় কি? বিলাতত মত (?) তিৰুতা সকলো সমান, তাৰ তিৰুতা আটাইবোৰ চৰিত্ৰহীন নে? (পৃ.১০১)

ইয়ালৈ আঙুলিয়াই গোবিন্দ প্ৰসাদ শৰ্মাই দেখুৱাইছে যে শিক্ষিতা নাৰী হিচাপে প্ৰভাৱতীয়ে পাশ্চাত্যৰ নাৰী আন্দোলন সম্পৰ্কে অবগত আছিল।[১৭] দীনবন্ধুৱে ডেকা গাভৰুৰ বিয়াৰ ক্ষেত্ৰত নিজস্ব মতবাদক অস্বীকাৰ কৰিছে আৰু অভিভাৱকৰ মতামতহে যে আচল মতবাদ তাকে তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে। (পৃ.১০২) প্ৰভাৱতীয়ে এনেকুৱা পুৰণি মতবাদক মানি ল'ব পৰা নাই। দীনবন্ধুৱে নাৰী-পুৰুষৰ মাজত সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত যি বাধ্য বাধকতা আৰোপ কৰিছে তাৰ বিৰোধিতা কৰি কৈছে,"(৩) যি মতা মানুহৰ লগত নিৰ্ভীকভাৱে কথা পাতিব পাৰে, তেনে তিৰুতাৰ যদি মতাৰ লগত নিভৃত স্থানতো আলাপ হয়, তথাপি কিবা দোষ ঘটিব পাৰে বুলি মই ভাবিব নোৱাৰোঁ।" (পৃ.১০২) প্ৰভাৱতীৰ এই মতবাদ সেই সময়ৰ মহিলা সংগঠনৰ মতবাদ। এনী বেচান্তৰ নেতৃত্বত ভাৰতবৰ্ষত গঢ়ি উঠা 'উইমিনচ্ ইণ্ডিয়ান্ এচোচিয়েশ্যান্' আৰু অসম মহিলা সমিতিৰো নাৰীমুক্তি সম্পৰ্কত প্ৰভাৱতীৰ মতবাদৰ লগত সামঞ্জস্য আছে। গতিকে এই উপন্যাসৰ নায়িকা প্ৰভাৱতী, অসম মহিলা সমিতিৰ নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু দীনবন্ধুক দণ্ডিনাথ কলিতা বুলি ক'ব পাৰি। কুৰি শতিকাৰ অসমীয়া সমাজত নাৰীবাদী চিন্তাধাৰা বিকাশ হোৱা সময়ত এজনী শিক্ষিতা যুৱতীৰ লগত নাৰী-স্বাধীনতা আৰু নাৰী-মঙ্গল সম্পৰ্কে জাতীয় মনোভাৱাপন্ন এজন যুৱকৰ বিতৰ্ক হোৱাটো স্বাভাৱিক। সম্ভৱতঃ চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু দণ্ডিনাথ কলিতাৰ মাজত এনেধৰণৰ বিতৰ্ক হৈছিল।[১৮]

নাৰী-স্বাধীনতা, নাৰীমুক্তি সম্পৰ্কে প্ৰভাৱতীৰ এই মতবাদক দীনবন্ধুৱে অতি ৰূঢ়ভাৱে সমালোচনা কৰিছিল এইদৰে ঃ

> *তোমাৰ চিঠি পঢ়ি মোৰ বিশ্বাস হৈছে - তুমি মোৰ কিতাপখন ভালকৈ পঢ়ি চোৱা নাই; ওপৰে ওপৰে অ'ত ত'ত চাইছা মাত্ৰ। ... ... তোমাৰ প্ৰথম আপত্তি - স্বাধীনতাৰ সীমা বৰ ঠেক হৈছে। দেশ, কাল, পাত্ৰ অনুযায়ী যে সেই সীমা ঠেক বা বহল হোৱা উচিত, তাক মই আগৰ চিঠিতে দেখুৱাইছোঁ। তুমি বিলাতৰ স্ত্ৰী-স্বাধীনতাৰ কথা কৈছা, কিন্তু আমাৰ দেশ যে বিলাত নহয়, সেইটো পাহৰা কিয়? (পৃ.১০৩)*

দীনবন্ধুৱে তেওঁৰ চিঠিত প্ৰভাবতীয়ে কোৱা বিলাতৰ স্ত্ৰী-স্বাধীনতাক "ঠিক উদণ্ডীয়া গৰুৰ স্বাধীনতাৰ শাৰীত" (পৃ.১০৩) ধৰা বুলি কঠোৰ সমালোচনা কৰিবলৈ এৰা নাই। জাতীয় আন্দোলনৰ নেতা দীনবন্ধুক এই বক্তব্যৰ পৰা কিছু ৰক্ষণশীল যেন লাগিলেও আচলতে তেওঁৰ দৃষ্টিভংগী আছিল - সমসাময়িক জাতীয় নেতাৰ উদাৰ দৃষ্টিভংগী। নাৰীও যে মানুহ, সামাজিক কাজ-কৰ্মত

নাৰীৰো অংশগ্ৰহণ কৰাৰ যে পূৰ্ণ অধিকাৰ আছে - তাৰ ওপৰত তেওঁৰ বিশ্বাস আছিল। সেই সময়ৰ পটভূমিত নাৰীক যিমান দূৰ স্বাধীনতা দিয়া উচিত বুলি ভাবিছিল সিমানলৈহে তেওঁ স্বাধীনতা দিয়াৰ পক্ষপাতী আছিল বুলি শৰ্মাই দেখুৱাইছে।[১৯]

উপন্যাসত প্ৰভাৱতীয়ে শিক্ষয়িত্ৰী হৈ থকা সময়ত ঘটা কিছুমান ঘটনাৰ পৰা বুজিব পাৰিছিল কিয় দীনবন্ধুৱে নাৰী-স্বাধীনতাৰ প্ৰশ্নটোত কিছু বাধা নিষেধ আৰোপ কৰিছিল। পৰিচালনা সমিতিৰ কিছু সদস্যই প্ৰভাৱতীৰ অকলশৰীয়া জীৱনৰ সুযোগ গ্ৰহণ কৰি এক পাপ পংকিলময় অৱস্থালৈ ঠেলি দিয়াৰ যত্ন কৰিলে। প্ৰভাৰ ৰূপ-যৌৱনৰ মাদকতাত এইচাম তথাকথিত মধ্যবিত্তৰ জান্তৱ প্ৰবৃত্তি জাগি উঠিল। দীনবন্ধু আৰু প্ৰভাৱতীৰ মাজত গঢ়ি উঠা পবিত্ৰ সম্পৰ্কৰ বিকৃত ৰূপ দি চলালে জঘন্য প্ৰচাৰ। কিন্তু দীনবন্ধু দৃঢ়। দীনবন্ধুৱে জানে ইয়াৰ আচল উদ্দেশ্য ক'ত। প্ৰভাৱতীৰ নিচিনা এজনী সহজ-সৰল গাভৰুৱে সমাজৰ এনে ভণ্ডামিৰ মুখামুখি হোৱাৰ অভিজ্ঞতা নথকাৰ বাবে প্ৰৰোচিত হ'লেও শেষত নিজৰ ভুল বুজিব পাৰি বিদ্যালয়ৰ চাকৰি এৰি দি এই মিছা প্ৰলোভনৰ পৰা নিজকে মুক্ত কৰিলে। বিজাতীয় শিক্ষাৰ ভোগ লিপ্সা, বিজাতীয় অনুকৰণ প্ৰভাৱতীয়ে মনৰ পৰা নিৰ্ব্বাসন দিলে। (পৃ. ৩৩৫) নাৰী স্বাধীনতা সম্পৰ্কত দীনবন্ধুৰ মতবাদৰ যুক্তিযুক্ততা প্ৰভাৱতীৰ জীৱনৰ ঘটনাপুঞ্জৰ মাজেৰেই প্ৰতিভাত হৈ উঠিছে।

সমসাময়িক পুৰুষপ্ৰধান অসমীয়া সমাজখনে নাৰীক যৌনসত্তা হিচাপে জ্ঞান কৰাৰ ফলত প্ৰভাৱতীৰ নিচিনা এজনী গাভৰুৱে নিজৰ আদৰ্শ প্ৰতিষ্ঠাৰ বাবে অকলশৰীয়া জীৱন যাপন কৰাটো সম্ভৱ নাছিল। কাৰণ পদে পদে প্ৰভাৱতীয়ে সমাজৰ স্বাৰ্থান্বেষী লোক কিছুমানৰ পৰা বিপদৰ সন্মুখীন হৈছিল। ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী' উপন্যাসতো ৰহদৈয়ে এই একে অৱস্থাৰ সন্মুখীন হৈ উপলব্ধি কৰিছিল যে অবিবাহিতা গাভৰুৱে এইখন সমাজত অকলে চলা-ফিৰা নাইবা নিজৰ ইচ্ছা অনুযায়ী জীৱন-নিৰ্বাহ কৰাটো সম্ভৱ নহয়। সেয়ে গোবিন্দ প্ৰসাদ শৰ্মাই মন্তব্য কৰিছে, "এই কথাই আমাক বুজাই দিয়ে,উনবিংশ শতাব্দী আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্ধতো আনকি নিৰাপত্তাৰ বাবেই নাৰীৰ কাৰণে বিবাহ কেনেকৈ অপৰিহাৰ্য আছিল।[২০] সেয়ে জীৱনৰ এনে এটা মুহূৰ্তত প্ৰভাৱতীয়ে ভাবিবলৈ বাধ্য হৈছিল, "যদি সেই আলোচনাৰ পিছতো তেওঁ অকলে থকা নিৰাপদ যেন দেখে, তেন্তে বিবাহত মত নিদিয়ে। যদিহে তেনে সুবিধাজনক সিদ্ধান্ত নহয়, তেনেহ'লে ঘোৰ অশান্তি আৰু প্ৰাণৰ যন্ত্ৰণা লৈ বিবাহ অগ্নিত জাঁপ দিবলৈ সাজু হ'ব" (পৃ.১৭৭)

'সাধনা' উপন্যাসৰ দ্বিতীয় খণ্ডত সমাজৰ স্বাৰ্থান্বেষী ব্যক্তিসকলৰ বিৰুদ্ধে দীনবন্ধুৰ আদৰ্শ প্ৰতিষ্ঠা আৰু প্ৰভাৱতীৰ আত্মোপলব্ধি দেখুওৱা হৈছে। প্ৰভাৱতীয়ে

নিজৰ দোষ স্বীকাৰ কৰি দীনবন্ধুলৈ চিঠি লিখি দীনবন্ধুৰ ওচৰত নিজক উছৰ্গা কৰিছে। প্ৰভাৱতী যেনেকৈ দীনবন্ধুৰ বেছি ওচৰ চাপি গৈছে ঠিক তেনেকৈ দীনবন্ধুৱে প্ৰভাৱতীক তেওঁৰ 'মানস প্ৰতিমা'ৰ শাৰীত স্থান দিছে। কিন্তু দীনবন্ধু আৰু প্ৰভাৱতীৰ মিলন প্ৰত্যাশা কৰিবলৈ নৌপাওঁতেই উষা নামৰ আন এগৰাকী নাৰী প্ৰভাৱতীৰ বালিকা বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে ভৰ্ত্তি হোৱাত পৰিস্থিতিয়ে অন্য ফালে গতি কৰিলে। উষাও আছিল দীনবন্ধুৰ জাতীয় আদৰ্শৰ দ্বাৰা অনুৰক্তা।

দীনবন্ধু আৰু প্ৰভাৱতীৰ মাজৰ প্ৰেম আছিল আদৰ্শগত। কিন্তু বিবাহৰ ক্ষেত্ৰত সৃষ্টি হৈছিল-সামাজিক বাধা। দীনবন্ধু আছিল উচ্চবৰ্ণৰ আৰু প্ৰভাৱতী নিম্নবৰ্ণৰ। অসবৰ্ণ বিবাহ সেই সময়ত মানি ল'বলৈ সমাজ প্ৰস্তুত নাছিল। সেয়ে প্ৰভাৱতীয়ে দীনবন্ধুলৈ লিখিছিল ঃ

> *আমাৰ দৈহিক মিলনৰ বাট বন্ধ। আপুনি জানে মই আপোনাৰ স্বজাতীয়া নহওঁ, নীহ কুলত মোৰ জন্ম। সেই কাৰণে আপুনি মোক বিয়া কৰালে চলিত প্ৰথামতে আপোনাৰ সামাজিক অৱনতি ঘটিব, সেইটো মই সহিব নোৱাৰোঁ। সেই দেখিয়েই মই মোৰ প্ৰাণৰ যাতনা সহ্য কৰিও আপোনাৰ স্বজাতীয়া কন্যা উষাৰ লগত আপোনাৰ বিবাহ প্ৰস্তাৱ কৰিছিলো। (পৃ.৩১৭)*

পৰম্পৰাগত ৰক্ষণশীল চিন্তাধাৰাৰ বিৰুদ্ধে গৈয়ো প্ৰভাৰ এই উপলব্ধি সেই সময়ৰ সামাজিক পটভূমিৰ ফালৰ পৰাই উলাই কৰিব পৰা বিধৰ নহয়। কাৰণ এই বিবাহৰ ফলত জাতীয় আন্দোলনৰ নেতা দীনবন্ধু সমাজৰ পৰা বিচ্ছিন্ন হোৱাটো স্বাভাৱিক। সেয়ে প্ৰভাৱতীয়ে সামাজিক বাস্তৱতাক স্বীকাৰ কৰি, ব্যক্তিগত জীৱনতকৈ আদৰ্শক আগস্থান দি একে সম্প্ৰদায়ৰে উষাৰ লগত বিবাহৰ প্ৰস্তাৱ দিছিল।

কিন্তু জাতীয় আন্দোলনৰ নেতা হিচাপে বৰ্ণবৈষম্যবাদ দীনবন্ধুৰ আদৰ্শৰ পৰিপন্থী। সেয়ে অসমীয়া সমাজৰ বৰ্ণবৈষম্যবাদৰ বিৰুদ্ধে দীনবন্ধুৱে শাস্ত্ৰৰ নানা যুক্তি দাঙি ধৰি অসবৰ্ণ বিবাহৰ যুক্তিযুক্ততা দাঙি ধৰিবলৈ যত্ন কৰিছে ঃ

> *অৱশ্যে, বৰ্তমান অধঃপতিত সমাজে এইবোৰ সমৰ্থন নকৰে, আৰু সেই কাৰণেই চলিত প্ৰথাৰ বিৰুদ্ধে চলিলে লোক-গঞ্জনাৰ ভয় আছে। মোৰ বিশ্বাস হৈছে, তোমাৰ মত মোৰ লগত অমিল নহয়, মাত্ৰ ওপৰত কোৱা ভয়ৰ কাৰণে আপত্তি উত্থাপন কৰিছা। যদি সেয়ে হয়, তেনেহলে কওঁ - লোকমতলৈ ভয় কৰি বিবেক-বিৰুদ্ধ কাৰ্য কৰা উচিত নহয়। মই যিটো অন্তৰেৰে সৈতে বিশ্বাস কৰোঁ, যিটো কৰ্ত্তব্য বুলি বিবেকে কৰিবলৈ কয়, তেনে কাৰ্য্যত লোকমতলৈ অপেক্ষা কৰা মোৰ স্বভাৱ নহয়। তাৰ পৰা যদি কিবা বিপদ ঘটে, তাকো মই হাঁহি হাঁহি মূৰ পাতি ল'ম।(পৃ.৩২৩)*

ইয়াত আধুনিক সভ্যতাৰ বিকাশৰ লগে লগে বৃটিছ ভাৰতবৰ্ষৰ ৰক্ষণশীল সমাজখনত পাশ্চাত্যৰ ব্যক্তিবাদী চিন্তাধাৰাৰ ছাপ গোবিন্দ প্ৰসাদ শৰ্মাই দেখুৱাইছে।[১০] দীনবন্ধুৰ উক্ত চিন্তাধাৰা পাশ্চাত্যৰ ব্যক্তিবাদী চিন্তাৰ অনুৰূপ। প্ৰভাৱতীৰ ধ্যান-ধাৰণাৰ মাজতো পাশ্চাত্যৰ চিন্তাই অলক্ষিতে প্ৰৱেশ কৰিছিল আৰু জীৱন যাত্ৰাৰ ক্ষেত্ৰতো প্ৰভাৱতী আছিল পূৰ্ণ ব্যক্তিবাদী আৰু নাৰীবাদী। দীনবন্ধু অৱশ্যে বিংশ শতিকাৰ প্ৰথম দশকৰ কংগ্ৰেছৰ এজন নৰমপন্থী নেতা।[১১] সেই সময়ৰ কংগ্ৰেছৰ এজন কৰ্মী হিচাপে স্বদেশী প্ৰচলন আৰু বিদেশী বৰ্জন কাৰ্যসূচীৰ তেওঁ পোষকতা কৰিলেও পৰোক্ষভাৱে পাশ্চাত্য শিক্ষালাভ কৰা ব্যক্তি হিচাপে পাশ্চাত্যৰ ব্যক্তিবাদী চিন্তাধাৰা তেওঁৰ চিন্তাৰ মাজত সোমাই পৰাটো স্বাভাৱিক। আনহাতে প্ৰভাৱতীয়ে ব্যক্তিবাদী আৰু নাৰীবাদী ধাৰণাৰ দ্বাৰা উদ্বুদ্ধ হ'লেও সেই সময়ৰ অসমীয়া সমাজৰ বাস্তৱ অৱস্থাক তেওঁ স্বীকাৰ কৰিছে। দীনবন্ধুৰ মহত্ত্বপূৰ্ণ কাম-কাজত যাতে প্ৰভাৱতীৰ ব্যক্তিগত সম্পৰ্কই কলুষিত কৰিব নোৱাৰে তাৰ বাবে তেওঁ সচেতন। প্ৰভাৱতীয়ে জাতীয় আন্দোলনৰ পটভূমিত দেখা দিয়া আদৰ্শবাদী ধ্যান-ধাৰণাৰ বাবে দীনবন্ধুৰ লগত 'লৌকিক বিবাহ'ৰ প্ৰয়োজনীয়তাক অস্বীকাৰ কৰিলে। (পৃ.৩০৩) সমাজৰ চকুত দীনবন্ধুক কেতিয়াও প্ৰভাই নীচ কৰিব নোৱাৰে ঃ

> *আপোনাৰ কামত আপোনাৰ কোনো স্বাৰ্থ নাই। কেনেকৈ দেশত শিক্ষা, সাম্য আৰু নীতি প্ৰচাৰ কৰিব পাৰি এয়ে মাথোন আপোনাৰ একমাত্ৰ চিন্তাৰ বিষয়। এনে অৱস্থাত যিসকলৰ মঙ্গলৰ নিমিত্তে আপুনি কাম কৰিব, সেইসকলৰ লগৰীয়া হৈ থকা আপোনাৰ প্ৰয়োজন। কিন্তু সেইসকল এতিয়াও আপোনাৰ বিবাহৰ আদৰ্শ বুজিবৰ নিমিত্তে উপযুক্ত হোৱা নাই। আমাৰ বিবাহ হলে তেওঁলোকে তাত স্বাৰ্থৰ নীচতাহে দেখিবলৈ পাব, আৰু তাৰ ফলত আমাৰ সুখ-সন্তোষ পূৰ্ণ হলেও তেওঁলোকক এৰি দিব লগাত পৰিব। কৰ্ত্তব্য-সাধনাত সাহায্যলাভ কৰিবলৈকে পত্নীৰ প্ৰয়োজন, কিন্তু যদি বিবাহৰ পৰা কৰ্ত্তব্যত বিঘিনি জন্মে, তেন্তে তাৰ পৰা বিবাহৰ উদ্দেশ্য বিফল নহৈ নাথাকে। (পৃ.৩৩৫)*

দীনবন্ধুৱেও "কৰ্মক্ষেত্ৰৰ বিবাহ মণ্ডপলৈ" (পৃ.৩৩৬) প্ৰভাৱতীক আহ্বান জনালে। যি বিবাহত "কৰ্ম্মই হ'ব মিলন-গ্ৰন্থি, প্ৰেমেই 'পুৰোহিত'" (পৃ.৩৩৬)। প্ৰভাৱতী আৰু উষাই স্কুলৰ চাকৰি বাদ দি দীনবন্ধুৱে নতুনকৈ প্ৰতিষ্ঠা কৰা 'স্ত্ৰী-শিক্ষাশ্ৰম'ত যোগদান দিলে।

> *আশ্ৰমত ছাত্ৰীৰ সংখ্যা এতিয়া আঢ়ৈ কুৰিৰ ওপৰ। অসমীয়াৰ ঘৰৰ উপযুক্ত গৃহিণী হবলৈ যিবোৰ শিক্ষা লাগে, ইয়াত সেই সকলোবোৰেই আছিল। প্ৰভা আৰু উষাই আশ্ৰমৰ উন্নতিৰ নিমিত্তে প্ৰাণ-পণে*

পৰিশ্ৰম কৰিও এদিনলৈকে কাতৰ হোৱা নাছিল। প্ৰভা আশ্ৰমৰ প্ৰাণ, উষা তাৰ সৌন্দৰ্য্য। প্ৰভাৱতী এতিয়া সম্পূৰ্ণ যোগিনী। তেওঁ নিৰামিষ ভোজন কৰে, ভূমি-শয্যাত শোৱে, আশ্ৰমৰ উন্নতিৰ বাহিৰে তেওঁৰ নিজৰ কোনো চিন্তা নাই। (পৃ.৩৫০)

নাৰীক উপযুক্ত গৃহিণী হ'বলৈ শিক্ষা দিয়াটো তৃতীয় দশকৰ অসম মহিলা সমিতিৰ নাৰী-মংগলৰ আদৰ্শই ইয়াত ফুটি উঠিছে। যদিও উপন্যাসৰ কাহিনী ১৯১১ চনতে সমাপ্ত হৈছে তথাপি ইয়াৰ ৰচনাকাল তৃতীয় দশকৰ মহিলা সমিতিৰ নাৰী- মংগলৰ কাৰ্যসূচীও উপন্যাসৰ মাজলৈ সংগতিপূৰ্ণভাৱে লৈ অহা হৈছে। আনহাতে নাৰীৰ আত্মসংযমৰ যি আদৰ্শ - সেয়া গান্ধীৰ আদৰ্শ নাৰীৰ ধাৰণা।

আমি দ্বিতীয় অধ্যায়তে আলোচনা কৰিছোঁ যে ১৯০৫ চনৰ বংগভংগ আন্দোলনক লৈ কংগ্ৰেছ দুভাগত বিভক্ত হয়। এই কংগ্ৰেছৰ নৰমপন্থী গোটৰ এজন কৰ্মী হিচাপে দীনবন্ধুৱে পূৰ্ণ স্বাধীনতাৰ শ্লোগান নিদি বিদেশীবস্তু বৰ্জন আৰু স্বদেশী প্ৰচলনৰ পোষকতা কৰিছিল। অসমত তাঁত শিল্পৰ কাম বৃদ্ধি হোৱাৰ কাৰণ সম্পৰ্কে উপন্যাসত দাঙি ধৰিছে এইদৰে ঃ

ইয়াৰ কেইবছৰমান আগতে বঙ্গদেশৰ এডোখৰ ফালি আনি আসামৰ লগত লগ লগাই পূৰ্ববঙ্গ আৰু আসাম নামেৰে এখন নতুন প্ৰদেশ গঠন কৰা হয়। তাৰ ফলস্বৰূপে নানা ৰাজনৈতিক আন্দোলনৰ মাজেদি স্বদেশী আন্দোলনৰ জন্ম হয়, আৰু বহুত ঠাইৰ মানুহে বিদেশী বৰ্জ্জন কৰিবলৈ সঙ্কল্প কৰে। আশ্ৰম-স্থাপনৰ সময়তো সেই সঙ্কল্প সজীৱ আছিল। এই সুবিধাত আশ্ৰমৰ তাঁতৰ কাপোৰৰ গ্ৰাহক আশাতীতৰূপে পোৱা হ'ল। (পৃ.৩৪৯)

'স্ত্ৰী-শিক্ষাশ্ৰম 'ত তাঁত শিল্পৰ প্ৰচলনৰ মাজেদি যি নাৰী -মংগলৰ চিন্তা সেইটো ভাৰতবৰ্ষৰ ৰাজনৈতিক আন্দোলনৰে এটা অংশ মাত্ৰ। 'স্ত্ৰী-শিক্ষাশ্ৰম' প্ৰতিষ্ঠা কৰাৰ লগে লগে 'জাতীয় সমস্যা আৰু ৰাইজৰ কৰ্ত্তব্য' নামৰ এখন গ্ৰন্থ লেখি দীনবন্ধুৱে ৰাইজৰ মাজত 'স্বদেশী'ৰ প্ৰচলন কৰিবলৈ আহ্বান জনাইছিল। ইয়াৰ ফলত "বহুতো মানুহে বিশেষ যত্নৰে এৰী-মুগা পুহিবলৈ আৰু কপাহ খেতি কৰিবলৈ ধৰিলে।" (পৃ.৩৪৯)

উক্ত গ্ৰন্থ লেখাৰ বাবেই দীনবন্ধু জেললৈ যাবলগীয়া হ'ল। জেলত দীনবন্ধু ছমাহ থকাৰ পিছত পঞ্চম জৰ্জে বংগবিচ্ছেদ আইন ৰহিত কৰাত দীনবন্ধু জেলৰ পৰা মুক্তি পালে। জেলৰ পৰা ঘূৰি অহা দীনবন্ধুৰ হাতত উষাক সমৰ্পণ কৰি প্ৰভাৱতীয়ে এক অকলশৰীয়া জীৱন-যাপন কৰাৰ সিদ্ধান্ত ল'লে। যিজন দীনবন্ধুৱে চিঠি আৰু কবিতাৰ মাজেদি প্ৰভাৱতীকে জীৱনৰ একমাত্ৰ সংগিনী হিচাপে পোৱাৰ কল্পনা কৰিছিল - সেই দীনবন্ধুৱে কোনো প্ৰতিবাদ নকৰি নিৰ্বাক,নিস্পন্দ হৈ স্থিৰ দৃষ্টিৰে শূন্যৰ ফালে চাই থাকি নিয়তিৰ ওচৰত মূৰ দোৱাঁলে। প্ৰভাৱতীৰ

বাবে দীনবন্ধু সাধনাৰ উৎস হৈয়েই ৰ'ল। ইয়াতে স্বদেশী আন্দোলনৰ পটভূমিত নাৰী-মংগলৰ বাবে আত্মনিয়োগ কৰা প্ৰভাৱতী ত্যাগৰ প্ৰতিমূৰ্তি হিচাপেহে থিয় দিছে। পুৰুষপ্ৰধান ভাৰতীয় সমাজত 'ৰহদৈ লিগিৰী'ৰ ৰহদৈৰ দৰে প্ৰভাৱতীয়ে অবিবাহিতা হৈ অকলে থকাৰ যি সিদ্ধান্ত গ্ৰহণ কৰিলে - সেয়ে পুৰুষৰ বিৰুদ্ধে পাশ্চাত্যৰ চৰমপন্থী নাৰীবাদীসকলে কৰা সিদ্ধান্ত নহয়।[২২] প্ৰভাৱতীৰ কাৰণে পুৰুষ দীনবন্ধু আদৰ্শৰ প্ৰতীক। দীনবন্ধুৱে প্ৰতিষ্ঠা কৰা 'স্ত্ৰী-শিক্ষাশ্ৰম'ৰ কামত নিযুক্ত হৈ স্ত্ৰী-শিক্ষা, নাৰী-মংগলৰ আদৰ্শ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এক নিৰাপত্তা অনুভৱ কৰিছিল প্ৰভাৱতীয়ে। এনে এটা পৰিস্থিতিত নাৰী-মংগলৰ বাবে পুৰুষৰ সহায়ৰ যে একান্ত প্ৰয়োজন এই সত্যটোকে ঔপন্যাসিকে দাঙি ধৰিছে। 'ৰহদৈ লিগিৰী'তো ৰহদৈয়ে সত্ৰসমূহত নাৰীৰ অধিকাৰ প্ৰতিষ্ঠা কৰাৰ বাবে দয়াৰামৰ সহযোগ বিচাৰিছিল। নাৰী আৰু পুৰুষৰ মাজত সহযোগিতাৰ মাধ্যমেৰে যে নাৰীৰ অধিকাৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱ- এই ব্যক্তিবাদী নাৰীবাদী ধাৰণা উপন্যাসৰ মূল উপজীব্য বিষয়।

বিদ্ৰোহিণী ('ব্যৰ্থতাৰ দান' সংকলনৰ পৰা)

দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' (১৯৩০) চুটিগল্প সংকলনৰ 'বিদ্ৰোহিণী'[২৩] গল্পটিৰ আকাৰ প্ৰকাৰৰ ফালে চাই ইয়াক উপন্যাসিকাৰ শাৰীত স্থান দি আমি আলোচনাৰ মাজলৈ আনিছো। কাৰণ ইয়াত এটা পূৰ্ণাংগ কাহিনী নিহিত হৈ থকাৰ উপৰিও উপন্যাসৰ কলাত্মক বৈশিষ্ট্যসমূহ ইয়াৰ মাজেদি ফুটি উঠিছে।

ভাৰতবৰ্ষৰ জাতীয় আন্দোলনৰ পটভূমিত নাৰী-মংগল, নাৰীমুক্তিৰ চেতনা এই উপন্যাসিকাৰ মাজেদি প্ৰকাশিত হৈছে। অসমীয়া নাৰীয়ে পৰম্পৰাগত অসমীয়া সমাজখনৰ মতবাদৰ বিৰুদ্ধে গৈ বিধবা বিবাহৰ অধিকাৰ সাব্যস্ত কৰাৰ প্ৰয়াস এই উপন্যাসিকাত দেখা যায়। উপন্যাসিকাৰ লেখক লক্ষ্মীধৰ শৰ্মা ত্ৰিছৰ দশকৰ গান্ধী পৰিচালিত স্বাধীনতা আন্দোলনৰ এজন অক্লান্ত কৰ্মী হিচাপে বিধৱা বিবাহৰ পক্ষপাতী আছিল। বিধৱা বিবাহক লৈয়েই তেওঁ ১৯২৪-১৯২৫ চনত 'নিৰ্মলা' নামৰ এখন নাটক ৰচনা কৰিছিল। বিধবা বিবাহ আৰু বালিকা বিবাহ সম্পৰ্কে ১৯২৫ চনত 'অসম হিতৈশী' কাকতত তেওঁ প্ৰবন্ধও ৰচনা কৰিছিল। এই ত্ৰিছৰ দশকত অসম মহিলা সমিতিয়েও বিধৱা বিবাহৰ সপক্ষত কাৰ্যসূচী গ্ৰহণ কৰিছিল।

১৯১৬ চন মানৰ পৰাই লক্ষ্মীধৰ শৰ্মাই 'অসম ছাত্ৰ সম্মিলনী'ৰ এজন সক্ৰিয় সদস্য হিচাপে কাম কৰিছিল। ১৯২৬ চনত অসমৰ পাণ্ডুত বহা কংগ্ৰেছ অধিবেশনৰ

তেওঁ আছিল এজন অক্লান্ত কৰ্মী।[২৪] তেওঁৰ ৰাজনৈতিক আৰু সামাজিক চেতনা অতি গভীৰ আছিল। সেয়ে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ তেওঁ এজন সাহিত্যিক হ'লেও স্বতঃস্ফূৰ্তভাৱে তেওঁৰ সাহিত্যকৰ্মত সমাজবাদী চেতনাহে প্ৰকাশ পাইছে। পৰম্পৰাগত সংস্কৃতিৰ ক্ষয়িষ্ণুতাৰ বিৰুদ্ধে মহাত্মা গান্ধীৰ পৰিচালিত কংগ্ৰেছে কোনো বলিষ্ঠ প্ৰত্যাহ্বান জনাব নোৱাৰিলেও এচাম সচেতন যুৱক-যুৱতীয়ে অনিবাৰ্যভাৱেই প্ৰাচীন সমাজ সংস্কৃতিৰ প্ৰতিক্ৰিয়াশীলতাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। এইসকলৰ ভিতৰত অন্যতম আছিল লক্ষ্মীধৰ শৰ্মা। তেওঁৰ 'বিদ্ৰোহিণী' উপন্যাসিকা সনাতন হিন্দু সমাজৰ বিপক্ষে আৰু নাৰীৰ অধিকাৰৰ সপক্ষে বিশিষ্ট সমালোচক হীৰেন গোহাঁইৰ মতে এক বলিষ্ঠ পদক্ষেপ।[২৫] সেয়েহে অসমীয়া উপন্যাসত নাৰীৰ স্থানৰ বিচাৰ কৰিবলৈ গৈ এই উপন্যাসিকা আলোচনাৰ বাবে গ্ৰহণ কৰিছোঁ।

চমুকৈ উপন্যাসিকাখনিৰ কাহিনীটো এনেধৰণৰ ঃ হৰমোহন ডাক্তৰৰ ল'ৰা হেমৰ লগত ওচৰৰে পুলিচ ইনস্পেক্টৰ মুক্তিনাথ ভট্টাচাৰ্যৰ একমাত্ৰ কন্যা ললিতাৰ আশৈশৱ প্ৰীতি। হেমৰ ভীৰুতা আৰু ললিতাৰ স্পষ্টবাদিতা আৰু সাহসী গুণে দুয়োকে ওচৰ চপাই আনিছিল।

বাল্য বিবাহ প্ৰথাৰ অৱধাৰিত ফলস্বৰূপেই ললিতাৰ বিয়া হৈ গৈছিল নগাঁৱৰ চাব ডিপুটি-কালেক্টৰ এজন ডেকাৰ লগত। শান্তি বিয়াৰ পিছত ললিতাই হেমক এৰি স্বামীগৃহলৈ যাবলগীয়া হোৱাত বৰ দুখ পাইছিল। কিন্তু অতি কম দিনৰ ভিতৰতে ললিতাৰ স্বামীৰ মৃত্যু হ'ল।

বিধৱা হোৱাৰ পিছত ললিতা কলিকতালৈ পঢ়িবলৈ বুলি ৰাওনা হৈছিল। হেময়ো ইতিমধ্যে বি. এ. পঢ়ি আছিল। ললিতা কলিকতাৰ পৰা ঘূৰি অহাৰ পিছত অসম মহিলা সমিতিৰ এজনী সক্ৰিয় সদস্যা হয় আৰু মহাত্মা গান্ধীৰ খদ্দৰ বিষয়ক কাৰ্যসূচীতো অংশগ্ৰহণ কৰে। আনফালে হেমৰ প্ৰতি ললিতাৰ আসক্তি বাঢ়ি গৈছিল। ললিতাৰ মনত সৃষ্টি হৈছিল অন্তৰ্দ্বন্দ্ব। এফালে অন্তৰৰ আকুল অনুভূতি, যৌৱনৰ প্ৰাণ প্ৰাচুৰ্য, আনফালে সমাজৰ বিধি নিষেধ— ধৰ্মীয় ধ্যান-ধাৰণাৰ জগদ্দল পাহাৰ। কিন্তু বসন্তৰ উন্মাদনাই, জীৱনৰ আহ্বানে ললিতাক এদিন জয় কৰিলে। উভয়ে এই মিলনত চিৰন্তন সুখ-শান্তি লাভ কৰিলে। উপন্যাসিকাৰ শেষত ললিতাৰ মাতৃত্ব লাভ, হেমৰ সমাজৰ আগত মুখামুখি হোৱাৰ চৰম ভীৰুতা, ৰাইজৰ বিচাৰত ললিতাক পিতৃ পৰিচয় দিবলৈ কৰা নিৰ্দেশ; আৰু সমাজৰ পৰম্পৰাগত ৰীতি-নীতিৰ বিৰুদ্ধে ললিতাৰ যি উক্তি, সিয়ে তাইক বিদ্ৰোহিণী আখ্যা দিলে। ললিতাৰ ৰক্ষণশীল সমাজৰ মুখামুখি হোৱাৰ সাহস দেখি- হেমই ললিতাৰ সন্তানৰ পিতৃ যে নিজেই তাৰ পৰিচয় দিয়াৰ পিছতেই 'বিদ্ৰোহিণী' উপন্যাসিকাৰ কাহিনী শেষ হৈছে।

'বিদ্ৰোহিণী' উপন্যাসিকাৰ কাহিনীভাগত বাল্যবিবাহ প্ৰথাৰ বলি হোৱা বিধৱা

ললিতাৰ নিজৰ মাতৃত্বৰ গৌৰৱ অৰ্জন কৰিবলৈ গৈ ৰক্ষণশীল অসমীয়া সমাজৰ ৰীতি-নীতিৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে। সমাজৰ হাজাৰ হাজাৰ বাল্য বিধৱাই যেন ললিতাৰ মাজেদি মুক্তি বিচাৰিছে। ললিতা সমাজ পৰিবৰ্তনত বিশ্বাসী। স্বামীৰ মৃত্যুত বৈধব্য ব্ৰত পালন কৰা হিন্দু নাৰীৰ আদৰ্শ বুলি মত প্ৰকাশ কৰা হৰিনাথৰ ৰক্ষণশীল মতবাদৰ বিৰোধিতা কৰিছে এইদৰে ঃ

সতীত্ব, প্ৰেম প্ৰভৃতি সকলো ভাল কথা। কিন্তু যাৰ প্ৰেমৰ সম্বল নাই বা শুকাই গৈছে, যি মৃতস্বামীৰ ঠাইত হিয়াত অন্য এজনক বহুৱাইছে তেওঁ কি কৰিব? তেওঁৰ পক্ষে সমস্ত বৈধব্য জানো অৰ্থশূন্য নহয়? যি বিধৱাই আদৰ্শ মানিব খোজে তেওঁ মানক কিন্তু যি জীৱনৰ আহ্বান শুনি জীৱনৰ আইনকে মানি আকৌ সংসাৰ কৰিব খোজে তেওঁক কোন যুক্তিৰ বলেৰে সমাজে মিথ্যাচাৰত প্ৰবৃত্তি কৰায়। সঁচা কথা নাৰীৰ কু-সংস্কাৰ বা ৰক্ষণশীলতাৰ কাৰণে হিন্দু সমাজ টিকি আছে। (পৃঃ পৃঃ ৫৫-৫৬)

ললিতাৰ মাতৃত্বত হেম শংকিত হৈ পৰিছে। সমাজৰ ৰীতি-নীতিৰ বিৰুদ্ধে যোৱাৰ সাহস হেমৰ নাই। হেমই ভীৰুতাৰ পৰিচয় দিলেও ললিতা ভাঙি পৰা নাই। অনাগত মাতৃত্বৰ গৰ্বত ললিতাৰ মন আনন্দত উচ্ছল হৈ উঠিছে। মাতৃত্বৰ গৰ্বেৰে গৰ্বিতা ললিতাই হেমক সেয়ে ক'ব পাৰিছে, "হেম তোমাক কেনেকৈ বুজাম, কি গৰ্বত কি আনন্দত মোৰ হিয়া আজি ভৰি উঠিছে। মাতৃত্বৰ বিজয় কেতন আজি মোৰ দুৱাৰত। জগতত মোৰ নাৰীত্বই সাৰ্থকতা ঘোষণা কৰিছে।' (পৃঃ ৬০)

অসমীয়া উচ্চ হিন্দু সমাজত বিধৱা বিবাহৰ প্ৰচলন নথকা বাবে দ্বিতীয় বিবাহ বা মাতৃত্বৰ অধিকাৰৰ পৰা বিধৱা নাৰীসকলে নিজৰ ইচ্ছাৰ বিপৰীতে বিৰত থাকিবলগীয়া হৈছিল। এই ক্ষেত্ৰত অসমীয়া সমাজত বাল্য বিধৱাৰ সমস্যাই আছিল অতি ভয়াৱহ। অবাঞ্ছনীয় মাতৃত্ব লাভ কৰাৰ বাবে বহুতো উচ্চ হিন্দুৰ বিধৱাই ৰক্ষণশীল সমাজৰ কঠোৰ বিচাৰৰ সমুখীন হৈ সমাজৰ পৰা আঁতৰি গৈ দুৰ্বহ জীৱন-যাপন কৰিবলৈ বাধ্য হৈছিল। উপন্যাসিকাখনিত সমাজৰ এনে নিষ্ঠুৰ সত্যক ললিতাই দাঙি ধৰিছে এইদৰে ঃ "আজিলৈকে এনে অনেক পতিতাই সদায় নিজক পতিতা বুলি ধৰি লৈ লাহে লাহে সমাজৰ পৰা, ভাই, ককাই, শহুৰ, শাহুৰ ঘৰৰ পৰা ওলাই গৈ কোনোবা অজাতিৰ ঘৰত পাপৰ জীৱন যাপন কৰিছে।" (পৃঃ ৬১) আনকি অসমীয়া সমাজত বাল্য বিধৱাসকলক 'অমংগলৰ প্ৰতীক' বুলি ভাবি সমাজে কোনো মাংগলিক কাৰ্যত আগভাগ ল'ব নিদিছিল। (পৃঃ ৪৪)।

পুৰুষতান্ত্ৰিক সমাজত যুগ যুগ ধৰি নাৰীয়ে পুৰুষৰ বিচাৰালয়ত একপক্ষীয় ৰায় নতশিৰে মানি ল'বলৈ বাধ্য হৈ আহিছে। পুৰুষপ্ৰধান সমাজৰ বিৰুদ্ধে যোৱাৰ

সাহস নাৰীয়ে গোটাব পৰা নাছিল। প্ৰথমবাৰৰ বাবে সকলো ৰক্ষণশীলতাৰ দুৱাৰ ভাঙি অসমৰ মহিলাসকল ৰাজপথলৈ ওলাই আহিছিল গান্ধীজীৰ আহ্বানত।

জাতীয় আন্দোলনৰ পটভূমিতে ১৯২৬ চনত অসমত মহিলা সমিতি গঠন হোৱাৰ কথা আমি আগৰ অধ্যায়তে আলোচনা কৰিছোঁ। উপন্যাসিকাৰ নায়িকা ললিতাই মহিলা সমিতিৰ সক্ৰিয় সদস্যা হিচাপে সামাজিক জীৱনত প্ৰবেশ কৰিলে। মহিলা সভাৰ খদ্দৰ বিষয়ক কাৰ্যসূচী ৰূপায়ণৰ বাবে নিজে বস্তু-বাহানি কঢ়িয়াই গাঁৱে গাঁৱে ফুৰিব ধৰিলে। (পৃঃ ৪৭) উপন্যাসিকাৰ নায়িকা ললিতাই কলেজত পঢ়াৰ বাবে যেতিয়া কলিকতালৈ গৈছিল- তেতিয়াই বংগৰ নৱজাগৰণৰ চিন্তাধাৰাই তেওঁক প্ৰভাৱিত কৰে। অসমীয়া নাৰী ললিতাই কলিকতাতে 'অসমীয়া নাৰীৰ স্থান' বিষয়ক অধ্যয়নৰ মাজেদি নাৰীবাদী চেতনা লাভ কৰিবলৈ সক্ষম হৈছিল। (পৃঃ ৪৫) ইয়াৰ পৰা বংগৰ ৰামমোহন-বিদ্যাসাগৰৰ গ্ৰন্থৰাজিও ললিতাই অধ্যয়ন কৰিছিল বুলি সহজে অনুমান কৰিব পাৰি। পৰাশৰ সংহিতাৰ শ্লোকৰ মাধ্যমেদি বিদ্যাসাগৰে বিধৱা বিবাহৰ যুক্তিযুক্ততা তেওঁৰ 'বিধৱা বিবাহ প্ৰচলিত হওয়া উচিত কি না' (১৮৫৫) গ্ৰন্থত দাঙি ধৰা বুলি আমি আগৰ অধ্যায়তে কৈ আহিছো। ললিতাই এই চিন্তাধাৰাৰেই বিধৱা বিবাহৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰিব বিচাৰিছে এইদৰে ঃ

> *মানুহৰ সমাজ পৰিবৰ্ত্তনশীল। আজি যিবিলাক অনুষ্ঠান, আইন, নিয়ম সমাজৰ পক্ষে হিতকৰ কালি সমাজ যেতিয়া নতুন অৱস্থাত উপনীত হ'ব তাৰ বাবে তাৰ সকলোখিনি কেতিয়াও উপযুক্ত হ'ব নোৱাৰে। যি নিজৰ আৱশ্যক অনুযায়ী শাসনতন্ত্ৰ পৰিবৰ্ত্তিত কৰিব নোৱাৰে সেই সমাজকে মৃত বা উন্নতিবিমুখ সমাজ বুলি ক'ব পাৰি। কাৰণ উন্নতিৰ পথত সমাজক অগ্ৰসৰ কৰি নিয়াই শাস্ত্ৰৰ কৰ্ত্তব্য। সমাজৰ কাৰণে শাস্ত্ৰ, শাস্ত্ৰৰ কাৰণে সমাজ নহয়। হিন্দু সমাজে যেতিয়াই নিজৰ পৰিবৰ্ত্তনৰ লগে লগে শাস্ত্ৰ বা আইনৰ পৰিবৰ্ত্তন কৰিবৰ ক্ষমতা হেৰুৱালে তেতিয়াই ইয়াৰ মৃত্যু হ'ল বুলি ক'ব পাৰি। (পৃঃ পৃঃ ৫০-৫১)*

এনেধৰণৰ প্ৰগতিশীল চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হৈয়েই বাল্য-বিধৱা ললিতাই নিজৰ সন্তানক বুকুৰ মাজত আঁকোৱালি লৈ পুৰুষপ্ৰধান সমাজৰ বিচাৰালয়ত উপস্থিত হৈ আকৌ পুৰুষসকলকে প্ৰশ্ন কৰিছিল— সমাজৰ এটা অংশ নাৰীক বাদ দি পুৰুষে নাৰীৰ বিচাৰ কৰিবলৈ অধিকাৰ ক'ত পালে।

> *আৰু সেই গতিকেই মোৰ মনত এনে এটা ভাবৰ উদয় হৈছে যেন শতাব্দীৰ পিছত শতাব্দী ব্যাপী যিবিলাক বিধৱাৰ হাহাকাৰে ভাৰতৰ আকাশ মুখৰিত কৰি তুলিছে , সেই সকলোবোৰৰ প্ৰতিনিধি হৈ আজি সমাজৰ বিচাৰ কৰিবলৈ উপস্থিত হৈছোঁ মই। আৰু এটা কথা,*

আজি বিচাৰৰ কথা এগৰাকী নাৰীৰ। কিন্তু কেৱল পুৰুষৰ উপস্থিতিৰ পৰা বুজা যায় যে সমাজৰ আৱশ্যকীয় অংশ নাৰীক একেবাৰে বাদ দি নাৰীৰ বিচাৰ আপোনালোকে কৰিবলৈ ওলাইছে। মই প্ৰথমতে সুধিব খোজোঁ কি অধিকাৰৰ বলেৰে আপোনালোকে এই বিচাৰ কৰিবলৈ ওলাইছে। (পৃঃ ৬৩)

বাল্য-বিধৱা নাৰীৰ প্ৰতিনিধি ললিতাই পুৰুষৰ বিচাৰ মানি ল'বলৈ অস্বীকাৰ কৰাৰ বাবেই আৰু বিধৱা নাৰীয়ে সন্তানৰ জননী হোৱা বাবেই – পুৰুষপ্ৰধান অসমীয়া সমাজৰ বিচাৰালয়ত ললিতাই 'বিদ্ৰোহিণী' আখ্যা পালে। (পৃ.৬৪) কিন্তু ললিতা দৃঢ়। ললিতাই জানে সমাজ গতিশীল। এদিন নহয় এদিন এইখন সমাজৰ পৰিবৰ্তন হ'বই। তেতিয়া ললিতাৰ মতবাদেই সত্যত পৰিণত হ'ব। ললিতাৰ যুক্তি ঃ

– সমাজে যদি জীৱনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে তেন্তে জীৱনৰ মাহাত্ম্যক যি বৰণ কৰি ল'ব খোজে সি যে সমাজৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব লাগিবই আৰু পৰিবৰ্ত্তন মাত্ৰেই বিদ্ৰোহ। যি পৰিবৰ্ত্তনে সমাজক বা ব্যক্তিক সত্যৰ ফালে লৈ যায় তাক আমি বিদ্ৰোহ বুলিলেও - কালিলৈ তাৰ জয়গানত সমাজ মুক্তকণ্ঠ হ'ব। (পৃ. ৬৪)

ললিতাৰ এই উক্তিটোৰ দ্বাৰা ললিতাৰ চৰিত্ৰৰ নাৰীবাদী দৃঢ়তা ফুটি উঠিছে।

বিচাৰালয়ত পুৰুষ বিচাৰকসকলে ললিতাৰ সন্তানৰ পিতৃপৰিচয় দিবলৈ কৰা নিৰ্দেশত নাৰীজাতিৰ প্ৰতিনিধি হিচাপে ললিতাই সমাজৰ আগত মুক্তকণ্ঠে কৈছে ঃ

– হিচাব কৰি ক'ব পাৰেনে কেইটা জাৰজ সন্তানৰ ভাৰ বাপেকে লৈছে? যাওক মুনিহ মানুহৰ ওপৰত মোৰ আক্ষেপ নাই। তেনে আক্ষেপ কৰি নিজক অপমানিত নকৰোঁ। যি সন্তান মোৰ, তাৰ সমস্ত ভাৰ মই ল'ম। মুনিহৰ মুখলৈ ইমান দিনে যেনেকৈ তিৰোতাই চাই চলিছে; আৰু তেনেকৈ চলিবলৈ প্ৰস্তুত নহয়। নিজৰ শৰীৰৰ খাটনিৰে তিৰোতাই সহজে সন্তান পালন কৰিব পাৰে। তিৰোতাতকৈ মুনিহ সৰহ উপৰ্জ্জনক্ষম নহয়। (পৃ. ৬৫)

ললিতাৰ এই উক্তি যথাৰ্থ নাৰীবাদী। প্ৰথম অধ্যায়তে আমি আলোচনা কৰি আহিছোঁ যে নাৰী আৰু পুৰুষ উভয়ে মানৱীয় গুণসম্পন্ন প্ৰাণী। কিন্তু পুৰুষৰ ধাৰণাত নাৰী অবলা, নিৰ্ভৰশীলা আবেগিক প্ৰাণী। যিহেতু নাৰী মানৱীয় গুণসম্পন্না - গতিকে নাৰীৰো উপাৰ্জনৰ বাবে নিয়োগৰ প্ৰয়োজন। সেইবাবে চাকৰিত সোমাই নাৰীয়ে পত্নী আৰু মাতৃ হিচাপে সন্তান লালন-পালন কৰিবলৈ সক্ষম।

উপন্যাসিকাখনিৰ শেষৰ ফালে ললিতাই নাৰীৰ মাতৃত্ব আৰু নাৰীত্বৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবে আহ্বান জনাইছে এইদৰে ঃ

চাৰিউফালৰ পৰা আজি নৱজীৱনৰ যি বিৰাট আহ্বান আহিছে, সত্য লাভৰ যি মহান আকাঙ্খা(?) জাগি উঠিছে, তাৰ শ্ৰেষ্ঠ বাণী নাৰীৰ নাৰীত্বক, মাতৃত্বক সম্পূৰ্ণভাৱে স্বীকাৰ কৰা। তাক স্বীকাৰ কৰিবলৈ শিকিলে হয়তো এতিয়াও হিন্দু সমাজ আকৌ সজীৱ হৈ উঠিব। নহলেই মৰিব। সমাজৰ কল্যাণৰ কাৰণেই মই সমাজৰ মাজত থাকি জীৱনৰ বাণী প্ৰচাৰ কৰিম। মোৰ চিন্তাৰে, কাৰ্য্যৰে সাহসী কৰ্ম্মীৰ দল সৃষ্টি কৰি সনাতনৰ জগদ্দল পাহাৰ সমাজৰ বুকুৰ পৰা খহাবৰ চেষ্টা কৰিম। (পৃ. ৬৭)

জাতীয় আন্দোলনৰ পটভূমিত মহিলা সমিতিৰ এজনী সক্ৰিয়া সদস্যা হিচাপে বাল্য বিবাহৰ সমস্যা সমাজৰ পৰা আঁতৰোৱাৰ বাবে সংগঠিত শক্তিৰ প্ৰয়োজনীয়তাৰ কথা ললিতাই মুক্তভাৱে ঘোষণা কৰিছে। অসমীয়া সমাজ ত্ৰিশৰ দশকৰ মাজভাগত নাৰীৰ সংগঠিত শক্তিৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখিয়েই চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নেতৃত্বত অসম মহিলা সমিতি গঠন হৈছিল।

ললিতাৰ গভীৰ আত্মপ্ৰত্যয় আৰু উদাত্ত আহ্বানত ভীৰু হেমন্তও নৱচেতনা লাভ কৰিলে। হেমই স্বীকাৰ কৰিলে, "আপোনালোকে জানিব খুজিছিল ললিতাৰ সন্তানৰ পিতৃ কোন। ময়ে তেওঁৰ সন্তানৰ পিতা। ললিতাৰ বিদ্ৰোহী সেনাৰ মোক প্ৰথম চিপাহী বুলি আপোনালোকে ধৰিব।" (পৃ.পৃ. ৬৭-৬৮) পৰম্পৰাগত সমাজত নতুন প্ৰজন্মৰ সৃষ্টি হ'ল। নাৰী-মংগল, নাৰীমুক্তিৰ আদৰ্শক সমৰ্থন কৰি পুৰুষ হেমও আগবাঢ়ি আহিল – নাৰী সংগঠনক শক্তিশালী ৰূপদান দিয়াৰ বাবে সাহায্য কৰিবলৈ।

মুঠতে অসমত যে নাৰী আন্দোলন পুৰুষৰ বিৰুদ্ধে নাছিল, বৰং প্ৰগতিশীল পুৰুষ আৰু নাৰীৰ যৌথ প্ৰচেষ্টাতহে নাৰীৰ অধিকাৰ ৰক্ষাৰ বাবে আন্দোলন চলিছিল আৰু চলি আছে তাৰেই স্বাক্ষৰ এই উপন্যাসখনে বহন কৰিছে। ললিতাৰ চৰিত্ৰত ব্যক্তিবাদী নাৰীবাদৰ দিশটোৱেই ফুটি উঠিছে।

অপূৰ্ণ

দৈৱচন্দ্ৰ তালুকদাৰৰ 'অপূৰ্ণ' উপন্যাসৰ ৰচনাকাল ১৯৩১-'৩২ চন যদিও এই উপন্যাস গ্ৰন্থ আকাৰে ইয়াৰ দহ বছৰ পিছতহে প্ৰকাশিত হয়। ইয়াৰ আগতে "আৱাহন" কাকতৰ কেবাটাও সংখ্যাত এই উপন্যাস প্ৰকাশ হৈছিল। 'সাধনা' উপন্যাসৰ দৰে 'অপূৰ্ণ'ও এখন ৰাজনৈতিক উপন্যাস। আমি ইয়াৰ আগতে আলোচনা কৰা 'সাধনা' উপন্যাসৰ কাহিনী ১৯০৫ চনত আৰম্ভ হৈ ১৯১১ চনত শেষ হৈছিল বুলি দেখুৱাই আহিছোঁ। সেই সময়ৰ কংগ্ৰেছৰ নৰমপন্থী গোটটোৰ

ৰাজনৈতিক চিন্তাধাৰা আৰু পৰৱৰ্তী কালৰ কংগ্ৰেছৰ নাৰী-মংগল, নাৰীমুক্তিৰ চেতনা 'সাধনা' উপন্যাসৰ কাহিনীভাগত প্ৰকাশিত হোৱা আমি দেখিবলৈ পাইছোঁ। ভাৰতবৰ্ষৰ ৰাজনৈতিক দৃশ্যপটত মহাত্মা গান্ধীৰ আবিৰ্ভাৱ আৰু অসহযোগ আন্দোলনৰ পিছৰ সময়ৰ অসমৰ ৰাজনৈতিক-সামাজিক চিন্তাধাৰা দৈৱচন্দ্ৰ তালুকদাৰৰ 'অপূৰ্ণ'ৰ বিষয়বস্তু। 'সাধনা'ৰ দৰে উচ্চখাপৰ সাহিত্য কৰ্মৰ শাৰীলৈ এই উপন্যাস উঠিব নোৱাৰিলেও, সেই সময়ৰ অসমীয়া উপন্যাসত নাৰীৰ স্থান আলোচনা কৰিবলৈ যোৱাৰ ক্ষেত্ৰত এই উপন্যাস নিশ্চয় গুৰুত্বপূৰ্ণ।

চতুৰ্থ দশকৰ আৰম্ভণিতে ৰচনা কৰা দৈৱচন্দ্ৰ তালুকদাৰৰ 'অপূৰ্ণ'[২৬] উপন্যাসে সেই সময়ৰ ভাৰতব্যাপী হোৱা অসহযোগ আন্দোলনৰ সময়ৰ এখন সামাজিক-ৰাজনৈতিক চিত্ৰ দাঙি ধৰিছে। মূলতঃ চৌৰিচৌৰাৰ ঘটনাত মহাত্মা গান্ধীয়ে অসহযোগৰ কাৰ্যপন্থা ত্যাগ কৰাত কংগ্ৰেছ আন্দোলনৰ মাজত এক শিথিলতা আহি পৰিছিল। উপন্যাসৰ নায়ক প্ৰেমধৰৰ "হঠাৎ কিতাপ পঢ়ি থাকোঁতে মনত পৰিল, অসহযোগৰ সময়ত যদি মহাত্মাই ৩১ ডিচেম্বৰৰ দিনা "চিভিল ডিছ'বিডিয়েন্স" অস্ত্ৰ ব্যৱহাৰ কৰিলেহেঁতেন!" (পৃ.৮৪) অৰ্থাৎ মহাত্মাই হঠাতে অসহযোগ আন্দোলন পৰিহাৰ কৰাটো সেই সময়ৰ কংগ্ৰেছৰ সাধাৰণ কৰ্মী প্ৰেমধৰে প্ৰথমতে খুব সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল। কিন্তু উপন্যাসৰ আন এটা চৰিত্ৰ কাৰ্তিকে অসহযোগৰ ইতিবাচক দিশটোক সমৰ্থন জনাই মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন পৰিহাৰ কৰাটোক সমৰ্থন জনাইছিল। কাৰ্তিকৰ মতে, 'অৱশ্যে মোৰো কেতিয়াবা কেতিয়াবা তেনে ভাব হয়। আনকি (?) নহক, সেইটো হোৱা হ'লে অন্ততঃ এটা চাবলগীয়া বা যুগ-যুগান্তৰ ভাবিবলগীয়া বা স্মৰণ কৰিবলগীয়া বিষয় হ'লহেঁতেন সঁচা, কিন্তু তাৰ ফল বিষম হ'লহেঁতেন! হয় ভাৰত উদ্ধাৰ নাইবা ভাৰত মৰিশালি।" (পৃঃ ৮৫) অৰ্থাৎ কাৰ্তিকৰ বক্তব্যত এইটো প্ৰকাশ হৈছে যে মহাত্মাই অসহযোগ আন্দোলন ত্যাগ নকৰিলে বৃটিছৰ অত্যাচাৰত ভাৰতবৰ্ষ মৰিশালি হ'লহেঁতেন। ঔপন্যাসিক দৈৱচন্দ্ৰ তালুকদাৰো এনে ধ্যান-ধাৰণাৰ দ্বাৰাই পৰিচালিত হৈছিল।

কিন্তু অসমৰ কংগ্ৰেছ আন্দোলনৰ নেতা চন্দ্ৰনাথ শৰ্মাই ধৰ্ম আৰু ৰাজনীতিক একে লগ কৰি আন্দোলন প্ৰত্যাহাৰ কৰাৰ বাবে মহাত্মা গান্ধীক দোষাৰোপ কৰিছিল। আনকি আন্দোলনত অংশগ্ৰহণ কৰা নকৰা সম্পৰ্কে অসম ছাত্ৰ সন্মিলনৰ কৰ্মকৰ্তাসকলৰ মাজত মত বিৰোধে দেখা দিছিল। ১৯২২ চনৰ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হোৱা দ্বাদশ অধিৱেশনলৈ এই আটাইকেইখন অধিৱেশনতে পৌৰোহিত্য কৰা সভাপতিসকলৰ ভাষণত ৰাজনৈতিক কথাৰ একো উল্লেখ নাছিল। আনকি পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু নবীনচন্দ্ৰ বৰদলৈয়েও তেওঁলোকৰ ভাষণত কোনো ৰাজনৈতিক বক্তব্য প্ৰকাশ কৰা নাছিল।[২৭] ফলত সাময়িকভাৱে হ'লেও কংগ্ৰেছৰ স্থুলাভিষিক্ত হৈ অসম ছাত্ৰ সন্মিলনীয়ে অ-

ৰাজনৈতিক অনুষ্ঠান হিচাপে স্বদেশী প্ৰচলন, অস্পৃশ্যতা বৰ্জন, মাদকদ্ৰব্য বৰ্জন আদি কাম হাতত লৈ গান্ধীজী পৰিচালিত নীতিৰ গঠনমূলক কামখিনি অসমত কংগ্ৰেছৰ পৰিপূৰক হিচাপে কৰি গৈছিল।[২৮]

ঔপন্যাসিক দৈৱচন্দ্ৰ তালুকদাৰ আছিল অসম ছাত্ৰ সন্মিলনৰ ষষ্ঠ অধিৱেশনৰ সহকাৰী সম্পাদক।[২৯] ছাত্ৰ সন্মিলনৰ এজন আগশাৰীৰ কৰ্মকৰ্তা হৈয়ো তেওঁ তেতিয়াৰ জ্বলন্ত ৰাজনৈতিক আন্দোলনৰ বাতাবৰণক উপেক্ষা কৰিয়েই সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছিল। ভাষা-সাহিত্যৰ উন্নতি, ছাত্ৰৰ উন্নতি নৈতিক, মানসিক, শাৰীৰিক, আধ্যাত্মিক শক্তি আদি বিষয়বস্তুৰ ওপৰত তেওঁৰ বক্তব্য কেন্দ্ৰীভূত আছিল।[৩০]

'অপূৰ্ণ' উপন্যাসৰ কাহিনীভাগৰ মাজত সোমাই পৰিলে আমি তদানীন্তন জাতীয় আন্দোলনৰ গঠনমূলক কাৰ্যসূচীসমূহৰ কথাহে পাওঁ। সেই সময়ৰ গঠনমূলক কাৰ্যসূচীৰ অংগ কানিৰ বিৰুদ্ধে ঔপন্যাসিকে উপন্যাসত বক্তব্য দাঙি ধৰিছে এইদৰে ঃ

> *কানিৰ প্ৰচলন অতীতত গ্ৰীছত, তাৰ পিছত আৰৱ, পাৰস্য আৰু ১৭০০ খৃষ্টাব্দৰ শেষ ভাগত মোগল সম্ৰাটৰ দিনত ভাৰতলৈ বাগৰি অহাৰ প্ৰমাণ পোৱা যায়।..... কিন্তু ১৮০০ খৃষ্টাব্দৰ শেষ ভাগত অসমতো এই কানি ৰজাঘৰ আৰু ডাঙৰ ডাঙৰ বিষয়াসকলৰ মাজত বিলাসিতাৰ বস্তুৰ দৰে ব্যৱহাৰ হৈছিল। লাহে লাহে এই বিহে অসম আগুৰি পেলালে। ১৯২০-২১ চনৰ পিছত কানীয়াৰ সংখ্যা কমিলেও লাহে লাহে কানীয়াৰ সংখ্যা আকৌ বেছিহে হব ধৰিছে।..... এয়া কাৰ দোষ? যাৰে দোষ নহক- এই "কানীয়ে" অসমৰ ওপৰত সৰ্ব্বনাশী অভিশাপ! (পৃ.৫৭)*

উপন্যাসৰ প্ৰধান চৰিত্ৰ কলেজৰ ছাত্ৰ প্ৰেমধৰ আৰু কাৰ্তিক অসমত কানি প্ৰচলনৰ বিৰোধী। সমসাময়িক গান্ধীৰ গঠনমূলক কাৰ্যসূচীৰে এওঁলোক যে অনুপ্ৰাণিত সেই কথা ইয়াৰ পৰাই জানিব পাৰি। ঠিক সেইদৰে কাৰ্তিকে ভাবে যে অসমীয়াই অসমীয়াত্ব ৰক্ষা কৰাৰ বাবে সচেতন হ'ব লাগিব। অস্তিত্ব বিপন্ন হোৱাৰ আশংকো চল্লিছৰ দশকতে 'অপূৰ্ণ' উপন্যাসৰ কাৰ্তিকৰ চৰিত্ৰৰ মাজেদি প্ৰকাশ পাইছে। ইয়াৰ বাবে কাৰ্তিকে অসমীয়াক শক্তিদেৱীৰ আৰাধনা কৰি প্ৰবল প্ৰতাপী জাতিবোৰৰ লগত সাহিত্য, বাণিজ্য, ধৰ্ম, কৰ্ম, সমাজ, দেশাচাৰ আৰু গীতবাদ্যতো প্ৰতিযোগিতা কৰি আগবাঢ়ি যাবলৈ আহ্বান জনাইছে। (পৃ.৮৬) এই একেটা কাৰণতে 'চম্পা' নামৰ জনজাতীয় গাভৰুৰ চৰিত্ৰৰ সৃষ্টি আৰু "চাৰিজন মৈমানছিঙিয়া বঙালে" (পৃ.৭৭) চম্পাক ধৰি বান্ধি লৈ যোৱাৰ কাহিনী অৱতাৰণা কৰিছে।

উপন্যাসৰ কাহিনীৰ নায়ক প্ৰেমধৰ। ডম্বৰুধৰ মৌজাদাৰৰ ল'ৰা। চহৰৰ

কলেজত পঢ়ে। শৈশৱৰে পৰা লগ পাই অহা বৈকুণ্ঠ কানীয়াৰ ছোৱালী পূৰ্ণিমাক প্ৰেমধৰে ভাল পায়। পূৰ্ণিমা এজনী গাঁৱলীয়া অশিক্ষিতা গাভৰু হ'লেও ৰূপে-গুণে মনোমোহা আৰু অমায়িক। প্ৰেমধৰে পূৰ্ণিমাক ভাল পায়। উপন্যাসৰ প্ৰথম ভাগতে নৈৰ পাৰত হোৱা প্ৰেমধৰ আৰু পূৰ্ণিমাৰ কথা -বতৰাৰ পৰা এই কথা জানিব পাৰি। পূৰ্ণিমা দৰিদ্ৰতাৰ মাজত ডাঙৰ-দীঘল হোৱা এজনী সাধাৰণ পৰম্পৰাগত অসমীয়া মহিলা। তাই ৰুগীয়া মাতৃৰ পৰিচৰ্যা কৰে, তাঁত বয়, আনৰ ঘৰত ঢেঁকী দিয়ে। (পৃ.১৮) ঘৰখনৰ দৰিদ্ৰতাই তাইৰ ওপৰত প্ৰভাৱ পেলায়। কপাহ কিনিবলৈ প্ৰেমধৰে পূৰ্ণিমাক দিয়া পইচাৰে তাইৰ পিতৃয়ে কানি খাই শেষ কৰা ঘটনাটোত প্ৰেমধৰে যেতিয়া পূৰ্ণিমাক কটূক্তি কৰিছে তেতিয়া স্বাভাৱিকভাৱেই তাই আঘাত পাইছে। প্ৰেমধৰ যে কানি খোৱাৰ বিৰোধী আৰু সেই সময়ত কানিৰ বিৰুদ্ধে এটা আন্দোলন চলিছিল সেই কথাও পৰ্ণিমাই নাজানে। ইয়াৰ পৰাই বুজা যায় যে স্বাভাৱিকভাৱেই পূৰ্ণিমাই প্ৰেমধৰক ভাল পায় যদিও শিক্ষিত প্ৰেমধৰৰ সমকক্ষ পূৰ্ণিমা নহয়। সেয়ে প্ৰেমধৰৰ লগত আলোচনাত ভাগ লোৱাৰ ক্ষমতাও পূৰ্ণিমাৰ নাই। উদাহৰণ হিচাপে প্ৰেমধৰ আৰু পূৰ্ণিমাৰ কথা-বতৰাৰ এটা অংশ তুলি দিলোঁঃ

> *পূৰ্ণিমা আৰু প্ৰেমধৰ লাহে লাহে খোজ ল'লে। হঠাৎ প্ৰেমধৰে ক'লে - "পূৰ্ণিমা, সংসাৰ বৰ জটিল।" পূৰ্ণিমাই প্ৰেমধৰৰ কথা একো বুজি নাপাই ক'লে, "ককাইদেউ, সিদিনা গাঁৱত জটীয়া সেৱা হৈছিল।.....(পৃ.১৭)*

আনকি প্ৰেমধৰে যেতিয়া পূৰ্ণিমাক সোণৰ আঙঠি উপহাৰ হিচাপে দিছিলঃ- তেতিয়া তাই জনা নাছিল প্ৰেমধৰে তাইক কিয় আঙঠি দিছে। তাই ল'বলৈ অস্বীকাৰ কৰিলে। (পৃ.৪৮) প্ৰেমধৰে গুৱাহাটীলৈ পঢ়িবলৈ যোৱাৰ পিছতে মধুভকতৰ মুখৰ পৰা পূৰ্ণিমাৰ লগত সিহঁতৰ ঘৰতে কাম কৰা ভদীয়াৰ বিয়া পতা কথা জানিব পাৰি আত্মদ্বন্দ্বৰ সৃষ্টি হ'লেও শেষত প্ৰেমধৰে এক স্বস্তিৰ নিঃশ্বাস পেলালে। কাৰণ অভিজাত পৰিয়াল মৌজাদাৰৰ ঘৰত জন্মগ্ৰহণ কৰা প্ৰেমধৰে পূৰ্ণিমাৰ নিচিনা এজনী অশিক্ষিতা দৰিদ্ৰ ঘৰৰ ছোৱালী বিয়া কৰাবলৈ আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত বহুতো বাধা আছে। প্ৰেমধৰে ভাবিলে ঃ

> *আয়েক জানো মান্তি হব? আৰু আয়েকে মান্তি হলেও বংশ-গৌৰৱ, ধনৰ মদগৰ্ব্বিত ওফন্দি থকা দেউতাকে জানো সেই কথাত হয়ভৰ দিব? সম্পূৰ্ণ মিছা আশা। কেৱল সি ব্যক্ত কৰি হাঁহিয়াতৰহে পাত্ৰ হব। সি ভাবিলে, নীৰৱ থকাই সুন্দৰ সি সিদ্ধান্ত কৰিলে, এই বিয়াত কোনোমতে বাধা-বিঘিনি নিদি আনকি বিয়ালৈকো নগৈ দূৰতে থাকি সি সকলো সহিব, ভালপোৱাৰ তীব্ৰশক্তি অনুভৱ কৰিব। (পৃ.৭২)*

আনফালে বিশেষ কাৰণবশতঃ পূৰ্ণিমাৰ বিয়াখন ভদীয়াৰ লগত ন'হল।

প্ৰেমধৰ আৰু পূৰ্ণিমাৰ প্ৰেমৰ কথাও কোনেও নাজানিলে। কিন্তু প্ৰেমধৰৰ অন্তৰত পূৰ্ণিমাৰ স্মৃতি ৰৈ থাকিল।

প্ৰেমধৰৰ খুৰাকৰ ল'ৰা কাৰ্তিক। ঘটনাক্ৰমে কাৰ্তিকৰ জৰিয়তে চহৰৰ কলেজৰ প্ৰফেচাৰৰ ঘৰৰ লগত প্ৰেমধৰৰো আত্মীয়তা বাঢ়ে। প্ৰফেচাৰৰ চৈধ্য বছৰীয়া ছোৱালী হেম। উপন্যাসৰ কাহিনীভাগত হেমৰ কথা-বতৰা উচ্চ পৰ্যায়ৰ। নাৰী হিচাপে তাইৰ স্বাধীন চিন্তা, শিক্ষাৰ প্ৰতি ধাউতি, শুশ্ৰূষাৰ মনোভাৱ আদিয়ে চৰিত্ৰটো উজ্জ্বল কৰি তুলিছে। কাৰ্তিক বিদেশলৈ যোৱাৰ পিছত হেমৰ সান্নিধ্যলৈ আহে প্ৰেমধৰ। হেম, পূৰ্ণিমাৰ দৰে সাধাৰণ গাঁৱলীয়া ছোৱালী নহয়। সমাজত নাৰীৰ স্থান সম্পৰ্কে তাই সচেতন। সেয়ে পৰম্পৰাগত নাৰীৰ কৰ্তব্যৰ মাজত হেমই নিজকে আৱদ্ধ ৰাখিব নিবিচাৰে। প্ৰেমধৰে পৰম্পৰাগত নাৰীৰ কৰ্তব্য সম্পৰ্কে ক'বলৈ গৈ বোঁৱা-কটা কৰি কাপোৰ পিন্ধিবলৈ কোৱাত হেমই প্ৰতিবাদ কৰিছে এইদৰে ঃ

> *হেমই কলে, "আপোনালোকে তিৰোতা জাতিক সদায় এনেভাৱে প্ৰৱঞ্চনা কৰি আহিছে। তাহাঁতক সাধাৰণ ঘৰুৱা কথাতে খোৱা-লোৱা, কাপোৰ বোৱাতে ৰত ৰাখি তাহাঁতক জ্ঞানৰ পথৰ পৰা আঁতৰাই ৰাখিছে। তাইহঁতে লিখা-পঢ়া শিকে কেতিয়া, সাহিত্যৰ সোৱাদ লয় কেতিয়া? পৃথিৱীৰ জ্ঞানৰাজ্য চকুৰে দেখি হিয়ামন ডাঙৰ কৰে কেতিয়া? চকু মুকলি হয় কেতিয়া? (পৃ.১৪৪)*

হেমৰ এই বক্তব্য যথাৰ্থ নাৰীবাদী। কাৰণ নাৰীয়ে ঘৰুৱা কাম-কাজৰ পৰা অব্যাহতি নাপালে নাৰীমুক্তি কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। কিন্তু সেই সময়ৰ গান্ধী পৰিচালিত কংগ্ৰেছে নাৰীক ঘৰুৱা কাজ-কৰ্মৰ সীমাবদ্ধতাৰ মাজত ৰাখিহে নাৰী-মংগল নাইবা নাৰী-স্বাধীনতাৰ কথা কৈছিল। সেয়েহে গান্ধীৰ আদৰ্শৰ দ্বাৰা পৰিচালিত প্ৰেমধৰে তিৰোতাৰ পৰম্পৰাগত কৰ্তব্যনিষ্ঠাক প্ৰশংসা কৰি হেমৰ কৰ্তব্যৰ বিৰোধিতা কৰিছে। (পৃ.১৪৪) প্ৰেমধৰে হেমক কৈছে, "মই আৰু ভৱিষ্যৎ নাভাবি এই যঁতৰ আৰু নাঙলৰ প্ৰচলনতে সম্পূৰ্ণ মন দিছো। আৰু হেম, তোমাক কওঁ অন্ততঃ শিক্ষাৰ অভিমানত তুমি এই কথা নাপাহৰা যেন অসমীয়া তিৰোতাই তাঁত বোৱা, সূতা কটা এৰা কোনোমতে উচিত নহয়।" (পৃ.১৪৭)

প্ৰেমধৰ আছিল বিলাতী বস্তু বৰ্জনৰ পক্ষপাতী। কিন্তু হেমই এই কথা মানিব পৰা নাছিল। হেমই কাপোৰ পিন্ধা সম্পৰ্কত "দেশী নে বিলাতী" বুলি যেতিয়া প্ৰেমধৰে ঠাট্টা কৰিছিল তেতিয়া হেমই উত্তৰ দিছিল এইদৰে; "আপোনালোকে সংকীৰ্ণ ভাব লৈ বহল পৃথিৱীকে সৰু সৰু খণ্ড কৰি তাৰ মাজত, দেশী-বিদেশীৰ কথা উলিয়াই পবিত্ৰ অপবিত্ৰ কৰাটো উচিত হোৱা নাই। প্ৰেম ককাইদেউ, দেশী বিদেশী হয়নে নহয় কব নোৱাৰোঁ কিন্তু সেয়া মানৱ জাতিৰ।" (পৃ.১৫০) ইয়াৰ পৰা বুজিব পাৰি হেমৰ নিচিনা শিক্ষিতা সচেতন গাভৰুৱে প্ৰেমধৰে গ্ৰহণ কৰা

গান্ধীৰ গঠনমূলক কাৰ্যসূচীক সমৰ্থন কৰিব পৰা নাছিল। কিন্তু প্ৰেমধৰৰ সংস্পৰ্শত হেমৰ মতবাদৰ পৰিবৰ্তন ঘটিল। (পৃ.১৫৭) হেমই যঁতৰত সূতা কাটিবলৈ আৰম্ভ কৰি গান্ধীৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিলে। হেমই সচেতনভাৱেই বিদেশী কাপোৰবৰ্জন আন্দোলনত অংশগ্ৰহণ কৰিলে। ঠিক সেইদৰে গাঁৱলীয়া ছোৱালী পূৰ্ণিমায়ো যঁতৰত সূতা কাটিছিল আৰু প্ৰেমধৰে পূৰ্ণিমাক এটা যঁতৰো উপহাৰ দিছিল। (পৃ.১১২) কিন্তু পূৰ্ণিমাৰ দৰে সাধাৰণ গাঁৱলীয়া গাভৰুৱে সেই সময়ৰ ৰাজনীতি সম্পৰ্কে আছিল সম্পূৰ্ণ অজ্ঞ। ১৯২১ চনত গান্ধীজীৰ গঠনমূলক আঁচনি কাৰ্যত পৰিণত কৰাৰ বাবে ভাৰতবৰ্ষৰ ২০ লাখ পৰিয়ালত যঁতৰৰ (Charkha) প্ৰচলন কৰিবলৈ সিদ্ধান্ত লয়। এই আঁচনি কাৰ্যত পৰিণত কৰাৰ বাবে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত ২৬,০০০ যঁতৰ আৰু সুৰমা উপত্যকাত ১৯,০০০ যঁতৰ প্ৰচলনৰ সিদ্ধান্ত কৰে।[৩১] প্ৰেমধৰৰ যঁতৰ প্ৰচলন এই আন্দোলনৰে অংশ বুলি ক'ব পাৰি।

উপন্যাসত হেম এটা সচেতন নাৰী চৰিত্ৰ হিচাপেই প্ৰকাশ পাইছে। অসমীয়া পৰম্পৰাগত ধ্যান-ধাৰণাৰ পৰা হেম মুক্ত। উপন্যাসত বৰ্ণিত জয়বলিয়া নামৰ এজন সাধাৰণ মানুহক শুশ্ৰূষা কৰা দেখা পাই কাৰ্তিকে হেমৰ কাৰ্যক সহ্য কৰিব পৰা নাছিল। আনহাতে আৰ্ত্তজনক সেৱা-শুশ্ৰূষা কৰাটো এটা মানৱীয় ধৰ্ম। হেমই কাৰ্তিকৰ অপমানসূচক মন্তব্যক (পৃ.১০৭) নীৰৱে সহ্য নকৰি তেজী আৰু গম্ভীৰভাৱে উত্তৰ দিছিল এইদৰে ঃ

> *কিন্তু জানিবা দেশ ৰক্ষাৰ যদি কিবা আচল উপায় বিচাৰিছা তেন্তে তাৰ একমাত্ৰ উপায় 'সেৱা আৰু শুশ্ৰূষা'। দেশ ৰক্ষা আৰু সেৱা-শুশ্ৰূষাৰ পাৰ্থক্য কৰি দেশৰক্ষা কৰিব যোৱাটো মাথোঁ হাঁহিয়াতৰ হে পাত্ৰ হোৱা, নাইবা মনৰ গৰ্ব্ব আৰু অহঙ্কাৰ স্বৰূপ মান আৰু গৌৰৱৰ স্বাৰ্থ পূৰণ কৰাটোহে - অৰ্থাৎ নেতাৰ গৌৰৱ আৰু সন্মান পোৱাৰ আশা কৰাটোহে। কিন্তু তেনে নেতাৰ যশ মান লাভ কৰা সকলক সাধাৰণ কলেৰা বা মেলেৰিয়া বেমাৰী এজনক শুশ্ৰূষা কৰিবলৈ দিয়াচোন, তেতিয়া বুজিবা তেওঁৰ নেতৃত্বৰ উচ্চ আদৰ্শ কিমান দূৰৈত। (পৃ.১০৮)*

এইদৰে হেমই সেই সময়ৰ গান্ধীৰ আন্দোলনৰ ছাত্ৰ নেতা কাৰ্তিকৰ ঠেক মনোবৃত্তিক সমালোচনা কৰিছে। হেমই ফ্লোৰেন্স নাইটিংগেলৰ দৰে অনুভৱ কৰিছিল যে স্বদেশক ভাল পাবলৈ হ'লে - তাৰ প্ৰথম চৰ্ত হ'ব লাগিব মানৱসেৱা। এনে উপলব্ধিয়ে হেমৰ চৰিত্ৰটোক সচেতন নাৰী চৰিত্ৰ হিচাপেও প্ৰকাশ কৰিছে।

উপন্যাসৰ শেষৰ ফালে আমি দেখিবলৈ পাওঁ যে পূৰ্ণিমাৰ স্মৃতি লাহে লাহে প্ৰেমধৰৰ অন্তৰৰ পৰা মাৰ গৈছে আৰু তাৰ ঠাই পূৰণ কৰিছে হেমই। কাৰ্তিক বিলাতৰ পৰা ঘূৰি অহাৰ পিছত হেমৰ লগত গুৱাহাটীতে প্ৰেমধৰৰ বিয়াৰ বন্দবস্ত হয়। কিন্তু ইতিমধ্যে প্ৰেমধৰৰ অজ্ঞাতে মাক মৌজাদাৰণীয়ে পূৰ্ণিমাৰ মাকৰ

মৃত্যুৰ পিছত পূৰ্ণিমাক তেওঁলোকৰ ঘৰলৈ আনি নিজৰ বোৱাৰী কৰিম বুলি সম্পূৰ্ণ প্ৰস্তুত কৰি লৈছে। মৌজাদাৰে প্ৰেমধৰৰ এই সকলো কথা জানিও হেমৰ লগত প্ৰেমধৰৰ বিয়াৰ সন্মতি দিলে। কিন্তু মৌজাদাৰণীয়ে পূৰ্ণিমাক লগত লৈ আহি বিয়াত অসন্মতি প্ৰকাশ কৰিলেও শেষত তেওঁৰ কথা নৰজিল। প্ৰেমধৰৰ মাক বিয়াত নাথাকি পূৰ্ণিমাক এৰি থৈ গাঁৱলৈ গুচি গ'ল। গুৱাহাটীত হেমৰ লগত প্ৰেমধৰৰ বিয়া সম্পাদন হৈ যোৱাৰ লগে লগে পূৰ্ণিমাৰ চিন্তা, মাতৃস্নেহ আদিয়ে প্ৰেমধৰক মানসিকভাৱে দুৰ্বল কৰি পেলালে। জ্বৰত আক্ৰান্ত হ'ল প্ৰেমধৰ। যি প্ৰেমধৰে পূৰ্ণিমাৰ স্মৃতি অন্তৰৰ পৰা মচি পেলাই হেমক বিয়া কৰালে, সেই প্ৰেমধৰেই পূৰ্ণিমাৰ ওচৰত স্বীকাৰ কৰিলে, "পূৰ্ণিমা, মোৰ কাৰণে তোৰ সকলো অপূৰ্ণ ৰ'ল। মই তোৰ সৰ্ব্বনাশ কৰিলোঁ"। (পৃ.১৭৪) কংগ্ৰেছ আন্দোলনৰ সচেতন কৰ্মী প্ৰেমধৰে শেষত শাশ্বত নাৰী পূৰ্ণিমাৰ ওচৰত আত্মসমৰ্পণ কৰি হেম আৰু পূৰ্ণিমাক কাৰ্তিকৰ হাতত তুলি দি মৃত্যুক সাৱটি ল'লে। ঔপন্যাসিকে পূৰ্ণিমাৰ জীৱনলৈ আঁউসীৰ অন্ধকাৰ নামি অহা বুলি কৈ, শাশ্বত নাৰী পূৰ্ণিমাৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰি উপন্যাসখনৰ সামৰণি মাৰিছে।

চল্লিছৰ দশকত নাৰী-মংগল, নাৰীমুক্তিৰ চিন্তাধাৰাই অসমীয়া সমাজত গা-কৰি উঠাৰ সময়ত ঔপন্যাসিকে দাম্পত্য জীৱনৰ প্ৰথম পুৱাতে বিধৱা হোৱা সচেতন নাৰী হেমৰ প্ৰতি কোনো সমবেদনা বা আদৰ নেদেখুৱাৰ পৰা এইটো বুজিব পাৰি যে ঔপন্যাসিকে নাৰী-মংগল বা নাৰী চেতনাৰ বিষয়টোক সমৰ্থন কৰিব পৰা নাছিল। সেয়ে সেই সময়ৰ কংগ্ৰেছ কৰ্মী প্ৰেমধৰৰ দ্বাৰা দেখুওৱা হৈছে যে যদিও সাময়িকভাৱে তেওঁ হেমক ভাল পাইছিল - তথাপি পূৰ্ণিমাহে আছিল প্ৰেমধৰৰ মনে বিচৰা নাৰী। যিজনী নাৰীৰ কোনো শিক্ষা-দিক্ষা নাথাকিলেও গাৰ্হস্থ্য জীৱনৰ সকলো কামতেই আছিল পটুতা। প্ৰেমধৰেও যে নাৰী গাৰ্হস্থ্য জীৱনত পটু হোৱাটোহে বিচাৰিছিল - সেই কথা আমি আগতে আলোচনা কৰি আহিছো। উপন্যাসত পূৰ্ণিমাই লাভ কৰা গুণ সম্পৰ্কে কৈছে, "মৌজাদাৰণীৰ পৰা দয়া, মায়া, বদান্যতা আৰু পৰৰ দুখত কাতৰতা শিক্ষা কৰিছিল আৰু কাৰ্তিকৰ মাকৰ পৰা কষ্টসহিষ্ণুতা, বিনয় আৰু শত আপদকো মনে মনে সহিব পৰা শক্তি পাইছিল। সঁচাকৈ এই দুই আদৰ্শনীয় তিৰোতাৰ লগত থাকি পূৰ্ণিমা সকলো প্ৰকাৰে পূৰ্ণ হৈছিল।" (পৃ.১৪৮) যি কাৰণত প্ৰেমধৰে পূৰ্ণিমাক ভাল পাইছিল, ঠিক সেই একে কাৰণতে মৌজাদাৰণীয়ে পূৰ্ণিমাক মনে মনে বোৱাৰী হিচাপে গ্ৰহণ কৰি নিজৰ লগত ৰাখিছিল। কাৰণ পুৰণি অসমীয়া সমাজখনত স্ত্ৰী-শিক্ষাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। ঘৰুৱা কাম-কাজত পাৰদৰ্শী হ'লেই নাৰী বিবাহৰ বাবে উপযুক্ত হোৱা বুলি মানি লোৱা হৈছিল। গতিকে ক'ব পাৰি পূৰ্ণিমা শাশ্বত নাৰীৰ প্ৰতিভূ। এনেকুৱা শাশ্বত নাৰীকেই আদৰ্শনীয় নাৰীৰ শাৰীত বহুৱাই ঔপন্যাসিকে পৰম্পৰাগত দৃষ্টিভংগীকেই প্ৰকাশ কৰিছে। হেমক সচেতন নাৰী

হিচাপে দেখুওৱাৰ চেষ্টা কৰিলেও শেষ পৰ্যন্ত ঔপন্যাসিকে শাশ্বত নাৰীকেই এই উপন্যাসত স্বীকৃতি দিলে। সেয়ে সম্ভাৱনা থকা সত্ত্বেও এই উপন্যাসৰ নাৰীবাদী গুৰুত্ব ম্লান হৈ পৰিছে আৰু শাশ্বত নাৰীকেই ওপৰলৈ তোলা হৈছে।

টীকা

১। সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া উপন্যাসৰ ভূমিকা,* সৌমাৰ প্ৰিন্টিং এণ্ড পাব্লিছিং কোম্পানী, গুৱাহাটী, ১৯৬৫, পৃ.১৪৪

২। ৰজনীকান্ত বৰদলৈ, *ৰহদৈ লিগিৰী* (১৯৩০), সাহিত্য প্ৰকাশ, গুৱাহাটী, ১৯৮৭ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

3 I Gobinda Prasad Sarma, "Feminism in The Assamese Novel" in Preeti Barua(ed), *Commemorative 'Volume, Golden Jubilee Handique Girls' College, 1939-1989,* Golden Jubilee Celebration Committee, Guwahati, 1989,পৃ. ১২৬

৪। একেপ্ৰবন্ধ, পৃ ১২৬

৫। একেপ্ৰবন্ধ, পৃ. ১২৬

৬। একেপ্ৰবন্ধ, পৃ. ১৩০

৭। একেপ্ৰবন্ধ, পৃ. ১৩১

৮। একেপ্ৰবন্ধ, পৃ. ১৩২

৯। একেপ্ৰবন্ধ, পৃ. ১৩১

১০। একেপ্ৰবন্ধ, পৃ.১৩২

১১। দণ্ডিনাথ কলিতা, *সাধনা* (১৯২৮), চপলা সাহিত্য সদন, চিলং,১৯৬৩,৪ৰ্থ সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

১২। গোবিন্দ প্ৰসাদ শৰ্মা, 'দণ্ডিনাথ কলিতাৰ 'সাধনা'ৰ এটি আলোচনা, স্বাধীনতা আৰু নাৰীমুক্তি', "সূত্ৰধাৰ", সম্পাদক, হোমেন বৰগোহাঞি, দ্বিতীয় বছৰ, একবিংশ সংখ্যা, ১৬-৩০ নৱেম্বৰ, ১৯৯০ পৃ.৩৮

১৩। একেপ্ৰবন্ধ, পৃ পৃ.৩৯-৪০

১৪। একেপ্ৰবন্ধ, পৃ. ৪০

১৫। একেপ্ৰবন্ধ, পৃ. ৪১

১৬। একেপ্ৰবন্ধ, পৃ ৪১

১৭। Gobinda Prasad Sarma, 'Feminism in the Assamese Novel" in preeti Barua (ed), পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৩৬

১৮। একেপ্ৰবন্ধ, পৃ. ১৩৭

১৯। গোবিন্দ প্ৰসাদ শৰ্মা, পূৰ্বোক্ত প্ৰবন্ধ, পৃ. ৪২

২০। একেপ্ৰবন্ধ, পৃ.৪২

২১।' একেপ্ৰবন্ধ, পৃ ৩৮

২২। একেপ্ৰবন্ধ, পৃ.৪৩

২৩। লক্ষ্মীধৰ শৰ্মা, 'বিদ্ৰোহিণী', *ব্যৰ্থতাৰ দান* (১৯৩০) সংকলনত, চপলা সাহিত্য সদন, চিলং, ১৯৫৮ দ্বিতীয় সংস্কৰণ (উপন্যাসিকাখনৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা দিয়া হৈছে)।

২৪। মুকুট ভট্টাচাৰ্য (সম্পাদিত), *লক্ষ্মীধৰ শৰ্মাৰ ৰচনাৱলী,* নতুন সাহিত্য পৰিষদ, গুৱাহাটী, ১৯৮৭ 'প্ৰকাশকৰ কথা' শিতানৰ পৰা।

২৫। হীৰেন গোহাঁই, 'লক্ষ্মীধৰ শৰ্মাৰ সাধনা', *বিশ্বায়তন* প্ৰস্তুত, জাৰ্ণাল এম্পৰিয়াম, নলবাৰী, ১৯৮৩ পৃ. পৃ. ৭২-৭৫

২৬। দৈৱচন্দ্ৰ তালুকদাৰ, *অপূৰ্ণ* (১৯৩১ -১৯৩২), লয়াৰ্চ বুক ষ্টল,

গুৱাহাটী, ১৯৬২, ৩য় সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

২৭। ৰমেশ কলিতা, *ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা*, সমন্বয় গ্ৰন্থালয়, নলবাৰী, ১৯৮৬ পৃ. পৃ. ৭২-৭৩

২৮। অমিয় কুমাৰ দাস, তীৰ্থ নাথ শৰ্মা আদি, *ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা স্মৃতিগ্ৰন্থ*, ত্যাগবীৰ স্মৃতি ন্যাস সমিতি, গুৱাহাটী, ১৯৭১ পৃ.১১৭

২৯। পূৰ্বোক্ত গ্ৰন্থ, পৃ.৬০

৩০। একেগ্ৰন্থ, পৃ.২৮৪

৩১। Arun Chandra Bhuyan et. al, *Political History of Assam*, 1920-1939, Vol,-II Government of Assam, Guwahati 1978, পৃ. ১৬

পঞ্চম অধ্যায়

১৯৪০ চনৰ পৰা ১৯৬০ চনৰ ভিতৰত প্ৰকাশিত উপন্যাসৰ অলোচনা

বিয়াল্লিছৰ গণ-আন্দোলনত অসমীয়া নাৰী কনকলতা, ভোগেশ্বৰী আদিয়ে স্বাধীনতা আন্দোলনত নাৰীৰ অংশগ্ৰহণৰ যি উজ্জ্বল দৃষ্টান্ত দেখুৱালে, সেই অভিজ্ঞতা উঠি অহা অসমীয়া শিক্ষিত মধ্যশ্ৰেণীয়ে লাভ কৰিলেও - এই অভিজ্ঞতাৰ পৰা এখনো উপন্যাস ১৯৪০ ৰ পৰা ১৯৬০ চনৰ ভিতৰৰ কালছোৱাত সৃষ্টি নহ'ল বুলি মহেশ্বৰ নেওগে এটি সাৰুৱা মন্তব্য কৰি থৈ গৈছে।[১] এই অধ্যায়ত চল্লিছ আৰু পঞ্চাছৰ দশকৰ অসমীয়া উপন্যাসত নাৰীৰ স্থান কি হিচাপে ধৰা পৰিছে - নাৰী শাশ্বত পৰ্যায়তে উপন্যাসত ৰৈ গৈছে নে নাৰীমুক্তি, নাৰী-মংগলৰ চেতনাসম্পন্না হিচাপে প্ৰতিফলিত হৈছে - সেই সম্পৰ্কে আলোচনা কৰা হ'ব। ইয়াৰ বাবে নাৰী চৰিত্ৰই প্ৰাধান্য লাভ কৰা কেইখনমান বচা বচা উপন্যাস আমাৰ আলোচনালৈ আনিম।

জীৱনৰ বাটত

১৯৪৪ চনত প্ৰকাশিত বীণা বৰুৱাৰ (বিৰিঞ্চি কুমাৰ বৰুৱা) 'জীৱনৰ বাটত' উপন্যাসক আধুনিক অসমীয়া সাহিত্যৰ 'কেন্দ্ৰীয় মূল্যাধাৰ' বুলি হীৰেন গোহাঁইয়ে অভিহিত কৰিছে। অন্য এগৰাকী যশস্বী সমালোচক ভৱেন বৰুৱায়ো এই উপন্যাসক এখন সুকীয়া উচ্চ আসন দি থৈছে।[৪] এই উপন্যাসখনক পুৰুষ-শাসিত সমাজত নাৰীৰ ওপৰত চলা নিৰ্যাতনৰ এক বাস্তৱ আৰু মৰ্মস্পৰ্শী চিত্ৰ বুলি ক'ব পাৰি। পুৰুষ-শাসিত সমাজৰ নিৰ্মমতাক নাৰীয়ে ইয়াত মানি ল'ব নোৱাৰিলেও ইয়াৰ প্ৰতিবাদত মুখৰ হ'বও পৰা নাই। নাৰীয়ে বিনা প্ৰতিবাদে সকলো অত্যাচাৰ মূৰ পাতি গ্ৰহণ কৰিছে। বিশ-ত্ৰিশৰ দশকৰ আমাৰ আলোচিত উপন্যাস 'ৰহদৈ লিগিৰী', 'সাধনা', 'বিদ্ৰোহিণী' (উপন্যাসিকা) আদিত নাৰীমংগল, নাৰীমুক্তিৰ যি চেতনা প্ৰকাশ হৈছিল, সেই চেতনা চল্লিশৰ দশকৰ 'জীৱনৰ বাটত' উপন্যাসত আমি স্তিমিত হৈ পৰা দেখিবলৈ পাওঁ। 'অপূৰ্ণ' উপন্যাসৰ শাশ্বত নাৰী 'পূৰ্ণিমা'ই যেন চল্লিছৰ দশকত 'জীৱনৰ বাটত' উপন্যাসত তগৰ ৰূপেৰে আত্মপ্ৰকাশ

কৰিছে।

কাহিনীৰ আলোচনা কৰিলে দেখা যায় যে ভোগদত্ত মৌজাদাৰৰ বৰজীয়েকৰ বিয়ালৈ বৰপুতেক কৃষ্ণদত্তৰ লগত তেওঁৰ বন্ধু কমলাকান্ত আহে আৰু বিবাহ বাহৰতেই ঘটনাক্ৰমে তগৰ আৰু কমলাকান্তৰ পৰিচয় হয়। এই পৰিচয়ৰ ফলতেই তগৰ আৰু কমলাকান্তৰ মাজত প্ৰেমৰ সূত্ৰপাত হয়। বিয়াৰ শেষত বিদায়ৰ এক আবেগিক মুহূৰ্তত কমলাকান্তই নিজৰ হাতৰ আঙঠি খুলি দুষ্মন্তই শকুন্তলাক আঙঠি পিন্ধোৱাৰ দৰে তগৰৰ আঙুলিত আঙঠি পিন্ধাই দি বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

কিন্তু ঘটনাই অন্যফালে গতি কৰিলে। কমলাকান্ত হাকিম হোৱাৰ পিছত ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবেই চহৰৰ ধনী ঘৰৰ ছোৱালী সুপ্ৰভাৰ লগত তেওঁৰ বিয়া হৈ যায়। আনফালে পিতৃৰ আদেশ, মাতৃ বিয়োগ, লোকনিন্দা সকলো মূৰপাতি লৈ তগৰে উইভিং মাষ্টৰ ধৰণীৰ লগত বিয়াত বহিবলৈ বাধ্য হ'ল। মাত্ৰ কমলাকান্তৰ পূৰ্বস্মৃতি ৰৈ গ'ল তগৰৰ অন্তৰত।

শাহুৰেকৰ ঘৰলৈ গৈ পোৱাত ধৰণীৰ মাতৃ আহিনীয়ে মাতৃৰ কৰ্তৃত্ব হেৰাই যোৱাৰ আশংকাত তগৰৰ প্ৰতি প্ৰতিহিংসাত জ্বলি উঠিল। ৰক্ষণশীল সমাজে তাত ঘিউ ঢালিলে। তগৰৰ ওপৰত নিৰ্যাতন লঘু-লাঞ্ছনাৰ সীমা নাইকিয়া হ'ল। কিন্তু সিহঁতৰ সৰু সংসাৰখনলৈ জীয়েক কমলিৰ আবিৰ্ভাৱে তগৰৰ শাহুৱেকৰ বোৱাৰী নিৰ্যাতনৰ ওৰ পেলালে। ঘটনাক্ৰমে আহিনীৰ মৃত্যু আৰু ধৰণীৰ অসহযোগ আন্দোলনত যোগদানে তগৰৰ জীৱনলৈ দুখ-দাৰিদ্ৰৰ ক'লা ডাৱৰ নমাই আনিলে। ধৰণী জেললৈ গ'ল। থানাৰ ডাৰোগাৰ দ্বাৰাও তগৰ লাঞ্ছিতা হ'ল। শেষত ধৰণীয়ে জেলৰ পৰা মুক্তি পালে যদিও ক্ষয়ৰোগত আক্ৰান্ত হৈ মৃত্যুৰ ক্ষণ গণি থাকিল। অশেষ চেষ্টা কৰিও গোলাপ ডাক্তৰে ধৰণীক ৰক্ষা কৰিব নোৱাৰিলে। নিঃশেষ হৈ যাব খোজা মাক জীয়েকক জীয়াই ৰখাৰ বাবেই গোলাপ ডাক্তৰে তগৰক শিপিনী সংঘৰ কামত নিয়োগ কৰিলে।

সময়ৰ পাকচক্ৰত হাকিম কমলাকান্ত ঘৈণীয়েক সুপ্ৰভাৰ লগত সেই ঠাইলৈ আহিল। কমলাকান্তৰ পত্নী সুপ্ৰভাই কাপোৰ ববলৈ ইচ্ছা কৰাত তগৰক মাতি পঠালে। হাকিমৰ ঘৰলৈ আহি তগৰে হাকিমক পিছপিনৰ পৰা দেখি চিনি পালে। তগৰ মূৰ্চ্ছিতা হৈ পৰিল। এখন ভাৰাক্ৰান্ত হৃদয় লৈ তগৰ তাৰ পৰা গুচি আহিল।

ইয়াৰ পিছত কমলাকান্তৰ ঘৰত হোৱা চুৰি সংক্ৰান্ত ঘটনাত পুলিচে তগৰৰ ঘৰ খানাতালাচ কৰি কমলাকান্তৰ নাম থকা আঙঠিটো পালে। পুলিচে কমলাকান্তক আঙঠিটো নি দেখুৱালে। আঙঠিটো দেখি দুষ্মন্তই শকুন্তলাৰ পূৰ্বস্মৃতি ঘূৰাই পোৱাৰ দৰে কমলাকান্তৰো সকলো কথা মনত পৰিল। জীৱনত কৰা ভুলৰ বাবে কমলাকান্ত অনুতপ্ত হৈ পৰিল। ইয়াতে কাহিনীটো শেষ হৈছে।

উপন্যাসখনৰ মূল নাৰী চৰিত্ৰ তগৰ । ঔপন্যাসিকে তগৰৰ চৰিত্ৰটো এটা

সংবেদনশীল, করুণ, নাৰী চৰিত্ৰ হিচাপে অংকন কৰিছে। সামন্তযুগীয় ধ্যান-ধাৰণাৰ মাজতে ডাঙৰ-দীঘল হোৱা অসমীয়া সমাজৰ একোণত তগৰ চিৰন্তন নাৰী। যৌৱনৰ ৰ'দ কাঁচলিত কমলাকান্তৰ প্ৰতি প্ৰথম প্ৰণয় ওপজা তগৰে খুব ভয় খাইছিল যেতিয়া কমলাকান্তই সংগোপনে তগৰৰ আঙুলিত আঙঠি পিন্ধাই দিছিল। কাৰণ অসমীয়া সমাজত ছোৱালীৰ বিয়া-বাৰুৰ ক্ষেত্ৰত বাপেক-মাকৰ সিদ্ধান্তই চৰম সিদ্ধান্ত। ইয়াত ছোৱালীৰ আপত্তি কৰাৰ কোনো প্ৰশ্ন নুঠে। সেয়ে মাক-বাপেকৰ সন্মতি নোলোৱাকৈ কমলাকান্তই তগৰৰ আঙুলিত আঙঠি পিন্ধাই পৰম্পৰাৰ ওপৰত আঘাত কৰাত তগৰে সঁচকিত হৈ উঠি কমলাকান্তক কৈছে, "আপুনি মোৰ সৰ্ব্বনাশ কৰিলে কিয়?" (পৃ.২০) অৰ্থাৎ তগৰে নিজেও ৰক্ষণশীল ধ্যান-ধাৰণাৰ দ্বাৰাই পৰিচালিত। তগৰে ভাবে ইংৰাজী গ্ৰন্থ শাস্ত্ৰ নহয় (পৃ.১৭); আনকি যি শাস্ত্ৰৰ বিধানমতে নাৰীয়ে সমাজত নিজস্ব অধিকাৰ হেৰুৱাই পেলালে সেই শাস্ত্ৰৰ বাক্যসমূহ অলংঘনীয় বুলি তাই সৰলভাৱে মানি লয়। যেতিয়া কমলাকান্তই তগৰক সোধে ঃ

"শাস্ত্ৰ জানো তুমি মানা?"

"ও আই, শাস্ত্ৰ নামানিম কিয়?" প্ৰশ্ন শুনি তগৰ জিকাৰ খাই উঠে। (পৃ.১৭)

পৰম্পৰাগত সমাজখনৰ দৃষ্টিতো নাৰী শিক্ষাৰ কোনো মূল্য নাই। কমলাকান্ত আৰু মৌজাদাৰণীয়ে তগৰৰ সম্পৰ্কে পতা কথাৰ পৰা এইটো স্পষ্ট হৈ উঠিছে ঃ

"বাপেকে আকৌ ইংৰাজী পঢ়াবলৈ ওলাইছিল, আমি হে হাক দিলো।"

গাখীৰৰ বাটিত মুখ দি কমলাকান্তই ক'লে - "জাত যায় বুলি?" 'এহ বিদ্যা অৰ্জাতনো কি জাত যোৱা কথা? পিচে আমাৰ গাঁৱলীয়া ছোৱালীয়ে ইংৰাজী পঢ়ি কিনো বিদ্যাখন শিকিব? শিকিবলগা জানিব লগা কথা আমাৰ ভাষাৰ শাস্ত্ৰত নাই জানো?"

চকুৱে মুখে প্ৰতিবাদৰ ভাষা ফুটি ওলালেও প্ৰতিবাদ কৰিবলৈ কমলাকান্তৰ সাহে নুকুলালে; নিশ্চল হৈ শুনি গাখীৰৰ বাটিত মুখ দিলে।

"ছোৱালীক বেছিকৈ পঢ়াই শুনাইনো কি লাভ? ঘৰ গৃহস্থালিৰ কামখিনি পৰিপাটীকৈ শিকিলে বুজিলেই হ'ল। কি কোৱা, নহয় জানো?" (পৃ.১৮)

পাশ্চাত্য শিক্ষাৰ বিস্তাৰে যে অসমীয়া পৰম্পৰাগত সমাজখনৰ ভেটি চল্লিছৰ দশকতো কঁপাব পৰা নাছিল - এই কথাই তাৰ প্ৰমাণ। চহৰৰ মধ্যবিত্ত শ্ৰেণীৰ মাজতে স্ত্ৰী-শিক্ষাই সমাদৰ লাভ কৰিলেও গাঁৱৰ মহিলাৰ মাজত ইংৰাজী শিক্ষা গ্ৰহণৰ অনিচ্ছা তেতিয়াও আছিল। ঘৰগৃহস্থালিৰ কামত পটু হ'ব পাৰিলেই নাৰীৰ

শিক্ষা সমাপ্ত হোৱা বুলি অসমীয়া সমাজৰ মাজত পৰম্পৰাগত ধাৰণা বৈ আছিল।

অসমীয়া সমাজত নাৰী-পুৰুষৰ অবাধ মিলামিচা তেতিয়ালৈকে সমৰ্থিত নাছিল। উইভিং মাষ্টৰ ধৰণীয়ে যেতিয়া তগৰক কাপোৰত ফুল বচা শিকাবলৈ তগৰৰ ঘৰলৈ আহিছিল, তেতিয়া এজন পুৰুষৰ লগত এজনী অবিবাহিতা নাৰীৰ সম্পৰ্ক দেখি সহ্য কৰিব নোৱাৰি মৌজাদাৰণীয়ে তগৰৰ বাপেক বাপুৰামক কৈছিল এইদৰে ঃ

> *"......... ছোৱালীক পঢ়ুৱাই শুনুৱাই আপুনি কি কৰাইছে গাঁৱৰ দহজনে দেখি আছে। আপোন বুলি আমি দেখিও নেদেখা ভাও জুৰি আছোঁ। এদিনলৈকো আপোনাৰ (?) ছোৱালীৰ কথা লৈ উচ্-বাইচ্ কৰা নাই। গাভৰু ছোৱালী থকা ঘৰলৈ ধৰণী মাষ্টৰৰ ইমান ঘন ঘন আহ-যাহ কিহৰ? ডেকা ল'ৰাটোৰ পৰা ফুল তুলিবলৈ শিকিলেহে হয়? এইবোৰ কথা কওঁ কওঁ বুলিয়েই আছিলোঁ। এনেকৈ কিছুদিন চলিলে বাদ -অপবাদৰ ভয়হে আছে। সেয়েহে কৈছোঁ, মানুহে বিঁ-বি-বা-বাখন নৌলগাওঁতেই ভালে ভালে ছোৱালীজনী উলিয়াই দিয়ক" (পৃ.৪৮)*

মৌজাদাৰণীয়ে বাপুৰাম বৰাৰ প্ৰতি কৰা এই উক্তিত বিবাহৰ ক্ষেত্ৰত যে ল'ৰা-ছোৱালীৰ মতামত অসমীয়া সমাজত লোৱা হোৱা নাছিল সেই কথা ওলাই পৰিছে। সেয়ে বাপুৰাম বৰাই কমলাকান্তৰ বিয়াৰ কথা তগৰৰ পৰা গোপনে ৰাখি তগৰৰ কোনো মতামত নোলোৱাকৈ ধৰণী মাষ্টৰৰ লগত তাইৰ বিয়া পাতি দিলে। তগৰে ইয়াৰ কোনো প্ৰতিবাদ কৰিব নোৱাৰিলে। কমলাকান্তৰ স্মৃতি বুকুত বান্ধি তগৰ স্বামীৰ ঘৰলৈ গৈ আকৌ এক নতুন নিৰ্যাতনৰ মুখা- মুখি হ'ল।

যুগ যুগ ধৰি সমাজত চলি থকা অন্ধ কুসংস্কাৰ, ধৰ্মীয় গোড়ামি আৰু অশিক্ষাৰ বাবে নাৰী হৈ পৰে নাৰীৰেই শত্ৰু। অসমীয়া সমাজত ন-কইনাক বিয়া কৰাই ঘৰলৈ অনাৰ পিছতে বোৱাৰীয়েকৰ ওপৰত আৰম্ভ হয় শাহুৱেকৰ অত্যাচাৰ। ফলত বহু নাৰীয়ে স্বামীৰ ঘৰ পৰ্যন্ত ত্যাগ কৰিবলগীয়া হয়। তগৰো এই অত্যাচাৰৰ সন্মুখীন হ'বলগীয়া হ'ল। তাত অৰিহণা যোগালে -স্বামী পৰিত্যক্তা জেতুকী আৰু গোঁসানী, পাভৈ আদি গাঁৱৰ নাৰীসকলে। গাঁৱৰ মানুহৰ সৰলতাৰ সুযোগ লৈ ধৰ্মীয় শোষণ চলোৱা গোঁসানীৰ চৰণত আঠু লওঁতে ক্ষন্তেক পলম হোৱাৰ কাৰণেই গোঁসানী অসন্তুষ্ট হৈ আহিনীক বোৱাৰীয়েক তগৰৰ ওপৰত 'কড়া শাসন' ৰখাৰ উপদেশ দি আহিনীক ক'লে, "ছোৱালীৰ বয়সত বিয়া হ'ল। তোমাৰ হাক বচন মানি চলিবলৈ টান পাব। ল'ৰাটোক তাইৰ হাতৰ মুঠিতেই ৰাখিবলৈ চাব। তোমাৰ একেটি পো; গতিকে বোৱাৰীয়েৰাক বড়াই বুজাই কড়া শাসনত ৰাখিবা।" (পৃ.৮১) গোঁসানীয়ে তগৰক দিয়া উপদেশো পৰম্পৰাগত সমাজখনৰ

নীতি নিৰ্দ্ধাৰণৰ লৌহদণ্ড, "শাহুৱেৰাৰ হাক বচন মনি চলিবা। কথাতে কয়, মাছে গৰুকা পাচলি খাবা, শাহুৱে গৰুকা বোৱাৰী বাবা।"(পৃ.৮২)

অসমীয়া গাঁৱলীয়া বোৱাৰীৰ পদে পদে বিপদ। সমাজ শাহু-শহুৰ সকলোৱে বোৱাৰীৰ ছিদ্ৰ ধৰাতে ব্যস্ত। তগৰৰ পৰা পাট-মুগাৰ কাপোৰ এসাজ সৰকাব নোৱাৰাৰ অজুহাতত জেতুকীয়ে তগৰৰ শাহুৱেকক শুনাকৈ শিৰত সেন্দূৰৰ ফোঁটটো ডাঙৰকৈ নোলোৱাৰ কথা কোৱাত শাহুৱেক গৰ্জি উঠিছে, "ঠলামুৰি দুটামান দি শিকাই নিদিয় কিয়? সৰুতে উলিয়াই দিয়াহেঁতেন তিনি-চাৰিটাৰ মাইকী হ'লহেঁতেন! তাই এতিয়া শিৰৰ সেন্দূৰ ল'বলৈ নজনা হ'ল? শিৰত সেন্দূৰ ল'বলৈ নগৈ আৰু এটালৈ যাবলৈ মন গৈছে হ'বলা?" (পৃ.৮৪) এফালে ৰক্ষণশীল সমাজ আৰু আনফালে শাহুৱেকৰ অত্যাচাৰৰ সন্মুখীন হ'বলগীয়া হৈছিল অসমীয়া সমাজৰ নিৰ্যাতিতা নাৰীৰ প্ৰতিনিধি তগৰ? এফালে মানসিক আৰু শাৰীৰিক নিৰ্যাতন আনফালে ঘৰখনৰ এশ এবুৰি কামৰ মাজত ডুব গৈ থাকিবলগীয়া হোৱা বৈবাহিক জীৱন তগৰৰ হৈ পৰে দুৰ্বহ।

> *বিয়া কৰাই অনাৰ প্ৰথম অৱস্থাৰ পৰা ৰাতিৰ চাকৈ-চকোৱাৰ দৰে দিনটো স্বামী-স্ত্ৰীয়ে ইজনে সিজনে মুখ নেদেখাকৈ থাকিব লাগে। পুৱাই শোৱাপাটীতে গিৰিয়েকক যি এৰিলে, পুনৰ শোৱাপাটীত নপৰালৈকে দেখা-সাক্ষাৎ কথা-বৰ্তা নাই কেতিয়াবা কোনো চুলুং ডেকাই ইচল-সিচল কৰি দুপৰীয়া শোৱনী কোঠাত সোমাই ঘৈণীয়েকৰ লগত মেল মাৰিবলৈ যায়। তাকো ভয়ে ভয়েহে। কেনেবালৈ শাহু-শহুৰ, ককায়েক, গুৰুজনাৰ আগত যদি ধৰা পৰিব লাগিল—তেনেহ'লে নিলাজী বোৱাৰীৰ ওপৰত জাউৰিয়ে জাউৰিয়ে গালি।(পৃ.৮৫)*

কিন্তু সকলো নিৰ্যাতনৰ সন্মুখীন হৈয়ো তগৰ ধীৰ স্থিৰ। যেন তগৰৰ নিচিনা নাৰীৰ এই পৃথিৱীত জন্ম হৈছে দুখ-যন্ত্ৰণা আঁকোৱালি লোৱাৰ বাবেই। সেয়ে শাহুৱেকৰ ওপৰত তগৰে খং কৰা নাই। ধৰণীৰ ওপৰত খং কৰি ঘৰৰ পৰা ওলাই যোৱা শাহুৱেকক পুনৰ ঘৰলৈ ঘূৰাই আনিছে। এনেধৰণৰ শাশ্বত নাৰীৰ কৰ্তব্যনিষ্ঠা তগৰৰ চৰিত্ৰৰ মাজেদি ফুটি উঠিছে। সমালোচক হীৰেন গোহাঁইৰ মতে ঃ

> *কিছু কথাত ব্যতিক্ৰম যেন লাগিলেও তগৰৰ চৰিত্ৰৰ বৈশিষ্ট্যসমূহ আমাৰ গণ্ডসমাজৰ পৰাই উদ্ভূত। তেওঁৰ নীতিবোধ, তেওঁৰ কৰ্তব্যনিষ্ঠা, সহনশীলতা কীৰ্তন-দশমে আগুৰি ৰখা অসমৰ গাঁৱলীয়া (?) সাতামপুৰুষীয়া কৃষ্টিৰে অৱদান। সেইদৰে তেওঁৰ দুখ-যন্ত্ৰণা, বেদনা-বিফলতাও আমাৰ সাতামপুৰুষীয়া সমাজৰ কীৰ্তি। আহিনী, জেতুকী আৰু নাদুকীতকৈ ৰুচি আৰু শিক্ষাৰ পিনৰ পৰা যিমানেই ভিন্ন চৰিত্ৰৰ নহওক, সিহঁতৰ এলান্ধুমলিন জীৱনৰ লগত তগৰৰ জীৱনৰ কোনোবাখিনিত মিল আছে। তগৰ এক প্ৰতিনিধিস্থানীয়*

চৰিত্ৰ ।৪

আহিনীৰ মৃত্যুৰ পিছৰে পৰাই তগৰৰ জীৱনৰ নতুন অধ্যায় আৰম্ভ হয়। স্বাধীনতা আন্দোলনত জঁপিয়াই পৰা ধৰণীৰ কাৰাবাস, গোলাপ ডাক্তৰৰ সহানুভূতি, ধৰণীৰ মৃত্যু, শিপিনী সংঘৰ সম্পাদিকা হিচাপে হাকিম কমলাকান্তৰ পত্নী সুপ্ৰভাৰ লগত পৰিচয়, গোলাপ ডাক্তৰৰ লগত অবৈধ সম্পৰ্ক থকা বুলি মিছা অপবাদ আৰু শেষত তগৰক চোৰ সাব্যস্ত কৰাৰ মিছা ঘটনাই তগৰৰ জীৱনত প্ৰবল ধুমুহাৰ সৃষ্টি কৰে। কিন্তু ইয়াৰ বিৰুদ্ধে মূৰ দাঙি থিয় হোৱাৰ সাহস তগৰে গোটাব নোৱাৰিলে। দাৰিদ্ৰতাত পিষ্ট একমাত্ৰ জীয়েক কমলিক বলিয়াৰ দৰে চুলিত ধৰি টানি আনি মাৰিবলৈ ধৰিলে। ই যেন তগৰৰ অন্তৰত জ্বলি থকা খঙৰ বিকৃত বহিৰ্প্ৰকাশ। উপন্যাসত তগৰে সকলো দুখ-কষ্টৰ পৰা পৰিত্ৰাণৰ বাবে মৃত্যুক কামনা কৰিছে এইদৰে, 'হে প্ৰভু, আমাক উচ্ছন্ন কৰা, আজিয়েই আমাৰ দুয়োটাকে মাৰি নিয়া। মোক আৰু কিমান কষ্ট খাবলৈ জীয়াই ৰাখা? মাৰি নিয়া প্ৰভু, মাৰি নিয়া।' (পৃ ২০০) তগৰ অদৃষ্টবাদত বিশ্বাসী এজনী পৰম্পৰাগত নাৰী হিচাপেই ইয়াত ধৰা দিছে। তগৰে বিশ্বাস কৰিছিল ভাগ্যৰ বিপৰ্যয়ৰ বাবেই তাই কমলাকান্তক হেৰুৱাবলগীয়া হ'ল। তথাপিও ধৰণীৰ পত্নী হিচাপে পৰম্পৰাগত নাৰীৰ সকলো কৰ্তব্য কৰিও যেন তগৰে এনেকুৱা এটা জীৱন মানি ল'ব পৰা নাছিল।

> *স্বামীৰ ঘৰ কৰিবলৈ অহা দিনৰে পৰা ধৰণীৰ পৰিয়ালৰ সুখ-শান্তিৰ নিমিত্তে তগৰে দেহ-প্ৰাণ উছৰ্গি খাটি আহিছে। কিন্তু ইমান কৰিও ধৰণীক যিভাৱে পাব খুজিছিল, ঠিক তেনেভাৱে পাব পৰা নাই। গিৰিয়েকৰ অন্তৰত সম্পূৰ্ণভাৱে প্ৰৱেশ কৰিবলৈ ধৰিলেই, অজানিত সংকোচ দ্বিধাই তগৰৰ মন আগুৰি ধৰে। যেতিয়াই নিজৰ সমগ্ৰ মন-প্ৰাণ দি ধৰণীক ভাল পাবলৈ ব্যাকুল হয়, সেই মুহূৰ্ততে এক অস্পষ্ট স্মৃতিয়ে অন্তৰত তুমুল কোলাহলৰ সৃষ্টি কৰি সকলো ওলট-পালট কৰে। বিবাহিতা তিৰোতাৰ পক্ষে স্বামীক ভালপোৱা যিমান স্বাভাৱিক বুলি নীতি শাস্ত্ৰত বৰ্ণনা আছে, তগৰৰ বাস্তৱ জীৱনত সি সিমান সহজভাৱে প্ৰকাশ পোৱা নাই । বিয়া আৰু ভালপোৱাৰ মাজত কদা-কাচিতহে ৰাহি-যোৰা আহে। (পৃ.১৮১)*

ধৰণীৰ লগত বাপেকে পাতি দিয়া বিবাহক তগৰে কোনোদিনেই মানি ল'ব পৰা নাছিল। বিবাহিতা তিৰোতাই যে স্বামীক ভাল পাবলৈ বাধ্য - এই পৰম্পৰাগত নীতিশাস্ত্ৰৰ অন্তঃসাৰশূন্যতা ইয়াতে প্ৰকাশ পাইছে। তগৰ ধৰণীৰ ওচৰত শুবলৈ গৈ "কাঠৰ টুকুৰাৰ দৰে নিশ্চলভাৱে পৰি থকা হৃদয়হীন নিষ্ঠুৰ মানুহটোৰ প্ৰতি বিদ্বেষ বিতৃষ্ণাত মন বিষময় হ'ল"। (পৃ.১৮৪)

উপন্যাসত এইদৰে অসমীয়া গাঁৱলীয়া নাৰী তগৰৰ জীৱনৰ আশা আকাংক্ষাৰ

পৰিসমাপ্তি ঘটিছে। ৰক্ষণশীল সমাজখনৰ বাবেই তগৰৰ জীৱনৰ কোনো স্বাভাৱিক আৰু সুস্থ বিকাশ হোৱাটো সম্ভৱ নহ'ল। দৈৱচন্দ্ৰ তালুকদাৰৰ 'অপূৰ্ণ' উপন্যাসৰ পূৰ্ণিমাৰ দৰে তগৰৰ জীৱন অপূৰ্ণ হৈয়ে ৰ'ল। প্ৰেম অবিহনে দাম্পত্য জীৱন যে সুখকৰ হ'ব নোৱাৰে -সেই কথাই ইয়াৰ মাজেদি ফুটি উঠিছে।

আমি আলোচনা কৰি আহিছোঁ যে দণ্ডিনাথ কলিতাৰ 'সাধনা' উপন্যাসত প্ৰভাৱতী আৰু উষাই ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ত কংগ্ৰেছৰ গঠনমূলক কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আগবাঢ়ি আহিছিল। কিন্তু এই উপন্যাসত ধৰণীয়ে স্বাধীনতা আন্দোলনত যোগদান কৰাৰ ফলত গ্ৰেপ্তাৰ হোৱাত আৰু তগৰক থানালৈ লৈ যোৱাটো তগৰে সহজভাৱে ল'ব পৰা নাই। স্বাধীনতা আন্দোলনৰ এজন কৰ্মীৰ পত্নী হিচাপে তগৰে গৌৰৱ অনুভৱ কৰাৰ সলনি "অত্যাচাৰ আৰু পীড়নৰ মাজত নিজৰ তিৰোতাক নিঃসহায়কৈ এৰি দেশৰ স্বাধীনতা আৰ্জিবলৈ যোৱাত ধৰণীৰ ওপৰত খং আৰু ক্ষোভ কৰি তগৰে চকুলো টুকিবলৈ ধৰিলে।" (পৃ ১৩২-১৩৩) আনকি থানাৰ পৰা ঘূৰি আহোঁতে ধৰণীয়ে তগৰক কোৱা কথাবোৰৰ মাজেদি নিভাঁজ স্বদেশ প্ৰেমৰ স্বৰূপ ফুটি উঠিছে। কিন্তু ধৰণীৰ বিপ্লৱী চেতনাই তগৰক স্পৰ্শ কৰিব নোৱাৰিলে। "তগৰৰ মুখত এষাৰি মাত নাই, বৰ্ষণোন্মুখ মেঘাবৃত আকাশৰ দৰে গম্ভীৰ স্পন্দনহীন হৈ ধৰণীৰ পিছে পিছে খোজ ল'লে। স্বামীৰ মুখৰ পৰা স্বাধীনতাৰ মন্ত্ৰ উচ্চাৰিত হোৱা সত্ত্বেও অন্তঃসলিলা ফল্গুৰ দৰে অপমানৰ গ্লানিয়ে তগৰৰ অন্তৰ টৌৱাই পেলালে।" (পৃ.১৩৮) গতিকে চল্লিছৰ দশকৰ স্বাধীনতাৰ আন্দোলন আৰু নাৰীমুক্তিৰ যুগত তগৰৰ চৰিত্ৰটো সামাজিক চেতনাহীন, সংবেদনশীল এক শাশ্বত নাৰীৰহে চৰিত্ৰ বুলি আমি ক'ব পাৰোঁ।

পুৰুষপ্ৰধান গাঁৱলীয়া সমাজখনত নাৰীৰ পৰিচয় দিয়া হয় কোনো এজন বিশেষ পুৰুষৰ মাক, জীয়েক, ঘৈণীয়েক হিচাপেহে। এই উপন্যাসৰ আন এটি পাৰ্শ্ব চৰিত্ৰ ভেকোলাৰ ঘৈণীয়েকৰ পৰিচয় দিয়া হৈছে— তাইৰ স্বামীৰ নামৰেহে। ভেকোলাৰ ঘৈণীয়েকৰ সম্পৰ্কে লেখিবলৈ গৈ ঔপন্যাসিকে লেখিছে, "অন্যান্য সম্পদৰ দৰে মাক-বাপেকে দিয়া নামটোৰ মোহ বহু গাঁৱলীয়া তিৰোতাই বিসৰ্জন দি হয় স্বামীৰ নহয় পুত্ৰৰ নামত নিজক বিলোপ কৰি দিয়ে।" (পৃ.১৪৫) ইয়ো পুৰুষপ্ৰধান সমাজৰ পুৰুষ সংস্কৃতিৰে ফল মাত্ৰ। কিন্তু ঔপন্যাসিকে এই চৰিত্ৰটোক সচেতন নাৰী চৰিত্ৰ হিচাপে চিত্ৰিত কৰিছে। তগৰে জাতীয় আন্দোলনৰ চেতনা লাভ কৰিব নোৱাৰিলেও ভেকোলাৰ ঘৈণীয়েকে এই চেতনা লাভ কৰিছিল। ভেকোলাৰ দোকানত প্ৰায়ে ৰাজনীতিৰ চৰ্চা হৈছিল। গাঁৱলীয়া অশিক্ষিতা নাৰী হ'লেও পুৰুষৰ এই আলোচনাত ভেকোলাৰ ঘৈণীয়েকে যোগদান কৰি নিজৰ মতামত দিবলৈও এৰা নাছিল। স্বাধীনতা আন্দোলনৰ সময়ত গাঁৱত হোৱা পুলিচৰ অত্যাচাৰ আৰু ভলন্টিয়াৰসকলৰ সম্পৰ্কে তাই কৈছিল।

"গাঁৱত কিবা কলি সোমাবলৈ বাকী ৰৈছেনে? মৰাটো মৰিবই। পিছে, জীয়াই থকাটোকো যে ৰজাই মৰিয়াই মাৰিছে। ভেদোৰ বৰ ল'ৰাটোৰ নৰিয়া, মাজুটো ভলন্টিয়াৰ হৈছিল। তাকে পুলিচে ধৰি নি জিলাত বগাভাত খুৱাইছেগৈ। বন্দে মাতৰম্ বুলি চিঞৰিলেই বোলে ৰজাৰ দায় লাগে? এনে কথানো ক'ত শুনিছা? খেতিপথাৰৰ এই ভৰ দিনত অনাজগৰত ল'ৰাইঁতক ফাটেকত সুমুৱাই থ'লে দেশত আকাল নহৈ কি হ'ব! ৰজাই দুখীয়া ৰাইজক তৰাওক ছাৰি যিমান পাৰে সিমান যন্ত্ৰণা দি ৰংহে চাইছে।" (পৃ. ১৪৬)

তগৰে যি কথাটো বুজিব পৰা নাছিল - ভেকোলাৰ ঘৈণীয়েকে সামান্য জ্ঞানেৰে বুজিব পাৰিছে যে ভলণ্টিয়াৰ হোৱা বা ফাটেকত সুমুওৱা ল'ৰাবোৰ বেয়া হ'ব নোৱাৰে। এনেধৰণৰ ৰাজনৈতিক চেতনা ভেকোলাৰ ঘৈণীয়েকে লাভ কৰিবলৈ সমৰ্থ হৈছিল।

কমলাকান্তৰ পত্নী সুপ্ৰভাৰ চৰিত্ৰটোত বৃটিছ শাসনে সৃষ্টি কৰা অভিজাত শ্ৰেণীটোৰ আভিজাত্যৰ অভিমান প্ৰকটভাৱে ফুটি উঠিছে। উপন্যাসৰ আন এটি নাৰী চৰিত্ৰ মহেশ্বৰ বাপুৰ ঘৈণীয়েক বাপুৱানী বাল্য বিবাহৰ সমৰ্থক। তগৰৰ বিয়া সম্পৰ্কে ক'বলৈ গৈ তগৰৰ মাকক উদ্দেশ্য কৰি বাপুৱনীয়ে কৰা উক্তি প্ৰতিনাৰীবাদী, "ছোৱালীটি উলিয়াই দিবৰ কিবা দিহা কৰিছাইঁকনে? আমাৰ বামুণৰ ছোৱালী হোৱা হ'লে ইমান দিনে নাতি-নাতিনীৰ মুখ দেখিলোঁহেঁতেন। এই আপদবোৰ যিমান সোনকালে পাৰি উলিয়াই দিয়াহে মঙ্গল।" (পৃ. ৩৩)

মুঠতে 'জীৱনৰ বাটত' উপন্যাসত কোনো এটা নাৰী চৰিত্ৰকো নাৰীবাদী চৰিত্ৰ বুলি ক'ব নোৱাৰি। ঔপন্যাসিকে অতি সংবেদনশীলভাৱে পুৰুষ সংস্কৃতিৰ দ্বাৰা পৰিচালিত আৰু নিৰ্যাতিত শাশ্বত নাৰীৰ চিত্ৰহে তগৰৰ জীৱনৰ ঘটনাপ্ৰবাহৰ মাজেৰে উপস্থাপন কৰিছে।

সেউজী পাতৰ কাহিনী

ৰাম্না বৰুৱা নামত বিৰিঞ্চি কুমাৰ বৰুৱাৰ দ্বিতীয়খন উপন্যাস হ'ল *'সেউজী পাতৰ কাহিনী'*।[৫] পঞ্চাছৰ দশকৰ শেষত প্ৰকাশিত এই উপন্যাস চাহ বাগিচাৰ পটভূমিত ৰচিত এখন উপন্যাস। আমি আগতে আলোচনা কৰা 'জীৱনৰ বাটত' উপন্যাসত মুখ্য নাৰী চৰিত্ৰ তগৰে পুৰুষ শাসিত সমাজখনৰ নিৰ্যাতনৰ বিৰুদ্ধে কোনো প্ৰতিবাদ কৰিব নোৱাৰিলেও এই উপন্যাসত চাহ বাগিচাৰ শ্ৰমিক নাৰী চনিয়াই স্বতঃস্ফূৰ্তভাৱে চাহ বাগিচাৰ শ্ৰমিকৰ ওপৰত চলোৱা শোষণৰ বিৰুদ্ধে মুক্তভাৱে প্ৰতিবাদ কৰি নাৰীবাদী চৰিত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।

পুৰণি ওজাৰ পৰিয়ালৰ শেষ বংশধৰ নৰেশ্বৰে সহজ-সৰল গাঁৱৰ প্ৰাচীন ঐতিহ্য থানবান হৈ যোৱা সমাজখনৰ পৰা অপমানিত হৈ ঘটনাক্ৰমে নাহৰণি চাহ বাগিচালৈ আহি বগা চাহাবৰ মেমৰ 'বয়'ৰ চাকৰিত সোমায়। গাঁৱৰ সহজ-সৰল জীৱনৰ পৰা বাগিচালৈ আহি বাগিচাৰ শ্ৰমিকসকলৰ মাজত থকা নৰেশ্বৰে বিচিত্ৰ অভিজ্ঞতা লাভ কৰিবলৈ সমৰ্থ হয়।

এই বাগিচাতে নৰেশ্বৰৰ লগত পৰিচয় হয় বনুৱা ছোৱালী চনিয়াৰ। নৰেশ্বৰ-চনিয়াৰ বন্ধুত্ব গাঢ় হয়। কিন্তু এই গাঢ় বন্ধুত্বয়ো চনিয়াক সন্তুষ্ট কৰিব নোৱাৰিলে। তাইৰ জীৱনৰ প্ৰতি দৃষ্টিভংগীয়েই আছিল অন্যধৰণৰ। এদিন হঠাতে বাগিচাৰ সকলোৰে পৰা শেষ বিদায় লৈ চনিয়া অদৃশ্য হৈ গ'ল।

ৰাধু, তিলকমনি, সোহাগী,আলোমনি, লখু বুধু আদি চৰিত্ৰবোৰৰ প্ৰত্যেকৰে সম্পৰ্ক অকৃত্ৰিম। দিনৰ পৰিশ্ৰমৰ অন্তত সকলোৱে হাৰিয়া খাই নাচে, আনন্দ কৰে। অভাৱ-অনাটন দৰিদ্ৰতাত কোঁচ খাই যাব খোজা এই চাম মানুহৰ বাবে অকণি পোহৰ এণ্ড্ৰুজ পাদুৰি চাহাব। এই সকলো চৰিত্ৰৰ লগত নিবিড়ভাবে জড়িত হৈ পৰিছে চনিয়া আৰু নৰেশ্বৰ।

এই উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ চনিয়া। চনিয়াৰ মাক মহুৱা মোমায়েক-মামীয়েকৰ লগত ৰাঁচীৰ পৰা গিৰমিটিয়া হৈ নাহৰণি বাগিচালৈ আহে। বাগিচাৰ শ্ৰমিক ফেকুৰ লগত মহুৱাৰ প্ৰীতিৰ বান্ধোন সৃষ্টি হয়। কিন্তু বাগিচাৰ চাহাব আৰ্মষ্ট্ৰঙৰ জৈৱিক তাড়নাৰ চিকাৰ হ'বলগা হয় মহুৱা। উপন্যাসত এইটো স্পষ্টভাৱে দাঙি ধৰিছে যে শ্ৰমিক নাৰীসকল এফালে আৰ্থিক আৰু আনফালে জৈৱিক শোষণৰ দ্বাৰা নিৰ্যাতিতা হয়। ইয়াৰ বাবে ফেকুৱে খণ্ডৰ ভমকত চাহাবক হত্যা কৰে। এই ঘটনাৰ ফলস্বৰূপেই চনিয়াৰ জন্ম। চনিয়াই নিজেই নৰেশ্বৰক কৈছিল, "বুজিছ নৰেশ্বৰ, বনৰীয়া জন্তুৰ দৰে আইক চাহাব এটাই আক্ৰমণ কৰাত মোৰ জন্ম।" (পৃ. ২৩৯) জন্মৰ পিছতে চনিয়া এণ্ড্ৰুজ চাহাবৰ লগত মৰমৰ মাজতে ডাঙৰ-দীঘল হ'লেও তাইৰ চাহাবী ৰঙৰ বাবে স্কুলৰ সহপাঠীসকলে ঠাট্টা কৰাত অতিষ্ঠ হৈ স্কুল পৰিত্যাগ কৰি বাগিচাৰ শ্ৰমিক লখুহঁতৰ ঘৰলৈ গুচি আহে আৰু তাতেই থাকিবলৈ লয়। চনিয়া জাৰজ সন্তান হোৱা বাবে বাগিচাৰ সমাজৰ মাজত থাকিও তাই মিলি যাব পৰা নাছিল। জন্মৰ ঘটনাই তাইৰ অন্তৰত ক্ষতৰ সৃষ্টি কৰিছিল। সমগ্ৰ পুৰুষজাতিৰ প্ৰতি এটা প্ৰতিশোধৰ মনোভাব তাইৰ অন্তৰত সৃষ্টি হৈছিল। উপন্যাসৰ ভাষাত ঃ

> *ক'লা কুলি ছোৱালীৰ নিপোটল শৰীৰৰ সৌন্দৰ্য চনিয়াৰ নাই; ক'লা আকাশত তাই যেন পুৱাৰ প্ৰাণহীন তৰা। কথা-বতৰা, চাল-চলনতো সাধাৰণ কুলি ছোৱালীতকৈ তাইৰ ধৰণ-কৰণ সুকীয়া। ভয়শূন্য, খঙাল, সকলোৰে ওপৰত অযথা অত্যাচাৰ আৰু প্ৰতিশোধ লোৱাৰ চেষ্টা; লুইতৰ বুকুৰ পানী-মেটেকা ফুলৰ দৰে বাগিচাত ওপঙি*

ফুৰিছে। (পৃ. ১৩২)

বুধুৱে নকৈ বাগিচালৈ অহা নৰেশ্বৰক চনিয়া সম্পৰ্কে যি কৈছে, তাত তাইৰ চৰিত্ৰৰ উমান পোৱা যায়, "কোনো কুলি ল'ৰাই হ'লে আজিলৈকে তাইৰ মন পোৱা নাই। তাইক মাছ খুজিলে সাপ দিয়ে, পিঠা বিচাৰিলে শিলগুটি দলিয়ায়।" (পৃ. ১৩৪)

বাগিচালৈ অহাৰ অলপ দিন পিছতে নৰেশ্বৰক লগ পাই চনিয়াই তাক হাৰাশাস্তি কৰিছিল। মাছ ধৰিবলৈ নি, সাঁতুৰিবলৈ নি নানা কথাৰে তাৰ পৌৰুষত্ব আৰু প্ৰতিযোগী মন জগাই তুলিছিল। কিন্তু নৰেশ্বৰক চনিয়াই অন্তৰেৰে সৈতে ভাল পায়ো তাৰ বেছি ওচৰ চপা নাছিল। কাৰণ পুৰুষ সম্পৰ্কে এটা তিক্ত মনোভাৱে অনবৰতে তাইৰ মনৰ মাজত খেলা কৰিছিল। নৰেশ্বৰে তাইৰ কান্ধত হাত থওঁতে তাই নৰেশ্বৰক সাৱধান কৰি দি কৈছে, "এই খবৰদাৰ, বেছি ওচৰলৈ আহিছ। চৰাইৰ মাত যেনেকৈ বুজোঁ, মানুহৰ চকু-গাতৰ অৰ্থও জানো। তোৰ হাতে মৰমৰ কুথা ক'বলৈ বিচাৰিছে।" (পৃ. ২৪৭) চনিয়াই আকৌ কৈছে, "...... তইঁত মতাবোৰকতো বিশ্বাস কৰিব নোৱাৰি, মৰম কৰিলেই বান্দৰৰ দৰে আঁচে ৰ।" (পৃ. ২৪৭) চনিয়াই নৰেশ্বৰক দৃঢ়ভাৱে ক'ব পাৰিছিল, "তোক নেলাগে কাকো নকৰাওঁ। কৈছোঁবেই নহয়– বিয়া সোমালেই, মতাৰ চাকৰ? মই তোক বিয়া কৰাম বুলি ভাবিছ?" (পৃ ২৪৮) লখুৱে চনিয়াক নৰেশ্বৰৰ লগত বিয়া হোৱাটো বিচাৰে বুলি কোৱাত তাই আওপকীয়াকৈ কৈছিল, "ভাল মানুহ হ'ল বুলিয়েই বিয়া কৰবালৈ যাম কিয়? চব ভাল বস্তু জানো আমি পাবলৈ বিচাৰোঁ? আকাশৰ জোনটো— তাৰ পোহৰহে ভাল পাওঁ, জোনটো কোনোবাই কোলাত পাবলৈ বিচাৰেনে? " (পৃ. ৩২৬) বিবাহ সম্পৰ্কে চনিয়াৰ উপলব্ধি ঃ

> *বিয়া কৰাই কুলিয়নী খটাদি খাটিবহে লাগিব। মতাটো ফস্তি জ্বাৰ ... থাকিব; তিৰোতাজনীয়ে পুৱাই উঠি ৰান্ধিব বাঢ়িব লাগিব। মতাটোৰ লগতে পাত তুলিবলৈ গৈ আকৌ ঘূৰি আহি তাকেইহে ৰান্ধি-বাঢি খুৱাব লাগিব। বছৰৰ মূৰত দিব কি? কোলাত কেঁচুৱা! বিয়া কৰি লেটাৰ দৰে নিজৰ বাহতে বন্দী হোৱাতকৈ ভাল পোৱাৰ এঠাৰে জাল তৰি তঁহতৰ নিচিনা পোক-পৰুৱাক ফান্দত পেলাই ৰং চাম।" (পৃ. ২৩৫)*

বিবাহ সম্পৰ্কে চনিয়াৰ এই উপলব্ধি সমাজলব্ধ। কাৰণ পৰম্পৰাগত বিবাহৰ ফলত নাৰীয়ে পত্নী আৰু মাতৃ হিচাপে দায়িত্ব লোৱাৰ লগে লগেই ঘৰুৱা কাম-কাজৰ পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হয়। শ্ৰমিক শ্ৰেণীৰ নাৰীৰ বাবে এই কামৰ বোজা আৰু বেছি দুৰ্বহ হৈ পৰে। কাৰণ কাৰখানাত কাম কৰাৰ লগে লগেই ঘৰুৱা কাম-কাজ আৰু সন্তান লালন-পালনৰ দায়িত্ব নাৰীয়েই গ্ৰহণ কৰিবলগীয়া হয়। নাৰী এফালে কাৰখানাৰ মালিকৰ দ্বাৰা শোষিত হয় আৰু আনফালে

ঘৰখনত পুৰুষৰ দ্বাৰা শোষিত হয়। ইয়াৰ ফলত বিবাহৰ আচল উদ্দেশ্যটো ব্যৰ্থ হৈ যায়।

চনিয়া এজনী সাধাৰণ বনুৱা ছোৱালী হ'লেও বাগিচাৰ মালিকে শ্ৰমিকৰ ওপৰত কৰা শোষণ-নিপীড়নৰ প্ৰতি তাই সজাগ। বাগিচাৰ মেনেজাৰে ৰতৌৰ ওপৰত অত্যাচাৰ চলোৱাৰ ফলত ৰতৌৰ দেহৰ পৰা যেতিয়া তেজ ওলাইছিল- তেতিয়া ক্ষতস্থানত তায়েই ঔষধ সানি দি মৰম কৰিছিল। (পৃ. ২১৪) তাই জানে হেজাৰ অত্যাচাৰ সহ্য কৰি হ'লেও সিহঁত বাগিচাতে থাকিব লাগিব। অইন ঠাইলৈ যাবলৈ সিহঁতৰ কোনো উপায় নাই। আনফালে "পাটীত পৰি আৰাম কৰিলে খুৱাব কোনে? কেঁচুৱা হোৱা তিৰোতাই দুদিন পাটীত পৰি থাকিবলৈ নেপায়— পিঠিত দুকোব সৌকা পৰোঁতেই গাৰ বিষত উঠিব নোৱাৰা হ'ব?" (পৃ. ২১০) শোষকৰ এই অত্যাচাৰক ধৰ্মৰ প্ৰলেপেৰে ঢাকি ৰাখিবলৈ কৰা পাদুৰীৰ চতুৰালিকো চনিয়াই বাংগ কৰিবলৈ এৰা নাই (পৃ. ২১১) তাই মাকক অত্যাচাৰ কৰা আৰ্মষ্ট্ৰিং চাহাবকো কোনো দিনে ক্ষমা কৰিব পৰা নাই। সেয়ে নৰেশ্বৰক তাই সুধিছিল, "মোক বঙলালৈ নিলে মিলাৰক খুন কৰিব পাৰিবি?" (পৃ. ২৩৯) চনিয়াৰ অন্তৰত মাতৃৰ স্মৃতিয়ে বেদনাৰ সৃষ্টি কৰিছিল। মাকক অত্যাচাৰ কৰা চাহাবটোৰ দৰে পুৰুষক তাই কোনোদিনে ক্ষমা কৰিব পৰা নাই। চনিয়াই বাগিচাৰ পৰা গুচি যাবলৈ সিদ্ধান্ত কৰা সময়ত নৰেশ্বৰক তাই কোৱা কথাত শোষণৰ বিৰুদ্ধে তীব্ৰ ঘৃণাই প্ৰকাশ পাইছে ঃ

> *বাগিচাৰ প্ৰত্যেক ডেকা-গাভৰুকে আপোন বুলি ভাবোঁ। তথাপি বাগিচাখনৰ ওপৰত মোৰ হিংসা। ইচ্ছা হয়, প্ৰত্যেক জোপা চাহ গছ উভালি পেলাওঁ; কলঘৰ ভাঙি দিওঁ; চাহাবৰ বঙালত জুই জ্বলাওঁ, মিলাৰ চাহাবক খুন কৰোঁ, ডেকা-গাভৰুহঁতক নিজ নিজ গাওঁলৈ (?) ঘূৰাই পঠাওঁ। বাগিছাই (?) যেন মোৰ ভাই-ভনী, আই-বোপাইক দিনে দিনে দেহত, মনত দুখীয়া কৰি পেলাইছে; দিনে দিনে পাপ প্ৰলোভনলৈ টানি লৈ গৈছে। বাগিছাখনক (?) কেতিয়াবা অতিকে ভাল পাওঁ, কেতিয়াবা ঘৃণা কৰোঁ। ঘৃণা, ভালপোৱা, দুয়োটাৰে লগত বহুদিন যুঁজিলো; শেহত ঘৃণাৰে জয় হ'ল। (পৃঃ ৩৪১-৩৪২)*

সঁচাকৈয়ে চনিয়াৰ এই কথাৰ মাজেদি ফুটি উঠা অগ্নিশিখা এফালে যেনেকৈ আৰ্থিক শোষণৰ বিৰুদ্ধে আৰু মানসিক নিপীড়নৰ বিৰুদ্ধে, ঠিক তেনেকৈ নাৰীৰ ওপৰত চলা শোষণৰ আৰু নিষ্পেষণৰ বিৰুদ্ধেও। চনিয়াৰ চৰিত্ৰ এইক্ষেত্ৰত আমি ঠিক সচেতন নাৰীবাদী চৰিত্ৰ বুলি ক'ব নোৱাৰিলেও শোষণ-নিষ্পেষণৰ প্ৰতি সচেতন বুলি ক'ব পাৰোঁ।

পুৰুষ সম্পৰ্কে, বিবাহ সম্পৰ্কে, প্ৰেম সম্পৰ্কে চনিয়াৰ দৃষ্টিভংগী অগতানুগতিক। বাগিচাৰ সাধাৰণ কুলি ছোৱালীয়ে তেওঁলোকৰ সমাজত যিটো

পৰম্পৰা চলি আহিছে—সেইটোতে বিশ্বাস কৰে। চনিয়াৰ চৰিত্ৰ পৃথক; তাইৰ ধাৰণা নাৰী অকল যৌন প্ৰাণীয়েই নহয়। তাৰে প্ৰমাণ তাই কৰিলে। ইমান দিনে বাগিচাৰ পোবালি মহৰীয়ে চনিয়াক ভালপোবাৰ ভাও দিছিল। বাগিচাৰ বাবুসকলে সুবিধা পালেই শ্ৰমিক নাৰীসকলক দৈহিকভাৱে সম্ভোগ কৰিব বিচাৰে। লখুহঁতৰ ঘৰৰ পৰা চাৰ্কাচ পাৰ্টিত যোগ দিয়াৰ বাবে গুচি অহাৰ দিনা ৰাতি চনিয়াই পোবালি মহৰীৰ ঘৰত গৈ উপস্থিত হোৱাত, চনিয়াৰ ৰাতি আগমনত পোবালি মহৰী সচকিত হৈ উঠি ক'লে, 'গাঁৱত মোৰ তিৰোতা আছে নহয়। মই তোক ভাল পাওঁ, পিচে বিয়া- - - - - - -।" (পৃ. ৩৫০) এজন বিবাহিত পুৰুষে এইদৰে ভালপোবাৰ ভাও দিয়াৰ বাবে চনিয়াই গৰ্জি উঠিছে এইদৰে, "তিৰোতা আছে? ইমান দিন মোক ফাঁকি দিছিলি? তহঁত চব বাবুয়েই বদ্‌মাইচ, কুলি ছোৱালীক ভাল পাব; বিয়া কৰাবলৈ ভয় কৰ?" (পৃ. ৩৫১) এইদৰে পুৰুষবিদ্বেষী মনোভাব চনিয়াৰ চৰিত্ৰৰ মাজত সৃষ্টি হোৱা দেখা যায়। সেয়ে হয়তো চনিয়াই পৰম্পৰাগত বিবাহক অস্বীকাৰ কৰি এক মুক্ত জীৱন-যাপন কৰাৰ বাবে বাগিচা ত্যাগ কৰি চাৰ্কাচ পাৰ্টিত যোগ দিবলৈ গুচি গ'ল। চনিয়াৰ এই পুৰুষবিদ্বেষী মনোভাব অভিজ্ঞতালব্ধ,— সচেতন মৌল নাৰীবাদী জীৱনাদৰ্শ নহয়।

এই উপন্যাসৰ আন এটা নাৰী চৰিত্ৰ এলি চেইমুৰ। বাগিচাৰ মেনেজাৰ ৰাউণ্ট্ৰি মিলাৰৰ পত্নী। বয়সৰ পাৰ্থক্যও বহুত। মিলাৰ আৰু পত্নীৰ মাজত সম্পৰ্ক ভাল নাছিল। মিচিজ মিলাৰ চাহাবৰ মৰমৰ পৰা বঞ্চিতা হৈ পৰা বাবে তেওঁৰ নাৰী হৃদয় থান-বান হৈ গৈছিল। মিলাৰৰ আমগুৰি বাগিছাৰ মেমৰ লগত থকা অবৈধ যৌন সম্পৰ্কৰ বাবেই মিচিজ্ মিলাৰেও অন্য পুৰুষৰ প্ৰতি মনৰ আসক্তি জন্মাইছিল। মিচিজ্ মিলাৰ আৰু মিলাৰৰ জৈৱিক জীৱনে ভালপোৱা অবিহনে বিবাহৰ সাৰশূন্যতা প্ৰকাশ কৰিছে। মিচিজ্ মিলাৰৰ বিয়াৰ পিছৰ অসুখী জীৱনৰ বৰ্ণনা উপন্যাসত এইদৰে দিছে ঃ

> *- - - - - - - - - - - - - - - - - মতা মানুহৰ স্বভাৱেই— নিজৰ তিৰোতাৰ ওচৰত সৰহ সময় থাকিবলৈ বিৰক্তিবোধ কৰে। কলিকতাত কাম আছে বুলি নিজৰ তিৰোতাক অকলে হাবিৰ মাজত এৰি থৈ লোকৰ তিৰোতাৰ লগত দাৰ্জ্জিলিঙত স্ফুৰ্তি কৰিবলৈ গ'ল। আজি চাৰিমাহ পৰস্ত্ৰীৰ আসক্তিৰ পৰা গিৰিয়েকক ৰক্ষা কৰিবলৈ এলি চেইমুৰে সংগ্ৰাম চলাই আহিছে। ফলত পাইছে অপমান, অসম্মান, অশান্তি। যিমানে ভাবিলে সিমানে ক্ষোভ, হিংসাৰ উত্তাপত এলি চেইমুৰে ছটফটাবলৈ ধৰিলে। (পৃ. ৩৬৮)*

মেম চাহাবে নৰেশ্বৰৰ আগত নানা ৰকমৰ প্ৰসাধনেৰে দৈহিক আকৰ্ষণ বঢ়াবলৈ চেষ্টা কৰাত, জোৰকৈ তেওঁৰ লগত নৰেশ্বৰক নচুৱাবলৈ যত্ন কৰা আদি বিভিন্ন ঘটনাত মেম চাহাবৰ বিকৃত যৌন অভিব্যক্তি ফুটি উঠিছে। নৰেশ্বৰক নিশা

চাহাবৰ বঙলাত শুব দিয়া নির্দেশ আৰু মাজনিশা মেম চাহাবৰ কার্যকলাপে মিচিজ্ মিলাৰৰ ওচৰত সাধাৰণ পাঠকৰ ঘৃণা জন্মালেও, আচলতে পুৰুষ অবিহনে নাৰীৰ নিঃসংগতাৰ বাবে মিচিজ্ মিলাৰৰ প্ৰতি পুতৌ হোৱা স্বাভাৱিক। অসংযত তৃষ্ণাৰে বুকুভৰা আকুলতাৰে জীৱন ধুমুহাত ক্ষত-বিক্ষত হোৱা মিচিজ্ মিলাৰৰ এই অৱস্থাৰ বাবে দায়ী একমাত্ৰ স্বামী। ঔপন্যাসিকে স্বামীৰ দ্বাৰা পৰিত্যক্তা নাৰীৰ মানসিক বিকৃতি ইয়াত ফুটাই তুলিছে।

এলি চেইমুৰৰ চৰিত্ৰটো— হতাশাৰ প্ৰতিমূৰ্তি হিচাপেহে উপন্যাসত ঔপন্যাসিকে চিত্ৰিত কৰিছে। ইয়াৰ বিপৰীতে চনিয়াৰ চৰিত্ৰটিৰ মাজেদি পুৰুষপ্ৰধান সমাজত নাৰীৰ ওপৰত চলা অত্যাচাৰ, নিৰ্যাতনৰ এটি প্ৰতিবাদ ইয়াত ফুটাই তোলা হৈছে সাৰ্থকভাৱে।

চাকনৈয়া

পঞ্চাছৰ দশকৰ প্ৰথম ভাগত প্ৰকাশিত ৰাধিকা মোহন গোস্বামীৰ 'চাকনৈয়া'[৬] উপন্যাসত শিক্ষিতা বিধৱা অমলাই কেনেকৈ পুৰুষপ্ৰধান অসমীয়া সমাজত অধিকাৰ প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰি শেহলৈকে সমাজৰ অন্যায় অবিচাৰৰ ওচৰত নতি স্বীকাৰ নকৰিলে—তাৰেই কাহিনী বৰ্ণনা কৰিছে। এই উপন্যাসৰ লেখকৰ 'নিবেদন' শিতানত ঔপন্যাসিকে স্বীকাৰ কৰিছে যে এই উপন্যাস ১৯৫২ চনত প্ৰকাশ হ'লেও উপন্যাসখন লিখা শেষ হৈছিল ১৯৪৬ চনতে।[৭] গতিকে এই উপন্যাসৰ পটভূমি চল্লিছৰ দশকৰ মাজ ভাগহে। ত্ৰিছৰ দশকৰ প্ৰথমভাগৰ 'বিদ্ৰোহিণী' উপন্যাসিকাত যেনেকৈ অসমীয়া সমাজত বিধৱা নাৰীয়ে নিজৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰিছে, ঠিক তেনেকৈ চল্লিছৰ দশকৰ মাজভাগতো এই অৱস্থাৰ কোনো উন্নতি হোৱা আমি দেখিবলৈ নাপাওঁ।

উপন্যাসত শিক্ষিতা অমলাই পিতাকৰ বন্ধু দত্তৰ সহায়ত এখন বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে চাকৰি পাইছিল। সেয়ে দত্তৰ ঘৰৰ লগত অমলাৰ পাৰিবাৰিক সম্পৰ্ক গঢ়ি উঠা বাবে দত্তৰ পুতেক সুৰেন প্ৰায়েই অমলাৰ ঘৰলৈ আহিছিল। কিন্তু সমাজৰ পৰম্পৰাগত ৰক্ষণশীল মনোভাবৰ বাবেই স্কুলৰ চকিদাৰণী পুহিতাই এজনী বিধৱা যুৱতীৰ ঘৰলৈ ডেকা ল'ৰা সুৰেনৰ অহা-যোৱা মুঠেও সহ্য কৰিব পৰা নাছিল। পুহিতা যেন ৰক্ষণশীল সমাজৰ প্ৰতীক। পুহিতাই অমলাক বাৰে বাৰে সাৱধান কৰি দিছে," আইদেউ, এই ডেকা মানুহজন সদায় তোমাৰ ঘৰলৈ অহা কথাটো দেখাতেই বেয়া হৈছে। কেইটাৰ মুখত সোপা দিবা। ভাগ্যে মই তোমাৰ লগত আছোঁ বুলিহে, নহ'লে কথা কিমানলৈ গ'লহেঁতেন ঈশ্বৰেহে জানে।" (পৃ. ৩৮) অমলাই পুহিতাৰ কথাৰ প্ৰতিবাদ কৰিলেও পুহিতাই

পুনৰ সকীয়াই দিছিল যে "জুইৰ লগত ধেমালি ভাল নহয়"। (পৃ. ৪১)।

শিক্ষয়িত্ৰী অমলাই আৰ্থিক সংকটৰ বাবেই অমৃত ফুকনৰ ঘৰত টিউছন কৰিবলগীয়া হৈছিল। এজনী তিৰোতাই লোকৰ ঘৰত এইদৰে টিউছন কৰিব যোৱাটো সুৰেন আৰু পিতাক দত্তই মুঠেও সহ্য কৰিব পৰা নাছিল। পুহিতাৰ দৰে সেই একে সুৰতে সুৰেনে অমলাক টিউছন কৰাত বাধা দি কৈছে, "তুমি তিৰোতা মানুহ, পৰৰ ঘৰত এইদৰে টিউছন কৰিলে বেয়া দেখি কাৰণেই তোমাক কৈছোঁ। দহে যিটো বেয়া বোলে, সেইটো পাৰিলে নকৰাই ভাল ।" (পৃ. ৪৬) অৰ্থাৎ 'তিৰোতা মানুহ' মতা মানুহতকৈ ভিন্ন বা নিম্নশ্ৰেণীৰ প্ৰাণী। পুৰুষে যিমান পৰ্যায়লৈ নাৰীক স্বাধীনতা দিয়ে সিমান পৰ্যায়লৈহে নাৰীয়ে স্বাধীনতা ভোগ কৰিব পাৰে। ইয়াৰ অন্যথা হ'লে পুৰুষে নাৰীৰ বিৰুদ্ধে জাঙুৰ খাই উঠে। অমলাৰ ব্যক্তিগত অধিকাৰৰ ওপৰত হস্তক্ষেপ কৰা সুৰেনৰ এনেধৰণৰ কথা অমলাই বিনা প্ৰতিবাদে গ্ৰহণ কৰিব নোৱাৰিলে। পুৰুষপ্ৰধান সমাজৰ প্ৰতিনিধি সুৰেনকে আকৌ অমলাই প্ৰশ্ন কৰিছে এইদৰে ঃ

> *কিন্তু চাওক, মোৰ নিচিনা কত বিধবাই পেটৰ কাৰণেই পৰৰ ঘৰত গোলামী কৰিব লাগিছে। কত পৰ-পুৰুষৰ লগত ব্যভিচাৰ কৰি জীৱন ধাৰণ কৰিছে। সমাজে এইবোৰৰ খবৰ কিমান ৰাখিছে? সেইবোৰৰ দৰে পৰৰ ঘৰত গোলামী খটা হ'লে নাইবা পৰ-পুৰুষৰ লগত ব্যভিচাৰ কৰা হ'লে মোৰ কাৰণে সমাজৰ বোধহয়, চিন্তাৰ কোনো কথাই নাথাকিলহেঁতেন। কিন্তু তাকে নকৰাত সমাজে বোধহয় ভাবিছে, মই সমাজৰ মতামত ভৰিৰে ঠেলি দলিয়াই পেলাইছোঁ। (পৃ পৃ. ৪৬-৪৭)*

অৱশ্যে অনিচ্ছা সত্ত্বেও শেষত সুৰেনৰ দেউতাকৰ কথা পেলাব নোৱাৰি অমলাই এই টিউছন বাদ দিলে।

আনহাতে এই উপন্যাসৰ প্ৰধান পুৰুষ চৰিত্ৰ বিবেক। এওঁ ঘৰৰ পৰা প্ৰায় আঁতৰি আহি সুৰেনহঁতৰ ঘৰত আছিল। এবাৰ অমলাৰ টান জ্বৰ হোৱাত অমলাক চোৱা-চিতা কৰাৰ বাবে বিবেক সুৰেনৰ পৰামৰ্শমতে অমলাৰ ঘৰতে থাকিবলৈ লয়। এদিন আচৰিতভাৱে অমলাৰ স্কুলৰ চেক্ৰেটাৰীয়ে অমলাক জনালে যে বিবেক নামৰ ডেকা ল'ৰাজন তেওঁৰ লগত থকা বাবেই স্কুলৰ চাকৰি যোৱাৰ সম্ভাৱনা। অৰ্থাৎ সাদিনৰ ভিতৰত অমলাই ঘৰত অকলে নাথাকিলে তেওঁৰ চাকৰি যোৱাটো খাটাং। এই কথাত অপমানিতা হৈ অমলাই শোৱাপাটীত পৰি কান্দি থকা অৱস্থাত যেতিয়া বিবেকে সকলো কথা জানিব পাৰিলে তেতিয়া অমলাৰ ওচৰৰ পৰা আঁতৰি যোৱাটো স্থিৰ কৰিলে। অমলাৰ বাধা সত্ত্বেও এটা দুৰ্বল ভাবাক্ৰান্ত মন লৈ বিবেকে অজান পথত ভৰি দিলে। অমলায়ো তেওঁৰ প্ৰতি কৰা অন্যায়-অবিচাৰৰ বাবে চাকৰি এৰি দিলে। অৱশ্যে বহুদিন পিছত বহু ঠাই ঘূৰি যদিও

বিবেকে পুনৰ অমলাক বিচাৰি আহিল– লগ নাপাই আকৌ অজান পথত ভৰি দিলে।

উপন্যাসৰ কাহিনীভাগ ইমানেই যদিও মূল কাহিনীৰ লগত সম্পৰ্ক নথকা আন দুটা ঘটনাও ইয়াত সন্নিৱিষ্ট কৰা হৈছে। হৰি তেলেঙ্গাৰ দৰিদ্ৰপীড়িত পৰিয়ালটোৰ কৰুণ ছবি, পত্নীৰ মৃত্যু, সমাজৰ নীতি-নিয়ম উলঙঘা কৰি বিবেকে মৃতদেহ সৎকাৰ কৰিবলৈ নিয়া আৰু পমিলাৰ বেশ্যাবৃত্তিৰ অন্তৰালৰ কৰুণ কাহিনী এই উপন্যাসত চিত্ৰিত হৈছে।

উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ অমলা। অমলা বিধৱা। এজনী যৌৱনোদ্দীপ্ত বাল্য বিধৱাৰ মনৰ বেদনা উপন্যাসত স্পষ্ট হৈ উঠিছে। আৰ্চীৰ সন্মুখত এসাজ নিকা ধোৱা কাপোৰ পিন্ধি নিজৰ বৈধৱ্যৰ যন্ত্ৰণাক নিজেই উপলব্ধি কৰিবলৈ যত্ন কৰিছে অমলাই ঃ

> *—নিজৰ সৌন্দৰ্যৰাশিত নিজেই মুগ্ধ হৈ অমলাই নিজৰ মুখখন একেথৰে চাই ৰ'ল। —কিন্তু সেই দীপশিখা নুমুৱাই দিবলৈকে যেন এবাৰ অমলাৰ হিয়া ভেদি বাহিৰ হৈ গ'ল অতি দুখেৰে ভৰা এটা হুমুনিয়াহ। অমলাৰ মনত পৰিল হিন্দু নাৰীৰ সৰ্বশ্ৰেষ্ঠ সম্পদৰ একমাত্ৰ পৰিচায়ক সেন্দুৰৰ ডগমগীয়া সেই ৰঙা ফোটটো অমলাৰ গোটেই সৌন্দৰ্যৰাশি অকালতে মষিমূৰ কৰি দিবৰ কাৰণেই যেন অমলাৰ সকলো ইচ্ছাৰ বিৰুদ্ধেই অমলাৰ মাজ কপালৰ পৰা অন্তৰ্হিত হৈছিল। —অমলাৰ গোটেই অন্তৰ দুখেৰে ভৰি উঠিল। (পৃ. ১৩১)*

এই বৰ্ণনাত আমাৰ চকুত ভাহি উঠে হিন্দুৰ অকাল বিধৱাৰ ছবি। অসমীয়া সমাজত প্ৰচলিত বাল্য বিধৱা বা বিধৱাৰ সমাজত স্থান কেনে, বিধৱাৰ এটি ৰঙা ফোঁটৰ অভাৱে মনৰ মাজত কি ধুমুহাৰ সৃষ্টি কৰে তাকে দেখিবলৈ পাওঁ। অৰ্থাৎ পৰোক্ষভাৱে ইয়াত দেখুওৱা হৈছে, স্বামী অবিহনে পুৰুষপ্ৰধান সমাজত নাৰী কেনেকৈ এলাগী।

সমাজত বিধৱা যুৱতী নাৰীৰ পদে পদে ভয়– লোকনিন্দা, অপবাদ আৰু লাঞ্ছনাৰ। বিধৱা নাৰীয়ে এজন পুৰুষৰ লগত কথা-বতৰা পতাত সমাজৰ আপত্তি। এজনী বিধৱাই আন এজনী বিধৱাক নিন্দা কৰে। সেয়েহে পুহিতা যেনিবা সমাজৰ বিবেক। সমাজে বিধৱাৰ বাবে এখন নিষেধৰ দেওনা দি থৈছে; সেই দেওনা পাৰ হ'লেই সমাজৰ মুখামুখি হ'ব লাগিব। কিন্তু নাৰীও মানুহ, তেওঁৰো এটা স্বাধীন মন আছে; হৃদয় আছে, আশা-আকাংক্ষা আছে। বিবেকৰ লগত অমলাই ৰাজআলিত হঁহা কথাটো পৰম্পৰাগত সমাজখনৰ দৃষ্টিত ভাল হোৱা নাই বুলি অমলাই বুজিছিল। বিবেকে কৈছিল যে এজন অনাত্মীয় ডেকাৰ লগত স্কুল মাষ্টৰণী এজনীক ৰাজআলিত ঘূৰি ফুৰাটো সমাজে কেতিয়াও মানি

ল'ব নোৱাৰে। কাহিনীৰ প্ৰথমতেই অমলাই পৰম্পৰাগত সমাজখনৰ এনে ৰক্ষণশীল দৃষ্টিভংগীক সমালোচনা কৰি বিবেকক কৈছে, "এইটো সমাজৰ অবিচাৰ, সমাজৰ ঈৰ্ষা, দুৰ্বলৰ ওপৰত সবলৰ হেঁচা।" (পৃ. ৩১) সুৰেনে যেতিয়া অমলা, 'তিৰোতা মানুহ" (পৃ. ৪৬) কাৰণেই পৰৰ ঘৰত টিউছন কৰিবলৈ বাধা কৰিছিল, তেতিয়া অমলাই নাৰী পুৰুষৰ মাজত প্ৰভেদ দেখা সমাজৰ মতামতক দৃঢ়ভাৱে প্ৰত্যাখ্যান কৰিছিল।

অসমীয়া সমাজত বিধৱা নাৰীৰ সমস্যা খুব জটিল। শিক্ষা-দীক্ষা নোহোৱা তিৰোতা নিজৰ জীৱনৰ মান-সম্ভ্ৰমৰ প্ৰতি সচেতন নাছিল। পুৰুষপ্ৰধান অসমীয়া সমাজৰ পৰম্পৰাগত নীতি-নিয়ম এওঁলোকে আখৰে আখৰে পালন কৰিবলৈ বাধ্য আছিল। আৰু তাকে নকৰিলে সমাজ হৈ পৰিছিল ৰুষ্ট। পুৰুষপ্ৰধান সমাজত নাৰীৰ মূল্য নগণ্য— এই উপলব্ধি অভিজ্ঞতাৰ মাজেদি অমলাই লাভ কৰিছিল। (পৃ. পৃ.৪৬-৪৭)

কাহিনীৰ শেষ পৰ্যায়ত সমাজৰ গণ্য-মান্য ব্যক্তি বুলি স্বীকৃত স্কুলৰ চেক্ৰেটাৰীৰ ওপৰত অমলা অতিশয় ক্ষুব্ধ হৈছে। স্কুলৰ চাকৰি বাদ দিবলৈকো তেওঁ মানসিক প্ৰস্তুতি গোটাইছে। এজন দুৰ্বল, নিঃসহায় শিক্ষিত যুৱকক থাকিবলৈ অকণমান আশ্ৰয় দিয়াৰ অপৰাধত সমাজৰ নীতি-নিয়মৰ বাঘজৰীডাল যেতিয়াই এজনী শিক্ষিতা অসহায় নাৰীৰ ওপৰত পেলাই দিয়া হ'ল— তেতিয়া সমাজৰ এই কঠোৰ বাধা-নিষেধ অমলাই সহ্য কৰিব নোৱাৰিলে। বিবেকে যেতিয়া অমলাৰ মংগলৰ বাবেই অমলাৰ ঘৰৰ পৰা গুচি যাবলৈ স্থিৰ কৰিলে, তেতিয়া অমলাই এই অন্যায়ৰ প্ৰতিবাদ কৰাৰ বাবেই বিবেকক যাবলৈ বাধা দি কৈছিল, "তুমি ক'লৈকো যাব নোৱাৰা। মোৰ লগতেই, এই ঘৰতেই তুমি থাকিব লাগিব। চেক্ৰেটাৰীৰ অন্যায় অভিযোগৰ প্ৰতিকাৰ মোক লাগে।" (পৃ.৫৮১) ই সচেতন নাৰী অমলাৰ সমাজৰ অন্যায়ৰ বিৰুদ্ধে এক সবল প্ৰতিবাদ।

এজনী সচেতন শিক্ষিতা নাৰী হিচাপে অমলাই এই অন্যায় অভিযোগ কোনোপধ্যেই মানি ল'ব নোৱাৰিলে। সেয়ে অমলাৰ ওচৰৰ পৰা গুচি যাবলৈ ওলোৱা দুৰ্বল বিবেকক তেওঁ অতি দৃঢ়ভাৱে কৈছে ঃ

> *চিৰদিনেই তুমি কি দুৰ্বল হৈ ৰবা? চেক্ৰেটাৰীয়ে অকল মোকেই অপমান কৰা নাই, তোমাকো কৰিছে। এই অপমান তুমি সহিব পাৰা কিন্তু মোৰ পক্ষে অসম্ভৱ। মই নসহিম। চেক্ৰেটাৰীয়ে এসপ্তাহৰ কিয়, এবছৰৰ সময় দিলেও তোমাক মই বিদায় দিব নোৱাৰোঁ। তুমি ইয়াতেই থাকিব লাগিব। চেক্ৰেটাৰী হ'ল বুলিয়েই বিচাৰ-বিবেচনা নোহোৱাকৈয়ে কাম কৰিবনে? সেই চেক্ৰেটাৰীক যদি নামানোঁ? (পৃ.৫৮২)*

ইয়াতেই অমলাৰ ৰক্ষণশীল সমাজৰ বিৰুদ্ধে যুঁজ কৰাৰ দৃঢ় মনোভাৱৰ আৰু

এক যুক্তিবাদী নাৰী হিচাপে অমলা থিয় হৈছে। সেয়ে অমলাই নিবিচৰা সত্ত্বেও বিবেক যেতিয়া অমলাৰ ওচৰৰ পৰা গুচি যাবলৈ ওলাল - তেতিয়া অমলাই দুৰ্বল বিবেকক ক্ষমা কৰিব পৰা নাই ঃ

এই অন্যায় অভিযোগৰ বিৰুদ্ধে থিয় নহৈ, কাপুৰুষৰ দৰে আঁতৰি যাবৰ চেষ্টা কিয় কৰিছা? তুমি পুৰুষ, অন্যায়ৰ বিৰুদ্ধে যুঁজ কৰাই হ'ল তোমাৰ কাম। কিন্তু তাকে নকৰি, মোৰ লগৰ পৰা হঠাৎ আঁতৰি গৈ, এটা অন্যায় অভিযোগ সমৰ্থন কৰি, সকলো কলঙ্ক অকল মোৰ মূৰৰ ওপৰত তুলি দিবৰ দুৰ্বুদ্ধি তোমাৰ কিয় হৈছে? তোমাৰ মই কি অনিষ্ট কৰিলোঁ? (পৃ.৫৮৫)

বিবেক দুৰ্বল। সমাজৰ বিৰুদ্ধে মূৰ দাঙি বিদ্ৰোহ কৰাৰ সাহস বিবেকৰ নাই। বিবেকৰ নাৰী সম্পৰ্কে দৃষ্টিভংগী পৰম্পৰাগত। বিবেকে অমলাক কৈছে, "বাইদেউ, তুমি তিৰোতা মানুহ। তোমাৰ পক্ষে জিদ ধৰা অশোভন। অকল অশোভনেই নহয়, সমাজেও তোমাক সমৰ্থন নকৰে।" (পৃ.৫৮৭) সুবেনে ভবাৰ দৰে বিবেকৰ মতেও অমলা "তিৰোতা মানুহ", সেই কাৰণে সমাজৰ মতৰ বিৰুদ্ধে যোৱাটো উচিত নহয়। বিবেকৰ এই মতবাদ পিতৃতান্ত্ৰিক সমাজৰ মতবাদ— যিখন সমাজত নাৰীক মাত্ৰ যৌন প্ৰাণী হিচাপেই জ্ঞান কৰা হয়। কিন্তু সচেতন নাৰী অমলাই সমাজৰ এই মতবাদৰ বিৰোধিতা কৰি বিবেকক দৃঢ়ভাৱে কৈছে ঃ

অন্যায়ৰ বিৰুদ্ধে থিয় হ'লেও কি সমাজে মোক সমৰ্থন নকৰিব? সমাজৰ ওচৰত কি মই সুবিচাৰ নাপাম? শেষত গোটেই অভিযোগটো নীৰৱে মূৰ পাতি ল'বলৈকে কি তুমি মোক উপদেশ দিছা? যদি মই সমাজ নামানোঁ ? (পৃ.৫৮৭)

অমলাৰ বাবে চাকৰিতকৈ আত্মসন্মান ঊৰ্দ্ধত। সেয়েহে জীৱিকাৰ এক মাত্ৰ পথ চাকৰিটোও তেওঁ বাদ দিব খুজিছে, "চাকৰিৰ কাৰণেই এটা অন্যায়, এটা অমাৰ্জ্জনীয় অবিচাৰ মূৰ পাতি মই নলওঁ। স্বাৰ্থপৰতা মানুহৰ স্বভাৱ। কিন্তু স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণেই আত্মসন্মান বলি দিবলৈ মই নোৱাৰোঁ।" (পৃ.৫৮৮)

অমলাৰ মাজত আমি এনেধৰণে পুৰুষপ্ৰধান সমাজৰ ওচৰত নতি স্বীকাৰ কৰাৰ পৰিবৰ্তে সমাজৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আৰু নাৰীৰ প্ৰকৃত সত্তাক প্ৰতিষ্ঠিত কৰাৰ প্ৰয়াস দেখা পাওঁ। অসমীয়া উচ্চ হিন্দু সমাজত নাৰীৰ প্ৰতি, বিশেষকৈ বিধবা যুৱতী নাৰীৰ প্ৰতি থকা সমাজৰ মিছা সন্দেহ আৰু কঠোৰ সমালোচনা, সমগ্ৰ বিধবা নাৰীৰ প্ৰতি কৰা সমাজৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে অমলাই মুক্ত কণ্ঠে প্ৰতিবাদ কৰিছে। পৰম্পৰাগত সমাজখনৰ অন্যায়ৰ প্ৰতিবাদ কৰি অমলাই চাকৰিটো ত্যাগ কৰি ঘৰলৈ গুচি গ'ল।

উপন্যাসত বৰ্ণিত আন এটা নাৰী চৰিত্ৰ পমিলা। বৰ্তমান সমাজ ব্যৱস্থাত

এজনী নির্যাতিতা নাৰী, যিজনী নাৰীয়ে অৰ্থনৈতিক সমস্যাৰ বাবেই অনিচ্ছাসত্ত্বেও বেশ্যাবৃত্তিৰ পথ বাছি ল'বলগীয়া হৈছিল। আন এজনী নাৰী চৰিত্ৰৰ মাজেদি অভিজাত পৰিয়ালৰ নাৰীৰ চিত্ৰ অংকন কৰিছে। উপন্যাসত বৰ্ণিত এই নাৰী চৰিত্ৰ দুটাৰ কোনো নাৰীবাদী বৈশিষ্ট্য নাই। কিন্তু অমলাৰ চৰিত্ৰটোক নাৰীবাদী চৰিত্ৰ বুলি ক'ব পাৰোঁ। 'বিদ্ৰোহিণী' উপন্যাসিকাত যেনেকৈ ললিতাই পুৰুষৰ মতবাদক মানি লোৱা নাছিল, ঠিক তেনেকৈ যি সমাজখনে নাৰীৰ কোনো মূল্য দিব নোখোজে সেই সমাজখনক অমলাই মানি নল'লে। এইখিনিতে অমলাৰ চৰিত্ৰত ব্যক্তিবাদী নাৰীবাদী দিশটো ফুটি উঠিছে।

টীকা

১। মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* নিউ বুক ষ্টল. গুৱাহাটী, ১৯৬২, পৃ ৩৩৮

২। বীণা বৰুৱা, *জীৱনৰ বাটত* (১৯৪৪), বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৮৬ সপ্তম সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

৩। হীৰেন গোহাঁই, 'ঐতিহ্য আৰু 'জীৱনৰ বাটত'', *বিশ্বায়তন* গ্ৰন্থত, জাৰ্ণাল এম্প'ৰিয়াম, নলবাৰী, ১৯৮৩, পৃ.২৬৬

৪। একেপ্ৰবন্ধ, পৃ.২৭৪

৫। ৰাস্না বৰুৱা, *সেউজী পাতৰ কাহিনী,* চপলা সাহিত্য সদন, চিলং ১৯৫৯, প্ৰথম সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

৬। ৰাধিকা মোহন গোস্বামী, *চাকনৈয়া,* প্ৰকাশক, ৰাধিকা মোহন গোস্বামী, নগাঁও, ১৯৫২ (প্ৰথম সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

৭। একেগ্ৰন্থ, ঔপন্যাসিকৰ 'নিবেদন' শিতানত চাওক।

৮। একেগ্ৰন্থ, একে শিতানত চাওক।

ষষ্ঠ অধ্যায়

১৯৬০ চনৰ পৰা ১৯৮০ চনলৈ প্ৰকাশিত উপন্যাসৰ আলোচনা

ষাঠিৰ দশকৰ পৰা অসমীয়া ঔপন্যাসিকসকল জীৱন আৰু জগত সম্পৰ্কে নতুন চেতনা আৰু দৃষ্টিভংগীৰে সমৃদ্ধ হৈ আগবাঢ়ে। এই সময়তে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, হোমেন বৰগোহাঞিৰ নিচিনা আধুনিক কবিতাৰ যুগৰ কেবাজনো কবিয়ে কবিতাৰ পৰা মনোযোগ উপন্যাসৰ ওপৰত নিবদ্ধ কৰাত ষাঠিৰ দশকৰ পৰা পাশ্চাত্যৰ ভাৱধাৰা আৰু আঙ্গিকৰ প্ৰভাৱত উপন্যাস ৰচনা হ'বলৈ ধৰিলে। এই শতিকাৰ দ্বিতীয়-তৃতীয় দশকৰ ইংৰাজ ঔপন্যাসিক ঔপন্যাসিকা জেইম্চ্ জয়চ্, ভাৰ্জিনিয়া উল্ফ্ আদিৰ কলাপ্ৰধান আৰু চেতনাপ্ৰধান উপন্যাসৰ প্ৰভাৱো এই সময়ৰ ঔপন্যাসিকসকলৰ ওপৰত পৰা দেখা যায়। ফ্ৰয়দৰ মনস্তাত্ত্বিক সূত্ৰই যেনেকৈ সেই সময়ৰ ঔপন্যাসিকসকলক প্ৰভাৱিত কৰিছে, ঠিক তেনেকৈ অসমীয়া সমাজত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ বৃদ্ধিৰ লগে লগে সাহিত্যতো এক প্ৰগতিশীল ধাৰা সৃষ্টি হোৱাৰ ফলত *'নতুন পৃথিৱী'*ৰ নিচিনা কিছু মাৰ্ক্সবাদী আলোচনীৰো প্ৰকাশ হোৱা দেখা যায়। সেয়ে আধুনিক কবিতাৰ দৰে এই সময়ছোৱাত উপন্যাস সাহিত্যতো প্ৰগতিশীল আৰু বৌদ্ধিক আধুনিকতাবাদী এই দুই ধাৰা দেখা যায়।

১৯৬০ চনৰ পৰা ১৯৮০ চনলৈ অসমীয়া উপন্যাস সাহিত্যত নাৰীৰ স্থান আলোচনা কৰিবলৈ গৈ নাৰী-মংগল, নাৰীমুক্তিৰ চেতনা অসমীয়া উপন্যাসত কেনেধৰণে ফুটি উঠিছে তাকে আলোচনা কৰাৰ বাবে এই অধ্যায়ত কেইজনমান ঔপন্যাসিকৰ উপন্যাস বিশ্লেষণ কৰিম।

আই

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ "আই" (১৯৬০) উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ আইৰ জৰিয়তে অসমীয়া গ্ৰাম্য সমাজৰ অশিক্ষিতা নাৰী যে মানৱীয় মূল্যবোধৰ প্ৰতি সচেতন সেই কথাই প্ৰকাশ কৰিছে। আই কোনো জটিল সামাজিক সমস্যাৰ মাজত সোমাই পৰা নাই যদিও দুই-এটা ঘটনাৰ ক্ষেত্ৰত সামাজিক পৰম্পৰাৰ বিৰুদ্ধে গৈ সাৰ্বজনীন মাতৃৰূপত প্ৰকাশিত হ'ব নোৱাৰিলেও শাশ্বত মাতৃৰূপত প্ৰতিষ্ঠিত

হৈছে। ইয়াৰ বিষয়বস্তুৰ পৰিসৰ যদিও যথেষ্ট বহল, তথাপি ঔপন্যাসিকে ঘটনাপুঞ্জৰ মাজেদি বিষয়বস্তুৰ কলাত্মক প্ৰকাশ ঘটোৱাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে।

উপন্যাসৰ কাহিনীভাগ গতানুগতিক - সাধুকথাৰ লেখীয়া বুলি ক'ব পাৰি। বাছাৰ মাক বিধৱা স্বৰ্ণদেৱী, বুঢ়াভকত আৰু বাবা ভোলানাথৰ পৰিয়ালক কেন্দ্ৰ কৰি এই উপন্যাসৰ কাহিনী আৰম্ভ হৈ পৰিসৰ লাভ কৰিছে।

উপন্যাসৰ প্ৰথম ভাগতে বাছাৰ বিদ্যাৰম্ভৰ দিনা মাজে সময়ে অহাৰ দৰে সেইদিনাও বাবা ভোলানাথ আহি চোতালৰ কঁঠাল জোপাৰ তলত বহিছেহি। বাবা ভোলানাথে ফলিত 'আই' অক্ষৰটো লিখি বাছাক আইৰ তাৎপৰ্য বুজাইছে। সমজুৱাৰ লগত বুঢ়াভকতো আহি বাবা ভোলানাথৰ লগত আলোচনা কৰিছে। মাটি কম, মানুহ বেছি, ল'ৰাহঁতৰ কৰ্মবিমুখতা আদি নানা কথা আলোচনা কৰিছে। (পৃ.৯) ইয়াতেই বুঢ়াভকত আৰু বাছাৰ মাকৰ মাটি কেন্দ্ৰিক সম্পৰ্কৰ ইংগিত ফুটি উঠিছে, আৰু এই পৰিয়াল দুটাক লৈয়েই যে কাহিনী আগবাঢ়িব তাৰ উমান পোৱা গৈছে।

বাছাহঁতৰ বাপেকৰ দিনৰে পৰা বুঢ়াভকতৰ পৰিয়ালে বাছাহঁতৰ মাটিখিনিত আধিয়াৰ হিচাপে খেতি কৰে। কিন্তু বুঢ়াভকতৰ পৰিয়ালে ভালকৈ খেতি কৰিব নোৱাৰাৰ বাবেই আইৰ পুতেক বৰমইনাই মাটিখিনি অইনক দিব বিচাৰিছে। আইৰ পৰামৰ্শমতেই অৱশ্যে সেই কামটো শেষত হৈ নুঠিল। কিন্তু পাকচক্ৰত মন গৰু চুৰ কৰি ফাটেকলৈ গ'ল, বাপুকণে ভাং খাই পগলাৰ দৰে হ'ল আৰু বুঢ়াভকতৰ মৃত্যু হোৱাত পৰিয়ালখন সম্পূৰ্ণৰূপে ভাঙোনৰ সন্মুখীন হ'ল। সুদীৰ্ঘ দিনৰ মূৰত মন যেতিয়া জেলৰ পৰা ওলাই আহি উচ্ছন্ন হৈ যোৱা ভেটিটোতে শোকে-দুখে আশ্ৰয় ল'লে, তেতিয়া মাতৃস্বৰূপা আয়ে মনক ভেটিৰ পৰা তুলি নি মৰম কৰিলে। আইৰ মাজতে মনে নিজৰ মাতৃৰ ৰূপ দেখা পালে। সি হয়তো বুজিলে তাৰ স্বভাৱৰ বাবেই আয়ে সিহঁতৰ পৰা মাটি কাঢ়ি নিছিল। অৱশ্যে উপন্যাসৰ আগভাগতে সন্ন্যাসীয়ে কোৱা "মাটি কম মানুহ বেছি। সেয়ে গণ্ডগোল"। (পৃ.৯) এই কথাৰ পৰা ব্যক্তিগতভাৱে মনক মাটিৰ পৰা উচ্ছেদ কৰাৰ বাবে আইক দোষী নোহোৱাৰ ইংগিত ঔপন্যাসিকে দিছে। গতিকে মনক আয়ে মাটিৰ পৰা উচ্ছেদ কৰাৰ সমস্যাটো ৰায়ত আৰু মালিকৰ সম্পৰ্কৰ সামাজিক সমস্যা বুলিও ক'ব পাৰি।

ৰজত আৰু নুমলীক লৈ ঔপন্যাসিকে এটা ঘটনাৰ সৃষ্টি কৰিছে। ৰজতৰ ঘৰৰ মাটি-বাৰী সকলো গাঁৱৰ নতুন জমিদাৰ ইন্দ্ৰেশ্বৰ মহাজনৰ হাতলৈ যোৱাত ৰজতে শোষণকাৰী মহাজন আৰু তাৰ কুলী কেইটাক হত্যা কৰাৰ পিছত ফাটেকলৈ যাবলগীয়া হৈছে। ৰজতৰ মোকৰ্দমাৰ বাবে ফিজ দিব নোৱাৰি সদ্য বিবাহিতা নুমলীয়ে উকীলৰ ঘৰত চাকৰণী হ'ব লগা হৈছে। বৰমইনাৰ বিয়া সম্পৰ্কীয় ঘটনাত বিয়েৰনীয়েকৰ লগত আয়ে নুমলীক দেখা কৰিবলৈ যোৱা, নুমলীক

উকীলৰ ঘৰৰ পৰা আইৰ ঘৰলৈ লৈ আহিবলৈ চেষ্টা কৰা আদি ঘটনাই আইৰ চৰিত্ৰৰ মানবিক দিশটো ফুটাই তুলিছে।

উপন্যাসত আইৰ চৰিত্ৰটো এজনী মাতৃপ্ৰাণা স্বাবলম্বী নাৰী হিচাপে ঔপন্যাসিকে সৃষ্টি কৰিবলৈ যত্ন কৰিছে। আই ব্ৰাহ্মণ সম্প্ৰদায়ৰ বিধবা হ'লেও আন দহজনী নাৰীৰ নিচিনা নহয়। ঘৰৰ ভিতৰ আৰু বাহিৰৰ সকলো দায়িত্ব আয়ে গ্ৰহণ কৰিবলৈ সক্ষম। উপন্যাসৰ ভাষাত ঃ

> *মানুহে কয় বাছাৰ মাক সাক্ষাৎ লক্ষ্মী। লক্ষ্মী হ'বলৈ হ'লে কি কি গুণ লাগে ক'ব নোৱাৰোঁ কিন্তু মতা মানুহৰ অবিহনে এখন ঘৰ নিয়াৰিকৈ চলোৱা আৰু চলাই তাৰ পৰা সুফল লাভ কৰা এগৰাকী অক্ষিশিতা আদহীয়া বাঁৰী মানুহৰ পক্ষে কম কৃতিত্বৰ কথা নহয়। বাছাৰ মাকৰ নামে স্বৰ্ণ। দিনটো মানুহজনীয়ে টাকুৰা ঘুৰাদি ঘুৰি কাম কৰে। ৰাতী কনৰ পৰা আৰম্ভ কৰি ৰাতিৰ চৰু সামৰালৈকে খোৱা-বোৱা, গৰু-ছাগলী এৰাল দিয়া. বাৰী চিকুণোৱা, টানে-আপদে খৰি লুৰা আৰু ফলা - এই সকলোবিলাক দৈনন্দিন কৰ্তব্যৰ লগতে খেতিৰ মাটি চলোৱা, কটনা-কাটি বাছাৰ ফিজ উলিওৱা, মাহেকে-পষেকে মিতিৰ ৰাখিবলৈ অথবা গৰজত ইঘৰ-সিঘৰ ফুৰিবলৈ যোৱা, পৰ্ব দিনত ব্ৰত উপবাস শ্ৰাদ্ধ কৰাকে আদি কৰি গৃহস্থালিৰ সকলো জঞ্জাল আঁৰ নোহোৱাকৈ মৰা দেখিলে স্বৰ্ণক মানুহে সঁচাকৈয়ে লক্ষ্মী নুবুলি নোৱাৰে। (পৃ.১১-২২)*

পৰম্পৰাগত অসমীয়া ৰক্ষণশীল সমাজখনত পুৰুষ আৰু নাৰীৰ বাবে কামৰ বিভাজন আমি লক্ষ্য কৰোঁ। পুৰুষে বাহিৰত কাম কৰে আৰু নাৰীয়ে ঘৰুৱা কামৰ মাজতে নিজক সীমাবদ্ধ ৰাখে। যুগ যুগ ধৰি ঘৰুৱা কামৰ মাজতে নাৰী আবদ্ধ হৈ থকা বাবে নাৰী হৈ পৰে মানসিকভাৱে দুৰ্বলা। কিন্তু এজনী অশিক্ষিতা গাঁৱলীয়া সাধাৰণ নাৰী হৈয়ো বাছাৰ মাক আই ইয়াৰ কিছু ব্যতিক্ৰম বুলি ক'ব পাৰোঁ। বাছাৰ মাকৰ শিক্ষাৰ প্ৰতি ধাউতি আছিল। বুঢ়াভকতৰ ডাঙৰ পুতেক মনে কেন্দুকলাইৰ বাবে স্কুলৰ ফিজ দিব নোৱাৰাত আয়ে কৈছে, "বাৰু মন এইবাৰ ফিজটো বৰমইনায়ে দিব। তহঁতে অহামাহৰ পৰা ফিজটো নিয়মমতে দিবিহঁক।" (পৃ.১৮) আকৌ বাছাৰ পঢ়াশুনাৰ প্ৰতি দৃষ্টি ৰাখিয়েই বৰমইনাই নিজে খেতি কৰিব বুলি লোৱা সিদ্ধান্ত মানি ল'ব পৰা নাই। কাৰণ "বাছাক মানুহ কৰিব লাগিব।" (পৃ.১৫) বৰমইনাই খেতি কৰিব ল'লেই বাছাৰ পঢ়াৰ ক্ষেত্ৰত ব্যাঘাত ঘটিব বুলি আয়ে অনুমান কৰিছিল।

আইৰ আছিল এক সহানুভূতিশীল অন্তৰ। সেয়ে কোনো তেজৰ সম্পৰ্ক নথকা সত্বেও উকীলৰ ঘৰত চাকৰণী হৈ থকা নুমলীক আনিব খুজিছিল। উকীলৰ ঘৰৰ পৰা নুমলীক লৈ আহিব খোজাত উকীলনীয়ে যেতিয়া আহিব নিদিলে "বাছাৰ মাকে দেখিলে গোটেইখন আন্ধাৰ (?) হৈ পৰিছে।.... পৃথিৱীখন যেন কঠুৱা হৈ পৰিছে, দয়া-মায়া-ধৰম সকলো শেষ হৈ গৈছে। নুমলীক এৰি যোৱাৰ লগে লগে তেওঁৰ ধাৰণা হ'ল যেন নুমলীকো কোনোবাই ৰজতৰ লগতে ফাঁচী দিলে।"

(পৃ.১০৭) চহৰৰ এচাম মধ্যবিত্তই টকাৰ বাবে কেনেকৈ দয়া-মৰমকো নেওচা দিয়ে - এই উপলব্ধি আয়ে কৰিছিল। ঠিক সেইদৰে জেলৰ পৰা ওলাই আহি লঘোনে - ভোকে উচ্ছন্ন হৈ যোৱা ভেটিত পৰি থকা মনক আনিবলৈ বিয়াৰ ৰাতি আই দৌৰি গৈছিল। পৰম্পৰাগত নীতি-নিয়ম অনুসৰি "দৰাৰ মাক দৈৱকী, এনেকৈ বাহিৰলৈ যাব নাপায়" (পৃ.১১১)। কিন্তু পৰম্পৰাগত সামাজিক বাধা-নিষেধক উলাই কৰি এগৰাকী অশিক্ষিতা গাঁৱলীয়া নাৰীয়ে মানৱতাৰ আদৰ্শ লৈ ওলাই যোৱা ঘটনাটোৱে আইৰ চৰিত্ৰৰ মানৱীয় দিশটো ফুটাই তুলিছে। কিন্তু আন এটা ঘটনা দ্বাৰা আইক এগৰাকী সাধাৰণ তিৰোতাৰ দৰেই দেখা গ'ল। ঘটনাটো মুৰুলীৰ মাকক কেন্দ্ৰ কৰি। বাবা ভোলানাথক দেখি মুৰুলীৰ মাকৰ বিব্ৰত অৱস্থা, স্বামীৰ স্মৃতি জাগি উঠা, বাছাৰ মাকক মুৰুলীৰ মাকে বাবা ভোলানাথেই তেওঁৰ স্বামী বুলি যিমান আন্তৰিকতা সহকাৰে কৈছিল - বাছাৰ মাক আয়ে কিন্তু মুৰুলীৰ মাকৰ ভগ্ন হৃদয়ৰ আকুলতাক উপলব্ধি কৰিব নোৱাৰিলে।

মুৰুলীৰ মাকে ধৰি লৈছিল যে বাবা ভোলানাথেই তেওঁৰ হেৰাই যোৱা স্বামী। সন্ন্যাসীয়ে একে থিৰে মুৰুলীৰ মাকলৈ চাই ৰ'লত - মুৰুলীৰ মাক ধাচ্ কৰি মাটিত পৰি গৈছিল। সংজ্ঞা ঘূৰি অহাৰ পিছতো যেতিয়া আইক তেওঁৰ বৈধব্য যন্ত্ৰণা মিছাকৈয়ে লৈ থকা কথাকৈ সন্ন্যাসীৰ পৰিচয় লোৱাৰ বাবে কৈছিল, আয়ে সেই সময়ত নিৰ্লিপ্ততা দেখুৱালে ঃ

> *বাছাৰ মাকে প্ৰমাদ গণিলে, এইবোৰ কথা সন্ন্যাসীক (?) সোধা মানেই কেলেঙ্কাৰী বঢ়োৱা। সন্ন্যাসীয়ে নহয় বুলি ক'লে ভালেই, যদি কেনেবাকৈ হয় বুলি কয় তেন্তে সৰ্বনাশ। তেওঁ সেই বিপদখন কান্ধত তপাই ল'ব নোখোজে।.... মৰা মানুহক এনেকৈ বিচৰা তেওঁৰ ভাল হোৱা নাই। বাছাৰ মাকে ক'লে, এইবোৰ চিন্তা এৰক। এতিয়া বুঢ়ী হ'ল, এনেকৈ ভবা দিন আৰু নাই।" (পৃ. ৯৮)*

এইদৰে কৈ বাছাৰ মাক শুই পৰিল। কিন্তু মুৰুলীৰ মাক শুব নোৱাৰিলে ঃ

> *ৰাতিৰ প্ৰত্যেকটো মুহূৰ্ত তেওঁ নিশব্দ যন্ত্ৰণাত আৰু অপেক্ষাত কটাবলৈ ধৰিলে। পুৱাৰ লগে লগে তেওঁৰ জীৱনৰ হেৰোৱা মানুহজক (?) ঘুৰাই পাব বুলি আশা কৰিলে। পুৰুষৰ সান্নিধ্যৰ বাবে বিধবাৰ সুপ্ত যত কামনা সকলো যেন সেই নিশা হঠাতে তেওঁৰ ভিতৰত প্ৰজ্বলিত হৈ পৰিল। (পৃ.৯৯)*

আয়ে 'কেলেংকাৰী'ৰ ভয়ত সন্ন্যাসীৰ পৰিচয় ল'ব নুখুজিলে। এইখিনিতে সমস্যাৰ গভীৰতালৈ যোৱাৰ সাহস আৰু ইচ্ছা আইৰ চৰিত্ৰত দেখা নাপালোঁ। আকৌ উকীলৰ ঘৰৰ পৰা নুমলীক জোৰকৈ লৈ আহি নুমলীক পৰোক্ষ বন্দী জীৱনৰ পৰা মুক্তি দিয়াৰ সাহসো আইৰ চৰিত্ৰত দেখা পোৱা নগ'ল।

ঔপন্যাসিকে আইৰ চৰিত্ৰটো মেক্সিম গৰ্কিৰ আৰু প্ৰেজীয়া ভেলেভ্ভাৰ উপন্যাসৰ মাৰ চৰিত্ৰৰ দৰে মহিয়সী চৰিত্ৰ হিচাপে চিত্ৰিত কৰাৰ বাবে যত্ন কৰিছে যদিও কাহিনীভাগত আইৰ তেনে কোনো বিশিষ্ট কৰ্ম আমাৰ পৰিলক্ষিত নহ'ল। কাহিনীভাগত অৱশ্যে ভোলানাথ সন্ন্যাসীয়ে আইক 'মা জগদম্বা' (পৃ.৪) বুলি,

কৈছে। আনকি ৰজতৰ নিচিনা এজন ব্যক্তিগত দৈহিক শক্তিৰে হত্যা কাৰ্যৰ মাজেদি শোষণৰ অৱসান ঘটাব খোজা যুৱকেও বাছাৰ আগত আইক ইন্দ্ৰেশ্বৰ মহাজনৰ লগত তুলনা কৰি কৈছে, "সি দৈত্য, তোমাৰ আই লক্ষ্মী" (পৃ. ৪৩)। এই প্ৰসংগতে গোবিন্দ প্ৰসাদ শৰ্মাই লেখিছে ঃ

> *কিন্তু তেওঁৰ গুণ, জ্ঞান, বিশিষ্ট্য (?) তেওঁৰ নিজৰ কথা আৰু কামত ফুটি উঠিছে বুলি ক'ব নোৱাৰি। তেওঁ যি সাধাৰণ গুণ, জ্ঞান বা বৈশিষ্ট্যৰ অধিকাৰী, তাৰ বাবে তেওঁ দৰাচলতে জগদম্বা বা সাৰ্বজনীন মাতৃ বুলি স্বীকৃত হ'বৰ যোগ্য বুলি ধাৰণা নহয়; তেনে হোৱাৰ বাবে যি ব্যক্তিত্ব, মহত্ত্ব বা মহিমাৰ প্ৰয়োজন, সি তেওঁৰ কাহিনীত ধৰা পৰা নাই।২*

গাঁৱৰ সমস্যা বিশেষকৈ আধিয়াৰ আৰু ৰায়তৰ সমস্যা সমাধান কৰাৰ বাবেও আয়ে কোনো ভূমিকা গ্ৰহণ কৰা আমাৰ চকুত পৰা নাই। ইন্দ্ৰেশ্বৰ মহাজনক যি মাটিৰ সমস্যাৰ বাবেই ৰজতে হত্যা কৰিলে– সেই ক্ষেত্ৰতো আই নিৰ্বিকাৰ। বাছাই কেন্দুকলাইৰ লগত লগ লগা আৰু ৰজতৰ ঘৰলৈ যোৱাটো আয়ে সহ্য কৰিব পৰা নাই। আয়ে ভাবিছে জানোচা আয়ে তেওঁৰ পুত্ৰও সংগ দোষত পৰি চোৰ হয়। বাছাই যেতিয়া আইক সুধিছে, "আই ইহঁত কিয় চোৰ হৈছ (?) ক'ব পাৰ জানো।" (পৃ. ৩৩) তেতিয়া আয়ে তাৰ উত্তৰ দিব নোৱাৰিলে। সমস্যাৰ গভীৰতালৈ যোৱাৰ ইচ্ছা নকৰি নাইবা গাঁৱৰ ডেকাসকলক সৎ পথলৈ অনাৰ বাবে কোনো কথা নাভাবি 'কীৰ্তন'খন খুলি ল'বলৈ তেওঁ বাছাক উপদেশ দিছে। আই সাধাৰণ তিৰোতাৰ দৰে এই ক্ষেত্ৰত ব্যক্তিকেন্দ্ৰিক। বাছালৈহে যেন আইৰ চিন্তা। আনক সৎ পথলৈ অনাৰ সামাজিক দায়বদ্ধতা আইৰ নাই। আনকি মনইঁতৰ দুৰ্দিনৰ সময়ত আয়ে মাটিখিনি কাঢ়ি আনিবলৈ কোনো কুণ্ঠাবোধ কৰা নাই। সেয়ে গোবিন্দ প্ৰসাদ শৰ্মাৰ মতে আইৰ চৰিত্ৰটো 'অযথা আদৰ্শায়িত এটি সাধাৰণ চৰিত্ৰ"।৩ আইৰ চৰিত্ৰটোৰ কোনো নাৰীবাদী বৈশিষ্ট্য আমাৰ চকুত নপৰে।

উপন্যাসত আধিয়াৰ সমস্যাৰ নিচিনা এটা গভীৰ সমস্যা উত্থাপন হ'লেও উপন্যাসৰ কাহিনীৰ মাজেদি স্পষ্ট হৈ নুঠিল। আনহাতে মুকলীইঁতৰ পৰিয়ালৰ লগত আইৰ পৰিয়ালৰ সম্পৰ্ক, সন্ন্যাসীৰ আবিৰ্ভাৱ আদিয়ে কাহিনীভাগত বিস্তৃতি লাভ কৰিব নোৱাৰাৰ ফলত উপন্যাসৰ কাহিনীভাগৰ গাঁথনিটো ত্ৰুটিপূৰ্ণ হৈয়েই ৰ'ল।

নষ্টচন্দ্ৰ

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰে 'নষ্টচন্দ্ৰ' (১৯৬৮) উপন্যাসত মানৱ জীৱনৰ জৈৱিক সমস্যাৰ এটি দিশ– নাৰীৰ জীৱনত পুৰুষৰ স্থান আৰু পুৰুষৰ জীৱনত

নাৰীৰ স্থানৰ প্ৰশ্নটি দাঙি ধৰিছে। এই প্ৰশ্নটি উত্থাপিত হৈছে উপন্যাসৰ মুখ্য চৰিত্ৰ বিপুল আৰু শুৱনিকণৰ জৈৱিক জীৱনৰ বিভিন্ন সমস্যাৰাজিৰ উত্থাপনৰ মাধ্যমেদি। এই উপন্যাসৰ কাহিনীভাগ অতি পাতলীয়া হ'লেও তাৰ মাজেদিয়ে অন্তঃস্ৰোতৰ দৰে বৈ থকা নাৰীৰ মানসিক দিশটো অতি কৌশলেৰে ঔপন্যাসিকে ইয়াত দাঙি ধৰাৰ চেষ্টা কৰিছে।

এজন বৃদ্ধ লোকৰ দাম্পত্য জীৱনৰ নিভৃত কক্ষত দেখা দিয়া অত্যন্ত অনুভূতিসিক্ত, দুখ-যন্ত্ৰণাৰে ভৰা অভিজ্ঞতাই হৈছে এই উপন্যাসৰ বিষয়। এই উপন্যাসত দাঙি ধৰা হৈছে এজন বৃদ্ধ স্বামীৰ অক্ষমতাৰ আত্মগ্লানি, তৰুণী ভাৰ্যাৰ যৌনাকাংক্ষা আৰু মাতৃত্ব লাভৰ অদম্য স্পৃহা। স্বামী বিপুল দাসৰ পূৰ্বৰ পত্নী সুনন্দাৰ দুজন পুত্ৰ আৰু তেওঁলোক বিবাহিত। জীয়েক মাধুৰীও যৌৱনপ্ৰাপ্ত শিক্ষিতা ছোৱালী। প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত বিপুলে বিয়া কৰালে বোৱাৰীয়েকৰ বয়সৰে এজনী প্ৰাণচঞ্চলা গাভৰু শুৱনিকণক। এফালে তৰুণী ভাৰ্যাৰ দৈহিক কামনা; আনফালে বৃদ্ধ স্বামীৰ অক্ষমতা। সেয়ে বুঢ়াৰ মনত আত্মগ্লানি। পৰম্পৰাগত স্বামীসেৱাৰ কৰ্তব্য পালন কৰিও পত্নী শুৱনিকণে জৈৱিক জীৱনৰ আকাংক্ষাক ৰোধ কৰিব নোৱাৰিলে। ডি এইচ্ লৰেঞ্চৰ (D. H. Lawrence) 'লেডী চেটাৰ্লীৰ প্ৰেমিক' (Lady Chatterley's Lover) (১৯২৮) উপন্যাসৰ জৈৱিক জীৱনত অসন্তুষ্টা লেডী চেটাৰ্লীৰ দৰে শুৱনিকণেও শেষত পৰপুৰুষৰ ওচৰত আত্মসমৰ্পণ কৰিলে। বিপুল দাসে এই কথা জানিও অসহায় কাঠৰ পুতুলাৰ দৰে হৈ থকাৰ বাহিৰে আন কোনো উপায় নাপালে। আনফালে শুৱনিকণেও আত্মদ্বন্দ্বত ক্ষত-বিক্ষত হৈ আত্মহত্যাৰ পথ বাছি ল'লে। কাহিনীটো অতি সাধাৰণ যেন লাগিলেও এই উপন্যাসত নাৰীৰ জৈৱিক জীৱনৰ এটা সত্য ৰূপ দাঙি ধৰিছে,যদিও পৰম্পৰাগত সমাজৰ দৃষ্টিত এইটো বিবাহিতা নাৰীৰ বাবে এটা সামাজিক অপৰাধ।

ঔপন্যাসিকে এই উপন্যাসৰ কাহিনীটো উপস্থাপন কৰোঁতে ৰাজনৈতিক দৃষ্টিভংগীকো বাদ দিয়া নাই। বিপুল বৃদ্ধ জড়প্ৰায় হ'লেও এজন সমাজসচেতন লোক। শুৱনিকণ মহিলা সংগঠনৰ এজনী কৰ্মী। ঔপন্যাসিকে ৰাজনীতিৰ প্ৰলেপ সানি কলাত্মকভাৱে দাম্পত্য আৰু নাৰীৰ জৈৱিক জীৱনৰ এটা গুৰুত্বপূৰ্ণ দিশ ইয়াত ফুটাই তুলিবলৈ সমৰ্থ হৈছে।

শুৱনিকণ এই উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ। দ্বিতীয় মহাযুদ্ধৰ পিছত নগৰীয়া সভ্যতাৰ মাজত ডাঙৰ-দীঘল হোৱা এই ছোৱালীজনী আছিল সকলো পৰাই মুক্ত প্ৰকৃতিৰ। (পৃ. ২৮) তেওঁতকৈ বহু ডাঙৰ বিপুলৰ লগত মাক-বাপেকে যেতিয়া বিয়াৰ বন্দবস্ত কৰিলে, তেতিয়া সমাজৰ পৰম্পৰাগত নিয়ম অনুসাৰে তেওঁৰ কোনো আপত্তি নৰজিল। কাৰণ আমাৰ সমাজখনত বহু সময়তে বিয়াৰ ক্ষেত্ৰত ছোৱালীৰ অনুমতি লোৱাটো আজিও বহুতৰ বাবে অবাস্তৱ। মাকে ক'লে,

"পুৰুষৰ কোনো বয়স নাই শুৱনি, আচলতে মানুহটো আৰু ঘৰখনহে চাব লাগে।" (পৃ. ২৮) এই বিবাহত স্ত্ৰী-পুৰুষৰ কোনো মনৰ মিলৰ প্ৰশ্ন নাই। বিয়া হৈ যোৱাৰ পিছত প্ৰৌঢ় ব্যক্তিৰ লগত বিয়া হোৱা এজনী যুৱতী ৰমণীৰ অতৃপ্ত যৌৱনৰ দুখ বিপুল দাসে বহু পলমকৈ বুজিব পাৰিলে। কাৰণ শুৱনিকণৰ মাতৃ হোৱা পথ বন্ধ। (পৃ. ৪) বিপুলৰ এই অক্ষমতা শুৱনিকণৰ আগত নিজেই স্বীকাৰ কৰিছে এইদৰে ঃ

বিপুলে কয়, ' যজাতিৰ উপাখ্যানটো তুমি বিশ্বাস কৰা।"
'অঁ।" খুব গহীন হৈ ক'লে শুৱনিকণে।
"মোক ভাল পোৱানে তুমি?"
"পাওঁ।"
কৃতজ্ঞ হৈ বিপুলে ক'লে, "তুমি যে ধুনীয়া তাক মই ধৰিব নোৱাৰা হৈছোঁ, কেৱল ছুই অনুভৱ কৰোঁ। তোমাক মই ভাল পাওঁ, কোমল গান্ধাৰ ৰাগ শুনি ভাল পোৱাৰ দৰে। তুমি দূৰলৈ গুচি গ'লে মোৰ নিজৰ ওপৰত ধিক্কাৰ জন্মে।"
"কিয়?"- - - - -
"মই যেন শীতকাল আৰু তুমি শৰৎকাল।" (পৃ.২২)

অতৃপ্ত যৌৱনৰ অপ্ৰতিৰোধ্য গতিৰ ফলতে শুৱনিকণে নিজৰ অজ্ঞাতসাৰেই ৰবোৱাৰীয়েকৰ ককায়েক দুৰ্লভক ভাল পাই পেলালে। উপন্যাসখনত ইয়াৰ বৰ্ণনা দিয়া হৈছে এইদৰে ঃ

দুৰ্লভে তাইৰ দেহটো শিল্পীৰ উপযুক্ত মডেল বুলি কয়। দুৰ্লভৰ কথাত কিছুমান অশ্লীল ব্যঞ্জনা থাকে। তেওঁ বেয়া নেপায় সেইবোৰ শুনি। দুৰ্লভৰ লগত ফুৰোঁতে তেওঁৰ অনুমান হয় তেওঁ পুৰুষ বন্ধুৰ কাষত আছে। দুৰ্লভে সদায় কথা কওঁতে অসুখী নাৰী কিছুমানৰ কথা কয়, যিবিলাকে প্ৰেমিক বা গিৰিয়েকৰ হাতত বঞ্চিত হৈ সদায় পৰপুৰুষ বিচাৰি যায়। এইবোৰ কথা প্ৰথমতে শুৱনিকণৰ অশোভনীয় যেন লাগিছিল, কিন্তু দুৰ্লভৰ আদৰক নেওচা দিবলৈ তেওঁ ভাল নেপাইছিল। (পৃ.২৩)।

দুৰ্লভ বিবাহিত - সন্তানৰ পিতৃ। দুৰ্লভে শুৱনিকণৰ কামনাক জোঁকাৰি দিয়ে। বিপুলে এই কথা জানি নিজৰ অক্ষমতাৰ বাবে আঘাত পা[illegible] কিন্তু শুৱনিকণে "যিটো কাম ভাল বুলি তেওঁ গণ্য কৰে তাক তেওঁ নকৰাৰ [illegible]নো মানে দেখা নাই। দুৰ্লভৰ সাদৰ নেওচা দিবলৈ তেওঁ যেনেকৈ অপাৰগ, তেনেকৈ গিৰিয়েকৰ আলপৈচান ধৰাৰ পৰা বঞ্চিত হ'বলৈও তেওঁ অনিচ্ছুক।" (পৃ.১৭) ঔপন্যাসিকে ইমান সূক্ষ্মভাৱে চৰিত্ৰ অংকন কৰিছে যে শুৱনিকণে দুৰ্লভক ভাল পালেও— সামাজিক প্ৰথা অনুসাৰে বৰণ কৰা বৃদ্ধ স্বামীৰ প্ৰতি থকা কৰ্তব্যক অলপো আওকাণ কৰা নাই। উপন্যাসত শুৱনিকণে স্বামীক পৰিচৰ্যা কৰাৰ বৰ্ণনা এইদৰে দিয়া হৈছে ঃ

ভাব পিচত সংলগ্ন বাথ-ৰুমত নমাই দি শুৱনিকণে তেওঁক সৰু ল'ৰাৰ দৰে

ধৰি লৈ ঘহি-পিহি গৰম পানীৰে গাটো পখালি দিয়ে। শুৱনিকণে অনুভৱ কৰে সেইজন যেন তাইৰ স্বামী নহয়, কোমল ধুন্দুলি যেন এটি বুঢ়া ল'ৰা। তাইৰ নিচুকনি গীত গাবৰ মন যায়। ধুৱাই থাকোঁতে থাকোঁতে অকস্মাৎ জাৰ অনুভৱ কৰি · তেওঁ বিৰক্তি প্ৰকাশ কৰি চিঞৰে। - - - শুৱনিকণে তেতিয়াহে গা মচি ধুতি-কামিজ পিন্ধাই দিয়ে। লাহে লাহে শ্লিপাৰযোৰ পিন্ধি তেওঁলোক দুয়ো বাজুপাতি শোৱা কোঠালৈ আহে। ইচ্ছা কৰিয়েই শুৱনিকণে খোজবিলাক পাতলাই দিয়ে। (পৃ.৪১)

আনহাতে নিজৰ অক্ষমতাৰ বাবে শুৱনিকণক মুখ ফুটাই বিপুলে একো নকলেও তেওঁৰ অন্তৰত এটা গভীৰ সন্দেহে বাহ লৈছিল। শুৱনিকণে যেতিয়া মহিলা সন্মিলনৰ কামত দূৰলৈ গৈ দুই-তিনিদিন থাকিবলগীয়া হয়— তেতিয়াই বিপুলৰ মন সন্দেহ, ভীতি আৰু বিৰক্তিৰে ভৰি পৰে। (পৃ.৪২) শুৱনিকণে যেতিয়া দুৰ্লভৰ দুৰ্ঘটনাৰ খবৰ পাই বেদনাত ভাঙি পৰে, তাকে দেখি বিপুলৰ সন্দেহ বেছি ঘনীভূত হয়। বিপুল আৰু শুৱনিকণৰ কথা-বতৰাৰ মাজেদি উপন্যাসিত এইটো স্পষ্ট হৈ উঠিছেঃ

"তুমি তাক ভাল পাইছিলা নহয় শুৱনিকণ।"

"কোনে ক'লে?"— সংযত হৈ শুৱনিকণে ক'লে।

"তুমি, তোমাৰ ব্যৱহাৰে।"

"যদি কওঁ পাইছিলোঁ— তেতিয়া আপুনি মোক ঘিণ কৰিব নহয় নে?

"শুৱনিকণ!"

"কি?"

"মই ঘিণ নকৰোঁ। তোমাৰ প্ৰবৃত্তিৰ তাড়না তুমি সহ্য কৰিব নোৱাৰি যি কৰিছা সি মোৰ অক্ষমতাৰ পৰিচায়ক। তুমি দুৰ্লভৰ লগত ওলাই গ'লে মোৰ ভৰিহাল আৰু কোঙা হৈ পৰে।" (পৃ. ৫৩)

শুৱনিকণে বৃদ্ধ স্বামীৰ অক্ষমতাৰ কথা জানিও এজনী সুগৃহিণীৰ দৰে যেনেকৈ কৰ্তব্য কৰি গৈছিল— বিপুলেও তেনেকৈ অত্যন্ত সহানুভূতিৰে নিজৰ অক্ষমতাক স্বীকাৰ কৰি শুৱনিকণক ব্যভিচাৰিণী বুলি আঁতৰলৈ ঠেলি পঠোৱা নাই। মানসিক দ্বন্দ্বত বিপুল যেনেকৈ ক্ষত-বিক্ষত হৈ পৰিছিল, ঠিক তেনেকৈ বোৱাৰীয়েক অনীতাৰ চকুত যেতিয়া শুৱনিকণ ধৰা পৰি গৈছিল— তেতিয়া শুৱনিকণ অপমানত দগ্ধ হৈ পৰিছিল। শুৱনিকণে ভাবিছিল, "তাইৰ এই অস্তমিত যৌৱনেই তাইৰ অপমানৰ কাৰণ। প্ৰথমবাৰলৈ চেতনা হ'ল যে তাইক কোনোবাই চাই আছে, তাইৰ সকলো ব্যৱহাৰ, কাম, তাইৰ চৰিত্ৰ। এইজনী অনীতা নহয় যেন সমাজৰ বিবেক।" (পৃ. ৪৮) এইদৰেই ঔপন্যাসিকে এই উপন্যাসত দুজন ব্যৰ্থ নৰ-নাৰীৰ মানসিক দ্বন্দ্ব, সহৃদয় উপলব্ধিৰ মাজেৰে অংকন কৰিবলৈ যত্ন কৰিছে। বোৱাৰীয়েক অনীতাৰ ল'ৰাটোৰ জন্মৰ পিছত, দুৰ্লভৰ পথেৰেই শুৱনিকণ আঁতৰি যোৱাৰ আগমুহূৰ্তত বিপুল আৰু শুৱনিকণৰ কথা-বতৰাৰ মাজেদিয়েই এই কথাৰ সম্ভেদ পাব পাৰি। বিপুলে শুৱনিকণক কৈছে ঃ

"...মৰণ আচল শান্তি, শুবনিকণ। দুৰ্লভ কিমান ভাগ্যবান চোৱা। তাৰ মুক্তি হ'ল।"

"মুক্তি?"

" অঁ। সি ভোগ কৰিবলৈ অহিছিল; ভোগ কৰিলে, গ'ল। .... কিন্তু আমি ভোগৰ অভিনয় কৰিছোঁ। ত্যাগৰ অভিনয় কৰিছোঁ।... যন্ত্ৰণাত মৰিছোঁ। ভাবিছোঁ তাৰ সলনি মোক নেমাৰিলে কেলেই ভগবানে।"

"কিয়?"

"তেতিয়া তোমাক সি মোতকৈ বেছিকৈ মৰম কৰিব পাৰিলেহেঁতেন।"

"ছিঃ ছিঃ কি ভাবিছে।.... মই কিমান তললৈ নামিছিলোঁ আপুনি নেজানে।"(পৃ.৫৯)

কথা-বতৰাৰ শেষত শুবনিকণৰ অন্তৰত সৃষ্টি হোৱা আত্মগ্লানিৰ প্ৰকাশ ঘটিছে এইদৰে, "আপুনি এটা মন্দিৰৰ চূড়াৰ দৰে ওখ, মই মাটিৰ তলৰ পোক।" (পৃ.৬০)

মাতৃত্ব নাৰীৰ এটা জৈৱিক ধৰ্ম। মাতৃত্বৰ এই স্বধৰ্ম দাম্পত্য জীৱনত শুবনিকণে পালন কৰিব নোৱাৰিলে। দুৰ্লভৰ সংসৰ্গত শুবনিকণ গৰ্ভৱতী হ'ল। কিন্তু এই গৰ্ভজাত সন্তানক স্বীকৃতি দিয়াৰ বাবে দুৰ্লভ জীয়াই নাথাকিল আৰু জীয়াই থাকিলেও সমাজে কোনোদিনেই স্বীকৃতি নিদিলেহেঁতেন। সেয়ে মাতৃত্বৰ এই দুৰ্নিবাৰ আকাংক্ষাক শুবনিকণে পূৰ্ণ কৰিছে অনীতাৰ প্ৰসব বেদনা আৰু সন্তান লাভৰ মাজেদি ঃ

দুৰ্লভৰ শৰীৰ ছাই হৈ উৰি গ'ল আকাশলৈ। কিন্তু শুবনিকণ নামি নাহিল ওপৰ-মহলৰ পৰা। তাই একান্তমনে নৱজাতকৰ আশাত বহি ৰ'ল অনীতাৰ কাষত, ঠিক কাষত নহয়, বাৰাণ্ডাত। অনীতাৰ যন্ত্ৰণাৰ শব্দ গধূলিৰ ভাগে যিমানে বেছি হৈ আহিল, সিমানে দৰাঘৰত বেণ্ড-পাৰ্টিৰ কোৰ্হাল বাঢ়িল, সিমানে ওপৰ মহলৰ বাৰাণ্ডাত বহি বহি আন্ধাৰে-মুন্ধাৰে শুবনিকণে উচুপিবলৈ লাগিল। সেই উচুপনি একমাত্ৰ নিজৰ বাহিৰে কাৰো ওচৰত ধৰা নপৰিল। কোনেও নেজানিলে সেই উচুপনি বিক্তা মাতৃৰ নে বঞ্চিতা মাতৃৰ? (পৃ.৫৮)

শেষত শুবনিকণে দুৰ্লভে দিয়া বেনাৰসী শাৰীখন পিন্ধি পুতেক বোৱাৰীয়েকক এৰোড্ৰামৰ পৰা আগুবাই আনিবলৈ বুলি গুচি গৈ আৰু উভতি নাহিল — অৰ্থাৎ আত্মহত্যা কৰিলে। বোৱাৰীয়েক মঞ্জুৰ আগত বিপুলে ক'লে, "সেই শাৰীখন পিন্ধি তেওঁ তাৰ গুৰিলৈকে গ'ল। মই দেখা পাইছোঁ।" (পৃ.৭০) বিপুলে অনুভৱ কৰিছিল অবৈধভাৱে গৰ্ভৱতী হোৱা পত্নীয়ে তেওঁৰ ওচৰত থাকিব নোৱাৰিলে। সেয়ে বোৱাৰীয়েক মঞ্জুৰ আগত স্বীকাৰ কৰি বিপুলে ক'লে, "তোৰ আগত ক'বলৈ বাধে। কওঁ বাৰু শুন। তেওঁ মাহী হৈহে আছিল। শেষত মাক হ'ল। আৰু তাতেই যৱনিকা।" (পৃ.৭৪) শুবনিকণৰ আত্মহত্যা আৰু বিপুল দাসে ঘৰৰ ওপৰ মহলাত বহি ব্ৰহ্মপুত্ৰৰ সোঁতৰ গৰ্জন শুনাৰ মাধ্যমেদি জৈৱিক জীৱনৰ বহমান স্ৰোতক মানি লৈছে। সেয়ে এই উপন্যাসখন দুৰ্নিবাৰ দৈহিক আৰু প্ৰাকৃতিক শক্তিৰ বিপৰীতে মানুহৰ নিৰুপায় অৱস্থাৰ উপলব্ধি বুলি গোবিন্দ প্ৰসাদ শৰ্মাই

মন্তব্য কৰিছে।[৫] বিপুল আৰু শুৱনিকণৰ দাম্পত্য জীৱনে আনফালে দেখুৱাইছে - - পৰম্পৰাগত বৈবাহিক প্ৰথাৰ সাৰশূন্যতা। কাৰণ এই বিবাহ - পৰম্পৰাগত নৰ-নাৰীৰ ভালপোৱাৰ ভিত্তিত প্ৰতিষ্ঠিত নহয়। শুৱনিকণে আন এজন পুৰুষক ভাল পাই নাৰী জীৱনৰ সৰ্বস্ব দান কৰাৰ পিছতো স্বামীৰ প্ৰতি শাশ্বত নাৰীৰ কৰ্তব্য পালন কৰি পৰম্পৰাৰ ওচৰতে পৰাজয় স্বীকাৰ কৰিছে। এই বিবাহত স্বামী-স্ত্ৰী সম্পূৰ্ণ যান্ত্ৰিক। দুটা শৰীৰ এটা কক্ষত আৱদ্ধ হৈ থাকিলেও আত্মাই মুক্তি বিচাৰে। এই দৃষ্টিভংগীৰ পৰা শুৱনিকণক আমি নাৰীবাদী চৰিত্ৰ বুলি ক'ব নোৱাৰোঁ। যদি শুৱনিকণে এনে এটা জীৱনক অস্বীকাৰ কৰি নাইবা আত্মহত্যাৰ পথ বাছি নলৈ - - পৰম্পৰাগত বিবাহ প্ৰথাৰ স্বৰূপ উদঙাই দি নতুন জীৱন যাপন কৰিবলৈ আগবাঢ়ি গ'লহেতেঁন, তেনেহ'লে এই চৰিত্ৰটোৱে নাৰীবাদী ৰূপ পৰিগ্ৰহ কৰিলেহেতেঁন। কিন্তু এই উদ্দেশ্য ঔপন্যাসিকৰ নথকাৰ বাবে জৈৱিক ধৰ্মৰ বিপৰীতে মানৱৰ অসহায় অৱস্থা অৰ্থাৎ প্ৰকৃতিবাদী চিন্তাহে এই উপন্যাসত ফুটি উঠিছে।[৬]

মৃত্যুঞ্জয়

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'[৭] (১৯৭০) এখন ৰাজনৈতিক উপন্যাস। এই উপন্যাসৰ পটভূমি হৈছে— ১৯৪২ চনৰ শেষ স্বাধীনতা আন্দোলনৰ সময়ত অসমত সংঘটিত হোৱা এটি সন্ত্ৰাসবাদী কাৰ্য। অসমৰ এচাম সন্ত্ৰাসবাদীৰ আত্মত্যাগ, বৈপ্লৱিক চেতনা আৰু তেওঁলোকৰ মানসিক দিশৰ ক্ৰিয়া -প্ৰতিক্ৰিয়া এই উপন্যাসৰ মূলবস্তু। গোবিন্দ প্ৰসাদ শৰ্মাই এই উপন্যাসৰ কাহিনীভাগত হেমিংওৱেৰ 'ফৰ্ হুম্ দা বেল্ ট'ল্চ'ৰ প্ৰভাৱ পৰা বুলি তেখেতৰ গ্ৰন্থ 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ ঔপন্যাসিক'ত উল্লেখ কৰিছে।[৮]

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ পৰিপ্ৰেক্ষিতত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি নেতাসকল কাৰাগাৰত থাকিবলগীয়া হৈছিল। ইয়াৰ ফলতে সৃষ্টি হৈছিল জনতাৰ মাজত ক্ষোভ। জনসাধাৰণৰ একাংশই গান্ধীজীৰ অহিংস পথত বিশ্বাস হেৰুৱাই সশস্ত্ৰ পথ বাছি লৈছিল। ঔপন্যাসিকে এনে এটি সত্য ঘটনাৰ আলম লৈয়েই কিছুমান কাল্পনিক চৰিত্ৰ সৃষ্টি কৰি সেই সময়ৰ সন্ত্ৰাসবাদী আন্দোলনৰ এটা চিত্ৰ আঁকিবলৈ যত্ন কৰিছে।

অসমত এচাম পুৰুষ সন্ত্ৰাসবাদীৰ দৰে নাৰী বিপ্লৱীসকলেও সন্ত্ৰাসবাদী আন্দোলনত যোগ দি স্বাধীনতা আন্দোলনত নাৰীৰ অংশগ্ৰহণৰ উজ্জ্বল দৃষ্টান্ত ৰাখি থৈ যোৱাৰ কথা আমি আগৰ অধ্যায়তে আলোচনা কৰিছোঁ। অসমত নাৰীৰ সংগ্ৰামী ভূমিকা এই উপন্যাসত কেনেদৰে উপস্থাপন কৰা হৈছে তাকে আমি

আলোচনাৰ মাজেদি দাঙি ধৰিবলৈ যত্ন কৰিম।

উপন্যাসৰ প্ৰধান পুৰুষ চৰিত্ৰ মায়ঙৰ মহদা গোস্বামী, ৰূপনাৰায়ণ আদি মূলতঃ গান্ধীবাদী। কিন্তু অহিংসাৰ পথ বিফল হোৱা দেখি আৰু স্বাধীনতা আন্দোলনৰ নেতাসকল জেলত বন্দী হৈ থকা কাৰণে-এই গান্ধীবাদী অহিংসাত বিশ্বাসী কৰ্মীসকল হতাশাগ্ৰস্ত হৈ সন্ত্ৰাসৰ পথ গ্ৰহণ কৰিলে। কিন্তু উপন্যাসৰ শেষৰ পিনে গোঁসাই আৰু ৰূপনাৰায়ণে উপলব্ধি কৰিছে যে অহিংসাৰ পথেইহে আচল পথ ঃ

> *গোঁসাইৰ হাত দুখনত তেতিয়াও মানুহৰ কেঁচা তেজ লাগি আছিল, সেই তেজৰ দাগৰ পৰশ মানুহটোৱে সহ্য কৰিব পৰা নাছিল। অলপ দূৰ গৈ মানুহটোৰ হাত-ভৰি কঁপিবলৈ ধৰিলে। বোধ হয় ঠাণ্ডাত জ্বৰ উঠি মানুহটোৰ গা অৱশ কৰি পেলাইছিল। .....এবাৰ মনৰ আবেগ দমন কৰিব নোৱাৰি মানুহটোৱে ক'লে, মানুহ নমৰাকৈ যদি যুঁজিব পাৰিলেহেঁতেন তেন্তে কিমান সুন্দৰ হ'লহেঁতেন। কিন্তু তাকে ইহঁতে নিদিলে। মহাত্মা বাহিৰত থকাহেঁতেন কিজানি এনে যুঁজ নহ'লহেঁতেন। (পৃ.১৮০)*

ৰূপনাৰায়ণৰ মনতো দ্বন্দ্বৰ সৃষ্টি হৈছে। অহিংসা ভাল নে সহিংসা ভাল। হত্যাক নানা যুক্তিৰে মানি লৈয়ো তেওঁ মানসিক শান্তি পোৱা নাই ঃ

> *ৰূপনাৰায়ণৰ আগৰ আত্মবিশ্বাস হেৰাই গৈছে। ..... ভুল কৰিছো বুলি ধাৰণা হোৱা নাই, কিন্তু মনত যেন আনন্দ আৰু উৎসাহ একো নোহোৱা হৈছে। মানুহৰ তেজেৰে মানুহৰ হাত বোলালে কোনে আনন্দ কৰিব পাৰে? যুদ্ধ বৰ নিষ্ঠুৰ। গৰিলা যুঁজো নিষ্ঠুৰ। (পৃ.পৃ.১৮০-১৮১)*

হিংসা আৰু অহিংসাৰ প্ৰশ্নক লৈ মানসিক দ্বিধাগ্ৰস্ততা থাকিলেও এই স্বাধীনতাকামী অসমীয়া বিপ্লৱীসকলে সন্ত্ৰাসবাদৰ দ্বাৰা আকৰ্ষিত হৈছিল। জীৱনৰ সকলো মায়ামোহ জলাঞ্জলি দি এই সন্ত্ৰাসবাদীসকলে নগাঁৱৰ মায়ং অঞ্চলত কামপুৰ ৰেলষ্টেচনৰ ৰেল বগৰোৱাৰ কাহিনী ঔপন্যাসিকে এই উপন্যাসত দাঙি ধৰিছে। উপন্যাসত পুৰুষ চৰিত্ৰসমূহৰ লগতে নাৰী চৰিত্ৰ কলীবাই আৰু ডিমি প্ৰধান বিপ্লৱী নাৰী হিচাপে আত্মপ্ৰকাশ কৰিছে।

ৰাজনৈতিক জ্ঞানত ধনপুৰ আৰু ভিভিৰামৰ দৰে সন্ত্ৰাসবাদী বিপ্লৱীসকলক শিকাব পৰা মহিলা আছিল-ক'লীবাই। উপন্যাসত ধনপুৰ আৰু ভিভিৰামৰ আলোচনাৰ মাজেদি ক'লীবাইৰ পৰিচয় দাঙি ধৰা হৈছে এনেদৰে ঃ

> *...... ৰহাতে আছিল ক'লীবাইদেউ। ক'লীবাইদেউলৈ ডাঁৱৰ বাতৰি ডাঁৱে আহি থাকে। সিপিনে গুৱাহাটী ইপিনে উজনিৰ কলিয়াবৰ। কামপুৰৰ কথাটো বাদেই দে। বৰ ভাল শিপিনী বাইদেউ। জানই নহয় বাৰপুজীয়াত ঘৰ। পৰিছিল কামপুৰৰ কোঁচ মানুহ এঘৰলৈ - মনুৰাম হ'ব পায় নামটো। যোৱাবেলি অচিন বেমাৰ হৈ মৰিল। মনত আছে নহয়? (পৃ.৭)*
>
> *....... ক'লীবাইদেউ এতিয়াও গাভৰু হৈ আছে। পিছে শুনাইক, ক'লীবাইদেৱে ক'লে, তুমি মোৰ লগত যাব পাৰিবা? মই সুধিলোঁ, ক'লৈ? ক'লে,*

বাৰপূজীয়ালৈ। ক'লোঁ পাৰিম।... ক'লী বাইদেৱে টোপোলা-টাপলি লৈ মোৰ লগত ওলাই আহি পথৰুৱা ৰাস্তাত উঠিলেহি। তেতিয়া বেলি দুপৰ হৈছে। বৰ খোজ কাঢ়ে মানুহজনীয়ে। নামটোহে ক'লী। কিন্তু দেখিবলৈ চেনিচম্পা ফুলপাহৰ দৰে। (পৃ.৮)

ক'লীবাইৰ প্ৰাথমিক পৰিচয় এজনী গাঁৱলীয়া সাধাৰণ তিৰোতা হ'লেও তেওঁৰ মাজত কৰ্মঠ, ৰাজনৈতিক কাৰ্যত তৎপৰতাৰে লিপ্ত হৈ পৰা, সকলোৰে প্ৰিয় এগৰাকী মহিলাৰ ছবি আমি পাওঁ। বাৰপূজীয়াত শান্তি সেনাই মিটিং পাতি থকা অৱস্থাত পুলিচৰ হাতৰ পৰা গাঁওবাসীক বচাবলৈ তিলক ডেকাই আত্মবিসৰ্জন দিছিল। ইয়াৰ পিছতে গাঁওবাসীৰ ওপৰত চলোৱা পুলিচী নিৰ্যাতনৰ পৰা এগৰাকী ধৰ্ষিতা গাভৰুক উদ্ধাৰ কৰি আনি আশ্ৰমত চিকিৎসা কৰোৱাৰ কথাই ক'লীবাইৰ নিৰ্ভীক চৰিত্ৰ ফুটাই তুলিছে।

ক'লীবাই এজনী সাধাৰণ গাঁৱলীয়া মহিলা হৈয়ো ৰাজনীতি আৰু গৰিলা যুদ্ধ সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিল। ধনপুৰে ভিভিৰামৰ আগত ক'লীবাইৰ সম্পৰ্কে কোৱা কথাৰ পৰাই এইটো স্পষ্ট হৈ উঠিছে ঃ

ক'লী বাইদেৱে ক'লে, যুদ্ধ। চীনে যেনেকৈ কৰিছে। মই সুধিলো, চীনেনো কি কৰিছে? বাইদেৱে আচৰিত হৈ ক'লে, মৰিবলৈ ধৰা খবৰ কাগজ নপঢ় নেকি? চীনে জাপানৰ লগত যুদ্ধ কৰিছে। গোটেইখন মাত্ৰ যুদ্ধ। কালি বৰপূজীয়াত ইইঁতে তাৰে কথা ভাবিছে। বন্দুক-বাৰুদ গোটাই এটা গৰিলা ফৌজ কৰিব। — মই গৰিলা মানে কি একো নাজানো, আকৌ সুধিলো, বাইদেউ গৰিলা মানে কি? বাইদেৱে ক'লে, মাৰৰ মূৰটো। অৰ্থ ময়ো নাজানো। কিন্তু আচল কথা হ'ল জহনিত বোবাইঁতৰ লগত লুকাই-চুৰকৈ যুদ্ধ কৰা। বন্দুক-বাৰুদ গোটাই — বাইদেউ আকৌ ক'ল, কিন্তু খবৰদাৰ, কাৰো আগত একো নকবি। বেৰৰ চালকো নকবি। বেৰৰ চালৰো কাণ আছে। বুজিছ। (পৃ.১১)

গৰিলা যুদ্ধ সম্পৰ্কে ক'লীবাইৰ জ্ঞান পুৰুষ বিপ্লৱী ধনপুৰতকৈ উচ্চ খাপৰ। ক'লীবায়ে খবৰ কাগজৰ দ্বাৰা দেশ-বিদেশৰ খবৰো ৰাখে। ৰাজনৈতিক নেতাসকলৰ খবৰ অনা-নিয়াৰ দায়িত্ব ক'লীবাইৰ। মানৱীয় স্নেহ অনুভূতিৰেই ক'লী বাইৰ হৃদয় সিক্ত। সেয়ে পুলিচৰ দ্বাৰা শাৰীৰিকভাৱে নিৰ্যাতিতা সুভদ্ৰাক আসন্ন মৃত্যুৰ মুখৰ পৰা চিকিৎসাৰ বাবে লৈ অহা সময়ত অকলশৰীয়াকৈ এৰি অহা সুভদ্ৰাৰ মাকক একো দি আহিব নোৱাৰাৰ বাবে ক'লীবায়ে অশান্তি পাইছে। (পৃ.১১) ধনপুৰে সুভদ্ৰাক কান্ধত লৈ বহা পোৱাৰ পিচত নাৰী নিৰ্যাতনৰ ৰূপ দেখি মানসিকভাৱে দুৰ্বল হৈ পৰিছিল। এই অৱস্থাত ক'লীবায়ে এজনী প্ৰকৃত আন্দোলনকাৰী নেত্ৰীৰ দৰে ধনপুৰক দেশৰ অগণন ধৰ্ষিতা নাৰীৰ প্ৰতি থকা কৰ্তব্যৰ কথা সোঁৱৰাই দিছিল। ডাক্তৰখানালৈ ডাক্তৰক মাতিবলৈ যাবলৈ কৈ ধনপুৰক ক'লীবায়ে কৈছিল, "এজনীৰ গোন্ধতে ইমান। মিলিটেৰী পুলিচে কিমানৰ এইদৰে সতীত্ব নাশ কৰিছে তাক দেখা হ'লে মূৰ আচন্দ্ৰাই কৰি পৰি গলিহেঁতেন। এইটো গোন্ধ

সহ্য কৰিব লাগিব। অত্যাচাৰৰ গোন্ধ।" (পৃ.১৩) ইয়াত ক'লীবাইৰ বিপ্লৱী দৃঢ়তা ফুটি উঠিছে।

ক'লীবাই এজনী নাৰী হ'লেও বিপ্লৱীসকলৰ গোপন ঘাটিত গৈ যুদ্ধৰ বাবে প্ৰেৰণা যোগাইছিল ঃ

> *তাই ক'লে, মোৰ সোণামুৱাইঁতক বিপ্লৱৰ পৰা বিৰত কৰে বুলি মোৰ ভয় লাগিছিল। মহাত্মাক লগ পাবৰে পৰা সূতা কাটিছোঁ। আজি পুৱাও ডিমিৰ লগত বহি সূতা কাটিছোঁ। এডালো সূতা আউল লগা নাই। তোমালোকৰ সূতা কটাৰ অভ্যাস নাই। সেইবাবে মনত আউল লাগিছে, বুজিছা তোমালোকৰ ভুল হোৱা নাই। কৰ্তব্য কৰি যোৱা। যদি মৰা মৰিবা। বাচি থাকিনো কি কৰিবা? মই বুঢ়ী হ'লো। তথাপি যদি তোমালোকে মোক বিচৰা, মই তোমালোকৰ লগত যাম। (পৃ.১৪৮)*

দধি মাষ্টৰে যেতিয়া গোসাঁই, ৰূপনাৰায়ণৰ আগত গাঁৱত পুলিচৰ নিৰ্যাতনৰ স্বৰূপ দাঙি ধৰি পাকে-প্ৰকাৰে ৰেল বগৰোৱা কামত অগ্ৰসৰ নহ'বলৈ কৈছিল, তেতিয়া ৰূপনাৰায়ণ আৰু গোসাঁইৰ মনৰ মাজত দ্বিধাগ্ৰস্ততাই দেখা দিছিল। ক'লীবায়ে এনে এটা সময়ত বিপ্লৱীসকলৰ মনৰ পৰা দ্বিধাগ্ৰস্ততা আঁতৰ কৰি কৰ্তব্যৰ পথলৈ ঠেলি দিছিল।

ঔপন্যাসিকে এইদৰে ক'লীবাইৰ চৰিত্ৰটি বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে দেশৰ জনগণক মুক্ত কৰিব খোজা বিপ্লৱী নাৰী চৰিত্ৰ হিচাপে ফুটাই তুলিছে। কোৱা বাহুল্য, অসমীয়া সমাজত এনে স্থান পাব পৰা নাৰী আছে বাবেই, অসমীয়া উপন্যাসতো এনে নাৰী আমি দেখিলোঁ।

'মৃত্যুঞ্জয়' উপন্যাসৰ দ্বিতীয় আৰু অন্যতম আকৰ্ষণীয় নাৰী চৰিত্ৰ ডিমি। ডিমি সুঠাম দেহৰ এজনী কাৰ্বি গাভৰু। গাৰো এজনলৈ বিয়া হৈছিল। কিন্তু ডিমি গৃহস্থীত সোমাইয়ো যেতিয়া আশ্ৰমলৈ আহিছিল—তেতিয়া গোপনীয়তা ভংগ হয় বুলি ভিভিৰামৰ ভয় হৈছিল। সেয়েহে ভিভিৰামে গাৰো গাঁৱৰ পৰা অহা ডিমিক মিত্‌দাত হাত থৈ যেতিয়া প্ৰশ্ন কৰিছিল, তেতিয়া ডিমিয়ে উত্তৰ দিছিল এইদৰে, "মই জানো কিবা তামোল পুলি? একে ঘাপেই যে কাটিব পাৰিবি? মই জানো কিবা বলিৰ গাহৰি তই দিও বুলিয়েই বলি দিব পাৰিবি? মিত্‌দা সামৰি থ। মই এটা কামত আহিলোঁ।" (পৃ.৮৫)

বিয়াৰ আগৰে পৰাই ডিমিয়ে ধনপুৰক ভাল পাইছিল। সেয়ে ডিমিয়ে লাহে লাহে তাইৰ প্ৰেমিক ধনপুৰৰ পথকে গ্ৰহণ কৰি গৰিলা দলটোক কাম-কাজত আগুৱাই নিয়াৰ বাবে তৎপৰ হৈ পৰে। সেয়েহে গোঁসায়ে ধনপুৰক তেওঁলোকৰ লগত থকা কাগজ-পত্ৰসমূহ নগাঁৱৰ অফিচলৈ পঠাবলৈ বুলি ডিমিৰ হাততে জমা দিছে।

ধনপুৰ আৰু ডিমিৰ আত্মীয়তা আৰু বেছিকৈ বৃদ্ধি পাইছিল। যুদ্ধক্ষেত্ৰত মৃত্যুৰ লগত মুখামুখি হৈ ধনপুৰক ডিমিয়ে তাইৰ জীৱনত নতুনকৈ আবিষ্কাৰ

কৰিছে ঃ

ডিমিয়ে উত্তৰ দিলে, মোৰ মানুহ এটা আছে সঁচা কথা, কিন্তু তোৰ দৰে ইমান ভয় ন'ইকিয়া, পোনপটীয়া, দুখক দুখ নোবোলা মতা কেইটা আছে? তোক মোৰ পৰা মই বেলেগ বুলি নেভাবোঁ। তই মোৰ ওচৰতে বহ। এইদৰে ওচৰত বহি থকোঁতে তোৰ দেহলাওটো মই লাওৰ ভিতৰত সুমুৱাই থ'ম। তই যদি বৰ বিপদতো পৰ, জীৱটো মোৰ হাতত থাকিব। মোৰ হাতত দেহলাওটো থাকিলে তোৰ একো ভয় নাই। (পৃ.১০৩)

মিলিটেৰীৰ গুলীৰ আঘাতত ধনপুৰৰ মৃত্যু আসন্ন হৈ অহা সময়ত মাত্ৰ সি এবাৰ ডিমিক চুমা খাবলৈ বিচাৰিছিল। সংকট অৱস্থাত দলৰ আনবোৰক যখিনীখোৰৰ পৰা পঠাই মৃত্যুৰ ক্ষণ গণি থকা ধনপুৰক শেষবাৰলৈ ডিমিয়ে চুমা যাচিছিল। তাই বলিয়াৰ দৰে হৈ পৰিছিল। গাৰো গাঁও পুলিচে উছন্ন কৰি পেলাইছিল। ডিমিয়ে তাইৰ শূন্য ঘৰখনলৈ গৈ দাৰোগা শইকীয়াক দেখি মিত্‌দাত হাত-থৈ ফেঁটী সাপৰ দৰে ফেঁট তুলি কৈছিল, " ইমানবোৰ কৰি হেঁপাহ পলোৱা নাই তোৰ, মোলৈও হুমিয়াইছ?" (পৃ.১৯৮) "শইকীয়াই এনে নিৰ্ভীক তিৰোতা আগতে দেখা নাছিল। ৰিভলভাৰলৈও তাইৰ ভয় নাই।" (পৃ.২০০)

সাহসী ডিমিয়ে দাৰোগা শইকীয়াৰ হাতৰ পৰা পলাই গৈ জ্বলাই দিয়া গাৰো গাঁৱৰ মানুহখিনিক লগ ধৰি যি নতুন জীৱনৰ আহ্বান শুনাইছে, সেইটো এগৰাকী বিপ্লৱী নাৰীৰ বাবেহে সম্ভৱপৰ ঃ

ডিমিয়ে এইবাৰ মুখৰ পানী মচি চুলিকোছা মেলি দিলে। তাৰ পিছত ক'লে, তেন্তে তহঁত ইয়াত বৈ কি কৰিছ? ব'ল জুই নুমাগৈ যা।
ডিমিৰ কথাত এটা আদেশৰ সুৰ। এনেকৈ মতা মানুহক আদেশ দিয়াৰ শক্তি তাই ক'ত পালে তাক জয়ৰামে তত ধৰিব নোৱাৰিলে। মানুহবোৰৰ এইবাৰ চেতনা হ'ল। সকলো গাঁৱৰফালে দৌৰ ধৰিলে। সকলোৰে শেষত গ'ল ডিমি আৰু জয়ৰাম (পৃ.২০২)

এনেধৰণে ডিমিয়ে অত্যাচাৰত ক্ষতবিক্ষত হোৱা গাঁৱৰ মানুহৰ মনত এক নতুন উদ্যমৰ সৃষ্টি কৰিলে। আনহাতে এজনী সাধাৰণ কাৰ্বি গাভৰু হৈয়ো ডিমি অসাধাৰণ বুদ্ধিসম্পন্না আৰু সাহসী। তাইক জেললৈ নি কৰ্মী সকলক চিনাক্তকৰণ কৰিবলৈ কোৱাতো এজনো কৰ্মীক চিনাক্ত কৰি নিদিয়া; কৰ্মীসকলৰ খবৰ কঢ়িয়াই অনা আদিয়ে ডিমিৰ বিপ্লৱী চৰিত্ৰৰে প্ৰমাণ দিয়ে। ক'লীবাইৰ চৰিত্ৰত যিদৰে গান্ধীবাদৰ প্ৰভাৱ আছে, ডিমিৰ চৰিত্ৰত আছে স্বৰাজ সাধনৰ কৰ্তব্যৰ বাবে আগুৱাই যাওঁতে মৰণক নেওচা দিব পৰা ক্ষমতা।

উপন্যাসৰ শেষত বৃটিছ চৰকাৰৰ দাৰোগা এজনৰ পত্নী অনুপমাইও উপলব্ধি কৰিছে যে দেশখনৰ কিবা এটা হৈছে। অনুপমাৰ উপলব্ধিতো ডিমিৰ আভাস পোৱা যায় ঃ

ডিমি গ'ল। যোৱাৰ লগে লগে অনুপমাই ক'লে, দেশখনৰ কিবা এটা হৈছে বুজিছা। মই বুজি পাইছোঁ। নহ'লে এই গাৰো মানুহজনীৰ মন এনেকৈ কিয় দাং

খাই উঠিব? পুলিচে কিয় কাম এৰিব? শই শই মানুহ এনেকৈ কিয় জেল খাবলৈ আহিব? (পৃ.২৬৮)

উপন্যাসৰ আন এটি নাৰী চৰিত্ৰ সুভদ্ৰা। সুভদ্ৰা এজনী গাঁৱলীয়া ছোৱালী। গাঁওবোৰত কপাহ বিলায়, সূতা কাটিবলৈ শিকায় আৰু খবৰ অনা-নিয়া কৰে। (পৃ.১২) মিলিটেৰীৰ দ্বাৰা এই ছোৱালীজনী ধৰ্ষিতা হোৱাৰ পিছত ক'লীবায়ে আশ্ৰমলৈ আনি চিকিৎসা কৰে। ধনপুৰে তাইক বিয়া কৰাবলৈ প্ৰতিশ্ৰুতি দিলেও তাই অৱশেষত আত্মহত্যাৰ পথ বাছি লৈ দুৰ্বল মানসিকতাৰ পৰিচয় দিয়ে। উপন্যাসত সুভদ্ৰা এজনী নিৰ্যাতিতা গাভৰু। মূল চৰিত্ৰ ক'লীবাই আৰু ডিমিক বাস্তৱিকতে সন্ত্ৰাসবাদী মহিলাৰ অনুকৰণতে ঔপন্যাসিকে সৃষ্টি কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকাত বহুতো মহিলাই গান্ধীজীৰ অহিংস আন্দোলনত যোগদান কৰাৰ লগে লগে গোপন আৰু সন্ত্ৰাসবাদী কাম-কাজতো লিপ্ত হৈ পৰিছিল। এওঁলোকে পুৰুষ কৰ্মীসকলৰ দৰে দলং আৰু চৰকাৰী কাৰ্যালয় পোৰা, ৰেল সংযোগ বিচ্ছিন্ন কৰা, নাও বুৰোৱা, চৰকাৰী চাকৰিয়ালৰ বন্দুক কাঢ়ি নিয়া আদি কাৰ্যত লিপ্ত আছিল। আনকি পহৰা দিয়া আৰু ছদ্মবেশে গোপন বাতৰি আদান-প্ৰদান কৰা কাৰ্যও কৰিছিল। শংকৰ চন্দ্ৰ বৰুৱাৰ পত্নী অন্ন প্ৰভা বৰুৱা, চকলাঘাটৰ জয়মতী শইকীয়া, পেবোৱাৰ ইনামাই বৰা, নগাঁৱৰ বুদ্ধেশ্বৰী হাজৰিকা, দৈৱকী দাস, পাণিলতা দাস, ৰত্নবালা ফুকন, আইকন ভূঞা, ৰেৱতী লাহন আদি অসমৰ উল্লেখযোগ্য মহিলা কৰ্মী।[৮]

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অহিংস আৰু সন্ত্ৰাসবাদী আন্দোলনে এইটো প্ৰমাণ কৰিলে যে নাৰীৰো পুৰুষৰ দৰে সমানে যি কোনো পৰিস্থিতিৰ মুখামুখি হোৱাৰ সাহস আৰু সামৰ্থ্য আছে। নাৰী পুৰুষতকৈ বল-বীৰ্যত হীন, অবলা আদি পৰম্পৰাগত যি বিশ্বাসে নাৰীক ঘৰৰ ভিতৰত আবদ্ধ ৰাখিছিল — সেই বিশ্বাসৰ অৰ্থশূন্যতা এই আন্দোলনে প্ৰমাণ কৰিলে। এই আন্দোলনৰ পটভূমিতে ক'লীৰ আৰু ডিমিৰ নিচিনা সংগ্ৰামী নাৰীসকলেই নাৰীবাদৰ প্ৰথম চেতনা সৃষ্টি কৰিলে।

ৰাজনৈতিক সংগ্ৰামৰ মাজতো ক'লী, ডিমিহঁতৰ দৰে নাৰীৰ অন্তৰৰ সুকোমল মনোবৃত্তি কিন্তু শেষ হৈ যোৱা নাই। ক'লীবায়ে পুলিচৰ অত্যাচাৰত বলি হোৱা সুভদ্ৰাক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে— এজনী মাতৃৰ দৰেই। মৃত্যুৰ দুৱাৰডলিত থিয় হোৱা ধনপুৰক গালে-মুখে হাত ফুৰাই দি কৈছে, " এইবাৰ ভাল হ'লে আৰু এজনী সুভদ্ৰা আনি দিম।" (পৃ.১৭৪) ডিমিয়ে নতুনকৈ উপলব্ধি কৰিছে, "যোৰ দুবিধ। এবিধ নিজৰ মনে পতা যোৰ। আৰু ই বিধ বাপেক মাকে পতা যোৰ। কোনটো ভাল। তাইক নিজে যোৰ পাতিবলৈ দিয়া হ'লে, তাই নিশ্চয় ধনপুৰক বৰিলেহেঁতেন।" (পৃ.৮৯) সেয়ে বিবাহিতা হৈয়ো ডিমিয়ে সকলো সামাজিক সংস্কাৰ জলাঞ্জলি দি সকৰে পৰা ভালপোৱা ধনপুৰক, তাৰ মৃত্যুৰ আগে আগে চুমা খাইছে।

ডিমি আৰু ক'লীবাইৰ চৰিত্ৰৰ মাজেদি উপন্যাসত ঔপন্যাসিকে নাৰীক ৰাজনৈতিক সংগ্ৰামত যোগ দিয়াটো দেখুৱাইছে। কিন্তু এই জাতীয় *আন্দোলনৰ ফলত পৰিয়াল আৰু* সমাজত নাৰীৰ স্থানৰ কোনো পৰিবৰ্তন নহ'ল। আন্দোলনৰ পিছত নাৰী আকৌ পত্নী আৰু মাতৃ হিচাপে পৰম্পৰাগত কৰ্তব্যৰ মাজত সোমাই পৰিল। সেয়ে এই উপন্যাসত নাৰী সামাজিক স্থানৰ কোনো পৰিবৰ্তন দেখুৱা হোৱা নাই। অৱশ্যে ৰাজনীতিৰ ক্ষেত্ৰত অসমীয়া নাৰীৰো যে প্ৰতিভা পুৰুষতকৈ কোনো গুণে হীন নহয়, তাৰ ইংগিত বহন কৰিছে এই উপন্যাসে।

প্ৰতিপদ

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ *'প্ৰতিপদ'*[১০] (১৯৭০) প্ৰাক্ স্বাধীন যুগৰ ডিগবৈ শোধনাগাৰৰ বনুৱা ধৰ্মঘটক (১৯৩৮-১৯৩৯) কেন্দ্ৰ কৰি লিখা সমাজবাদী চিন্তাধাৰাৰ এখন উপন্যাস। অমলেন্দু গুহৰ 'প্লেন্টাৰ ৰাজ টু স্বৰাজ' *(Planter-Raj to Swaraj)* নামৰ গ্ৰন্থত এই বনুৱা ধৰ্মঘটৰ কথা উল্লেখ কৰিছে। উপন্যাসত এই সত্য ঘটনাটোক অক্ষুণ্ণভাৱে উপস্থাপন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ লগে লগে সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ আভাসো উপন্যাসত অবিকৃতভাৱে প্ৰকাশ পাইছে। ১৯৩৮ চনত গোপীনাথ বৰদলৈৰ চৰকাৰ প্ৰতিষ্ঠা, এই চৰকাৰৰ প্ৰতি বনুৱাসকলৰ আস্থা, বনুৱাসকলৰ ওপৰত বৃটিছ চাহাবৰ অত্যাচাৰ আদি অমলেন্দু গুহৰ উক্ত গ্ৰন্থত উল্লেখ থকা ঘটনাসমূহ উপন্যাসৰ কাহিনীৰ মাজেদি ঔপন্যাসিকে দাঙি ধৰিছে।[১১] .

এই বনুৱা আন্দোলনত অংশগ্ৰহণ কৰি নাৰী শ্ৰমিকসকলে ৰাজনৈতিক সমাজবাদী চেতনা লাভ কৰাৰ লগে লগে নাৰী-পুৰুষৰ সমানাধিকাৰ, নাৰীমুক্তি আদি সম্পৰ্কেও তেওঁলোকে সমাজবাদী চেতনা লাভ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ পৰা সমাজবাদী চিন্তাধাৰাৰ বিকাশ আৰু তাৰ আলোকতে সমাজবাদী নাৰীবাদী চিন্তাধাৰাই কেনেকৈ প্ৰাক্ স্বাধীন যুগতে অসমত প্ৰৱেশ কৰিছিল— সেই সম্পৰ্কে জানিব পাৰোঁ।

উপন্যাসত পান্নু এজনী সাহসী, বুদ্ধিমতী, চিন্তাশীল কুলী ছোৱালী। তাই পঢ়িবলৈ আৰম্ভ কৰাৰ বাবেই বাপেক চণ্ডী চিন্তিত হৈ পৰিছে। সিহঁতৰ সমাজত পঢ়া-শুনাৰ প্ৰতি কাৰো আগ্ৰহ নাই। বৰুৱাৰ লগত হোৱা চণ্ডীৰ আলোচনা প্ৰসংগত ছোৱালীৰ শিক্ষাৰ প্ৰতি (পান্নুৰ শিক্ষাৰ ক্ষেত্ৰত) বাপেক চণ্ডীৰ পুৰণি মনোভাৱেই প্ৰকাশ পাইছে ঃ

> *"............. তাই বামুক বিয়া কৰাব খোজা নাই।" চণ্ডীৰ গাৰ চোলাটো এজাক বতাহে কোবাই গ'ল। সি পেণ্টৰ পৰা এটা বিড়ী উলিয়াই জ্বলাই*

ক'লে, "ৰামু বোলে আদহীয়া। পঢ়া-শুনা কম। তাই আহমদ চাহাবৰ ভাগিনীয়েকৰ ওৰিত গৈ পঢ়েতো। পিছে ছোৱালীৰ পঢ়া-শুনাৰে কি হ'ব? সোনা আৰু শেখৰক চম্ভালোতা নাই। ৰাতি হ'লে মোৰ মৰণ হয়। দুয়োটা টেঁটুত লাগে। তাই দুপৰীয়া ঘৰত নেথাকে। আধা ঘন্টালৈ হ'লেও পঢ়িবলৈ যায়।" (পৃ.১৮)

চণ্ডীয়ে আকৌ ভাবিছে, "পঢ়ি পঢ়ি যদি ঘৰতে বুঢ়ী হয়!" (পৃ.১৮)

ইয়াৰ পৰা এইটো ওলাই পৰিছে যে শ্ৰমিক নাৰী পান্নুৱে বাপেকৰ অনিচ্ছা সত্ত্বেও শিক্ষা গ্ৰহণ কৰি বিয়া-বাৰু সম্পৰ্কে নিজস্ব মতামত দিবলৈ সমৰ্থ হৈছে। ৰামু আদহীয়া হোৱা বাবে তাই বিয়াত সন্মতি দিয়া নাই।

পান্নু সাধাৰণ শ্ৰমিক নাৰী হ'লেও নাৰীৰ যে এটা নিজস্ব সত্তা আছে, ভাল বেয়া বিচাৰ কৰাৰ ক্ষমতা যে নাৰীৰো আছে সেই সম্পৰ্কে তাই সচেতন। সেয়ে বিচাৰ-বুদ্ধি সম্পন্না পান্নুৱে গাভৰু লচমীক বীৰভদ্ৰ সিঙৰ লগত ঘূৰি ফুৰাটো ভাল পোৱা নাই। পান্নুৱে বীৰভদ্ৰ সিঙৰ গোপন অভিসন্ধি দূৰৰ পৰাই লক্ষ্য কৰি লচমীক ছোৱালী কি বস্তু তাক বুজাই এনেদৰে, " এনেকৈ মতা মানুহৰ লগত যাবলৈ ভগৱানে আমাক সৰজা নাই নহয়।" (পৃ.৪০) পান্নুৱে আকৌ লচমীক উপদেশ দিছে, "....... সদায় গা বচাই ফুৰিবি। আমি ছোৱালীবোৰ জানো দোকানৰ বস্তু?" (পৃ.৪০) নাৰী যে অকল যৌন প্ৰাণীয়েই নহয়, — এই নাৰীবাদী দৃষ্টিভংগীয়েই পান্নুৰ এই কথাৰ মাজেদি প্ৰকাশ পাইছে।

বৰ্তমান পুৰুষপ্ৰধান সমাজত পুৰুষে ইচ্ছা কৰিলে এজনীতকৈ বেছি বিয়া কৰাব পাৰে বা সুবিধা বুজি অন্য উপায়ে যৌনক্ষুধা চৰিতাৰ্থ কৰাত কোনো সামাজিক বাধা নাই। কিন্তু তিৰোতাৰ বাবে সমাজত এইটো নিষেধ। এজনী সচেতন নাৰী হিচাপে পান্নুৰ দৃষ্টিত নাৰী অকল যৌন প্ৰাণীয়েই নহয় — নাৰী পুৰুষৰ দৰে মানৱীয় প্ৰাণী। চাহাবৰ এসময়ৰ ৰক্ষিতা জেবুন্নিচাই ইস্মাইলক ভাল পালেও ইস্মাইলে বিয়া কৰাব নোখোজাত পান্নুৱে ইস্মাইলক প্ৰশ্ন কৰিছে, "পুৰুষৰ ভিতৰত জানো 'যুথা' গিলাচ নাই?" (পৃ.৬৬) পান্নুৱে এই প্ৰশ্ন যেন অকল ইস্মাইলকে সোধা নাই — নাৰীতকৈ উচ্চ খাপৰ বুলি প্ৰতিপন্ন কৰিব খোজা সমস্ত পুৰুষ জাতিকে যেন এজনী সচেতন নাৰীয়ে এই প্ৰশ্ন কৰিছে। পান্নুৱে গিয়াছুদ্দিনক কৈছিল, "এই চহৰৰ গাভৰু ছোৱালীৰ কিবা জানো মূল্য আছে? চাহাবৰ পৰা চাপ্ৰাচীলৈ সকলোৱে মাথোন দেখে সেই দেহটি। কিন্তু এটা মনো আছে ছোৱালীৰ। কোনেও নাজানে সেই মন কি। বাপেকে নেজানে, ককায়েকে নেজানে। চুবুৰিয়াই নেজানে।" (পৃ.৯৯) দুজনী ঘৈণীয়েকৰ লগত সহবাস কৰিও নাৰীৰ মন বুজিব নোৱাৰা গিয়াচুদ্দিনে পান্নুৰ পৰা এক নব উপলব্ধি লাভ কৰিছিল।

পান্নুৱে শোধনাগাৰৰ নাৰী শ্ৰমিকসকলৰ সংগঠনৰ কামত লাগি গৈছিল

লচমীৰ লগত। (পৃ.২৫৩) বিপ্লবী দৃঢ়তা তাইৰ আছিল। শোধনাগাৰৰ শ্ৰমিক আন্দোলন সম্পৰ্কত যেতিয়া গিয়াছুদ্দিনৰ মনত দোধোৰ-মোধোৰ অৱস্থাৰ সৃষ্টি হৈছিল, সেই অৱস্থাত পান্নুৱে তেওঁক উৎসাহিত কৰি কৈছিল, "ইমানবোৰ ভাবি কি লাভ? ৰামলীলাতো যুদ্ধ দেখিছোঁ, যুদ্ধ কৰোঁতে ৰাক্ষসেও নেভাৱে, বান্দৰেও নেভাৱে। খালি যুদ্ধ কৰে, — আপোনালোকেও যুদ্ধ কৰিছে কৰক।" (পৃ.২৭৯)

এজনী সাধাৰণ বনুৱা নাৰী হৈয়ো ইউনিয়নৰ নেতা চেটাৰ্জীৰ পৰা ৰুচদেশত বনুৱা ৰজা হোৱাৰ ঘটনা শুনি, সেই ঘটনাকে নয়নমণিক বুজাই দিয়া আদিয়ে পান্নুৰ ৰাজনৈতিক জ্ঞানৰ পৰিচয় দিয়ে।

শ্ৰেণীযুদ্ধ সম্পৰ্কে পান্নুৰ উপলব্ধি অভিজ্ঞতালব্ধ। ধৰ্মঘটৰ পিছত ৰাওলাট চাহাবে যেতিয়া সকলো শ্ৰমিক গ্ৰেপ্তাৰ কৰিবলৈ পৰোৱানা জাৰি কৰিছিল — তেতিয়া শ্ৰমিকৰ সপক্ষে থকা ইংৰাজ মহিলা মিচিজ্ ফ্লেমিঙকো শত্ৰু বুলি চিহ্নিত কৰিছে এইদৰে, " এইবোৰ লেৰেলা সাদৰ দেখুৱালে কি হ'ব মেমচাহাব? সেই দিনাতো চেটাৰ্জীৰ লেখাবোৰ আপুনি আমাক পঢ়ি শুনালে। তাতো জানো সেই কথাই নাছিল? ওপৰৰ মানুহ আৰু তলৰ মানুহৰ মিল হ'ব নোৱাৰে।" (পৃ.২৮৮) অৱশ্যে সাধাৰণ শ্ৰমিক নাৰী এজনীৰ শ্ৰেণী-শত্ৰু সম্পৰ্কে এনেকুৱা আচহুৱা ধাৰণা একো অস্বাভাৱিক নহয়।

উপন্যাসৰ শেষৰ ফালে পান্নুৱে গিয়াছুদ্দিনৰ পত্নী জাহানাৰাৰ ইচ্ছামতে গিয়াছুদ্দিনক বিয়া কৰালে। কাৰণ পান্নুৰ মতে গিয়াছুদ্দিনেই হৈছে — সাহসী পুৰুষ, বাকীবোৰ ভেৰা। (পৃ.১৮৯) গিয়াছুদ্দিনৰ পৌৰুষত্বৰ ওপৰত পান্নুৰ বিশ্বাস আছিল। চেটাৰ্জীয়ে যদিও পান্নুক ভাল পাইছিল, তথাপি পান্নুৰ মতে "চেটাৰ্জীয়ে মাৰ্ক্সৰ টান কিতাপবোৰ বুজিব পাৰে, কিন্তু এজনী ছোৱালীৰ মন আজিলৈকে ধৰিব পৰা নাই।" (পৃ.১৮৮) গিয়াছুদ্দিন আছিল অসীম সাহসী, যিজনে কোনেও ছুবলৈ সাহস নকৰা ৰাস্তাৰ দাঁতিত পৰি থকা কুষ্ঠৰোগীটোক (যদিও দৰাচলতে কুষ্ঠৰোগী নহয়) অকল গিয়াছুদ্দিনেহে তুলি লৈ দাহন কৰিবলৈ সাহস কৰিছিল। মৃত্যুকো নেওচি গিয়াছুদ্দিনে হঠাতে তেলৰ খাদত পৰি যোৱা লচমীক উদ্ধাৰ কৰিছিল। সেয়ে জাত-পাতৰ বিচাৰ নকৰি পান্নুৱে এনে এজন বিবাহিত পুৰুষক স্বামী হিচাপে স্বীকাৰ কৰি লৈছিল।

মুঠতে উপন্যাসত শ্ৰমিক নাৰী পান্নুৰ চৰিত্ৰটো এক সমাজ আৰু নিজৰ সম্পৰ্কে সচেতন নাৰী চৰিত্ৰ। এই চৰিত্ৰটোক আমি নাৰীবাদী চৰিত্ৰ বুলি ক'ব পাৰোঁ এই কাৰণেই যে তাই পৰম্পৰাগত ধ্যান-ধাৰণা পৰিহাৰ কৰি পঢ়িবলৈ ওলাইছে, বিয়া-বাৰুৰ ক্ষেত্ৰত নিজৰ মতামতক আগস্থান দিছে আৰু বনুৱাৰ স্বাৰ্থত শ্ৰমিক নাৰী সংগঠনৰ কামত আত্মনিয়োগ কৰিছে।

সকলো সময়তে পুৰুষৰ সমানে সমানে কাম কৰিব খোজা লচমী উপন্যাসৰ আন এটা গুৰুত্বপূৰ্ণ নাৰী চৰিত্ৰ । লচমীয়ে কোনো সামাজিক পৰম্পৰাক মানি

ল'ব নোখোজে। সেয়ে তাই চিংজীৰ মটৰত ঘূৰি ফুৰে নিঃসংকোচে। ইস্মাইলৰ লগত বিয়া হৈ যোৱাৰ পিছতো চিংজীৰ গাড়ীত ঘূৰি ফুৰা বাবে ইস্মাইলে সন্দেহ প্ৰকাশ কৰি তাইক ঘৰ এৰি আঁতৰি যাবলৈ কোৱাত, ইস্মাইলৰ ওচৰতে বহা গিয়াছুদ্দিনক লচমীয়ে নিৰ্ভীকভাৱে কৈছিল, "মতা মানুহ উঠি ফুৰিলে দায় নাই, মাইকী মানুহ উঠি ফুৰিলেহে দায়? ই কি নিয়ম? কওক।" (পৃ.১৮৩) লচমীয়ো পুৰুষৰ সমানে মুকলিভাৱে ফুৰিলেও নাৰীৰ মৰ্যাদা সম্পৰ্কে তাই আছিল সচেতন। সেয়ে জিলাপ্‌চী চাহাবৰ মালীটোৱে লচমীক জোৰ কৰি মটৰত তুলিব বিচৰাত তাই আপত্তি কৰিছিল। লচমী এনে এজনী নাৰী যিজনীয়ে কোনো সংকোচ নকৰাকৈ মতা মানুহৰ দৰে ফুৰে, বজাৰ কৰে, আনকি শৱযাত্ৰাতো যোগ দিয়ে। এইখিনিতে ইস্মাইলে তাইক সন্দেহ কৰাত গিয়াছুদ্দিনে কৈছে, " তাই ভয় নকৰাকৈ ফুৰে, এইটো তাইৰ দোষ নহয়, সমাজৰ দোষ - মানে পুৰুষৰ দোষ।" (পৃ.১৮৪) বুঢ়া নাচিৰুদ্দিনৰ আগত গিয়াছুদ্দিনে লচমী যে এজনী বস্তিত ওপজা নিৰ্ভীক ছোৱালী তাক স্বীকাৰ কৰিছে ঃ

> *তাই ভাল নিৰ্ভীক তিৰোতা। বস্তিত উপজিছে বাবে কোনো সংস্কাৰ মানিবলৈ শিকা নাই। ফটাকঁথাতহে সোণ থাকে। ই ইস্মাইল হৈছে ভয়াতুৰ। ৰামচন্দ্ৰৰ দৰে লোকৰ কথা শুনি সীতাক বনবাস দিবলৈ ওলাইছে, মই কৈ থৈ আহিছোঁ। (পৃ.১৮৫)*

লচমীও এজনী সমাজ আৰু নিজৰ সম্পৰ্কে সচেতন নাৰী। শ্ৰমিক সংগঠনত তাইৰ অটল বিশ্বাস। বনুৱাসকলে তেওঁলোকৰ দাবীৰ ভিত্তিত আন্দোলন গঢ়ি তুলিছিল। কিন্তু লচমীৰ বাপেক বোধনে কোম্পানীৰ দ্বাৰা প্ৰৰোচিত হৈ এদিন এশমান বনুৱা লৈ কামত যোগদান দিবলৈ যাওঁতে ভলন্টিয়াৰৰ অধিনায়ক ইস্মাইলে বাধা দিও একো কৰিব নোৱাৰাত লচমী দৌৰি আহি বাট বন্ধ কৰি চিঞৰি কৈছিলঃ

> *দেউতা, মোৰ বুকুত ভৰি দি যাব পাৰ যদি যা। তোৰ ইমান অহংকাৰ হ'ল অতবোৰ বনুৱাৰ হক মাৰিবলৈ আহিছে(?)। কাৰ বলত শুনোচোন? চাহাবৰ উচটনি পাই বনুৱাৰ মৰ্যাদাৰ কথা পাহৰি গলি। (পৃ.২৪২)*

শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰাৰ খাতিৰত লচমীয়ে বাপেকৰ বিৰুদ্ধে যাবলৈ অলপো কুণ্ঠাবোধ কৰা নাই। লচমীৰ দৃঢ়তা দেখি শেষত বাপেকে হাৰ মানিবলৈ বাধ্য হ'ল। তাইৰ এই সংগ্ৰামী চেতনাৰ বাবেই মহিলা সংগঠনৰ দায়িত্ব লাভ কৰিবলৈ সক্ষম হ'ল।

বনুৱা ধৰ্মঘটৰ সময়ত লচমীৰ দৃঢ়তা উপন্যাসত ফুটি উঠিছে। বনুৱাসকলৰ লগত চাহাবৰ সংঘৰ্ষ হোৱাৰ আগজাননী পাই লচমীয়ে যেতিয়া বৰুৱাৰ খবৰ দিবলৈ আহিছিল তেতিয়া বৰুৱাণীয়ে খুব ভয় খাইছিল। বৰুৱানীয়ে তাইক এই কথা কেনেকৈ জানিলে সোধাত বৰুৱানীক বুজাই দিছিল এইদৰে ঃ

> *মতা মানুহৰ সমানে সমানে মই কাম কৰিছোঁ। এতিয়া মই তালৈকে যাম।*

মহিলাবোৰনো কেলেই পিচ পৰি থাকিব? কোম্পানীয়ে আমাৰ গিৰিহঁতবোৰক কামৰ পৰা খেদিব, আৰু আমি ঘৰত বহি নেখাই-নবৈ মৰিম। সি হ'ব নোৱাৰে। নোৱাৰে। মোৰ কালৈকো ভয় নাই। (পৃ.২৪৮)

বৰুৱানীৰ আগত লচমীয়ে আকৌ কৈছে, "............... মাইকী মানুহ মতা মানুহৰ যে সমান তাকে দেখুৱাব খুজিছোঁ।" লচমীয়ে এইদৰে নাৰীবাদৰ মূল সূত্ৰটোকেই বৰুৱানীৰ আগত দাঙি ধৰিছে।

জিলাপ্চী চাহাবে অন্যায়ভাবে চেটাৰ্জী, বৰুৱা, চণ্ডী আৰু বোধনক হত্যা কৰাৰ বাবে লচমীয়ে জিলাপ্চী চাহাবৰ সমুখত থিয় হৈ প্ৰতিবাদ কৰিছে। লচমীয়ে ৰাওলাট চাহাবৰ ফালে একেথিৰে চাই থকাত "তাইৰ চকুৰেদি এইবাৰ চকুলো ওলোৱা নাই জুই বৰষিছে।" (পৃ.২৫২) ৰাওলাট চাহাবেও বুজিছিল যে সেই চকুত ঘৃণাৰ বাহিৰে আন একো নাই। (পৃ.২৫৩)

এই উপন্যাসখনত পুৰুষ চৰিত্ৰতকৈ নাৰী চৰিত্ৰ কেইটা অধিক আকৰ্ষণীয় হৈ পৰিছে। বিচাৰবুদ্ধিত খেলিমেলি লাগোঁতে পান্নুৱে গিয়াছুদ্দিনক মাৰ্ক্সীয় আদৰ্শেৰে উদ্বুদ্ধ কৰি তুলিছিল। ঠিক সেইদৰে শ্ৰমিক আন্দোলনত চেটাৰ্জী, বৰুৱা, চণ্ডী আদি শ্ৰমিক নেতা নিহত হোৱাত গিয়াছুদ্দিন যেতিয়া হতাশাগ্ৰস্ত হৈ পৰিছিল তেতিয়া পান্নুৱে গিয়াছুদ্দিনক বুজাই দিছিল যে" বনুৱাৰাজ পতাৰ কাম" (পৃ.২৯৭) শ্ৰমিকে সমাধা কৰিব নোৱাৰিলে শ্ৰমিক সদায় শোষিত হৈ থাকিব। ঠিক সেইদৰে খুকুৰী আৰু কৃপাণেৰে যুঁজ কৰিবলৈ ওলোৱা ইস্মাইলহঁতক বাধা দি লচমীয়ে আন্দোলনৰ সঠিক পথ দেখুৱাই দিছিল ঃ

মাইকী মানুহ হ'ব পাৰো, কিন্তু আমাৰ মগজে বেছি ভালকৈ কাম কৰে কেতিয়াবা...। এতিয়া কৃপান্ খুকুৰী উলিয়াই সিহঁতক আৰু ছুল দিয়াহে হ'ব।—। আটাইবোৰকে গৰু-পহ মৰাদি গুলীয়াই মাৰিব। ...... চেটাৰ্জীয়ে কেতিয়াবা এনেকৈ মৰিবলৈ কৈছিল নেকি? মই জানো তেওঁ কোৱা নাই। অস্ত্ৰ লৈ তেৰোঁ এদিন মৰিবলৈ ওলাইছিল। একো নহ'ল। সেই বাবে চহৰলৈ আহি ইউনিয়ন কৰিলে। ইউনিয়নক মাৰিব কেনেকৈ আপোনালোকে? আপোনালোক নাথাকিলেও ইউনিয়ন থাকিব। চেটাৰ্জীয়ে তাকে কৈ গ'ল। কোনেও বুজিব নোৱাৰিলে। ইউনিয়ন এতিয়াও আছে। মৰা নাই। ইউনিয়নক বচাওক। (পৃ.২৯৮)

এইখিনি কথাৰ মাজেদি লচমীৰ আদৰ্শগত চেতনাৰ গভীৰতা ফুটি উঠিছে।

উপন্যাসত জেবুন্নিচা এজনী নিৰ্যাতিতা নাৰী। চাহাবৰ ঔৰসত জন্ম লোৱা এইজনী নাৰীয়ে নিজেও চাহাবৰ কামনাৰ বলি হ'বলগীয়া হয়। তাই ইস্মাইলক ভাল পালেও সি তাইক নুবুজিলে। শেষত জেবুন্নিচাই নাৰ্চৰ প্ৰশিক্ষণ লয়। হঠাতে তাই বেমাৰত আক্ৰান্ত হৈ পৰাত তাইৰ সাঁচতীয়া টকা কেইটা পুলিচৰ গুলীত নিহত হোৱা বৰুৱাৰ পত্নীক দি থৈ যায়। ইয়াৰ পৰা জেবুন্নিচাৰ চৰিত্ৰত মানৱতাবাদী দিশটো ফুটি উঠিছে।

উপন্যাসত নয়নমণিৰ চৰিত্ৰটোত পাশ্চাত্যৰ ধ্যান-ধাৰণা দেখা যায়। মিচিজ্ ফ্লেমিঙৰ লগত থাকি নয়নমণিয়ে পাশ্চাত্যৰ নতুন নাৰীৰ আদৰ্শ লাভ কৰিছিল। নাৰী আৰু পুৰুষৰ যে সমান অধিকাৰ আছে — সেই চিন্তা তাই মিচিজ্ ফ্লেমিঙৰ পৰাই লাভ কৰিছিল। (পৃ.২৩৯) তাই সংসাৰৰ ঠেক গণ্ডীৰ মাজত আবদ্ধ হৈ থাকিব বিচৰা নাই। গিৰিয়েক দুৰ্গাৰ মন পুৰণি। তাই মিচিজ্ ফ্লেমিঙৰ সহযোগত লক্ষ্ণৌলৈ সংগীত শিকিবলৈ যাব খোজাত গিৰিয়েক দুৰ্গাই বাধা দিয়াটো তাই মানি ল'ব পৰা নাই ঃ

> *নয়নমণিয়ে সেইবোৰ হাক-বচন শুনিবলৈ ৰাজী নহ'ল। তাইৰ ভাব হ'ল, তাই লক্ষ্ণৌলৈ যোৱাই আটাইতকৈ ভাল কথা,— অকল সংগীত শিকাৰ বাবেই নহয়, এই ঠেক গণ্ডীৰ পৰা বাহিৰলৈ ওলোৱাও তাইৰ প্ৰবল ইচ্ছা, সেই কাৰণেই তাই সন্তান কামনা কৰা নাই, ঘৰ পাতি ঘৰকে মোৰ বুলিব খোজা নাই। মেম চাহাবে সেই বায়ু মনত সোমাই দিছে— বহল পৃথিবীৰ ফালে মন উধাও হৈছে (পৃ.২৭৫)*

নয়নমণিৰ ইংৰাজী শিক্ষাৰ লগত পৰিচয় হৈছিল আৰু পাশ্চাত্যৰ নাৰীমুক্তিৰ চেতনা তাই লাভ কৰিবলৈ সমৰ্থ হৈছিল। ইয়াৰ মূলতে আছিল — বাগিচালৈ অহা ইংৰাজ প্ৰগতিবাদী মহিলা মিচিজ্ ফ্লেমিং। শিক্ষিতা, বনুৱাপ্ৰেমী এই মহিলাগৰাকী ভাৰতীয়সকলৰ প্ৰতি দৰদী আছিল। উপন্যাসত মিচিজ্ ফ্লেমিঙে কোনো পাৰ্থক্য নাৰাখি এজনী শ্ৰমিক নাৰী নয়নমণিক যেতিয়া একেলগে খাবলৈ মাতিছিল, তেতিয়া নয়নমণিয়ে একেলগে বহি খাবলৈ ইচ্ছা নকৰাত মিচিজ্ ফ্লেমিঙে নয়নমণিক কৈছিল, "নয়নমণি! এইদৰে মেমৰ ভাঁও দি দি মোৰ বৰ আমনি লাগিছে। তই ক'ব পাৰ মই তোতকৈ কিহত ডাঙৰ?" (পৃ.২৩২) তেওঁ নয়নমণিক বুজাই দিছিল, " তেজ মানুহ মাত্ৰৰে একে, জান। চীনা, ভাৰতীয়, ইংৰাজ, ৰুচ সকলোৰে তেজ একে। তই মোৰ সমান। তই মানুহ, ময়ো মানুহ। বুজিছ। বহ। চাহ খা" (পৃ.২৩২)

মিচিজ্ ফ্লেমিঙৰ দৃষ্টিত কোনো উচ্চ-নীচ নাই। তেওঁৰ দৃষ্টিভংগী সমাজবাদী। তেওঁ বনুৱাসকলৰ সপক্ষে সদায় তৰ্ক কৰিছিল। কিন্তু ভাৰতবৰ্ষৰ জাতীয়তাবাদী আন্দোলনৰ সময়ত বৃটিছ মানেই ভাৰতীয় শত্ৰু — এই অনুভূতি ভাৰতীয়সকলৰ অন্তৰত সৃষ্টি হোৱাৰ বাবেই ভাৰতীয় বনুৱাসকলৰ সপক্ষে থাকিও তেওঁ বনুৱাসকলৰ অন্তৰ জয় কৰিব পৰা নাছিল। পুলিচৰ গুলীত বৰুৱাৰ মৃত্যু হোৱাত মিচিজ্ ফ্লেমিঙে বৰুৱানীক সান্ত্বনা দিবলৈ যোৱাত বৰুৱানীয়ে অবিশ্বাস কৰাত তেওঁ আঘাত পাইছিল ঃ " এটা অলংঘণীয় গড় বন্ধা হৈ গৈছে বগা চামৰা আৰু ক'লা চামৰাৰ মাজত। চিমেন্টৰ দেৱাল ভেদি যেনেকৈ পানী সৰকি যাব নোৱাৰে, ঠিক তেনেকৈ সহানুভূতি সৰকি যাব নোৱাৰে সেই অলংঘণীয় দেৱালখন ভেদি।" (পৃ.২৬১) সেয়ে ধৰ্মঘটকাৰী চাৰিজন শ্ৰমিক নিহত হোৱাৰ পিছত ভাৰতীয়সকলৰ প্ৰতি মিচিজ্ ফ্লেমিঙে দেখুওৱা সহানুভূতিক পান্নুৱে " লেৱেলা সাদৰ" বুলি

তাচ্ছিল্য কৰিছিল, তেতিয়া তেওঁ পান্নুক বুজাবলৈ চেষ্টা কৰিছিল, এইদৰে, "………এটা কথা মনত ৰাখিবি পান্নু। যিবিলাকে এই কাম কৰিছে সেইবোৰ ইংৰাজ জাতিৰ আচল মানুহ নহয়। ইংলণ্ডৰ মানুহবোৰ তহঁতৰ দৰেই। সিহঁতে এনে অত্যাচাৰ ভাল নেপায় —" (পৃ.২৮৮)।

এনি বেচান্তৰ দৰে বৃটিছ মহিলাই ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে *যেনেকৈ কাম* কৰিছিল — উপন্যাসত মিচিজ্ ফ্লেমিঙৰ চৰিত্ৰতো তেনে এটা ৰূপ দিয়াৰ বাবে ঔপন্যাসিকে চেষ্টা কৰা দেখা যায়। মিচিজ্ ফ্লেমিং বৃটিছ মহিলা হ'লেও তেওঁৰ পৰাই নয়নমণিৰ নিচিনা ভাৰতীয় শ্ৰমজীৱী মহিলাই শিক্ষা, স্বাধীন চিন্তা, পুৰুষ আৰু নাৰীৰ সমানাধিকাৰ আদি সম্পৰ্কত নতুন জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ল।

মুঠতে উপন্যাসত পান্নু, নয়নমণি, মিচিজ্ ফ্লেমিং আদি নাৰী চৰিত্ৰৰ মাজেদি সমাজতান্ত্ৰিক নাৰীবাদী চেতনা প্ৰকাশ পাইছে। উপন্যাসৰ কাহিনীৰ মূল সোঁতটো বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভাৰতীয় জাতীয় আন্দোলনৰে অংশ বনুৱা আন্দোলন হ'লেও নাৰী চৰিত্ৰসমূহৰ মাজেদি সাৱলীলভাৱে নাৰীবাদৰ প্ৰশ্নসমূহ ইয়াত উত্থাপিত হৈছে।

চিনাকি সুঁতি

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'চিনাকি সুঁতি'"[১২] (সুঁতি?) (১৯৭১) নৰ-নাৰীৰ জৈৱিক সমস্যা লৈ ৰচিত এখন উপন্যাস। এই উপন্যাসত ঔপন্যাসিকে অৰ্পণাৰ চৰিত্ৰটোক কেন্দ্ৰ কৰি লৈ অনাথ, পামেলা, জীৱন এই কেইটা চৰিত্ৰৰ মাজেৰে নৰ-নাৰীৰ যৌন প্ৰেৰণা আৰু বিবাহক লৈ কিছুমান সমস্যা উত্থাপন কৰিছে। প্ৰেম কি? নৰ- নাৰীৰ বিবাহেই প্ৰেমৰ চৰম পৰিণতিনে? নে মুক্ত প্ৰেমৰ মাজতেই প্ৰেমৰ পবিত্ৰতা নিহিত হৈ থাকে? বৈবাহিক জীৱনৰ মাজেদি কৰা সন্তান লাভেই জানো নাৰীত্বৰ চৰম গৌৰৱ নহয়? কোৱা বাহুল্য এনেবোৰ প্ৰশ্ন নাৰীবাদতো নিহিত হৈ থাকে।

উপন্যাসৰ নায়িকা অৰ্পণা। তেওঁ উচ্চ শিক্ষিতা। জীৱন সম্পৰ্কে এটা বিশেষ দৃষ্টিভংগী থকা, ব্যক্তিত্বসম্পন্না এজনী অসামান্যা গাভৰু অৰ্পণা। এই গাভৰুজনীয়ে নিজৰ ঘৰৰ পৰা গুচি আহি গুৱাহাটী মহানগৰীত নিজৰ পছন্দমতে অকলশৰে এটা নিৰ্জন পৰিবেশৰ মাজত দিন অতিবাহিত কৰিছে। অৰ্পণাই ইয়াৰ দ্বাৰা এইটো প্ৰমাণ কৰিছে যে বৰ্তমান যুগত এজনী নাৰীয়ে অকলে বসবাস কৰাটো সম্ভৱ। নাৰী মানৱীয় জীৱহে, জীৱন যাত্ৰাৰ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ কোনো প্ৰভেদ নাই। এই অৰ্পণাই জীৱন দাসগুপ্ত নামৰ এজন আদবয়সীয়া লোকক ভাল পায়। জীৱন দাসগুপ্ত দুটি সন্তানৰ পিতৃ। তথাপি দুয়োৰে মাজত এক পাৰস্পৰিক

বুজাবুজি সৃষ্টি হয়। কিন্তু দুয়োৰে মাজত এই প্ৰেম কোনোদিনে দৈহিক কামনাৰ স্তৰলৈ নামি যোৱা নাছিল।

অনাথ নামৰ এজন ডেকা আৰ্কিটেক্ট অৰ্পণাৰ সৌন্দৰ্যত মুগ্ধ হৈছিল । কিন্তু ইতিমধ্যে অনাথে পামেলা নামৰ আন এজনী পঞ্জাবী ছোৱালীৰ প্ৰেমত পৰি বিয়া কৰাম বুলি কথা দিছিল। অনাথে পামেলাক ত্যাগ কৰাটো সম্ভৱ নহয়, আনহাতে অপৰ্ণাৰ প্ৰতিও তেওঁৰ দৈহিক আকৰ্ষণ তীব্ৰতৰ। অনাথৰ মতে নৰ-নাৰীৰ দৈহিক আকৰ্ষণহে মূল — আন্তৰিক প্ৰেমৰ কোনো মূল্য নাই। কিন্তু পামেলাই ভাবে নাৰী অকল যৌন ক্ষুধা নিবাৰণৰ যন্ত্ৰ নহয়। (পৃ.৩৯) নৰ-নাৰীৰ মাজৰ আন্তৰিক ভালপোৱা আৰু বিশ্বস্ততা অবিহনে বিবাহ অৰ্থহীন। প্ৰেম আৰু বিবাহ সম্পৰ্কে অনাথৰ দৃষ্টিভংগী পামেলাৰ দৰে অৰ্পণায়ো মানি ল'ব পৰা নাই।

অৰ্পণাই ভাবে প্ৰেমৰ পৰিণতি হৈছে বিবাহ। নৰ-নাৰীৰ বৈবাহিক জীৱনৰ মূলকথা সন্তান কামনা। তেওঁ ভাবিছিল যে এদিন প্ৰেমৰ পৰিণতি স্বৰূপেই তেওঁৰ জীৱন দাসগুপ্তৰ লগত বিয়া হ'ব। কিন্তু জীৱনে বৈবাহিক সম্পৰ্কৰ মাজত সোমাই পৰিব নোখোজে। তেওঁৰ মতে বিবাহৰ লগত প্ৰেমৰ কোনো সম্পৰ্ক নাই। তেওঁ বিচাৰে মুক্ত প্ৰেম। অৰ্পণা কিন্তু মুক্ত প্ৰেমত বিশ্বাসী নহয়। তেওঁৰ মতে বিবাহৰ যোগেদি সন্তান জন্ম দিয়াটোতহে মাতৃৰ গৌৰৱ। অৰ্পণাৰ এই কামনা পূৰ্ণ নহ'ল। অকল দৈহিক আকৰ্ষণক মূল্য দিয়া অনাথক তেওঁ যেনেকৈ পামেলাৰ ওচৰলৈ পঠাই দিলে, ঠিক তেনেকৈ মুক্ত প্ৰেমত বিশ্বাসী জীৱনক আকৌ জীৱনৰ পত্নী সুখলতাৰ ওচৰলৈ পঠাই দিলে। কাৰণ অৰ্পণাৰ মতে মুক্ত প্ৰেম সমাজত কোনোদিনে গ্ৰহণযোগ্য হ'ব নোৱাৰে। অৰ্পণাৰ চিন্তাৰ পৰিবৰ্তন ঘটিল। তেওঁ পবিত্ৰ প্ৰেম সাধনাক স্বৰ্গীয় কাল্পনিক প্ৰেমলৈ উন্নীত কৰি সন্ন্যাসিনীৰ জীৱন যাপন কৰিবলৈ ওলাল। অৰ্পণাই মনৰ কল্পনা বাস্তৱত ৰূপায়িত কৰাৰ বাবে যত্ন কৰিলে — জীৱন আৰু সুখলতাৰ পুনৰ মিলনৰ যোগেদি।

উপন্যাসৰ শেষত অনাথে সুখলতাৰ মাজতহে ভাৰতীয় আদৰ্শ নাৰীৰ সৌম্য মূৰ্তি দেখিবলৈ পাইছে ঃ

> *অনাথে হাঁহি ক'লে, নাৰীৰ ওচৰত চিৰদিনেইতো মই পৰাজয় বৰণ কৰি আহিছোঁ। আজিও কৰিছোঁ। বৰং আজি মোৰ ভুল ভাগিছে। জীৱনত বেশ্যা কুমাৰী পত্নী আটাইৰে মাজত ভাৰতৰ সেই সৌম্য নাৰীমূৰ্তি দেখিছো — যাৰ প্ৰকৃতিৰ ভূষণ হৈছে সংযম মোহৰ প্ৰতি বিৰাগ। মোৰ মাজে মাজে কি ধাৰণা হয় জানা পামেলা, অৰ্পণা নহয়, সুখলতাহে ভাৰতীয় নাৰীৰ প্ৰতীক। সাবিত্ৰীৰ দৰে তেওঁ ঘূৰাই আনিলে নিজৰ স্বামীক। (পৃ.পৃ.১১৯-১২০)*

ঔপন্যাসিকে এই উপন্যাসত যৌন প্ৰেৰণা আৰু বিবাহৰ বিষয়ে আলোচনা কৰি সমাজত নাৰীৰ স্থান নিৰ্ণয় কৰিবলৈ বিচাৰিছে। ইয়াত এফালে অৰ্পণাই এক অসামান্যা নাৰীৰ ভূমিকাত অৱতীৰ্ণ হৈ এক ধৰণৰ নাৰীৰ প্ৰতিনিধিত্ব কৰিছে; আনফালে পামেলা আৰু সুখলতাই আন এক ধৰণৰ নাৰীৰ প্ৰতিনিধিত্ব কৰিছে।

ইয়াৰ মাজেদি নাৰীৰ স্থান নিৰ্ণয়ত ঔপন্যাসিকে পুৰুষৰ দৃষ্টিভংগী গ্ৰহণ কৰা দেখা গৈছে। আধুনিক সমাজত নাৰীয়ে তেওঁলোকৰ হেৰুওৱা স্থান ঘূৰাই পোৱাৰ বাবে যেতিয়া নাৰীবাদী আন্দোলন গঢ়ি তুলিছে, সেই সময়ত ঔপন্যাসিকে অনাথৰ জৰিয়তে অৰ্পণাক 'উৰ্বশীৰ জাত" বা 'গোপীসকলৰ অনুৰূপ' (পৃ ১২০) বুলি কৈ প্ৰাচীনপন্থী নাৰী সুখলতাকে আদৰ্শ নাৰীৰ স্তৰলৈ উন্নীত কৰিছে। পুৰুষৰ ওচৰত নাৰীয়ে নিৰ্বিবাদে নিজকে বিলাই দিয়াটোহে যেন আদৰ্শ নাৰীৰ পবিত্ৰ নৈতিক কৰ্তব্য। গতিকে এই উপন্যাসৰ সিদ্ধান্ত বৰ্তমান পুৰুষপ্ৰধান সমাজৰ সিদ্ধান্ত বুলিহে ক'ব পৰা যায়। ভাৰতীয় পৰম্পৰাগত চিন্তাত সীতা, সাবিত্ৰী আদিহে সতী নাৰী। সাবিত্ৰীয়ে নিজৰ জীৱন সত্যবানৰ বাবে উছৰ্গা কৰিছিল। সীতাৰ গাত কলংকৰ চেকা পৰা বুলি ৰামচন্দ্ৰই যেতিয়া অগ্নি পৰীক্ষা কৰিছিল— সেই সময়তো সীতাই ৰামচন্দ্ৰকহে বাৰে বাৰে পতি হিচাপে পোৱাৰ কামনা কৰিছিল। এইদৰেই প্ৰাচীন সাহিত্যত নাৰীক উপস্থাপন কৰা হৈছে। সেয়ে প্ৰেম আৰু বিবাহ সম্পৰ্কে বিশেষ দৃষ্টিভংগী গ্ৰহণ কৰা অৰ্পণাক বিবাহৰ অনুপযুক্তা বুলি ঔপন্যাসিকে প্ৰাচীন দৃষ্টিভংগীৰ পৰাই সিদ্ধান্ত কৰা বুলি ক'ব পাৰি। অৰ্থাৎ ঔপন্যাসিকে যেন বুজাব খুজিছে,— ভাৰতীয় সমাজত শাশ্বত নাৰীৰ স্থান আছে, নাৰীবাদী নাৰীৰ স্থান ইয়াত নাই।

উপন্যাসত অৰ্পণাই প্ৰধান নাৰী চৰিত্ৰ। সাধাৰণ নাৰীৰ নিচিনা পুৰুষ প্ৰধান পৰিয়ালৰ ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ থকাৰ মানসিকতা অৰ্পণাৰ নাই। নাৰীবাদীসকলে ভবাৰ দৰে অৰ্পণাই ভাবে অৰ্থনৈতিক স্বাধীনতা অবিহনে নাৰীৰ ব্যক্তিত্ব বিকাশ হোৱাটো সম্ভৱ নহয়। সেয়ে অৰ্পণাই সমাজকল্যাণ বিভাগত চাকৰি কৰি স্বাধীনচিতীয়া জীৱন যাপন কৰিছে। বিবাহ আৰু প্ৰেম সম্পৰ্কেও সেয়ে অৰ্পণাৰ চিন্তা সাধাৰণ নাৰীতকৈ ব্যতিক্ৰম। জীৱনৰ মতে, "বিবাহ হ'লেই প্ৰেমৰ মৃত্যু ঘটিব। মুক্ত প্ৰণয়েই ভাল।" (পৃ.পৃ. ৪৪-৪৫) কিন্তু মুক্ত প্ৰণয়ৰ চৰমপন্থী নাৰীবাদী চিন্তাধাৰাক জীৱন দাসগুপ্তই গ্ৰহণ কৰিলেও অৰ্পণাই গ্ৰহণ কৰিব পৰা নাই। আনকি মুক্তপ্ৰেমৰ পোষকতা কৰা জীৱনেও এই চিন্তাধাৰা গ্ৰহণ কৰি থাকিব নোৱাৰিলে। অৰ্পণাৰ বয়স বাঢ়ি অহাৰ লগে লগে সন্তান কামনাও তীব্ৰতৰ হৈ পৰিছে। কিন্তু বিয়া নোহোৱাকৈ সন্তান লাভ কৰিবও খোজা নাই। পত্নী আৰু মাতৃ হিচাপে অৰ্পণাৰ দৃষ্টিভংগী পশ্চিমৰ নাৰীবাদী আন্দোলনৰ প্ৰবক্তা মেৰী উল্‌ষ্টোন্‌ক্ৰাফট্‌ৰ দৃষ্টিভংগীৰ সমতুল্য। আমি আগতে আলোচনা কৰি আহিছোঁ যে উল্‌ষ্টোন্‌ক্ৰাফট্‌ৰ মতে নাৰীয়ে পত্নী আৰু মাতৃ হিচাপে কৰ্তব্য পালন কৰিও অৰ্থনৈতিক স্বাবলম্বিতা লাভ কৰি মানবীয় গুণ আৰু ধৰ্ম বিকশাই তুলিব পাৰে। অৰ্পণা নাৰী-স্বাধীনতাৰ পক্ষপাতী হ'লেও— নাৰীৰ পত্নীত্ব আৰু মাতৃত্বক অস্বীকাৰ কৰিব খোজা নাই। অৰ্পণাই প্ৰেমৰ মাজেৰে বিবাহ আৰু মাতৃ হোৱাৰ কল্পনা কৰিছিল। তথাপি পুৰুষৰ দাসত্বকো স্বীকাৰ কৰাৰ তেওঁ পক্ষপাতী নাছিল।

অৰ্পণা সম্পৰ্কে জীৱন দাসগুপ্তৰ মন্তব্যৰ পৰাও এই দৃষ্টিভংগীৰ উমান পাওঁ :

> *তেওঁ বৰুৱা জীৱনৰ সংকীৰ্ণতা সহ্য কৰিব নোৱাৰে। সন্তান কামনাৰ বাহিৰে মোৰ ওচৰত একান্তভাৱে আত্মসমৰ্পণ কৰাৰ ইচ্ছা তেওঁৰ নাই। মই জানো অৰ্পণাই পুৰুষৰ প্ৰাধান্য নালাগে পুৰুষৰ কটাহিকে সহ্য কৰিব নোৱাৰে। তদুপৰি আমাৰ প্ৰেম যে ওৰে জীৱন স্থায়ী হ'ব তাক কোনেও স্পষ্টভাৱে ক'ব নোৱাৰোঁ। অৰ্পণাই কাৰো ওচৰত নতি স্বীকাৰ নকৰে। কাৰো উপাৰ্জন বা মৰ্জিৰ ওপৰত তেওঁ জীয়াই থাকিব নোখোজে। (পৃ. ৯২)*

কিন্তু জীৱনে যি কথাৰ বাবে অৰ্পণাৰ সৈতে বিবাহৃত আবদ্ধ হোবাৰ অসুবিধা দেখুৱালে সেইটো আমাৰ বাবে ৰহস্য যেন লাগে। জীৱনে নিজেইকোৱা 'মুক্ত প্ৰেম'ত জানো 'পুৰুষৰ প্ৰাধান্য' থাকে? প্ৰেমিকে প্ৰেম গোটেই জীৱন স্থায়ী হয় নে নহয়, সেই সম্পৰ্কে চিন্তা কৰাটো জানো অস্থিৰমতিৰ লক্ষণ নহয়? আচলতে জীৱন দাসগুপ্তৰ 'মুক্ত প্ৰেম'ৰ সূত্ৰ তেওঁৰ দুৰ্বল মনৰ পৰিচায়ক নেকি? এই কথাৰ উত্তৰ পোৱা যায়– যেতিয়া জীৱন পুনৰ সুখলতাৰ ওচৰলৈ গুচি যায়। অৰ্পণাই নিজ হাতে জীৱনক পত্নীৰ হাতত তুলি দি অহাৰ পিছত জীৱন দাসগুপ্ত সম্পৰ্কে অৰ্পণাই অনাথক কৈছে :

> *তেওঁৰ শক্তি কম। সমাজখনক উলাই কৰাৰ শক্তি তেওঁৰ নাই। তেওঁ যি মুক্ত প্ৰেমৰ কল্পনা কৰিছিল সি একমাত্ৰ নতুন ব্যৱস্থাতহে সম্ভৱপৰ। এই দেশত সেই ব্যৱস্থা নাই। ক'তো নাই। মই তেওঁক বহুত বুজালোঁ। বিয়াৰ বাহিৰে এনে কোনো অনুষ্ঠান বা প্ৰথা নাই য'ত নৰ-নাৰীয়ে আজি পৰস্পৰে নিজক সমাজবদ্ধ কৰিব পাৰে। (পৃ. ১০৭)*

প্ৰেম আৰু সন্তান কামনাৰ সকলো স্বপ্ন যেতিয়া অৰ্পণাৰ ধ্বংস হৈ গ'ল, তেতিয়া তেওঁ আত্মপ্ৰবঞ্চনাৰ পথ গ্ৰহণ কৰিলে। অৰ্পণা সন্ন্যাসিনী হ'ল। অৰ্পণাৰ ডায়েৰীৰ পাত কেইখিলা পঢ়ি পামেলাৰ ধাৰণা হ'ল,"ই এক আত্মহত্যাৰ পথ মাথোন। অকাল মৃত্যুৰ উপায়। তাই এটা দুৰ্বল অপদাৰ্থ মানুহক ভাল পাই ভালপোৱাৰ অৱমাননা কৰিলে। প্ৰত্যাৱৰ্তনৰ কোনো পথ তাই নেপালে।" (পৃ. ১১৮) উপন্যাসৰ শেষত অৰ্পণা হৈ পৰিল মধ্যযুগীয় চিন্তাৰ প্ৰতিভূ- নাৰীবাদ বিৰোধী চৰিত্ৰ।

আনহাতে অৰ্পণাই জীৱন দাসগুপ্তক বিয়া নকৰায়ো সন্ন্যাসিনী হোৱাতকৈ বৰং উপন্যাসৰ আগচোৱাত উল্লেখ কৰামতে সমাজ কল্যাণ বিভাগত কাম কৰা এজনী শিক্ষিতা নাৰী হিচাপে কৌটি কৌটি শিশুৰ মংগলৰ নিমিত্তে সমাজৰ কামত. লিপ্ত হ'ব পাৰিলেহেঁতেন। তাকে নকৰি ঔপন্যাসিকে এটা সবল নাৰী হিচাপে অংকন কৰা অৰ্পণাৰ চৰিত্ৰটোক শেষৰ পিনে ভাৰতীয় আধ্যাত্মবাদত বিশ্বাসী এক পৰম্পৰাগত নাৰীৰ পৰ্যায়লৈ নমাই আনিলে।

উপন্যাসত পামেলা আন এটা গুৰুত্বপূৰ্ণ নাৰী চৰিত্ৰ। বিবাহ আৰু প্ৰেম সম্পৰ্কে পামেলাৰ দৃষ্টিভংগী অৰ্পণাৰ সমপৰ্যায়ৰ। পামেলাই অনাথক ভাল পায়

আৰু প্ৰকৃত পুৰুষ হিচাপে গঢ়ি তুলিবলৈ দৃঢ়প্ৰতিজ্ঞ। (পৃ. ৩৯) অৰ্পণাই যেনেকৈ পুৰুষৰ প্ৰেমবৰ্জিত দৈহিক ভোগ-লিপ্সাক সমালোচনা কৰিছে— ঠিক সেইদৰে পামেলায়ো— নাৰী মাত্ৰে পুৰুষৰ ভোগৰ সামগ্ৰী— এই চিন্তাধাৰাক সমৰ্থন নকৰে। অনাথে কয়, "শুনা পামেলা, যৌন কামনা এটা সত্য। নিৰ্ঘাত সত্য। প্ৰাণময় সত্য। বিবাহ্ তেনেকৈ তলৰ সত্য।" (পৃ. ৪০) কিন্তু পামেলাৰ মতে "দম্পতিৰ মাজত বিশ্বস্ততাৰ অবিহনে বিবাহ্ পতা অৰ্থহীন।" (পৃ. ৪১) "নাৰী কামনাৰ যন্ত্ৰ নহয়, মানুহহে" (পৃ. ৩৯) পামেলাৰ এই দৃষ্টিভংগী নাৰীবাদী। আমি আগতে আলোচনা কৰিছোঁ যে পাশ্চাত্যৰ চিন্তাবিদ মেৰী উল্‌ষ্টোন্‌ক্ৰাফটৰ মতে নাৰী প্ৰথমতে যৌনসত্তা নহয়, মানৱ সত্তাহে। মানৱ সত্তা হিচাপে নাৰীও যুক্তিবাদী। নাৰী যিহেতু যৌনসত্তা নহয়, গতিকে শাৰীৰিক প্ৰয়োজনতে নাৰীৰ জীৱনৰ পৰিপূৰ্ণতা অহাটো সম্ভৱ নহয়। যৌন মিলনৰ লগত মনৰ মিলন নিতান্ত আৱশ্যক। যদি নৰ-নাৰীৰ মাজত মনৰ মিলন নাথাকে, তেতিয়া যৌন সংসৰ্গ হৈ পৰে যান্ত্ৰিক আৰু নৈতিকতাবৰ্জিত কলংকৰ বিষয়। এই ধৰণৰ যান্ত্ৰিক সংসৰ্গই কেতিয়াও উন্নত মানৱ জীৱনৰ প্ৰয়োজন সাধন কৰিব নোৱাৰে। তাৰ কাৰণে প্ৰয়োজন নৰ-নাৰীৰ উভয়ৰে মাজত মানসিক আকৰ্ষণ, যাতে তেওঁলোকৰ যৌন জীৱনৰ আকৰ্ষণো সুন্দৰ আৰু মহৎ হৈ উঠে। সেয়ে পামেলাই আপত্তি তুলিছে , যেতিয়া অনাথে পামেলাক দৈহিকভাৱে পাবলৈ বিচাৰিছে। পামেলাই নাৰীৰ প্ৰতি থকা অনাথৰ দৃষ্টিভংগীক শুধৰাই দি অনাথক প্ৰকৃত পুৰুষ কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। শেষত নাৰীৰ সংযম আৰু ধৈৰ্যৰ ওচৰত অনাথেও নতি স্বীকাৰ কৰি নাৰীৰ মানৱীয় সত্তাক স্বীকৃতি দিবলৈ বাধ্য হ'ল।

ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই এই উপন্যাসৰ অৰ্পণাৰ চৰিত্ৰটোৰ মাজেদি এইটোৱেই প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছে যে অৰ্পণাৰ নিচিনা আত্মনিৰ্ভৰশীলা পুৰুষৰ আধিপত্য মানি নোলোৱা অসামান্যা নাৰী বিবাহৰ বাবে উপযুক্তা নহয়। সেয়ে অৰ্পণাক ঘৰ সংসাৰৰ পৰা দূৰলৈ লৈ গৈ সন্ন্যাসিনীৰ ৰূপত উপস্থাপন কৰিছে। আমাৰ পূৰ্বে আলোচিত 'ৰহদৈ লিগিৰী' উপন্যাসত ৰহদৈয়ে অসমীয়া পুৰুষপ্ৰধান সমাজৰ বিপক্ষে এক পৰোক্ষ কিন্তু শক্তিশালী প্ৰতিবাদ কৰিছে; কিন্তু অৰ্পণা নীৰৱে আঁতৰি গৈছে বা পলায়ন কৰিছে। সেয়ে ৰজনীকান্ত বৰদলৈৰ উপন্যাস 'ৰহদৈ লিগিৰী' নাৰীবাদী উপন্যাস। কিন্তু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'চিনাকি সুঁতি' উপন্যাসক এই দৃষ্টিভংগীৰ পৰা নাৰীবাদী উপন্যাস বুলি ক'ব নোৱাৰি।

ডাইনী

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ *'ডাইনী'* [১৩] (১৯৭৬) অতি ক্ষুদ্ৰাকৃতিৰ উপন্যাস

বাবেই এইখনক উপন্যাস নুবুলি উপন্যাসিকা বুলিহে ক'ব পাৰি। বিবাহিত জীৱনত নাৰীৰ ভূমিকা কেনে হোৱা উচিত— এই বিষয়ৰ এটা সিদ্ধান্তলৈ অহাৰ বাবেই ঔপন্যাসিকে এই উপন্যাসিকা ৰচনা কৰিছে—পদুমী, অপূৰ্ব আৰু মালতী এই তিনিটা চৰিত্ৰৰ প্ৰেম আৰু বিবাহক লৈ সৃষ্টি হোৱা কাহিনীৰ মাজেদি। উপন্যাসিকাখনিৰ নায়ক অপূৰ্ব চলিহা- কলেজৰ অধ্যাপক। বস্তুবাদী দৰ্শনত বিশ্বাসী এই যুৱকজনৰ 'চিন্তাশীল মানুহ বুলি ৰাজনৈতিক মহলত এটা উপৰুৱা খ্যাতি আছে' (পৃ. ১৭)। 'সাহিত্য আৰু শিল্পত বিচক্ষণ সমালোচক' (পৃ. ১৭) এই যুৱকজনে কলেজৰ অধ্যাপিকা মালতী নামৰ এজনী গাভৰুক ভাল পায়। জীৱন যাত্ৰা সম্পৰ্কে অপূৰ্ব চলিহা যেনেকৈ উদাসীন, প্ৰেম সম্পৰ্কেও তেনেকৈ উদাসীন। অপূৰ্ব চলিহা ইমান উদাসীন যে "মালতীয়ে পাকে-প্ৰকাৰে এদিন বিয়াৰ কথা কওঁতেও সি আপত্তি দৰ্শোৱা নাছিল। বিয়া কাক কৰাবা (?) নকৰাব (?) সেই সম্পৰ্কেও কোনো দিনে সি চিন্তা কৰা নাছিল।" (পৃ. ৭) অপূৰ্বই মাত্ৰ নিৰ্বিকাৰভাৱে সন্মতি দিছিল। কিন্তু হঠাতে মালতীৰ চিন্তাৰ পৰিবৰ্তন হ'ল। বিদেশৰ পৰা ঘূৰি অহা জীৱনক মালতীয়ে ভাল পাবলৈ আৰম্ভ কৰিলে। সেয়ে মালতীয়ে অপূৰ্বক ক'লে যে সিহঁতৰ বিয়া অৱশ্যাম্ভাৱী নহয়। ইয়াৰ ঠিক পিছতে অপূৰ্বই বন্ধু বিদ্যুতৰ নিৰ্বাচনী অভিযানত অংশগ্ৰহণ কৰাৰ বাবে পদুমণি গাঁৱলৈ আহি অম্বিকা বৰাৰ ঘৰত উঠিল। তাতেই অম্বিকা বৰাৰ কন্যা পদুমীৰ লগত তাৰ পৰিচয় হয়। পদুমী গাঁৱলীয়া ছোৱালী। চহৰীয়া গাভৰুৰ নিচিনা বিলাসী জীৱনত তাই অভ্যস্ত নহয়। গ্ৰাম্য সমাজত তাই শ্ৰমৰ লগত যুক্ত। সাধাৰণ গাঁৱলীয়া ছোৱালী পদুমীয়ে লিখা-পঢ়া নাজানিব পাৰে; কিন্তু ট্ৰেক্টৰ চলাই খেতি কৰিবলৈ কোনো কুণ্ঠাবোধ নকৰে। গাঁৱৰ সকলোৱে ভয় কৰি চলা সমৰ নামৰ গুণ্ডাজনকো তাই ভয় নকৰে। সেয়ে তাই সমৰৰ দৃষ্টিত ডাইনী।

অপূৰ্ব চলিহা গাঁৱলৈ আহি হঠাতে টাইফয়ড জ্বৰত আক্ৰান্ত হ'ল। পদুমীৰ পিতাক অম্বিকা বৰা নিৰ্বাচনৰ কাম-কাজত বাহিৰত থাকিবলগীয়া হোৱা বাবে অপূৰ্বৰ শুশ্ৰূষাৰ ভাৰ পদুমীৰ ওপৰত পৰিল। দুয়োৰে মাজত ঘনিষ্ঠ সম্পৰ্ক সৃষ্টি হোৱাৰ লগে লগে প্ৰেমৰ উদ্ৰেক হ'ল। অপূৰ্বই পদুমীৰ আগত তেওঁৰ পূৰ্বপ্ৰেমিকা মালতীৰ কথা বিবৰি ক'লে। পদুমীয়ে বুঢ়া গোসাঁনীৰ থানলৈ গৈ অপূৰ্বক স্বামী হিচাপে বৰণ কৰাৰ ঐশ্বৰিক অনুমতি লৈ আহিল। ইতিমধ্যে জীৱনৰ সৈতে মালতীৰ সৃষ্টি হোৱা সম্পৰ্ক ছেদ হৈ যোৱাৰ পিছত পূৰ্বপ্ৰেমিকক ঘূৰাই অনাৰ উদ্দেশ্যে পদুমণি গাঁৱলৈ আহি অপূৰ্ব আৰু পদুমীক লগ পায়। মালতীয়ে অপূৰ্ব আৰু পদুমীৰ বিয়াৰ বন্দবস্ত হোৱা বুলি জানিব পাৰি সন্দেহ পোষণ কৰে যে এজন যুক্তিনিষ্ঠ বুদ্ধিজীৱীৰ লগত এজনী সৰল বিশ্বাসী গাভৰুৰ প্ৰণয় কেতিয়াও বেছিদিন স্থায়ী হোৱাটো সম্ভৱ নহয়। মালতীৰ প্ৰত্যাৱৰ্তনতে উপন্যাসিকাৰ কাহিনীৰ পৰিসমাপ্তি ঘটিছে।

উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ পদুমী। ৰক্ষণশীল গাঁৱলীয়া সমাজত পদুমীক এজনী অসামান্যা গাভৰু হিচাপেই ঔপন্যাসিকে চিহ্নিত কৰিছে। তাই অশিক্ষিতা হ'লেও অসীম সাহসী। গাঁৱৰ সকলো মানুহে ভয় কৰি চলা সমৰ গুণ্ডাকো বশ কৰাৰ সাহস তাইৰ আছে। (পৃ. ৩১) সেয়ে সমৰে তাইক 'ডাইনী' বুলি জোকায়। সমৰে তাইক কিয় ভয় কৰে, সেই সম্পৰ্কে অপূৰ্বৰ আগত কৈছে এনেদৰে ঃ

"অঁ। মই তালৈ কি পৰোৱাই কৰোঁ। মই মটৰ, ট্ৰেক্টৰ, সকলো চলাওঁ।"

"ট্ৰেক্টৰ?"

"অঁ। মতা মানুহে ভাবে আমি অবলা। ... ... এই পথাৰডৰাত যোৱাবাৰ আহাৰমহীয়া ট্ৰেক্টৰ নমাই দিলোঁ। চাওক সিফালে আলিলৈকে আৰু এইফালে সৌ চাপৰিটোলৈকে এই চোৱাত হাল বালোঁ। ধুনীয়া ধান হ'ল। সমৰে খুব ডাইনী ডাইনী বুলি চিঞৰিছিল, কিন্তু যেতিয়া তাক দেখিলো, ট্ৰেক্টৰ ৰখাই ক'লো, পাৰ যদি চলাহিছোন আহ, বৰ পুৰুষটো বোলাইছ! একেবাৰে নিতাল মাৰিলে। (পৃ পৃ. ৩১-৩২)

ডাইনী পদুমীয়ে যেনেকৈ ট্ৰেক্টৰ চলাব পাৰে, ঠিক তেনেকৈ কুঠাৰ লৈ সমৰ গুণ্ডাকো খেদি যোৱাৰ সাহস আছে। (পৃ. ৩৩) পদুমীৰ এই সাহস দেখি নগৰীয়া বুদ্ধিজীৱী অপূৰ্বই নতুন উপলব্ধি লাভ কৰিছে এইদৰে ঃ

জীৱনত প্ৰথমবাৰলৈ অপূৰ্বই উপলব্ধি কৰিলে নাৰীৰ মাজত কি পৌৰুষ লুকাই আছে। সমৰক মাৰিবলৈ খেদি যোৱাটো যেনে স্বাভাৱিক কাম তাইৰ বাবে, জাল মৰাটোও তেনে স্বাভাৱিক। এইজনী ছোৱালীয়েই আকৌ ট্ৰেক্টৰ চলায়। খেতিয়কৰ ছোৱালীয়ে এখন নতুন মুক্তিৰ দ্বাৰ খুলি লৈছে। (পৃ. ৩৪)

নাৰীও যে অবলা নহয়— পুৰুষৰ সমানে সমানে কাম কৰাৰ ক্ষমতা নাৰীৰো আছে— এই সত্যই পদুমীৰ কৰ্মৰ মাজেদি ফুটি ওলাইছে। এইখিনিলৈকে উপন্যাসিকাত পদুমীৰ চৰিত্ৰটো নাৰীবাদী। কিন্তু ইয়াৰ ঠিক বিপৰীতে পদুমীৰ চৰিত্ৰত ফুটি ওলাইছে— গ্ৰাম্য সৰলতা, পৰম্পৰাগত অন্ধবিশ্বাস। যেতিয়া বস্তুবাদী দৰ্শনত বিশ্বাসী অপূৰ্বই পদুমীৰ দেউতাকৰ আগত কৈছে, 'ঈশ্বৰ সঁচাকৈয়ে নাই। ক'তো মই বিচাৰি নাপাওঁ।" (পৃ. ৪২) তেতিয়া দেউতাকে পদুমীক সুধিছে, "পদুমীয়ে কি কব? ঈশ্বৰ অবিহনে তহঁতৰ ইটোৰ-সিটোৰ প্ৰতি মৰম স্থায়ী নহয়। কামনাৰ পৰাও এবিধ মৰম ওপোজে, কিন্তু এই আছে এই নাই।" (পৃ. ৪২) তেতিয়া গ্ৰাম্য সৰলতা, অন্ধবিশ্বাসৰ মাজত ডাঙৰ-দীঘল হোৱা পদুমীয়ে ভাবিছে, যে বিয়া-বাৰু,জন্ম-মৰণ, সকলোৰে গৰাকী পৰম ভগ ন। সেয়ে দেউতাকক কৈছে, "পৰম ভগৱন্তই নিবিচাৰিলে কাৰনো মৰম ৰ'ব দেউতা? অপূৰ্বই নৃসিংহৰ দৰে কথা কৈছে।" (পৃ. ৪২) পদুমীয়ে সেয়ে সৰল গ্ৰাম্য সৰলতাৰে বুঢ়ী গোসাঁনীৰ থানলৈ গৈ অপূৰ্বৰ লগত তাইৰ বিবাহ বন্ধনৰ সম্মতি বিচাৰিছে। পুৰোহিতৰ সম্মতিয়ে ভগবানৰ সম্মতি বুলি সৰলভাৱে গ্ৰহণ কৰি অপূৰ্বৰ লগত তাই বিয়াত সম্মতি দিছে। (পৃ. পৃ. ৪৯-৫০) আনকি টাইফয়দ

হুৰত যেতিয়া অপূৰ্বৰ অৱস্থা সংকটজনক, মালতীয়ে যেতিয়া অপূৰ্বৰ অৱস্থা ভাল নহয় বুলি কৈ চকুপানী টুকিছে, তেতিয়া পদুমীয়ে উত্তৰ দিছে,"বুঢ়ী গোসাঁনীয়ে মিছা কথা নকয় জানে। .... অপূৰ্ব দাদাক মই মৰাৰ পৰা জীয়াম।" (পৃ. ৬৪) পদুমীৰ এই সবল বিশ্বাস— পৌৰাণিক আখ্যানৰ নাৰী 'সাবিত্ৰী'ৰ সমকক্ষীয়। মৃত স্বামী সত্যবানক সাবিত্ৰীয়ে সাধনাৰ বলতে জীয়াব পাৰিছিল। কিন্তু শিক্ষিতা নাৰী মালতী এনেধৰণৰ পৰম্পৰাগত বিশ্বাসৰ পৰা মুক্ত। মালতীয়ে যেতিয়া জানিব পাৰিলে পদুমী আৰু অপূৰ্বৰ প্ৰেমৰ কথা, তেতিয়া মালতীয়ে ভাবিছে, "অপূৰ্বৰ জীৱনত পদুমী সদায় আলহী হৈয়েই ৰ'ব। ভিতৰ সোমাব নোৱাৰিব।" (পৃ. ৬০) মালতীয়ে ভাবিছে যে এজনী সবলপ্ৰাণা, অশিক্ষিতা গাভৰুৰ লগত এজন যুক্তিনিষ্ঠ বুদ্ধিজীৱীৰ মিলন কেতিয়াও সফল হ'ব নোৱাৰে। পদুমীৰ সাহস আছে সঁচা, কিন্তু পদুমীৰ চিন্তাধাৰা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

এই উপন্যাসিকাত ঔপন্যাসিকে আদৰ্শ পত্নী আৰু আদৰ্শ বৈবাহিক জীৱন সম্পৰ্কে পৰম্পৰাগত দৃষ্টিভংগীকে প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছে।[১৪] ভাৰতীয় আদৰ্শ নাৰীৰ স্বৰূপটো হৈছে— গভীৰ বিশ্বাসেৰে স্বামীৰ মংগলৰ বাবে নিজকে উৎসৰ্গ কৰা। এই আদৰ্শ পদুমীৰ চৰিত্ৰৰ মাজেদি ঔপন্যাসিকে ফুটাই তুলিবলৈ যত্ন কৰিছে। যদিহে পদুমীক আদৰ্শ নাৰী বুলি কোৱা হয়, তেনেহ'লে এই সিদ্ধান্তলৈ আহিব লাগিব যে বিবাহৰ বাবে নাৰীৰ স্বাভাৱিক সবলতাৰ প্ৰয়োজন। সকলো নাৰীয়ে বিবাহিত জীৱনত স্বামীৰ সেৱা-শুশ্ৰূষা নাইবা স্বামীৰ মংগলৰ বাবে আত্মবিসৰ্জন দিবলৈ প্ৰস্তুত থাকিব লাগিব। কিন্তু নাৰীবাদী দৃষ্টিভংগীৰ ফালৰ পৰা আদৰ্শ নাৰীৰ এই ৰূপটো স্বীকাৰ্য নহয়। কাৰণ শিক্ষিতা বিচাৰ-বুদ্ধিসম্পন্না নাৰীয়ে কেতিয়াও এই ধৰণৰ আত্মোৎসৰ্গিত পত্নীৰ কৰ্তব্যৰ মাজত আবদ্ধ থাকি সুখী হ'ব নোৱাৰে। আনহাতে উপন্যাসিকাত দাঙি ধৰা ধৰণে এজন উচ্চ শিক্ষিত বস্তুবাদী দৰ্শনত বিশ্বাসী পুৰুষে কেতিয়াও পদুমীৰ নিচিনা এজনী অশিক্ষিতা নাৰীক লৈ সন্তুষ্ট হ'ব নোৱাৰে। সেয়ে আমি ক'ব পাৰোঁ যে এই উপন্যাসিকাত পদুমীক শাশ্বত নাৰী হিচাপে চিত্ৰিত কৰি যুক্তিবাদী বুদ্ধিজীৱীকো যে এনেকুৱা নাৰীয়েহে শান্তি দিব পাৰে, মালতীৰ নিচিনা শিক্ষিতা নাৰীয়ে নহয়- - তাকে ঔপন্যাসিকে প্ৰতিপন্ন কৰিব বিচাৰিছে।[১৫]

মুঠতে 'ডাইনী' উপন্যাসিকাত পদুমীৰ চৰিত্ৰত নাৰীবাদী লক্ষণ কেবাটাও থকা সত্ত্বেও 'চিনাকি সুঁতি'ৰ অৰ্পণাৰ দৰে ঔপন্যাসিকে শেহান্তৰত এই চৰিত্ৰটিকো শাশ্বত নাৰী হিচাপেই সৃষ্টি কৰিলে। সেয়েহে আমি ক'ব পাৰোঁ— ঔপন্যাসিক ভট্টাচাৰ্যৰ মতে নাৰী সতী-সাবিত্ৰী হৈয়েই থাকিব লাগিব। তেওঁলোকে পদুমীৰ দৰে ডাইনী ৰূপৰো কেতবোৰ অসামান্যতা আহৰণ হয়তো কৰিব পাৰে, তথাপি শেষত তেওঁলোক হ'ব লাগিব শাশ্বত নাৰী। ডাইনী হৈয়ো পত্নী হিচাপে সাবিত্ৰী

হ'ব পৰাটোৱেই ভট্টাচাৰ্যৰ মতে নাৰী জীৱনৰ সাৰ্থকতা।

নীলকণ্ঠী ব্ৰজ

ব্ৰজধামৰ বিচিত্ৰ ঘটনা সম্বলিত 'নীলকণ্ঠী ব্ৰজ'[১৬] (১৯৭৬) মামণি ৰয়চম গোস্বামীৰ প্ৰথম উপন্যাস। ঔপন্যাসিকাই উপন্যাসত হিন্দুৰ অকাল বিধৱা এজনী গাভৰুৱে পৰম্পৰাগত সমাজৰ ধৰ্মীয় ৰক্ষণশীলতাৰ বিপক্ষে গৈ বৈধব্য জীৱনক অস্বীকাৰ কৰাটো দেখুৱাইছে আৰু লগে লগে হিন্দুৰ পবিত্ৰ পীঠস্থান ব্ৰজধামৰ বীভৎস ৰূপটো আমাৰ আগত সাৰ্থকভাৱে দাঙি ধৰিবলৈ সমৰ্থ হৈছে।

উপন্যাসৰ কাহিনীত সৌদামিনী উচ্চ হিন্দু সমাজৰ অকাল বৈধব্যক সাৱটি ল'বলৈ বাধ্য হোৱা এজনী গাভৰু। দ্বিতীয়বাৰ বিবাহ পাশত আবদ্ধ হোৱাৰ সকলো পথ তাইৰ চিৰদিনৰ বাবে বন্ধ। বিধৱা বিবাহ আইনতঃ কাৰ্যকৰী হ'লেও আজিও আমাৰ সমাজত আইনলৈ পিঠি দি নাৰীক বাধ্য কৰোৱা হয় সামাজিক প্ৰথামতে বৈধব্যৰ কঠোৰ জীৱন যাপন কৰাৰ বাবে। কিন্তু সৌদামিনীয়ে এজনী শিক্ষিতা নাৰী হিচাপে মনে-প্ৰাণে এই ব্যৱস্থাক মানি ল'বলৈ টান পাইছে। এজন খ্ৰীষ্টান যুৱকক তাই ভালপোৱাৰ ঘটনাই গোড়া ৰক্ষণশীল পৰিয়ালটোক চিন্তিত কৰি তুলিছে। সেয়ে ধৰ্মৰ প্ৰভাৱৰ দ্বাৰা সৌদামিনীৰ মনৰ পৰিবৰ্তন কৰাব পাৰিব বুলি ভাবি মাক-বাপেকে তাইক লৈ গৈছে— হিন্দুৰ পবিত্ৰ স্থান শ্ৰীকৃষ্ণৰ লীলাভূমি ব্ৰজধামলৈ।

এজনী কৌতূহলী শিক্ষিতা গাভৰু হিচাপে ব্ৰজধামৰ আচহুৱা পৰিবেশৰ মাজত তাই নিজকে পৰিচিত কৰি লোৱাৰ বাবে চেষ্টা কৰিলে। কিন্তু ব্ৰজধামৰ ৰাধেশ্যামীসকলৰ লগত হোৱা প্ৰথম মুখামুখিত তাই যি অভিজ্ঞতা লাভ কৰিলে, সিয়ে তাইক সচকিত কৰি তুলিলে। সৌদামিনীয়ে ৰাধেশ্যামীসকলে বাস কৰা খুপুৰিবিলাকৰ কাষলৈ যাওঁতে অস্থি চৰ্মসাৰ বৃদ্ধা নাৰীৰ এটা দলে খুপুৰীৰ পৰা ওলাই আহি তাইক আগুৰি ধৰিলে। সিহঁতৰ চকুত বিস্ময়। এই ৰাধেশ্যামীসকলৰ দলটিক সৌদামিনীয়ে প্ৰশ্ন কৰিলে :

> *আইসকল আপোনালোকে ইয়াত কেনেকৈ জীৱন ধাৰণ কৰে? -----কবজ ত সোমোৱা অদ্ভুত চকু দুটাত দিনৰ উজ্জ্বলতা সানি এজনীয়ে ক'লে : দৰকাৰ হ'লে আমি ' কাহ্নৰ মন্দিৰ' আৰু ৰঙজীৰ দুৱাৰ মুখত বহি ভিক্ষা কৰো আৰু দৰকাৰ হ'লে মালচা ভোগৰ আশাত আমি মন্দিৰৰ চিৰিত বহি উজাগৰে ৰাতি কটাও। :*
>
> *ৰাধেশ্যামী হৈ 'ভজন আশ্ৰমত' বহিলে আপোনালোকে ভালদৰে দুসাজ খাব পাৰিলেহেঁতেন!*
>
> *এইবাৰ গোটেই বেইজবাকীয়ে টেকটেকাই হাঁহিব ধৰিলে— এজনীয়ে সুৰ*

লগাই গাব আৰম্ভ কৰিলে : 'শেঠৰ'বাৰীৰ ভজন আশ্ৰম, গোপীনাথৰ ভজন আশ্ৰম, বৰবাগৰ ভজন আশ্ৰম!! (পৃ. পৃ. ১৫-১৬)

o o o o o

কলাফুলৰ ওচৰলৈ সিহঁতে যেতিয়া সেই শতছিন্ন কাপোৰবোৰ দাঙি ধৰিলে সৌদামিনীয়ে ভয় খাই কিছু দূৰ পিছুৱাই গ'ল!

সিহঁত ধবল কুষ্ঠৰোগত আক্ৰান্ত।

: আইদেউ আমি ভিক্ষা কৰি ভাল পাওঁ বাকে বিহাৰীৰ গলিত, শাহাজী মন্দিৰৰ দুৱাৰ মুখত, মদন মোহনৰ চিৰিত—ঠিক তোমাৰ দৰে মানুহ আছে! (পৃ. ১৬)

সৌদামিনীক আগুৰি ধৰা ৰাধেশ্যামীৰ দলটোৱে সৌদামিনীৰ গাত হাত বুলাই সোণৰ চুৰি কেইপাত চুই চাব ধৰিলে। সৌদামিনী ভয়তে শিঁয়ৰি উঠিল :

ইতিমধ্যে আৰু এজাক খুপুৰিৰ পৰা ওলাই আহি সৌদামিনীৰ কোমল দেহটি চুই চাব ধৰিলে শেষলৈ সিহঁতে এক তীব্ৰ উত্তেজনাৰে তাইৰ সমস্ত দেহ আজুৰিব ধৰিলে। খোপা খুলি চুলি পিঠিৰ ওপৰত বাগৰি পৰিল পিন্ধি থকা ব্লাউজটি ফালিযোৱাৰ উপক্ৰম হ'ল- - - - - নিৰ্বাক সম্প্ৰদায়ৰ সাধুসকল আহি নোপোৱাহেঁতেন এই প্ৰেতাত্মাৰ দলটিয়ে হয়তো একোটা কুকুৰনেচিয়াৰ ৰূপ ল'লেহেঁতেন। (পৃ: ১৭)

ব্ৰজধামলৈ আহি এজাক বুভুক্ষু নাৰীৰ আক্ৰমণৰ পৰা ৰক্ষা কৰি সৌদামিনীয়ে নিজকে প্ৰশ্ন কৰিছে, "- - - - এনে কথাও কাৰোবাৰ জীৱনত সম্ভৱ হয়নে? এনেকুৱা অৱস্থাও কাৰোবাৰ জীৱনত ঘটিছেনে?" (পৃ. ১৮) এই ঘটনাই তাইৰ মনত গভীৰ সাঁচ বহুৱালে। বিধৱা নাৰীৰ শান্তিৰ স্থান ব্ৰজধামেই নেকি— সেই সম্পৰ্কে তাইৰ মনত গভীৰ সন্দেহৰ সৃষ্টি হ'ল। কিন্তু সৌদামিনীৰ মাক পৰম্পৰাগত চিন্তাৰ প্ৰতিভূ। সেয়ে মাকে দেওঘৰী বাবাৰ ওচৰলৈ গৈ সৌদামিনীৰ অন্তৰলৈ শান্তি অনাৰ বাবে কাকুতি কৰিছে।

শিক্ষিতা গাভৰু বিধৱা সৌদামিনীয়ে ভাবিছিল যে দিন যোৱাৰ লগে লগে তাইৰ মনৰ পৰিবৰ্তন হ'ব। সেয়ে তাই বাপেক ৰায়চৌধুৰীয়ে আৰম্ভ কৰা হস্পিতালত ৰোগীৰ শুশ্ৰূষা কৰা কামত নিজকে নিযুক্ত কৰিছিল।

সুদীৰ্ঘ দুটা মাহ সৌদামিনীয়ে ৰায়চৌধুৰীৰ লগত সৈয়েদ বজাৰ, লুই বজাৰ, কলখতী মহাদেৱ, আনাজ মন্দিৰ আনকি ভাঙ্গিপাৰাৰ কাবুলী ৰমনাৰ জোপোহাই আৱৰা পৰিত্যক্ত ঠাইবোৰ চাই ফুৰিব ধৰিলে। অৰ্দ্ধমৃত অনাহাৰী অনেক ভক্ত আছিল— ব্ৰজৰ ৰজ পাবলৈ কিসকলে ক্ষণে ক্ষণে মৃত্যুৰ দিন গণি পৰি আছিল। অনেকৰ কঁকালৰ খোচনিত 'ঔদ্ধ দেহিকৰ' টকা আছিল। আৰু সি আছিল ছালছিগা ভিকহ। (পৃ. ৪৮)

কিন্তু ধাত্ৰীৰ কামতো তাই শান্তি লাভ কৰিব নোৱাৰিলে। বাৰে বাৰে খ্ৰীষ্টান প্ৰেমিকজনৰ স্মৃতিয়ে তাইক উন্মনা কৰি তুলিলে। কাৰণ নাৰী হিচাপে তাই জৈৱিক জীৱনক অস্বীকাৰ কৰিব নোৱাৰে। বিধৱা হিচাপে এজন পুৰুষক ভাল

পোৱাৰ অধিকাৰৰ পৰা সমাজে তাইক বঞ্চিত কৰিলেও তাই এনেকুৱা এটা জীৱনক মানি ল'ব পৰা নাই। যমুনালৈ গা ধুবলৈ যাওঁতে লগ পোৱা শশী নামৰ আন এজনী ব্ৰজবাসী অকাল বিধবাই সৌদামিনীক একেটা প্ৰশ্নই কৰিছিল, "তুমি সঁচাকৈয়ে কোৱা, কিবা এটা সান্ত্বনা পাইছা নে তুমি এই ব্ৰজধামলৈ আহি? অৰ্থাৎ জীৱনৰ বাকীছোৱা সময় কটোৱাৰ বিষয়ে এটা সিদ্ধান্তলৈ তুমি আহিব পাৰিছানে?" (পৃ. ৪৯) শশীৰ নিজৰ জীৱনৰো একেটাই প্ৰশ্ন। ব্ৰজধামৰ ধৰ্মীয় আৱৰণৰ মাজত এজনী অসহায়া নাৰী– বিধৱা শশীয়ে নিজৰ নিৰাপত্তাৰ বাবেই কোনো বিয়া-বাৰু নোহোৱাকৈয়ে বাস কৰিবলগীয়া হৈছে এজন নপুংসক পুৰোহিত আলমগড়ীৰ লগত। ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি উপাসনা কৰাৰ নামত চলোৱা এদল কামুক পুৰুষৰ অবাধ যৌন ব্যভিচাৰৰ পৰা নিজক ৰক্ষা কৰিবলৈ শশীৰ নিচিনা গাভৰুৱে পলাই ফুৰিব লগা হৈছে। সেয়ে শশীয়ে সৌদামিনীক কৈছে, "কুৰি বছৰৰ পাচত যেতিয়া তাইৰ এই দেহস্বৰূপ ঘৰৰ বেৰ-চাল জহি-খহি গৈ পথৰা ফাপৰে ধৰা কুকুৰৰ দৰে হৈ পৰিব- ঠিক তেতিয়াই তাই ভাগুৱৰত নিশ্চিত মনে পাত পাৰি বহিব পাৰিব।" (পৃ. ৫৪) হিন্দুৰ পবিত্ৰ তীৰ্থস্থান ব্ৰজধাম, য'ত হিন্দুৰ বিধৱা নাৰীয়ে শান্তিৰ বাবে শেষ আশ্ৰয় গ্ৰহণ কৰে— সেই ঠাইত নাৰীয়ে নিজৰ সন্মান ৰক্ষা কৰাটো কিমান কঠিন– ইয়াৰ মাজেৰে ঔপন্যাসিকাই সাহসিকতাৰে ফুটাই তুলিছে।

ব্ৰজৰ এই বিচিত্ৰ অভিজ্ঞতা লাভ কৰি সৌদামিনী অতিষ্ঠ হৈ পৰিল। ইমান দিনে এজনী উচ্চ হিন্দুৰ বিধৱা হিচাপে তাই মাক অনুপমাৰ নিৰ্দেশ কোনোদিনেই অমান্য কৰা নাছিল। মাকৰ মনত শান্তি দিয়াৰ বাবেই তাই খ্ৰীষ্টান যুৱকজনৰ লগত নিজকে বিচ্ছেদ ঘটাই ব্ৰজধামলৈ আহিছিল শান্তি পোৱাৰ মানসেৰে। কিন্তু তাই যেতিয়া দেখিলে ব্ৰজধামত ধৰ্মৰ নামত যৌন ব্যভিচাৰ, পেটত ক্ষুধা লৈ মুখত কৃষ্ণৰ নাম লোৱা প্ৰেতাত্মাসদৃশ বুভুক্ষু 'ৰাধেশ্যামী'ৰ দল, জীৱনৰ তুচ্ছতা, ব্ৰজধামৰ চাৰিওফালে অৱক্ষয়ৰ চিত্ৰ– তেতিয়া কোনোদিনে মাকৰ কথাত প্ৰতিবাদ নকৰা সৌদামিনীয়ে প্ৰতিবাদ কৰিছে এইদৰে ঃ

> *মোৰ গোটেই জীৱনটো মই এনেদৰে আনৰ দয়া পৰবশ হৈ কটাব নোৱাৰো- - - মই মহিয়সী নহওঁ যে তোমালোকৰ দৰে জনকল্যাণমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰো- - - তোমালোকে যদি মই সৃজনি হোৱা বুলি ভাবিছা তেতিয়াহ'লে- - - - ৰায়চৌধুৰীলৈ আঙুলি টোঁৱাই তাই চিঞৰি উঠিল তোমালোক ভণ্ড!! তোমালোকক মই কচাইৰ লগত ৰিজাব পাৰো। (পৃ. ৫৬)*

সৌদামিনীয়ে এইদৰে পৰম্পৰাগত সমাজৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি উপন্যাসত নাৰীবাদী চৰিত্ৰ হিচাপেই আত্মপ্ৰকাশ কৰিছে। এজনী উচ্ছল যৌৱনা গাভৰু হিচাপে সৌদামিনীয়ে বিচাৰে জৈৱিক জীৱনৰ পূৰ্ণতা। এজন পুৰুষে স্ত্ৰীৰ মৃত্যুৰ পিচত দ্বিতীয়বাৰ বিবাহ কৰোৱাৰ যেনেকৈ অধিকাৰ আছে- সেইদৰে

নাৰীয়েও স্বামীৰ মৃত্যুৰ পিছত আন এজন স্বামী গ্ৰহণ কৰাৰ অধিকাৰ নাথাকিব কিয়? কাৰণ নাৰীও মানৱীয় প্ৰাণী। এজনী সচেতন নাৰী হিচাপে সৌদামিনীয়ে ব্ৰজধামত থিয়হৈ ধৰ্মীয় মতান্ধতাৰ স্বৰূপ উদঙাই দি নাৰীৰ অধিকাৰ সাব্যস্ত কৰিব বিচাৰিছে। কাৰণ ইচ্ছা নহ'লেও সৌদামিনীৰ দৰে ভাৰতবৰ্ষৰ হেজাৰহেজাৰ উচ্চ হিন্দুৰ বিধৱাই ধৰ্মীয় ৰক্ষণশীলতাৰ চিকাৰ হ'বলগা হৈছে। ব্ৰজধামৰ পাণ্ডা চৰণবিহাৰীয়ে যেতিয়া সৌদামিনীক জীয়াই থকাৰ প্ৰেৰণা ক'ৰ পৰা তাই লাভ কৰিছে সুধিছিল– তেতিয়া অতি মুক্তভাৱেই তাই স্বীকাৰ কৰিছিল এইদৰে ঃ

> *আপুনি এতিয়াই ক'লে সেই খ্ৰীষ্টানজনৰ কথা—তেওঁ একধৰণৰ প্ৰেৰণা মোক দিয়ে তেওঁ আছে। তেওঁ আছে!! এই কথাটো যে কি এক অবিশ্বাস্য প্ৰেৰণা মই বুজাব নোৱাৰিম। আপুনিও ঠিক বুজি নেপাব। শুনক পৃথিৱীৰ কোনেও বুজি নেপাব। অথচ মই জানো মইতেওঁৰ প্ৰেমত ঠিক তেনেদৰে পৰা নাই অথচ তেওঁ আছে। আৰু তেওঁ থকাতো কওকচোন মোৰ দৰে কোনোবা তিৰোতা আহিছিল নে এই পবিত্ৰ ভূমিলৈ। (পৃ. পৃ. ৬২-৬৩)*

হিন্দুৰ বিধৱাৰ প্ৰতি সমাজৰ, পৰিয়ালৰ অবিচাৰৰ ফলতে তাই আজি ব্ৰজৰ এই বীভৎস পৰিবেশৰ মাজত মনৰ শান্তি বিচাৰিবলগীয়া হৈছে। সৌদামিনীয়ে এনে এটা জীৱন গ্ৰহণ কৰিব পৰা নাই— হাজাৰজনী বিধৱাৰ দৰে। ব্ৰজৰ লাঞ্ছিত সমদলৰ প্ৰতি তাইৰ এটা সহানুভূতি আছে। কাৰণ ব্ৰজৰ ৰাধেশ্যামীসকলৰ দৰে তায়ো লাঞ্ছিতা। কুষ্ঠৰোগীক ৰাজপথৰ পৰা দাঙি নি তাই শুশ্ৰূষা কৰিছে। কিন্তু এজনী নাৰীৰ জানো এইটোৱেই আচল জীৱন? তায়ো বিচাৰে এখন সুন্দৰ সংসাৰ। সেয়ে ব্ৰজৰ জনতাৰ শিল্পী ৰাকেশৰ আগত ব্ৰজধামে যে তাইৰ মনৰ কোনো পৰিবৰ্তন কৰিব পৰা নাই, বৰং আশা-আকাংক্ষাক বেছি জীপালহে কৰিছে—সেই সম্পৰ্কে স্বীকাৰ কৰিছে এইদৰে, "আপুনি শিল্পী, আপোনাৰ অনুভূতি আছে, মোৰ জৈৱিক স্পৃহা, প্ৰেম,আপুনি বিশ্বাস কৰক সৌ সিদিনালৈকে মই নিজৰ ওপৰতেই গৱেষণা কৰি চাইছো মোৰ জৈৱিক স্পৃহাৰ সেই তৰঙ্গৰাশিৰ কোনো পৰিবৰ্তন হোৱা নাই।" (পৃ. ৮৩) ব্ৰজধামলৈ ফুৰিবলৈ অহা এহাল দম্পতিক দেখি সৌদামিনীৰ মনত যি মানসিক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল শিল্পী ৰাকেশৰ আগত তাৰ বৰ্ণনা দিছে এইদৰে ঃ

> *দম্পতি হাল পৰিক্ৰমাৰ পথৰ ডিমৰুৰ তলত শুই আছিল। মোৰ কি হৈছিল সেই মুহূৰ্তত - - - - এই যমুনাৰ পানীৰ অদ্ভুত গন্ধ ডিমৰুৰ তলত সেই দম্পতি- - - যমুনাৰ বালিত মই বাগৰি ফুৰিব ধৰিলো - - - - -এটা সময়ত মোৰ গাৰ কাপোৰ-কানি উশৃংখল হৈ পৰিল। মোৰ এই নগ্ন দেহত বালিৰ এই অনুভূতি - - - অদ্ভুত অনন্য— আপুনি মোৰ কথা নিশ্চয় বুজি পাইছে। শুনক তেতিয়াও মোৰ সমুখত অনেক সোণেৰে বন্ধাই থব পৰা কথাই আকাশৰ তৰাৰ দৰে জিকমিকাই আছিল। (পৃ. ৮৩)*

স্বামীৰ মৃত্যুৰ পিছত সৌদামিনীৰ মনত যি ৰিক্ততাৰ সৃষ্টি হৈছিল সেই ৰিক্ততাৰ ভয়াৱহতাৰ পৰা তাইক সান্ত্বনা দিছিল– সেই খ্ৰীষ্টান যুৱকজনে।

সৌদামিনীয়ে শিল্পী ৰাকেশৰ আগত স্বীকাৰ কৰিছে।

শুনক মই আপোনাক সঁচা কথা কৈছো— যি সান্ত্বনা কোনেও দিব পৰা নাছিল সেই সান্ত্বনা তেওঁ মোক দিব পাৰিছিল। যি সান্ত্বনা বিচাৰি মই মন্দিৰৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছিলো সেই সান্ত্বনা মই তেওঁৰ ওচৰত এবাৰ থিয় হওঁতে- - - নহয় ঠিক যেন ইমান সহজ নাছিল কথাবোৰ। সেই সান্ত্বনা আছিল ৰহস্যময়। কেতিয়াবা এই সান্ত্বনা আন্ধাৰ আৰু কেতিয়াবা এই অন্ধকাৰ পোহৰকো অধিক যেন ধাৰণা হৈছিল। কওক আপুনি শিল্পী- - - - - - কোনোবাৰ বাৰু এনে অৱস্থা হৈছিলনে? ব্ৰজৰ এই পবিত্ৰ ভূমিলৈ মোৰ দৰে নাৰী কেতিয়াবা আহিছিলনে? (পৃ. ৮৪)

এই প্ৰশ্নৰ উত্তৰো সৌদামিনীয়ে পাইছিল। যেতিয়া সৌদামিনীয়ে এজনী ৰাধেশ্যামীক সুধিছিল— তাই মৃত স্বামীৰ স্মৃতিক আঁকোৱালি লৈ দৈহিক ক্ষুধা আৰু প্ৰেমক অস্বীকাৰ কৰিব পাৰিছে নে পৰা নাই। ৰাধেশ্যামীজনীয়ে স্বীকাৰ কৰিছিল যে ভজন আশ্ৰমত বহি মালা জপোঁতে চামেলীৰ পাহিৰ কোমলতা আজিও তাই অনুভৱ কৰে। 'প্ৰেম আৰু যৌন ক্ষুধা'ক এই ৰাধেশ্যামীয়ে অস্বীকাৰ কৰিব পৰা নাই। 'ভাঙ্গী' গাভৰুৰ নিচিনা এদল ৰাধেশ্যামীয়ে ভবাৰ দৰে সৌদামিনীয়ে প্ৰেমক কেৱল ভাব আৰু অনুভূতিৰ বস্তু বুলি নাভাবে। সেয়ে তাই সাহসেৰে স্বীকাৰ কৰিছে, "সুব্ৰত,তাইৰ স্বামীৰ মুখ এতিয়া স্মৃতিৰ মণিকোঠাত বিবৰ্ণ আৰু নিষ্প্ৰভ হৈ পৰিছে। এক নতুন সূৰ্যৰ দৰে ভাস্বৰ হৈ উঠিছে এখন মুখ, তাইৰ সমস্ত ভাবনা, তাইৰ সমস্ত চিন্তা ধাবিত হৈ পৰিছে— সেই এটি উদ্দেশ্য কৰি। (পৃ. ১২০)

আনফালে ব্ৰজধামৰ অৱক্ষয়ৰ চিত্ৰই তাইক হতাশ কৰি তুলিছে। সৌদামিনীৰ দৰে শান্তি বিচাৰি অহা সকলোকে যেন মৃত্যুৱে হাত বাউল দি মাতিছে। আলমগড়ীৰ মৃত্যুত শশীৰ জীৱনলৈ নিৰাপত্তাহীনতা নামি আহিছে, ঠাকুৰ চাহাবৰ পৰিয়ালে ব্ৰজধামত শান্তি বিচাৰি আহি সকলো হেৰুৱাই ৰাধেশ্যামী থকা সৰু খুপুৰিত এক নিৰ্মম জীৱনযাপন কৰিবলগীয়া হৈছে, যুগল উপাসনাৰ নামতএদল পুৰুষৰ উপভোগৰ সামগ্ৰী হৈ পৰিছে— ব্ৰজধামৰ নাৰীসকল। এইবোৰ অভিজ্ঞতা লাভ কৰি "সৌদামিনীয়ে ভাবিলে মৃত্যু ইয়াত দ্ৰুতগামী। অনেক চিনাকি মুখ এই অলপ দিনৰ ভিতৰত অন্তৰ্দ্ধান হৈ পৰিছে- - - -মৃত্যু আৰু জীৱনে ব্ৰজৰ আশে-পাশে যেন হাতত ধৰা-ধৰিকৈ দিন অতিবাহিত কৰে। (পৃ. ১১৮)

ব্ৰজধামৰ এই বিষাক্ত পৰিবেশত জীৱন সম্পৰ্কে এক অনাসক্তি আৰু মৃত্যু চেতনাই সৌদামিনীৰ অন্তৰত অলক্ষিতে বাহ লৈছিল। হিন্দু ধৰ্মৰ বিৰুদ্ধে গৈ এজনী কম বয়সীয়া বিধৱাই এজন খ্ৰীষ্টান যুৱকক বিয়া কৰাৰ ক্ষেত্ৰত সমাজে কোনো দিনেই সন্মতি নিদিয়ে। সেয়ে সৌদামিনীয়ে লক্ষ্মীধৰ শৰ্মাৰ 'বিদ্ৰোহিণী'ৰ ললিতাৰ দৰে সমাজৰ বিৰুদ্ধে মুখামুখি সংগ্ৰামত অৱতীৰ্ণ হ'ব নোৱাৰিলেও আত্মহত্যাৰ মাজেদি অসমীয়া সমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদেই

সাব্যস্ত কৰিলে। আনহাতে সৌদামিনীয়ে আত্মহত্যা কৰিলে —ব্ৰজধামত, যি ব্ৰজধাম হিন্দুসকলৰ পবিত্ৰ তীৰ্থস্থান। সৌদামিনীয়ে আত্মহত্যাৰ মাজেৰে ব্ৰজধামৰ আচল ৰূপটো অধিক স্পষ্টকৈ দাঙি ধৰিছে। সেয়ে আমি ক'ব পাৰোঁ প্ৰত্যক্ষভাৱে বা সোচ্চাৰ ৰূপতহে এই উপন্যাস নাৰীবাদী নহয়। পৰম্পৰাগত সমাজত আঘাত হানি পৰোক্ষভাৱে আৰু বেছি কলাসন্মতভাৱে সৌদামিনীয়েও নাৰীবাদৰ প্ৰয়োজনীয়তাই দোহাৰিছে — বহুত নাৰীবাদী উপন্যাসতকৈ বেছি সাৰ্থক ৰূপত।

ঔপন্যাসিকাই এই উপন্যাসত নাৰীবাদী দৃষ্টিভংগীৰে ব্ৰজধামৰ অৱক্ষয়ৰ এটা চিত্ৰ আৰু উচ্চ হিন্দু সমাজত বিধবাৰ স্থান সুন্দৰভাৱে ফুটাই তুলিছে। ব্ৰজধামৰ প্ৰাচীন অট্টালিকাৰ ভগ্ন খুপুৰিবোৰত ধৱল কুষ্ঠৰোগাক্ৰান্ত প্ৰেতাত্মা সদৃশ 'ৰাধেশ্যামী' সকলৰ জীৱন যাত্ৰাৰ বিবৰণ, যুগল উপাসনাৰ নামত অবাধ যৌন ব্যভিচাৰ, পুৰোহিতে সমাজৰ চকুত ধূলি দি যুৱতী ৰাধেশ্যামীক ৰক্ষিতা ৰখা, ৰাধেশ্যামী বিধৱা যুৱতীক দেশৰ বাহিৰলৈ চালান দিয়া আদি ধৰ্মৰ নামত নাৰীৰ ওপৰত চলোৱা অত্যাচাৰৰ বিবৰণ দি ঔপন্যাসিকাই ব্ৰজধামৰ স্বৰূপ সাহসিকতাৰে উদঙাই দিছে। ব্ৰজধামৰ চাৰিওফালৰ অৱক্ষয়ৰ চিত্ৰ, নাৰীৰ ওপৰত চলোৱা শোষণৰ সাবলীল বৰ্ণনাই বৰ্তমান শতাব্দীৰ শেষভাগতো আমাৰ দেশৰ উচ্চ হিন্দুৰ বিধৱাই শান্তি আৰু পবিত্ৰতাৰ বাবে ব্ৰজধামলৈ গৈ কেনেদৰে মানসিক আৰু দৈহিকভাৱে ভ্ৰষ্টা হৈ পৰে তাকে দেখুৱাইছে। অসমীয়া উপন্যাস সাহিত্যত ইয়াৰ আগতে হিন্দুৰ বিধৱা আৰু হিন্দুৰ পবিত্ৰ পীঠস্থানক লৈ এনেকুৱা সফল নাৰীবাদী উপন্যাস সৃষ্টি হোৱা নাই।

মাৰ প্ৰতি ঃ মৰম আৰু অশ্ৰদ্ধাৰে

নিৰুপমা বৰগোহাঞিৰ 'তিনিকন্যা' (১৯৭৮) উপন্যাসিকা সংকলনৰ অন্তৰ্গত '*মাৰ প্ৰতি ঃ মৰম আৰু অশ্ৰদ্ধাৰে*'[১১] উপন্যাসিকাখনি এখন চিঠিৰ আৰ্হিৰ এজন আদৰ্শবান ডেকাৰ লগত মিলনৰ পূৰ্ব মুহূৰ্তত এজনী সচেতন, শিক্ষিতা গাভৰুৱে মাকলৈ লিখা দীঘলীয়া চিঠি। মাত্ৰ ২২ পৃষ্ঠাৰ এই উপন্যাসিকাখনিত ঔপন্যাসিকাই পৰম্পৰাগত বিবাহৰ সাৰশূন্যতা উদঙাই দিয়াৰ লগে লগে প্ৰেমৰ ভিত্তিতহে যে নৰ-নাৰীৰ প্ৰকৃত মিলন সম্ভৱ তাকে প্ৰতিপন্ন কৰিছে। নৰ-নাৰীৰ মিলনৰ ক্ষেত্ৰত নাৰীবাদেও এই মতামতেই পোষণ কৰে।

উপন্যাসিকাখনিৰ মূল কাহিনীটো হ'ল ঃ ৰূপালী নামৰ এজনী আদৰ্শনিষ্ঠা গাভৰুৱে ঘটনাক্ৰমে এটা বাঁওপন্থী বিপ্লৱী দলৰ কৰ্মী মনোজৰ নৈতিক সাহস দেখি তেওঁক ভাল পাই তেওঁৰ লগতে বিয়াত বহিব বিচাৰে। কিন্তু ৰূপালীৰ মাকৰ দৃষ্টিভংগী ৰক্ষণশীল। সেয়ে মাকে ধন-সম্পত্তি নথকা মনোজৰ লগত

ৰূপালীৰ বিয়া হোৱাত বাধা প্ৰদান কৰিলে। কিন্তু ৰূপালীয়ে আন কোনো পুৰুষৰ লগত বিয়াত সম্মতি দি প্ৰেমশূন্য জীৱন আৰু শহুৰেকৰ ঘৰত দাসীৰ জীৱন কেতিয়াও মাকৰ দৰে গ্ৰহণ কৰিব নোৱাৰে। ৰূপালীয়ে মাকৰ পৰাই অভিজ্ঞতা লাভ কৰিছিল— কেনেকৈ মাকে দেউতাকৰ লগত প্ৰেমবৰ্জিত গতানুগতিক দাম্পত্য জীৱন যাপন কৰি পুৰুষপ্ৰধান সমাজৰ সকলো সিদ্ধান্তকে নিৰ্বিবাদে মানি লৈছিল। নাৰীবাদী দৃষ্টিভংগীৰে ৰূপালীয়ে মাকৰ এই সামাজিক স্থিতিক ব্যাখ্যা কৰিছে এইদৰে ঃ

> *সৰুতে তুমি পিতৃগৃহৰ এক ভয়ৰ দ্বাৰা পৰাজিত হৈ নিজৰ প্ৰেমক অস্বীকাৰ কৰিলা, বিয়াৰ পিছত সেই ভয়ৰ জীৱন চলি থাকিল স্বামীৰ দ্বাৰা শাসিত হৈ। আৰু বুঢ়াকালত ককাইদেউহঁতেও যে তোমাক শাসন কৰিব অৰ্থাৎ আৰু এক ধৰণৰ ভয়ে যে তোমাৰ মন আৰু আত্মাক বন্দী কৰি ৰাখিব তাত কোনো সন্দেহ নাই। কি যে পৰিতাপৰ বিষয়, ভাৰতীয় নাৰীৰ মনে যে আজিও মুক্তি লাভ কৰিব নোৱাৰিলে মা ! অথচ আমি এদিন মন আৰু আত্মাৰে সঁচাকৈয়ে মুক্ত প্ৰকৃতিৰে আছিলোঁ, পুৰুষৰ সমানে সমানেই আগবাঢ়ি গৈছিলো নিজৰ ৰমণী হৃদয়ৰ অস্তিত্ব ৰক্ষা কৰিও। (পৃ.৩)*

ৰূপালীৰ এই কথাই পুৰুষপ্ৰধান সমাজত নাৰীৰ স্থান সুন্দৰভাৱে প্ৰকাশ কৰিছে। গোষ্ঠীবদ্ধ আদিম সমাজৰ মুক্ত নাৰীয়ে একপত্নী বিবাহৰ মাধ্যমেৰে যেতিয়াই পুৰুষৰ দাসত্ব স্বীকাৰ কৰিলে — তেতিয়াই নাৰীৰ ঐতিহাসিক পৰাজয় ঘটিল। মনুৰ অনুশাসনে ভাৰতীয় নাৰীক শৃঙ্খলিত কৰিলে। সেয়ে ভাৰতীয় শাশ্বত নাৰীয়ে বৈ আনিছে "সেই অশ্ৰুময়ী নাৰীৰ ঐতিহ্য" (পৃ.৪)। শাশ্বত নাৰীৰ প্ৰতিভূ হিচাপে ৰূপালীৰ মাকে শাহুৱেকৰ ঘৰত কাৰো ওচৰত কোনো কথাতে কোনোদিন প্ৰতিবাদ কৰা নাছিল। ৰূপালীয়ে মাকলৈ লেখিছে এইদৰে ঃ

> *তোমাৰ ভূমিকা আন বহুতো ভাৰতীয় নাৰীৰ দৰেই হ'ল বিয়াৰ পিছত শহুৰৰ ঘৰৰ আটাইকে সন্তুষ্ট কৰা, এজনী ভাল ঘৈণী, ভাল বোৱাৰী, ভাল বৌৱেক আদিৰ চাৰ্টিফিকেট আদায় কৰা। তাৰ বিনিময়ত তুমি পাবা আমৰণ এক অৰ্থনৈতিক নিৰাপত্তা, আশ্ৰয় আৰু কৃপণৰ দৰে শহুৰৰ ঘৰে যচা অলপ প্ৰশংসা। (পৃ.৬)*

নাৰীয়ে অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল হ'ব নোৱাৰাৰ বাবে পুৰুষৰ দাসত্ব স্বীকাৰ কৰিবলৈ বাধ্য হয়। গাৰ্হস্থ্য কৰ্মৰ সীমাবদ্ধতাৰ মাজত নাৰী সোমাই পৰে। স্বামীসেৱাই নাৰীৰ একান্ত ধৰ্ম — এয়ে ভাৰতীয় নাৰীৰ শাশ্বত ৰূপ। "সংসাৰ নামক যন্ত্ৰটোৰ ভাৰবাহী পশু" (পৃ.৭) হিচাপে ভাৰতীয় নাৰীয়ে ঘৰুৱা কৰ্মৰ মাজৰ পৰা ওলাই আহি মানৱীয় মৰ্যাদা লাভ কৰিব পৰা নাই। যুগ যুগ ধৰি নাৰীয়ে পুৰুষৰ দাসত্ব স্বীকাৰ কৰি অহা বাবেই নাৰীসকলেও ভাৱে যে তেওঁলোকৰ জন্ম পুৰুষক সেৱা কৰাৰ বাবেই। সমমৰ্যাদাৰ ভিত্তিত গঢ়ি উঠা নৱ-নাৰীৰ আদৰ্শ বৈবাহিক জীৱনতহে যে নাৰী সুখী হ'ব পাৰে —সেই কথা

নাৰীসকলে বুজি নাপায়। নাৰী হৈ পৰে বজাৰৰ পণ্য সামগ্ৰীৰ দৰে। বিয়াৰ বজাৰ দখল কৰে নগদ টকাই। যৌতুকে নিৰ্দ্ধাৰণ কৰে নাৰীৰ মূল্য। ৰূপালীৰ মাকেও তেওঁৰ এই পৰম্পৰাগত দৃষ্টিভংগীৰে মধ্যবিত্ত যুবক ৰাজেনৰ লগত ৰূপালীৰ বিয়া ঠিক কৰিব বিচাৰিছিল— যিজন ডেকাৰ মতে "প্ৰেম- দয়া -কৃতজ্ঞতা - বন্ধুত্ব আদি শব্দই এতিয়া আৰু আগৰ দৰে অৰ্থ বহন নকৰে" (পৃ.১৫)। ৰাজেন অৱস্থাপন্ন হোৱা বাবেই ৰূপালীৰ মাকৰ দৃষ্টিত সৰ্বগুণী ল'ৰা। সেয়ে সচেতন নাৰী হিচাপে ৰূপালীয়ে মাকৰ পুৰণি দৃষ্টিভংগীক গ্ৰহণ কৰিব পৰা নাই। তাই ভাল পায় মাৰ্ক্সবাদী দৰ্শনেৰে উদ্বুদ্ধ যুৱক মনোজক। মনোজৰ টকা নাই — কিন্তু আছে নৈতিক সাহস। ৰূপালীৰ মাক যদিও এসময়ত মাৰ্ক্সবাদী দৰ্শনত বিশ্বাসী আছিল, তথাপি সেই আদৰ্শ তেওঁ নিজৰ জীৱনত প্ৰতিফলিত কৰিব নোৱাৰিলে। কিন্তু ৰূপালী আদৰ্শত অটল বিশ্বাসী। আদৰ্শক নিজৰ জীৱনত প্ৰতিফলিত কৰিব বিচাৰে ৰূপালীয়ে। এইখিনিতে ঔপন্যাসিকাই উপন্যাসিকাখনিত ৰূপালীৰ মুখেৰে কোৱাইছে যে ৰূপালীৰ মাকৰ দৰে সমাজত আজিও এনে এচাম নাৰী আছে— যিসকলে মুখত নাৰী-স্বাধীনতাৰ কথা ক'লেও তেওঁলোকৰ ব্যক্তিগত জীৱনত চিন্তা আৰু কাৰ্যৰ বিসংগতি দেখা যায়। ৰূপালীয়ে মাকলৈ লেখিছে এইদৰে ঃ

> *তোমাৰ সমনীয়া বহুতো মহিলাই নাৰীবৰ্ষত নাৰীৰ ওপৰত অবিচাৰৰ বিৰুদ্ধে হুলস্থুল লগাইছিল নহয়? তাৰ ভিতৰত তুমিতো শ্ৰীমতী বীণা শৰ্মাক ভালকৈ জানা, তেওঁ জাৰ্মানীও ঘূৰি আহিছিল এই নাৰীবৰ্ষ উপলক্ষে। পিছে কথা আৰু কামৰ মিল নথকা আমাৰ এই সমাজৰে এক প্ৰতিভূ বীণা শৰ্মাৰ বিধৱা বৌৱেকজনীক হেনো মাকে কাপ-প্লেটত চাহ খাব নিদি বাটিত চাহ খাব দিয়ে; মাছ-মংসতো খাব নিদিয়েই আৰু বামুণৰ বিধবাৰ অন্যান্য সকলো আচাৰ-নিষ্ঠাৰেও বোৱাৰীয়েকক চলিবলৈ বাধ্য কৰায়। (পৃ.১৩)*

এইদৰে উপন্যাসিকাখনিত ঔপন্যাসিকাই ৰূপালীৰ চৰিত্ৰটোৰ দ্বাৰা গভীৰ পৰ্যবেক্ষণেৰে অসমৰ নাৰীমুক্তি আন্দোলনৰ নেত্ৰীসকলৰ স্ববিৰোধিতা দাঙি ধৰিছে। এই স্ববিৰোধিতাৰ বাবেই হয়তো এতিয়াও অসমীয়া সমাজত নাৰীমুক্তিৰ প্ৰশ্ন লৈ তীব্ৰ নাৰী আন্দোলন গঢ়ি উঠা নাই। নাৰী আন্দোলনৰ বহুসংখ্যক নেত্ৰী আজিও পৰম্পৰাগত ৰক্ষণশীলতাৰ পৰা উৰ্দ্ধত উঠিব পৰা নাই।

কিন্তু নতুন নাৰী ৰূপালীয়ে পৰম্পৰাগত অন্ধ সংস্কাৰৰ পৰা নিজকে মুক্ত কৰি আদৰ্শবাদী যুৱক মনোজক বিয়া কৰোৱাৰ সিদ্ধান্ত কৰিছে। ইয়াৰ বাবে যদি অৰ্থনৈতিক দুৰৱস্থাৰ মুখামুখি হ'ব লাগে — তাই তালৈকেও প্ৰস্তুত আছে। অভিজাত পৰিয়ালত জন্মগ্ৰহণ কৰা জেনী মাৰ্ক্সে কাৰ্ল্ মাৰ্ক্সৰ লগত বিবাহপাশত আবদ্ধ হৈ যেনেকৈ অসাধাৰণ অৰ্থনৈতিক দুৰৱস্থাৰ সৈতে সাহসেৰে মুখামুখি হৈছিল, আদৰ্শৰক্ষাৰ বাবে প্ৰয়োজন হ'লে তায়ো সেই পথেই অৱলম্বন কৰিব। (পৃ.১৯) বাস্তৱ অভিজ্ঞতাই ৰূপালীক দৰিদ্ৰ জীৱনৰ লগত মুখামুখি হ'বলৈ সাহস যোগাইছে।

উপন্যাসিকাখনিৰ ভাষাতেই ঃ

মনোজৰ লগত মই কিছু গাঁও ঘূৰিছো, বস্তী অঞ্চলত ঘূৰিছো আৰু তাৰ ফলত মানুহৰ দাৰিদ্ৰ্য দেখিছোঁ এতিয়াও আমাৰ দেশত তিৰোতাৰ কি পদদলিত ভূমিকা। দেখিছোঁ গাঁৱৰ বিধবা দৰিদ্ৰ মাকে একমাত্ৰ শিশু পুত্ৰক অভাৱৰ তাড়নাত লোকৰ ঘৰলৈ চাকৰ খাটিবলৈ পঠিওৱা। .... দেশৰ এই অগণিত জনগণে যেতিয়া দুবেলা দুমুঠি পেট ভৰাই খাবলৈ পোৱা নাই, লজ্জা, শীত নিবাৰণৰ কাপোৰ পোৱা নাই, থাকিবলৈ এটা আশ্ৰয়গৃহ পোৱা নাই, সেই অৱস্থাত মোৰ নিজৰ ব্যক্তিগত সুখ-স্বাচ্ছন্দ্যৰ কোনো প্ৰয়োজন নাই মা। (পৃ.১৭)

কিন্তু ৰূপালীৰ মাকে বাঁওপন্থী বে-আইনী ৰাজনৈতিক দলৰ কৰ্মী ৰামকুমাৰ দেক ভাল পোৱা সত্ত্বেও — এক কষ্টকৰ জীৱন কটোৱাৰ নিশ্চিত সম্ভাৱনাৰ কথা ভাবি শেষত বিশ্বাসঘাতকতা কৰিলে। (পৃ.২) নতুন নাৰীৰ চেতনা মাকৰ নাথাকিলেও ৰূপালীৰ আছে। ৰূপালীয়ে জানে আন্তৰিক ভাল পোৱা আৰু নৰ-নাৰীৰ আদৰ্শগত মিল অবিহনে বিবাহ কেতিয়াও সফল হ'ব নোৱাৰে। কাৰণ নাৰী অকল যৌন প্ৰাণীয়েই নহয় — নাৰীও মানুহহে। সেয়ে মাকৰ দৰে ৰূপালীয়ে শাশ্বত নাৰীৰ ভূমিকা লৈ পুৰুষৰ দাসত্ব স্বীকাৰ কৰিবলৈ ৰাজী নহৈ মাকৰ সিদ্ধান্তৰ প্ৰতিবাদ কৰি মনোজৰ ওচৰলৈ গুচি যোৱাটোকে ঠিক কৰিলে। সেয়ে উপন্যাসিকাখনিত ৰূপালীৰ চৰিত্ৰটো আমি সমাজবাদী নাৰীবাদী চৰিত্ৰ বুলি ক'ব পাৰোঁ।

ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ

নিৰুপমা বৰগোহাঞিৰ *'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ'*[১৮] (১৯৭৯) পাগলাদিয়া নৈৰ পাৰৰ দৰিদ্ৰপীড়িত পশ্চাদপদ এখন গাঁৱৰ নিৰ্যাতিতা নাৰীৰ জীৱনৰ এক চিত্ৰ। পুঁজিবাদী শোষণৰ অৱধাৰিত ফলস্বৰূপেই অসমৰ গাঁওসমূহৰ অৰ্থনীতি ভাঙি পৰিছে। চহৰীয়া ব্যৱসায়ীয়ে গাওঁসমূহকো গ্ৰাস কৰিছে। সেয়ে বাকলুৰ নিচিনা সাধাৰণ বেপাৰীসকলে প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি সৰ্বস্ব হেৰুৱাব লগা হৈছে। আনফালে সৰল গাঁৱলীয়া জীৱনতো কেৰোণ সোমাই পৰিছে। স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত গাঁৱলীয়া জীৱনৰ ৰক্ষণশীলতাৰ বাবে নাৰী শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। উপন্যাসত গাঁৱলীয়া ৰক্ষণশীলতাৰ প্ৰতিভূ নীলকণ্ঠই জীয়েক বিমলাক কলেজীয়া শিক্ষা গ্ৰহণ কৰিবলৈ বাধা কৰাত গাঁৱলীয়া হোজা জনসাধাৰণেও সমৰ্থন দিছে এইদৰে ঃ

নীলকণ্ঠোই ঠিক কামোকেই কৰিছি। আপীছলিক যেইতাৰ পাই পঢ়াবা ধৰা গেল, তেইতাৰ পাই আমাৰ গাওঁগিলা উচ্ছন্নে গেল। বেটীহাত পঢ়বা যাই মহা

গাইবেণী হল, ঘৰোৰ কুটা এখন নকৰা হ'ল, তাঁত বোৱা প্ৰায় এৰিলাক্, ঢেঁকী দিবাও আৰ এৰিবো, সেই 'হলাৰ কল' আমাৰ ইপিনে আহকচোন, গাছ্তেত উঠেতিহাতে ঢেঁকীত গৰকটোকে নামেৰিবো। বেটীহাতে তাতে বাবুৰেনীও কম শিকা নাই। সাউতাহাতেও উজান দি খালাক নহয়। — গাঁৱে-ভূঞে সংসোহাইনো কলেজগিলা পাতবাৰ কি দৰকাৰ পৰিছিল। (পৃ.২৮)

গাঁৱলীয়া মানুহৰ আজিও ধাৰণা যে নাৰী ঘৰুৱা কাজকৰ্মত পটু হোৱাটোহে উচিত— শিক্ষা-দীক্ষা নাৰীৰ বাবে প্ৰয়োজন নাই। সমাজখনে নাৰীক ঘৰুৱা কাজকৰ্মৰ মাজতে আবদ্ধ ৰাখিব বিচাৰে।

উপন্যাসত এনে এখন ৰক্ষণশীল পিছপৰা গাঁৱলীয়া ঠাইলৈ অঞ্জলি নামৰ এজনী চহৰীয়া মধ্যবিত্ত সমাজ সচেতন শিক্ষিতা গাভৰুৰ আগমন দেখুওৱা হৈছে। অঞ্জলি পৰেশ দাৰোগাৰ কন্যা। পৰেশ দাৰোগাৰ এই গাঁৱতেই জন্ম হৈছিল। চহৰত বাস কৰিলেও গাঁৱৰ লগত তেওঁৰ সম্পত্তিৰ সম্পৰ্ক আছিল। অঞ্জলিয়ে গাঁৱলৈ আহি বিমলাক লগ পায় আৰু তাইৰ মুখতে শুনিবলৈ পায়— পটেশ্বৰীৰ কথা। বিমলাই সাধাৰণ বুদ্ধি আৰু বিবেচনাৰে অঞ্জলিক কয়, " এতিয়া তাইৰ পৰিচয় হ'ল তাই এজনী দুখীয়া বিধৱা তিৰোতা। কিন্তু আচলতে তাই বৰ সাংঘাতিক তিৰোতা, তাইৰ বহুত হিষ্ট্ৰি আছে।" (পৃ.৩৬) কিন্তু এজনী দুখুনী বিধৱা সম্পৰ্কে বিমলাৰ এই মন্তব্যত অঞ্জলি সন্তুষ্ট হ'ব পৰা নাই। কাৰণ অঞ্জলি নাৰীৰ সামাজিক স্থিতি সম্পৰ্কে সচেতন। তাই জানে বৰ্তমানৰ পুৰুষপ্ৰধান সমাজব্যৱস্থাত পুৰুষে হাজাৰ ব্যভিচাৰ কৰক— তাত সমাজৰ কোনো দৃষ্টি নাই; কিন্তু নাৰীৰ অলপ দোষতে সমাজ জাঙুৰ খাই উঠে। সেয়ে ক্ষোভেৰে অঞ্জলিয়ে উত্তৰ দিছে, " হিষ্ট্ৰি! হিষ্ট্ৰি! কিন্তু এই হিষ্ট্ৰি থাকে কেৱল মাইকী মানুহৰহে, পুৰুষ মানুহৰ নেথাকে। এই পটেশ্বৰীৰ দৰেই চহৰত থকা তাইৰ সুন্দৰী ৰেখাদিৰো হিষ্ট্ৰি আছে, কিন্তু ৰেখাদিৰ সৰ্বনাশ কৰা মানুহজনৰ হ'লে কোনো হিষ্ট্ৰি নাথাকিল, তেওঁৰ সুখৰ সংসাৰখন কোনো হিষ্ট্ৰিয়ে ধ্বংস কৰিব নোৱাৰিলে।" (পৃ. ৩৬) এই প্ৰসংগতে অঞ্জলিয়ে কৈছে, "মানুহ চৰিত্ৰবান হ'ব লাগে — দুশ্চৰিত্ৰ হ'ব নেলাগে। কিন্তু এই নৈতিক দায়িত্ব অকল তিৰোতাৰে নহয় — পুৰুষৰো। আমাৰ সমাজত চৰিত্ৰহীন পুৰুষে সদায় ক্ষমা পাই আহিছে — তিৰোতাই পোৱা নাই।" (পৃ. ৪০) অঞ্জলিৰ এই দৃষ্টিভংগী নাৰীবাদী। অঞ্জলিয়ে নাৰীৰ ওপৰত চলোৱা অত্যাচাৰ সহ্য কৰিব পৰা নাই। সেয়ে চহৰীয়া জীৱনৰ পৰা পাগলাদিয়াৰ পাৰৰ গাওঁখনলৈ আহি অঞ্জলিয়ে জানিব বিচাৰিছে পটেশ্বৰীৰ অতীত জীৱনৰ সেই হিষ্ট্ৰি কি। ইয়াতে উপন্যাসৰ মূল চৰিত্ৰ পটেশ্বৰীৰ জীৱন কাহিনী আৰম্ভ হৈছে।

পাগলাদিয়াৰ পাৰৰ বাথানঘাট গাঁৱত পটেশ্বৰীৰ জন্ম। অসমৰ আন আন অঞ্চললৈ মাৰোৱাৰী মহাজনৰ আগমন হোৱাৰ দৰে বাথানঘাট গাঁৱলৈও মাৰোৱাৰী মহাজনৰ আগমন হৈছে। এই পৰিবৰ্তনৰ লগে লগে গাঁৱলীয়া জীৱনলৈও বিপৰ্যয় নামি আহিল। পটেশ্বৰীৰ নিচিনা এজনী লিখা-পঢ়া নজনা সাধাৰণ গাঁৱলীয়া

গাভৰুৱে মাৰোৱাৰী মহাজনৰ পুতেকৰ টকাৰ মোনা দেখি মহাজনৰ পুতেকৰ লগত চহৰলৈ পলাল। পটেশ্বৰীয়ে ভাবিছিল মাৰোৱাৰী মহাজনৰ পুতেক পূজনে তাইক বিয়া কৰাব। কিন্তু পূজনে তাৰ দৈহিক লালসা পূৰ্ণ হোৱাৰ পিছত এদিন হোটেলতে পটেশ্বৰীক এৰি পলাই গুচি গ'ল। নিঃসহায় পটেশ্বৰীক হোটেলত কাম কৰা গাঁৱলীয়া ডেকা ছবিনে বিয়া কৰাবলৈ প্ৰস্তাৱ দিলেও তাই মান্তি নোহোৱাত শেষত সি পটেশ্বৰীক গুৱাহাটীৰ অনাথ আশ্ৰমত থৈ আহিল। এই অনাথ আশ্ৰমতে পটেশ্বৰীয়ে "ভাগ্য আৰু যৌৱনৰ ষড়যন্ত্ৰই সিহঁতক সেই পিতৃগৃহবোৰৰ পৰা আশ্ৰয়চ্যুত কৰা" (পৃ. ৫৭) কেইগৰাকীমান নাৰীক লগ পায়। পুৰুষৰ কামনাৰ বলি হোৱা এই গৃহচ্যুতা নাৰীসকলৰ জীৱন কাহিনী পটেশ্বৰীয়ে এটাৰ পিছত এটাকৈ যেতিয়া কৈ গৈছিল — তেতিয়া সাধাৰণ লিখা-পঢ়া নজনা ছবিনৰে নতুন উপলব্ধি হৈছিল — নাৰীৰ জীৱন সম্পৰ্কে। ছবিনে পটেশ্বৰীক তাৰ নতুন অভিজ্ঞতাৰ পৰাই কৈছে ঃ

> *মই এঁটা কথা ভাবৃছোঁ পটেশ্বৰী, পাপতো সেই মতা মানুহ কেইটায়ো কৰ্ছিল বৰং সেহাঁতে আৰু বেছি পাপ কৰ্ছিল। কিন্তু সেহাঁতোৰ তো একো শাস্তি নহ'ল, তাৰাৰ দাইদাকে নিজোৰ তিৰীৰ লগোত সুখেৰে ঘৰ সংসাৰ কৰিয়ে থাকিল, পুৰোহিতে মহা ধাৰ্মিক ছেলে লোকোৰ ঘৰে ঘৰে শ্ৰাদ্ধো কৰি কৰি মৰা আত্মাগিলাকোৰ সদ্‌গতি কৰিয়ে থাকিল, তেৰ বছেৰা নাইয়লি ছোৱালীজনীৰ বা ক'ত কি গতি হ'ল — কিন্তু তাইৰ সৰ্বনাশ কৰা ল'ৰাটোয়ে হয়তো এম. এ, বি. এ. পাছ কৰি ক'বাত মাষ্টাৰ প্ৰফেচাৰ হৈ ল'ৰাগিলাকোক বৰ বৰ কথা কৈ নিজোৰ বিদ্যা জাহিৰ কৰি আছে। ধেৎ চালা — এখান দুনিয়াত ঈশ্বৰোৰ বিচাৰ বোলা কোনো কথা নাই ৰে — ইগ্‌লা দেখি শুনিতো আজিকালি মই মহা নাস্তিক হ'লোঁ। (পৃ. ৬৪)*

পটেশ্বৰীয়ে ছবিনৰ লগত বিয়াত বহাৰ সিদ্ধান্তলৈ অনাথ আশ্ৰমৰ পৰা হোটেলৰ মালিকৰ ঘৰলৈ গুচি অহাৰ পিছত তাইৰ নতুন জীৱন আৰম্ভ হৈছে। পটেশ্বৰীৰ জীৱনলৈ আকৌ নামি আহিল অন্ধকাৰ। সিহঁতৰ নিঃকিন অৱস্থাৰ বাবে পটেশ্বৰীয়ে উপায়হীন হৈ ষাঠি বছৰীয়া হোটেলৰ মালিকক দেহ সমৰ্পণ কৰিবলৈ বাধ্য হ'ল। ইতিমধ্যে বেমাৰত ছবিনৰ মৃত্যু হোৱাত পটেশ্বৰীয়ে এহাল ল'ৰা-ছোৱালী বুকুত বান্ধি আকৌ গাঁৱলৈ গুচি আহিল। কিন্তু কালৰ সোঁতত নিজৰ জীয়েক সাবিত্ৰীক আকৌ সেই হোটেলৰ মালিকৰ ঘৰতে চাকৰণী কৰি ৰাখিবলগীয়া হ'ল। " পটেশ্বৰীয়ে আগতে বহুত বাৰ অনুভৱ কৰাৰ দৰে আকৌ নতুনকৈ অনুভৱ কৰিছিল যে দৰিদ্ৰ মানুহৰ কাৰণে ৰূপ বস্তুটো অভিশাপহে, এই ৰূপেই তাইক সমস্ত জীৱন লটি-ঘটি কৰি মাৰিলে।" (পৃ. ৭৭) এই ৰূপৰ বাবেই পূজনে তাইক পলুৱাই লৈ তাইক ধ্বংসৰ মুখলৈ ঠেলি দিলে। হোটেলৰ ষাঠি বছৰীয়া মালিকেও তাইৰ ৰূপৰ বাবেই তাইক ধৰ্ষণ কৰিলে। কিন্তু তাইৰ নিচিনা নাৰীসকলক অবাটে নিয়া পুৰুষৰ গাত কোনো চেকাই নালাগিল। (পৃ. ১০৮) অশিক্ষিতা হ'লেও বাস্তৱ

অভিজ্ঞতাৰ পৰা পটেশ্বৰী এই সিদ্ধান্তলৈ আহিছিল যে পুৰুষ শাসিত সমাজখনত নাৰীক পুৰুষে অকল যৌনপ্ৰাণী হিচাপেই জ্ঞান কৰে। দৰিদ্ৰ পৰিয়ালৰ ৰূপৱতী নাৰীয়ে এই সমাজত সম্মান সহকাৰে বাস কৰাটো কঠিন। সেয়ে 'ৰহদৈ লিগিৰী' উপন্যাসৰ ৰহদৈৰ নিচিনা পটেশ্বৰীয়ে ভাবিছে ঃ

> *আৰু সেই সাংঘাতিক শত্ৰু হ'ল তাইৰ এই ৰূপ, — এই অপৰূপ সৌন্দৰ্য, যি সৌন্দৰ্য হ'ল তাইৰ সকলো অপৰাধৰ উৎস, যি অপৰাধে আজি অত বছৰে তাইৰ কায়াৰ ছায়া হৈ অনবৰতেই তাইৰ লগে লগে লাগি ফুৰিছিল — যি অপৰাধ ছবিনৰ অপাৰ প্ৰেমে কোনোদিন পূৰা পূৰি ক্ষমা কৰিব পৰা নাছিল — আজি অৱশেষত সেই সকলোৰে মূল তাইৰ অপৰূপ সৌন্দৰ্যৰ সঁচাকৈয়ে মৃত্যু ঘটিল। আজি অত বছৰৰ মূৰত আগৰ পটেশ্বৰীৰ সঁচাকৈয়ে মৃত্যু ঘটিল। এতিয়া আৰু এই পটেশ্বৰীৰ ৰূপক লৈ তাই কোনো দুৰ্ভাৱনা নাই, এতিয়া তাই নিশ্চিন্ত মনেৰে পুৰুষৰ ৰাজ্যত চলাফুৰা কৰিব ফুৰি (?) পাৰিব —" (পৃ. ১৩৯)*

উপন্যাসৰ শেষৰ ফালে অৰ্থনৈতিক দুৰ্দশাত পিষ্ট পটেশ্বৰীয়ে যেতিয়া দিগ্‌-বিদিগ্‌ শূন্য দেখিলে তেতিয়া নিষ্ফল আক্ৰোশত সমগ্ৰ পুৰুষজাতিকে আক্ৰমণ কৰি গালি পাৰিছে, "অ'চালা শগুণহাত, তহঁতে মৰাশ খুঁটি খুঁটি খাবাক্‌গেলি আৰু মাংসো নাপাৱা হলি নহয়, চালা তিৰীৰ মাংসোৰ লুইভা শগুণহাত —।" (পৃ. ১৪০) কিন্তু পটেশ্বৰীৰ এই পুৰুষ বিদ্বেষী মনোভাব স্বতঃস্ফূৰ্ত — ই নাৰীবাদী নহয়।

আনহাতে চহৰীয়া মধ্যবিত্তৰ ঘৰৰ শিক্ষিতা জীয়ৰী অঞ্জলিয়ে নাৰীৰ ওপৰত চলা পুৰুষৰ শোষণৰ বিৰুদ্ধে নাৰীক শিক্ষিতা কৰি গঢ়ি তোলাৰ বাবে গাঁৱত বিদ্যালয় খোলাৰ কথা ভাবিছে। (পৃ. ১১৪) কিন্তু গাঁৱত দেখা দিয়া অভাৱ-অনাটনৰ কথা ভাবি অঞ্জলিৰ দেউতাক পৰেশ দাৰোগাই গাঁৱত ঘৰ বন্ধা পৰিকল্পনা পৰিহাৰ কৰাত অঞ্জলিৰো গাঁৱলৈ আহি নাৰীক শিক্ষিত কৰি গঢ়ি তোলাৰ ৰোমাণ্টিক কল্পনা ধূলিসাৎ হৈ গ'ল। (পৃ. ১৪৭)

এই উপন্যাসত ঔপন্যাসিকাই অধিক সহানুভূতিৰে পটেশ্বৰীৰ নিচিনা গাঁৱলীয়া নিৰ্য্যাতিতা নাৰীৰ চৰিত্ৰ অংকন কৰিছে। অৰ্থনৈতিকভাৱে নাৰী স্বাৱলম্বী হ'ব নোৱাৰাৰ বাবেই পুৰুষশাসিত সমাজত নাৰীয়ে দুৰ্ভোগ ভুগিব লগীয়া হয়। পটেশ্বৰীৰ জীৱনত দেখা দিয়া সমস্যাসমূহে তাইক দিগ-বিদিগ শূন্য কৰি তুলিছে। পুৰুষপ্ৰধান সমাজত পটেশ্বৰীৰ নিচিনা গাঁৱলীয়া নাৰীয়ে পৰিশ্ৰমৰ উপযুক্ত মূল্যও নাপায়। সেয়ে মাটিগিৰি মহাজন নীলকণ্ঠই পটেশ্বৰীক ভুঁইৰুৱা বাবদ দিব থকা টকা কেইটাও দিব নোখোজে। পটেশ্বৰীৰ জীয়েক সাবিত্ৰী ছোৱালী হোৱা বাবেই মাত্ৰ দহ টকাতে চহৰত চাকৰণী হ'বলগীয়া হৈছে। (পৃ. ১৩৭) উপন্যাসৰ কাহিনীৰ মাজত এই নাৰী সমস্যাসমূহ অতি কলাসন্মতভাৱে দাঙি ধৰি ঔপন্যাসিকাই নাৰীবাদী দৃষ্টিভংগীৰে এইটোৱেই প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছে যে আশীৰ দশকতো অসমীয়া সমাজত নাৰীয়ে মানৱীয় মৰ্যাদা লাভ কৰিবলৈ সক্ষম হোৱা

নাই।

উপন্যাসত পটেশ্বৰীৰ নিচিনা নির্যাতিতা গাঁৱলীয়া নাৰীৰ অন্তৰত পুৰুষশাসিত সমাজৰ বিৰুদ্ধে এক স্বতঃস্ফূর্ত বিক্ষোভে দেখা দিলেও তাইৰ ইয়াৰ বিৰুদ্ধে দৃঢ়ভাবে থিয় হোৱাৰ সাহস নাইবা জ্ঞান নাই। চহৰীয়া শিক্ষিতা গাভৰু অঞ্জলিয়ে চহৰৰ পৰা গাঁৱলৈ আহি নাৰীক পুৰুষৰ শোষণৰ পৰা মুক্ত কৰাৰ সপোন দেখিলেও শেষ পর্যন্ত দৰিদ্ৰতাৰে আচ্ছন্ন গাঁৱলীয়া জীৱনলৈ মধ্যবিত্তৰ আৰামী জীৱনৰ পৰা ওলাই আহি সংগ্রামী নাৰীৰ ৰূপত অৱতীর্ণ হ'ব নোৱাৰিলে। সেয়ে উপন্যাসৰ এই দুয়োটা চৰিত্ৰকে আমি নাৰীবাদী চৰিত্ৰ বুলি ক'ব নোৱাৰোঁ। কিন্তু এই চৰিত্ৰ দুটাই অসমত নাৰীবাদী চেতনা উদ্ভৱ হোৱাৰ সময়ৰ এটা ইংগিত দিছে বুলি ক'ব পাৰি।

এই উপন্যাসত অসমৰ গাঁওসমূহত দেখা দিয়া অর্থনৈতিক সংকটৰ পৰিপ্রেক্ষিতত গাঁৱৰ পৰা চহৰলৈ জীৱন জীৱিকাৰ বাবে প্ৰব্ৰজন আৰু এই পটভূমিতে পৰিবৰ্তিত আৰ্থ-সামাজিক পৰিস্থিতিত নাৰীৰ সামাজিক আৰু নৈতিক জীৱনৰ অৱধাৰিত পৰিণতি দেখুওৱা হৈছে।

টীকা

১। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, *আই* (১৯৬০), এল, বি, এছ, গুৱাহাটী, ১৯৮৩, তৃতীয় সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা দিয়া হৈছে।)

২। গোবিন্দ প্ৰসাদ শৰ্মা, *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য : ঔপন্যাসিক*, বৰুৱা এজেন্সি, গুৱাহাটী, ১৯৮৩, পৃ. ১৪৭

৩। একেগ্ৰন্থ, পৃ. ১৪৮

৪। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, *নষ্টচন্দ্ৰ*, শ্ৰীভূমি পাব্লিচিং কোম্পানী, কলিকতা, ১৯৬৮, প্ৰথম সংস্কৰণ, (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই তুলি দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে।)

৫। গোবিন্দ প্ৰসাদ শৰ্মা, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৬৩

৬। একেগ্ৰন্থ, পৃ. ১৬৩

৭। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, *মৃত্যুঞ্জয়* (১৯৭০), সাহিত্য প্ৰকাশ, গুৱাহাটী, ১৯৮৫, চতুৰ্থ সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই তুলি দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

৮। গোবিন্দ প্ৰসাদ শৰ্মা, পূৰ্বোক্ত গ্ৰন্থ, পৃ. পৃ. ৮১, ৮২

৯। Dipti Sarma, Women in Assam: Their Contribution to Indian's Freedom Struggle, A Synoptic Note` in Preeti Barua (ed), *Golden Jubilee Handique Girls College, 1939-1989, Commemorative volume,* Golden Jubilee, Celebration Committee, Guwahati, 1989, পৃ. ১৯৪

১০। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, *প্ৰতিপদ*, সাহিত্য প্ৰকাশ, গুৱাহাটী, ১৯৭০ প্ৰথম সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ

ভিতৰত পৃষ্ঠা সংখ্যা দিয়া হৈছে)।

১১। Amalendu Guha, *Planter-Raj to Swaraj* (1977), Indian Council of Historical Research, New Delhi, 1988 পৃ. পৃ. ২৩৭-২৪১

১২। বীৰেন্দ্র কুমাৰ ভট্টাচাৰ্য, *চিনাকি সুঁতি* (১৯৭১), শ্রীভূমি পাব্লিচিং কোম্পানী, কলিকতা, ১৯৭৬, দ্বিতীয় সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

১৩। বীৰেন্দ্র কুমাৰ ভট্টাচাৰ্য, *ডাইনী*, শ্রীভূমি পাব্লিচিং কোম্পানী, কলিকতা, ১৯৭৬, প্রথম সংস্কৰা (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

১৪। Gobinda Prasad Sarma, 'Feminism in The Assamese Novel', in Preeti Barua (ed), পূৰ্বোক্ত গ্ৰন্থ, পৃ.১৪৩

১৫। গোবিন্দ প্রসাদ শৰ্মা, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৭১

১৬। মামণি ৰয়চম গোস্বামী, *নীলকণ্ঠী ব্ৰজ*, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী, ১৯৭৬ প্রথম সংস্কৰণ, (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

১৭। নিৰুপমা বৰগোহাঞি, ' মাৰ প্ৰতি : মৰম আৰু অশ্রদ্ধাৰে', *তিনিকন্যা* উপন্যাসিকা সংকলনত, অসম বুক ডিপো, গুৱাহাটী, ১৯৭৮, প্রথম সংস্কৰণ (উপন্যাসিকাখনিৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

১৮। নিৰুপমা বৰগোহাঞি, *ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ*, ভবানী পাব্লিছিং কনচাৰ্ণ, কলিকতা, ১৯৭৯, প্রথম সংস্কৰণ (উপন্যাসৰ পৰৱৰ্তী সকলো উক্তি এই সংস্কৰণৰ পৰাই দিয়া হৈছে আৰু বন্ধনীৰ ভিতৰত পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে)।

সপ্তম অধ্যায়

(উপসংহাৰ)

নাৰীবাদী দৃষ্টিভংগী অসমীয়া সমাজত কিমান দূৰ গঢ় লৈছে, উপন্যাসত প্ৰতিফলিত হোৱা নাৰীৰ চিত্ৰেৰে তাৰ বিচাৰ। অসমীয়া সমাজত নাৰীৰ স্থানৰ বিচাৰ।

নাৰীবাদৰ সন্দৰ্ভত বিভিন্ন দিশৰ আলোচনাৰ পিছত আমি এতিয়া স্তলৰ কথাখিনি পালোঁ বুলি ক'ব পাৰি।

আমি দেখি আহিলোঁ, অসমীয়া উপন্যাসত নাৰীবাদী চিন্তা প্ৰথমে ধৰা পৰে এই শতাব্দীৰ দ্বিতীয় দশকৰ শেষভাগৰ পৰা। ৰজনী কান্ত বৰদলৈ ৰচিত ' ৰহদৈ লিগিৰী'ত (১৯৩০) অসমীয়া সমাজত নাৰীৰ স্থানৰ বিচাৰ কৰা হৈছে। ইয়াতকৈ দুবছৰ আগেয়েই ৰজনী কান্ত বৰদলৈৰ পিছৰ ঔপন্যাসিক আৰু বয়সত তেওঁতকৈ কনিষ্ঠ দণ্ডিনাথ কলিতাই ১৯২৮ চনতে 'সাধনা' উপন্যাসতো নাৰীৰ স্থান নিৰূপন কৰিছে।

'ৰহদৈ লিগিৰী' উপন্যাসত বৰদলৈয়ে নিজস্ব দৃষ্টিভংগীৰে অষ্টাদশ শতিকাৰ অসমৰ সামাজিক পটভূমিত নাৰীমুক্তিৰ প্ৰশ্নটো উপস্থাপন কৰিছে। সেই সময়ত অসমৰ সামন্তবাদী সমাজখনত নাৰীও যে মানুহ, মানুহ হিচাপে নাৰীৰো যে সামাজিক কাজ-কৰ্ম আৰু ধৰ্মীয় ক্ষেত্ৰত অংশগ্ৰহণ কৰাৰ অধিকাৰ আছে — এই ধাৰণা নাছিল। আমি দেখি আহিছিলোঁ, নাৰী আছিল তেতিয়া পুৰুষৰ অধীন,— পুৰুষৰ সেৱা আৰু সুখ - সম্ভোগৰ বাবেই তেওঁৰ জীৱন। কৃষক পৰিয়ালৰ নাৰীয়ে যদিও ঘৰুৱা অৰ্থনীতিত ৰৰঙণি যোগাইছিল আৰু কিছু মুক্ত জীৱন যাপন কৰিবলৈ সমৰ্থ হৈছিল, তথাপি বিয়া-বাৰুৰ ক্ষেত্ৰত নাইবা সামাজিক ক্ষেত্ৰত নাৰী আছিল পুৰুষৰ অধীন। বৈষ্ণৱ ধৰ্ম যদিও যথেষ্ট উদাৰ আছিল, তথাপি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰা নাইবা সেই ধৰ্মৰ মন্দিৰত প্ৰৱেশ কৰা অধিকাৰৰ পৰা নাৰী আছিল বঞ্চিত। ৰহদৈয়ে নিজৰ দেহলৈ অকাল বাৰ্দ্ধক্য নমাই আনিও অসমীয়া সমাজত নাৰীমুক্তিৰ আদৰ্শ প্ৰতিষ্ঠা কৰিব নোৱাৰিলে।

ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ 'ৰহদৈ লিগিৰী' ত নাৰীৰ ওপৰত চলা সামাজিক

শোষণৰ চিত্ৰ দাঙি ধৰি নাৰীৰ প্ৰতি গভীৰ সহানুভূতি প্ৰকাশ কৰিছে। ঔপন্যাসিকে এই উপন্যাসত দেখুৱাইছে যে ৰহদৈয়ে অসমীয়া সমাজখনৰ ধৰ্মীয় ৰক্ষণশীলতাৰ বাবে নিজৰ আদৰ্শ প্ৰতিষ্ঠা কৰিব নোৱাৰিলে। কিন্তু ৰহদৈৰ বৈষ্ণব পন্থাত আছিল গভীৰ বিশ্বাস। তেওঁ মাত্ৰ সত্ৰসমূহৰ পৰম্পৰাগত ধাৰণাৰ বিৰুদ্ধেহে মাত মাতিছিল, যি পৰম্পৰাৰ বাবে নাৰীয়ে বৈষ্ণব সত্ৰত প্ৰৱেশ কৰাটো আছিল নিষিদ্ধ। শেষত ৰহদৈয়ে তেওঁৰ যুগত অসমত ধৰ্মীয় সংস্কাৰ নাৰীৰ দ্বাৰা সম্ভৱ নহ'ব বুলি সিদ্ধান্তলৈ আহি — প্ৰেমিক দয়াৰামৰ ওপৰত এনে এটা পৰিবেশ সৃষ্টিৰ দায়িত্ব দি অসম ত্যাগ কৰিবলৈ বাধ্য হ'ল। ঔপন্যাসিকেও ইয়াৰ মাজেদি এইটো আশা কৰিছে, — নাৰীকো মানৱীয় জীৱ হিচাপে স্বীকৃতি দিয়াৰ পৰিবেশ অসমত ভৱিষ্যতে যেন হয়।

ৰজনীকান্ত বৰদলৈৰ পিছৰ ঔপন্যাসিক দণ্ডিনাথ কলিতাই ১৯২৮ চনত প্ৰকাশিত 'সাধনা' উপন্যাসৰ মাজেদিও নাৰী সমস্যা দাঙি ধৰিছে। আধুনিক শিক্ষাৰ ফল হিচাপে বিংশ শতিকাৰ আৰম্ভণিত অসমীয়া সমাজত শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ আৰ্বিভাৱ হয় আৰু নাৰীও শিক্ষা গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে। 'সাধনা' উপন্যাসত প্ৰভাৱতী পাশ্চাত্য শিক্ষা লাভ কৰি স্ত্ৰী-শিক্ষা প্ৰসাৰৰ বাবে আগুৱাই অহা বিংশ শতাব্দীৰ আৰম্ভণিৰ মহিলাৰ প্ৰতিনিধি। কিন্তু অসমীয়া মহিলাই শিক্ষা গ্ৰহণ কৰিবলৈ আগুৱাই আহিলেও সেই সময়ৰ ৰক্ষণশীল সমাজৰ পৰা তেওঁলোক প্ৰচণ্ড বাধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। উপন্যাসত প্ৰভাৱতীয়ে শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত পোৱা বাধাৰ পৰা এইটো স্পষ্ট হৈ উঠিছে। শিক্ষিতা মুক্তপ্ৰাণা মহিলা প্ৰভাৱতীয়ে নাৰীবাদী চেতনা লাভ কৰিছিল। সেই সময়ৰ অসম মহিলা সমিতিয়ে অসমৰ নাৰী সমাজৰ মাজত সংগঠন গঢ়ি তুলিছিল। দীনবন্ধু আৰু প্ৰভাৱতীৰ মাজত নাৰীমুক্তি সম্পৰ্কে যি বিতৰ্ক হৈছিল — সিয়ে পাশ্চাত্য শিক্ষাৰ লগে লগে পাশ্চাত্যৰ নাৰীবাদী ধাৰণাই অসমত কেনেদৰে প্ৰৱেশ কৰিছিল তাৰ ইংগিত দিয়ে। কিন্তু উপন্যাসখনে এইটোও দেখুৱাইছে যে, ভাৰতবৰ্ষৰ জাতীয় আন্দোলনত আৰু সামাজিক ক্ষেত্ৰত নাৰীয়ে অংশগ্ৰহণ কৰাৰ অধিকাৰ যদিও জাতীয় আন্দোলনৰ নেতাসকলে মানি লৈছিল, তথাপি পাশ্চাত্যৰ নাৰীবাদী ভাৱধাৰাক সম্পূৰ্ণৰূপে মানি লোৱা নাছিল। নাৰীক সম্পূৰ্ণৰূপে স্বাধীনতা দিয়াৰ মানসিক প্ৰস্তুতি তেতিয়াও গঢ় লৈ উঠা নাছিল। নাৰীয়ে মুক্ত জীৱন যাপন কৰাৰ ক্ষেত্ৰত কিছু সামাজিক বাধা-নিষেধ এই শতিকাৰ আগভাগত প্ৰগতিশীল জাতীয় আন্দোলনৰ নেতাসকলেও আৰোপ কৰিছিল। সেয়েহে উপন্যাসখনত নায়ক দীনবন্ধুৱে নাৰীমুক্তিক স্বীকাৰ কৰিও পুৰুষৰ সৈতে নাৰীৰ মিলামিচাত আৰু জীৱন যাত্ৰাৰ ক্ষেত্ৰত কিছু বাধা-নিষেধ বিচাৰে। কাৰণ জাতীয় আন্দোলনৰ নেতাসকলৰ মতে নাৰীৰ পূৰ্ণ স্বাধীনতাৰ বাবে সমাজখন তেতিয়াও প্ৰস্তুত নাছিল। উপন্যাসৰ কাহিনীভাগৰ পৰা এইটো ওলাই পৰিছে যে পাশ্চাত্যৰ ব্যক্তিবাদী ধ্যান-ধাৰণা

পৰম্পৰাগত অসমীয়া সমাজত বৃটিছ শাসনৰ সময়ত সোমাই পৰিছিল। উপন্যাসৰ নায়িকা প্ৰভাৱতী ব্যক্তিবাদী ধাৰণাৰ দ্বাৰা উদ্বুদ্ধ হৈয়ো তেওঁ আছিল জাতীয়তাবাদী আৰু নাৰীবাদী। কিন্তু অসমীয়া নাৰীয়ে বিবাহক বাদ দি মুক্ত জীৱন যাপন কৰাটো বিংশ শতিকাৰ আৰম্ভণিলৈকে অসমীয়া সমাজে মানি লোৱা নাছিল। আমি আলোচনা কৰা উপন্যাস 'ৰহদৈ লিগিৰী'তো ৰহদৈয়ে বিবাহক অস্বীকাৰ কৰি প্ৰেমাস্পদৰ পৰা দূৰত থকিবলগীয়া হ'ল। 'সাধনা' উপন্যাসত প্ৰভাৱতী এহাতে ৰক্ষণশীল সমাজখনৰ পুৰুষৰ দ্বাৰা নিৰ্যাতিতা হৈছিল, আনহাতে দীনবন্ধুৰ প্ৰেৰণাই প্ৰভাৱতীক আদৰ্শত অটল থাকিবলৈ প্ৰেৰণা যোগাইছিল। ৰহদৈও ৰজা চন্দ্ৰকান্ত আৰু পাত্ৰ-মন্ত্ৰীৰ দ্বাৰা নিৰ্যাতিতা হৈছিল সঁচা, কিন্তু মান সেনাই অসম আক্ৰমণ কৰাৰ সময়ত ৰজা চন্দ্ৰকান্তক বিপদৰ পৰা উদ্ধাৰো কৰিছিল। গতিকে দেখা যায়, অসমীয়া সমাজত নাৰী-স্বাধীনতাৰ ক্ষেত্ৰত পুৰুষে কেতিয়াও অন্তৰায় হিচাপে থিয় দিয়া নাই — সেয়ে নাৰী আন্দোলনৰ মাজত পুৰুষ-বিদ্বেষী মনোভাৱৰো সৃষ্টি হোৱা নাছিল।

১৯৩০ চনত প্ৰকাশিত লক্ষ্মীধৰ শৰ্মাৰ '*বিদ্ৰোহিণী*'উপন্যাসিকাৰ্ত পৰম্পৰাগত সমাজৰ বিৰুদ্ধে নাৰীৰ প্ৰত্যক্ষ বিদ্ৰোহ আমি দেখিবলৈ পাইছোঁ। অসমীয়া নাৰীয়ে পাশ্চাত্য শিক্ষা গ্ৰহণ কৰি উচ্চ শিক্ষা লাভৰ বাবে কলিকতা আদিলৈ পঢ়িবলৈ গৈছিল— নানা প্ৰকাৰৰ সামাজিক বাধা অতিক্ৰম কৰি। 'বিদ্ৰোহিণী' ৰ ললিতাই কলিকতা মহানগৰীলৈ উচ্চ শিক্ষা লাভৰ বাবে গৈ বংগৰ মহানাগৰিক পৰিবেশৰ দ্বাৰা প্ৰভাৱিত হৈ পৰিছিল। সেই সময়ৰ ভাৰতৰ জাতীয় আন্দোলনৰ নেতাসকলে আৰু অসম মহিলা সমিতিয়েও বাল্য বিবাহ, পৰ্দ্দা প্ৰথা আদিৰ বিৰুদ্ধে আৰু বিধৱা বিবাহৰ সপক্ষে যি আন্দোলন গঢ়ি তুলিছিল, এই উপন্যাসৰ হিন্দুৰ বাল্য বিধৱা ললিতাই কলিকতালৈ পঢ়িবলৈ গৈ ৰামমোহন- বিদ্যাসাগৰৰ চিন্তাধাৰাৰ সেই আন্দোলনৰ লগত পৰিচিত হৈ নাৰীবাদী চেতনা লাভ কৰিছিল। সেয়ে ললিতাই বাল - বৈধব্যক অন্য সাধাৰণ তিৰোতাৰ নিচিনা মানি ল'ব নোৱাৰিলে। বিবাহ আৰু মাতৃত্ব লাভৰ ক্ষেত্ৰত নাৰীৰো যে নিজস্ব অধিকাৰ আছে, নাইবা নাৰী যে পুৰুষতকৈ কোনো হীন নহয় — এই নাৰীবাদী চেতনা ললিতাৰ চৰিত্ৰৰ মাজেদি ফুটি উঠিছে। ললিতাই বিধৱাৰ বিবাহ আৰু মাতৃত্বৰ অধিকাৰ ৰক্ষণশীল সমাজৰ বিৰুদ্ধে বিদ্ৰোহ কৰি সাব্যস্ত কৰিলে। ললিতাই ঘোষণা কৰিলে যে পুৰুষৰ বিচাৰালয়ত নাৰী থিয় হ'বলৈ বাধ্য নহয়। পুৰুষৰ দৰে নাৰীৰো নিজৰ জীৱন সম্পৰ্কে সিদ্ধান্ত লোৱাৰ আৰু নিজস্বভাৱে জীৱন যাপন কৰাৰ অধিকাৰ আছে। এই ব্যক্তিবাদী নাৰীবাদী ধাৰণা ললিতাৰ চৰিত্ৰৰ মাজেদি ফুটি উঠিছে। ইয়াৰ পৰা বুজিব পাৰি যে ত্ৰিছৰ দশকৰ আৰম্ভণিতে অসমীয়া নাৰীয়ে নিজস্ব অধিকাৰ প্ৰতিষ্ঠা কৰাৰ বাবে পৰম্পৰাগত সমাজৰ বিৰুদ্ধে থিয় দিবলৈ সাহস গোটাব পাৰিছিল। জাতীয়তাবাদী আন্দোলনত নাৰীৰ অংশগ্ৰহণ বৃদ্ধি পোৱাৰ লগে লগে

পশ্চিমীয়া নাৰীবাদী ধাৰণাই এচাম শিক্ষিতা মহিলাক আকৃষ্ট কৰাৰ বাবে অসমতো বংগৰ নৱজাগৰণৰ অনুপ্ৰেৰণাত বাল্য-বিবাহ, পৰ্দা প্ৰথা আদিৰ বিৰুদ্ধে আৰু বিধৱা বিবাহৰ সপক্ষে সচেতন মহিলা আন্দোলন সেই সময়ত হ'ব পৰা এটা অৱস্থা হৈছিল।

১৯৩১-'৩২ চনত প্ৰকাশিত উপন্যাস দৈৱচন্দ্ৰ তালুকদাৰৰ 'অপূৰ্ণ' আলোচনা কৰি আমি পালোঁ যে গান্ধীজীৰ গঠনমূলক আঁচনি কাৰ্যকৰী কৰাৰ বাবে সেই সময়ত অসমীয়া শিক্ষিতা মহিলাই স্বদেশী প্ৰচলন, অস্পৃশ্যতা বৰ্জন আদি কাৰ্যসূচী ৰূপায়ণৰ বাবে ব্ৰতী হৈছিল। উপন্যাসত হেমৰই মধ্যবিত্তৰ সকলো মান- অভিমান ত্যাগ কৰি জয়বলিয়াৰ নিচিনা, সমাজৰ এজন নিঃকিন লোকক শুশ্ৰূষা কৰিছিল। ইয়ে কেনেকৈ সেই সময়ত অসমীয়া নাৰীয়ে পুৰুষৰ সমানে ইউৰোপৰ ফ্লোৰেন্স নাইটিংগেলৰ দৰে আৰ্ত্তজনক সহায় কৰিবলৈ আগুবাই গৈ নাৰীৰ মানৱীয় অস্তিত্ব আৰু অধিকাৰ প্ৰতিষ্ঠা কৰিছিল — তাৰেই প্ৰমাণ দাঙি ধৰিছে। বিছৰ দশকৰ 'সাধনা' উপন্যাসত প্ৰভাৱতীয়ে স্ত্ৰী-শিক্ষা প্ৰচাৰ কৰাৰ ক্ষেত্ৰত বাধাৰ সন্মুখীন হৈছিল। কিন্তু ত্ৰিছৰ দশকত দৈৱচন্দ্ৰ তালুকদাৰৰ উপন্যাসত দেখা যায় যে নাৰীয়ে সামাজিক কৰ্মত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত থকা বাধাৰ প্ৰাচীৰ কিছু পৰিমাণে ভাগি পৰিব ধৰিছে। নাৰীও যে পুৰুষৰ দৰে যুক্তিপূৰ্ণ মানৱীয় জীৱ — এই ধাৰণা পাশ্চাত্যৰ শিক্ষা বিস্তাৰৰ লগে লগে নগৰীয়া মধ্যবিত্ত সমাজৰ মাজত গঢ়ি উঠিছিল। কাৰণ ইতিমধ্যে অসমৰ নাৰী সংগঠনসমূহেও অসমৰ কিছু শিক্ষিতা নাৰীক সামৰি ল'বলৈ সমৰ্থ হৈছিল। কিন্তু উপন্যাসত এইটোও ওলাই পৰিছে যে হেমৰ নিচিনা নগৰীয়া নাৰীয়ে পাশ্চাত্য শিক্ষা লাভ কৰি যেনেকৈ নাৰী জাগৰণৰ দ্বাৰা উদ্দীপ্ত হৈ পৰিছিল - তেনেকৈ পূৰ্ণিমাৰ নিচিনা সাধাৰণ গাঁৱলীয়া অশিক্ষিতা মহিলাক তেতিয়াও নাৰী জাগৰণে ছুব পৰা নাছিল।

অসমৰ গাঁৱলীয়া জীৱনৰ পটভূমিত ৰচিত বীণা বৰুৱাৰ *'জীৱনৰ বাটত'* (১৯৪৪) উপন্যাসত গাঁৱলীয়া সহজ-সৰল স্বামীভক্তি পৰায়ণা এগৰাকী নাৰীৰ জীৱনৰ সংঘাত দেখা পোৱা যায়। এইজনী গাঁৱলীয়া নাৰীয়ে বসুমতীৰ দৰে জীৱনৰ সকলো সমস্যা অকণো প্ৰতিবাদ নকৰাকৈ মূৰ পাতি গ্ৰহণ কৰিছে। উপন্যাসৰ এই নায়িকা অসমীয়া শাশ্বত নাৰীৰ প্ৰতিভূ। স্বামীৰ জীৱন দৰ্শন সম্পৰ্কেও তেওঁ অজ্ঞ। ত্ৰিছৰ দশকত আৰম্ভ হোৱা অসমৰ নাৰী আন্দোলনে যেনেকৈ 'অপূৰ্ণ' উপন্যাসত পূৰ্ণিমাক ছুব পৰা নাছিল, ঠিক তেনেকৈ চল্লিছৰ দশকতো বহুতো গাঁৱলীয়া নাৰীক এই আন্দোলনে ছুব পৰা নাছিল বুলি ইয়াৰ পৰা বুজা যায়। বিৰিঞ্চি কুমাৰ বৰুৱাৰ (ৰাস্না বৰুৱা ছদ্মনামত) আন এখন উপন্যাস *'সেউজী পাতৰ কাহিনী'* পঞ্চাছৰ দশকৰ শেষত প্ৰকাশিত হয়। এই উপন্যাসৰ বনুৱা ছোৱালী চনিয়াক নাৰী সত্তা সম্পৰ্কে সম্পূৰ্ণ সচেতন দেখা যায়। পুৰুষপ্ৰধান সমাজত পুৰুষে নাৰীৰ ওপৰত চলোৱা নিৰ্যাতনৰ বাবে তাইৰ অন্তৰত স্বতঃস্ফূৰ্তভাবে

পুৰুষ বিদ্বেষী মনোভাৱৰ সৃষ্টি হৈছিল। চনিয়াৰ পুৰুষ বিদ্বেষ আদৰ্শগত নহ'লেও ঔপন্যাসিকৰ চেতনাত নাৰীবাদী ভাব থকা বাবেই হয়তো এনে উপন্যাস এখন সম্ভৱ হ'ল। চনিয়াৰ চৰিত্ৰটি এই বাবেই ব্যতিক্ৰম যে আন বনুৱা নাৰীৰ দৰে শ্বেতাংগ মালিকৰ অত্যাচাৰ তাই নীৰৱে মানি ল'ব পৰা নাই। চাহ বাগিচাৰ এজনী নিৰক্ষৰা গাভৰু হৈয়ো প্ৰেম আৰু বিবাহ সম্পৰ্কে চনিয়াৰ দৃষ্টিভংগী নাৰীবাদৰ সমপৰ্যায়ৰ। নাৰী যে অকল যৌন প্ৰাণীয়েই নহয় আৰু নাৰী যে পুৰুষৰ দ্বাৰা যুগ যুগ ধৰি শোষিত হৈ আহিছে — চনিয়াৰ এই উপলব্ধি যথাৰ্থ নাৰীবাদী। এই ধৰণৰ চিন্তা অসমীয়া সমাজ আৰু সাহিত্যত নতুনৰ স্বাক্ষৰ। চনিয়াই বিবাহক অস্বীকাৰ কৰিছে। কাৰণ চনিয়াৰ মতে বৰ্তমান যুগত শ্ৰমিক নাৰীয়ে এফালে শ্ৰমিক হিচাপে আৰু আনফালে মাতৃ হিচাপে দুৰ্বহ জীৱন যাপন কৰিবলৈ বাধ্য হৈ পৰে। চনিয়াৰ মুখেৰে এইদৰে ঔপন্যাসিকে শ্ৰমিক নাৰীৰ সমস্যা দাঙি ধৰিছে। ইয়ে পঞ্চাছৰ দশকত অসমৰ চাহ বাগিচাৰ শ্ৰমিক নাৰীয়ে যে সমাজ চেতনা লাভ কৰিবলৈ সমৰ্থ হৈছিল, তাৰে ইংগিত দিয়ে। 'ৰহদৈ লিগিৰী' উপন্যাসত ৰহদৈয়ে আৰু 'সাধনা' উপন্যাসত প্ৰভাৱতীয়ে পৰম্পৰাগত সমাজৰ সম্পূৰ্ণ বিপৰীতে অকলে থকাৰ যি সিদ্ধান্ত ল'লে, ঠিক তেনেকৈ এই উপন্যাসতো চনিযাই নৰেশ্বৰৰ লগত বিয়া হ'বলৈ নিবিচাৰি বাগিচা ত্যাগ কৰিলে। আমি ৰহদৈ বা প্ৰভাৱতীৰ চৰিত্ৰত পুৰুষ বিদ্বেষী মনোভাৱ দেখিবলৈ নাপাওঁ। কিন্তু চনিয়াৰ পুৰুষ বিদ্বেষী মনোভাৱ স্পষ্ট। পঞ্চাছৰ দশকত অসমৰ চাহ বাগিচাসমূহৰ সমাজত যে নাৰীৰ ওপৰত চলা সামাজিক অবিচাৰৰ বিৰুদ্ধে স্বতঃস্ফূৰ্ত বিক্ষোভে দেখা দিছিল — চনিয়াৰ চৰিত্ৰৰ মাজেৰে তাকে স্পষ্ট হৈ উঠা আমি দেখিলোঁ।

পঞ্চাছৰ দশকৰে আদি ভাগত প্ৰকাশিত ৰাধিকামোহন গোস্বামীৰ 'চাকনৈয়া' উপন্যাসত আনহাতে অসমীয়া সমাজত বিধৱা নাৰীৰ স্থান কি, তাক দেখুওৱা হৈছে। অসমীয়া সমাজত যুৱতী বিধৱাৰ ওপৰত পদে পদে ৰক্ষণশীল সমাজৰ সতৰ্ক চকু; মানৱীয় প্ৰাণী হিচাপে সকলো অধিকাৰৰ পৰা এওঁলোক বঞ্চিত। উচ্চ পৰম্পৰাগত হিন্দু সমাজৰ এজনী বিধৱাই পুনৰ বিবাহত সোমাব নোৱাৰাৰ প্ৰতিবাদত ত্ৰিছৰ দশকত 'বিদ্ৰোহিণী' উপন্যাসিকাত বিধৱা ললিতাই এনে এখন ৰক্ষণশীল সমাজৰ বিৰুদ্ধে গৈ নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হৈছিল। কিন্তু জাতীয়তাবাদী আন্দোলনৰ ফলশ্ৰুতি হিচাপে ভাৰত স্বাধীন হোৱাৰ পিছতো আমাৰ অসমীয়া সমাজৰ এই ৰক্ষণশীলতা আঁতৰি যে যোৱা নাই — তাকেই আমি পঞ্চাছৰ দশকৰ আগভাগৰ উপন্যাস 'চাকনৈয়া'ত দেখা পাওঁ। এই উপন্যাসৰ কাহিনীয়ে দেখুৱাইছে যে সেই সময়ৰ অসমীয়া সমাজখনত নাৰীয়ে কৰ্মক্ষেত্ৰত প্ৰবেশ কৰিও পুৰুষপ্ৰধান অসমীয়া সমাজত বাধাৰ সম্মুখীন হৈছিল।

ষাঠিৰ দশকৰ ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ প্ৰথম উপন্যাস 'আই'ত (১৯৬০) আইৰ চৰিত্ৰটো মেক্সিম্ গৰ্কি বা গ্ৰেজিয়া ডেলেড্ডাৰ উপন্যাসৰ মাতৃৰ

চৰিত্ৰৰ দৰে এটা সাৰ্বজনীন মাতৃ ৰূপৰ সৃষ্টিৰ প্ৰয়াস। কিন্তু ঔপন্যাসিক এই কামত সফল নহ'ল। স্বামীৰ অভাৱত সকলো অসমীয়া মাতৃয়ে ঘৰৰ সা-সম্পত্তিৰ তদাৰকী কৰে। এই ক্ষেত্ৰত আইৰ চৰিত্ৰত কোনো নতুনত্ব নাই। আইৰ চৰিত্ৰৰ মাজেৰে ঔপন্যাসিকে উদাৰতা দেখুৱাবলৈ যত্ন কৰিলেও সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত আই সম্পূৰ্ণ ব্যক্তিকেন্দ্ৰিক। সেয়ে এই চৰিত্ৰটোত কোনো নাৰীবাদী লক্ষণ ফুটি উঠা নাই। ভট্টাচাৰ্যৰ ১৯৬৮ চনত প্ৰকাশিত উপন্যাস *'নষ্টচন্দ্ৰ'*ত আনহাতে বিয়া-বাৰুৰ ক্ষেত্ৰত অসমীয়া নাৰীৰ যে যাঠিৰ দশকতো কোনো স্বাধীনতা নাই তাৰেই আভাস পাওঁ। বহু ক্ষেত্ৰত শিক্ষিতা গাভৰুৱেও মাক-বাপেকৰ মতামতক অনিচ্ছা সত্ত্বেও মানি লৈ মাক-বাপেকে ঠিক কৰা এজন পুৰুষৰ লগতে এই দশকতো বিয়াত সোমাবলগীয়া হয়। আনহাতে অসমীয়া পুৰুষপ্ৰধান সমাজত বিয়া-বাৰুৰ ক্ষেত্ৰত পুৰুষৰ থাকে অবাধ স্বাধীনতা। সমাজৰ দৃষ্টিত নাৰী কেৱল যৌন প্ৰাণীহে।

স্বাধীনতাৰ পিছত ভাৰতবৰ্ষৰ অন্য অংশৰ দৰে অসমতো কাৰখানাসমূহত ইউনিয়ন গঠন হৈছিল। কাৰখানাৰ মালিকৰ দ্বাৰা যেনেকৈ শ্ৰমিক পুৰুষসকল হৈ পৰিছিল শোষিত, ঠিক তেনেকৈ নাৰীসকলো হৈ পৰিছিল শোষণত পিষ্ট। কিন্তু পুঁজিবাদী সমাজ ব্যৱস্থাত শ্ৰমিক নাৰীসকলৰ দ্বিমুখী শোষণৰ দ্বাৰা শোষিত হৈ পৰে। এফালে মালিকৰ পৰা পুৰুষতকৈ নাৰীয়ে কম মজুৰি পায়, আনফালে শ্ৰমিক নাৰীসকল হৈ পৰে পুৰুষৰ ভোগৰ সামগ্ৰী। 'সেউজী পাতৰ কাহিনী'ত অসমৰ চাহ বাগিচাত চনিয়াৰ মাতৃয়ে কেনেদৰে চাহাবৰ যৌন প্ৰবৃত্তিৰ চিকাৰ হ'বলগীয়া হৈছিল, তাক দেখুওৱা হৈছে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ১৯৭০ চনত প্ৰকাশিত ১৯৩৮-১৯৩৯ চনৰ ডিগবৈ শোধনাগাৰৰ বনুৱা ধৰ্মঘট ফুটাই তোলা উপন্যাস 'প্ৰতিপদ'ত জেবুন্নিচাৰ মাতৃয়ো এই অৱস্থাৰ মুখামুখি হ'বলগীয়া হৈছিল। উপন্যাসৰ ৰচনাকাল সত্তৰৰ দশকত শ্ৰমিক নাৰীসকলৰ মাজত সমাজবাদী চেতনাৰ সৃষ্টি হোৱাৰ লগে লগে শ্ৰমিক নাৰী সকলৰ মাজত সমাজবাদী নাৰীবাদী চেতনাৰ সৃষ্টি হৈছিল। উপন্যাসখনে অৱশ্যে ১৯৩৮-৩৯ চনতে এনে চেতনা বনুৱা নাৰীৰ মাজত উন্মেষ হৈছিল বুলি দেখুৱাইছে। বিয়া-বাৰুৰ ক্ষেত্ৰত পুৰুষৰ দৰে নাৰীৰো যে নিজস্ব মত আছে, নাৰীও মানুহহে — বজাৰৰ পণ্য সামগ্ৰী নহয় — এই নাৰীবাদী চেতনা 'প্ৰতিপদ'ত শ্ৰমিক নাৰী পানুৰ চৰিত্ৰৰ মাজেৰে প্ৰকাশ হৈছে। অসমৰ শ্ৰমিক আন্দোলন অন্য ৰাজ্যৰ তুলনাত আজিও পিছপৰা। তথাপি নাৰীয়ে যে ইউনিয়নৰ মহিলা সংগঠনত নামি পৰি আন্দোলনত অংশগ্ৰহণ কৰিছিল, তাৰ চিত্ৰ উপন্যাসৰ পান্নু, নয়নমণি, লচমী আদিৰ চৰিত্ৰৰ যোগেদি জানিব পাৰোঁ। কোনো শিক্ষাৰ বাবে সুবিধা নাপালেও এই শ্ৰমিক শ্ৰেণীৰ মহিলাসকলেও ইউনিয়নৰ নেতাসকলৰ প্ৰভাৱত ৰুচ দেশৰ শ্ৰমিক আন্দোলনৰ দ্বাৰা উদ্বুদ্ধ হৈ পৰিছিল বুলি উপন্যাসখনত দেখুওৱা হৈছে। 'সেউজী পাতৰ

কাহিনী'ত চনিয়া শ্ৰমিক নাৰী হ'লেও পান্নু, লচমীৰ নিচিনা সমাজবাদী দৰ্শনৰ লগত তাইৰ পৰিচয় হোৱা নাছিল। চনিয়াৰ মনত চাহাবৰ অত্যাচাৰৰ বিৰুদ্ধে ক্ৰোধৰ সৃষ্টি হৈছিল মাথোন।

১৯৭০ চনত প্ৰকাশিত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ৰাজনৈতিক উপন্যাস 'মৃত্যুঞ্জয়ে' বিয়াল্লিছৰ গণআন্দোলনৰ সময়ত অসমীয়া মহিলাই কেনে সচেতন ৰাজনৈতিক ভূমিকা লৈছিল, তাকেই দেখুৱাইছে। এই কথাও ইয়াত দেখুওৱা হৈছে যে কমসংখ্যক হ'লেও সেই সময়ত মহিলাইও সহিংস আন্দোলনত পৰোক্ষ বা প্ৰত্যক্ষভাৱে অংশ লৈছিল। ১৯৪২ চনৰ সহিংস আন্দোলনত নাৰীৰ অংশগ্ৰহণে এইটো দেখুৱাইছে যে পুৰুষৰ দৰে নাৰীৰো শক্তি-সামৰ্থ্য আছে, পুৰুষতকৈ নাৰী কোনো গুণে হীন নহয়।

স্বাধীনতা আন্দোলনৰ কালছোৱাত, নাৰীবাদী চেতনা বহু ক্ষেত্ৰত বহুজনৰ মাজত প্ৰকটভাৱে ধৰা দিলেও, সেই কালত নাৰীসকলক স্বাধীনতা বা সামাজিক আন্দোলনৰ মাজেদিহে আগবাঢ়ি গৈ সেই চেতনা প্ৰকাশ কৰা দেখা যায়। দ্বিতীয় মহাযুদ্ধৰ পিছতহে নাৰী-স্বাধীনতাৰ বাবে নাৰীবাদী দৃষ্টিভংগীৰে আন্দোলন গঢ়ি উঠে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'ত ডিমি নাইবা ক'লীবাইৰ চৰিত্ৰত নাৰীবাদী দিশটো ফুটি নুঠিলেও, স্বাধীনতাৰ পৰৱৰ্তী কালৰ সমাজ ফুটাই তোলা উপন্যাসসমূহত আনহাতে নাৰীবাদী চেতনাৰ চৰিত্ৰসমূহে সমাজত নাৰীৰ সুকীয়া অস্তিত্বৰ প্ৰয়োজনীয়তা দাঙি ধৰিছে। সেয়েহে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ *চিনাকি সুঁতি* (১৯৭১) আৰু 'ডাইনী'ত (১৯৭৬) নাৰী চৰিত্ৰই সমাজ বা ৰাজনীতি নিৰপেক্ষ ব্যক্তিগত সমস্যাৰ মাজত প্ৰধান চৰিত্ৰ হিচাপে দেখা দিছে।

'চিনাকি সুঁতি'ৰ মুখ্য নাৰী চৰিত্ৰ অৰ্পণাৰ জীৱন সম্পৰ্কে নিজস্ব দৃষ্টিভংগী থকা এজনী শিক্ষিতা সচেতন মহিলা। সত্তৰৰ দশকত অসমীয়া মহিলাই পৰিয়ালৰ মাজৰ পৰা আঁতৰি গৈ চাকৰিত অংশগ্ৰহণ কৰি সম্পূৰ্ণ এককভাৱে জীৱন যাপন কৰিবলৈ যে সক্ষম হৈছিল — তাৰেই স্বাক্ষৰ এই উপন্যাসে বহন কৰিছে। কিন্তু প্ৰেম আৰু বিবাহ সম্পৰ্কে অসমীয়া মহিলাই ভাৰতীয় পৰম্পৰাগত দৃষ্টিভংগীৰ পৰা যে আঁতৰি আহিব পৰা নাই — তাকো আমি উপন্যাসখনত দেখা পাওঁ।

দাম্পত্য জীৱনত নাৰীৰ ভূমিকা কেনে হোৱা উচিত — 'চিনাকি সুঁতি'ৰ এই প্ৰশ্নটোকে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই 'ডাইনী' উপন্যাসত পুনৰ উপস্থাপন কৰিছে। এই উপন্যাসত ডাইনী অৰ্থাৎ পদুমীৰ চৰিত্ৰটোৰ দ্বাৰা এজনী অসমীয়া গাঁৱলীয়া সাহসী নাৰীৰ চৰিত্ৰ অংকন কৰা হৈছে। কিন্তু উপন্যাসত পদুমীয়ে পুৰুষৰ সমানে সমানে শক্তি-সামৰ্থ্য প্ৰদৰ্শন কৰিলেও শেষত স্বামীসেৱাত যে এনে নাৰীয়েও নিজক উৎসৰ্গা কৰা উচিত — এই পৰম্পৰাগত ধ্যান-ধাৰণাকেই এই উপন্যাসত ফুটাই তোলা হৈছে।

মামণি ৰয়চম গোস্বামীৰ সত্তৰৰ দশকৰ উপন্যাস '*নীলকণ্ঠী ব্ৰজ*'ত (১৯৭৬)

সৌদামিনী নামৰ বিধৱাৰ চৰিত্ৰটিৰ জৰিয়তে অসমীয়া সমাজত উচ্চ হিন্দু বিধৱাৰ স্থান আৰু জীৱনৰ কৰুণ পৰিণতি দেখা পোৱা যায়। ত্ৰিছৰ দশকত 'বিদ্ৰোহিণী', পঞ্চাছৰ দশকত 'চাকনৈয়া'ত বিধৱাৰ যি সমস্যা দেখুওৱা হৈছে — এই সমস্যাই সত্তৰৰ দশকতো উচ্চ হিন্দু সমাজক পীড়া দিবলৈ এৰা নাই। 'নীলকণ্ঠী ব্ৰজ' উপন্যাসত সৌদামিনীৰ মাজেদি দেখিছোঁ, অসমীয়া সমাজত উচ্চ হিন্দু বিধৱাৰ পুনৰ বিবাহ হোৱা আজিও সমাজে নিবিচাৰে। সৌদামিনীৰ দৰে বিধৱা নাৰী এজনীয়ে হিন্দুৰ পবিত্ৰ পীঠস্থান ব্ৰজধামত আত্মহত্যাৰ জৰিয়তে সনাতন হিন্দু সমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিলে — সত্তৰৰ দশকত।

সত্তৰৰ দশকৰ অন্য এগৰাকী ঔপন্যাসিকা নিৰুপমা বৰগোহাঞিৰ 'তিনিকন্যা' (১৯৭৮) উপন্যাসিকা সংকলনৰ *'মাৰ প্ৰতি ঃ মৰম আৰু অশ্ৰদ্ধাৰে'* উপন্যাসিকাখনিত বিবাহ সম্পৰ্কে নতুন নাৰীৰ দৃষ্টিভংগী ফুটি উঠিছে। উপন্যাসিকাখনিত অসমীয়া নাৰীয়ে পৰম্পৰাগত বিবাহৰ বিৰোধিতা কৰি সমমৰ্যাদাৰ ভিত্তিত বৈবাহিক জীৱনৰ ভেটি নিৰ্মাণ কৰিবলৈ বিচাৰিছে। কাৰণ পুৰুষৰ দৰে নাৰীৰো জীৱনসংগী বাছি লোৱাৰ অধিকাৰ আছে। সত্তৰৰ দশকৰে নিৰুপমা বৰগোহাঞিৰ আন এখনি উপন্যাস *'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ'ত* (১৯৭৯) চহৰীয়া শিক্ষিতা নাৰী অঞ্জলিয়ে গাঁৱলৈ আহি তিলতিলকৈ ধ্বংস হৈ যোৱা গাঁৱলীয়া নাৰী পটেশ্বৰীৰ জীৱন কাহিনী শুনি নাৰীয়ে যে পুৰুষৰ দ্বাৰা শোষিতা হৈ আছে — এই ধাৰণা লাভ কৰিছে। ঔপন্যাসিকাই পৰোক্ষভাৱে উপন্যাসখনিত দেখুৱাইছে যে গাঁৱৰ অশিক্ষিতা, পদদলিতা হেজাৰ হেজাৰ পটেশ্বৰীক নাৰীবাদী চিন্তাৰে আলোকিত কৰি তোলাৰ বাবে চহৰীয়া শিক্ষিতা নাৰীয়ে চিন্তা-চৰ্চা কৰিলেও তেওঁলোকৰ এই চিন্তাধাৰা এতিয়ালৈকে আলোচনাৰ মেজতে সীমাবদ্ধ আছে। মধ্যবিত্তসুলভ ধ্যান ধাৰণা ত্যাগ কৰি গাঁৱৰ জীৱনৰ লগত অঞ্জলিৰ নিচিনা শিক্ষিতা সচেতন নাৰীয়ে আজিও সম্পূৰ্ণভাবে নিজকে যুক্ত কৰিব পৰা নাই।

অসমীয়া উপন্যাসত এনেবোৰ দৃষ্টান্তৰ পিছত আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে এই শতিকাৰ কুৰিৰ পৰা ত্ৰিছৰ দশকত নাৰীৰ সমস্যাক লৈ যি উপন্যাস লিখা হৈছিল — সেই সমাজখনত নাৰীৰ স্থান অতি নিম্ন আছিল। ৰজনীকান্ত বৰদলৈৰ উপন্যাসত আমি এইটো দেখিছোঁ যে ওঠৰ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ প্ৰাক্ মুহূৰ্ততো সমাজত নাৰীক অকল যৌনপ্ৰাণী হিচাপেই গণ্য কৰা হৈছিল। কিন্তু অসমীয়া সমাজত বৃটিছ প্ৰভাৱ প্ৰকট হোৱাৰ লগে লগে পাশ্চাত্যৰ উদাৰনৈতিক ধাৰণা সমাজত গঢ় লৈ উঠে। সেয়ে ১৯২৮ চনত প্ৰকাশিত দণ্ডিনাথ কলিতাৰ 'সাধনা'ত নাৰীৰ চেতনাৰ বিকাশ আৰু সমাজত নাৰীৰ স্থান কিছু পৰিমাণে উন্নত হোৱা দেখিবলৈ পাওঁ। কিন্তু পুৰুষৰ সহায় অবিহনে নাৰীয়ে অকলশৰে জীৱন ধাৰণ কৰা তেতিয়াও সম্ভৱ হোৱা নাছিল। আনকি জাতীয় আন্দোলনৰ বহুতো নেতা নাৰীৰ পূৰ্ণ স্বাধীনতাৰ পক্ষপাতী নাছিল। সেয়ে সেই

সময়ৰ পটভূমিত দণ্ডিনাথ কলিতাৰ উপন্যাসৰ প্ৰভাৱতীয়েই হৈছে নতুন অসমীয়া সমাজখনৰ পাশ্চাত্য শিক্ষাৰে শিক্ষিতা নাৰীবাদী চৰিত্ৰৰ প্ৰতিভূ। পাশ্চাত্য শিক্ষা লাভ কৰি অসমীয়া মহিলাই বংগৰ নৱজাগৰণৰ প্ৰভাৱত উচ্চ স্তৰৰ নাৰীবাদী চেতনা যে লাভ কৰিবলৈ সমৰ্থ হৈছিল, তাক আমি দেখোঁ 'বিদ্ৰোহিণী' উপন্যাসিকাৰ ললিতাৰ চৰিত্ৰত।

ত্ৰিছৰ দশকৰ পৰা পঞ্চাছৰ দশকলৈ যদিও অসমীয়া সমাজত নানা ৰাজনৈতিক ধুমুহাৰ সৃষ্টি হৈছিল আৰু লগে লগে নাৰীবাদী চিন্তাধাৰাৰে নাৰী সংগঠনসমূহৰ প্ৰসাৰ ঘটিছিল -- তথাপি তেনে কোনো নাৰীবাদী চিন্তাধাৰাৰ উচ্চস্তৰৰ উপন্যাস এই কালছোৱাত আমাৰ চকুত নপৰে। 'সেউজী পাতৰ কাহিনী'ত বিৰিঞ্চি কুমাৰ বৰুৱাই চনিয়া চৰিত্ৰৰ মাজেৰে চাহ বাগিচাৰ পৰিবেশত নাৰীবাদী চেতনাৰ বিকাশ দেখুৱাইছে যদিও এই চেতনাৰ পিছপিনৰ আদৰ্শ স্পষ্ট নহয়। সত্তৰৰ দশকৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'চিনাকি সুঁতি' আৰু 'ডাইনী'ত অসমীয়া সমাজত নাৰীৰ চেতনাৰ বিকাশ দেখা পাওঁ যদিও নাৰীক পৰম্পৰাগত আৰু শাশ্বত ৰূপতেই ৰখাৰ পক্ষে এই উপন্যাসে ৰায় দিছে। কিন্তু সত্তৰৰ দশকৰ শেষভাগৰ উপন্যাস 'নীলকণ্ঠী ব্ৰজ'ত মামণি ৰয়চম গোস্বামীয়ে অধিক কলাসন্মতভাৱে নাৰীবাদকেই প্ৰতিষ্ঠা কৰিছে। ঠিক সেইদৰে আমি আলোচনা কৰা নিৰুপমা বৰগোহাঞিৰ উপন্যাসিকাখনিত নাৰীবাদৰ প্ৰয়োজনীয়তাই দোহাৰা হৈছে।

সত্তৰৰ দশকৰ পিছত অৱশ্যে অসমীয়া শিক্ষিত সমাজত নাৰীবাদী চিন্তাধাৰাই বিকাশ লাভ কৰিবলৈ সমৰ্থ হৈছে। নিৰুপমা বৰগোহাঞিৰ *'অন্যজীৱন'* (১৯৮৭) আৰু *'চম্পাৱতী'* (১৯৯০) উপন্যাস সচেতনভাৱে ৰচিত নাৰীবাদী চিন্তাধাৰাৰ উপন্যাস। কিন্তু আমাৰ আলোচনা যিহেতু ১৯৮০ চনলৈহে, সেয়েহে এই উপন্যাসসমূহৰ বিস্তৃত আলোচনালৈ আমি নগলোঁ।

বৰ্তমানে অসমীয়া সামাজিক জীৱনত যদিও নাৰীবাদী চিন্তাধাৰাৰ বিকাশ হৈছে — তথাপি চৰমপন্থী বা মৌল নাৰীবাদী চিন্তাধাৰা অসমৰ নাৰী আন্দোলনৰ মাজত দেখা নাযায়। অসমীয়া সমাজে নাৰীমুক্তিৰ ক্ষেত্ৰত পুৰুষক অন্তৰায় হিচাপে নলয় আৰু ই পৰিয়াল আৰু সমাজত পুৰুষৰ সহযোগত নাৰীৰ স্থান উন্নত কৰাৰ পক্ষপাতী।

গ্ৰন্থপঞ্জী

(বৰ্ণানুক্ৰমিক)

১. (ক) নাৰীবাদ, সমাজ অধ্যয়ন আৰু সমশ্ৰেণীৰ সাহিত্য বিষয়ক ইংৰাজী গ্ৰন্থ

Agnew, vijay, *Elite women in Indian Politics,* Vikas Publishing House, New Delhi,1979

Anderson, Durston, poole, *Thesis and Assignment Writing,* Wiley Eastern, New Delhi, 1970

Barua, Preeti (ed), *Golden Jubilee Handique Girls' College 1939-1989* . commemorative Volume, Golden Jubilee Celebration Committee, Guwahati, 1989

Beauvoir, Simone de, *The Second Sex* (1949), Pan Books, London, 1988

Bhuyan, Arun Chandra, et al (ed), *Political History of Assam,* Vol-II, Government of Assam, Guahati, 1978

Charvet, John, *Feminism,* J. M Dent & sons, Londan, 1982

Cunninghum, Gail, *The New women and the Victorian Novel,* Macmillan & Co, London, 1978

Desai, Neera, (ed), A Decade of Women's Movement in India, Himalaya Publishing House, Bombay, 1988

Dutt, Keshab Narayan, *Landmarks of the Freedom Movement of Assam,* (1958), Lawyer's Book stall, Guahati, 1969

Engles, F, *Origin of the family, Private Property and the State* (1884), Progress Publishers, Moscow, 1977

Forster, E. M ., *Aspects of the Novel* (1927), Penguin Books,Harmondsworth, 1977

Fuller, Margaret, *Women in the Nineteenth century,* (1845), Norton Library, London, 1971

Greer, Germaine, *The Female Eunuch,* (Macgibbon & Kee, London, 1970), Paladin, Frogmore, 1973

Guha, Amalendu, *Planter-Raj to Swaraj,* Indian council of Historical Research, New Delhi, 1977

Jones Daniel.,*English Pronouncing Dictionary,* (1917), The English Language Book Society,London, 1976

Kapur, Promilla, *Marriage and the Working Woman in India,* (1970), Vikas Publications, New Delhi, 1972

Marder, Herbert, *Feminism & Art,A Study of Virginia Woolf,* The University of Chicago Press, Chicago, 1968

Mazumdar, R. C. & Copra P. N., *Main Currents of Indian History,* Sterling Publishers, New Delhi, 1979

Mill, John Stuart, 'The Subjection of Women' in A. J. Rossi (ed), *Essays on Sex Equality,* University of Chicago Press, Chicago, 1970

Neog, M & Sharma M. M (ed) *Birinchi Kumar Barua, commemorative volume,* Local Committee, XXII Session, All India Oriental Conference, Gauhati, 1966

Pandey, Rekha, *Women from*

Subjection to Liberation, Mittal Publication, Delhi, 1989

Riencourt, De Amaury, *Woman and Power in History,* (1983) Sterling Publishers, New Delhi, 1989

Sarma, G.P., *Nationalism in Indo-Anglian Fiction,* (1978), Sterling Publishers, New Delhi, 1990

Shaw, Bernard, The Intelligent Woman's Guide to Socialism, Capitalism, Sovietism & Fascism, (1928), Vol. I. Penguin Books, London, 1937.

Wadia, R.A., *Ethics of Feminism : A Study of the Revolt of Women,* (1923), Asian Publication Service, New Delhi 1977

Watt, Ian, *The Rise of the Novel,* (1957), Penguin Books, Harmondsworth, 1983

Williams, Raymound, *The English Novel,* (1970), Granada Publishing, Herts, 1974

Wollstonecraft, M., *A Vindication of the Rights of Woman.* (1792), Penguin Books, London, 1975.

(খ) নাৰীবাদ, সমাজ অধ্যয়ন আৰু সমশ্ৰেণীৰ সাহিত্য বিষয়ক অসমীয়া গ্ৰন্থ

কটকী, প্ৰফুল্ল, *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা,* বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৭৯

কলিতা, *ৰমেশ, ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা,* সমন্বয় গ্ৰন্থালয়, নলবাৰী, ১৯৮৬

গান্ধী, মহাত্মা, *নাৰী আৰু সামাজিক অবিচাৰ* (Women and Social Injustice) অনুবাদ- কল্পিতা দুৱৰা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৬৯

গোহাঁই, হীৰেন, *বিশ্বায়াতন,* জার্নাল এম্পৰিয়াম, নলবাৰী, ১৯৮৩

তালুকদাৰ, নন্দ, (সম্পাদিত), *আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্ৰহ,* লয়ার্ছ বুক ষ্টল, গুৱাহাটী, ১৯৭৭

————, (সম্পাদিত), *লম্বোদৰ বৰা ৰচনাৱলী,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ১৯৮৩

ত্ৰিপাঠী, অমলেশ আৰু চন্দ্ৰ, বিপন আদি, *স্বাধীনতা সংগ্ৰাম,* (১৯৭২), অনুবাদ - মৃগেন্দ্ৰ নাথ ৰায়চৌধুৰী, লয়ার্ছ বুক ষ্টল, গুৱাহাটী, ১৯৭৪

দত্ত, দিলীপ, *নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন-নদী,* শ্ৰীভূমি পাব্লিচিং কোম্পানী, কলিকতা, ১৯৮৫

দাস, অমিয় কুমাৰ, আৰু শৰ্মা, *তীৰ্থনাথ আদি, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা স্মৃতিগ্ৰন্থ,* ত্যাগবীৰ স্মৃতি ন্যাস সমিতি, গুৱাহাটী, ১৯৭১

দাস, তিলক, *কলাগুৰু বিষ্ণুৰাভা,* বনলতা, ডিব্ৰুগড়, ১৯৮৮

দাস, ৰাজবালা, *তিনিকুৰি দহ বছৰৰ স্মৃতি,* প্ৰকাশিকা, ৰাজবালা দাস, গুৱাহাটী, ১৯৭১

দেৱী, নলিনীবালা, *এৰি অহা দিনবোৰ,* লয়ার্ছ বুক ষ্টল, গুৱাহাটী, ১৯৭৬

নেওগ, মহেশ্বৰ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* (১৯৬২), নিউ বুক ষ্টল, গুৱাহাটী, ১৯৭০

নেহৰু, জৱাহৰলাল, *বিশ্ব-ইতিহাসৰ জিলিঙনি* (Glimpses of World History), প্ৰথম খণ্ড, অনুবাদ - সদানন্দ চলিহা আদি, প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৬৫

বন্দ্যোপাধ্যায়, হিৰন্ময়, *ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ,* অনুবাদ- যোগেশ দাস, সাহিত্য একডেমি, নতুন দিল্লী, ১৯৭৮

বৰুৱা, গুণাভিৰাম, *অসম বুৰঞ্জী*, (১৮৮৪), অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭২

বৰুৱা, বিৰিঞ্চিকুমাৰ, *অসমীয়া ভাষা আৰু সংস্কৃতি*, (১৯৫৭), লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৭২

——————, (সম্পাদিত), *অৰুণোদইৰ ধলফাট*, অসম সাহিত্য সভা, যোৰহাট, ১৯৬৫

বৰুৱা, বীৰেশ্বৰ, *ৰামধেনু যুগ আৰু পৰৱৰ্তী কাল*, প্ৰকাশিকা, প্ৰতিভা ৰায়চৌধুৰী, ধুবুৰী, ১৯৮৬

ভট্টাচাৰ্য, মুকুট, (সম্পাদিত), *দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ ৰচনাৱলী*, প্ৰথম খণ্ড নতুন সাহিত্য পৰিষদ, গুৱাহাটী, ১৯৮৭

ভাগৱতী, বিমল, *সামাজিক ক্ৰান্তি আৰু নাৰী*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৮

ভূঞা, যোগেন্দ্ৰ নাৰায়ণ, (সম্পাদিত), *জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী*, অসম সাহিত্য সভা, যোৰহাট, ১৯৮১

শইকীয়া, চিদানন্দ, (সম্পাদিত), *ধীৰেণ দত্ত স্মৃতিগ্ৰন্থ*, ধীৰেণ দত্ত স্মৃতিৰক্ষা সমিতি, গোলাঘাট, ১৯৭৪

শৰ্মা, উমা, *সমাজ সভ্যতা আৰু নাৰী*, ক্ৰান্তিকাল গোষ্ঠী, নামৰূপ, ১৯৮১

শৰ্মা, গোবিন্দ প্ৰসাদ, *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য : ঔপন্যাসিক*, বৰুৱা এজেন্সি, গুৱাহাটী ১৯৮৩

শৰ্মা, দেবেন্দ্ৰ নাথ, *ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস*, ভাৰত পাব্লিকেছন্স, গুৱাহাটী, ১৯৮৩

শৰ্মা, শশী, (সম্পাদিত), *প্ৰবন্ধ মুকুৰ*, অসম সংস্কৃত পৰিষদ, অভ্যৰ্থনা সমিতি, নলবাৰী, ১৯৬৭

শৰ্মা, সত্যেন্দ্ৰ নাথ, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, (১৯৫৯), সৌমাৰ প্ৰিন্টিং এণ্ড পাব্লিছিং, গুৱাহাটী, ১৯৮৬

——————, *অসমীয়া উপন্যাসৰ ভূমিকা*, সৌমাৰ প্ৰিন্টিং এণ্ড পাব্লিছিং, গুৱাহাটী, ১৯৬৫

——————, *অসমীয়া উপন্যাসৰ গতিধাৰা*, বাণী প্ৰকাশ, গুৱাহাটী, ১৯৭৬

শৰ্মা, সত্যেন্দ্ৰ নাথ আৰু বৰুৱা, নৰকান্ত আদি, *জ্যোতিপ্ৰসাদ ৰচনাৱলী*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮১

হাজৰিকা, অতুলচন্দ্ৰ, (সম্পাদিত), *বেজবৰুৱাৰ গ্ৰন্থাৱলী*, প্ৰথম খণ্ড, অসম সাহিত্য সভা, গুৱাহাটী, ১৯৭০

হাজৰিকা, মহেন্দ্ৰনাথ, *বিয়াল্লিশৰ বিপ্লৱত নগাঁও*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৭

(গ) নাৰীবাদ, সমাজ অধ্যয়ন আৰু সমশ্ৰেণীৰ সাহিত্য বিষয়ক বাংলা গ্ৰন্থ

কোভালস্কি, এন্. কে আৰু ব্লিনোদা, ওৱাই. পি. (সম্পাদিত), *এ যুগের নারী*, বাংলা অনুবাদ, মণিষা গ্ৰন্থালয়, কলিকতা, ১৯৭৫

কোরআন-শরিফ, বাংলা অনুবাদ- মওলানা মোবারক করীম জওহর, আব্দুল আজিজ আল আমান, কলিকতা, ১৯৭৪

বেবেল, অ'গাষ্ট, *নারী অতীত, বর্তমান ও ভবিষ্যতে* (Woman in the Past Present and Future), (?), বাংলা অনুবাদ - কনক মুখোপাধ্যায়, ন্যাশনাল বুক এজেন্সি, কলিকতা, ১৯৮৩

মাৰ্ক্স, কাৰ্ল আৰু এংগেলছ, এফ্, *কমিউনিষ্ট পার্টির ইস্তেহার*, (১৮৮৪), ১৮৮৮ চনৰ এংগেলছ সম্পাদিত ইংৰাজী সংস্কৰণৰ বাংলা অনুবাদ, প্ৰগতি প্ৰকাশন, মস্কো, প্ৰকাশ কাল নাই

——————, *প্ৰথম*

ভাৰতীয় স্বাধীনতা যুদ্ধ, ১৮৫৭-১৮৫৯, ৰুচ সংস্কৰণ, ১৯৫৯, বাংলো অনুবাদ, প্ৰগতি প্ৰকাশন, মস্কো, ১৯৭১

মুখোপাধ্যায়, কনক, *আন্তর্জাতিক নারী আন্দোলনের ধারা,* (১৯৭৭), পশ্চিমবংগ গণতান্ত্রিক মহিলা সমিতি, কলিকতা, ১৯৮৩

————————, *মার্ক্সবাদ ও নারীমুক্তি,* পশ্চিমবংগ গণতান্ত্রিক মহিলা সমিতি, কলিকতা, ১৯৭৯

————————, *উনবিংশ শতাব্দীর নারী প্ৰগতি ও রামমোহন বিদ্যাসাগর,* একসাথে, কলিকতা, ১৯৮০

সৰকাৰ, দীনেন্দ্ৰ কুমাৰ, মানব সভ্যতায় কুমারীবলি, লোক লৌকিক প্ৰকাশনী, কলিকতা, ১৯৮৩

২. নাৰীবাদ আৰু সমাজ অধ্যয়ন বিষয়ক অসমীয়া প্ৰবন্ধ

দাস, পুষ্পলতা, 'বিদ্ৰোহিনী চন্দ্ৰপ্ৰভা', "লোকায়ত", সম্পাদক -- হোমেন বৰগোহাঞি, ৰঙালী বিহু সংখ্যা, গুৱাহাটী, ১৯৮২

বৰা, হেনা, "অসম মহিলা সংঘৰ চমু পৰিচয়", "সংঘবাৰ্তা" অসম মহিলা সংঘ, প্ৰথম সংখ্যা, গুৱাহাটী, ১৯৮৪

বৰুৱা, হেমচন্দ্ৰ, 'আত্মজীৱন চৰিত', *স্নাতকৰ কথাবন্ধ গ্ৰন্থত,* সম্পাদনা - মহেশ্বৰ নেওগ, বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৮৭

ভট্টাচাৰ্য, নন্দিতা, 'মনুৰ দৃষ্টিত নাৰী', "প্ৰকাশ", সম্পাদক – বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, দ্বাদশ বছৰ, সপ্তম সংখ্যা, গুৱাহাটী, ১৯৮৭

মজুমদাৰ, কমলা, 'সমাজ পুনৰ গঠনত অসমত নাৰী আন্দোলনৰ ভূমিকা', "সংঘবাৰ্তা", অসম মহিলা সংঘ, প্ৰথম সংখ্যা, গুৱাহাটী, ১৯৮৪

শৰ্মা, গোবিন্দপ্ৰসাদ, 'নাৰীবাদ ঃ কি আৰু কেনেকৈ', "সূত্ৰধাৰ", সম্পাদক — হোমেন বৰগোহাঞি, দ্বিতীয় বছৰ, দশম সংখ্যা, গুৱাহাটী, ১৯৯০

————————, 'দণ্ডিনাথ কলিতাৰ 'সাধনা'ৰ এটি আলোচনা, স্বাধীনতা আৰু নাৰীমুক্তি,' "সূত্ৰধাৰ", সম্পাদক - হোমেন বৰগোহাঞি, দ্বিতীয় বছৰ, একবিংশ সংখ্যা, গুৱাহাটী, ১৯৯০

শৰ্মা, শশী, 'ডাকৰ বচনত নাৰীৰ স্থান', "বীক্ষণ", নতুন সাহিত্য পৰিষদ, চতুৰ্থ বছৰ, প্ৰথম সংখ্যা, গোলাঘাট, ১৯৮৮

৩. বিভিন্ন নাৰী সংগঠনৰ কাৰ্যসূচী আৰু মুখপত্ৰ (অসমীয়া আৰু ইংৰাজী)

অসম প্ৰাদেশিক মহিলা সন্মিলনৰ নিয়মাৱলী, প্ৰকাশিকা - ইন্দুপ্ৰভা বৰুৱা, গুৱাহাটী, ১৯৭১

কাৰ্যসূচী আৰু গঠনতন্ত্ৰ, অসম ৰাজ্যিক গণতান্ত্ৰিক মহিলা সমিতি, প্ৰকাশিকা - ৰেজিনা খাতুন, গুৱাহাটী, ১৯৮৪

গঠনতন্ত্ৰ, অসম মহিলা সংঘ, অসম মহিলা সংঘৰ হৈ হেনা বৰা, গুৱাহাটী, প্ৰকাশ কাল নাই

নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ কামৰূপ জিলা প্ৰথম সন্মিলনৰ সম্পাদকীয় প্ৰতিবেদন, স্থানৰ উল্লেখ নাই,

১৯৮২

নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ দ্বিতীয় সন্মিলনৰ স্মৰণিকা, অভ্যৰ্থনা সমিতি, বালিপাৰা (শোণিতপুৰ), ১৯৮৮

নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ প্ৰথম অসম ৰাজ্যিক সন্মিলনৰ সম্পাদকীয় প্ৰতিবেদন, গুৱাহাটী, ১৯৮৪

বৰুৱা, প্ৰীতি আৰু বৰগোহাঞি, নিৰুপমা আদি, (সম্পাদিত), "সংঘবাৰ্তা" অসম মহিলা সংঘ, প্ৰথম সংখ্যা, গুৱাহাটী, ১৯৮৪

———————

-, (সম্পাদিত), "সংঘবাৰ্তা", অসম মহিলা সংঘ, ষষ্ঠ সংখ্যা, গুৱাহাটী, ১৯৮৮

All India Democratic Women's Association, Second National Conference, Souvenir, Trivandrum, 1986

৪. প্ৰাথমিক উৎস (আলোচিত উপন্যাসসমূহ)

কলিতা, দণ্ডিনাথ, *সাধনা,* (১৯২৮), চপলা সাহিত্য সদন, চিলং, ১৯৬০

গোস্বামী, মামণি ৰয়চম, *নীলকণ্ঠী ব্ৰজ,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৭৬

গোস্বামী, ৰাধিকামোহন, *চাকনৈয়া,* প্ৰকাশক, ৰাধিকামোহন গোস্বামী, নগাওঁ, ১৯৫২

তালুকদাৰ, দৈৱচন্দ্ৰ, *অপূৰ্ণ* (১৯৩১-'৩২), লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৬২

বৰগোহাঞি, নিৰুপমা, 'মাৰ প্ৰতি : মৰম আৰু অশ্ৰদ্ধাৰে' *তিনিকন্যা* উপন্যাসিকা সংকলনত, অসম বুক ডিপো, গুৱাহাটী, ১৯৭৮

———————, '*ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ*', ভবানী পাব্লিছিং কন্‌চাৰ্ন, কলিকতা, ১৯৭৯

বৰদলৈ, ৰজনীকান্ত, *ৰহদৈ লিগিৰী,* (১৯৩০), সাহিত্য প্ৰকাশ, গুৱাহাটী, ১৯৮৭

বৰুৱা, বীণা, *জীৱনৰ বাটত,* (১৯৪৪), বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৮৬

বৰুৱা, ৰাম্না, *সেউজী পাতৰ কাহিনী,* চপলা সাহিত্য সদন, চিলং, ১৯৫৯

ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ, *আই,* (১৯৬০), এল. বি. এছ, গুৱাহাটী, ১৯৮৩

———————, *নষ্টচন্দ্ৰ,* শ্ৰীভূমি পাব্লিছিং কোম্পানী, কলিকতা, ১৯৬৮

———————, *মৃত্যুঞ্জয়,* (১৯৭০), সাহিত্য প্ৰকাশ, গুৱাহাটী, ১৯৮৫

———————, *প্ৰতিপদ,* সাহিত্য প্ৰকাশ, গুৱাহাটী, ১৯৭০

———————, *চিনাকি সুঁতি,* (১৯৭১), শ্ৰীভূমি পাব্লিছিং কোম্পানী, কলিকতা, ১৯৭৬

———————, *ডাইনী,* শ্ৰীভূমি পাব্লিছিং কোম্পানী, কলিকতা,১৯৭৬

শৰ্মা, লক্ষ্মীধৰ, 'বিদ্ৰোহিণী', ব্যৰ্থতাৰ দান (১৯৩০) সংকলনত, চপলা সাহিত্য সদন, চিলং, ১৯৬৩

নিৰুপমা বৰগোহাঞি, *চম্পাৱতী,* শান্তি প্ৰকাশন, গুৱাহাটী, ১৯৯০, প্ৰথম সংস্কৰণ

অন্যজীৱন, ষ্টুডেন্টছ এম্পোৰিয়াম, গুৱাহাটী, ১৯৮৭।